# সাহিত্য আৰু চেতনা

ডঃ হীৰেন গোহাঁই

গুৱাহাটী বুক ষ্টল

শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩ : দিঘলীপুখুৰী, গুৱাহাটী-৭৮১০০৬

**SAHITYA ARU CHETANA**

*A Selection of Assamese Articles on different Topice written by Dr. Hiren Gohain and Published by Bangshidhar Sarmah, M/s. Gauhati Book Stall, Gauhati-781003. Price Rupees Fifteen only.*

॥ প্ৰকাশক : শ্ৰীবংশীধৰ শৰ্মা ● গুৱাহাটী বুক ষ্টল ● শিলপুখুৰী ● গুৱাহাটী-৩ ॥

॥ প্ৰথম প্ৰকাশ : আগষ্ট, ১৯৭৬ চন ॥

॥ বেটুপাত : গুৱাহাটী আৰ্টিষ্ট গীল্ড ॥

॥ ছপা : শ্ৰীৰণজিৎ কুমাৰ চামুই ● ভাস্কৰ প্ৰিণ্টাৰ্চ ● কলিকতা-৬ ॥

॥ বন্ধা : শ্ৰীশিৱসাধন ঘোষ ● স্তৱা বাইণ্ডিং ওৱাৰ্কচ্ ● কলিকতা-৬ ॥

॥ মূল্য : পোন্ধৰ টকা মাথোন ॥

পৰম পূজনীয় দেউতালৈ—

## ব্যক্তিগত দুআষাৰ

...মোৰ বিয়াৰ দিনা শ্ৰীযুত বংশীধৰ শৰ্মাদেৱে উপহাৰ দিয়া প্ৰকাণ্ড টোপোলাটোৱে কৌতূহলৰ উদ্ৰেক কৰিছিল। পিছদিনা খুলি চাই পাইছিলোঁ এক ৰীম উৎকৃষ্ট বিধৰ লিখা কাগজ, দুটা কলম আৰু পাচশ টকাৰ চে'ক এখন। আমোদৰ লগতে এই অভিনৱ উপহাৰে উৎসাহো দিছিল।...

...মোৰ এলেহুৱা স্বভাৱ। প্ৰবন্ধ সম্পূৰ্ণ হৈ নুঠে। মোৰ পৰিবাৰৰ অনুযোগতহে কেবাটাও প্ৰবন্ধ সম্পূৰ্ণ হৈছে। প্ৰকাশিত আৰু অপ্ৰকাশিত প্ৰবন্ধবোৰ তেওঁ অতি যত্নে সংৰক্ষণ কৰিছে। প্ৰবন্ধৰ ভাষা পৰিষ্কাৰ হৈছে নে নাই সেই বিষয়ে প্ৰায়েই তেওঁৰ মতামত লৈছোঁ।

**লেখক**

## ইয়াত আছে :


অসমীয়া মধ্যবিত্ত সমাজৰ ইতিহাস— ১

মধ্যবিত্ত সমাজৰ ইতিহাস সম্পৰ্কে বিতৰ্ক— [illegible]

অসমীয়া সাহিত্যত যুগ পৰিবৰ্তন— ৭১

অসমীয়া গল্প-উপন্যাসত সমাজ চিন্তাৰ নমুনা— ৮৪

অসমীয়া জাতীয়তাবাদৰ সমস্যা— ৯৩

জ্যোতি প্ৰতিভাৰ বিচাৰ— ১১৩

ৰবীন্দ্ৰনাথৰ ৰুছিয়া— ১২৭

পেব্ল' নে'ৰুডা আৰু কবিতাৰ স্বৰূপ— ১৩৮

মাৰ্ক্সবাদ আৰু ধৰ্ম— ১৩৯

শোষণবাদী চক্ৰবেহুত তৰুণ মাৰ্ক্স— ১৫০

মাৰ্ক্সবাদ আৰু মতাদৰ্শৰ সমস্যা— ১৬১

জ্যোতিপ্ৰসাদ, শিল্পৰ ভূমিকা আৰু মাৰ্ক্সবাদ— ১৭২

ৰবীন্দ্ৰনাথ আৰু জনগণ— ১৮০

ৰবীন্দ্ৰ সাহিত্যৰ প্ৰাসংগিকতা— ১৯৮

কবিতাৰ উৎস সন্ধানত ( প্ৰথম খণ্ড )— ২০৭

কবিতাৰ উৎস সন্ধানত ( দ্বিতীয় খণ্ড )— ২২০

যুদ্ধ আৰু ৰাজনীতি— ২৪০

বাণীকান্ত কাকতী, নাৰী আৰু প্ৰেম— ২৬০

# লেখকৰ পৰা পাঠকলৈ ..

বহুদিন মোৰ কোনো কিতাপ ওলোৱা নাই। হাত অৱশ্যে থামি যোৱা নাই, মগজুৱো ভাগৰ লগা নাই। কিন্তু ৰাজনৈতিক কাৰণবশতঃ আমাৰ প্ৰকাশকসকলৰ পক্ষৰ আগ্ৰহ ভালেখিনি চেঁচা পৰিল। মাৰ্ক্সবাদী দৃষ্টিকোণৰ পৰা লিখা চিন্তাশীল কিতাপে অতিকষ্টেহে প্ৰকাশকসকলৰ শুভদৃষ্টি পৰে। ব্যক্তিগতভাবে মোৰ প্ৰতি সদ্ভাৱ থকা প্ৰকাশকসকলেও যেতিয়া মোৰ মাৰ্ক্সবাদ সম্পৰ্কে অসহিষ্ণুতা প্ৰকাশ কৰিলে, তেতিয়া মই কিতাপ প্ৰকাশ কৰাৰ আশা বাদেই দিছিলোঁ। এনে সময়তে অপ্ৰত্যাশিতভাবে বন্ধু শ্ৰীযুত বংশীধৰ শৰ্মাই যেতিয়া মোৰ পৰা এখন নতুন কিতাপ বিচাৰিলে, মই কৃতজ্ঞ আনন্দত অভিভূত হৈ পৰিছিলোঁ। কিতাপখনৰ জন্মদাতা যদি মই, পৰম সহিষ্ণু আৰু স্নেহশীল ধাত্ৰী তেৱেঁই। কিতাপখনৰ মতামতবোৰ মোৰ নিজৰ, হয়তো তাৰে কিছুমানত তেখেতৰ সমৰ্থন নাই। তথাপি যে কিতাপখন ছপোৱাবলৈ তেখেত আগবাঢ়ি আহিল সেই সৎসাহস আৰু বিদ্যানুৰাগৰ বাবে পোনপ্ৰথমে তেখেতৰ শলাগ লওঁ।

বৰ্তমান সংকলনখনে যোৱা তিনিবছৰে মোৰ মনলৈ অহা পৰিৱৰ্তনৰ সাক্ষ্য বহন কৰিছে। মোৰ মনৰ মাজত থকা বুৰ্জোৱা আৰু পেটিবুৰ্জোৱা সংস্কাৰবোৰৰ সম্পৰ্কে মই অধিক সজাগ আৰু নিৰ্মম হৈ আহিছোঁ এই সময়চোৱাত। আন অনেক কাৰণৰ লগতে মাও-ছে-তুঙৰ ৰচনাৱলীৰ লগত আগতকৈ নিবিড় পৰিচয় ঘটাও এই পৰিৱৰ্তনৰ এটা প্ৰধান কাৰণ বুলি ভাবোঁ।

বিশ্ববিশ্ৰুত নাট্যকাৰ ব্ৰেখ্‌টে হেনো মাও-ছে-তুঙৰ *On Contradiction* ওলোৱাৰ পিছত ওৰে ৰাতি সাৰে থাকি কিতাপখন পঢ়িছিল আৰু পিছদিনা এজন বন্ধুক মুগ্ধ কণ্ঠেৰে কৈছিল: "Profound!" আমি পিছে হাতৰ কাষতে থকা মাও-ছে-তুঙৰ ৰচনাৱলীৰ সাৰ্থকতা সহজে আৰু সোনকালে বুজিব পৰা নাছিলোঁ।

সংস্কৃতিসেৱী হিচাবে আমাৰ আগৰ চিন্তাধাৰা বুৰ্জোৱা আদৰ্শৰে বিদূষিত আছিল। মকাৰ মাৰ্ক্সবাদী সকলৰ বিৰোধিতা কৰিবলৈ গৈ আমি শোধনবাদৰ কবলত পৰিছিলোঁ। সাহিত্যক শ্ৰেণীসংগ্ৰামৰ পৰা নিলগত ৰখাৰ চেষ্টা "সমাজ আৰু সমালোচনা"ত পৰিস্ফুট। এতিয়া অৱশ্যে বুজিছোঁ যে ৰাজনীতিৰ পৰা নিলগত বিশুদ্ধ সাহিত্য ৰচনাৰ চেষ্টা ভ্ৰান্তিবিলাস মাত্ৰ। এইকথা ঠিক যে ৰাজনীতি আৰু সাহিত্যৰ ৰণাংগণ সুকীয়া, ৰণকৌশলো সুকীয়া। কিন্তু যুদ্ধ একেখনেই। মাও-ছে-তুঙে কৈছে দুটা ফৌজৰ কথা, ৰাজনৈতিক আৰু সাংস্কৃতিক ফৌজ। প্ৰথমটো প্ৰধান সন্দেহ নাই, কিন্তু দ্বিতীয়টোও অপৰিহাৰ্য আৰু গুৰুত্বপূৰ্ণ।

আমি ভাবিছিলোঁ—বহুতে আজিও ভাবে—যে সংস্কৃতি শ্ৰেণীনিৰপেক্ষ। আমাৰ বৰ্তমান সমাজত সংস্কৃতিৰ মুমূৰ্ষু অৱস্থা। আমি ভাবিছিলোঁ যে সৰ্বহাৰা বিপ্লৱে সংস্কৃতিৰ পুনৰুজ্জীৱন

ঘটাৰ। ইতিমধ্যে সংস্কৃতিৰ যথাসাধ্য উৎকৰ্ষ সাধন কৰি তাক বিজয়ী জনগণৰ হাতত তুলি দিয়াই শিল্পী আৰু সাহিত্যিকৰ দায়িত্ব—এয়ে আছিল আমাৰ ধাৰণা। এতিয়া মোৰ চেতনা হৈছে যে আমি আচলতে বুৰ্জোৱা সংস্কৃতিকেই সংস্কৃতি বুলি ধৰি লৈছিলোঁ। আমি বুজা নাছিলো যে সেই সংস্কৃতি বুৰ্জোৱা স্বাৰ্থচিন্তা, ব্যক্তিকেন্দ্ৰিকতা, প্ৰতিযোগিতাৰ প্ৰভাৱত বিকলাংগ। তাৰ উপৰিও সমাজৰ অধিকাংশ লোকক শোষণ আৰু দমন কৰি গঢ়ি উঠা শ্ৰেণীৰ সংস্কৃতিত বহু অশুভ, অসুস্থ উপাদান থকাটো সম্ভৱ, স্বাভাৱিক। প্ৰকৃততে তাৰ উচ্চ মূল্যবোধৰ অন্তৰালত আছে এক উচ্চপৰ্যায়ৰ প্ৰতাৰণা। কিন্তু শ্ৰেণীচেতনাৰ অপৰিণত অৱস্থাৰ ফলত এই প্ৰতাৰণা বুজাটো আমাৰ সাধ্যাতীত আছিল।

সাহিত্যসংস্কৃতি সম্পৰ্কে এই শ্ৰেণীনিৰপেক্ষ অথচ আভিজাত্যবাদী ধাৰণাৰ ফলত আমাৰ জীৱনদৰ্শন দ্বিধাগ্ৰস্ত হৈছিল। ৰাজনীতিত আমি কৈছিলোঁ প্ৰগতিৰ কথা, শ্ৰেণীসংগ্ৰামৰ কথা। অথচ কলাসংস্কৃতিত আমি আছিলোঁ উচ্চমানৰ সৌন্দৰ্য্য আৰু বিশুদ্ধ কলাৰ উপাসক। জনগণৰ বাবে কলাশিল্প "পনীয়া" কৰিবলৈ আমাৰ দোৰ্ঘোৰ আপত্তি আছিল। এইসম্পৰ্কে প্ৰথম পৰিষ্কাৰ চিন্তাৰ ক্ষমতা আমি অৰ্জন কৰিলোঁ মাও-ছে'-তুঙৰ ৰচনাৱলীৰ পৰা।

মাৰ্ক্স-এংগেলচ্-লেনিনৰ ৰচনাতে সূক্ষ্মদৰ্শী আৰু সন্ধানী মনে সমাজবাদৰ নতুন সংস্কৃতিচিন্তাৰ ঠিকনা বিচাৰি পাব। কিন্তু সংগ্ৰামী সৰ্বহাৰাৰ দৃষ্টিকোণ আৰু মূল্যবোধৰ পৰা এই বিষয়ে পৰিষ্কাৰ, প্ৰণালীবদ্ধ, বিস্তাৰিত আলোচনা মাও-ছে'-তুঙৰ অৱদান। আমাৰ সেইসময়ৰ ৰাজনৈতিক নেতাসকলৰ পৰা আমি মাও-ছে'-তুঙ সম্পৰ্কে দ্বিধাহীন চাৰ্টিফিকেট পোৱা নাছিলোঁ। সেয়ে তেওঁৰ ৰচনাৱলীও বিশেষ শ্ৰদ্ধা আৰু মনোযোগেৰে পঢ়া নাছিলোঁ। আমাৰ গুৰু আছিল হাংগেৰিৰ খ্যাতনামা তাত্ত্বিক গীয়ৰ্গ লুকাচ্চ্। লুকাচ্চৰ চিন্তাধাৰা বুৰ্জোৱা মানৱতাবাদৰ লগত অধিক নিবিড়ভাৱে জড়িত। তেওঁৰ ভাষাও বুৰ্জোৱা দৰ্শনৰ আকৰ্ষণীয় বিমূৰ্ত তাত্ত্বিক ভাষাৰে ঠেঁচুলি। সেয়ে লুকাচ্চ্ আমাৰ বাবে আছিল অধিক আদৰণীয়। অথচ মাও-ছে'-তুঙৰ সমাজ আমাৰ সমাজৰ অধিক সগোত্ৰ, মাও-ছে'-তুঙৰ বিচাৰ আমাৰ আপোন সমস্যাৱলীৰ বাবে অধিক উপযোগী হোৱা সত্ত্বেও মাও-ছে'-তুঙৰ গুৰুত্ব আমি বুজা নাছিলোঁ।

মাৰ্ক্স-লেনিনতকৈ অধিক স্পষ্টভাৱে, অধিক দৃঢ়তাৰে মাও-ছে'-তুঙে তুলি ধৰিছে বিপ্লৱী ৰাজনীতিৰ লগৰীয়া বিপ্লৱী সংস্কৃতিৰ লাইন। মাৰ্ক্স-লেনিনৰ অন্তৰ্নিহিত বাণী তেওঁ প্ৰচাৰ কৰিছে প্ৰকাণ্ড আৰু প্ৰোজ্জ্বল সিদ্ধান্তৰূপে :

In the world today all culture, all literature and art belong to definite classes and are geared to definite political lines. There is in fact no such thing as art for art's sake, art that stands above classes, an art that is detached from or independent of politics. Proletarian art and literature are part of the whole proletarian revolutionary cause......Therefore, Party work in literature and art occupies a definite and assigned position in Party revolutionary work as a whole......

* * *

To study Marxism means to apply the dialectical materialist and historical materialist viewpoint in our observation of the world, of society, and of literature and art ; it does not mean writing philosophical lectures into our works of literature and art. Marxism embraces but cannot replace realism in literary and artistic creation, just as it embraces but cannot replace the atomic and electronic theories in physics. Empty, dry, dogmatic formulas do indeed destroy the creative mood ; not only that, they first destroy Marxism. [ *Talks At The Yenan Forum* ]

* * *

New-democratic culture belongs to the broad masses and is therefore democratic. It should serve the toiling masses of workers and peasants who make up more than 90 percent of the nation's population and should gradually become their very own.

* * *

Revolutionary culture is a powerful revolutionary weapon for the broad masses of the people. It prepares the ground ideologically before the revolution comes and is an important, indeed, essential, fighting front in the general revolutionary front during the revolution.

মাও-চে-তুঙৰ এইবোৰ উক্তিত সাহিত্য-সংস্কৃতিৰ নিজস্ব চৰিত্ৰৰ প্ৰতি অবিচাৰ কৰা হোৱা নাই, অথচ স্পষ্ট ভাষাত কোৱা হৈছে যে সৰ্বদা সংস্কৃতিৰ ৰূপ বেলেগ, ভূমিকা বেলেগ। সাহিত্য সংস্কৃতিৰ গতিত ৰাজনীতিৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ ইয়াত স্বীকাৰ কৰি লোৱা হৈছে, আনহাতে গোঁড়া (dogmatic) ৰাজনীতিৰ ক্ষতিকৰ ভূমিকাৰ বিৰুদ্ধে তীব্ৰ সতৰ্কবাণী দিয়া হৈছে। চীনৰ মহান সাংস্কৃতিক বিপ্লৱৰ সময়ত এনেবোৰ চিন্তাৰেই অধিক সংহত, অধিক অন্তৰ্ভেদী, অধিক অগ্ৰগামী ৰূপ দি মাও-চে-তুঙে ক'লে যে মতাদৰ্শৰ সংগ্ৰাম আৰু মতাদৰ্শৰ ৰূপান্তৰৰ ক্ষেত্ৰত কলাসংস্কৃতিৰ ভূমিকা গভীৰ, ব্যাপক, প্ৰাথমিক। বিশুদ্ধ ভাৱে সেই সংগ্ৰাম চলাব আৰু সেই পৰিবৰ্তন সাধিব নোৱাৰি।

বুৰ্জোৱা ৰাজনীতিৰ গণ্ডী যি চেৰাই আহিব পৰা নাই, সি স্বাভাৱিকতে মাৰ্ক্সৰ ভাৱধাৰাক বুৰ্জোৱা চিন্তাৰেই এক উন্নত পৰ্যায় বুলি ধৰি লয়। মাৰ্ক্সৰ চেতনাদৰ্শনৰ বিকৃত ব্যাখ্যাও মতাদৰ্শৰ ইতিহাসত একো নতুন কথা নহয়। এনে ব্যাখ্যাই লুকাই ৰাখে যে মাৰ্ক্সবাদত বুৰ্জোৱা অৰ্থনীতি আৰু বুৰ্জোৱা দৰ্শনৰ প্ৰচুৰ অৱদান থাকিলেও তাৰ দৃষ্টিকোণ সম্পূৰ্ণ স্বতন্ত্ৰ। বুৰ্জোৱা অৰ্থনীতিৰ আৰু বুৰ্জোৱা দৰ্শনৰ প্ৰাথমিক ধাৰণাবোৰ (assumptions) আৰু মূল সিদ্ধান্ত সমূহ মাৰ্ক্সবাদৰ ঐতিহাসিক আৰু দ্বান্দ্বিক বস্তুবাদে সম্পূৰ্ণভাৱে বাকচ কৰিছে। কিন্তু এই কথা বুৰ্জোৱা ৰাজনীতিৰ প্ৰভাৱত থকা তাত্ত্বিক সকলে লুকাই ৰাখিছে। হেগেলোক বাইবেল ভাবিবলৈ দিব

নোখোজে যে সমাজবাদ এটা নতুন সভ্যতা। অতীতৰ সকলো অৱদানৰ ভিত্তিত তাৰ সৌধ নিৰ্মিত হয়, কিন্তু সেই সৌধৰ আকৃতি-প্ৰকৃতি আগৰ স্থাপত্যবিদ্যাই সমূলি নিৰ্ধাৰণ নকৰে। "কমিউনিষ্ট মেনিফেষ্টো"ত মাৰ্ক্সে এনেয়ে কোৱা নাছিল যে সৰ্বহাৰা বিপ্লৱ হ'ল মানুহৰ মানস-জগতত এক অভূতপূৰ্ব পৰিৱৰ্তন, পৰম্পৰাগত সকলো ধ্যান-ধাৰণাৰ বিৰুদ্ধে এক প্ৰবল প্ৰত্যাহ্বান। হেজাৰ-হেজাৰ বছৰ ধৰি দাসপ্ৰথা, সামন্তসমাজ আৰু পুঁজিবাদৰ মাজেদি ব্যক্তিগত সম্পত্তিৰ ধাৰাটো নিছিগা-ধাৰে বৈ আছে। আমাৰ বহু তথাকথিত "চিৰন্তন" ধ্যান ধাৰণাৰ, আমাৰ বহু আদৰৰ ঐতিহ্যৰ ভিত্তি হ'ল এই ব্যক্তিগত সম্পত্তি। ব্যক্তিগত সম্পত্তিৰ অৱসানে এইবোৰ ধ্যানধাৰণাবো বিপৰ্যয় আনিব, বহু মানুহৰে মানসিক জগতলৈ ধুমুহা বোৱাই আনিব।

মাৰ্ক্সে স্পষ্ট ভাষাত এই কথা কৈছে। কিন্তু তেওঁৰ জীৱনকালত, সমাজবাদী বিপ্লৱৰ আগলিবেলিকা তেওঁৰ পক্ষে এটা কথা কোৱা সম্ভৱ নাছিল। সি হ'ল—ব্যক্তিগত সম্পত্তিৰ অবলুপ্তি ঘটালেই তাৰ বংশ নিৰ্মূল নহয়। মানুহৰ মনোজগতৰ পৰা যদি তাৰ শিপা উঘালি পেলোৱা নহয় তেন্তে নতুন ৰূপত সি সমাজবাদী পৰিবেশতো ব্যক্তিগত সম্পত্তিৰ সৃষ্টি কৰিব পাৰে, ৰাষ্ট্ৰীয় সম্পত্তিক ব্যক্তিগত সম্পত্তিত পৰিণত কৰিব পাৰে। সেয়ে বাস্তৱজীৱনৰ পৰা উৎখাত হোৱা অথচ মানুহৰ মনোজগতত প্ৰবল হৈ থকা ব্যক্তিগত সম্পত্তিৰ তথা ব্যক্তিকেন্দ্ৰিক মনোভাৱৰ বিৰুদ্ধে দীৰ্ঘস্থায়ী আৰু নিৰ্মম সংগ্ৰামৰ প্ৰয়োজন আছে।

এংগেলছে কৈছে যে মাৰ্ক্স আৰু তেওঁ যেহেতু বিশ্বাস আৰু ধ্যান-ধাৰণাৰ বাস্তৱ ভিত্তি সম্পৰ্কে আৰু ঐতিহাসিক বিকাশৰ বাস্তৱ চালিকাশক্তি সম্পৰ্কে বিস্তৃত গৱেষণা কৰিছিল, তেওঁলোকৰ বৈৰীবিলাকে বাস্তৱ ইতিহাসৰ ওপৰত মানুহৰ চিন্তাৰ প্ৰভাৱ তথা প্ৰতিক্ৰিয়া তেওঁলোকে অস্বীকাৰ কৰা বুলি গুজব ৰটিছিল। ১৮৯০ চনৰ ২৭ অক্টোবাৰত কনৰাড্ স্মিটলৈ দিয়া এখন চিঠিত আৰু ১৮৯৩ চনৰ ১৪ জুলাইৰ দিনা ফ্ৰান্‌ত্‌ছ্ মেহ্‌ৰিঙলৈ দিয়া চিঠিত তেওঁ লিখিছে যে দ্বন্দ্বতত্ত্ব মতে তেওঁলোক দুয়ো মতাদৰ্শৰ ওপৰত অৰ্থনীতিৰ, আৰু অৰ্থনীতিৰ ওপৰত মতাদৰ্শৰ প্ৰভাৱ—দুয়োটা প্ৰক্ৰিয়াকে স্বীকাৰ কৰিছে। প্ৰকৃত ইতিহাস এই দুই ধাৰাৰ পৰস্পৰ জড়িত দ্বান্দ্বিক প্ৰক্ৰিয়া।

এংগেলছৰ সূত্ৰমতেই আমি দেখিছোঁ যে মাও-ছে-তুঙৰ ধাৰণাটো বাস্তৱসম্মত আৰু যুক্তিসম্মত। কোনো কোনো মহলৰ পৰা তৰ্ক উঠিছে যে এবাৰ ব্যক্তিগত সম্পত্তিৰ অবলুপ্তি আৰু সমাজবাদী উৎপাদন সম্পৰ্কৰ প্ৰবৰ্তন ঘটিলে ব্যক্তিগত সম্পত্তিৰ পুনৰুত্থান কেনেকৈ সম্ভৱ হব পাৰে? সামন্তবাদৰ পৰা পুঁজিবাদলৈ উত্তৰণৰ পিছত জানো সামন্তবাদলৈ প্ৰত্যাৱৰ্তন সম্ভৱ? এওঁলোকে ধৰি লৈছে যে এখন দেশ বা এখন সমাজত পুঁজিবাদ উৎখাত হ'লে বিশ্বপুঁজিবাদৰেই অৱসান হব। আচলতে বিমানেই মুমূৰ্ষু নহওক বিশ্বপুঁজিবাদৰ পতন আজিও ঘটা নাই, সমগ্ৰ বিশ্বতে তাৰ পতন নঘটা পৰ্যন্ত যি কোনো দেশতে সমাজবাদী বিপ্লৱৰ পিছত পুঁজিবাদৰ প্ৰত্যাৱৰ্তন একো অস্বাভাৱিক ঘটনা নহয়। বৰং এনেদৰে কোনো কোনো দেশত পুঁজিবাদৰ প্ৰত্যাৱৰ্তন ঘটাটো ইতিহাসৰ দ্বান্দ্বিক, zig-zag বিকাশৰ ধাৰাৰেই নিদৰ্শন স্বৰূপ।

শ্ৰেণীসমাজৰ আদিম পৰ্যায়তে যি এমুঠি লোকে নিজৰ বুদ্ধিৰ জোৰত উৎপাদনৰ পৰিকল্পনাৰ দায়িত্বৰ পৰা উৎপাদনব্যৱস্থাৰ মালিকানালৈকে নিজকে প্ৰমোচন দিলে, সেই শ্ৰেণীটোৰ

উত্তৰাধিকাৰী তাৰ পিছৰে পৰা বিভিন্ন শ্ৰেণীসমাজত সক্ৰিয় হৈ আহিছে। পুঁজিবাদত বুদ্ধিজীৱী, বিশেষজ্ঞ, কলাকাৰ, শিক্ষক—এনে ৰূপত এই শ্ৰেণীটোৰ বিপুল প্ৰসাৰ আৰু সংখ্যাবৃদ্ধি ঘটিছে। এই শ্ৰেণীটো সৰ্বহাৰা বিপ্লৱৰ পিছত একেদিনাই বিলুপ্ত হৈ নাযায়। সমাজবাদী বিপ্লৱী সকলেও সমাজবাদ গঠনৰ কামত এওঁলোকক নিয়োগ কৰিবলৈ বাধ্য হয়। কিন্তু এই শ্ৰেণীটোৰ মাজত প্ৰবল পুঁজিবাদী দৃষ্টিভংগী আৰু মনোভাৱে অনুকূল পৰিবেশ ৰচনাৰ বাবে সুযোগ বিচাৰি ফুৰে। এওঁলোকৰ চিন্তাধাৰা সমাজবাদী পাৰ্টিৰ এচাম লোকেও নিষ্ঠাৰে গ্ৰহণ কৰে। তাৰ ফলত আন্তৰ্জাতিক পুঁজিবাদৰ প্ৰভাৱৰ বাহিৰেও সমাজবাদী সমাজৰ দেহতো পুঁজিবাদৰ বীজাণু ৰৈ যায়।

সেই বিশেষজ্ঞ আৰু বুদ্ধিজীৱী শ্ৰেণীৰ অংগ হিচাবে আমাৰ মনৰ পৰাও বৈষম্য আৰু শোষণৰ মনোভাৱ ইমান সহজে দূৰ কৰিবপৰা হোৱা নাই। বিশেষকৈ পুঁজিবাদী সমাজৰ তেজাৰটা প্ৰভাৱে আমাৰ জ্ঞাতসাৰে বা অজ্ঞাতসাৰে এই মনোভাৱ আমাৰ মনত পুষ্ট কৰিছে অহৰ্নিশে। গতিকে তাৰ পৰা নিজকে মুক্ত কৰিব পাৰিছোঁ বুলি ঢোল নবজাওঁ। কিন্তু এটা কথা ঠিক যে ষাঠিৰ দশকত যিবোৰ মূল্য আৰু ধাৰণা আমি নিষ্ঠাৰে পোষণ কৰিছিলোঁ সেইবোৰৰ দুৰ্বলতা এতিয়া আমাৰ চকুত স্পষ্ট হৈ উঠিছে।

সেইকালত আমি ভাবিছিলোঁ যে সাহিত্যসংস্কৃতিৰ উন্নতিয়েই সামাজিক উন্নতিৰ শ্ৰেষ্ঠ মাপকাঠি, আৰু সেই উন্নতি এমুঠি ৰুচিবান, বুদ্ধিমান সৃষ্টিপ্ৰতিভাৰ অৱদান। এই এমুঠি সৃষ্টি প্ৰতিভাৰ বাবে বাট মুকলি কৰিবলৈ অতি কঠোৰ সমালোচনাৰে সংস্কৃতিৰ মানসমূহ (standards) ৰক্ষা কৰিব লাগিব। কাৰপৰা ৰক্ষা কৰিব লাগিব? অজ্ঞ স্থূলবুদ্ধি, ৰুচিহীন জনগণৰ অপবিত্ৰ স্পৰ্শৰ পৰা!! আমি বুজা নাছিলোঁ যে একোখন সমাজৰ প্ৰকৃত সৃষ্টিপ্ৰতিভা নিহিত থাকে জনগণৰ পেশী, হৃদয় আৰু মস্তিষ্কত। ব্যক্তিগত সৃষ্টি প্ৰতিভা সেই সামগ্ৰিক সৃষ্টি প্ৰতিভাৰে প্ৰকাশমাত্ৰ। আমাৰ সমাজত সৰহসংখ্যক লোকৰ সৃষ্টিপ্ৰতিভা দমন কৰি ৰাখিছে এক অমানুষিক সমাজব্যৱস্থাই। যিখন সমাজত অধিকাংশ লোকৰ দুবেলা দুমুঠি খাবলৈ নোপোৱাৰে সেই সমাজৰ সামগ্ৰিক সৃষ্টি-প্ৰতিভাৰ বল আৰু কিমান হ'ব, ব্যক্তিগত সৃষ্টি প্ৰতিভাৰেই বা বল কিমান হ'ব। গতিকে আমাৰ তেতিয়াৰ সাংস্কৃতিক কাৰ্য্যসূচী আছিল অবাস্তৱ আৰু অকাৰ্য্যকৰী।

আৰু এটা কথা। শ্ৰেণীসমাজত উচ্চশিক্ষাৰ সা-সুবিধা মাত্ৰ এমুঠি মানুহে লাভ কৰে। তেওঁলোকক সুবিধা দিয়া হয় অগণন মানুহৰ বাধ্যতামূলক অজ্ঞতা আৰু জড়তাৰ বিনিময়ত। সেয়ে এই এমুঠি মানুহৰ ৰুচি বা সংস্কৃতিৰ ধাৰণাত, মানৰ (standards) ধাৰণাত এনে বহু বিকৃতি থাকি যায়, যি এই অসুস্থ, অমানবিক প্ৰক্ৰিয়াৰ প্ৰতিফলন মাত্ৰ। উদাহৰণস্বৰূপে সকলো শ্ৰেণীসমাজৰ উচ্চশিক্ষিত, ৰুচিবান লোকে জনগণক মূঢ়, ৰুচিহীন আৰু স্থূলবুদ্ধি বুলি ভাবে। তেওঁলোকৰ শ্ৰেণীদুৰ্গত আন শ্ৰেণীৰ প্ৰবেশ নিষেধ বাবেই এই ভ্ৰান্ত ধাৰণা দূৰ কৰাৰ সৌভাগ্য তেওঁলোকৰ নঘটে। তাৰ ফলত তেওঁলোকৰ উচ্চ মানৰ ধাৰণাটোও হৈ পৰে একপক্ষীয়, অমানুষিক, বিকৃত। অসমত এক ঐতিহাসিক সন্ধিক্ষণত জ্যোতিপ্ৰসাদে এনে ধাৰণাৰ অসাৰতা উপলব্ধি কৰিছিল। কিন্তু জ্যোতিপ্ৰসাদৰ সেই সজীৱ অন্তৰ্দৃষ্টি জ্যোতিভক্তসকলৰ ধূপধূনাৰ মাজত অতি শীঘ্ৰে ৰূপান্তৰিত হ'ল এক অৰ্থহীন আচাৰানুষ্ঠানলৈ।

এইটো এটা ক্ষোভৰ কথা যে আজিৰ দিনতো, মাৰ্ক্সবাদৰ চৰ্চা দেশত ব্যাপক হোৱা দিনতো, এই কথাটোৰ সত্যতা বহুতৰ বাবেই অপৰিষ্কাৰ হৈ আছে। মাৰ্ক্সৰ পৰা বিকৃত, খণ্ডিত উদ্ধৃতি দি ধূৰ্ত বুদ্ধিজীৱীয়ে আমাৰ কোনো কোনো মাৰ্ক্সবাদীৰ মূৰ ঘূৰাই দিব পাৰে আৰু মাৰ্ক্সক এক অমানুষিক শ্ৰেণীভিত্তিক উচ্চমানৰ প্ৰৱক্তাত পৰিণত কৰিব পাৰে। মাৰ্ক্সৰ বিপ্লৱৰ ধাৰণা বিমূৰ্ত নাছিল। তেওঁৰ বাবে বিপ্লৱৰ বাহক শোষিত শ্ৰমিক শ্ৰেণী। তেওঁৰ কল্পদৃষ্টিত ভৱিষ্যৎ মানৱসভ্যতাৰ সমৃদ্ধি গঢ়ি তুলিব বৰ্তমানৰ নিঃস্ব সৰ্বহাৰাই। মাৰ্ক্সৰ এই দৃষ্টিকোণৰ লগত নিৰ্বিচাৰে উচ্চ মানৰ গুণকীৰ্তন কৰা দৃষ্টিকোণৰ সংগতি কত? বৰং সমাজবাদী মাত্ৰেই বুজিব যে শ্ৰেণীসমাজৰ মানৱবিৰোধী বিচ্ছিন্নতাৰ (alienation) এটা প্ৰকৃষ্ট উদাহৰণ হ'ল এনে ধৰণৰ বিচ্ছিন্ন উচ্চমানৰ ধাৰণা, এনেধৰণৰ elitism.

এই বিচ্ছিন্নতাই আমাৰ সাম্প্ৰতিক সংস্কৃতিত প্ৰকট ৰূপ ধাৰণ কৰিছে। আমাৰ সমাজৰ উন্নতিৰ বাবে যি কষ্টকৰ অথচ প্ৰেৰণাময় ঐতিহাসিক সংগ্ৰাম চলিব ধৰিছে তাত মধ্যবিত্ত সুবিধাভোগী শিল্পীসাহিত্যিকে কোনো ৰৰঙণি যোগাব পৰা নাই। ফলত নিঃস্ব, বঞ্চিত, কিন্তু সংগ্ৰামী, সৃষ্টিশীল জনগণৰ লগত তেওঁলোকৰ কোনো যোগাযোগ স্থাপিত হোৱা নাই। এই বিচ্ছিন্নতা অধিক শোচনীয় হৈ পৰিছে আন্তৰ্জাতিক পুঁজিবাদী সংস্কৃতিৰ ক্ষয়িষ্ণু ধাৰাৰ আগত তেওঁলোকৰ গদগদ আত্মসমৰ্পণৰ ফলত। পছিমীয়া দেশবোৰত প্ৰভাৱশালী বাবেই "উচ্চ মান"ৰ খাটিৰত আমিও প্ৰতীকবাদ, এবছাৰ্ড ড্ৰামা আৰু এণ্টিনভেলৰ চৰ্চাত নিবিষ্ট হব লাগিব, এনে দাসসুলভ মনোভাৱেৰে এওঁলোকে "সংস্কৃতি" কৰি গৈছে। আনকি নিম্নমধ্যবিত্ত জনগণো এনে "সংস্কৃতি"ৰ সমুখত বিমূঢ়, বিভ্ৰান্ত।

এই বিচ্ছিন্নতাই আমাৰ বিপ্লৱী শিবিৰৰ লেখক সকলকো স্পৰ্শ নকৰাকৈ থকা নাই। বিপ্লৱৰ প্ৰতি আন্তৰিক আসক্তি সত্ত্বেও এওঁলোকে "উচ্চ মান"ৰ মোহত, "নন্দনতাত্ত্বিক" দৃষ্টিকোণৰ প্ৰতি শ্ৰদ্ধাত কেতিয়াবা দুৰ্বোধ্য ভাষা আৰু প্ৰতীকবাদী ছলাকলাৰে জনগণলৈ বিপ্লৱৰ আহ্বান দিছে। এই ক্ষেত্ৰতো আমি দেখিছোঁ! মাও-চে'তুঙৰ চিন্তা কেনে সময়োপযোগী, কেনে সাৰ্থক :

"Our writers and artists have their literary and art work to do, but their primary task is to understand people and know them well". (*Talks At The Yenan Farum*) জনগণক জনা আৰু জনগণক বুজাৰ এই সাধনাত সিদ্ধিলাভ নকৰা বুলিয়েই মাও-চে-তুঙে চীনৰ বহু বিপ্লৱী লেখকক গৰিহণা দিছিল। যি জনগণৰ বাবে বিপ্লৱী সাহিত্যৰ সৃষ্টি, যি জনগণৰ চৰিত্ৰ সেই সাহিত্যই অংকণ কৰিব খোজে সেই জনগণক বহু বিপ্লৱী লেখকেই নাজানে। জনগণক তেওঁলোকে বুজিও নাপায়। জনগণৰ পৰা আঁতৰত জীৱন যাপন কৰা বাবে তেওঁলোকে "জনগণৰ চহকী, জীয়া ভাষা"ৰ ("the rich, lively laugnage of the masses".) লগত সংস্ৰৱ নাৰাখে। সেয়ে তেওঁলোকৰ ভাষা হয় আচহুৱা আৰু নীৰস। আৰু জনগণৰ ভাষাই যদি কোনোবাই নুবুজে, তেন্তে বিপ্লৱী সাহিত্য সৃষ্টিৰ অধিকাৰ তাৰ আছেনে? তেনে বিপ্লৱী হ'ল "বীৰত্ব দেখুৱাবলৈ ঠাই নোপোৱা বীৰ": 'By a "hero with no place to show his prowess", we mean that

your collection of great truths is not appreciated by the masses. (*Talks At the Yenan Forum*)

এই পৰিস্থিতিৰ অন্যান্য কাৰণৰ লগতে মাও-ৎচে-তুঙে উল্লেখ কৰিছে এচাম লেখকৰ দুৰ্জয় পেটি-বুৰ্জোৱা সংস্কাৰ। অৱশ্যে কথাত সকলোৱেই জনগণক গুৰুত্ব দিয়ে। কিন্তু কাৰ্যক্ষেত্ৰত ধৰা পৰে যে পেটি-বুৰ্জোৱা বুদ্ধিজীৱী সকলক তেওঁলোকে জনগণতকৈ বেছি মূল্য দিয়ে। তেওঁলোকৰ দৃষ্টিকোণ পেটি-বুৰ্জোৱাৰ আৰু তেওঁলোকে কলা সাহিত্যত পেটি-বুৰ্জোৱা আত্মপ্ৰকাশৰে চৰ্চা কৰে। (*Talks At The Yenan Forum.*)

ভাৰতৰ ক্ষেত্ৰতো দেখা গৈছে যে প্ৰায় সকলো বিপ্লৱী লেখকেই পেটি-বুৰ্জোৱা চেতনা আৰু পেটিবুৰ্জোৱা সংস্কৃতিৰ গভীৰ মাজত পাকঘূৰণি খাবলৈ ধৰিছে। জনগণৰ লেখক হবলৈ তেওঁলোক সক্ষম হব পৰা নাই। ফলত তেওঁলোকৰ ৰচনাত বিপ্লৱী উদ্দীপনা থাকিলেও তীব্ৰ তেনেধৰণে বাস্তৱবোধৰ বিকাশ ঘটা নাই। সামন্তবাদ আৰু সাম্ৰাজ্যবাদে আমাৰ জনগণক ক'ত কেনেকৈ টুটি চেপি ধৰি আছে তেওঁলোকৰ ৰচনাত তাৰ স্পষ্ট আভাস নাই। জনগণৰ সংগ্ৰামী ঐক্য গঢ়ি তোলাত আৰু জনগণৰ মানসিকতাৰ মোহ আৰু ভ্ৰান্তি দূৰ কৰাত তেওঁলোকে আজি পৰ্যন্ত উল্লেখযোগ্য বৰঙণি যোগাব পৰা নাই। এচাম বিপ্লৱী মধ্যবিত্তৰ মাজত কেৱল বিশুদ্ধ ষড়যন্ত্ৰমূলক কাৰ্যকলাপৰ প্ৰতি যি ধৰণৰ মাৰাত্মক অন্ধবিশ্বাস দেখা যায়, কিছুমান লেখকৰ ৰচনাত একেধৰণৰ অপৰিণামদৰ্শী উত্তেজনাই মুখ্য উপাদান হৈ থাকিলে গভীৰ পৰিতাপৰ কথা হয়। জনগণৰ মাজত আৰু জনগণক লৈ কাম কৰাতকৈ জনগণৰ পৰা দূৰত ষড়যন্ত্ৰ কৰাটো নিশ্চয় সহজ। কিন্তু সেই সহজ পথৰ গন্তব্য সৰ্বনাশ। (আমি অৱশ্যে কব খোজা নাই যে মেল-মিটিং কৰি জনগণৰ লগত হোলি খেলাই জনগণৰ মাজত পাৰ্টিৰ কাম হোৱা উচিত।)

কোনো কোনো লোকে কব খোজে যে বিপ্লৱৰ সৰ্বশক্তিৰ প্ৰতি মোৰ আক্ৰোশ আছে। সঁচাকৈ যদি মোৰ এনে কুমতলব আছে, মই সময়ত তাৰ যোগ্য শাস্তি পাম। কিন্তু এনে হলেই "সাতখুন মাফ", এনে মনোবৃত্তি সকলোৰে পক্ষে ক্ষতিকৰ। ৰঙুৱাকৈ কিবা এটা হলেই তাক সহানুভূতিৰ চকুৰে চাব লাগিব, তেনে যুক্তিৰো ভিত্তি নাই। জনগণৰ মংগল যি কামৰ পৰা হয় তেনে কামক অৱশ্যে অকুণ্ঠিত চিত্তে উদ্গনি দিয়াটো আমাৰ কৰ্তব্য। আনহাতে আজিৰ ভেজালৰ দিনত "বিপ্লৱী জনগণৰ" নামত চলা বিচিত্ৰ বেপাৰি আৰু সেনাকীকো উৎসাহ দি সমৰ্থন জনাব লাগিব, এনে কথা আমি নামানোঁ।

আৰু ঠিক এইবাবেই কথাই কথাই চীনৰ নামত শপত খোৱা লোকৰ প্ৰতিও আমাৰ যথেষ্ট সন্দেহ আছে। নিজৰ বিচাৰবুদ্ধি চীনৰ ওচৰত বন্ধক দি বিপ্লৱ কৰিবলৈ ওলোৱা সকলে স্বদেশ-বিদেশ ক'তো সমাদৰ নাপাব। চীনৰ নীতি ভুল-ভ্ৰান্তিৰ মাজেদি পৰিশুদ্ধ হৈ আহিছে, লিউ-চাও-চি লিন্ বিয়াও প্ৰভৃতিৰ প্ৰভাৱত সেই নীতিৰ সাময়িক বিকৃতিও ঘটিছিল বুলি চীনৰ নেতৃত্বই নিজেও স্বীকাৰ কৰে। তেনেস্থলত সকলো সময়তে সকলো কথাতে চীনৰ অন্ধ অনুকৰণ পশ্চিমীয়া সভ্যতাৰ অন্ধ অনুকৰণতকৈ উত্তম বুলিব পাৰি জানো? প্ৰবন্ধবিলাকৰ ঠায়ে ঠায়ে কোনো কথাত চীনৰ নীতিৰ বিৰুদ্ধে আমি নিজেই বিতৰ্ক তুলিছোঁ। আমি আৰু দুটামান সংশয় এইখিনিতে উল্লেখ কৰিব খোজোঁ। চীনৰ পৰা ওলোৱা কোনো কোনো প্ৰবন্ধত এনে মন্তব্য কৰা হৈছে যে সৰ্বহাৰা

দৃষ্টিকোণেই কলাৰ বিচাৰত চূড়ান্ত, তাৰ বাহিৰে আনকোনো "মানবীয়" মানদণ্ড নাই। আমি নিজেও কোনো "চিৰন্তন মানবীয়" সত্তাত বিশ্বাস নকৰোঁ। কিন্তু আমাৰ ধাৰণা যে বিভিন্ন যুগৰ পৰিৱৰ্তন আৰু বিপ্লৱৰ ওলট-পালটৰ মাজেদিও এটা মানবীয় ঐতিহ্য গঢ়ি উঠিছে, আৰু এই মানবীয় ঐতিহ্য সৰ্বহাৰাৰ দৃষ্টিকোণৰ বিৰোধী নহয়। সৰ্বহাৰা'ৰ সংস্কৃতিৰ নামত আমি যদি শ্বে'ইক্সপীয়াৰ, বীটোফে'ন প্ৰভৃতিৰ মাজেদি প্ৰকাশ পোৱা মানবীয় সৃষ্টিশক্তি নেওচা দিবলগা হয় তেন্তে সেই সৰ্বহাৰাৰ সংস্কৃতি হব দুৰ্ভগীয়া। আকৌ, মাও-ছে'-তুঙৰ আলোচনাত জনগণৰ বাবে এবিধ আৰু উন্নত চেতনাৰ cadre ৰ বাবে এবিধ, এনে দুবিধ কৃষ্টি গঢ়ি তোলাৰ কথা আছে। আমি ভাবোঁ যে এনে দুবিধ কৃষ্টি সুকীয়াকৈ গঢ়িবলৈ গ'লে বিপদ আছে—উন্নত চেতনাৰ cadreএ এনেকৈ জনগণৰ পৰা বিচ্ছিন্নতাৰ উদগনি পাব। অন্ততঃ কলাসাহিত্যৰ ক্ষেত্ৰত একে শিল্পকৰ্মৰ জৰীয়তে উন্নত আৰু সাধাৰণ চেতনাৰ পাঠক বা দৰ্শকক একেলগে আকৃষ্ট কৰিব পৰা যায় বুলি আমাৰ বিশ্বাস। সাম্প্ৰতিক চীনৰ *The Red Lantern* এনে এখন অপে'ৰা যি সকলো স্তৰৰ দৰ্শকক গভীৰভাবে আকৃষ্ট আৰু অনুপ্ৰাণিত কৰে।

বৰ্তমান সংকলনত সন্নিবিষ্ট প্ৰবন্ধ সমূহৰ শেষৰ পাচোটা প্ৰবন্ধ এইবছৰৰ এপ্ৰিলৰ পৰা জুলাই মাহৰ ভিতৰত ৰচিত। জ্যোতিপ্ৰসাদৰ শিল্পসম্পৰ্কীয় চিন্তাৰ ওপৰত প্ৰবন্ধটো ১৯৭৩ চনৰ। জ্যোতি প্ৰতিভাৰ বিচাৰ প্ৰবন্ধটো ১৯৭৫ চনৰ। 'অসমীয়া জাতীয়তাবাদৰ সমস্যা' আৰু 'মাৰ্ক্সবাদ আৰু ধৰ্ম' ১৯৭২ চনৰে। "শোধনবাদী চক্ৰবেহুত তৰুণ মাৰ্ক্স" আৰু "মাৰ্ক্সবাদ আৰু মতাদৰ্শৰ সমস্যা" যথাক্ৰমে চেপ্তেম্বৰ, ১৯৭৩ আৰু চেপ্তেম্বৰ, ১৯৭৪ চনত "নতুন পৃথিৱী"ত প্ৰকাশিত। নে'ৰুডাৰ ওপৰৰ প্ৰবন্ধটো ১৯৭৩ চনৰ এপ্ৰিল মাহৰ "নতুন প্ৰবাহ" আলোচনীত প্ৰকাশিত। "ৰবীন্দ্ৰনাথৰ কছিয়া" প্ৰবন্ধটো ১৯৭৪ চনত ৰচিত। "অসমীয়া গল্পউপন্যাসত সমাজচিন্তাৰ নমুনা" অসম প্ৰকাশন পৰিষদৰ ১৯৭৩ চনৰ স্মৃতিগ্ৰন্থত প্ৰকাশিত হৈছিল। "অসমীয়া সাহিত্যত যুগপৰিৱৰ্তন" ১৯৭৪ৰ সাহিত্যসভাৰ মঙ্গলদৈ অধিবেশনৰ স্মৃতিগ্ৰন্থত প্ৰকাশিত হৈছিল। "অসমৰ মধ্যবিত্ত সমাজৰ ইতিহাস" "নতুন পৃথিৱী"ত ১৯৭২, আগষ্টৰ পৰা ১৯৭৩, ফেব্ৰুৱাৰীৰ ভিতৰত প্ৰকাশিত হৈছিল, সেই সম্পৰ্কে "বিতৰ্ক" প্ৰকাশিত হৈছিল ১৯৭৩ৰ পৰা ১৯৭৪ৰ ভিতৰত।

প্ৰবন্ধবোৰত কেতিয়াবা কোনো কোনো ব্যক্তিৰ বিৰুদ্ধে তীব্ৰ মন্তব্য কৰা হৈছে। সাময়িক উত্তেজনা শাম কটাৰ পিছত এনে মন্তব্যৰ তীব্ৰতাই মোক কেতিয়াবা পীড়া দিছে। এই ক্ষেত্ৰত মোৰ কৰলগীয়া কেৱল এয়ে যে প্ৰতিপক্ষয়ো মোৰ এই ঋণ সুদেমূলে ঘূৰাই দিছে। পাঠকলৈ অনুৰোধ যেন মন্তব্যৰ তীব্ৰতাৰ বাবেই তাত থকা যৎকিঞ্চিৎ যুক্তি অগ্ৰাহ্য নকৰে।

১৯৭০ চনৰ পৰা মোৰ প্ৰবন্ধ সমূহে বহু বাকবিতণ্ডাৰ সৃষ্টি কৰিছে। কোনো কোনো মুহূৰ্তত মই সম্পূৰ্ণ অকলশৰীয়া হৈ পৰিছিলোঁ। আজিও কোনো বিশেষ গোষ্ঠী বা দলৰ একনিষ্ঠ সদস্য হিচাবে মোৰ বক্তব্য ৰাখিব পৰা নাই। তাৰ কাৰণ সদায় মোৰ নিজৰ দুৰ্বলতা বুলি নাভাবোঁ। কিন্তু মোৰ আন্তৰিকতাত বিশ্বাস ৰখা আৰু মোৰ মতামত আগ্ৰহেৰে শুনিবলৈ বিচৰা এচাম পাঠক আৰু বন্ধু প্ৰায়ে মোৰ লগত পাইছোঁ। তেওঁলোকৰ সমৰ্থন আৰু সমালোচনাই মোক প্ৰেৰণা আৰু শক্তি যোগাইছে। এইখিনিতে কৃতজ্ঞচিত্তে তেওঁলোকক সোঁৱৰিলোঁ।

**হীৰেন গোহাঁই**

২২।

# অসমৰ মধ্যবিত্ত সমাজৰ ইতিহাস

## ( ১ )

১৯০৮ চনৰ চেপ্তেম্বৰ। আগৰ দৰেই তেজপুৰৰপৰা প্ৰকাশিত "উষা" আলোচনীত সম্পাদক পদ্মনাথ গোহাঞিবৰুৱাই আধেবেধে সমসাময়িক সাহিত্যৰ শ্ৰেষ্ঠ সাধক লক্ষ্মীনাথ বেজবৰুৱাৰ এটা খুহুটীয়া নিবন্ধ ছপাইছে। ৰস-ৰচনাখনৰ নাম "এংলো-ইণ্ডিয়ান।" ভাৰতত লগ পোৱা ইংৰাজ শাসক-গোষ্ঠীৰ মইবৰ ভাব আৰু ভাৰতীয়ৰ প্ৰতি অৱহেলাৰ মুখৰোচক আৰু বিদ্ৰূপাত্মক বিৱৰণ। কিন্তু প্ৰকাশৰ পিচতে হুৰাদুৰা লাগিল। ইংৰাজ শাসনকৰ্তাৰ কাণত পৰিল। পদ্মনাথলৈ তলব আহিল। আন আন "ৰাজভক্ত" অসমীয়াই "ছিঃ ছিঃ" লগালে। পিচৰ সংখ্যাত পদ্মনাথে বিস্তাৰিতভাৱে এই "কুকাৰ্য্য"ৰ বাবে অনুতাপ প্ৰকাশ কৰিলে আৰু জগৰ লগোৱা প্ৰবন্ধটো "উঠাই ললে।" লক্ষ্মীনাথৰ লগত পদ্মনাথৰ তীব্ৰ মনোমালিন্য হ'ল। স্বাধীনতাৰ পিচত ঘটনাটো পদ্মনাথৰ জীৱনৰ এটা কলংক হিচাপে পৰিগণিত হবলৈ ধৰিলে।

কলংক নিশ্চয়। কিন্তু সেই কলংক ব্যক্তিৰ নহয়। কোনো কোনোৱে ভৱাৰ দৰে এটা জাতিৰো নহয়। কলংক এটা শ্ৰেণীৰ। সাম্ৰাজ্যবাদী ইংৰাজ চৰকাৰৰ অনুগ্ৰহত পুষ্ট আৰু তেনে অনুগ্ৰহৰ প্ৰতি লালায়িত এটা শ্ৰেণীৰ মনোভাব ঘটনাটোত প্ৰকাশ পাইছে। আজি জগৰ লগোৱা প্ৰবন্ধটো পঢ়ি মনলৈ ভাব আহে যে প্ৰবন্ধটোত স্বয়ং লক্ষ্মীনাথেও কম ৰাজভক্তি দেখুৱা নাই। ভাৰতৰ ৰাজনৈতিক মুক্তিৰ দাবী গোনপটীয়াকৈ অস্বীকাৰ কৰি তেওঁ ব্যক্তিত্বৰ স্বাধিকাৰ বিচাৰিছে:

"আমাৰ লগে লগে যে ভাৰতবাসী ইংৰাজৰ কিমান অধোগতি হৈছে তেওঁলোকে এতিয়া গৰ্বৰ বাগীত মতলীয়া হৈ থাকি বুজিব পৰা নাই। কি

পুতৌ! বৰবৰুৱাৰ কিন্তু সেইবাবে দুখ হয়। কাৰণ ইংৰাজে ভাৰতৰ অনেক উপকাৰ কৰিছে আৰু ভাৰতবৰ্ষ ইংৰাজৰ ওচৰত অনেক প্ৰকাৰে ধৰুৱা। ইংৰাজ ভাৰতৰ গৰাকী হৈ থাকে এনে আশা ভাৰতে সদায় কৰে।" (বেজবৰুৱা গ্ৰন্থাৱলী, দ্বিতীয় খণ্ড, পৃঃ ১৬৫৭-১৬৫৮, সাহিত্য প্ৰকাশ গুৱাহাটী, ১৯৭০ চন) ইংৰাজৰ "অভদ্ৰতা"ৰ মূলতে যে ভাৰতৰ ৰাজনৈতিক পৰাধীনতা প্ৰবন্ধটোত সেই বিষয়ে কোনো উল্লেখ নাই। আনহাতে সামন্তযুগীয় জাতিদম্ভই কেনেকৈ চাহাবৰ হাতত অপমান পাই ফেট্ তুলি উঠিছে লক্ষ্য কৰিবলগীয়া।

"বিলাতী ইংৰাজ ভাৰতবাসী বা ভাৰতবিলাসী হলে তেওঁৰ স্বভাৱৰ পৰিবৰ্তন ঘটে আৰু তাৰ ফলস্বৰূপে তেওঁ এংলো-ইণ্ডিয়ান কুলত উঠে বা নামে। ........বামুণ পতিত হৈ কেতিয়াবা চণ্ডালৰ স্বভাব লৈ চণ্ডাল হয় হেনো।" (ঐ, পৃঃ ১৬৫৫)

* * *

"আমাৰ দেশৰ সামান্য মানুহৰ লবাই মুনচুপ, সদৰামিন, চৰডেপুটি আদি পদ লভিয়েই অনেক সময়ত "তৃণবৎ মন্যতে জগৎ" আৰু তেওঁলোকৰ ভিতৰৰ কোনোৱে আগৰ দিনৰ ভাল মানুহৰ ঘৰৰ সতি-সন্ততিক আৰু গুৰুগোসাঁই মহন্তক চেলু পাই অপমান কৰি সন্তোষ লভাৰ কথাও বৰবৰুৱাৰ অগোচৰ নাই। তেন্তেনো বিলাতী চিভিলিয়ানসকলে আমাৰ ভাৰতবৰ্ষৰ সক-বৰ সকলো শ্ৰেণীৰ মানুহক কথাই কথাই অপমান উপলক্ষ্য কৰাত আশ্চৰ্য্য কি?" (ঐ, পৃঃ ১৬৫৬)

অৰ্থাৎ সদ্বংশৰ ব্ৰাহ্মণ বেজবৰুৱাক ইংৰাজে যথোচিত সন্মান নকৰা বাবেই তেওঁৰ মনস্তাপ বেছি হৈছে! এই সুযোগতে তেওঁ নিজৰ হৃত সন্মান উদ্ধাৰ কৰিবৰ বাবে "ভাল মানুহ", "বেয়া মানুহ", "ব্ৰাহ্মণ", "চণ্ডাল"ৰ পাৰ্থক্য পাঠকক পুনৰ সোঁৱৰাই দিছে। অনুমান কৰাটো অসংগত নহয় যে ইংৰাজৰ বিৰুদ্ধে পোনপটীয়া প্ৰত্যাহ্বান নিদিয়াৰ ইয়ো এটা কাৰণ। ভাৰতৰ ৰাজনৈতিক স্বাধীনতাৰ দাবী তেতিয়ালৈকে উত্থাপন কৰিব নোৱাৰি, যেতিয়ালৈকে এনে ভুৱা মান-সম্ভ্ৰমৰ দেৱালে ভাৰতৰ মানুহক খণ্ড-বিখণ্ড কৰি ৰাখিব।

তেন্তে বেজবৰুৱাৰ ফাঁই উঠিল ক'ত? প্ৰবন্ধতে আছে তাৰ উত্তৰ:

"চতুৰ্থতে, ভাৰতত বেহা-বেপাৰ কৰোঁতা মুদৈ-সাউদবিলাকৰ কথা কোৱা যাওক। ......তেওঁলোকে বেপাৰ কৰিবলৈ আহি আমাৰ মানুহবোৰতকৈ বহুত বেছি সন্মান পায় দেখি লৰা আৰু পাই অভ্যাসৰ বশত পৰি নেপালে আমাৰ ওপৰত খং কৰে। বঙালী মুখ দেখিলেই আমাৰ দেশৰ মানুহ ভয়ত কেকোজেকো হয়।" ( ঐ, পৃঃ ১৬৫৭ )

অসমতে প্ৰকাশিত হোৱা বেজবৰুৱাৰ "দিনলেখা"ত এই মন্তব্যৰ আচল উৎস পোৱা যাব। কলিকতাত বি. বৰুৱাৰ সৈতে লক্ষ্মীনাথে যি "স্বাধীন" ব্যৱসায় কৰিছিল সি নামতহে স্বাধীন আছিল। একচেটীয়া ইংৰাজ ব্যৱসায়ী managing agency বোৰৰ বৃহৎ ব্যৱসায়ৰ সৰুসুৰা ঠিকা লোৱা আৰু সৰুসুৰা কাম কৰাই আছিল তেওঁলোকৰ ব্যৱসায়। নিঃসন্দেহে সাধাৰণ ভাৰতীয়তকৈ তেওঁলোকৰ উপাৰ্জন বেছি হৈছিল। কিন্তু একচেটীয়া ইংৰাজ ব্যৱসায় প্ৰতিষ্ঠানৰ তুলনাত—যি ব্যৱসায়-প্ৰতিষ্ঠানৰ যোগানদাৰ হিচাপে তেওঁলোকে জীৱিকা আৰ্জিছিল—সি আছিল নগণ্য, আৰু সেইবোৰ সা-সুবিধা আয়ত্ত কৰিবলৈ তেওঁলোকে চাহাবক বিশেষ খাটিৰ কৰি চলিবলগা হৈছিল। উদাহৰণস্বৰূপে "মোৰ জীৱন সোঁৱৰণ"ত বেজবৰুৱাই উল্লেখ কৰিছে যে খ্ৰিষ্টমাছ উৎসৱৰ সময়ত চাহাব ব্যৱসায়ীবিলাকলৈ বেজবৰুৱাই নিজহাতে বাছি-কুছি ফলমূল আৰু খ্ৰিষ্টমাছ কেক "ভেট" পঠাইছিল ( —গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃঃ ৮০ ইত্যাদি ) অৰ্থাৎ চাহাব মুদৈ-সাউদক তেওঁ নিজে ৰজাৰ সন্মানেই দিছিল। তাৰ পুৰস্কাৰস্বৰূপে ঠিকাৰ উপৰিও মাজে-সময়ে পাইছিল চাহাব মালিকসকলৰ বিষাক্ত গঞ্জনা আৰু অপমান ( বেজবৰুৱাৰ "দিনলেখা" )। বেজবৰুৱাৰ "এংলো-ইণ্ডিয়ান" এই সময়ৰে ৰচনা।

চাহাবৰ হাতত লাঞ্ছিত হৈয়ো ৰাজনৈতিকভাৱে চাহাবৰ লগত যুঁজিবৰ ইচ্ছা নাই, এনে মনোভাবৰ নিদৰ্শন বেজবৰুৱাৰ আগৰছোৱাৰ ৰচনাত বহুত আছে। দেউতাক দীননাথ বেজবৰুৱাৰ জীৱনীত তেওঁ মন্তব্য কৰিছে : "ৰাজ-নৈতিক আন্দোলনতো তেওঁ সদায় উৎসাহেৰে সৈতে যোগদান কৰিছিল ; কিন্তু গৱৰ্ণমেণ্টৰ বিৰুদ্ধে চলা কোনো কথা আৰু কামত কেতিয়াও তেওঁ মত নিদি-ছিল ; বৰং প্ৰজাপালক ৰজাক ঈশ্বৰৰ প্ৰতিনিধি স্বৰূপে দেখিবলৈ সকলোকে উপদেশ দিছিল।" ( গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃঃ ১০৩ )। দেউতাকৰ এই মনোভাব বেজবৰুৱাই প্ৰভাবে উল্লেখ কৰিছে, আৰু তাৰ সমালোচনা কৰা নাই। ১৯১৬ চনত অসম ছাত্ৰ সন্মিলনৰ প্ৰথম সভাপতি হিচাপে তেওঁ মন্তব্য কৰিছে :

"সকলোৱে দেখিছে যে বংগদেশৰ স্কুল-কলেজৰ কিছুমান ছাত্ৰৰ ভিতৰত ৰাজদ্ৰোহ, ডকাইতি, নৰহত্যা ইত্যাদি ভীষণ চিন্তা আৰু কাৰ্য্যই ঠাই লৈছে। ঈশ্বৰক ধন্যবাদ যে আমাৰ অসমত আমাৰ অসমীয়া ছাত্ৰসকলৰ মাজত সেই সৰ্বনশীয়া পাপ প্ৰবেশ কৰা নাই। স্কুল-কলেজৰ ঈশ্বৰবিবৰ্জিত শিক্ষাৰেই ই একৰকম ফল বুলি মোৰ মনে ধৰে।" ( গ্ৰন্থাৱলী ২য় খণ্ড, পৃঃ ১৮৪২ ) সমসাময়িক সন্ত্ৰাসবাদী জাতীয়তাবাদী ৰাজনীতিক তেওঁ ঈশ্বৰদ্ৰোহিতাৰ শাৰীত ঠাই দিয়াটো এক বিশেষ মনোভাবৰ পৰিচায়ক।

কিন্তু ৰাজভক্ত নহৈ উপায়ো নাছিল! মৌজাদাৰ, প্ৰশাসনীয় বিষয়া (হাকিম-মুনচুপ), আৰু ইংৰাজ একচেটিয়া পুঁজিৰ স্থানীয় দালাল—এই জীবিকাত আবদ্ধ অসমীয়া মধ্যবিত্ত শ্ৰেণীটো সাম্ৰাজ্যবাদী ইংৰাজ শক্তিৰ সৃষ্ট আৰু আশ্ৰিত আছিল। সাম্ৰাজ্যবাদী চাপৰ বাহিৰত সিহঁত টিকিব নোৱাৰিলে-হেঁতেন। সেয়ে "ৰাজভক্তি" বহুদিনলৈ অসমীয়া মধ্যবিত্তৰ হাড়ে-হিমজুৰে সোমাই আছিল। সেই সময়ৰ প্ৰভাৱশালী আৰু স্মৰণীয় ৰাজনৈতিক নেতা-সকলৰ অনেকেই এই ৰাজভক্তি প্ৰদৰ্শনত আছিল আগৰণুৱা। উদাহৰণস্বৰূপে ১৯১১ চনত মাণিকচন্দ্ৰ বৰুৱাই দিল্লীৰ দৰবাৰত ইংৰাজ "সম্ৰাট সম্ৰাজ্ঞীৰ ওচৰত আঁঠু লৈ অসমৰ হৈ ৰাজভক্তি জনাবলৈ অনুমতি" পাই সন্মানিত বোধ কৰিছিল। ( জীৱনী সংগ্ৰহ, অসম প্ৰকাশন পৰিষদ, ১৯৬৯, পৃঃ ৬৪ ) আনহাতে নবীন বৰদলৈ—তৰুণ ফুকনৰ দিনৰপৰা অম্বিকাগিৰী, জ্যোতিপ্ৰসাদ আগৰৱালা হেম বৰুৱাৰ যুগলৈ এই ৰাজভক্তিৰপৰা অসমীয়া মধ্যবিত্ত এচাম আঁতৰি আহিছিল।

মণিৰাম দেৱানৰ জীৱনাক এই পটভূমিৰ পৰা আঁতৰাই অনাৰ প্ৰয়োজন নাই। এইজন মহৎ ব্যক্তিৰ জীৱনতো পিচৰ যুগৰ অসমীয়া মধ্যবিত্তৰ শ্ৰেণীগত দুৰ্বলতাৰ চিন সুস্পষ্ট। ইংৰাজ আমোলতে এওঁ সাফল্যৰ শীৰ্ষবিন্দু ছুইছিল, আৰু ইংৰাজৰ হাততে তেওঁৰ স্বাধীনতা পিয়াসী ব্যক্তিত্বৰ পুৰস্কাৰ আছিল মৃত্যুদণ্ড। সাতাৱন চালৰ সেই শিক্ষা মধ্যবিত্ত অসমীয়াই বহুদিনলৈ পাহৰা নাছিল। সামন্তযুগৰ বাধ্যবাধকতাৰ ঠাইত কিছু পৰিমাণৰ ব্যক্তিস্বাতন্ত্ৰ্যৰ সুবিধা দিবলৈ ইংৰাজ সাম্ৰাজ্যবাদ সাজু আছিল। কিন্তু সাম্ৰাজ্যবাদী পুঁজি আৰু সাম্ৰাজ্যবাদী প্ৰশাসনৰ প্ৰতি সামান্য প্ৰত্যাহ্বানকো কৌশলেৰে আৰু কঠোৰ হাতেৰে দমন কৰিছিল। লগে লগে সাম্ৰাজ্যবাদী আমোলৰ বিৰুদ্ধে দেশীয় সেৱকসকলে বিত্তৰ সা-সম্পত্তি কৰাৰ সুযোগৰ উপৰিও "ৰায়চাহাব",

"ৰায়বাহাদুৰ", "নাইট (Sir)" প্ৰভৃতি খিতাপ লাভ কৰি দেশীয় সমাজত লপ্‌লপাই ফুৰিছিল। ইংৰাজৰ এই মনোভাব বিচিত্ৰভাবে প্ৰকাশ পাইছিল। অসমৰ প্ৰথম আৰু প্ৰভাৱশালী ইংৰাজী কাকত Times of Assam খন যাইকৈ চাহবাগানৰ মালিক চাহাববোৰৰ সহায়ত প্ৰতিষ্ঠিত হয়। কিন্তু সেই মালিক গোষ্ঠীৰ স্বাৰ্থৰ বিৰোধিতা কৰাৰ অপৰাধতে শেষত তাৰ মৃত্যু ঘটে। (লক্ষ্মীনাথ ফুকন, মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ কলিকতা, ১৯৬৯, পৃঃ ৯৪-৯৬, পৃঃ ১০৩)।

থুলমূলকৈ অসমীয়া মধ্যবিত্ত সমাজৰ উৎপত্তি আৰু বিকাশৰ বিবৰণ দিলে মণিৰাম দেৱানৰ উত্থান আৰু পতনৰ কাৰণ পৰিষ্কাৰ হব। পোনতে কব লাগিব যে সামন্তযুগৰ ডা ডাঙৰীয়া শ্ৰেণী বিধ্বস্ত হোৱা বাবেহে এই শ্ৰেণীৰ বিকাশ সম্ভৱ হয়। কিন্তু সামন্তযুগীয় ভাবধাৰাৰ আমূল পৰিবৰ্তন এই শ্ৰেণী-টোৱে সাধিব নোৱাৰিলে। কাৰণ সাম্ৰাজ্যবাদে দেশীয় সামন্তবাদক দুৰ্বল আৰু নিশকতীয়া কৰিলেও তাক সম্পূৰ্ণ নিধন কৰা নাছিল। তাৰ উপৰিও দেশীয় পুঁজিবাদৰ বিকাশত নানা বাধা-বিঘিনিৰ সৃষ্টি কৰি প্ৰাচীন, মুমূৰ্ষু সামন্তবাদৰ মৃত্যু বিলম্বিত কৰিছিল। এই পটভূমি বিশেষ তাৎপৰ্যপূৰ্ণ।

ইংৰাজে একো কৰাৰ আগতেই তাৰ নিজৰ আভ্যন্তৰীণ দ্বন্দ্বতে অসমৰ সামন্তবাদ হৃতবল আৰু ক্ষয়প্ৰাপ্ত হৈছিল। শোষণৰ মাত্ৰাধিক্য হোৱাত আৰু বৈষ্ণৱ সত্ৰৰ যোগে সংগঠনৰ সুবিধা পোৱাত সাধাৰণ প্ৰজাই "মোৱামৰীয়া বিদ্ৰোহ"ৰে যি আঘাত হানিলে তাৰ ফলতে আহোম সামন্তবাদ থৰকবৰক হৈ পৰিল। এই বিদ্ৰোহে "খেল" প্ৰথাৰ বান্ধোন শিথিল কৰি নিৰ্মম শোষণৰ প্ৰক্ৰিয়া লেহেম কৰি পেলালে। ডা-ডাঙৰীয়া আৰু ৰাজশক্তিয়ে প্ৰজাৰ আনুগত্যৰ ওপৰত আগৰ দৰে ভৰসা কৰিব নোৱাৰা হ'ল। তৎ-কালীন অশান্তি আৰু নৈৰাজ্যৰ সৃষ্টি কৰি এই বিদ্ৰোহে ৰজা আৰু ডা-ডাঙৰীয়া শ্ৰেণীয়ে কৰ্তৃত্ব কৰা নানাবিধ কৃষি আৰু শিল্পৰ উৎপাদন দুৰ্বল কৰি পেলায়। আনকি বহু জনবহুল অঞ্চল জনশূন্য হৈ পৰে। আলি-মথাউৰি প্ৰভৃতিৰ যত্ন কৰি গ'ল, ফলত বানপানীয়ে খেতি-বাতিৰ বেছিকৈ অনিষ্ট কৰি-বলৈ ধৰে। আহোমৰ যুদ্ধ প্ৰবৃত্তিতো আৰ্থিক আৰু সামাজিক কাৰণত দুৰ্ব-লতাই দেখা দিয়ে। সেয়ে মানৰ আক্ৰমণত আহোম ৰাজ্য চাৰখাৰ হয়। (H. K. Barpujari, Assam in the Days of the Company, Gauhati, 1963, p. 5. p. 10, Francis Buchanan (Hamilton)

Account of Assm, D. H. A. S. Gauhati 1963, p 25, p 35, p 43; Capt. R. B. Pemberton, Report on the Eastern Frontier of British India, D. H. A. S. 1966. pp 83-84, R. M. Lahiri, Annexation of Assam, Calcutta, p 25, প্ৰভৃতি ]

মানৰ আক্ৰমণে মোৱামৰীয়া বিদ্ৰোহৰ কাম সম্পূৰ্ণ কৰিলে। সামন্ত অতীতৰ প্ৰতি দুৰ্বলতা থকা অসমীয়া মানুহে আজিও "মান মোৱামৰীয়াৰ উপদ্ৰৱ" বুলি একেলগে দুয়োটা ঘটনাক সাঙোৰে। অৱশ্যে মানৰ আক্ৰমণ কেৱল ডাঙৰীয়া শ্ৰেণীৰ বিৰুদ্ধে নাছিল, সমগ্ৰ অসমীয়া ৰাইজে শদিয়াৰ পৰা ধুবুৰীলৈকে ব্যাপক বৰ্বৰতা আৰু অত্যাচাৰৰ সন্মুখীন হৈছিল। অবাধ লুণ্ঠন আৰু অত্যাচাৰৰ প্ৰকোপত অসমৰ সমাজ প্ৰায় থানবান হয়। নিৰাপত্তাৰ অভাৱত দেশ এৰি মানুহ অ'লৈ ত'লৈ পলোৱাত কৃষি, শিল্প আৰু বাণিজ্য প্ৰায় স্তব্ধ হয়। নৈৰাজ্য আৰু অশান্তি এনে প্ৰবল হয় যে অসমৰ প্ৰথম সাৰ্থকনামা ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ প্ৰায়কেইখন উপন্যাসত "মানৰ দিন"ৰ দুঃস্বপ্নৰ স্মৃতি প্ৰবল—যেন নতুনকৈ খিতাপি লোৱাৰ পিচত অসমীয়া ৰাইজৰ চেতনাত সেই দুৰ্ভাগ্যৰ স্মৃতি প্ৰধান অভিজ্ঞতা আছিল। ( "ৰহদৈ লিগিৰী", "মনোমতী", "নিৰ্মল ভকত", "ৰঙিলী" প্ৰভৃতিত মানৰ দিনৰ বৰ্ণনা পঢ়িলে সেই ভয়ানক দুৰ্ভাগ্যৰ বাবে আজিও আমাৰ অন্তৰ মথি করুণাৰ দীৰ্ঘশ্বাস ওলাই আহে! )

১৮২৬ চনত য়াণ্ডাবু সন্ধি মতে অসম ইংৰাজৰ হাতলৈ যায়। কিন্তু ইংৰাজে অসমত সোমাওঁতে যি ঘোষণাপত্ৰ প্ৰচাৰ কৰিছিল তাত এনে ইংগিত আছিল যেন দেশত শান্তি স্থাপন হলেই ইংৰাজ উভতি যাব। ( বেণুধৰ শৰ্মা, মণিৰাম দেৱান, অসম জ্যোতি, গুৱাহাটী, পৃঃ ৪৭ )। কিন্তু উনৈশ শতিকাৰ প্ৰথমাৰ্দ্ধত সাম্ৰাজ্য বিস্তাৰেই ইংৰাজৰ নীতি আছিল। যুদ্ধাভিযান নাইবা চাতুৰিৰ দ্বাৰা সিইতে ভাৰতৰ উত্তৰ প্ৰদেশ (Oudh), পঞ্জাৱ, ঝাঁচি ছাতাৰা, নাগপুৰ ইত্যাদি ৰাজ্য গ্ৰাস কৰিছিল। অসমতো তাৰ ব্যতিক্ৰম নহ'ল। পুৰন্দৰ সিংহক উজনি অসমৰ ৰাজ্যভাৰ দিয়া ভেকো-ভাওনা মাৰ্ক্সৰ ভাষাতে ভালকৈ বৰ্ণোৱা যায়:

"Under the present system the native States succumb under the double incubus of their native administration and the tributes and inordinate military establishments imposed upon

them by the Company. The condition under which they are allowed to retain their apparent independence are at the same time, the conditions of a permanent decay, and utter inability of improvement (Karl Marx, "The native States", New York Daily Tribune, July 1, 1853) ; পুৰন্দৰৰ কোম্পানীয়ে ধাৰ্য্যকৃত সোৱা বাজ্যৰ পৰাও ইংৰাজে পোনছাটেই এনে সধুৰ কৰ (tribute) দাবী কৰিলে, যাৰ হেঁচাত সাধাৰণ প্ৰজাই ত্ৰাহি ত্ৰাহি স্বৰে ৰবৰৈ ধৰিলে। তেতিয়া পুৰন্দৰৰ বিৰুদ্ধে প্ৰজাপীড়ন আৰু অত্যাচাৰৰ অভিযোগ আনি প্ৰখ্যাত ব্ৰিটিছ ভণ্ডামিৰ নতুন উদাহৰণ দিয়া হ'ল। (R. M. Lahiri, The Annexation of Assam, Caloutta, pg 165-168 ; H. K. Barpujari, Assam in the Days of the Company Gauhati 1963 pp 100-124)

আচলতে ইংৰাজৰ অসমৰ প্ৰতি লোলুপ দৃষ্টি আছিল বহু দিনৰে পৰা। ধাৰণা হয় যে কৌশলেৰে ৰজা পুৰন্দৰৰ প্ৰতি প্ৰজাসাধাৰণৰ অনাস্থা সৃষ্টি কৰি ইংৰাজ চৰকাৰে মানুহৰ মনত এনে বিশ্বাস জন্মাব খুজিছিল যেন দেশীয় শাসনৰ তলত শান্তি আৰু সমৃদ্ধি অসম্ভৱ। ১৭৭০ চনতে কোম্পানীৰ এচৰত জৰ্জ বগলে (Geoge Bogle) এখন বিপটত উল্লেখ কৰে যে অসমৰ লগত কোম্পানীৰ মুলুকৰ বেহা-বেপাৰ বৰ মূল্যবান, আৰু এই বেহ বেপাৰৰ লাভ আৰু বঢ়াব পাৰি। তেওঁৰমতে এদল সেনাবাহিনী পঠাই অসমৰ ৰজাক এশিকনি দিলেই বেহা-বেপাৰৰ ওপৰত ৰজাৰ শাসন কমিব, কোম্পানীৰ ইচ্ছানুযায়ী অসম আৰু চুবুৰীয়া ঠাইবোৰলৈ কোম্পানীৰ পণ্য চালান দিব পৰা যাব। (S. K. Bhuyan, Anglo-Assamese Relations, D. H. A. S. A., Gauhati, 1949 pp 80-81)। তাৰ পিচতো বিভিন্ন ইংৰাজ ৰাজদূত, সৈন্যাধ্যক্ষ আৰু বিষয়াই লক্ষ্য কৰে যে অসম দখল কৰিলে অসমৰ ঐশ্বৰ্য্য হাত কৰাৰ উপৰিও ব্ৰহ্মদেশ আৰু তিব্বতৰ লগতো অসমৰ পণ্যৰ বিনিময়ত বছৰি ৭০,০০০ৰ পৰা ১০০,০০০ টকাৰ সোণ আৰু অন্যান্য বস্তু পাইছিল। লগতে বেহা-বেপাৰ চলাব পৰা যাব আৰু চীনদেশৰ লগত বাণিজ্যৰ এক ভূমধ্য পথ (overland route) মুকলি হব। মানক খেদাৰ দিনৰে পৰা অসমৰ প্ৰাকৃতিক সম্পদ (বনজ, খনিজ প্ৰভৃতি) সম্পৰ্কে কোম্পানীৰ বৈজ্ঞানিক আৰু বিষয়া-বিলাকে পুংখানুপুংখ অনুসন্ধান চলায়। ১৮৩৫ চনত প্ৰথম প্ৰকাশিত কেপ্তেইন আৰ, বি, পেম্বাৰটনৰ (Capt. R. B. Pemberton, Report on

the Eastern Frontier of British India ত) ( D. H. A. S., Gauhati, 1966 ) এই মন্তব্যই কেইবাজনো ইংৰাজ বিষয়াৰ মনোভাৱ ব্যক্ত কৰে ঃ

"Looking to the extraordinary fertility of the soil · and the proofs derived from history, of its former affluence, abundant population, and varied products, there can be no doubt that in the course of a very few years, under a more settled government than it has possessed for the last century, this province will prove a highly valuable acquisition to the British government. Its revenue already shows progressive improvement, and communications are renewed with the numerous tribes surrounding it···new channels of commerce will be obtained ··" (p. 76) অল্পমতি বিস্তাৰেণ। পাঠকে বিচাৰিলে হোৱাইট, জে'নকিন্স প্ৰভৃতি অসমত থকা ব্ৰিটিছ শাসনকৰ্তাৰ পৰা যোৱা একে ধৰণৰ বহু বিপৰ্ট আদি পাব। পুৰন্দৰৰ প্ৰতি অন্যায় কৰা হৈছিল বুলি সমসাময়িক হুতিৰাম হাজৰিকাই "কলিভাৰত বুৰঞ্জী"ত মন্তব্য কৰিছে। চাহৰ বাগিছা পাতিবলৈকে ব্ৰিটিছে পুৰন্দৰৰ ৰাজ্য কাঢ়িলে বুলি তেওঁ অনুমান কৰিছে। ( পৃঃ ২০৯ )

পুৰন্দৰক কৌশলেৰে অপসাৰিত আৰু অপমানিত কৰি অসমত আহোম ৰাজশক্তিৰ পুনৰুত্থানৰ সম্ভাৱনা ইংৰাজে বন্ধ কৰিলে। তাৰ পিচত ইংৰাজে এনে কিছুমান নীতি ললে যাৰ ফলত আহোম ডা-ডাঙৰীয়া শ্ৰেণী প্ৰায় সমূলঞ্চে বিনষ্ট হ'ল। ইংৰাজ আমোলত আহোম ডা-ডাঙৰীয়াই পূৰ্বৰ পদমৰ্য্যাদাৰ সুবিধা হেৰুৱালে। ই কেৱল ইংৰাজৰ অবিশ্বাস বা সন্দেহৰ বাবে নহয়। কোম্পানীয়ে প্ৰচলন কৰা নতুন আইন-কানুন, খাজনা তোলাৰ পদ্ধতি অসমত আচহুৱা আছিল। লেখা-পঢ়া, হিসাৱ-নিকাচ জনা মানুহেহে শীঘ্ৰে তাৰ মোৰ পাইছিল। আনহাতে দেশ দস্তুৰ মতে আহোম শাসনকৰ্ত্তাই হিচাব-নিকাচ আদিৰ কাম কাকতীৰ হতুৱাই কৰাইছিল। আৰু নিজে প্ৰশাসনৰ সাধাৰণ (general) দায়িত্ব পালন কৰিছিল। সেয়ে নতুন শাসনতন্ত্ৰত আহোম ডা-ডাঙৰীয়াৰ বিশেষ গুণ কোনো কামত নহা হ'ল, আৰু তেওঁলোকৰ ঠাই ক্ৰমশঃ ললে লেখা-পঢ়া জনা কাকতী শ্ৰেণীৰ মানুহে। তাতোকৈ ডাঙৰ বিপদ হ'ল, পাইকপ্ৰথাৰ আৰু দাস প্ৰথাৰ বিলোপ সাধন। সামন্তযুগীয়া অৰ্থনীতিত ডা-

ডাঙৰীয়াৰ পৰিয়ালবোৰৰ ভৰণ-পোষণ হৈছিল খাজনাৰ যোগেদি। খাজনাৰ প্ৰজাক খটুৱাবলৈ সামন্ত শাসনত সেই ডা-ডাঙৰীয়াবিলাকৰ যি অধিকাৰ আছিল ইংৰাজে তাক ৰহিত কৰিলে। আনহাতে সামন্তবাদী মৰ্য্যাদাত অভ্যস্ত আহোম ডা-ডাঙৰীয়াৰ বেহা-বেপাৰ, ধন আৰ্জন আদিত কোনো সামৰ্থ্য নাছিল। সেয়ে পাইক প্ৰথা আৰু বন্দী-বেটী বগাৰ নিয়ম উঠি যোৱাৰ লগে লগে তেওঁলোক ভীষণভাৱে ক্ষতিগ্ৰস্ত হয় আৰু এক পুৰুষৰ ভিতৰতে দৰিদ্ৰ খেতিয়কৰ শাৰীলৈ নামি আহে (ধৰ্মীয় প্ৰভাৱ থকা বাবে সত্ৰাধিকাৰসকলৰ সেই দুৰৱস্থা নহ'ল)। যেকেৰি, ৰবিনচন্ প্ৰভৃতিৰ উক্তিত আহোম ডা-ডাঙৰীয়া শ্ৰেণীৰ দ্ৰুত অৱনতি আৰু চৰম দুৰ্দশা সম্পৰ্কে পৰিয়ালৰ চকুলৈ উপচি পৰিছে। মণিৰাম দেৱানে মিল্‌চলৈ দিয়া আজীত ডা-ডাঙৰীয়া শ্ৰেণীৰ দুৰ্গতিক ইংৰাজ শাসনৰ অপকাৰৰ ভিতৰত ধৰা হৈছে (বেণুধৰ শৰ্মা উল্লিখিত গ্ৰন্থ পৃঃ ১৫২-১৫৩)। ১৯০৯ চনত প্ৰকাশিত Imperial Gazetteer of India ৰ Eastern Bengal & Assam খণ্ডত এই সকলো মন্তব্য সাৰমৰ্ম হিচাপে লেখা হ'ল :

"The native gentry were, however, impoverished by the abolition of the offices they had formerly enjoyed and by the liberation of their slaves, and they had some grounds for feeling discontented with the British rule." (p. 571)

ডা-ডাঙৰীয়া শ্ৰেণীৰ এইবোৰ সৰ্বস্বহাৰা প্ৰত্যক্ষ সামন্ততান্ত্ৰিক শোষণৰ পৰা আহিছিল। প্ৰজাসাধাৰণ বহু ক্ষেত্ৰত তেওঁলোকৰ দাসৰ দৰে আছিল। সেয়ে এইবোৰ মান-মৰ্য্যাদাৰ অৱসানত আমি দুখ কৰিবলগীয়া একো নাই। কিন্তু ইংৰাজৰ "প্ৰগতিশীলতা"ও আছিল স্বাৰ্থপ্ৰণোদিত আৰু নিতান্ত সীমাবদ্ধ। আহোম ডা-ডাঙৰীয়া শ্ৰেণীৰ কৰ্কাল চাপিলেও পূৰ্বৱৰ্তীয় মান-সম্ভ্ৰমৰ ধাৰণা সংৰক্ষণ কৰিবলৈ ইংৰাজ চৰকাৰে যৎপৰোনাস্তি চেষ্টা চলালে। নতুনকৈ সৃষ্টি কৰা মৌজাদাৰ শ্ৰেণীটোৱে যাতে আগৰ দিনৰ ডা-ডাঙৰীয়াৰ দৰে প্ৰজাৰ পৰা মান-মৰ্য্যাদা পায় ইংৰাজ চৰকাৰ সেই বিষয়ে সজাগ আছিল। এইদৰে গ্ৰাম্য-অঞ্চলত ইংৰাজৰ শাসনৰ ভিত্তি হিচাপে এই শ্ৰেণী স্থাপিত হয়। তদুপৰি নতুন প্ৰশাসনৰ ওখ বিষয়-আশয় যাতে পুৰণি সম্ভ্ৰান্ত ঘৰৰ (পাৰ্যপক্ষত অনা-আহোম) মানুহেহে পায়, তালৈ নজৰ দিয়া হৈছিল। জেংকিন্ছ কটৰ উক্তি, বেণুধৰ শৰ্মাৰ উল্লেখিত গ্ৰন্থ, পৃঃ ৮৩ উদ্ধৃত. Dr. H. K. Barpujari,

Op. cit. P. 258)। ধৰ্মীয় প্ৰভাৱৰ যোগেদি প্ৰজাৰ আনুগত্য আদায় কৰিবলৈ আউনিআটীয়া সত্ৰাধিকাৰক ২২০০০ একৰ আৰু দক্ষিণপটীয়া সত্ৰাধিকাৰক ১২০০০ একৰ নিষ্কৰ মাটি ইংৰাজ চৰকাৰে দান কৰিছিল।

(Revenue Administration Report of Assam, 1849-50) অৰ্থাৎ "গণতন্ত্ৰ"ৰ আদৰ্শ অনুযায়ী "সকলোকে সমান সুযোগ" দিয়াৰ প্ৰেৰণাৰে ইংৰাজে অসমত কাম কৰা নাছিল। পুৰণি সামন্তবাদী শ্ৰেণীক উচ্ছেদ কৰাৰ লগে লগে তাৰ ঠাইত সৃষ্টি কৰিছিল মৌজাদাৰ-মহলদাৰ আৰু দাৰোগা-মুনচুপৰ শ্ৰেণী—যি তেওঁলোকৰ মান-মৰ্য্যাদা আৰু ধন-সম্পত্তিৰ বাবে ইংৰাজৰ ওচৰত ধৰুৱা হৈ ৰব আৰু যি ইংৰাজৰ হৈ প্ৰজাৰপৰা আনুগত্য আৰু বাধ্যতা আদায় কৰিব।

পুঁজিবাদী গণতন্ত্ৰৰ লগত পৰিচয় থকা ইংৰাজে সমগ্ৰ ভাৰতত শস্য বা সামগ্ৰীৰ ঠাইত, বা অসমত গা খাটি দিয়াৰ ঠাইত, খাজনা লোৱা নিয়ম কৰিলে। এই নিয়ম আমি ভবাৰ দৰে প্ৰজাৰ পক্ষে হিতকৰ নাছিল। বিশেষকৈ সময়ে সময়ে খাজনাৰ হাৰ বঢ়োৱা নীতিয়ে প্ৰজাৰ মূৰত ৰামটাঙোন মাৰিছিল। ১৮২৬ চনত ইংৰাজ অধিকৃত ভাৰত ভ্ৰমণ কৰি Bishop Heber এ কৈছিল: "No Native Prince demands the rent which we do" (R.C. Dutta, The Economic History of India under early British Rule London, 1956, first published 1901, p. X) Sir John Shore এ ১৮৩৭ চনত কৈছিল: They (Indians) have been taxed to the utmost limits. Every successive Province, as it has fallen into our possession, has been made a field for higher exaction, and it has always been our boast how greatly we have raised the revenue above that which the native rulers were able to extort" (R. C. Dutta, Op. cit. p. 411) সকলোতকৈ আচৰিত পৰিল টকাৰ প্ৰচলন কম থকা অসমৰ দৰে অপেক্ষাকৃত অনুন্নত অঞ্চলৰ বাবে। অসমত টকাৰ মূল্য আছিল অত্যাধিক, তুলনাত কৃষক বা কাৰিকৰে উৎপাদন কৰা বস্তুৰ মূল্য আছিল নগণ্য। ড: বৰপূজাৰীয়ে তথ্য দিছে যে ১৮৩০ চনত চাউলৰ দাম আছিল মোনে ২ অনা, ১৮৪০ চনত মোনে ৫ অনা, ১৮৫৯ চনত মোনে ৮ অনা! সেয়ে মাটিৰ গৰাকী হৈয়ো প্ৰকৃততে পাইকবিলাকৰ অৱস্থা ভাল নহ'ল, সামন্ত শোষণৰ ঠাইত খাজনা শোষণে তেওঁলোকৰ তেজ চুহিবলৈ

ধৰিলে। বৰপূজাৰীয়ে তেওঁৰ উল্লিখিত গ্ৰন্থত লিখিছে: "বেছিভাগ ৰায়তৰ সবহকৈ মাটি কিনি অৱস্থা উন্নত কৰাৰ আৰ্থিক সামৰ্থ্য নাছিল। নিজৰ বছৰটোৰ খাদ্যৰ বাহিৰে সাধাৰণ ৰায়তৰ হাতত উদ্বৃত্ত নাছিল বানপানী বা খৰাং বতৰত দুৰ্ভিক্ষৰ অৱস্থা সঘনে দেখা দিছিল।" আৰু ৰজাদিনীয় দাসত্বৰ পৰা মুকলি হোৱাৰ পিচতো খাজনাৰ হেঁচাত সাধাৰণ পাইক বা ৰায়তৰ অৱস্থা বেয়াহে হৈছিল।" (মুকলি অনুবাদ, Barpujari, Op. cit p. 214, p. 256)

পাইক প্ৰথা উঠাই বাইতৰাৰি নিয়মত প্ৰতিজন প্ৰজাক মাটিৰ মালিকানা দিয়াৰ ফল হ'ল এনে। তাৰ উপৰিও বহু মানুহে ভোগ কৰা দাসত্ব (Slavery) উঠাই দি ইংৰাজে দেশহিতৈষীতাৰ বাবে বাঃ বাঃ লৈছিল। কিন্তু চৰকাৰী কাগজ-পত্ৰত ফটফটীয়া হৈ আছে যে গোলামবিলাকক খেতিয়ক ৰায়তত পৰিণত কৰিব পাৰিলে খাজানা বাঢ়িব—এই অৰ্থনৈতিক তথ্যটিও ইংৰাজ শাসনকৰ্তাৰ অবিদিত নাছিল!! ( Revenue Administration Report of Assam, 1849-50 )

চাফ কথাত আইনৰ ফালৰপৰা সাধাৰণ প্ৰজাই কিছু সকাহ পালেও আৰু আহোম আমোলৰ গুৰুদণ্ডৰ হাত সাৰিলেও, আৰ্থিক দিশৰপৰা বিশেষ লাভবান নহ'ল। মিলচ্ চাহাবলৈ দিয়া স্মাৰকপত্ৰত মণিৰাম দেৱানে ইংৰাজ অধিকাৰৰ পৰা প্ৰজাই পোৱা নিম্নলিখিত উপকাৰবোৰ বিবৃত কৰে:

"এইকেইটা নিয়ম উঠাই দিয়া: (১) নাক-কাণ কটা (২) চকু কঢ়া (৩) বলাৎকাৰ কৰি লোকৰ ছোৱালী ধৰি নিয়া (৪) কাটৰ গুচোৱা (৫) নিয়মিত ডাকৰ বন্দোবস্ত কৰা (৬) অইন দেশলৈ চিঠি পঠিওৱাৰ নিয়ম চলোৱা (৭) লড়াশালি পত্ত—ইয়াৰ বাহিৰে আৰু একো উপকাৰ দেখা নাই। (৮) বন্দী-বেটীবোৰ মুকলি কৰি দিয়া " (বেণুধৰ শৰ্মা, উল্লিখিত গ্ৰন্থ, পৃঃ ১৫২ )। মন কৰিবলগীয়া যে ইয়াৰ (৫), (৬), (৭) নম্বৰ দফাৰপৰা সাধাৰণ প্ৰজাৰ বিশেষ লাভ হোৱা নাছিল। অন্ততঃ বহুদিন ধৰি। ( মণিৰামে আকৌ নিজেই একেখন স্মাৰক-পত্ৰতে ডা-ডাঙৰীয়াৰ লগুৰ-লিকচৌ গুচাই দিয়াত দুখ কৰিছে! ঐ, পৃঃ ১৫৩)

তেন্তে ব্ৰিটিছ আগমনত কাৰ লাভ হৈছিল? কোন শ্ৰেণীৰ উপকাৰ হৈছিল? আমি আগতেই কৈ আহিছোঁ: এই নতুন শ্ৰেণীটো বহুলাংশে ইংৰাজ শক্তিৰ সৃষ্টি। এওঁলোক আহোম ডা-ডাঙৰীয়াৰ দৰে মাটি আৰু পাইকৰ

ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল নাছিল। আহোম ৰাজত্বৰ ক্ষয়িষ্ণু অৱস্থাত ৰাজশক্তি যেতিয়া দুৰ্বল হয় তেতিয়া কিছুমান আমোলা প্ৰভৃত সা-সম্পত্তি, ধন-সোণৰ অধিকাৰী হৈছিল। যুদ্ধবিগ্ৰহ আৰু দেশ শাসনতকৈ বেহা-বেপাৰ বা হিচাব-নিকাচৰ লগতহে এওঁলোকৰ সম্পৰ্ক বেছি আছিল। (সামন্ত শোষণ উন্নত ধৰণৰ হৈ অহাত কাকতীৰ প্ৰয়োজনো বাঢ়িছিল।) নতুবা ৰজাঘৰীয়া বিষয় খাওঁতে অসমৰ প্ৰাচীন পৰিয়ালবোৰতকৈ এওঁলোকে সঞ্চয়ৰ (saving) ক্ষেত্ৰত বেছি ধাউতি আৰু কৃতিত্ব দেখুৱাইছিল। সেইসকলৰ মাজত ইংৰাজৰ আগমনৰ সময়ত প্ৰাধান্য পোৱা হলীৰাম ঢেঁকিয়াল ফুকন, দীননাথ বেজবৰুৱা, মণিৰাম বৰুৱা (দেৱান), কাশীনাথ তামুলী ফুকন, যজ্ঞৰাম ফুকন, হৰকান্ত সদৰামীন, যাদুৰাম ডেকাবৰুৱা প্ৰভৃতি সম্ভ্ৰান্ত মানুহৰ লগত এইখিনিতে আহোম ডা-ডাঙৰীয়াৰ পাৰ্থক্য আছিল। সামন্তযুগীয়া দস্তুৰ মতে আহোম ডা-ডাঙৰীয়াই বংশগত বিষয় আৰু মৰ্য্যাদা ভোগ কৰিছিল। সঞ্চয়ৰ ক্ষেত্ৰত তেওঁলোক আছিল নিৰ্বিকাৰ। কিন্তু বিষয়ভোগ যিসকলৰ ক্ষেত্ৰত সিমান নিৰাপদ নাছিল তেওঁলোকে সম্পত্তি আৰ্জন আৰু সঞ্চয়ত বিশেষ মনোযোগ দিবলৈ বাধ্য হৈছিল। আনহাতে তেওঁলোকৰ বাঢ়ি অহা সম্পত্তি আৰু ক্ষমতাত হাত দিবলৈ ৰজাঘৰীয়া শক্তি আৰু নাছিল।

এওঁলোকৰ সা-সম্পত্তিৰ বা সঞ্চয়ৰ দুটামান উদাহৰণ দিয়া প্ৰয়োজন। বেণুধৰ শৰ্মাই দেৱানৰ জীৱনাত লেখিছে: "এদিন তেওঁৰ পিতৃদেৱক ৰামদত্তই ঘৰত থকা ধন-সোণৰ লেখ লবলৈ মন কৰি, এফালে চকলা ৰূপৰ (টকা) আৰু ইফালে সোণৰ মোহৰৰ লদাবোৰ দ'ম বন্ধালে। ৰূপ-সোণৰ দ'ম দুটা ইমান ওখ হৈছিল যে পিতা-পুত্ৰ দুয়ো দ'ম কেইটাৰ ইফালে সিফালে থিয় হ'লত কোনেও কাকো নেদেখা হৈছিল।" (উল্লিখিত গ্ৰন্থ পৃঃ ১৯৬)। পুৰন্দৰ সিংহৰ অনুগত সেৱক ৰামদত্ত বৰুৱা ইংৰাজ আমোলতো তিনিটা মৌজাৰ মৌজাদাৰ হৈছিল। এওঁৰে আত্মশ্ৰাদ্ধৰ দিনা মণিৰাম দেৱানৰ অৰ্জুনগুৰিৰ ঘৰত "দেৰগাঁৱৰপৰা আৰম্ভ কৰি উজনিৰ প্ৰায় চাৰি হেজাৰ সন্ত-বিপ্ৰ সমবেত হৈছিল।" (ঐ, পৃঃ ২০৬)। আন এজন সম্পত্তিশালী লক্ষীৰ বৰপুত্ৰ আছিল গোৰীনাথ সিংহৰ দিনত দ্ৰাবিড় দেশৰপৰা অহা লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীৰ তোলনীয়া পো পৰশুৰাম বৰুৱা। পৰশুৰামৰ হাতত আছিল অসম আৰু বংগৰ নিয়মিত বেহা-বেপাৰৰ প্ৰায় একচেটীয়া স্বত্ব। ৰজাঘৰত বছৰি ৯০,০০০ টকাৰ দ্ৰব্য আৰু মুদ্ৰা কৰ হিচাপে সোধাই, হাদিৰাচকীত সমগ্ৰ অসম

আৰু বংগৰ পণ্যৰ ওপৰত বহুৱা বাদবাকী কৰ তেওঁ উপাৰ্জন হিচাপে পাইছিল। ব্ৰহ্মচাৰীৰ দিনতে হাদিৰাচকীৰ বৰুৱা বিষয় এই পৰিয়ালৰ হাতলৈ আহে। পৰশুৰামৰ ভায়েকে পিচত সম্পত্তিৰ বিবাদ হোৱাত ফালি আহিবলৈ মন মেলিছিল আৰু সেইবাবে একান্নবৰ্তী পৰিয়ালৰ ( joint family ) পৰা ৯ লাখ ৭২ হেজাৰ টকা দাবী কৰি মোকৰ্দমা কৰিছিল! ( গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ, অসম প্ৰকাশন পৰিষদ, ১৯৭১, পৃঃ ৯-১২, পৃঃ ২২ ) মন কৰিবলগীয়া যে ১৮৫২-৫৩ চনত অসমৰ পাঁচখন জিলাৰ খাজনা মিলিও সিমানখিনি ধন হোৱা নাছিল!! ( A. J. Moffatt Mils, Report on the Province of Assam, 1845, Calcutta, para 20 ) আচৰিত নহয় যে সমসাময়িক এজন বিদেশী পৰ্যটকে লৈখিছিল: "উজনীত বুঢ়াগোহাঁই আৰু ভাটীত পৰশুৰাম, এই দুজন বিনে এই দেশত মানুহ নাই।" ( গুণাভিৰাম বৰুৱা, উল্লিখিত গ্ৰন্থ, পৃঃ ১৭

তেওঁলোকৰ হিচাপ-পত্ৰত দক্ষতা, শাকনা, পিয়ল, আইন-কানুনৰ জ্ঞানৰ বাবে নবাগত ইংৰাজ শাসনকৰ্তাবিলাকৰ চকুত এই শ্ৰেণীৰ মানুহ প্ৰিয়পাত্ৰ হৈছিল। ৰামদত্ত বৰুৱাই ১৮২৭ চনৰ পৰা ১৮৩৮ চনলৈ শাসন ব্যৱস্থা সম্পৰ্কে ডেবিড স্কটক পৰামৰ্শ দিছিল। ( বেণুধৰ শৰ্মা, পৃঃ ১৬, পৃঃ ৩২ )। ৰংপুৰ জিলাখন তেওঁৱেই পিয়ল কৰিছিল। দীননাথ বেজবৰুৱা পুৰন্দৰ সিংহৰ বিষয়া আছিল। কোম্পানীয়ে এওঁক পোনতে "দেৱানী চিৰস্তাদাৰ" নিযুক্ত কৰে। ( জীৱনীসংগ্ৰহ, অসম প্ৰকাশন পৰিষদ, ১৯৬৯, পৃঃ ১০৩ ) যজ্ঞৰাম ফুকনে আনকি ভাৰত বিখ্যাত দ্বাৰকানাথ ঠাকুৰৰ ঘৰৰ হিচাপ পৰিষ্কাৰ কৰিবলৈ নিমন্ত্ৰণ পাইছিল। ( গুণাভিৰাম বৰুৱা উল্লিখিত গ্ৰন্থ, পৃঃ ২০ )

কিন্তু কেৱল কাম-কাজৰ দক্ষতাৰেই নহয়, ছেগ বুজি ৰাজহৰ ধন আত্মসাৎ কৰা বা আন দুৰ্নীতিৰ সহায়তো এই শ্ৰেণীৰ বহু মানুহে ধন সম্পত্তি বঢ়াইছিল। হৰকান্ত বৰুৱা সদৰামীনে মণিৰাম দেৱান, লঠৌ ধনঞ্জয়, খাৰঘৰীয়া ফুকন, কাশীনাথ তামুলী ফুকন—পুৰন্দৰ সিংহৰ এই কেইজন আমোলাৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আনিছে। ( সদৰামীনৰ আত্মজীৱনী, অসম প্ৰকাশন পৰিষদ, ১৯৬০ )। হেমচন্দ্ৰ গোস্বামীয়েও লেখিছে যে যজ্ঞৰাম ফুকনে পুৰন্দৰ সিংহক নজৰ দিও বুলি প্ৰজাৰ পৰা ২০০০ টকা তুলি তাৰ ১০০০ টকা নিজে 'গাইৰ' কৰে। অৰ্থাৎ পুঁজিপতি শ্ৰেণীৰ আদিম পৰ্য্যায়ত দেখা কিছুমান লক্ষণ এওঁলোকৰ গাত পূৰা দেখা গৈছিল। ( হেমচন্দ্ৰ গোস্বামীৰ

ৰচনাৱলী, অসম সাহিত্য সভা, ১৯৭২, পৃঃ ২২১ )। ববপুজাৰায়ে লেখিছে: "almost all the officials, high and low, Assamese and non Assamese, never failed to exploit the situation as best as they could···whether under early British rule or during the short regime of Raja Purandar in upper Assam" ( Op. Cit, p 267 )

অৱশ্যে স্বীকাৰ নকৰি নোৱাৰি যে ধন উপাৰ্জনৰ বেছি ৰাস্তা এই নতুনকৈ উঠি অহা শ্ৰেণীটোৰ বাবে মুকলি নাছিল। আহোম আমোলত বেহা-বেপাৰ আছিল নিতান্ত সীমিত। পণ্য উৎপাদন আছিল নাম মাত্ৰ। বেছিভাগ মানুহে প্ৰয়োজনীয় সকলো বস্তু ( লোণখিনিৰ বাহিৰে ) ঘৰতে উৎপাদন কৰি লৈছিল। সেয়ে এপিনে অসমত হাট-বজাৰ আছিল সেৰেঙা আৰু আনপিনে ভাৰতৰ আন ঠাইৰ দৰে বংশগত বৃত্তি বা জীৱিকা থকা জাতিও বেছি নাছিল—কমাৰ-কুমাৰ এনে কেতবোৰ অত্যাৱশ্যকীয় বৃত্তি বাদ দিলে। যাতায়াতৰ সুবিধা আছিল অনুন্নত আৰু আদিম শ্ৰেণীৰ। ৰাস্তা-ঘাট বেহা-বেপাৰতকৈ সৈন্যৰ বাবে জলনিয়ন্ত্ৰণৰ বাবে আৰু প্ৰশাসনৰ বাবেহে ব্যৱহৃত হৈছিল। বেহা-বেপাৰ যে অসমত তাকৰ আছিল আৰু গাওঁবোৰ যে প্ৰায় স্বয়ংসম্পূৰ্ণ আছিল, তাৰ এটা প্ৰমাণ এয়ে যে ব্ৰিটিছ আমোলৰ আগতে অসমত গৰুগাড়ীৰ প্ৰচলন প্ৰায় নাছিলেই !! একে কাৰণতে মুদ্ৰাৰ প্ৰচলনো আছিল বৰ কম। (Francis Buchanan, An Account of Assam, D. H. A. S. 1963 pp. 60 ff; হলীৰাম ঢেকিয়াল ফুকন, আসাম বুৰঞ্জী ১৩৬৯, পৃঃ ১০৪ Robinson, A Descriptive Account of Assam London, 1841, p 264, p 226) ব্ৰিটিছ ৰাজত্ব স্থাপিত হোৱাৰ অলপ কালৰ ভিতৰতে অসমৰ ব্যৱসায়, বিশেষকৈ "গেলামাল"ৰ ব্যৱসায় মাৰোৱাৰী মহাজনে হাত কৰে। (Robinson Op. cit p. 245) তাৰ ডালেখিনি সময় পিচত Hunter ৰ Statistical Account of Assamৰ পৰা জনা যায় যে অসমত বেহা-বেপাৰ কৰা কোনো সাউদ জাতি নাই, আৰু অসমৰ সৰহভাগ বেহা-বেপাৰ মাৰোৱাৰীৰ হাতত। ইতিপূৰ্বে অসমৰ উঠি অহা মধ্যবিত্ত শ্ৰেণীৰ মনত যি সামন্তযুগীয়া আড়ম্বৰ আৰু মান-সন্ত্ৰমৰ প্ৰতি মোহ লক্ষ্য কৰা হৈছে, গেলামাল সৰবৰাহ কৰি সমাজৰ চকুত "হেয়" হবলৈ সেই শ্ৰেণীৰ মানুহৰ আপত্তি থকাটো প্ৰায় অৱধাৰিত আছিল।

অসমৰ বাণিজ্য আছিল ঘাইকৈ বহিৰ্বাণিজ্য। হাতীদাঁত, লা (বছৰি ৭১০ হাজাৰ মোন!), মজাঠি প্ৰভৃতি আপুৰুগীয়া বনজ সম্পদ, মুগা-পাট প্ৰভৃতি চৌখীন কাপোৰ, আৰু ৰজাঘৰীয়া কাৰখানাত তৈয়াৰী কেইপদমান শিল্পজাত বস্তু আৰু কপাহৰ বাবে বাহিৰত বেচ ভাল চাহিদা আছিল। তিব্বতলৈ এড়িয়া চাদৰ গৈছিল। কোম্পানীৰ পৰা অসমে বিলাতী কাপোৰৰ উপৰিও হেজাৰ হেজাৰ মোন লোণ (নিমখ) আমদানি কৰিছিল। কিন্তু এই বেপাৰৰ পৰা মুদৈ বা সাউদবিলাকৰ বেছি লাভ নহৈছিল। বেছিভাগ লাভ ৰাজকোষৰ অতল গহ্বৰত সোমাইছিল নহলে চকীয়াল বৰুৱাৰ মোনাত সোমাইছিল। এনে পৰিস্থিতিত মুদৈবিলাকৰ নাছিল অৰ্থবল, নাছিল সামাজিক মৰ্য্যাদা। (S. K. Bhuyaan, Op. Cit., Barpujari, OP Cit. p 244.)

অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ বিকাশত এওঁলোকৰ স্থান গুৰুত্বপূৰ্ণ নহয়।

ইংৰাজ আমোল প্ৰতিষ্ঠিত হোৱাৰ পিচত অসমীয়া মধ্যবিত্তই সেয়ে বেচা বেপাৰত বেছি মনোযোগ নিদিলে। কিন্তু ইংৰাজ ব্যৱসায়ী পুঁজিয়ে সুবিধা বুজি আৰু ক্ষেত্ৰ বুজি কাম আৰম্ভ কৰাত অসমীয়া অৱস্থাপন্ন মানুহে তাৰ অনুগামী সহযোগী হিচাপে ব্যৱসায়ত নামে। বন-জংঘলৰ মহল, হাতী ধৰা মহল, আবকাৰী মহল ইত্যাদি ঠিকা আৰু সুবিধা ইংৰাজ ব্যৱসায়ী পুঁজিৰ শোষণেহে অসমীয়া মানুহৰ বাবে মুকলি কৰি দিছিল। কিন্তু ইংৰাজৰ ব্যৱসায়ী পুঁজিৰ বৃহত্তম বিত্ত নিয়োগ হৈছিল চাহ বাগিচাত।

১৮৩৪ চনতে গঠিত Tea Committee এ ঘোষণা কৰে যে চাহগছ অসমত থলুৱা আৰু অসমত তাৰ খেতি ভাল হব লাগে। চীনৰ হাতৰ পৰা চাহৰ একচেটিয়া ব্যৱসায় কাঢ়ি লোৱাৰ সপোনে বিলাতৰ পুঁজিপতি মহলক মচগুল কৰি তোলে। ১৮৩৮ চনত পৰীক্ষামূলকভাৱে প্ৰস্তুত কৰা অসমৰ চাহ ৮৫ বাকচ বিলাতলৈ পঠিওৱা হয়। বিশেষকৈ অসম চৰকাৰে চাহৰ পৰীক্ষামূলক খেতি আৰু প্ৰস্তুতিত বহু অৰ্থ আৰু সময় ব্যয় কৰে। ১৮৩৯ চনত বিখ্যাত "আসাম কোম্পানী" গঠিত হয় ৫০০,০০০ পাউণ্ড অৰ্থাৎ তেতিয়াৰ জোখত পাঁচ নিযুত টকাৰ পুঁজিৰে। নাজিৰাত তাৰ সদৰ কাৰ্য্যালয় পতা হয়। তাৰ পিচত "যোৰহাট টি কোম্পানী"কে আদি কৰি বহু বক্তিগত ব্যৱসায় প্ৰতিষ্ঠানে বিশেষকৈ গোটেই অসম বিৰাট চাহভূমিত পৰিণত কৰিলে। ১৮৫২ চনত আসাম কোম্পানীৰ হাতলৈ প্ৰায় ১৫ খন বাগিচা আহে। তেতিয়া আন বাগান আছিল মাত্ৰ তিনিখন। তাৰে দুখন

"এজন ধনী দেশীয় ভদ্রলোকৰ" তিনি নম্বৰখন চাহাবৰ। ( Hunter, Statistical Report. Vol, I. p. 263)। উক্ত ধনী ভদ্রলোকজন নিশ্চয় মণিৰাম দেৱান। ১৮৫৬ৰ পৰা ১৮৫৯ চনৰ ভিতৰত চাহ ব্যৱসায়ৰ শ্ৰীবৃদ্ধি হয়। "আসাম কোম্পানী"য়ে ৭৬০,০০০ পাউণ্ড চাহ উৎপাদন কৰে ১৮৫৯ চনত। কোৱা বাহুল্য চাহ বাগানৰ কেৰাণী-মহৰীৰ কাম অসমীয়া শিক্ষিত মানুহে পাবলৈ ধৰে। মণিৰামৰ মৃত্যুৰ পিচত দুজনমান অসমীয়া অৱস্থাপন্ন চাহ খেতিয়ক ওলায়। প্ৰথম শ্ৰেণীৰ এছ, ডি, চিৰ চাকৰি এৰি জগন্নাথ বৰুৱাই ( বি এ জগন্নাথ ) ত্ৰিশ একৰ হাবিতলীয়া মাটি সুন্দৰ চাহনিবাৰীত পৰিণত কৰে। সেই উদাহৰণে আন কেইজনমান অসমীয়া মধ্যবিত্তক প্ৰেৰণা দিয়ে ( জীৱনী সংগ্ৰহ পৃঃ ৪০ )

স্বাভাৱিকতে উঠি অহা অসমীয়া মধ্যবিত্ত শ্ৰেণী প্ৰথমতে ইংৰাজ সাম্ৰাজ্যবাদৰ প্ৰতি বিৰূপ নাছিল। অভিজ্ঞতাৰ যোগেদি তেওঁলোকে এই শিক্ষা পোৱা নাছিল যে সাম্ৰাজ্যবাদী পুঁজিয়ে তেওঁলোকক আৰ্থিক তথা শ্ৰেণীগত স্বাধীনতা কেতিয়াও নিদিয়ে। সাম্ৰাজ্যবাদী পুঁজিৰ দালাল আৰু সাম্ৰাজ্যবাদী প্ৰশাসনৰ বহতীয়া হিচাপেহে ইংৰাজে তেওঁলোকক সহ্য কৰিব পাৰে। কিন্তু এই শিক্ষা সক্ৰিয় হওঁতে কুৰি শতিকাৰ আগভাগ পাইছিলগৈ। তাৰ আগলৈকে আহোম সামন্তবাদৰ নানা স্বেচ্ছাচাৰিতা, ব্যক্তিগত পুঁজিৰ ওপৰত বজাঘৰীয়া হস্তক্ষেপ আৰু নানা বিধিনিষেধৰ পৰা মুক্তি দিয়া বাবে এই শ্ৰেণীটো ইংৰাজৰ ওচৰত কৃতজ্ঞ আৰু ইংৰাজৰ প্ৰতি অনুগত আছিল। তেওঁৰ উত্তম, কৰ্মদক্ষতা, অধ্যৱসায় আৰু অসাধাৰণ সাহস আৰু বুদ্ধিমত্তাৰ জৰিয়তে সাম্ৰাজ্যবাদে দেশীয় ব্যক্তিগত পুঁজিক দিব পৰা সকলো সা-সুবিধা মণিৰাম দেৱানে সকলোতকৈ আগতে আৰু সকলোতকৈ শীঘ্ৰে আয়ত্ত কৰি লয়। আৰু সকলোতকৈ আগতে তেৱেঁই বুজি পায় বিকাশৰ এটা নিৰ্দিষ্ট বিন্দুলৈকেহে ইংৰাজে দেশীয় পুঁজিক সহায় আৰু সমৰ্থন কৰিব। আৰু সেই সীমা চেৰাই গলেই প্ৰতিযোগিতাৰ ভয়ত তাক নিৰ্বিবাদে বিনাশ কৰিব।

কেৱল স্বদেশানুৰাগী হিচাপে মণিৰাম দেৱানক চাবলৈ গলে বহুত কথাই সুবুজিম। তেওঁ ঠিক বুৰ্জোৱা জাতীয়তাবাদী ভাবধাৰাৰ দ্বাৰা পৰিচালিত হোৱা নাছিল। ইতিপূৰ্বে কোৱাৰ দৰে প্ৰাচীন সামন্তবাদী সমাজৰ সামাজিক মান-মৰ্য্যাদাৰ বিচাৰৰ প্ৰতি তেওঁৰ দুৰ্বলতা আছিল। তাৰ উপৰিও মিলচ্

চাহাবলৈ দিয়া স্মাৰক-পত্ৰত তেওঁ ইংৰাজ শাসনে "আটাইবোৰ জাতকে একা-কাৰ কৰাত" দুখ প্ৰকাশ কৰিছে। (বেণুধৰ শৰ্মা, উল্লিখিত গ্ৰন্থ, পৃঃ ১৫৩ তেতিয়াৰ অসম তথা ভাৰতৰ পটভূমিত পুঁজিবাদৰ লগত এই সামন্তবাদী সংমিশ্ৰন বুজা যায়। আনহাতে স্থানীয় ডা-ডাঙৰীয়াৰ উপৰিও স্থানীয় প্ৰজাৰ হকেও তেওঁ দুই-এষাৰ মাত মাতিছে। পৰ্বতীয়া জাতিবিলাকৰ ওপৰত ইংৰাজ অত্যাচাৰৰ বিৰুদ্ধে তেওঁ প্ৰতিবাদ কৰিছে। (ঐ, পৃঃ ১৫৬। নগদ টকাৰ সলনি প্ৰজাৰ সুবিধাৰ বাবে উৎপন্ন দ্ৰব্যকে খাজনা লব লাগে বুলি যুক্তি দিছে। (ঐ, পৃঃ ১৫৪। কানি বৰবিহ বন্ধ কৰাৰ সপক্ষে বহু যুক্তি আগবঢ়াইছে। (ঐ, পৃঃ ১৫৪-১৫৫)। মথাউৰি মেৰামতি নকৰা বাবে হোৱা ক্ষয়ংকৰ বানপানীৰ উল্লেখ কৰিছে। ( পৃঃ ১৫৫ )

কিন্তু আধুনিক জাতীয়তাবাদী ঐক্যত তেওঁৰ বিশ্বাস নাথাকিলেও তেওঁ সামন্তবাদী অতীতৰ পুনৰুত্থানৰ প্ৰচাৰক নাছিল। তেওঁৰ জীৱনতে আধুনিক পুঁজিবাদী উদ্যম, সাহস আৰু ক্ষিপ্ৰতাৰ বহু লক্ষণহে দেখা যায়। গমধৰ কোঁৱৰ আৰু পিয়লি ফুকনৰ বিদ্ৰোহত তেওঁ যোগ নিদিয়াৰ অন্যতম প্ৰধান কাৰণ আছিল নিশ্চয় উক্ত বিদ্ৰোহৰ অতীতভিলাসী সামন্তবাদী চৰিত্ৰ। সেই সময়ত মণিৰাম আছিল ব্ৰিটিছৰ বিশ্বস্ত অনুচৰ

তেওঁৰ উচ্চাকাংক্ষাৰ লগত ইংৰাজ সাম্ৰাজ্যবাদৰ প্ৰত্যক্ষ সংঘৰ্ষ নোহোৱা-লৈকে মণিৰাম দেৱান আছিল ইংৰাজৰ সমৰ্থক। ইংৰাজৰ সহায়কাৰী হিচাপেই তেওঁ তেওঁৰ ধন-ঐশ্বৰ্য্য, মান-সন্মমৰ চৰম শিখৰলৈ উঠিছিল। আনকি তেওঁৰ নামত থকা "দেৱান" উপাধি, হয় স্কট চাহেবৰ দোভাষী হিচাপে, নহলে আসাম কোম্পানীৰ দেৱান হিচাপে পোৱা খিতাপ। (বেণুধৰ শৰ্মা, উল্লিখিত গ্ৰন্থ, পৃঃ ১৯৩) মিলচ্ চাহাবলৈ দিয়া এখন দৰখাস্তত তেওঁ ইংৰাজক কৰা পূৰ্বৰ উপকাৰ আৰু সহায় এইদৰে সুঁৱৰিছে :

(১) দেশৰ প্ৰাকৃতিক সম্পদ, উৎপন্ন, বাণিজ্য, আয়-ব্যয় সম্পৰ্কে ব্ৰিটিছ শাসনকৰ্তাসকলে তেওঁৰ পৰা বহু তথ্য আৰু পৰামৰ্শ পাইছিল।

(২) জিলাৰ চিৰস্তাদাৰ-তহছিলদাৰ হৈ তেওঁ হ'ত তিনি হাজাৰ পাঁচশ টকাতকৈ বেছি টকা উঠা নাছিল তাত একলাখ টকা খাজনা তুলি দিয়ে।

(৩) নিজা সৰলেৰে আসাম লাইট ইনফেণ্ট্ৰিৰ পাঁচোটাকৈ কোম্পানী পাঁচ বছৰ বচদ যোগাইছিল।

(৪) নিজে বৰুৱা-হাজৰিকা গোটাই সৈন্য বাহিনীৰ বাহৰ সাজি দিছিল।

(৫) খাছিয়া আৰু গাৰো পাহাৰত অভিযান চলাওঁতে তেওঁ ব্ৰিটিছ ফৌজক বিশেষভাবে সাহায্য কৰিছিল। (বেণুধৰ শৰ্মা, পৃঃ ১৩৯-১৪০) তাৰ উপৰিও স্কট চাহাবে চিংফৌ জাতিক বৰাওঁতে, খাছিয়া পাহাৰত ৰাস্তা বান্ধোঁতে, (পৃঃ ৫২-৪৫) মণিৰামৰ পৰা ইংৰাজে বিশেষ সহায় পাইছিল। স্কট, নিউবিল, জেনকিন্স্ প্ৰমুখ্যে ইংৰাজ শাসনকৰ্তাৰ লগত তেওঁৰ যথেষ্ট সৌহাৰ্দ্য হৈছিল (পৃঃ ৬৭-৬৮) আসাম কোম্পানীৰ দেৱান হিচাপেও দক্ষতাৰে কাম কৰি মণিৰাম দেৱানে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ ভিত্তি গজ্‌গজীয়া হোৱাত সহায় কৰিছিল। (পৃঃ ৯৭, পৃঃ ৯৯)

অথচ এই মণিৰাম দেৱানেই ইংৰাজৰ বিচাৰত ৰাজদ্ৰোহী প্ৰমাণিত হৈ ফাঁচিকাঠত উঠিছিল। তাৰ কাৰণৰ পম খেদি গ'লেও সাম্ৰাজ্যবাদী শক্তিৰ লগত সংঘাত বা দ্বন্দ্বই ওলাব। ১৮৪৪ চনত দেৱানে চাহ কোম্পানীৰ কামৰপৰা ইস্তফা দিয়ে। প্ৰথমে স্বাধীনচিতীয়া দেৱানে কোম্পানীৰ ডাঙৰ চাহাব কৰ্মচাৰীৰ লগত কাজিয়া কৰি সিইতৰ জাতিদম্ভৰ সমুচিত প্ৰত্যুত্তৰ দিয়ে। (পৃঃ ১০২—১০৩)। তাৰ পিচত চেনিমৰা আৰু চেংলুঙত তেওঁ ডুখন নিজা চাহবাগিচা খোলে। থলুৱা অৱস্থাৰ লগত ভাল পৰিচয় থকা বাবে দেৱানৰ বাগিচা দুখনেও বেছ উন্নতি কৰে। কিন্তু তেতিয়াহে তেওঁ সাম্ৰাজ্যবাদীৰ নীতিৰ বৈষম্য হাড়ে হাড়ে উপলব্ধি কৰিলে। চাহাব চাহ খেতিয়কৰ দৰে নামমাত্ৰ খাজনাত (fee simple) তেওঁ মাটি নাপালে, আন ৰায়তৰ হাৰত খাজনা দিব লগা হ'ল। খাজনা বাঢ়িলত তেওঁ ভালেখিনি মাটি এৰি দিবলৈ বাধ্য হয়। এনে অৱস্থাত কাৰবাৰৰ প্ৰসাৰণ বা উন্নয়ন সম্ভৱ নাছিল। তেওঁৰ বিৰুদ্ধে ক্ৰুদ্ধ আৰি চাহাববিলাকেও বৰকৈ লাগিবলৈ ধৰে। (পৃঃ ১০৫-১০৭)

সাম্ৰাজ্যবাদী খাজনা আদায়ত এসময়ত দক্ষতা দেখুৱাই তেওঁ সিহঁতৰ প্ৰিয়পাত্ৰ হৈছিল। এতিয়া এই খাজনাই তেওঁৰ ব্যৱসায়ত বাধা দিলে। তেওঁ তাৰ ধ্বংসাত্মক দিশ দেখা পালে। তেওঁৰ নিজা দৰ্খাস্তখনত আৰ্থিক দুৰৱস্থাৰ কথা তেওঁ কাতৰকণ্ঠে স্বীকাৰ কৰিছে। "মাননীয় হুজুৰ! মোৰ ভূমি-সম্পত্তিৰ নিমিত্তে বছৰেকত ৫০০'০০ কৈ টকা গৱৰ্ণমেণ্টক শোধাবলৈ বৰ টান পাইছোঁ। ইয়াৰ উপৰিও, মোৰ ঘৰত বন্দীয়ে-বেটীয়ে খাওঁতা মানুহ ১৮৫ টা।" (পৃঃ ১৪০-১৪১) তাৰ উপৰিও ৰজাদিনীয়া কেইবাখনো বিষয়ৰপৰা তেওঁক ক্ষতিপূৰণ নিদিয়াকৈ আঁতৰোৱা হ'ল। আনকি নবনিযুক্ত শাসনকৰ্তাই তেওঁ ২১ বছৰ

ভোগ কৰা মৌজা তিনিটাও কাঢ়ি নিলে। (পৃঃ ১৪০) সাম্ৰাজ্যবাদী ব্যৱহাৰত তেওঁৰ ব্যৱসায়ৰ উন্নতিৰ বাট শেহত বন্ধ হ'ল। বৰং মানুহ বোলাই পাই-লৈ থকাৰ অৱকাশো টুটি আহিল। দেৱানৰ চৰিত্ৰবল গম পাই ইংৰাজ প্ৰশাসনে তেওঁক নিশকতীয়া কৰিবলৈ তেওঁক আৰ্থিক দৈন্য দশাত পেলাই দিলে। মিলচ্ চাহাবে তেওঁৰ বিষয়ে বিপৰীত লেখিলে যে মানুহজন "অসন্তোষীয়া" আৰু "চক্ৰান্তকাৰী।" (পৃঃ ১৬১-১৬২)। তেনে নোহোৱাটোহে অস্বাভাৱিক হ'লহেঁতেন।

ব্ৰিটিছ সাম্ৰাজ্যবাদে দেশীয় পুঁজিৰ স্বাধীনতা ভাৰতৰ আন আন অঞ্চলত কাহানিবাই বিনাশ কৰিছিল। বলপ্ৰয়োগ, কূটকৌশল, অন্যায় আইন আদি বহুত উপায়ে ভাৰতীয় সদাগৰসকলৰ স্বাধীনতা আৰু প্ৰভাৱ খৰ্ব কৰা হৈছিল।

"Monopolising Indian products for the English meant that the Indian merchants could no longer survive. Only those could maintain their profession who acquiesced in becoming the underlings of the company or of its servants engrossed in private inland trade in India or of the private English merchants residing in India for the same purpose." (R. K. Mukherjee, Rise and Fall of the East India Company Berlin, 1953, P. 174) সাম্ৰাজ্যবাদী চৰকাৰে মণিৰামৰ স্বাধীন ব্যৱসায়ৰ উন্নতিত বাধা দিলে, তেওঁৰ বিষয় কাঢ়িলে আৰু তেওঁক "সামান্য মানুহৰ" শাৰীলৈ নমালে। অৰ্থাৎ কেৱল সামন্ত ব্যৱস্থাৰ বিৰুদ্ধেই নহয়, সকলো স্বাধীনতাপ্ৰিয় আৰু আত্মসন্মান থকা মানুহৰ বিৰুদ্ধে ইংৰাজ শক্তি সক্ৰিয় বুলি দেৱানে বুজি পালে। মিলচৰ ওচৰত আবেদন-নিবেদন কৰি কি ফল পালে দেখিছো। তেওঁৰ বাবে একমাত্ৰ পথ খোলা ৰ'ল বিদ্ৰোহ।

মন কৰিবলগীয়া যে কোম্পানীক সহায় কৰা সময়ত দেৱান ঠিক চকী-মেজত বহি থকা কেৰাণী বা কাকতী বা মুনচুপ নাছিল। তেওঁৰ কৃতিত্ব ফুটি উঠিছিল তেনেবোৰ কামত য'ত দুঃসাহস, শাৰীৰিক উদ্যম, উপস্থিত বুদ্ধি আৰু হিচাবী মনোভাবৰ একেলগে প্ৰয়োজন হৈছিল। সকলোতকৈ ডাঙৰ কথা তেওঁ খৰচ কমাই লাভ বঢ়োৱাৰ কৌশল জানিছিল। কয়লা আৰু চাহৰ ব্যৱসায়, সেনাবাহিনীৰ ৰচদ আৰু বাহনৰ যোগান ধৰা—এনেবোৰ খাইকৈ পুৰঠ ব্যৱসায়ীৰ কাম। অৰ্থাৎ সামন্তবাদী মনোভাবৰপৰা মুক্ত হব

নোৰাৰিলেও তেওঁৰ চৰিত্ৰত আদিম পুঁজিবাদী মনোভাবৰ আভাস পোৱা গৈছিল। বঙলা ভাষাত বাপ, তৎকালীন "আধুনিক" কলিকতীয়া সমাজৰ লগত সংযোগ আৰু নতুন উদ্ভাৱন (innovation) গ্ৰহণ কৰাৰ ধাউতিত মণিৰাম দেৱানৰ চৰিত্ৰৰ এই দিশ জিলিকি উঠিছিল।

দৰাচলতে ব্ৰিটিছৰ শোষণ ব্যৱস্থা গজগজীয়া হৰলৈ নৌপাওঁতে অসমত যিটো শ্ৰেণী ৰজাঘৰীয়া কৰ্তৃত্বৰ পৰা মুক্ত হৈ মূৰ দাঙি উঠিছিল, তাৰ মাজত আধুনিক জগতৰ বতাহ বেছকৈয়ে লাগিছিল। হলিৰাম ঢেঁকিয়াল ফুকনৰ ভায়েক যজ্ঞৰাম ফুকনে কলিকতালৈ গৈ ইংৰাজী শিকিবৰ বাবে এজন চাহাব শিক্ষক লগত লৈ অসমলৈ উভতিছিল। অসমৰ অৱস্থাপন্ন শ্ৰেণীৰ মানুহে বৰ উৎসাহেৰে বঙলা খবৰৰ কাগজ পঢ়িছিল। যজ্ঞৰাম ফুকনে তাত ইংৰাজী কবিতাৰ বঙলা অনুবাদ প্ৰকাশ কৰি প্ৰশংসা পাইছিল। যাদুৰাম ডেকাবৰুৱাই তাত চিঠিপত্ৰ লেখিছিল। ১৮৩১ চনৰ ৩০ জুলাই তাৰিখে "সমাচাৰ দৰ্পণ" নামৰ কলিকতীয়া কাগজে ইংৰাজ অধিকাৰৰ সাত বছৰৰ ভিতৰতে অসমীয়া "অতিমান্য লোক"ৰ সংবাদপত্ৰৰ প্ৰতি জন্মা এই আগ্ৰহৰ আৰু "জ্ঞানান্বেষণত এনে কৃতকাৰ্য্যতা"ৰ শলাগ লৈছিল। অৱশ্যে আধুনিক জ্ঞানৰ প্ৰতি এই কৌতূহল আৰু শ্ৰদ্ধাৰ বেয়া দিশ আছিল থলুৱা আচাৰ আৰু ঐতিহ্যৰ প্ৰতি অৱহেলা আৰু নব্য বঙলা সভ্যতাক সভ্যতাৰ মানদণ্ড হিচাপে ধৰাৰ মনোবৃত্তি—হলিৰাম ঢেঁকিয়াল ফুকনৰ "আসাম বুৰঞ্জী" যি উন্নাসিক মনোবৃত্তিৰ সংকোচজনক নিদৰ্শন।

মণিৰাম দেৱানে কলিকতালৈ গৈ যেতিয়া সমগ্ৰ ভাৰত জোৰা বিদ্ৰোহৰ উমি উমি জ্বলা জুই ভমক্‌কৈ উঠা দেখিলে, তেতিয়া তেওঁ অসমলৈ লেখিলে :

"এইফালে কলগছ হাউলি গৈছে, কাচিও চোকা হৈছে। আমাৰ ফালেও কাচি ধৰাই যুগুত কৰি ৰখা ভাল হব।" (বেণুধৰ শৰ্মা, পৃঃ ১৭০) কিন্তু মণিৰামৰ লগৰীয়া আছিল কন্দৰ্পেশ্বৰ সিংহকে আদি কৰি অভিজাত শ্ৰেণীৰ বিক্ষুব্ধ মানুহ, তেওঁৰ প্ৰধান ভৰসা আছিল অসমত থকা হিন্দুস্থানী চিপাহীৰ ফৌজ। (বেণুধৰ শৰ্মাৰ ১৭০ পৃঃ দ্ৰষ্টব্য।)

সৰ্বসাধাৰণ প্ৰজাক জাগ্ৰত কৰিবলৈ মণিৰাম দেৱানে কোনো ব্যৱস্থা লোৱা নাছিল। হয়তো মোৱামৰীয়া বিদ্ৰোহৰ স্মৃতিয়ে তেওঁৰ দৰে মানুহক সতৰ্ক কৰি দিছিল যে প্ৰজাৰ জাগৰণ কেৱল সাম্ৰাজ্যবাদী চৰকাৰৰ বিৰুদ্ধেই নহব। তদুপৰি খাজনা, কৰকাটল আদিৰ হেঁচাত বিক্ষুব্ধ হৈ উঠোতে, আৰু

তাৰ আঘাত নিৰ্মম হৈ উঠোতে অসমত কিছু সময় লাগে। ১৮৫৭ চনৰ বিদ্ৰোহৰ অলপ পিচতহে আমাৰ অসমৰ বিভিন্ন "ৰাইজ-মেল" আৰু "ৰাইজ-উঠাৰ সংবাদ আমি পাওঁ, সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে সাধাৰণ প্ৰজাই য'ত জঁকি উঠি অস্ত্ৰধাৰণ পৰ্যন্ত কৰিছিল। (কেশৱ নাৰায়ণ দত্ত, স্বাধীনতা সংগ্ৰামত অসম, গুৱাহাটী, ১৯৫৮, পৃ: ৬৬—৬৩)।

সাতাবন চালৰ বিদ্ৰোহক "চিপাহী বিদ্ৰোহ" বুলি সাম্ৰাজ্যবাদী ইংৰাজ ঐতিহাসিকে উলাই কৰিব খোজে। কিন্তু নানা চাহেব, তাঁতীয়া টোপী, ঝাঁচিৰ ৰাণী লক্ষ্মীবাঈ, কন্দৰ্পেশ্বৰ সিংহ, মণিৰাম দেৱান আৰু অযোধ্যাৰ তালুকদাৰবিলাক চিপাহী নহয়, অভিজাত শ্ৰেণীৰ লোক আছিল। আনহাতে জাতীয়তাবাদী ভাৰতীয় ঐতিহাসিকে বুধাই চিপাহীবিলাকৰ ভূমিকা খৰ্ব কৰিব খোজে। সমসাময়িক হিচাপে গভীৰ আগ্ৰহেৰে এই ঘটনাৱলী লক্ষ্য কৰা কাৰ্ল মাৰ্ক্সে লেখিছিল, "......it is evident that the allegiance of the Indian people rests on the fidelity of the native army in creating which the British rule simultaneously organized the first general centre of resistance which the Indian people was ever possessed of

(Marx & Engels, The First Indian War of Independence, Moscow, 2nd Impression, p. 42)

"resistance" বা প্ৰতিৰোধৰ কাৰণ হিচাপে মাৰ্ক্সে আঙুলিয়াই দিছিল কোম্পানীৰ নিৰ্মম শোষণ আৰু দমন নীতি। ইংৰাজ চৰকাৰী নথিপত্ৰ (Blue Books) ঘাঁটি তেওঁ দেখুৱাইছিল যাজনা আদায়ৰ বাবে কোম্পানীৰ টেকেলাই প্ৰজাৰ ওপৰত অত্যাচাৰ, যন্ত্ৰণা (torture) চলোৱা সাধাৰণ কথা হৈ পৰিছিল (pp 78—80)। ভাৰতৰ দহ কোটি টকাৰ মূল্যৰ বৈদেশিক বাণিজ্য একচেটীয়াভাৱে নিয়ন্ত্ৰণ কৰিছিল ৬০০০ মাত্ৰ ইংৰাজ সদাগৰে (pp 92—93)। তাৰ উপৰিও স্বত্ব-অপহাৰ বিচাৰক লেখচাপ দি ১৮৩৮ৰ পৰা ১৮৪৯ চনৰ ভিতৰতে ১৭,০০০ বৰ্গ মাইলৰ ভাৰতীয় দেশীয় ৰাজ্য, আৰু ১৮৩৮ৰ পৰা ১৮৫১ চনলৈ ১২ খন দেশীয় ৰাজ্য কোম্পানীয়ে গ্ৰাস কৰিছিল। ব্ৰিটিচ শিল্পৰ আমদানিয়ে ভাৰতৰ জাতীয় হস্তশিল্প বিনষ্ট কৰি ভাৰতৰ বহুসংখ্যক মানুহ দৰিদ্ৰ বা নিবনুৱা কৰিছিল। (pp. 26—27, p. 52, pp. 29—30) আৰু এইবাবেই ইংৰাজে বিদ্ৰোহৰ কাল-

ছোৱাত সাধাৰণ কৃষক ৰাইজৰ পৰা ৰচদপাতি বা আন সহায় পোৱা নাছিল (p. 69 )।

কিন্তু এই বিদ্রোহৰ ব্যৰ্থতাৰ সম্ভাৱনাও মাৰ্ক্স-এংগেলচৰ সহানুভূতিশীল মনত অনতিবিলম্বে জাগৰূক হৈছিল। প্ৰধানকৈ ইংৰাজ সাম্রাজ্যবাদৰ নদনবদন অৱস্থাত তাৰ সংগঠনৰ ক্ষমতা আৰু তাৰ বৈজ্ঞানিক কৌশলৰ লগত ফেৰ মৰাটো আছিল দুঃসাধ্য। বিশেষকৈ এংগেলছে ভাৰতীয় ফৌজৰ নেতৃত্বত বৈজ্ঞানিক সংগঠন শক্তি আৰু ৰণনীতিৰ অভাৱ লক্ষ্য কৰিছিল। ব্যক্তিগতভাৱে আমিও লক্ষ্য কৰোঁ যে জাতীয় মুক্তি আন্দোলনৰ বাবে যি ধৰণৰ ঐক্য আৰু ৰাজনৈতিক চেতনা লাগে সামন্তবাদী ভাৱধাৰাৰ প্ৰভাৱে তেনে ঐক্য আৰু চেতনা গঢ়ি উঠাত বাধা দিছিল। খণ্ডিত নেতৃত্ব আৰু পশ্চাদপদ ৰণ-কৌশলৰ উপৰিও ইংৰাজ চৰকাৰৰ দ্বাৰা সৃষ্ট আৰু পুষ্ট জমিদাৰ আৰু আমোলাৰ দল ১৮৫৭ চনৰ বিদ্রোহ দমন কৰাত ইংৰাজৰ প্ৰধান সহায় আছিল। ( R. K. Mukerjee, Op. cit. p. 168 )। অৱশ্যে মন কৰিবলগীয়া যে সমসাময়িক চীনৰ Taiping বা Boxer যুদ্ধৰ সময়ত চীনৰ কৃষক সমাজে যেনেদৰে সঁহাৰি দিছিল, ১৮৫৭ চনত ভাৰতত তেনেদৰে সঁহাৰি দিয়াৰ প্ৰমাণ নাই। সি যি নহওক অসমতো সাম্রাজ্যবাদৰ দালালৰ দলে সিহঁতৰ কৰ্তব্য সাধন কৰিলে :

: হৰনাথ পৰ্বতীয়া বৰুৱাক বোলে।
সদৰ আমিন কুম্পানীয়ে পাতিছিলে ॥
ৰৰলোক হৈবো বুলি কৰিলা অন্যায়।
লোক সকলৰ বহু হৈ গৈলা প্ৰলয় ॥
বেক্ৰুহি কৰিছে বুলি কুম্পানিত কৈই।
মৰ্যাদ আগ্রাহী লৈয়া বিদেশে পঠায়।
( দুটিৰাম হাজৰিকা, কলি ভাৰত বুৰঞ্জী
গুৱাহাটী ১৯৩২, পৃঃ ২০৯ )

মণিৰামৰ মৃত্যুত শোকাতুৰ হোৱা অসমীয়া প্ৰজাই কিন্তু তেওঁৰ ৰাজনীতি বুজা নাছিল। প্ৰজাই ভাবিছিল এজন সম্ভ্রান্ত আৰু শ্ৰদ্ধাভাজন মানুহ অতি উচ্চাকাঙ্ক্ষী হৈ নিয়তিৰ বলি হ'ল :

ৰূপৰ খোঁৰা-খোৰাত খালি ঐ মণিৰাম
সোণৰ খোঁৰা-খোৰাত খালি

বন্দী হবলৈ ওলালি মণিৰাম
ডিঙিত ছিপে জৰী ললি ।

ই এক করুণ আৰু মৰ্মান্তিক ঘটনা । কিন্তু ইংৰাজৰ বিৰুদ্ধে ইয়াত তীব্ৰ বিক্ষোভ বা প্ৰতিবাদ ফুটি উঠা নাই ।

ঐতিহাসিক ডঃ হেৰম্ব বৰপূজাৰীয়ে লেখিছে : "While Maniram and his follwers felt that the British rule was an evil which must be done away with, Anandaram (Dhekial Phukan) wanted to improve it by effecting liberal reforms" (OP. cit. P. 284) ডঃ বৰপূজাৰীয়ে তেখেতৰ তথ্যসমৃদ্ধ আৰু বহু ক্ষেত্ৰত নিৰ্ভৰযোগ্য ইতিহাসত এটা কথা উল্লেখ কৰা নাই । আনন্দৰাম ঢেকিয়াল ফুকনক ইংৰাজ শাসনকৰ্তাই প্ৰায় নিজ হাতে গঢ়ি তুলিছিল, আৰু সেয়ে দেৱানতকৈ ঢেকিয়াল ফুকনৰ পৰা বহু বেছি পৰিমাণে আনুগত্য আৰু বিশ্বস্ত আশা কৰিব পাৰিছিল । ১৮৫২ চনত তেও মাহে ২৫০ টকা বেতনত চব এচিষ্টেণ্ট নিযুক্ত হোৱা খবৰ পাই তেওঁলৈ মেথী চাহাবে লিখিছিল : "দেখা ! তুমি যদি কলেজ জেনকিনচ আৰু মোৰ পৰামৰ্শ শুনি কলিকতালৈ নগলাহেঁতেন, তেন্তে ইয়াৰ পদ নপালা হেঁতেন তুমি সমুদায় জীবন দৰিদ্ৰ আৰু সন্মানহীন হৈ থাকিলাহেঁতেন ... তুমি যে জেনকিনচ চাহাবৰ অনুগ্ৰহ বুজিব পাৰিছা ইয়াক তোমাৰ নিজৰ চৰিত্ৰ আৰু বৈষয়িক কাৰ্যৰ দ্বাৰা দেখুৱাবা আৰু গভৰ্ণমেণ্টৰ প্ৰতি কৃতজ্ঞ হবা" (গুণাভিৰাম বৰুৱা, উল্লেখিত গ্ৰন্থ, পৃঃ ১১২) । ফুকনেও দেৱানৰ দৰে মিলচ চাহাবৰ ওচৰত স্মাৰক-পত্ৰ দিছিল । কিন্তু দেৱানৰ দৰে আপত্তি আৰু সমালোচনাৰ ঠাইত তেওঁৰ স্মাৰক-পত্ৰত আছিল বিনীত সংস্কাৰৰ প্ৰাৰ্থনা । স্বাভাৱিকতে তেওঁৰ স্মাৰক-পত্ৰৰ প্ৰতি মিলচ আছিল সদয় । প্ৰশাসনীয় পূৰ্ব অভিজ্ঞতাৰে মিলচে বুজিছিল যে স্বদেশৰ উন্নতি বিচাৰিলেও আনন্দৰামে স্বাধীনতা নিবিচাৰে, ব্ৰিটিছৰ প্ৰতিযোগী হবলৈ নিবিচাৰে ।

১৮৫৭ চনৰ বিদ্ৰোহৰ আয়োজনৰ কথা যেতিয়া ওলাই পৰিল, গুণাভিৰাম বৰুৱাৰ মতে "ফুকন বৰ দুখিত আৰু চিন্তিত হল ।" (ঐ, পৃঃ ১৩৬) "তেওঁ চাহাবসকলৈ লেখিলে যে অসমীয়া মানুহৰ পৰা গবৰ্ণমেণ্টৰ প্ৰতি কোনো প্ৰকাৰৰ বিদ্ৰোহিতা হব নোৱাৰে ।" (ঐ) তেওঁ চাহাব বন্ধুবৰ্গসকলৈ সুধি পঠালে, তেওঁক সিবিলাকক অৱিশ্বাসী বুলি ভাবে নেকি ? উত্তৰত সকলোৱে একেবাক্যে জনালে যে তেওঁবিলাকে ফুকনক কোনো সন্দেহ নকৰে । (ঐ, ১৮

স্বদেশবাসীক সম্বোধন কৰি তেওঁ লেখিছিল : "আমাৰ ইংৰাজ অধিপতি-সকল কেনে বিদ্যোৎসাহী,—সিবিলাকে স্বকীয় বিদ্যা শিকাই বংগদেশক সভ্য কৰিছে ; তোমালোককো সেইদৰে অনুগ্ৰহ কৰিব খোজে, কিন্তু পশুক মাণিক দিয়াৰ দৰে তোমালোকে সেই অনুগ্ৰহ নোলোৱাঁ।" (জীৱনী সংগ্ৰহ, পৃঃ ১৯)

ঢেঁকিয়াল ফুকনৰ পৰা মাণিকচন্দ্ৰ বৰুৱালৈকে এদল বুজন সংখ্যক অসমীয়া মধ্যবিত্তই মণিৰাম দেৱানৰ সংঘৰ্ষ আৰু বিদ্ৰোহৰ পথ বৰ্জন কৰি সাম্ৰাজ্যবাদী শাসনৰ ছত্ৰছাঁয়াত স্বদেশৰ উন্নতি সাধনৰ পথ লৈছিল। অসমীয়া সমাজত তেওঁলোকৰ ভালেখিনি মহৎ অৱদান আছে। কিন্তু আজি আৰু পাহৰিব নোৱাৰি যে বিনিময়ত স্বাধীনতাৰ দাবী তেওঁলোকে ত্যাগ কৰিছিল। এই ত্যাগৰ ফল সম্পূৰ্ণ মংগলময় নাছিল। সাম্ৰাজ্যবাদৰ লগত আপোচ আৰু পচি যোৱা সামন্তবাদৰ নানানটা সংস্কাৰৰ প্ৰতি মোহান্ধ আনুগত্য আছিল তাৰ পৰিণাম।

( ২ )

"Capital formation does not therefore arise from landed property ··· But from mercantile and usurions wealth But the merchant and usurer only encounter the conditions which permit the purchase of free labour, once free labour has been datached from the objective conditions of its existence as a result of a historical process"

: Karl Marx, Pre-Capitalist Economic Formations.

"তোমালোকৰ ভিতৰত বাণিজ্যৰ অনুশীলন নিচেই নাই, সকলোৱে ধন মাটিত পুতি থবলৈ ভাল পায়। কিন্তু যিহৰ পৰা ধন হয় তাক নিচিন্তে।"

আনন্দৰাম ঢেকীয়াল ফুকন,
স্বদেশবাসীৰ প্ৰতি

"ভাৰতৰ হীৰা-মাণিকেৰে ইংলণ্ড ধনী হ'ল। আসামৰ চাহৰ পৰা আসাম ধনী নহ'ল। কিন্তু বিদেশীৰ হাতত ধন পুঞ্জাপুঞ্জি হ'ল।" : জোনাকী, কাতি ১৮২৫ শক।

গমধৰ কোঁৱৰৰ পৰা মণিৰামৰ দিনলৈ পোনতে অসমত ব্ৰিটিছৰ বিৰুদ্ধে যিবোৰ বিদ্ৰোহ হ'ল সেই আটাইবোৰৰে উদ্দেশ্য আছিল ৰাজনৈতিক—অৰ্থাৎ ব্ৰিটিছৰ হাতৰ পৰা ৰাষ্ট্ৰক্ষমতা কাঢ়ি লোৱা। এইবোৰৰ শোচনীয় ব্যৰ্থতাই এহাতে সামন্ততন্ত্ৰৰ পতনত ছীল-মোহৰ মাৰিলে, আনহাতে অসমীয়া পুঁজিবাদীৰ স্বাধীন আৰ্থিক আৰু সামাজিক বিকাশৰ সপোন চিৰতৰে মষিমূৰ কৰিলে। প্ৰণালীবদ্ধভাবে ব্ৰিটিছৰ সাম্ৰাজ্যবাদী শোষণ আৰম্ভ হ'ল, নিগাজী হ'ল ব্ৰিটিছ প্ৰশাসনৰ সোধ। তাৰেই ছাঁয়াত লহপহকৈ নতুনকৈ একপ্ৰকাৰ গজি উঠিল অসমীয়া মধ্যবিত্ত কুল।

ব্ৰিটিছৰ অভূতপূৰ্ব খাজনাশোষণৰ কথা আগতে উল্লেখ কৰিছে সামন্তবাদী শোষণৰ পৰা মুক্ত কৰি দিয়া অসমৰ কৃষক ইমান শীঘ্ৰে বংগ আদি প্ৰদেশৰ কৃষকৰ দৰে টকা-পইচাৰ উপাৰ্জন (cash money) বা সঞ্চয়ত অভ্যস্ত হব পৰা নাছিল। অসমত বেহা-বেপাৰ সংযোগ, প্ৰভৃতিৰ দুৰ্বলতাৰ বাবেও নগদ টকাৰ হিচাবী ব্যৱহাৰত অসমীয়া সাধাৰণ মানুহ অভিজ্ঞ হব পৰা নাছিল। ফলত অতি কম সময়ৰ ভিতৰতে অসমৰ কৃষক শ্ৰেণীৰ অধিকাংশই মহাজনৰ ওচৰত ধাৰত পোত গ'ল। ব্ৰিটিছ শাসনকৰ্তাবিলাকে এই কথাটোৰ গুৰুত্ব বুজা নাছিল। **Assam District Gazetteer**ত (যেনে নগাঁও জিলাৰ গেজেটিয়েৰত) মন্তব্য আছে:

"At the same time the various revenue officers report that more than half the village population are in debt···The system of taking advances on the crop, esp on the Mustard crop, seems to be very common." (Calcutta, 1905, P. 163, William Robinson)

কামৰূপৰ কোনো কোনো ঠাইত ১৮৬১ চনতে খেতিয়কৰ মূৰত গধুৰ ঋণৰ বোজা লক্ষ্য কৰিছিল। **Assam Dristrict Gazetteer**ত অসমীয়া কৃষকৰ ঋণগ্ৰস্ততা মাৰাত্মক নহয় বুলি লেখাৰ কেইবছৰমান পিচতে ১৮৩১—৩২ শকৰ উষা আলোচনীত মন্তব্য কৰা হৈছিল যে অসমীয়া খেতিয়কৰ প্ৰধান বপানি খেতি সৰিয়হ। তাৰে বছেৰেকীয়া ৰাজকৰ আৰু খেতিৰ সৰ্জুল যোগাৰ হয়। অথচ আগধনৰ নামত ধাৰ দি কেঞামহাজনে খেতিয়কৰ উৎপন্নৰ অধিকাংশ গ্ৰাস কৰে—আধামূলীয়াকৈ আৰু সৰহ ওজনত (পৃ: ৮৮)। ইয়াৰ ১৯৩২ চনৰ জানুৱাৰী সংখ্যাত নীলমণি ফুকনৰ "অসমীয়া ভাষা সংৰক্ষিণী সভা"ত দিয়া এটা বক্তৃতা ছপা হয়। তাতো গাৱেঁ-ভূঞে কেঞামহাজনে ঋণৰ নামত বছৰৰ

খেতি আধামুলীয়াকৈ কিনাৰ কথা উল্লেখ কৰিছে। (পৃঃ ৩১০) (সাম্ৰাজ্যবাদৰ কবলত পৰা সামন্তবাদী দেশবোৰত কৃষকৰ ঋণগ্ৰস্ততা সম্পৰ্কে চাওক—লেখকৰ "বাস্তৱৰ স্বপ্ন" গুৱাহাটী, ১৯৭২)

কেশৱনাৰায়ণ দত্তই তেওঁৰ **স্বাধীনতা সংগ্ৰামত অসম** (গুৱাহাটী, ১৯৫৮, অনুবাদ: মহাদেৱ শৰ্মা) গ্ৰন্থত লেখিছে যে "চিপাহী বিদ্ৰোহ'ৰ পিচৰ কালচোৱাত "মেল" বা "ৰাইজমেল" অনুষ্ঠানৰ যোগেদি নতুন জৰীপ আৰু পিয়লৰ লগে লগে বাৰেপতি খাজনা বঢ়োৱা ব্ৰিটিছ নীতিৰ বিৰুদ্ধে জনমত আৰু বিক্ষোভ প্ৰকাশ পাইছিল। উদাহৰণস্বৰূপে ১৮৬৮-৬৯ চনত অসম উপত্যকাত আগৰ তুলনাত দুগুণ খাজনা বঢ়োৱা হয়। ফলত দৰং আৰু কামৰূপ জিলাত তুমুল বিক্ষোভ আৰু অশান্তিয়ে দেখা দিয়ে। ১৮৯৩ চনত Sir William Wardৰ পৰামৰ্শমতে শতকৰা ৭০ৰ পৰা ৮০ ভাগ খাজনা বঢ়োৱা হয়। ৰাইজৰ ব্যাপক বিক্ষোভ দমন কৰিবলৈ পাথৰুঘাট আৰু ৰঙিয়াত ব্ৰিটিছ চৰকাৰে গুলী চালনাৰ সহায় লয়। চৰকাৰী অধ্যাদেশ জাৰি কৰি মেলবোৰ বে-আইনী ঘোষণা কৰা হয় (পৃঃ ৪৮—পৃঃ ৬৩)। তথাপি এই মেলবোৰক ব্ৰিটিছ শাসনৰ বিৰুদ্ধে সংগঠিত পৰিকল্পিত সংগ্ৰাম বুলিব নোৱাৰি। এইবোৰ স্বতঃস্ফূৰ্ত প্ৰতিবাদ আৰু বিক্ষোভত ৰাজনৈতিক চেতনা আছিল কুঁৱলীময়। স্থানীয় বিশিষ্ট আৰু সম্ভ্ৰান্ত প্ৰজা ইয়াৰ নেতৃত্বত আছিল। অসমৰ উঠি অহা মধ্যবিত্ত শ্ৰেণীৰ মনত ইয়াৰ স্মৃতি স্থায়ী ন'হল।

ৰামমোহন ৰায়, বংকিম চন্দ্ৰ প্ৰমুখ্যে ভাৰতীয় বুৰ্জোৱাৰ নেতৃস্থানীয় লোকসকলে কুণ্ঠমীয়াভাবে হলেও অন্ততঃ সুদূৰ ভবিষ্যৎ পৰ্যন্ত ব্ৰিটিছ শাসনৰ প্ৰয়োজন মানি লৈছিল। আগেয়ে উল্লেখ কৰিছোঁ যে ১৮৫৭ চনৰ জাতীয় বিপ্লৱৰ সময়ত আনন্দৰাম ঢেকিয়াল ফুকনে ব্ৰিটিছ চৰকাৰৰ প্ৰতি নিজৰ অবিচল আৰু বিশ্বস্ত আনুগত্য ঐকান্তিকভাৱে দোহাৰিছিল। ১৮৫৩ চনতে মফাট মিল্চৰ আগত দাখিল কৰা প্ৰতিবেদনত তেওঁ কৈছিল যে দীৰ্ঘকালীন নৈৰাজ্য, অশান্তি আৰু নিৰাপত্তাহীনতাৰ পৰা ব্ৰিটিছেই অসমীয়া প্ৰজাক উদ্ধাৰ কৰিলে। সঘন গৃহযুদ্ধৰ উপৰিও ভূতৰ ওপৰতে দানহ পৰাণি মানৰ আক্ৰমণ আহি অসমৰ জনসংখ্যাৰ প্ৰায় আধা নিশ্চিহ্ন কৰিছিল। **Assam District Gazetteers—Nowgong, Calcutta 1905, p. 54**। অসমৰ উঠি অহা মধ্যবিত্ত শ্ৰেণীয়ে ব্ৰিটিছ শাসন এইদৰেই মূৰ পাতি ললে। তেওঁলোকৰ পচিমীয়া উপদেষ্টাবিলাকেও এই মনোভাবক বাৰুকৈ উদ্গনি দিলে।

নতুন ভাবধাৰাৰ বাহন "অৰুণোদই" কাকতেও বিদ্ৰোহী প্ৰজাক ইতিকিং কৰি "প্ৰবল প্ৰতাপী" ব্ৰিটিছৰ ওচৰত পুনৰ শৰণ লবলৈ উপদেশ দিলে। ( **অৰুণোদই,** নবেম্বৰ, ১৮৬১ )

আনহাতে মূলধন সঞ্চয় আৰু বিনিয়োগৰ ক্ষেত্ৰ অসমত অতিশয় মন্থৰ গতিতহে মুকলি হৈছিল। ইতিপূৰ্বে, ঊনবিংশ শতিকাৰ আগছোৱাত কেইটামান পৰিয়ালৰ হাতত জমা হোৱা নগদ ধন-সোণ উল্লেখ কৰা হৈছে। কিন্তু নগদ ধন মাত্ৰেই মূলধন নহয়। শিল্প-বাণিজ্যত খটোৱাৰ পিচত সেই ধনে ওপৰঞ্চি মূলধন সৃষ্টি কৰিলেহে তাক প্ৰকৃতাৰ্থত মূলধন বোলা যায়। কিন্তু তাৰ বাবে মজুৰি কৰা শ্ৰমিক (wage-labour), বিচিত্ৰ উৎপাদন আৰু বহল বজাৰৰ প্ৰয়োজন। আচৰিত নহয় যে গুণাভিৰাম বৰুৱাৰ পুঁজি অৱশেষত কলিকতাতহে বিনিয়োগ হৈছিল। বাস্তৱিকতে বহুদিনলৈকে অসমত সঞ্চিত শকত হলে অৱশ্যম্ভাৱীভাবে সি কলিকতালৈহে গৈছিল, নহলে সি অলাগতিয়াল কৃপণৰ ধন হৈ আছিল।

দৰাচলতে অসমৰ তৎকালীন আৰ্থিক আৰু সামাজিক পৰিস্থিতি পুঁজি গঠন তথা মধ্যবিত্ত শ্ৰেণীৰ দ্ৰুত বিকাশৰ অনুকূল নাছিল। আৱশ্যিকৰূপে পৰ অসমীয়া মধ্যবিত্তৰ বিকাশ আছিল মন্থৰ আৰু দুৰ্বল। আনুষংগিকভাবে সৃষ্টি হৈছিল এনে কিছুমান অন্তৰায় যাৰ পৰা এই মন্থৰতা অধিক চাৰি অনিবাৰ্য হৈ পৰিছিল। ১৮৭৪ চনলৈকে বংগৰ এক নগণ্য অংশ হিচাপেহে অসম পৰিগণিত হৈছিল—অসম বেলেগ প্ৰশাসনীয় গোট হব পৰা নাছিল। একে সময়তে অসমীয়া মধ্যবিত্তৰ দুৰ্বলতাৰ বাবেই ব্ৰিটিছে তেওঁলোকৰ ওপৰত বঙালী ভাষা জাপি দিব পাৰিছিল। জাতীয় ভাব শিক্ষিত শ্ৰেণীৰ মাজত ক্ৰমে গা কৰি উঠিলেও সৰ্বসাধাৰণৰ মাজত সোমোৱা নাছিল। ১৯০৫ চনত বংগক দুডোখৰ কৰি পূৰ্ববংগক যেতিয়া অসমৰ লগত লগোৱা হল, তেতিয়া তাৰ বিৰুদ্ধে বংগত যি ধৰণে গণ-আন্দোলন হৈছিল, সেই ধৰণে অসমৰ আনকি শিক্ষিত সমাজতো তীব্ৰ আন্দোলন হোৱা নাছিল। ইয়াৰ কাৰণ নতুন অসমীয়া মধ্যবিত্তৰ আৰ্থিক আৰু সাংস্কৃতিক দুৰ্বলতা।

আগতে উল্লেখ কৰাদৰে ব্ৰিটিছ অসমত সোমায়েই শিল্প বাণিজ্যৰ যোগেদি প্ৰবল শোষণ আৰম্ভ কৰাৰ সুযোগ পোৱা নাছিল। অসম তেতিয়া আছিল এক বিধ্বস্ত আৰু জনবিৰল ৰাজ্য। সামন্তবাদী উৎপাদন আৰু বিতৰণ ব্যৱস্থা থানবান হৈ গৈছিল। বিৰাট বিৰাট একেকাৰ সদস্য মৰুক এৰাবাৰ

হৈ পৰি আছিল। চোৰ-ডকাইত আৰু দাঁতিয়লীয়া জাতিবিলাকৰ উপদ্ৰৱ আৰু আক্ৰমণৰ মাত্ৰা বাঢ়িছিল। ৰাজ্যলৈ শান্তি-শৃংখলা আৰু সামান্য সমৃদ্ধি ঘূৰাই আনিবলৈকো ব্ৰিটিছে ধীৰে ধীৰেহে আগবাঢ়িব পাৰিছিল।

শোষণৰ প্ৰথম পৰ্য্যায়ত ব্ৰিটিছে নগদ ধনৰ খাজনা প্ৰবৰ্ত্তন কৰে। সামন্ত-বাদী ভূমিদাসৰ দশাৰ পৰা মুক্ত কৰি অসমৰ প্ৰজাক ৰায়তৱাৰী ব্যৱস্থালৈ অনা হয়। সময়মতে খাজনা শোধাই থাকিলে এটা নিৰ্দিষ্ট সময়ৰ বাবে প্ৰজাক গাইগুটীয়াকৈ ভূমি স্বত্ব দি দিয়া হৈছিল—প্ৰথমে কুৰি বছৰ, পিচলৈ দহ বছৰৰ মূৰে মূৰে এই স্বত্ব বা পট্টা renew কৰা হৈছিল। ( নামত মালিক চৰকাৰ।) খাজনা সংগ্ৰহ কৰিবৰ বাবে স্থানীয় সম্ভ্ৰান্ত বা মানী মানুহক মৌজাদাৰৰ বাব দিয়া হৈছিল। এই শোষণ বহুদিনলৈ চলি আছিল। ১৮৬৮ চনত খোৰাং মৌজাৰ বাৰ্ষিক খাজনা আছিল ৩০০০ টকা, ১৮৭৭ চনত সি হয়গৈ ৬০০০ টকা, আৰু সেই সময়ত জয়পুৰৰ জমা আছিল ১২০০০ টকা। ( বেণুধৰ ৰাজখোৱা মোৰ জীৱন দাপোণ, গুৱাহাটী ১৯৬৯, পৃঃ ১ ) ১৮৮৬ চনত Rev. P. H. Mooreএ American Baptist Mission Unionৰ Jubilee Conferenceত এটা নিবন্ধ পাঠ কৰে। তেওঁ উল্লেখ কৰে যে অসমৰ প্ৰশাসনৰ সকলো খৰচ খাজনা আদি ৰাজকৰৰ পৰা আহে। উদ্বৃত্ত ধন জমা হয়গৈ ভাৰত সাম্ৰাজ্যৰ ৰাজকোষত। ই শোষণ নহয়নে? ( "General View of Assam" of Cit." P. 8. )

মাটি বিতৰণৰ ক্ষেত্ৰতো ব্ৰিটিছ চৰকাৰে প্ৰজাৰ লগত সহজ আৰু উদাৰ বন্দোবস্ত কৰিবলৈ বাধ্য হৈছিল। চাহ শিল্প আৰু ব্যৱসায় সমৃদ্ধ হৈ উঠাৰ আগলৈকে বহিৰাগত মানুহৰ অসমৰ প্ৰতি বিশেষ আকৰ্ষণ নাছিল। সেয়ে বিস্তৃত এনেকাৰ পতিত মাটিত জনবসতি পুনৰ আৰম্ভ কৰিবলৈ ব্ৰিটিছে যৎপৰোনাস্তি চেষ্টা কৰিছিল। ১৯০০ চনমানলৈকে নতুনকৈ ভঙা মাটিত তিনি বছৰলৈকে খাজনা দিব নালাগিছিল। ( Assam Land Revenue Manual, 1891 ) সম্ভৱতঃ কৃষক শ্ৰেণীক উদ্যোগী মাটিগিৰিত ( peasant proprietor ) পৰিণত কৰি ব্ৰিটিছ শিল্পজাত সামগ্ৰীৰ বজাৰ বঢ়োৱা আৰু খাজনা শোষণৰ মাত্ৰা বৃদ্ধি কৰাৰ উদ্দেশ্যৰে ব্ৰিটিছে এনে ভূমিনীতি লৈছিল। ১৮৮১ৰ পৰা ১৯১১ চনলৈ বিভিন্ন Census Reportত ব্ৰিটিছ পৰ্য্যবেক্ষক-বিলাকে বৰ আশাৰে মন্তব্য কৰিছে যে সাধাৰণ অসমীয়া প্ৰজাই উৎসাহেৰে খেতি-বাতি কৰাৰ লক্ষণ দেখা গৈছে।

কিন্তু এইবিধ ভূমিস্বত্বই প্ৰজাৰ আত্মাভিমান আৰু স্বাধীনতা কিছু বঢ়ালেও প্ৰজাক উদ্যমশীল কৃষকত পৰিণত কৰিব নোৱাৰিলে। Vera Ansteyৰ তেওঁৰ The Economic Development of India (London 1946) গ্ৰন্থত য়ুৰোপৰ বিভিন্ন দেশত উনবিংশ শতিকাৰ বিভিন্ন সময়ত হোৱা 'কৃষি-বিপ্লৱ' সম্পৰ্কে এনেদৰে লেখিছে: 'এই পৰ্য্যায়ত দেখা দিয়া প্ৰধান পৰিবৰ্তনসমূহ হ'ল ভূমিদাসবিলাকৰ মুক্তি, তথা ভূমিস্বত্বৰ ক্ষেত্ৰত এক বৈপ্লৱিক পৰিবৰ্তন... আৰু উন্নত কৃষিপদ্ধতিৰ প্ৰচলন, যেনে...উন্নত বীজ, একেডোখৰ মাটিত সময় বুজি বেলেগ বেলেগ খেতি কৰা (rotation of crops)... জলসিঞ্চন তথা জলনিষ্কাশনৰ প্ৰয়োজন উপলব্ধি কৰা, সাৰ-গোবৰৰ বহুল ব্যৱহাৰ, গো-প্ৰজনন আৰু গো-পালনত বিশেষ যত্ন, উন্নত কৃষি-সৰঞ্জাম আৰু কৃষি-যন্ত্ৰৰ ব্যৱহাৰ। ফলত ব্যৱসায়িক ভিত্তিত কৃষিকাৰ্য্যৰ বহুল প্ৰচলন হয়। 'পিচৰ পৰ্য্যায়ত ১৮৭০ চনৰ পিচত য়ুৰোপত বৈজ্ঞানিক কৃষিৰ প্ৰচলন হয়। মহাদেশৰ বিভিন্ন ৰাষ্ট্ৰই কৃষিৰ ওপৰত বিশেষ গুৰুত্ব দি বৈজ্ঞানিক গৱেষণা আৰু পৰীক্ষাৰ বহুল প্ৰচলনৰ গুৰি ধৰে। কৃষকৰ স্বাৰ্থ ৰক্ষাৰ্থেও বিশেষ ব্যৱস্থা লোৱা হয়" (পৃঃ ১৫৮-১৫৯)। কোৱা বাহুল্য অৱস্থাপন্ন, সম্ভ্ৰান্ত মানুহে কৃষিত মূলধন খটোৱাৰ ফলতেই, আৰু ৰাষ্ট্ৰক্ষমতা আংশিকভাৱে দখল কৰা বাবেই সি সম্ভৱ হৈছিল।

অসমৰ পৰিস্থিতি আছিল বহু বেলেগ। নতুনকৈ মাটি ভাঙি লোৱাসকৈ খাজনাৰ আহুকাল এৰাবলৈ মাটিৰ স্বত্ব এৰি দিয়াৰ দৃষ্টান্তহে বোধহয় সৰহ হ'ব। ফলত দেখা যায় ১৯১১ চনৰ Census Report মতে গোৱালপাৰা জিলাৰ সৰ্বমুঠ মাটি কালিৰ মাত্ৰ শতকৰা ১৯ ভাগত খেতি কৰা হয়, কামৰূপৰ শতকৰা ২২ ভাগ মাটিত, শিৱসাগৰৰ শতকৰা ১৭ ভাগ মাটিত আৰু দৰং জিলাৰ শতকৰা ১৩ ভাগ মাটিতহে খেতি কৰা হয়। (পৃঃ ৩)। অসম উপত্যকাৰ কমিচনাৰ আৰু সকলো স্থানীয় ৰাজহ বিভাগৰ বিষয়াৰ মতে অসমীয়া খেতিয়কে কুৰি শতিকাৰ প্ৰথম দশকত নিতান্ত প্ৰয়োজনতকৈ বেছি মাটি চহাবলৈ মুঠেই ইচ্ছা প্ৰকাশ কৰা নাছিল। (Assam District Gazetteers Nowgong, 1905, p. 164)। খেতি কৰা মাটিৰ নামমাত্ৰ এটা অংশতহে দুটা খেতি হৈছিল। কামৰূপতে (খেতিৰ মাটিৰ শতকৰা ৬ ভাগ মাত্ৰ) তাৰ মাত্ৰা আছিল সৰ্বাধিক। নগদ ধন পোৱা, বজাৰৰ বাবে কৰা শস্য আছিল মৰাপাট (খেতিৰ মাটিৰ শতকৰা ২ ভাগ) আৰু সৰিয়হ (খেতিৰ

মাটিৰ শতকৰা ৮ ভাগ)। নতুন শস্য, উন্নত বীজ, নতুন কৃষিপদ্ধতি গ্ৰহণ কৰিবলৈকো প্ৰজাক উৎসুক যেন দেখা নগ'ল। ১৮৮১ৰ পৰা ১৯১১ চনলৈ সকলো Census Report, Gazetteer ত দেখুৱা মতে শালিধানৰ উৎপাদন বিঘাত গড়ে ৪।৫ মোনতকৈ বেছি হোৱা নাছিল! গো-প্ৰজননত কোনো ধৰণৰ যত্ন নোলোৱাৰ ফলত লেবেলা, মেমেৰা গৰুৰ বংশ বৃদ্ধি হৈছিল। ( Assam District Gazetteers, Nowgong, p 128 )। ফলত কৃষি আগৰ দৰেই "আকালো নাই, ভঁৰালো নাই" বিধৰ, গৃহস্থীধৰ্মী ( domestic ) আৰু অনুন্নত হৈ আছিল।

নগৰ-চহৰৰ বিকাশ লেবেঙা হোৱা বাবে, শ্ৰমবিভাজনহীন উৎপাদন ব্যৱস্থাৰ প্ৰাধান্য হেতুকে বহিৰ্বাণিজ্য তথা সংযোগ দুৰ্বল হোৱা বাবে খেতিয়ক উদ্যমশীল হব পৰা নাছিল। ১৯০৯ চনৰ উষা আলোচনীত উন্নত, বিজ্ঞানসন্মত কৃষিৰ অভাৱত যে উৎপাদন তাকৰীয়া আৰু প্ৰজাৰ অৱস্থা দুৰ্বল হৈ আছে উল্লেখ কৰা হৈছে। ( পৃঃ ৬১, ৯১ )। কোৱা হৈছে যে আসাম উপত্যকাৰ প্ৰতিখন জিলালৈ বছৰি ৪/৫০০ মোন ধান আমদানি হয়। ( পৃঃ ৮৯) ৰমেশ দত্তই তাহানিয়েই কৈ যোৱা দৰে হয়তো ব্ৰিটিছৰ ঘনাই খাজনা বঢ়োৱা কৌশলেও প্ৰজাৰ উদ্যমত বাধা দিছিল।

উল্লেখযোগ্য যে ১৯০২ চনত শিৱসাগৰ জিলাৰ মুঠ মাটিকালিৰ শতকৰা ৫৯ ভাগেই আছিল পতিত। অকল নগাঁও জিলাতে কৃষিযোগ্য মাটি উভৈনদী হৈ ছন পৰি আছিল বুলি Gazetteer ত লেখিছে ( পৃঃ ৬৩ )। কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধতহে বহিৰাগত আৰু কৰ্মদক্ষ কৃষকে এইবোৰ ঠাইত বন-জংঘল কাটি জান খানি তাত ফচল ফলায়।

এনে অৱস্থাত অসমীয়া খেতিয়কৰ অৱস্থা কিঞ্চিৎ স্বচ্ছল হ'লেও কৃষিৰ যোগেদি পুঁজি সঞ্চয়ৰ অনুকূল নাছিল। পণ্য উৎপাদন আৰু ব্যাপক বাণিজ্য অবিহনে সি সম্ভৱো নহয়। অৱশ্যে হাট-বজাৰ আৰু নাগৰিক জনসংখ্যা ধীৰ গতিত বৃদ্ধিপ্ৰাপ্ত হোৱাত, ঠায়ে ঠায়ে কেঞামহাজনৰ গোলা খোলাত, সংযোগৰ উন্নতি হৈ অহাত এওঁলোকৰ উৎপন্নৰ একাংশও বজাৰ পাইছিলগৈ। তাৰে তেওঁলোকৰ যৎসামান্য নগদ টকাৰ প্ৰয়োজন পূৰণ হৈছিল। বাহিৰৰ পৰা আমদানি হৈ অহা সা-সজুলিৰ প্ৰতিও গঞা বাইজৰ আকৰ্ষণ বাঢ়িব ধৰিছিল ( Assam District Gazetteers : Nowgong, 1905, p 162 )। ১৯০২—৩ চনত সৰিয়হ বিক্ৰী কৰি নগঞা খেতিয়কে কমেও ৭৭৬,০০০

টকা উপাৰ্জন কৰিছিল। আনহাতে খাজনাকে ধৰি তেওঁলোকৰ নগদ টকাৰ ভৰণি হৈছিল ৭, ৫৭,০০০ টকা। ( OP cit. P 162 )। এই কিতাপতে ব্ৰিটিছ পৰ্য্যবেক্ষকে কৈছে যে অসমত ধনী মানুহ নাই বুলিলেই হয়। আনহাতে দাৰিদ্ৰ্যও সাংঘাতিক বিধৰ নহয়। (OP-cit. p. 161 ) শিৱসাগৰ জিলাত চাহ বাগানৰ মজদুৰে পোৱা ৪০ লাখ টকাৰ মজুৰিৰ সৰহখিনি গাওঁৰ খেতিয়কৰ হাতত পৰেগৈ ( Assam District Gazetteers : Sibsagar p. 77 )। অসমৰ আন জিলাৰ তুলনাত তাৰ মানুহ সমৃদ্ধিশালী হলেও তাত এটা উল্লেখযোগ্য ধনিকশ্ৰেণী নাছিল।

কিন্তু গ্ৰামাঞ্চলতে একশ্ৰেণীৰ মাটিগিৰিৰ অৱস্থা খেতিয়ক শ্ৰেণীৰ তুলনাত বহু উন্নত হৈছিল। গাওঁৰ মৌজাদাৰজাতীয় লোক আৰু চহৰৰ অখেতিয়ক মাটিৰ মালিকে ( absentee landlord ) দৰিদ্ৰ খেতিয়কসকলক খাজনা দিয়াৰ আহকালৰ পৰা অব্যাহতি দি বিনিময়ত খেতিয়কৰ উৎপাদনৰ এটা শকত অংশ লাভ কৰিছিল। এনেকৈ আধি আৰু চুকানিৰ দহাতে কৃষকৰ শ্ৰম আত্মসাৎ কৰা সামন্তবাদী শোষণ পুনৰ প্ৰবৰ্তিত হ'ল। অৱশ্যে প্ৰথম অৱস্থাত খেতিয়ক শ্ৰেণীৰ অল্পসংখ্যক লোকহে আধিশোষণৰ কবলত পৰিছিল ১৯০০ চনত শিৱসাগৰ জিলাত খেতিৰ মাটিৰ শতকৰা ৭ ভাগ আধি দিয়া হৈছিল। সন্দেহ নাই, মৌজাদাৰ আৰু হাকিমজাতীয় লোকৰ সংগতি আৰু পৰিয়ালৰ ভৱিষ্যৎ উন্নতিৰ ভিত্তি এইদৰেই ৰচিত হৈছিল। চৰকাৰী চাকৰিয়াল বহুতেই এনেদৰে মাটি কিনিছিল। কোৱা বাহুল্য যে পণ্য হিচাপে বজাৰত মাটিৰ তেনে মূল্য নাছিল ( Vera Anstey, Op. cit. p. 99 , Hunter, Op. cit. 262)। মাটি কিনা হৈছিল প্ৰধানকৈ আধিশোষণৰ বাবে। এনে ভূস্বামীসকলে খেতিত মূলধন প্ৰয়োগ কৰি উন্নত আৰু বিস্তৃত কৃষি প্ৰবৰ্তন কৰাৰ প্ৰয়োজন বা প্ৰেৰণা তেতিয়াৰ সামাজিক পৰিবেশত পোৱা নাছিল— ভূমিৰ পৰা বিচ্ছিন্ন কৃষি শ্ৰমিক, উন্নত কৃষিবিজ্ঞান, নগদ টকাৰ বহল ব্যৱহাৰ, ব্যাপক বজাৰ আৰু সংযোগ অবিহনে পুৰাদস্তুৰ পুঁজিবাদী কৃষি অসমত নচলিল। আজিও আধিয়েই কৃষকৰ ওপৰত শোষণৰ প্ৰধান পদ্ধতি হৈ আছে। ( D. R Gadgilৰ The Industrial Evolution of India, Oxford University Press. 1948 বিশেষ দ্ৰষ্টব্য—পৃঃ ১৪৯—১৫০ ).

মৌজাদাৰসকলৰ হাতত কেনে পৰিমাণৰ ধন জমা হৈছিল ? William Hunterৰ মতে ১৮৭০ চনমানত এজন মজলীয়া পৰিয়ালৰ মজলীয়া দোকানদাৰৰ

মাহেকীয়া খৰচ আছিল ৪৫্ টকা। (খাস্তৰ বাবে মাহে খৰচ হৈছিল ২৫্ টকা) চাকৰৰ দৰমহা আছিল মাহে ৭্ টকা। আনহাতে যি সৰুসুৰা মৌজাৰ বাৰ্ষিক খাজনা আছিল ৬০০০্ টকা, তাৰ পৰা মৌজাদাৰৰ আয় হৈছিল বছৰি ৫০০্—৬০০্ টকা—খানখিনিও ঘৰৰ মাটিতে হৈছিল। এনেকৈ অলপীয়া পৰিমাণৰ ধন সঞ্চাৰ সুবিধা এই শ্ৰেণীৰ মানুহে পাইছিল। ডাঙৰ মৌজাৰ আয়ো সেই অনুপাতে বেছি হৈছিল। ১৮৮১—৮২ চনত চৰকাৰী বিষয়া হৰকান্ত সদৰামীনৰ ঘৰৰ মাটি-বাৰীৰ এনেদৰে ভাগ হয়:

কমলাকান্তৰ ভাগ=১৭০ পুৰা (তাৰে ২০ পুৰা নিষ্কৰ।)
ৰত্নকান্তৰ ভাগ=৪০ পুৰা (নিষ্কৰ)
ধৰ্মকান্তৰ ভাগ=৫৬ পুৰা (তাৰে ৬ পুৰা নিষ্কৰ।)
দেবকান্তৰ ভাগ=৬৮ পুৰা (তাৰে ২০ পুৰা নিষ্কৰ।)

(হৰকান্ত বৰুৱা সদৰামীনৰ আত্মজীৱনী,
উঃ গুৱাহাটী, ১৯৬০ চন, পৃঃ ২৩০)

তাৰ পৰাই আধিশোষণৰ পৰা হোৱা লাভৰ এটা অনুমান কৰিব পাৰি। অৱশ্যে সদৰামীন সমাজৰ ওপৰ খলপাৰ মানুহ আছিল। (উল্লেখ কৰা ভাল যে ঢেঁকিয়াল ফুকনৰ দিনতে বংগদেশৰ পাইকপাৰাৰ জমিদাৰে কোম্পানীত বছৰি ১ লাখ টকা শোধাইছিল!)

আহোম ৰাজত্বত নিষ্কৰ ভূ-সম্পত্তি ভোগ কৰা সত্ৰীয়া গোসাঁইসকলৰ মাটিও নিষ্কৰ বা অৰ্দ্ধহাৰত (নিস্পিখেৰাজ) তেওঁলোকৰ হাততে ৰখা হ'ল। কাৰণ আহোম ৰজাৰ দৰে ব্ৰিটিছ চৰকাৰেও সত্ৰীয়া গোসাঁইৰ আলম লৈ প্ৰজাৰ আনুগত্য ৰক্ষা কৰাৰ উপায় চিন্তিছিল (Assam District Gazetteers : Nowgong, p. 90)। এই গোসাঁইসকলৰ মাটি স্বাভাৱিকতে আধিশোষণৰ উপকৰণ হৈ পৰিল। এই গোসাঁইসকলৰ ভিতৰত সকলোতকৈ বেছি সৌভাগ্যবান আছিল শিৱসাগৰৰ চাৰিখন সত্ৰৰ অধিকাৰ। আউনিআটীয়া গোসাঁয়ে ২১,০০০ একৰ নিষ্কৰ আৰু ৬০০ একৰ নিস্পিখেৰাজ, দক্ষিণপটীয়া গোসাঁয়ে ১০,৪০০ একৰ নিষ্কৰ মাটি, কমলাবৰীয়া গোসাঁয়ে ৫,৯০০ একৰ নিষ্কৰ মাটি আৰু বেঙেনাআটিৰ গোসাঁয়ে ২৫০০ একৰ নিষ্কৰ মাটি ভোগ কৰাৰ অধিকাৰ পাইছিল (Sibsagar District Gazetteer p, 101)। এই বিৰাট ভূ-সম্পত্তিত ব্যৱসায়ী ভিত্তিত খেতি কৰা হোৱা নাছিল।

আনহাতে শিল্প-বাণিজ্যৰ যোগেদি মূলধন সংগ্ৰহৰ পথো অসমীয়া মধ্যবিত্তক

বাবে প্ৰশস্ত নাছিল। অসমীয়া মানুহে—আনকি অৱস্থাপন্ন মানুহেও—প্ৰয়োজনীয় বহু সামগ্ৰী ঘৰতে তৈয়াৰ কৰি লৈছিল। পণ্য উৎপাদন তথা বেহা-বেপাৰ একমনে চলাবলৈ এটা সদাগৰ বা বেপাৰী শ্ৰেণীও গঢ় লৈ উঠা নাছিল। **Nowgoing District Gazetteer**ত লিখিছে:

"The Assamese is a cultivator and nothing more, and with wholesale trade, crafts and industries, he has little or no concern. Practically the whole of the profit of the external trade of the district pass into the hands of the Marwari merchants, and though large sums of money were expended by the Assam Bengal Railway Company in Nowgong, Coolies and contractactors alike were foreigners and the profits of capital and the wage of labour passed into foreign hands... ...the natives of the districts have little or no commercial instinct or capacity, and allow almost the whole of the profits of their trade to be monopolised by loreigners." (p. 177)

৩

**Sibsagar District Gazetteers**তো উল্লেখ কৰা হৈছে যে অসমীয়া মানুহৰ ব্যৱসায়ত কোনো ধাউতি নাই। আনকি চাহ বাগানত বস্ত্ৰ-পাতি যোগান ধৰা খুচুৰা আৰু পাইকাৰী ব্যৱসায়ো প্ৰায়খিনি অনা-অসমীয়াৰ কৰায়ত্ত (পৃ: ১৯১)। কোম্পানীৰ আমোলৰ পূৰ্বে অসমত পণ্য উৎপাদন তথা বণিক শ্ৰেণীৰ বিকাশ আছিল যৎসামান্য।

কুটিৰ শিল্পও ব্যৱসায়ীৰ চাহিদা আৰু তত্ত্বাৱধানতহে পুঁজিবাদী পণ্য উৎপাদনত পৰিণত হয়। ইংলেণ্ডত সেই ঘটনাই ঘটিছিল। তাৰ ফলত কুটিৰ-শিল্পৰ পৰা মূলধন সংগ্ৰহ সম্ভৱ হৈছিল। অসমত পৰিবেশ আছিল বেলেগ। নগাঁও জিলাত পাটসূতা আৰু লাৰ উৎপাদন আছিল উল্লেখযোগ্য শিল্প। য'তেই মূলধনৰ প্ৰয়োজন সামান্যভাবে হলেও বেছি—যেনে তেলৰ ঘাণি, দা-কুঠাৰ গঢ়া—এইবোৰ এই শক্তিকাৰ প্ৰাৰম্ভতেই বহিৰাগতৰ অধিকৃত আছিল। (Nowgong District Gazetteer p. 141)। অৱশ্যে অসমীয়া কুটিৰ-শিল্পীসকল তেতিয়াও স্বাধীন আছিল। মাৰোৱাৰী পুঁজিৰ আৰু'ৰ

আৰু প্ৰভাৱ বাঢ়ি আহিলেও সৰ্থেবাৰীৰ কাঁহ শিল্প যেনেকৈ পিচত কেএগ-মহাজনৰ কবলত পৰিছিল, তেনে অৱস্থা তেতিয়াও হোৱা নাছিল। কিন্তু অনুমান কৰাটো অসংগত নহব যে কুটিৰ-শিল্পৰ অন্ধকাৰ ভবিষ্যত তেতিয়াই প্ৰমাণিত হৈছিল।

কুটিৰ শিল্পীসকল জীৱিকা নিৰ্বাহৰ বাবে আংশিকভাবে খেতিৰ ওপৰত নিৰ্ভৰশীল আছিল। (Hunter, Statistical Account of Assam, p. 261)। সেইবাবেই সাম্ৰাজ্যবাদ আৰু তাৰ সহযোগী দেশীয় পুঁজিয়ে অসমৰ জনসাধাৰণৰ কি সৰ্বনাশ কৰিবলৈ ওলাইছে, তেতিয়াই ধৰিব পৰা হোৱা নাছিল। কুটিৰ শিল্পৰ অনুন্নত নিৰ্মাণ কৌশল আৰু দ্ৰব্য পৰিবেশনৰ প্ৰাচীন, গতিহীন পদ্ধতিৰ বাবে বজাৰ অলপ অলপকৈ বহলি যোৱা সত্বেও তাৰ সুযোগ অসমীয়া কুটিৰ শিল্পীয়ে গ্ৰহণ কৰিব নোৱাৰিলে। বৰং বাহিৰৰ অধিক উন্নত শিল্প আৰু পণ্যৰ প্ৰতিযোগিতাই স্থানীয় কুটিৰ শিল্পক কোঙা কৰি পেলালে। প্ৰাচীন সামন্ত শ্ৰেণী হীনবল হোৱাত বিলাসী দেশীয় দ্ৰব্যৰ চাহিদা কমি গৈছিল। সাধাৰণ প্ৰজাৰ ক্ৰয় ক্ষমতাও কুটিৰ শিল্পৰ উৎপাদন প্ৰচুৰ পৰিমাণে কিনিব পৰাকৈ উন্নত হোৱা নাছিল। এনে সন্ধিক্ষণতে বাহিৰৰ পুঁজিবাদী শিল্পৰ সস্তা আৰু অপৰ্য্যাপ্ত পণ্য উপচি পৰি স্থানীয় কুটিৰ শিল্পক হেঁচা মাৰি ধৰিলেহি। এড়ী কাপোৰ, মুগা প্ৰভৃতি আন ঠাইৰ বাবে আপুৰুগীয়া বস্তুৰ চাহিদা অৱশ্যে নকমিল। (যদিও তাৰ উৎপাদন কৌশল পুৰণিকলীয়া আৰু অনুন্নত হৈ ৰ'ল।) তথাপি ১৮৮৯-৯১ চনত (Indian Museum Notes (vol. I, 1889-91, p. 191) ত Stack চাহাবে লেখিলে যে অসমত পাট শিল্পৰ অৱনতি বিশেষ লক্ষ্য কৰিবলগীয়া। ১৮৯৭ চনত সূতা কটাৰ কৌশল অসমৰ মানুহে প্ৰায় পাহৰি গৈছিল—বাহিৰৰ সস্তীয়া সূতাৰ আমদানিৰ কোবত। Major Hannayএ কৈছিল: the competition of English iron under the British Government has extinguished the indigenous industry, (লেখকৰ বাস্তৱৰ স্বপ্ন গুৱাহাটী বুক ষ্টল, ১৯৭২ পঢ়ক) ১৮৮৬ চনত Rev. P.H. Moore এ Jubilee conference of American Baptist Mission Union ত পঢ়া এটা প্ৰবন্ধৰ মতে কপাহী কাপোৰ আৰু সূতা, ধাতু আৰু ধাতুনিৰ্মিত বস্তু, আৰু (চাহ বাগানৰ বাবে?) চাউল্ দাইলেই অসমৰ প্ৰধান আমদানি। চাউল, দালি, সৰিয়হৰ ব্যৱসায়ত লগা মানুহৰ সংখ্যা আছিল অসমীয়া, অনা-অসমীয়া মিলি ব্যৱসায়ত লাগি

থকা মানুহৰ শতকৰা ৫০ জন। (তেতিয়া ছিলেট অসমৰ ভিতৰতে আছিল।) সেয়ে ব্যৱসায় আৰু শিল্পৰ যোগেদি পুঁজি সঞ্চয় কৰাটো আৰু অসমীয়াৰ হৈ নুঠিল।

অৱশ্যে এটা বিশেষ স্থানীয় মানুহৰ কিছু অগ্ৰগতি দেখা গৈছিল। অসমত চাহশিল্পৰ প্ৰবৰ্তন আৰু বিকাশৰ কথা লেখা হৈছিল। ১৮৬০ চন মানৰে পৰা বিলাতৰ ধনিক শ্ৰেণীৰ হাতত জমা হোৱা পুঁজি প্ৰয়োগ কৰিবলৈ তাত জাগাই নোহোৱা হ'ল। ৰেলপথ নিৰ্মাণ প্ৰভৃতিত পুঁজি খটাই বহু পৰিমাণ সম্প্ৰসাৰ হোৱাৰ পিছতো আৰু বহুতো পুঁজি থাকি গ'ল। হয়তো তাৰে এটা অংশ বাগানবিলাৰ দৰে অসমলৈ আহিবলৈ ধৰে। অসমত জোৰে বেপাৰীভাৱে জমেমদে কৰি ১৮৬৬ চনত ফটকাবাজীৰ ফলতে চাহ ব্যৱসায়ত প্ৰচণ্ড অৱনতি (Crash) হয়। কিন্তু ১৮৭০ চনৰ পৰাই পুনৰ গা কৰি উঠে। বাস্তৱিকতে তাৰ পিছৰ পৰা চাহ শিল্পৰ প্ৰসাৰ হয় বিস্ময়কৰ। ১৮৭২ চনত সৰ্বমুঠ চাহ উৎপাদন আছিল ৩,২০০,০০০ পাউণ্ড। ১৮৯১ চনত সি হয়গৈ ২৯,০১৭,০০০ পাউণ্ড। ১৮৮০ চনৰ পৰা ১৮৯০ চনলৈ শিৱসাগৰৰ চাহ শিল্পত লাগি থকা শ্ৰমিকৰ নাটনি পূৰাবলৈ বাহিৰৰ পৰা ৭৬,০৪১ জন মানুহ অনোৱা হয়। (Sibsagar District Gazetteer, *pp* 144—148) অপৰ্যাপ্ত মাটি fee simple বন্দোবস্তত চৰকাৰৰ পৰা লোৱা হয়। Assam Companyৰ ১২ খন বাগানৰ সত্বদখলৰ মাটিকালি আছিল ৭,৮৮১ একৰ। Singlo Tea Coৰ সত্বদখলৰ আছিল ৪,১৯০ একৰ। ১৯০৫ চনলৈকে পোৱা হিচাবৰ পৰা স্পষ্ট হয় যে এনে বাগানৰ দখলত থকা মাটিৰ ¼ তকৈও কম মাটিত খেতি হৈছিল—বাকীবোৰ ৰখা হৈছিল ভবিষ্যতে ব্যৱহাৰৰ বাবে !!

ব্ৰিটিছ মালিকানাৰ চাহ বাগানবোৰৰ অভূতপূৰ্ব সাফল্যই অসমীয়া মধ্যবিত্তকো চাহ খেতিত লাগিবলৈ অনুপ্ৰাণিত কৰে। এইক্ষেত্ৰত অসমীয়া মধ্যবিত্তৰ ভিতৰত আগৰণুৱা আছিল জগন্নাথ বৰুৱা। আমি শুনামতে চাহ বাগানৰ ব্ৰিটিছ মালিক চুকমানৰ পৰামৰ্শ আৰু উদগনি মতেই উদ্যোগী আৰু স্বাধীনচিন্তীয়া জগন্নাথ বৰুৱাই প্ৰথমতে চাহ বাগান খোলাত মন দিয়ে। নতুন অসমীয়া মধ্যবিত্তৰ মাজত ব্যক্তিৰ স্বতন্ত্ৰতা আৰু আত্মনিৰ্ভৰ সম্পৰ্কে কিছুমান ধাৰণা জন্মিছিল ব্ৰিটিছ শাসনৰ সান্নিধ্য আৰু আধুনিক শিক্ষাৰ ফলত। স্বাধীনতাপিয়াসী বেজবৰুৱাৰ দৰে মানুহৰ

মনতো স্বাধীন ব্যক্তিত্বৰ ঘাই আহিঁ আছিল চাহাব!! সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত বেজবৰুৱাই কৈছে: "মুকলি আকাশ, মুকলি বতাহৰ তলত মুকলিমূৰীয়া তেওঁলোকৰ (ইংৰাজৰ) ভোজন ভীমসেনৰ ভোজন, শয়ন কুম্ভকৰ্ণৰ শয়ন, গমন গজেন্দ্ৰগমন, লম্ফন হনুমন্তৰ লম্ফন, গৰ্জন ব্যাঘ্ৰৰ গৰ্জন, অথচ জাগৰণ সজাগ "বুল ডগ"ৰ জাগৰণ। তেওঁলোকৰ ধেমালি-খিকিন্দালি ল'ৰা-ছোৱালীৰ ধেমালি খিকিন্দালি। বং-তামচা চ'তৰ বিহুৰ ওপৰৰ থাপৰ। খং ৰিং জানিবা গোনা ম'হৰহে জোঙা শিং।" (বেজবৰুৱা গ্ৰন্থাৱলী, ২য় খণ্ড, সাহিত্য প্ৰকাশ, পৃঃ ১৮৬১—১৮৬২) এনে স্বাধীন নিঃসংকোচ আৰু আত্মনিৰ্ভৰ ব্যক্তিত্ব চাহাবৰ তলত চেলাম ঠুকি বজাই ৰাখিব পৰা নাযাব বুলিয়েই জগন্নাথ বৰুৱা আৰু বেজবৰুৱাই ব্যৱসায়ত লাগিছিল। কিন্তু তেওঁলোকে বুজা নাছিল যে ব্যৱসায়বো মূল চাবিকাঠি চাহাবৰ হাতত, managing agency বোৰৰ হাতত। আৰ্থিক আৰু ৰাজনৈতিক স্বাধীনতা অবিহনে স্বাধীন ব্যক্তিত্ব গঢ়াৰ সপোন আকাশ-কুসুম মাথোন। এই বিষয়ে পিচত বহলাই লেখা হব।

Sibsagar District Gazetteerত থকা চাহ বাগানৰ তালিকাৰপৰা তলত দিয়া অসমীয়া প্লেণ্টাৰকেইজনৰ নাম আৰু সম্পত্তিৰ পৰিমাণ উদ্ধাৰ কৰা হ'ল:

| মালিক | বাগান | বাগানৰ আয়তন |
|---|---|---|
| কালীপ্ৰসাদ চলিহা | বনমালি | ২৬০ একৰ। |
| | গোসাঁইবাৰী | ১৭৭ একৰ। |
| ৰাধানাথ নেওগ | নাহৰণি | ১৭৮ একৰ। |
| ঘনশ্যাম বৰুৱা, ফণীন্দ্ৰনাথ বৰুৱা | দলৌজান | ১,০০৪ একৰ। |
| গুৰুপ্ৰসাদ কাকতি | বৰটিং | ৩৭৭ একৰ। |
| বিষ্টুৰাম বৰুৱা | ঠেঙালবাৰী | ৬৯৩ একৰ। |
| জগন্নাথ বৰুৱা | বৰৈয়া | ৪৬৪ একৰ। |
| | লেটেকুজান | ২,৮১১ একৰ। |
| বিষ্টুৰাম দত্ত বৰুৱা | মাধপুৰ | ৮২৩ একৰ। |

| মালিক | বাগান | বাগানৰ আয়তন |
| --- | --- | --- |
| শেখ চাহমুৰ আলি | মতিজান | ১০০ একৰ। |
| মুন্সি মহম্মদ আলি | কচাৰিহাট | ২৩২ একৰ। |
| নাৰায়ণ শৰ্মাবৰুৱা | বৰশিকটা | ৩৮০ একৰ। |
| আনন্দ কুমাৰ বৰুৱা | মেকৰাহোলা | ১২৮ একৰ। |
| ডি, চি, বৰুৱা<br>সবানন্দ বৰকাকতি | কাকদোঙা | ৩৩৫ একৰ। |

কোৱা বাহুল্য, অসমীয়া বাগানবোৰৰ মাটিৰ পৰিমাণ একেবাৰে তাকৰ। (অসমীয়া কাকতত চন্দ্ৰকুমাৰ আগৰৱালাই অভিযোগ কৰিছিল মাটি দিয়া বিষয়ত চৰকাৰে চাহাব মালিকক পক্ষপাতিত্ব কৰা বুলি।) তাতে তাৰ অধিকাংশ মাটিত চাহ খেতি হোৱা নাছিল। তুলনাত Assam Companyৰ দখলত মাটি আছিল সৰ্বমুঠ ৪০,১০২ একৰ, Singlo Tea Coৰ তলত ১২,৮২৮ একৰ, Jorhat Tea Co.ৰ তলত ১৪,৬৫৪ একৰ। এইবোৰ বাগানৰ পিচত আছিল শিল্প বিপ্লৱ আৰু বিশ্বব্যাপি ব্যৱসায়ৰ যোগেদি ব্ৰিটিছে সঞ্চয় কৰা মূলধন আৰু ভাৰতৰ ঔপনিবেশিক ৰাষ্ট্ৰ; চাহৰ দাম, বজাৰ, পৰিবহন, পৰিবেশন, কেঁচামাল, যন্ত্ৰপাতি ক্ৰয়—এনেবোৰ বিষয়ত অসমীয়া প্লেণ্টাৰসকলে সামান্য প্ৰভাৱো বিস্তাৰ কৰিব পৰা নাছিল। সাম্ৰাজ্যবাদী বাগানশিল্পৰ লেছেৰি বোটলা হিচাপেহে এওঁলোকৰ বিকাশ হৈছিল। কিন্তু অসমীয়া সাধাৰণ মানুহৰ তুলনাত এওঁলোকৰ আয় আছিল বিপুল। ওপৰত উল্লেখ কৰা কাৰণে এওঁলোকৰ মাজত জাতীয়তাবাদ আৰু সম্পূৰ্ণ আৰ্থিক স্বতন্ত্ৰতাৰ স্পৃহা সোমাব পৰা নাছিল। দুই-এক যেনে জগন্নাথ বৰুৱা, ৰাধাকান্ত সন্দিকৈ, আৰু পিচলৈ ভগৱতী প্ৰসাদ বৰুৱা আদিয়ে বদান্যতা আৰু শিল্প সাহিত্যৰ পৃষ্ঠপোষকতাৰে যোগেদি দেশসেৱা কৰিছিল। কিন্তু বেছিভাগেই চাহাব খেতিয়কৰ জীৱন যাত্ৰাৰ অন্ধ অনুকৰণ কৰাকেই (যথা Morning Dress, Evening Dress, বগ পানচামা, আৰু ঘৰত পৰ্যন্ত ইংৰাজীত কথা পতা, আৰু Club ত প্ৰচুৰ মদ্যপান) জীৱনৰ চৰম সাৰ্থকতা বুলি ভাবিবলৈ ধৰিলে। যি শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে সাম্ৰাজ্যবাদী শোষণৰ নমনীয় অংশীদাৰ হিচাপে চাকৰি, ব্যৱসায় প্ৰভৃতিৰে বৃত্তি আছিল, চাহ বাগিচাৰ অসমীয়া মালিকসকল তেওঁলোকৰ নেতৃস্থানীয় আছিল মাথোন।

অসমৰ অৰ্থনীতিৰ ওপৰত চাহ বাগিচাবিলাকৰ প্ৰভাৱ নিশ্চয় নগণ্য নহয়। বহুকালৰ পৰা এই প্ৰভাৱ পৰিছে। প্ৰথমতে চাহ বাগানৰ বাবেই ৰাস্তা-ঘাট আগৰ তুলনাত বহুত বাঢ়িল। ১৮৬১ চনত কমিশ্যনাৰ কৰ্ণেল হপ্-কিন্সনে সুগম ৰাস্তাঘাটৰ অভাৱৰ কাৰণে অসমত দেখা পাইছিল 'Such a want of intercourse between man and man, as does and must result in apathy, stagnation, and torpidity, and a terrible sense of isolation, by which enterprise is chilled and capital and adventurers scared away"। অসম-বেংগল ৰেলপথ নিৰ্মাণৰ আগতে ষ্টীমাৰেৰে শিলঘাটৰ পৰা ধুবুৰীলৈ যাবলৈ ২৬ ঘণ্টা সময় লাগিছিল। ৰেলেৰে কিন্তু ধুবুৰীৰ পৰা কলিকতালৈ ১৯ ঘণ্টা সময়হে লাগে। (Nowgong District Gazetteer, p 171)। ১৮৮৫ চনত ভিতৰুৱাল অঞ্চলৰ উৎপন্ন নদী-ঘাটলৈ আনিবলৈ ১০৮ মাইল ৰেলপথ নিৰ্মিত হৈছিল। চাহ বাগিচালৈ ৰচদ-পাতি আনিবলৈ আৰু চাহ বাহিৰলৈ উলিয়াই নিবলৈকে ঘাইকৈ ৰেলপথৰ বিস্তাৰ হয়। কেৱল যোগাযোগৰ ক্ষেত্ৰতেই নহয়, আন বিষয়তো চাহ বাগানে অসমৰ অৰ্থব্যৱস্থা আৰু সমাজত বিশেষ ধৰণৰ চাপ সৃষ্টি কৰে। চাহ বাগানত নতুনকৈ শিক্ষা পোৱা বহু অসমীয়া যুৱকে অপেক্ষাকৃত আৰামৰ চাকৰি পায় আৰু মধ্যবিত্তৰ সংখ্যা কিছু বৃদ্ধি কৰে। চাহ বাগানৰ ৰচদ-পাতি কিনিবৰ বাবে নানা ঠাইতে চাহ কোম্পানীবোৰে হাট-বজাৰ বহুৱায়। তাত এহাতে যেনেকৈ গঞা খেতিয়কৰ অতিৰিক্ত উৎপাদন বিক্ৰী হয়, তেনেকৈ গাৰঁলৈ তাৰ যোগেদি নগদ টকাৰ সোঁত এটা বৰলৈ ধৰে। কিন্তু সৰবৰাহৰ ব্যৱসায়ৰ পৰা থলুৱা অসমীয়াতকৈ কেঞামহাজনেই বেছি লাভবান হয়।) পৰ্যাপ্ত পৰিমাণে মাটি-বাৰী থকা মানুহে দিনমজুৰি বা যে কোনো ধৰণৰ মজুৰি কৰিবলৈ টান পাইছিল। অসমত মজুৰি কৰি খটা মানুহৰ নাটনিয়ে চৰকাৰকতো আহুকালত পেলাইছিলেই, চাহ কোম্পানী-বোৰকো দুভাবনাত পেলাইছিল। ১৮৯১ চনত সমগ্ৰ নগাওঁ জিলাতে মজুৰি কৰি খোৱা থলুৱা মানুহ আছিল মাত্ৰ ১,০৪৯ জন। সেয়ে ১৮৯০ চনলৈকে দহ বছৰৰ ভিতৰত বাহিৰৰ পৰা চাহ বাগানত কাম কৰিবলৈ ১৮,৮৩৭ জন মজদুৰ অনোৱা হয়। ১৮৮১ ৰ পৰা ১৮৯১ ৰ ভিতৰত অসমত জনসংখ্যা বৃদ্ধিৰ হাৰ ভাৰতত্তে সৰ্বোচ্চ হয়। ১৮৮১ চনত বহিৰাগত মানুহ আছে ২৮০,৭১০ জন। ১৮৯১ চনত আছে ৫১০,৬১২ জন। (তেতিয়া

সমগ্ৰ অসমৰে জনসংখ্যা ছিলেটকে ধৰি কেইলাখমানহে আছিল!) ইয়াৰে শতকৰা ৮৩ জন চাহ বাগানৰ বনুৱা। (Census of India 1891, Assam vol, I. Report). কোৱা বাহুল্য যে বনুৱাৰ লগে লগে জীৱিকাৰ সন্ধানত অসমলৈ বহুত দোকানী, গাৰোৱান, কেৰাণী, নাৱৰীয়া আদি মানুহ আহে আৰু চাহ বাগানৰ ওচৰে-পাজৰে থিতাপি লয়। বহিৰাগতৰ এই প্ৰব্ৰজন আজিও চলি আছে। কিন্তু অসমীয়া মধ্যবিত্তই ইয়াৰ বিকৃত ব্যাখ্যা দিয়ে। **চাহ বাগানৰ পুঁজিবাদী শিল্প আৰু ব্যৱসায়েই এইসকল বাহিৰাগতক টানি আনিলে, তাৰ বাবে যে ঘাইকৈ ব্ৰিটিছ সাম্ৰাজ্যবাদ দায়ী— সেই তথ্য ঢাকি প্ৰব্ৰজনকাৰী সকলক আক্ৰমণকাৰীৰ ৰূপত দাঙি ধৰিবলৈ ইহঁতে অপচেষ্টা কৰে।** মৈমনচিঙীয়া খেতিয়কৰ প্ৰব্ৰজনৰ স্বৰূপ "বাস্তৱৰ স্বপ্ন"ত ব্যাখ্যা কৰিছোঁ।

কিন্তু চাহ বাগানে অসমীয়া মধ্যবিত্তক কিঞ্চিৎ পুষ্ট কৰিলেও অসমৰ উপকাৰ কিমান কৰিলে? পাহৰিলে নচলিব যে চাহ বাগানৰ পৰা হোৱা লাভ পুনৰ অসমত নিয়োগ হোৱা নাছিল (কেৱল নতুন চাহবাগান খোলাৰ বাহিৰে!)। ফলত আমাৰ অৰ্থ-ব্যৱস্থা বৈচিত্ৰ্যহীন আৰু চাহবাগানসৰ্বস্ব হৈ গঢ় ললে। সাম্ৰাজ্যবাদে সিংহল (শ্ৰীলংকা), ঘানা, মালয়ছিয়া প্ৰভৃতি বহু অনুন্নত অঞ্চলত এনে বিপদ সৃষ্টি কৰিছে। আজি সেয়ে বিশ্ব-বজাৰত চাহৰ অৱস্থা পৰি অহাৰ লগে লগে অসমৰ অৰ্থ-ব্যৱস্থাত বিৰাট সংকট আৰম্ভ হৈছে। তাৰ উপৰিও লাভৰ সিংহভাগ বাহিৰলৈ গুচি যোৱাত দেশীয় মানুহৰ জীৱনৰ মান বৰ ওপৰলৈ নুঠিল। ১৯০৯ চনৰ "উষা" আলোচনীত এজন লেখকে সেই কথাৰ তৎ ধৰিব পাৰি লেখিছিল:

"চাহ খেতিয়কসকলৰ সুবিধাৰ লগে লগে অসমীয়া ৰাইজে আলিবাটৰ সুচল পাইছে। গাৱঁৰ উৎপন্নৰ বাহিভাগ বেচিবৰ দিহা লাগিছে। যি হওক চাহ খেতিৰ পৰা আসাম দেশ চাৰিওফালে জনাজাত হব পাৰিছে। কিন্তু দেশৰ তেনে প্ৰকৃত উন্নতিৰ আগন্তুক দেখা নাযায়। এই খেতিক অসমীয়া ৰাইজৰ খেতিও বুলিব নোৱাৰি।"

অসমীয়া মধ্যবিত্তৰ জীৱিকা, জীৱনযাত্ৰা আৰু চিন্তাধাৰা সেয়ে প্ৰধানকৈ নিৰ্ণিত হৈছিল মৌজাদাৰ আৰু চৰকাৰী চাকৰিয়ালৰ প্ৰভাৱত। ইতিপূৰ্বে আগৰ এটা অধ্যায়ত আমি উল্লেখ কৰিছোঁ যে মৌজাদাৰবিলাক গ্ৰাম্যাঞ্চলত কেৱল খাজনা তোলা কৰ্মচাৰী নহয়, সামন্তবাদী সমাজ সম্পৰ্কক কোনোমতে

ভেন্না দি ৰাখিবলৈ ব্ৰিটিছ সাম্ৰাজ্যবাদে কৰা প্ৰচেষ্টাৰ প্ৰধান অভিনেতা। আগৰ "গণ্যমান্য" মানুহকে চাই-চিন্তি প্ৰথমতে মৌজাদাৰ পতা হৈছিল। স্থানীয় ৰাইজৰ অবিসম্বাদী বেচৰকাৰী নেতাৰূপে মৌজাদাৰবিলাকক গঢ়ি তোলা হৈছিল। প্ৰাচীন ঐতিহ্য ইত্যাদি, জাত-কূলৰ নীতি-নিয়ম আদি সংৰক্ষণ কৰাত সত্ৰীয়া গোসাঁইৰ লগতে মৌজাদাৰসকলেও আগভাগ লৈছিল। এওঁলোকে গঞা সমাজৰ শিৰোমণি হৈ পৰি প্ৰাচীন সমাজবন্ধন ৰক্ষা কৰাতহে জোৰ দিছিল। বেহা-বেপাৰ, বহিৰ্জগতৰ লগত সঘন আৰু ঘনিষ্ঠ সম্পৰ্ক আহিয়েহে স্থবিৰ আঞ্চলিক মনোভাবৰ পৰা মানুহক মুক্তি দিব পাৰে। তাৰ অভাৱত আত্মসন্তুষ্টি, আত্মকেন্দ্ৰিকতা, ৰক্ষণশীলতাৰ প্ৰকোপ বাঢ়ে। সন্দেহ নাই বেজবৰুৱাৰ "ভেমপুৰীয়া মৌজাদাৰ"ৰ জন্ম এনেকৈয়ে হৈছিল।

চাকৰিয়াল শ্ৰেণীটোৰ জীৱনো আছিল একে ধৰণে নিৰাপদ আৰু সন্তুষ্ট। তেওঁলোকৰ মাজত প্ৰতিযোগিতা প্ৰবল নাছিল। আধুনিক শিক্ষা-দীক্ষাৰ সা-সুবিধা এমুঠি উচ্চবৰ্ণৰ, আগতে লেখা-পঢ়াৰ জ্ঞান থকা অৱস্থাপন্ন মানুহে কৰায়ত্ত কৰি লোৱাৰ ফলত চাকৰিৰ সুবিধাও এওঁলোকেই বেছিকৈ পাইছিল। কেৱল কামৰূপ জিলাতহে দৰিদ্ৰ ব্ৰাহ্মণ-কায়স্থ সন্তানে অশেষ কষ্ট স্বীকাৰ আৰু পৰিশ্ৰম কৰি শিক্ষা লৈ চৰকাৰী চাকৰিত সোমাব লগা হৈছিল। চাকৰিৰ সংখ্যা আছিল সীমিত। শিৱসাগৰ সমৃদ্ধ জিলা হোৱা সত্বেও ১৯০৫ চনত তাত মাত্ৰ ৩ জন এছ, ডি, চি, ১০ জন কাননগো, ২০৫ জন মণ্ডল আছিল। M. E. School আছিল ৭ খন, হাইস্কুল ৬খন, ডাকঘৰ ৫২ টা, চৰকাৰী ঔষধালয় আছিল মাত্ৰ ৬ খন। পুলিচৰ এছ, আইৰ চাকৰি আছিল ১৫টা। তাৰ পৰাই অনুমান কৰিব পাৰি সমগ্ৰ জিলাতে চাকৰিয়াল কিমান আছিল। কোৱা বাহুল্য, তাৰ ভালেখিনি আছিল অনা-অসমীয়া, আৰু সেয়ে থলুৱা মধ্যবিত্তৰ জীৱনযাত্ৰাত তেওঁলোকৰ প্ৰভাৱ আছিল পৰোক্ষ।

এই চাকৰিয়ালবোৰৰ আয়-ব্যয় আছিল কেনে? এছ, ডি, চিৰ দৰমহা ১৯০৫ চনত আছিল মাহে ১০০ ৰ পৰা ২০০ টকালৈ। খৰচ কেনে ধৰণৰ আছিল? Hunterৰ Statistical Account of Assamৰ পৰা জনা যায় মজলীয়া আকাৰৰ পৰিয়াল থকা একোজন বৰ ধনী ( very well to-do ) দোকানী বা মহাজনৰ খৰচ মাহে হৈছিল ৪৫ টকা। তাৰে খাদ্যৰ খৰচ আছিল ২০ টকা মাথোন। তাৰ উপৰিও ভূ-সম্পত্তি থকা চাকৰিয়ালৰ খোৱা খৰচ সিমান নহৈছিল। সেয়ে

এওঁলোকে অলপ লাহ-বিলাহ কৰাৰ, কলিকাতাত ল'ৰা পঢ়োৱাৰ আৰু ধন সঞ্চয় কৰাৰ সুবিধা পাইছিল। এছ, ডি, চিৰ ওপৰতে আছিল হাকিম বা ই, এ, চিৰ চাকৰি। ১৯০৩ চনত "জোনাকী"ত লেখিছে: "আসাম দেশত ভাৰতৰ আন আন দেশৰ দৰে বজ় জমিদাৰ আদি আঢ্যৱন্ত আৰু আন প্ৰকাৰেও ডাঙৰ আহিৰ মানুহ নাই। ইয়াত দেখিবলৈ গলে অসমীয়া হাকিম কেইজনেই ডাঙৰ মানুহ। ......এওঁবিলাককেই আমাৰ দেশৰ মুখপাত বুলিলে আনক তেনে কৰিবলৈ নাই।" (কাতি, ১২৫, পৃঃ ২৪৩) অৱশ্যে অৰুণোদইৰ ১৮৪৬ চনৰ জুলাই সংখ্যাৰ পৰা জনা যায় যে সেই সময়তে বংগৰ দ্বাৰকানাথ ঠাকুৰে চৰকাৰক বছৰি ১০ লাখ টকা খাজনা আৰু কৰ দিছিল। তাৰ পৰাই বঙালী মধ্যবিত্তৰ আৰ্থিক শক্তিৰ আভাস পোৱা যায়। ১৯০৬ চনৰ Sibsagar District Gazetteerৰ পৰা জনা যায় যে মাত্ৰ ১৪১ জন ব্যৱসায়ীয়ে আৰু ৮২ জন বৃত্তিধাৰীয়ে (professional) আয়কৰ দিব লগা হৈছিল (পৃঃ ২২০)। নগাঁও জিলাত বছৰি ৫,০০০ টকাতকৈ বেছি আয় থকা মানুহ আছিল মাত্ৰ তিনিজন। (Nowgong District Gazetteer p. 204)।

এই চাকৰিয়ালসকলৰ মাজৰ পৰা বহু কেইজন কৰ্তব্যনিষ্ঠ, সংস্কৃত আৰু দেশহিতৈষী মানুহ ওলাইছিল। কিন্তু তেনে এটা পৰিয়ালতে জন্ম গ্ৰহণ কৰা আৰু তেনে জীৱন-যাত্ৰা পিচলৈ নেওচা দিয়া দেশপ্ৰাণ **কৃষ্ণ শৰ্মাৰ ডায়েৰিতে** এই শ্ৰেণীৰ ভূমিকা সম্পৰ্কে নিৰ্মোহ মন্তব্য পোৱা যায়:

"এইদৰে অসমত ই, এ, চিৰ পুতেক ই, এ, চি, মৌজাদাৰৰ পুতেক মৌজাদাৰ, মণ্ডলৰ পুতেক মণ্ডল, গাওঁবুঢ়াৰ পুতেক গাওঁবুঢ়া হোৱাৰ প্ৰথা চলি আছিল। এইদৰে ইংৰাজৰ আমোলত শিক্ষিত সমাজৰ ভিতৰত এটা দাস কোম্পানী দলৰ সৃষ্টি হৈ ব্ৰিটিছৰ শাসন পদ্ধতিৰ চকা দৃঢ়ৰ পৰা দৃঢ়তৰ কৰি দি আনন্দত বিভোল হৈছিল।" (পৃঃ ৬৭)

"বৃটিছৰ শাসন প্ৰতিষ্ঠিত হৈছিল শোষণ নীতিৰ ওপৰত। এই শোষণ নীতিৰ সহায়ক আমি সকলোৱেই। শোষণ যন্ত্ৰৰ চাল-পাতস্বৰূপে আমাৰ শিক্ষিত সমাজে গোটেই সমাজক আকাশীলতাৰ দৰে ছাটি পেলালে। আকাশীলতা থিজোপা গছত লগে সেই গছৰ ৰস আকাশীলতাই শুহি পেলায়।" (অসম প্ৰকাশন পৰিষদ, পৃঃ ৮১)

# অসমৰ মধ্যবিত্ত সমাজৰ ইতিহাস ঃ বিতৰ্ক

১

"আমাৰ প্ৰতিনিধি" আলোচনীৰ সকলোবোৰ বৈশিষ্ট্যকে আমি সমাদৰ নকৰোঁ। কিন্তু এইখন আলোচনীৰে "অৰ্থশাস্ত্ৰীৰ চ'ৰা" শিতানটো আমি মাজে মাজে আগ্ৰহেৰে পঢ়িছোঁ। সদায় তাৰ মতামতৰ লগত আমি একমত হ'ব পৰা নাই, কেতিয়াবা প্ৰতিবাদো কৰিছোঁ। তথাপি তাৰ মন্তব্যবোৰত মূল্য নিদিয়াকৈ থকা নাই।

তাৰ কাৰণ এয়ে যে "অৰ্থশাস্ত্ৰীৰ চ'ৰা"ত সচৰাচৰ যিবোৰ তথ্যপাতি প্ৰকাশ হয়, সেইবোৰ প্ৰগতিশীল বামপন্থী মহলৰ বাবে লাগতিয়াল, অথচ সেইবোৰত বিতৰ্কৰ সম্ভাৱনাও কম থাকে। বিতৰ্কৰ অৱকাশ এই বাবেই নাই যে তথ্যপাতিসমূহ নতুন তাত্ত্বিক দৃষ্টিকোণৰ পৰা চাবলৈ "অৰ্থশাস্ত্ৰী"য়ে বিশেষ চেষ্টাও কৰা নাই। কিন্তু চলিত বছৰৰ "নবেম্বৰ" সংখ্যা 'আমাৰ প্ৰতিনিধিত' serious তত্ত্বগত আলোচনাৰ প্ৰয়াস "অৰ্থশাস্ত্ৰী"য়ে কৰিছে—আমাৰ এটা ইংৰাজী প্ৰবন্ধৰ সম্পৰ্কত।

এটা গুৰুত্বপূৰ্ণ বিষয়ে বিতৰ্ক আৰম্ভ কৰা বাবে "অৰ্থশাস্ত্ৰী"ক ধন্যবাদ। কিন্তু তেখেতৰ মনোভাব আৰু দৃষ্টিকোণক সদায় প্ৰশংসা কৰিব নোৱাৰি। তেখেতে সমালোচনা কৰিব পাৰে, কিন্তু উচ্চতম ন্যায়ালয়ৰ বিচাৰকৰ দৰে ৰায় দিয়াৰ অধিকাৰ তেখেতৰ নাই। তদুপৰি সমাজৰ সমুখত আমাৰ গৱেষণাক হেয় প্ৰতিপন্ন কৰিবলৈ আৰু আন কাৰো কাৰো ৰচনাক (যেনে অমলেন্দু গুহ আৰু বিজনলাল চৌধুৰীৰ) ওপৰলৈ তুলিবলৈ তেখেতে কৰা প্ৰচেষ্টাক সাধুবাদ দিবলৈ আমি অপাৰগ হলোঁ।

বিজনলাল চৌধুৰীৰ প্ৰবন্ধত যথেষ্ট সাৰুৱা কথা আছে নিশ্চয়। কিন্তু "অৰ্থশাস্ত্ৰী"য়ে বোধহয় নাজানে যে "নতুন পৃথিৱী"তে ওলোৱা অসমৰ মধ্যবিত্ত সমাজৰ ইতিহাস সম্পৰ্কে এই লেখকৰে এলানি প্ৰবন্ধত আৰু তাৰো আগতে তাৰে কিছুমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত ইতিপূৰ্বে উদ্ঘাটিত হৈছিল। বিশেষকৈ তাহানিৰ অসমৰ নেতাসকলৰ ইংৰাজ শাসক গোষ্ঠীৰ প্ৰতি ৰাজভক্তিসূচক আপোচকামী মনোভাব তথ্যপাতিসহ সেইবোৰ প্ৰবন্ধত পেছ কৰা হৈছিল। অমলেন্দু গুহই "মণিৰাম দেৱান" সম্পৰ্কে যি প্ৰবন্ধ বহুদিন আগতে লেখিছিল তাৰ তুলনাত মোৰ প্ৰবন্ধত অধিক সুস্পষ্ট আৰু সঠিকভাৱে মণিৰামৰ লগত ইংৰাজৰ অৰ্থনৈতিক বিবাদৰ স্বৰূপ ফুটাই তোলা হৈছে। মোৰ যে ভুল হব নোৱাৰে, এনে কথা কেতিয়াও কোৱা নাই। কিন্তু তল-খুচৰীয়া সমালোচনাক প্ৰশ্ৰয় দিবও নোৱাৰি।

অৰ্থশাস্ত্ৰীৰ মন্তব্যবোৰত এক ধৰণৰ অজ্ঞ (naive মনোবৃত্তিৰ চিন) পোৱা যায়। ঐতিহাসিক E. H. Carr-এ তেওঁৰ What is History কিতাপত কৈছে: "the belief in a hard core of historical facts existing objectively and independently of the interpretation of the historian is a preposterous fallacy" (Pelican books). ঐতিহাসিক তথ্যসমূহৰ বিচাৰত সত্যাসত্য, ভুল শুদ্ধি নিৰ্ণয়ৰ স্থান নিশ্চয় আছে। কিন্তু গৱেষণাই সদায় নতুন নতুন তথ্য বাহিৰ কৰি আছে, কৰি থাকিব। পুৰণি তথ্যৰো নতুন ব্যাখ্যা হোৱা সম্ভৱ। কোনো মতৰ সমৰ্থনত এজন ঐতিহাসিকে নিৰ্বাচন কৰা তথ্যসমূহকে সমগ্ৰ সত্য বুলি ভাবিব নোৱাৰি। কিন্তু অৰ্থশাস্ত্ৰীয়ে ভাবিছে তেওঁ দিয়া তথ্যসমূহেই একমাত্ৰ তথ্য, তেওঁ দিয়া ব্যাখ্যাসমূহেই একমাত্ৰ গ্ৰহণযোগ্য ব্যাখ্যা। অথচ আমি লক্ষ্য কৰোঁ তেওঁৰ তথ্য আৰু ব্যাখ্যাও অপৰিষ্কাৰ, অস্পষ্ট আৰু তাত শিথিল কথা-বতৰা বহুত আছে।

অৰ্থশাস্ত্ৰীয়ে আলোচনা কৰা আমাৰ ইংৰাজী প্ৰবন্ধটো "নতুন পৃথিৱী"ত বহু আগতে ওলাই যোৱা এলানি অসমীয়া প্ৰবন্ধৰ সাৰাংশ স্বৰূপ। তেওঁ কিন্তু প্ৰবন্ধটোৰ বক্তব্য সম্পূৰ্ণ ধৰিব পৰা নাই। তাৰ লক্ষ্যও সম্পূৰ্ণ বুজি উঠা নাই। মধ্যবিত্তৰ সামাজিক-ৰাজনৈতিক ভূমিকা আলোচনা কৰাটো মূলতেই অবাস্তৱ নহয়। বৰং বিপ্লৱত তাৰ অৱদান সম্পৰ্কে সুস্পষ্ট ধাৰণা থকাটো তত্ত্বগতভাৱেই নহয়, সামাজিক ৰূপান্তৰৰ কৰ্মক্ষেত্ৰতো অতি

প্ৰয়োজনীয়। অৰ্থশাস্ত্ৰীৰ পেংলাইস্থচক মন্তব্যবোৰে এই বিষয়টোৰ গুৰুত্ব প্ৰকাৰান্তৰে অস্বীকাৰ কৰিছে।

মোৰ বক্তব্য পেংলাইস্থচক আৰু বিকৃত সাৰমৰ্মলেখনৰ দ্বাৰা বিকলাংগ কৰিবলৈ অৰ্থশাস্ত্ৰীয়ে কৰা চেষ্টাত দুতৌ অনুভৱ কৰিলোঁ। মই হেনো কৈছোঁ যে "স্কুল-কলেজৰ সীমাসংখ্যা নোহোৱা হৈছে ·····ৰাষ্ট্ৰীয়খণ্ডৰ শিল্পত এতিয়া অসমীয়া টেকনিচিয়ান আৰু কৰ্মকৰ্তা ডজনে ডজনে হৈছে।" মোৰ মূল প্ৰবন্ধৰ প্ৰসংগ ( Context ) লক্ষ্য কৰিলেই পাঠকে বুজিব যে স্কুল-কলেজ স্বাধীনতাৰ পিচত কিছু বঢ়া আৰু টেক্‌নিচিয়ানৰ সংখ্যা বঢ়াটো মই বিশেষ উন্নতিৰ লক্ষণ বুলি ধৰা নাই। বৰং ইংগিত দিছোঁ যে এইবোৰ উন্নতি বহুলাংশে উপকৰা আৰু বাহ্যিক। অৰ্থশাস্ত্ৰীয়ে আৰু এটা অতি আপত্তিজনক কথা মোৰ মুখেদি কোৱাইছে: "দলিয়াই দিয়া উচ্ছিষ্টৰ বাবে ছিলটীয়াৰ লগত কাজিয়া কৰোতেই ভাগৰি পৰি অসমীয়া মধ্য শ্ৰেণী অকালতে বুঢ়া হ'ল।" অসমীয়া মধ্যশ্ৰেণীৰ দুৰ্বলতাৰ কাৰণ মই ছিলটীয়াৰ লগত কাজিয়া বুলি ক'ত কলো? আমাৰ বক্তব্য এনেদৰে মনেপতা ধৰণে সজাই ললে তাক ওফৰাই দিয়াটো সহজ কাম হৈ পৰে। কিন্তু অসমীয়া মধ্যশ্ৰেণীৰ দুৰ্বলতাৰ **প্ৰধান কাৰণ** হিচাপে মই ধৰিছোঁ বৃহৎ পুঁজিৰ হেঁচা—তাহানি সাম্ৰাজ্যবাদী পুঁজি তথা প্ৰশাসন আৰু আজি ভাৰতীয় বৃহৎ পুঁজি।

অৰ্থশাস্ত্ৰীয়ে এনে বিকৃত ব্যাখ্যা দাঙি ধৰিছে যেন সকলো সময়তে সকলো পৰিস্থিতিতে অসমীয়া মধ্যবিত্তক মই গৰিহণাহে দিছোঁ!! ইংৰাজী প্ৰবন্ধটোৰ শেষৰ ফালে কিন্তু কোৱা হৈছিল যে সাম্ৰাজ্যবাদী অনাদৰ অৱহেলা আৰু অবদমন সত্বেও অসমীয়া মধ্যবিত্তই যিখিনি কৃতিত্ব দেখুৱালে সি বিস্ময়জনক। কিন্তু বৰ্তমান পৰিস্থিতিত সামাজিক ৰাজনৈতিক ৰূপান্তৰৰ বাবে মধ্যবিত্তই নেতৃত্ব দিব নোৱাৰে। তাৰ ভৱিষ্যত এনেদৰে শোষণৰ অংশীদাৰ হিচাপে নিৰ্দিষ্ট যে বৃহৎ পুঁজিৰ বিৰুদ্ধে তাৰ সকলো আক্ৰোশ সত্বেও বৃহৎ পুঁজিৰ বিৰুদ্ধে সি নেতৃত্ব নিদিয়ে। আনহাতে শ্ৰমজীৱী ৰাইজৰ আন্দোলন প্ৰবল হৈ উঠিলে হয়তো সি শ্ৰমজীৱী ৰাইজৰ সহযাত্ৰী হব।

প্ৰশ্নটো হ'ল নেতৃত্বৰ প্ৰশ্ন। নেতৃত্বৰ লগতে জড়িত ৰাজনৈতিক সামাজিক আন্দোলনৰ লক্ষ্য আৰু চৰিত্ৰৰ প্ৰশ্ন। অসমত স্বাধীন পুঁজিবাদী বিকাশ ঘটাই বুৰ্জোৱা বিপ্লৱ সমাধা কৰিব পাৰিবনে? নিশ্চয় নোৱাৰি। অথচ এতিয়াও অসমৰ শিক্ষিত মানুহৰ সৰহভাগৰে মাজত এই লক্ষ্য আৰু ধাৰণাই

প্ৰবল। তেল শোধনাগাৰ আন্দোলন, ভাষা আন্দোলন, প্ৰভৃতিৰ মাজত এনে ধৰণৰ বুৰ্জোৱা লক্ষ্য আৰু মতাদৰ্শই প্ৰচ্ছন্ন। সেয়ে এই কথা খোলোচাকৈ কব লগা হৈছে যে বৰ্তমান পৰিস্থিতিত বুৰ্জোৱা কাৰ্যপন্থা আৰু লক্ষ্যৰে অসমৰ সমূহ জনসাধাৰণৰ অৰ্থনৈতিক সামাজিক মুক্তি অসম্ভৱ। ভিন্ন মতাদৰ্শৰে বলীয়ান শ্ৰমিক কৃষকৰ হাততহে সেই ক্ৰান্তিকাৰী নেতৃত্ব পৰাৰ সম্ভাৱনা আছে। কিন্তু সৰ্বভাৰতীয় ভিত্তিত সেই মতাদৰ্শ আৰু সেই শ্ৰেণীশক্তি সবল হৈ নুঠা পৰ্য্যন্ত অসমৰ মধ্যশ্ৰেণীয়ে তাৰ উপৰত পশ্চাদ্ধাৱী, অন্ধ ফেছিবাদী আক্ৰমণহে চলাব। ই এক আমোদৰ কথা যে অসমীয়া মধ্যশ্ৰেণীৰ মাজত ফেছিবাদী প্ৰবৃত্তিৰ প্ৰতি অৰ্থশাস্ত্ৰী উদাসীন। তেৱেঁই ১৯৭২ ৰ ভাষা আন্দোলনৰ সময়ত টিপ্পনী দিছিল যে সেই আন্দোলন মূলতঃ প্ৰগতিশীলেই—কেৱল "Assam Tribune" আৰু "দৈনিক অসমে" এসপ্তাহৰ ভিতৰতে তাক প্ৰতিক্ৰিয়াশীল আৰু বৰ্বৰ কৰি পেলালে। তত্বকথাত মগ্ন হৈ থকা বাবে তেখেতৰ মনত এই আহুকলীয়া প্ৰশ্নৰ উদয় নহ'ল: এনে প্ৰবল পৰাক্ৰমী প্ৰগতিশীল শক্তিবোৰ কেনেকৈ ইমান সহজে প্ৰতিক্ৰিয়াই বিধ্বস্ত কৰি দিয়ে?

ঐতিহাসিকে কেৱল অ'ৰ ত'ৰপৰা খুটাল কিছুমান তথ্য দাঙি ধৰিলেই নহয়, সেইবোৰ তথ্যৰ ওজন আৰু তাৎপৰ্য্যও ভালদৰে বিচাৰ কৰিব পাৰিব লাগিব। এই ক্ষেত্ৰত "অৰ্থশাস্ত্ৰী"ৰ মনোভাবে একো সহায় নকৰে। আমাৰ ইংৰাজী প্ৰবন্ধটোত কোৱা হৈছিল যে প্ৰথম মহাযুদ্ধৰ আগতে ভাৰতৰ জাতীয় কংগ্ৰেছৰ প্ৰভাৱ অসমৰ ৰাজনীতিত নাছিল। ত'ৰ উত্তৰত অৰ্থশাস্ত্ৰীয়ে প্ৰথম মহাযুদ্ধৰ আগতে ভাৰতৰ জাতীয় কংগ্ৰেছৰ বিভিন্ন অধিবেশনলৈ যোৱা দুজন-এজন অসমীয়া প্ৰতিনিধিৰ তালিকা এখন দাখিল কৰিছে। তেখেতৰ এই উত্তৰ কেনে উপকৰা তলত দিয়া কথাৰপৰা সহজে বুজা যায়।

১৯০৩ চনত মাণিকচন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা, জগন্নাথ বৰুৱা, ফৈজুৰ আলি প্ৰভৃতি উদ্যোগী শিক্ষিত মধ্যবিত্তই অসম এছোচিয়েশ্যন গঠন কৰে। এই এছোচিয়েশ্যনৰ কাম আছিল অসমীয়া মানুহৰ অভাব-অভিযোগ সম্পৰ্কে আবেদন-নিবেদনৰ জৰীয়তে চৰকাৰক সচেতন কৰা। দেশৰ মুক্তি সম্পৰ্কে কোনো জাতীয়তাবাদী চিন্তাধাৰাই তাক অনুপ্ৰাণিত কৰা নাছিল। এছোচিয়েশ্যনখনৰ মূল নীতি আছিল চৰকাৰৰ লগত সহযোগিতা। ১৯০৭

চন মানতহে নবীন নেতা এচামৰ প্ৰভাৱত তথা দেশজুৰি হোৱা ৰাজনৈতিক বাতাৱৰণৰ পৰিৱৰ্তনৰ প্ৰভাৱত এই নীতি পৰিৱৰ্তিত হয়, আৰু অসম এছোচিয়েশ্যনৰ নাম পৰ্য্যন্ত সলনি হৈ সি ভাৰতৰ জাতীয় কংগ্ৰেছৰ অন্তৰ্ভুক্ত হয়।

তাৰ আগতে দুই-এজন প্ৰতিনিধি ভাৰতৰ জাতীয় কংগ্ৰেছৰ অধিবেশনলৈ যোৱাটোৱে অসমত কংগ্ৰেছৰ প্ৰভাৱ সূচায়। বৰং প্ৰতিনিধিসকলৰ নাম আৰু অধিবেশনৰ চন চাই ধাৰণা হয় যে কলিকতাপ্ৰবাসী অসমীয়া ছাত্ৰ বা আন মানুহে প্ৰায় স্বনিমন্ত্ৰিত হিচাপে সেইবোৰ অধিবেশনত যোগ দিছিল—বংগদেশৰ তৎকালীন ৰাজনৈতিক বাতাৱৰণৰ প্ৰভাৱত। উদাহৰণ স্বৰূপে ১৯১২ চনত কলিকতাত যেতিয়া কংগ্ৰেছ অধিবেশন বহে, তেতিয়া তেজপুৰৰ, বোধনাথ পটঙীয়াৰে সৈতে ভলণ্টিয়াৰ হিচাপে যোগ দিছিল কলিকতাত পঢ়ি থকা ছাত্ৰ সৰ্বেশ্বৰ বৰুৱাই (দ্ৰষ্টব্য: **লক্ষীমপুৰৰ কথা**, সম্পাদক বিশ্বনাৰায়ণ শাস্ত্ৰী, ১৯৭১, লক্ষীমপুৰ পৃঃ ৩৯)। এনেবোৰ ঘটনাই প্ৰমাণ কৰে যে অসমৰ আভ্যন্তৰীণ ৰাজনীতিত কংগ্ৰেছৰ প্ৰভাৱ হিচাপে এনেবোৰ তথ্য নিৰ্ভৰযোগ্য নহয়।

যি প্ৰসংগত মই বিতৰ্কিত বাক্যটো লেখিছিলোঁ সেই প্ৰসংগৰে পৰা স্পষ্ট হয় যে কংগ্ৰেছৰ নামটোতকৈ মই গুৰুত্ব দিছিলোঁ জাতীয়তাবাদৰ ওপৰত। এনে জাতীয়তাবাদী চিন্তাধাৰা তথা আন্দোলন প্ৰথম মহাযুদ্ধৰ আগৰ দশকত ভাৰতত প্ৰবল হৈ উঠে। বিশেষকৈ বৰলাট লৰ্ড কাৰ্জনৰ অত্যাচাৰ আৰু আমোলাতান্ত্ৰিক দমননীতিৰ প্ৰতিৰোধত এই আন্দোলন প্ৰবল হৈ উঠে। বংগভংগ আন্দোলনে ভাৰতীয় সমাজত নতুন উদ্দীপনা আৰু উৎসাহৰ জোৱাৰ আনে। বংগভংগৰ বিৰুদ্ধে আন্দোলনৰ জাতীয়তাবাদী চিন্তাধাৰাই শেষত 'স্বদেশী' আৰু 'বয়কট' পন্থাৰ ৰূপ লয়। ইয়াৰ প্ৰভাৱ তিলকৰ নেতৃত্বত মহাৰাষ্ট্ৰ, লাজপৎ ৰায়ৰ নেতৃত্বত পাঞ্জাব আৰু উত্তৰ প্ৰদেশ আৰু আনকি দাক্ষিণাত্যতো বিয়পি পৰে। এই প্ৰতিবাদ আৰু প্ৰতিৰোধৰ ঢৌত ভাৰতৰ কংগ্ৰেছৰ মাজতে বিভাজন হয় আৰু ১৯০৭ চনত চৰমপন্থী দলে কংগ্ৰেছ ত্যাগ কৰে। বিপ্লৱী মনোভাব এঙুৰা জুইৰ দৰে যুবকদলৰ মাজত ব্যাপ্ত হয়। সেই সময়ত সন্ত্ৰাসবাদী কাৰ্য্যকলাপে অসমবো অম্বিকাগিৰি প্ৰভৃতি এজন-দুজন ডেকাক জোঁকাৰ খুৱাইছিল। কিন্তু অসমত তেতিয়াও প্ৰবল আছিল জগন্নাথ বৰুৱা—মাণিক চন্দ্ৰ বৰুৱাৰ

আবেদন-নিবেদনৰ নৰমপন্থী ৰাজনীতি। আৰু ছাত্র-সন্মিলনৰ সভাপতি হিচাপে লক্ষ্মীনাথ বেজবৰুৱাই এনে চিন্তাধাৰাৰ বিৰুদ্ধে ছাত্ৰসকলক সতর্ক কৰি দিছিল। (Tara Chand, History of the Freedom Movement in India, Vol. III, Publications Division, Govt, of India, page 303, 308, 324, 349, 431, R. J. More, Liberalism and Indian Politics, London, 1966, p. 98, p. 114, p. 79 ইত্যাদি) এনেবোৰ তথ্যই প্ৰমাণ কৰে যে 'অর্থশাস্ত্রী'ৰ মতামতবোৰত বিবেচনাৰ আৰু পৰিণত চিন্তাৰ লক্ষণ নাই।

এটা উদাহৰণে প্ৰমাণ কৰিব ভাৰতৰ জাতীয় নেতৃত্বৰ লগত সেই সময়ত অসমৰ স্থানীয় নেতৃত্বৰ যোগসূত্ৰ কিমান দুৰ্বল আছিল। মণ্টেগু-চে'মচ্‌ফৰ্ড শাসন-সংস্কাৰৰ আচনি যেতিয়া প্ৰকাশ হ'ল তেতিয়া ভাৰতৰ কংগ্ৰেছে তাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনালে। আনকি তাৰ লগত সহযোগিতা নকৰে বুলি দেশব্যাপী আন্দোলনৰ ঢৌ উঠিল। সেই সময়ত কিন্তু অসমৰপৰা দুজন প্ৰতিনিধি ৰাইজে নিৰ্বাচিত কৰি বিলাতলৈ পঠালে, যাতে এই আচনি অসমতো প্ৰয়োগ কৰা হয়!! "কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ"ৰ এটি চমু জীৱনীত এই দুজন প্ৰতিনিধিৰ বিষয়ে শ্ৰীযুতা নলিনীবালা দেবীয়ে লেখিছে:

"পিচদিনা সমগ্ৰ ভাৰতবৰ্ষৰ লগত নিচলা অসমেও সমান শাৰীত ঠাই এডুখৰি পাই ভাৰতবৰ্ষৰ শাসন সংস্কাৰৰ অন্তৰ্ভুক্ত হ'ল। তাৰ পাচত, বিজয়ী প্ৰতিনিধিদ্বয় বিজয়গৰ্বেৰে মাতৃভূমিলৈ উলটি আহিল। ইপিনে ভাৰতজুৰি শাসনসংস্কাৰ নালাগে বুলি অসহযোগিতাৰ আন্দোলন জাগি উঠিল।"

( জীৱনী সংগ্ৰহ, প্ৰকাশন পৰিষদ, গুৱাহাটী, পৃঃ ১৩১—১৩২ )

আমাক সমালোচনা কৰাৰ আগতে "অৰ্থশাস্ত্ৰী"য়ে এনেবোৰ ঘটনাৰ তাৎপৰ্য্য হৃদয়ংগম কৰিবলৈ চেষ্টা কৰক ভাল।

মোৱামৰীয়া বিদ্ৰোহৰ চৰিত্ৰ সম্পৰ্কে আমাৰ মন্তব্যতো "অৰ্থশাস্ত্ৰী"য়ে খুঁত উলিয়াইছে। তেখেতে তাহানি শ্ৰদ্ধেয় ডঃ অমলেন্দু গুহই লেখা এটা প্ৰবন্ধ এই প্ৰসংগতে উদ্ধকিয়াইছে। আমাৰ কিন্তু ধাৰণা ডঃ গুহৰ সেই প্ৰবন্ধ মোৱামৰীয়া বিদ্ৰোহৰ চৰিত্ৰ সম্পৰ্কে গৱেষণালৈ পূৰ্ণাংগ আৰু অবিসম্বাদী অৱদান নহয়। এই বিষয়ে আৰু বিস্তৃত গৱেষণা, আৰু গভীৰ

বিশ্লেষণৰ প্ৰয়োজন নাই বুলি অৰ্থশাস্ত্ৰীয়ে ভাবিব পাৰে। আমি কিন্তু সেই প্ৰবন্ধক এনে বস্তু বুলি নাভাবোঁ যে সেই সম্পৰ্কে আৰু ব্যাপক গৱেষণা নিষ্প্ৰয়োজন বুলি কম। মোৱামৰীয়া বিদ্ৰোহৰ বিস্ফোৰণ একে বছৰতে শেষ হৈ যোৱা নাছিল। ১৭৬৮—১৭৭০, ১৭৮২, ১৭৮৬, ১৭৯২—১৭৯৪, ১৭৯৫, ১৭৯৯, ১৮০৫ চনত এই বিস্ফোৰণে চৰম ৰূপ ধাৰণ কৰিছিল। তাৰ বাহিৰেও মোৱামৰীয়া অভ্যুত্থানৰ আন বহু প্ৰকাশ ঘটিছিল। এনে ব্যাপক আৰু দীৰ্ঘস্থায়ী জাগৰণ সম্পৰ্কে উপকৰা অধ্যয়নেৰে অৰ্থশাস্ত্ৰীয়ে থাটাং মন্তব্য দিবলৈ যোৱাটো মতান্ধতাৰহে পৰিচায়ক।

মোৰ ইংৰাজী প্ৰবন্ধত কোৱা হৈছিল যে মোৱামৰীয়া বিদ্ৰোহী জনতাই (কোনো সচেতন লক্ষ্য নাথাকিলেও) সামন্তবাদী শোষণৰ অৱসান বিচাৰিছিল আৰু প্ৰাক্‌সামন্তবাদী অৰ্থাৎ জনজাতীয় যুগৰ শোষণহীনতা কামনা কৰিছিল। অৰ্থশাস্ত্ৰীৰ মতে এই ধাৰণা ভুল। তেওঁৰ মতে মোৱামৰীয়া-সকলে গা খাটি দিয়া নিয়মৰ সলনি নগদ ধনেৰে খাজনা দিবলৈ বিচাৰিছিল। সেয়ে হেনো এনে প্ৰচণ্ড বৈপ্লৱিক জাগৰণ হৈছিল! পৰিতাপৰ বিষয় যে বিদ্ৰোহী মোৱামৰীয়া বাইজ অৰ্থশাস্ত্ৰীৰ দৰে শাস্ত্ৰী নাছিল। তেওঁলোকৰ উদ্দেশ্য আৰু মনোভাব ইমান সহজে বুজা নাযায়।

নগদ ধনেৰে খাজনা দিব ওলোৱাটো শাসক শ্ৰেণীৰ বাবে তেনে একো মাৰাত্মক বস্তু নহয়। কিন্তু মোৱামৰীয়াৰ ক্ৰোধ আৰু ক্ষোভ তেনে শীতল বিধৰ বস্তু নাছিল। Edward Gaitৰ ইতিহাসত লেখিছে:

Where the Moamarias held sway, whole village were destroyed, and the inhabitants, robbed of all their possessions' (A History of Assam, Calcutta, 1926, p. 216, P 199 etc, etc.) মোৱামৰীয়াই আন প্ৰজাৰ ওপৰত চলোৱা ব্যাপক লুণ্ঠন আৰু উৎপীড়নৰ কাৰণ কি? নগদ ধনেৰে খাজনা দিয়াত এইবোৰ প্ৰজাই বাধা দিছিল নেকি? "সাতসৰী অসম বুৰঞ্জী"তো (গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৬০) পৃঃ ১২৬, পৃঃ ১৭১ প্ৰভৃতি ঠাইত মোৱামৰীয়াৰ এই ধ্বংসলীলাৰ উল্লেখ আছে। পৃঃ ১৫৪ত লেখিছে: "আউনিআটি দক্ষিণপাটকে মোক্ষ কৰি মাজালিৰ সত্ৰবোৰ পুৰি সত্ৰে সত্ৰে বহুত ভকত কাটিলে।"

এই ধ্বংসলীলাৰ বাবে মোৱামৰীয়াক জগৰীয়া কৰি লাভ নাই। যি সামন্তবাদী ব্যৱস্থাত তেওঁলোক এহাতে অমানুষিক দমননীতি আৰু আৰ্থিক

শোষণৰ আৰু আনহাতে চূড়ান্ত ধৰ্মীয় (জাতিভেদমূলক) অৱমাননা আৰু লাঞ্ছনাৰ বলি হবলগা হৈছিল, তাৰ বিৰুদ্ধে সাধাৰণ প্ৰজাৰ পুঞ্জীভূত ঘৃণা, তিক্ততা আৰু ক্ৰোধৰ ই অগ্ন্যুদগাৰ মাথোন। Commutationৰ দৰে অপেক্ষাকৃত মৃদু সংস্কাৰৰ দাবীতকৈ ই বহুত বেলেগ বস্তু।

অৰ্থশাস্ত্ৰীয়ে উল্লেখ কৰিছে যে মোৱামৰীয়াবিলাকে নিজেও ৰজা পাতিছিল, বিষয়া—আমোলাৰ পদ নিজৰ মাজত ভগাই লৈছিল। এতেকে তেওঁলোকে প্ৰাক্‌সামন্তবাদী ব্যৱস্থাৰ প্ৰত্যাৱৰ্তন বিচৰা নাছিল। অৰ্থশাস্ত্ৰীৰ এই উক্তি আমি পূৰ্বে উল্লেখ কৰা উপকৰণ অধ্যয়ন আৰু জ্ঞাপমৰা দিশৰ অন্যতম প্ৰমাণ মাত্ৰ। গাৰে-ভূএে জুই দি ফুৰা বিদ্ৰোহী মোৱামৰীয়াৰ কেৱল আহোম বিষয়াৰ ঠাইত নিজৰ মানুহক বিষয়া পাতি সন্তুষ্ট থকা বুলা কোৱাটো সত্যৰ অপলাপ। এই কথা ঠিক যে প্ৰথমবাৰ ৰাজধানী দখল কৰি মোৱামৰীয়াসকলে নিজৰ ভিতৰতে ৰজা-বিষয়া পাতিছিল। কিন্তু আহোম শাসনব্যৱস্থা অনুকৰণ কৰাত তেওঁলোক বিশেষ উৎসাহী নাছিল—নহলে ইমান সহজে ৰজাঘৰীয়া মানুহে বিভু মাৰিবলৈ গৈ মোৱামৰীয়াসকলক ক্ষমতাচ্যুত কৰিব নোৱাৰিলেহেঁতেন মোৱামৰীয়া প্ৰজা গাইকৈ আছিল কৃষক, সামন্ত প্ৰভু হোৱাৰ প্ৰবল ধাউতি বা মনোবৃত্তি থকাটো তেওঁলোকৰ ক্ষেত্ৰত সম্ভৱ নাছিল। Edward Gait এ লেখিছে। "Plans to over-throw the rebels) were facilitated by the fact that the great majority of the insurgents had dispersed to their homes and that Ramakanta and his satellites had only a comparatively small number of supporters present in the capital." Op. cit. p.192) পিচৰ কেইবাৰ আহোম শাসন পদ্ধতি অনুকৰণ কৰাৰ সম্ভাৱনা আৰু নাছিল।

মোৱামৰীয়া প্ৰজাক পিচত এজন চুটিয়া মুগীয়ালৰ "বৰসেনাপতি' উপাধিৰ) তলত উত্তৰ পাৰে বহুৰা লৈছিল পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ আমোলত। এই সম্পৰ্কে হোৱাইট চাহাবে জেনকিন্সলৈ লেখিছিল যে সেই সমাজত অসমৰ আন আন ঠাইৰ তুলনাত সাম্যভাৱ অধিক প্ৰবল আছিল ("a greater spirit of equality in the community than to be found elsewehere in Assam"). সমাজৰ বৰমূৰীয়াসকল বাইজৰ নেতা আছিল মাত্ৰ, আৰু বাইজৰ সম্পৰ্ক থকা কোনো সিদ্ধান্তই তেওঁলোকৰ সম্মতিবিনে বৰ

সেনাপতিয়ে লব নোৱাৰিছিল। কৰ-কাটলো প্ৰায় নাছিল বুলিলেই হয়। অৰ্থাৎ আহোম শাসনতন্ত্ৰৰ শোষণ দমনৰ পৰা এই সমাজ বহুলাংশে মুক্ত আছিল। ( দ্ৰষ্টব্য H. Barpujari, Assam in the Days of the Company, Gauhati, 1963, p. 5n ) তাৰ পৰা অনুমান কৰাটো অসংগত নহব যে মোৱামৰীয়াসকলে বিদ্ৰোহৰ বেলিকা এনে এখন সমাজেই বিচাৰিছিল, য'ত সামন্তবাদী শোষণ আৰু বৈষম্যৰ ঠাইত জনজাতীয় স্বাধীনতা আৰু সাম্যভাব অধিক প্ৰবল। **অৰ্থশাস্ত্ৰীৰ দৰে এই বিষয়ে আমি শেষ কথা কৈছোঁ বুলি আমি ভবা নাই। কিন্তু আমি উল্লেখ কৰা সাক্ষ্যপ্ৰমাণৰ গুৰুত্ব নিশ্চয় কম নহয়।**

অৰ্থশাস্ত্ৰীয়ে কৈছে যে উনবিংশ শতিকাত হোৱা বিভিন্ন কৃষক বিদ্ৰোহত স্থানীয় ভূ-সম্পত্তি থকা মানী মানুহেই নেতৃত্ব দিছিল। সেয়ে অসমীয়া মধ্যবিত্তক তাৰ পৰা আঁতৰি থকা বুলিব নোৱাৰি। আৰু অস্ত্ৰ ধৰিবৰ সময়ত মধ্যবিত্ত আঁতৰি থকাটোও অত্যন্ত স্বাভাৱিক ঘটনা—সি কেৱল মধ্যবিত্তৰ weak, vacillating চৰিত্ৰ প্ৰমাণ কৰে, বিপ্লৱৰ পৰা সেই শ্ৰেণী আঁতৰত থকা সুবুজায়। আমাৰ মূল প্ৰবন্ধটো চকু মেলি পঢ়িলে অৰ্থশাস্ত্ৰীয়ে দেখিব যে খাজনাৰ হাৰ বঢ়া বাবে অসমীয়া সম্পত্তিশালী মানুহে প্ৰতিবাদ কৰা বুলিময়ো উল্লেখ কৰিছোঁ। কিন্তু অস্ত্ৰ ধৰাৰ সময়ত তেওঁলোক কুহমীয়া হোৱাৰ ব্যাখ্যা তাত বেলেগ ধৰণে দিয়া হৈছে। ব্ৰিটিছ ৰাজানুগ্ৰহত তেওঁলোকৰ ভূ-সম্পত্তি ৰক্ষা পৰি আছিল, বিদ্ৰোহী প্ৰজাৰ আমোল হলে কি হয় ঠিকনা নাই। সেয়ে ইংৰাজৰ শাসনৰ পৰা মুক্তিৰ লক্ষ্য তেওঁলোকে লব পৰা নাছিল। সংস্কাৰবাদ তেওঁলোকৰ মৰ্মে মৰ্মে সোমাই আছিল। নিধি লেৱাই ফাৰৰেলে "অৰুণোদয়"ত প্ৰজাৰ সশস্ত্ৰ সংগ্ৰামক আক্ৰমণ কৰাত অৰ্থশাস্ত্ৰীয়ে আজি এশবছৰ পিচত ফাৰৰে'লক "নিন্দাৰ পাত্ৰ" বুলি ঘোষণা কৰিছে। পিছে বুৰঞ্জীত নিন্দা বা প্ৰশংসাতকৈ ঘটনাৱলীৰ ব্যাখ্যাহে দৰকাৰী বস্তু। ফাৰৰেলে যেই সেই কাকতত প্ৰজাবিদ্ৰোহক গৰিহণা দিয়া নাছিল। তেওঁ লেখিছিল "অৰুণোদয়"ত। সেই সময়ত নতুনকৈ উঠি অহা শিক্ষিত মধ্যবিত্তৰ মতামত আৰু দৃষ্টিকোণ গঠনত "অৰুণোদয়"ৰ ভূমিকা কি আছিল অৰ্থশাস্ত্ৰীয়ে নিশ্চয় পাহৰা নাই। ঢেকিয়াল ফুকনে কৃতজ্ঞতা আৰু স্বস্তিৰ কি গভীৰ অনুভূতিৰে ৰাজ্যখনক বিশৃঙ্খলা আৰু নৈৰাজ্যৰপৰা ৰক্ষা কৰা বুলি ব্ৰিটিছক সাধুবাদ দিছিল, তেওঁ পুনৰ পঢ়ি চাবু।

অৰ্থশাস্ত্ৰীৰ ধাৰণা যে আহোম শাসনব্যৱস্থাক বা আহোম যুগৰ সমাজক bureaucratic-feudal বোলাতকৈ tribal-feudal বোলাই হেনো ভাল। মোৰ বিবৰণ তেওঁ এই ক্ষেত্ৰত সম্পূৰ্ণ নাকচ কৰি দিয়া নাই, কিন্তু দুটা কাৰণে তাক পৰিহাৰ কৰিবলৈ কৈছে: (১) অসমীয়া সমাজত জনজাতীয় ব্যৱস্থাৰ বহু অৱশেষ আছিল—অৰ্থাৎ সামন্ততন্ত্ৰ অসমত বৰ বেছি দূৰ আগ বাঢ়িব পৰা নাছিল; (২) আমোলাতন্ত্ৰৰ যাই লক্ষণ হ'ল নথিপত্ৰৰ সঘন ব্যৱহাৰ—কিন্তু আহোম শাসনত তাৰ ব্যৱহাৰ আছিল সেৰেঙা। আহোম যুগৰ সামন্ততন্ত্ৰ যে অনুন্নত আছিল, সেই কথা ক'তো মই অস্বীকাৰ কৰা বুলি অৰ্থশাস্ত্ৰীয়ে কব নোৱাৰে। কিন্তু প্ৰধান কথা হ'ল সি আছিল সামন্ততন্ত্ৰ। 'গোট-পাইকৰ নিবন্ধ' অনুযায়ী প্ৰতিজন প্ৰজাই নিয়মিতভাবে ৰজা-বিষয়াৰ খাতপামত গা খাটি দিব লাগিছিল, আলি বন্ধাত লাগিব লাগিছিল, ৰণলৈ যাব লগা হৈছিল। এই ব্যৱস্থাৰ ফলত লাভবান হৈছিল এমুঠি ৰজা বিষয়া আৰু ধৰ্মগুৰুৰ দল। সামন্ততন্ত্ৰৰ প্ৰধান অৰ্থও এয়ে আৰু ইয়াত অস্পষ্টতাৰ থল নাই।

অৰ্থশাস্ত্ৰীয়ে বোধহয় নাজানে যে তাহানিৰ ইংৰাজ পৰ্যবেক্ষকসকলেও আহোম শাসনব্যৱস্থা 'অভিনৱ' যেন দেখিছিল। তাৰ কাৰণ হ'ল তাত সম্ভ্ৰান্ত পৰিয়ালৰ পৰা recruit কৰা আমোলা-বিষয়াৰ প্ৰাদুৰ্ভাৱ। সামন্ততন্ত্ৰ বুলিলে সচৰাচৰ পুৰুষানুক্ৰমে জমিদাৰে ভোগ কৰা ভূ-সম্পত্তি বুজায়। কিন্তু মোগল সাম্ৰাজ্যৰ দৰে আহোমৰ বিষয়াসকলৰ খাত পামো পৰিয়ালৰ পুৰুষানুক্ৰমিক সম্পত্তি নাছিল। বিষয়া পাতিবৰ সময়ত ৰজাই দিছিল, বিষয়া ভঙা গলে বা মৰিলে আকৌ সেই মাটি ৰজাৰ দখললৈ ঘূৰি গৈছিল। মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ ৰজাৰ নিমন্ত্ৰণত অহা কেপ্তেইন বেলছৰ সংগী ডাঃ জন পিটাৰ ৱেইডে লেখিছে:

"The Monarchs confer lands on each on the terms which first characterised the first of the feudal law ... ... ... they received an allotment of land fit for the cultivation of rice, a garden and a house (baree) in that neighbourhood. On the demise of a Fokun (ফুকন) these revert to the Monarch, who bestoweth the latter on the Fokun's successor (An Account of Assam by Dr. John Peter Wade, edt. by

Benudhar Sarmah, Sibsagar 1927 )। এনেকৈয়ে বিষয়াৰ যোগেদি দেশ শাসন কৰা হৈছিল। এইবোৰ বিষয়াৰ লগত নথিপত্ৰৰ সম্পৰ্ক বিশেষ নাছিল। কাৰণ নথিপত্ৰৰ ব্যৱহাৰ অতি উন্নত পৰ্য্যায়তহে সামন্ততন্ত্ৰত ব্যৱহাৰ হয়। প্ৰকৃততে পুঁজিবাদী আমোলতহে এনে প্ৰশাসনত নথিপত্ৰৰ ব্যৱহাৰে তাৰ চূড়ান্ত বিকাশ লাভ কৰে। সেয়ে আহোমৰ বিশেষ শাসন-তন্ত্ৰক bureaucratic-feudal বুলিলে একো জগৰৰ কথা নহয়।

এই সংক্ৰান্ত আলোচনাত feudalism সম্পৰ্কে ঐতিহাসিকৰ মহলত চলি থকা বিবাদ আৰু আলোচনালৈ অৰ্থশাস্ত্ৰীয়ে ইংগিত দিছে। আমি বহুদিনৰে পৰা সেই বিতৰ্ক অনুসৰণ কৰি আহিছোঁ। কিন্তু আমি ভাবোঁ যে খেলিমেলিৰ মাজলৈ নগৈ সুস্পষ্ট অৰ্থত একো একোটা শব্দ ব্যৱহাৰৰ দায়িত্বও ঐতিহাসিকৰ আছে। আজি বহুদিন ধৰি মাৰ্ক্সবাদী মহলত feudalismৰ অৰ্থ ভূমিদাসশোষণ কৰা হৈছে। হঠাতে তাক নাকচ কৰিব পৰা তত্ত্ব অৰ্থশাস্ত্ৰী নালাগে আন কোনেও এতিয়ালৈকে আগবঢ়োৱা নাই।

( ২ )

আমাৰ সহযোগী "আমাৰ প্ৰতিনিধি" আলোচনীখনে ঢুমাহমান টলকা মাৰি থকাৰ পিচত পুনৰ ভুমুকি মাৰিছেহি। ডিচেম্বৰ সংখ্যা "নতুন পৃথিবী"ত প্ৰকাশিত আমাৰ বক্তব্যৰ উত্তৰ স্বৰূপে "অৰ্থশাস্ত্ৰী" মহাশয়ৰ সুদীৰ্ঘ প্ৰবন্ধ এটাও তাত ওলাইছে। আমাৰ সকলো মন্তব্যৰ উত্তৰ তাত দিয়া হোৱা নাই। তেখেতে কৰা প্ৰথম সমালোচনাৰ বহুখিনি কথাই যে তুচ্ছ আৰু অবাস্তৰ তেখেতে বোধহয় অনুভৱ কৰিছে। সি যি নহওক, তেখেতৰ নতুন মতামত সম্পৰ্কেও আমাৰ কিছু কবলগীয়া আছে।

প্ৰথমতে ব্যক্তিগত প্ৰসংগ। আমাৰ বিৰুদ্ধে কোনো ব্যক্তিগত খিয়াল বা বিদ্বেষ হেনো তেখেতৰ নাছিল। বৰঞ্চ মইহে বোলে ক্ৰোধান্ধ হৈ তেখেতৰ নিৰ্মল অন্তৰত কলংক আবিষ্কাৰ কৰিছোঁ। এই সম্পৰ্কে নতুনকৈ বাক-বিতণ্ডা কৰি সময় নষ্ট কৰিবলৈ মোৰ ইচ্ছা নাই। কিন্তু তেখেতৰ কথাত মই পতিয়ন যোৱা নাই। তেখেতৰ মতামতৰ সুৰত আৰু আমাৰ বক্তব্য সাৰাংশ দিওঁতে তেখেতৰ ভংগীত এনে এটা "হামবৰা" বিধৰ মনোভাব আৰু পেংলাই কৰাৰ প্ৰবৃত্তি আছিল যি আমি বৰ্তমান কৰি থকা কামৰ মূল্য সম্পৰ্কে পাঠকৰ মনত অহেতুক সংশয়ৰ উদ্ৰেক কৰিব পাৰে। তেখেতৰ

প্ৰবন্ধৰ ভাষাত অৱশ্যে প্ৰত্যক্ষ গালাগালি নাই। কিন্তু বক্ৰোক্তি আৰু আপত্তিজনক ইংগিত নাই বুলিব নোৱাৰি। তাহানি কবি Popeএ Addisonৰ বিষয়ে কৈছিল—"Willing to wound, yet afraid to strike"। অৰ্থশাস্ত্ৰীৰ প্ৰবৃত্তি জানো তেনে ধৰণৰ নহয় ?

তেখেতে হেনো আমাৰ বক্তব্য ক'তো বিকৃত কৰা নাই। কেৱল হেনো "এঠাইত মাত্ৰ অন্তৰ্নিহিত কথাটো "সম্প্ৰসাৰিত"হে কৰিছিল !! কিন্তু "সম্প্ৰসাৰিত" কৰিবলৈ যাওঁতে "চিলঠিয়া", আদি শব্দৰ ব্যৱহাৰে মূলত নথকা সংকীৰ্ণতাৰ সুৰ এটা ফুটাই তুলিছে নে নাই ? "স্কুল-কলেজৰ সীমা-সংখ্যা নোহোৱা হৈছে" বুলি মই কৈছিলোঁ নেকি ? "Schools and Colleges have mushroomed and are overcrowded", এই বাক্যটোৱে কম সময়ৰ ভিতৰতে অসমত বহুত স্কুল-কলেজ গঢ়ি উঠাহে বুজাইছে। একে সময়তে বাক্যটোৱে সেইবোৰ স্কুল-কলেজৰ অৰ্থনৈতিক দুৰ্গতিবো ইংগিত দিছে। বন্ধনীৰ ভিতৰত অৰ্থশাস্ত্ৰীয়ে দিয়া পেংলাইসূচক ভাষাৰ প্ৰয়োজন আছিলনে ? ("বয়স্কৰ আনকি ভিতৰচুকৰ ল'ৰাছোৱালীৰ প্ৰকৃত প্ৰাথমিক শিক্ষাৰ বন্দবস্ত নোহোৱাকৈয়ে")। এতিয়াও "বিকৃতি" নাই হোৱা বুলি অৰ্থশাস্ত্ৰীয়ে ওকালতি কৰিব নেকি ? আনহাতে অমলেন্দু গুহৰ Assam Tribuneৰ ১৯৫০ চনত ওলোৱা প্ৰবন্ধ আমি আজিও পঢ়িবলৈ পোৱা নাই। কাৰণ Assam Tribuneৰ পুৰণা সংখ্যা সুলভ আৰু সুপৰিচিত নহয়।

অৰ্থশাস্ত্ৰীয়ে আমাৰ কিছুমান মন্তব্য সুবিধা চাই চাই বৰ্জন কৰিছে। কাৰণ কি ? তাকে এবিধ "বিকৃতিকৰণ" বুলিলে ভুল হব নেকি ? উদাহৰণ স্বৰূপে অসমৰ ছাত্ৰশক্তিক যে সমাজবাদী মতাদৰ্শৰ প্ৰতি আকৃষ্ট কৰিব পাৰি, আৰু অসমত যে ছাত্ৰশক্তিৰ এক বিশেষ ভূমিকা আছে, সেই কথাটো Social Scientist 18-19 সংখ্যাত মই কৈছিলোঁ। সেই মৰ্মে মই নিজেও কাম কৰি আছোঁ। কিন্তু Social Scientistৰ সেই সংখ্যাৰ পৰা মোৰ এটা বাক্য উদ্ধৃত কৰি ওপৰোক্ত বিষয়ে মোৰ বক্তব্য কিয় ঢাকি ৰখা হ'ল ? ছাত্ৰৰ ভূমিকা সম্পৰ্কে ১০৩৮ পৃষ্ঠাত অৰ্থশাস্ত্ৰীয়ে কৰা মন্তব্যবপৰা পাঠকৰ এনে ধাৰণা হব যেন সেই সেই বিষয়ে তেওঁহে চিন্তা কৰিছে।

অৰ্থশাস্ত্ৰীয়ে আৰু কিছুমান প্ৰশ্ন উত্থাপন কৰিছে যিবোৰ বহুদিনৰ পৰা ভাৰতৰ বামপন্থী চিন্তাত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। তেখেতৰ অন্য কিছুমান মতামতো গ্ৰহণ কৰাত আমাৰ আপত্তি নাই। কিন্তু আমাৰ প্ৰবন্ধ

(Origins of the Assamese Middleclass) আলোচনাত সেইবোৰ হয় অবান্তৰ, নহয় আমাৰ মন্তব্যৰ পৰিপূৰকহে। উদাহৰণস্বৰূপে আগন্তুক ভাৰতীয় বিপ্লৱ সমাজতান্ত্ৰিক নে জনগণতান্ত্ৰিক, এই প্ৰশ্নটো। অসমৰ মধ্য-শ্ৰেণী জনগণতান্ত্ৰিক বিপ্লৱত নাথাকিব বুলিতো মই কোৱা নাই। কেতিয়া, কিমান পৰিমাণে, কিমান দূৰলৈ থাকিব পাৰে, তাৰ যুক্তিনিৰ্ভৰ, তথ্যনিষ্ঠ আলোচনাৰ প্ৰয়োজন আছে। কিন্তু জনগণতান্ত্ৰিক বিপ্লৱত এই শ্ৰেণীৰ ভূমিকা সংশয়াচ্ছন্ন। এই ক্ষেত্ৰত মাও-ছে-তুঙৰ আলোচনাৰ আহিয়ে আমাক সহায় কৰিব। চীনৰ বিপ্লৱৰ ক্ষেত্ৰতো জাতীয় বুৰ্জোৱাৰ ভূমিকা দোদুল্যমান বুলি মাও-ছে-তুঙে কৈছিল। কিন্তু অৰ্থশাস্ত্ৰীৰ দৰে তাতেই সন্তুষ্ট নাথাকি কি পৰিস্থিতিত এই শ্ৰেণীয়ে বৈপ্লৱিক ভূমিকা লব পাৰে তাক স্পষ্টকৈ নিৰ্ণয় কৰিছিল: "The national bourgeoisie is a class which is politically very weak and vacillating. But the majority of its members may either join the people's demócratie revolution or take a neutral stand.........At the present stage the majority of the national bourgeoisie has a growing hatred of the United States and Chiang Kai-Shek......These circumstances make it necessary and possible for us to win over the majority of the national bourgeoisie and isolate the minority **"On The Question of National Bourgeo'sie And the Enlightened Gentry, 1948)".**

মাও-ছে-তুঙ যেহেতু অৰ্থশাস্ত্ৰীৰ দৰে পণ্ডিত আৰু পাণ্ডিত্যাভিমানী নহয়, সেয়ে কোনো ঘটনাৰ সৰল ব্যাখ্যা নিদি তাৰ বহু বৈশিষ্ট্য আৰু বৈচিত্ৰ্য লক্ষ্য কৰিছে। প্ৰথমতে জাতীয় বুৰ্জোৱাক বিশেষ পৰিস্থিতিতহে জনগণতান্ত্ৰিক বিপ্লৱৰ সহযোগী বুলি কৈছে, আৰু সেই বিশেষ মুহূৰ্ত তথা পৰিস্থিতৰ বাস্তৱ সংজ্ঞা দাঙি ধৰিছে। (মধ্যশ্ৰেণীৰ "দ্বৈত" চৰিত্ৰৰ কথা সূত্ৰ হিচাপে দাঙি ধৰিয়েই অৰ্থশাস্ত্ৰী থাকাচ। আমাক তেওঁ কোৱা নাই কেতিয়া, কেনেকৈ, ক'ত সেই শ্ৰেণীৰ সহযোগিতা পোৱা যাব। বৰং "লেনিন-ষ্টেলিনবাদৰ পৰা কালৰি কটা" আমাৰ প্ৰবন্ধতে কোৱা হৈছিল যে বৃহৎ বুৰ্জোৱাৰ সংকট আৰু শ্ৰমিক শ্ৰেণীৰ সংগ্ৰামী উদ্যম তীব্ৰ হলেহে সেই সহযোগিতা আহিব) দ্বিতীয়তে মাও-ছে-তুঙক অনুসৰণ কৰি আমি কব পাৰোঁ। যে বিপ্লৱৰ বিৰোধিতা নাইবা

সমৰ্থন কৰাই মধ্যশ্ৰেণীৰ একমাত্ৰ ৰাস্তা নহয়। মধ্যশ্ৰেণী নিৰপেক্ষ হৈও থাকিব পাৰে। নিৰপেক্ষ থাকিলে জনগণতান্ত্ৰিক বিপ্লৱৰ নিশ্চয় সুবিধা হ'ব। কিন্তু নিৰপেক্ষ থকা আৰু বিপ্লৱত সক্ৰিয় সহযোগিতা কৰা একে কথা নহয়। তৃতীয়তে অৰ্দ্ধ ঔপনিবেশিক দেশৰ জাতীয় বুৰ্জোৱাৰ দৰে অসমৰ মধ্যশ্ৰেণীও এটা সম্পূৰ্ণ ঐক্যবদ্ধ শ্ৰেণী নহয়, তাৰে এদল হয়তো শেষ পৰ্যন্ত ভাৰতীয় বৃহৎ বুৰ্জোৱাৰ দালাল বা গোমস্তা হৈ থাকিব, এদলে হয়তো দাসত্বৰপৰা মুক্তি বিচাৰিব। অৰ্থশাস্ত্ৰীৰ প্ৰবন্ধৰ পৰা এনে ধৰণৰ দিগ্‌দৰ্শক বিশ্লেষণ পালে আমিও উপকৃত হলোহেঁতেন। কিন্তু তেখেতৰ পাণ্ডিত্যগৰ্বই এনে গুৰুত্বপূৰ্ণ অৱদানৰপৰা তেখেতক দূৰত ৰাখিছে।

জনগণতান্ত্ৰিক আন্দোলনত কৃষকশ্ৰেণীৰ ভূমিকা মধ্যশ্ৰেণীৰ ভূমিকাতকৈ বহু বেছি গুৰুত্বপূৰ্ণ আৰু জৰুৰী প্ৰশ্ন। **এই কথা পাহৰিলে নহব যে মধ্যশ্ৰেণীৰ নহয়, কৃষকৰ ভূমিকাইহে** জনগণতান্ত্ৰিক বিপ্লৱৰ বিশিষ্ট **চৰিত্ৰ নিৰ্ণয় কৰে।** কিন্তু সেই কথা আলোচনা কৰাটো মোৰ মূল প্ৰবন্ধৰ বিষয়ৰ বহিৰ্ভূত আছিল। সেই সম্পৰ্কে অৰ্থশাস্ত্ৰীৰ 'গোকোজা' যেনতেন প্ৰকাৰেণ "খুঁত উলিওৱা" প্ৰবৃত্তিৰে প্ৰকাশ।

মোৰ প্ৰবন্ধৰ এটা বাক্য লৈ আপত্তি কৰা হৈছে: "But one is almost certain that the basic reasons for backwardness and stagnation can be removed only in a Socialist India". তাৰ অৰ্থ কৰিবলৈ গৈ অৰ্থশাস্ত্ৰীয়ে কৈছে যে মই জনগণতান্ত্ৰিক বিপ্লৱৰ পৰ্যায় অস্বীকাৰ কৰিছোঁ! মাও-ছে-তুঙে তেওঁৰ **'On the Correct Handling of Contradictions Among The People'** (1957) নামে বিখ্যাত ৰচনাত কৈছে: "When the people overthrew the rule of imperialism, feudalism and bureaucrat-capitalism, many were not clear as to which way China should head—toward capi talism or towards Socialism. Facts have now provided the answer: only Socialism can save China. The Socialist system has promoted the rapid development of the productive force of our country......ইয়াত জনগণতান্ত্ৰিক বিপ্লৱৰ তত্ত্বৰ জনক মাও-ছে-তুঙে নিজেই জনগণতন্ত্ৰৰ উল্লেখ কৰা নাই। কিয়? কাৰণ তেওঁ জানে যে জনগণতন্ত্ৰ হ'ল অৰ্দ্ধ ঔপনিবেশিক দেশত সমাজতন্ত্ৰৰ পূৰ্ববৰ্তী পৰ্যায় বা

সোপান মাত্র। মোৰ উক্তিতো basic reasonsৰ কথাহে কৈছোঁ। গতিকে আশু কৰ্মসূচী বা immediate progrnmme ৰ কথা কোৱা হোৱা নাই। সেয়ে অৰ্থশাস্ত্ৰীৰ সঁকিয়নি নিৰৰ্থক।

অসমীয়া আৰু "ছিলটিয়া" ৰ বিৰোধ যে সাম্ৰাজ্যবাদী শোষণত ব্যাহত বিকাশৰ লগতে সাম্ৰাজ্যবাদী ষড়যন্ত্ৰৰ ফল, সেই সম্পৰ্কে অৰ্থশাস্ত্ৰীৰ মন্তব্য আপত্তিজনক নহলেও মৌলিক নহয়। বহুজনে বহু প্ৰসংগত এই কথা ইতিপূৰ্বে কৈছে, আমিও কৈছোঁ। এনেবোৰ বিষয় কিয় উত্থাপন কৰা হৈছে বুজি নাপালোঁ। 'ছিলটিয়া' প্ৰসংগত অৰ্থশাস্ত্ৰীয়ে নিজৰ দোষ স্বীকাৰ কৰা হলেই লেঠা ছিগিলহেঁতেন। কিন্তু দোষস্বীকাৰ কৰাত আমাৰ সমালোচকসকল সদায় লাজুক!

অসমীয়া মধ্যশ্ৰেণীৰ ফেছিবাদী প্ৰবণতা অৰ্থশাস্ত্ৰীৰ মতে একো ডাঙৰ কথা নহয়। কাৰণ তেখেতৰ মতে ফেছিবাদৰ সৈতে মনোপলি বুৰ্জোৱাৰ অঙ্গাঙ্গী সম্পৰ্ক। তাৰোপৰি মতাদৰ্শগত সংগ্ৰাম আৰু উপযুক্ত tactics ৰে সেই অপায় খণ্ডাব পৰা যাব বুলিয়েই তেখেতৰ বিশ্বাস। জাৰ্মানী আৰু ইটালিত মনোপলি বুৰ্জোৱাই ফেছিবাদী ৰূপ লবৰ সময়ত তাত শ্ৰমিকশ্ৰেণীৰ দলবোৰ দুৰ্বল নাছিল, মতাদৰ্শগত সংগ্ৰামো যথেষ্ট হৈছিল। আনহাতে ৰজনী পাম দত্তই আশা কৰা দৰে ৰুজভেল্টৰ আমেৰিকা ফেছিবাদী নীতিৰ মঞ্চ হৈ নপৰিল। ফেছিবাদ সম্পৰ্কে এই নিঃশংক মনোভাবৰ ফলতেই তাৰ যথাযথ বিশ্লেষণ নোহোৱাকৈ নিঃশংক আশাবাদেৰে ফেছিবাদৰ ভূত জাৰিবলৈ ওলোৱা অৰ্থশাস্ত্ৰীক অভিনন্দন জনালোঁ। ইতিমধ্যে বহু আন্তৰ্জাতিক মাৰ্ক্সবাদী পত্ৰিকাত ফেছিবাদ আৰু মধ্যশ্ৰেণীৰ সম্পৰ্ক সম্বন্ধে নতুন আলোচনালৈ তেখেতৰ দৃষ্টিও আকৰ্ষণ কৰা হ'ল।

অসমত কংগ্ৰেছৰ ইতিহাস সম্পৰ্কে মই বিশদ অধ্যয়ন কৰা নাই, আৰু অৰ্থশাস্ত্ৰীৰ মতে তেখেতৰ ধাৰণাই সেই সম্পৰ্কে একমাত্ৰ সত্য। তেখেতৰ ৰচনাত ইতিমধ্যে প্ৰকাশ পোৱা সাক্ষ্যপ্ৰমাণ সম্পৰ্কে অভিজ্ঞতাবাদী মনোভাবৰ বাবে তেখেত সত্যৰ পৰা দূৰত থাকিব বুলিলেই আমাৰ ভয়। সি যি নহওক, আমাৰ ধাৰণা কি ইমানেই ভুল? প্ৰথম মহাযুদ্ধৰ আগতে আনুষ্ঠানিকভাবে কংগ্ৰেছ অসমত আছিল। কিন্তু তাৰ প্ৰভাৱ আৰু ভূমিকা কেনে আছিল?

এই প্ৰসংগত অৰ্থশাস্ত্ৰীৰ মন্তব্যতকৈ নিশ্চয় গুৰুত্ব দিব লাগিব নিষ্ঠাবান

আৰু আদৰ্শবান কংগ্ৰেছ কৰ্মী কৃষ্ণ শৰ্মাৰ উক্তিৰ ওপৰত। কৃষ্ণ শৰ্মাই কি কয় ?

: "সেই সময়ৰ অসমৰ ৰাজনৈতিক সন্মিলন আৰু অসম সাহিত্য সভাৰ অধিবেশন শিৱসাগৰত ১৯১৮/১৯১৯ চনত বহিছিল...ৰাজনৈতিক আন্দোলন সেই সময়ত আছিল মাথোন এয়ে যে চৰকাৰৰ ঘৰত অসমীয়াই ভাল কাম পাব লাগে, অসমীয়া ভাষাৰ উন্নতি কৰিব লাগে, অসমীয়া ল'ৰাক উচ্চশিক্ষা বেছিকৈ দিব লাগে ইত্যাদি। আজিকালিৰ দিনৰ কংগ্ৰেছৰ কোনো কথাৰ নামগোন্ধো নাছিল।" ( কৃষ্ণ শৰ্মাৰ ডায়েৰী পৃঃ ১২ )

মহাযুদ্ধৰ পিচৰ ৰাজনীতিৰ স্বৰূপ উদঘাটিত হ'ল তেজপুৰৰ ৰাজনৈতিক সন্মিলনত। সেই সম্পৰ্কে কৃষ্ণ শৰ্মাই লেখিছে : "অসমৰ ৰাজনীতিৰো পৰিবৰ্তন হবৰ সময় পাৰ হৈ গ'লহি। তৰুণ অসমে ভাৰতৰ ৰাজনীতিৰ খোজতে খোজ মিলাই দিবলৈ প্ৰস্তুত হ'ল। এতিয়ালৈকে অসমে কংগ্ৰেছ আন্দোলনত ভাগ লোৱা নাছিল। ...এতিয়া ৰাজনৈতিক আন্দোলন অসমীয়াই বেলেগে কৰাৰ কথা ভাবিবই নোৱাৰি। কাজেই ইয়াৰ বৃহৎ ভাৰতীয় ৰাজনৈতিক আন্দোলনে অসমক সাবট মাৰি ধৰিলেহি" (পৃঃ ১৬-১৭)। সেই ঠাইতে কৃষ্ণ শৰ্মাই স্পষ্টকৈ কৈছে যে তেজপুৰ সন্মিলনৰ পিচতহে অসম এছোচিয়েশ্যনৰ প্ৰভাৱ টুটি আহে আৰু কংগ্ৰেছ প্ৰবল হয়। অৰ্থশাস্ত্ৰীয়ে স্বীকাৰ কৰিব লাগিব যে ইয়াতকৈ বেলেগ ধৰণৰ কথা আমি কোৱা নাছিলোঁ !!

কিছুমান কথাত আমাৰ লগত অৰ্থশাস্ত্ৰীয়ে কিয় উচ্চস্বৰে বিতৰ্ক কৰিছে বুজা নাযায়। ১৮৮৫ চনৰপৰা ১৯০৫ চন পৰ্যন্ত কংগ্ৰেছ আছিল নৰমপন্থীৰ হাতত আৰু ১৯০৫ চনৰ পিচতহে বংগভংগ আন্দোলনৰপৰা চৰমপন্থী জাতীয়তাবাদ প্ৰকট হয়। এই কথা অৰ্থশাস্ত্ৰীয়েও কৈছে আমিও কৈছোঁ। কিন্তু সেই চৰমপন্থী জাতীয়তাবাদ (লেনিনে ১৯০৮ চনত তিলকৰ মাজত ভাৰতৰ জাতীয় স্বাধীনতাৰ বিপ্লৱৰ নেতৃত্বৰ সম্ভাৱনা দেখিছিল ) অসমত প্ৰভাৱশূন্য আছিল পোন্ধৰ বছৰমান ধৰি। মোৰো মূল বক্তব্য এয়েই আছিল। আৰু তাৰপৰাই মই সিদ্ধান্ত কৰিছিলোঁ যে জাতীয়তাবাদী চিন্তাধাৰাৰ ঢৌ অসমত পলমকৈ সোমায়। সেই সম্পৰ্কে মোৰ সিদ্ধান্ত খণ্ডন নকৰি বহু বিভিন্ন তথ্যপাতিৰ যোগান ধৰি অস্পষ্টতা সৃষ্টি কৰাটো অৰ্থশাস্ত্ৰীৰ এটা নিজস্ব ৰণকৌশল।

অসমত কংগ্রেছ সম্পর্কে অর্থশাস্ত্রীয়ে দিয়া তথ্যপাতি তেখেতে অকাট্য আৰু চূড়ান্ত বুলি ভাবিব পাৰে, কিন্তু আমাৰ মতে তেখেতৰ কিছুমান তথ্য সঠিক হলেও বিশ্লেষণ দুৰ্বল। সাক্ষ্য-প্ৰমাণৰ ব্যৱহাৰত তেখেতৰ মনোভাব অবৈজ্ঞানিক। অসমত কংগ্রেছৰ ইতিহাস সম্পর্কে তেখেতৰ মনোভাব "তিলকে তাল কৰা" বিধৰ।

অসমৰ এমুঠি শিক্ষিত মধ্যবিত্তই বিশেষকৈ কলিকতাত উচ্চশিক্ষা লাভ কৰি যি ৰাজনৈতিক চেতনা লভিছিল, ভাৰতীয় কংগ্রেছত যোগদান বা তাক সমর্থন কৰাটো তাৰেই লক্ষণ আছিল মাত্র। কংগ্রেছৰ তৰফৰ পৰাও এনে প্রতিনিধিক স্বাগতম জনোৱা হৈছিল। ( আমি আজিকালিও লক্ষ্য কৰোঁ যে সর্বভাৰতীয় বামপন্থী অনুষ্ঠানলৈ যোৱা অসমীয়া প্রতিনিধিয়ে অসমত প্রায়ে বামপন্থী সংগঠনৰ প্রকৃত শক্তিৰ ইংগিত নিদিয়ে )। তলত দিয়া বৈশিষ্ট্যবোৰ বিশেষভাবে উল্লেখযোগ্য :

(১) অর্থশাস্ত্রীয়ে দিয়া তালিকাখনতে দেখা যায় যে ১৯০৪ চনৰ পৰা ১৯১৬ চনলৈ কংগ্রেছলৈ অসমৰ প্রতিনিধি নাই যোৱা। কংগ্রেছৰ সংগঠন আৰু প্ৰভাৱ অসমত ব্যাপক আৰু গভীৰ হোৱাৰ ই প্ৰমাণ নহয়।

(২) ১৮৯২ চনত "জোনাকী"ৰ সম্পাদক হিচাপে (!) বেজবৰুৱাই কংগ্রেছলৈ প্রতিনিধি হিচাপে যায়। সেই 'জোনাকী'ৰে প্রথম সংখ্যাত তাৰ উদ্দেশ্য ঘোষণা কৰি ১৮৯০ চনত লেখা হৈছিল যে "ৰাজনীতি আমাৰ উদ্দেশ্য নহয়।"

(৩) A. O. Humeৰ দ্বাৰা প্রতিষ্ঠিত কংগ্রেছৰ উদ্দেশ্য যে আদিতে ব্রিটিছ ৰাজশক্তিক ভাৰতীয় প্রজাৰ হতুৱাই সমর্থন দিয়া, সি সকলোৰে জনা কথা। অতএব আমি **Social Scientist** আৰু "নতুন পৃথিবীত" স্পষ্টকৈ উল্লেখ কৰা জাতীয়তাবাদী লক্ষ্যৰ প্রশ্নই কংগ্রেছৰ প্রথম যুগত নুঠে।

(৪) নবীন বৰদলৈৰ বিলাত যাত্ৰাৰ তাৎপর্য্য অর্থশাস্ত্রীয়ে ধৰিব পৰা নাই। সর্বভাৰতীয় অনুষ্ঠানৰ সংগঠন আৰু চিন্তাধাৰাৰ লগত অসমৰ সম্পর্ক কেনে শিথিল আৰু ক্ষীণ আছিল সি তাৰে প্রমাণ। অর্থশাস্ত্রীয়ে কোৱাদৰে জালি-ৱানালাবাগৰ প্ৰভাৱত শাসন সংস্কাৰৰ বিৰুদ্ধে প্রতিবাদ উঠা নাছিল। বৰদলৈ আৰু বৰুৱা অসমৰপৰা যাবলৈ ওলাওঁতেই প্রস্তাৱিত শাসনসংস্কাৰৰ বিৰুদ্ধে দেশজুৰি ক্ষোভ পুঞ্জীভূত হৈছিল আৰু তেওঁলোক বিলাতত থাকোঁতেই তাৰ বিৰুদ্ধে ব্যাপক প্রতিবাদৰ ঢৌ দেশত বাগৰি গৈছিল। ১৯১৯ চনৰ

ডিচেম্বৰ কংগ্ৰেছত তাক "unsatisfactory, inadequate and disappointing" আখ্যা দিয়া হৈছিল। এনে অস্বাভাৱিক পৰিস্থিতি হৈছিল এইবাবেই যে কংগ্ৰেছৰ সৰ্বভাৰতীয় লক্ষ্যৰ লগত অসমৰ ৰাজনীতিৰ ঘনিষ্ঠ সম্পৰ্ক নাছিল। অথচ সৰ্বভাৰতীয় সংগঠন আৰু সংগ্ৰামৰ অংশ নোহোৱাকৈ ঔপনিবেশিক ব্ৰিটিছ শাসনৰ বিৰুদ্ধে কাৰ্যকৰী সংগ্ৰাম অসমত গঢ়ি উঠাটো সম্ভৱ নাছিল।

সেয়ে আমি কবলৈ বাধ্য হৈছোঁ যে অৰ্থশাস্ত্ৰীৰ মতামতত আমি বহুত গোলমাল পাইছোঁ।

( ৩ )

"অৰ্থশাস্ত্ৰী"য়ে মোৰ প্ৰবন্ধ সম্পৰ্কে কব খোজে যে তাৰ বিৱৰণমূলক অৰ্থাৎ তথ্যমূলক অংশটোত একো নতুনত্ব নাই আৰু তাৰ নীতিমূলক বা তত্ত্বগত অংশটোত গুৰুতৰ ভ্ৰান্তি আছে। তাৰ উপৰিও তেখেতে কব খোজে যে এই ক্ষেত্ৰত আগৰ বিদ্বানসকলক স্বীকৃতি নিদিয়াকৈ মই ডাংকোপ মাৰি ফুৰিছোঁ।

শেষোক্ত অভিযোগৰ উত্তৰত মই কব খোজোঁ যে অসম প্ৰকাশন পৰিষদে উলিওৱা এক বহুপ্ৰচাৰিত স্মৃতিগ্ৰন্থত ( গ্ৰন্থ প্ৰকাশ, ১৯৭৩ ) মই অমলেন্দু গুহ প্ৰমুখ্যে কেইজনমান পূৰ্বসূৰীৰ নাম উল্লেখ কৰিছোঁ। আনহাতে এনেধৰণৰ ভুল পণ্ডিত সমাজত একেবাৰে বিৰল নহয়। উদাহৰণস্বৰূপে **From Tribalism to Feudalism** নামৰ সম্প্ৰতি প্ৰকাশিত ( মাচ, ১৯৭৮ ) এটা প্ৰবন্ধত লেখক অমলেন্দু গুহই উল্লেখ কৰিবলৈ পাহৰিছে যে "শ্ৰীমন্ত শংকৰ আৰু অসমৰ ইতিহাস" নামৰ প্ৰবন্ধত তেখেতকৈ আগতে অথচ তেখেতে আলোচনা কৰা সমস্যাতেই আলোকপাত কৰিবলৈ মই চেষ্টা কৰিছিলোঁ। সম্ভৱতঃ সেয়েই এই বিষয়ে প্ৰথম আলোচনা।

তেখেতে যদিও কৈছে যে বিৱৰণমূলক কথাখিনিত কোনো নতুনত্ব নাই, তথাপি তেখেতে তথ্যৰ স্তৰৰ পৰাও কেতবোৰ ভুল-ভ্ৰান্তি বাহিৰ কৰিছে। এই ভুলবোৰতো নতুনত্ব নাই নেকি? সি যি নহওক, তেখেতে দেখুৱা "ভুল"বোৰ ইমান সহজে মানি লব নোৱাৰি। ইতিপূৰ্বে দেখুৱা হৈছে যে পৰীক্ষামূলক ( critical ) বৈজ্ঞানিক দৃষ্টিভংগীৰ অভাৱত তেখেতে বহু তথ্যৰ আচল তাৎপৰ্য্য বা ওজন ধৰিব পৰা নাই। উদাহৰণস্বৰূপে আমি

আঙুলিয়াই দিছিলোঁ। যে ভাৰতীয় জাতীয় কংগ্ৰেছলৈ যি কেইবছৰ ধৰি অসমৰ পৰা প্ৰতিনিধি যোৱাৰ হিচাপ নাই, সেই কেইবছৰতে ভাৰতত তিলক প্ৰমুখ্যে নেতাৰ নেতৃত্বত এক ব্ৰিটিছবিৰোধী জাতীয়তাবাদী ভাবধাৰা সবল হৈ উঠে। (তাৰ কাৰণ কেৱল পূৰ্ববংগৰ লগত চামিলকৰণ নহয়।) বংগভংগ আন্দোলন, সন্ত্ৰাসবাদৰ অভ্যুত্থান প্ৰভৃতি লক্ষণে তাত বৰঙণি যোগায়। তেনে এটা বছৰতে ১৯১২ চনতে লক্ষ্মীনাথ বেজবৰুৱাই অসমৰ ছাত্ৰ সন্মিলনত ৰাজভক্তিৰ আবেগত বিহ্বল হয়। তেনেস্থলত জাতীয়তাবাদী চিন্তাধাৰা অসমৰ মাটিত গঢ় লওঁতে পলম হৈছিল বুলিলে কি অপৰাধ কৰা হয়?

মূল প্ৰবন্ধত মই কৈছিলোঁ যে প্ৰথম মহাযুদ্ধলৈকে অসমত কংগ্ৰেছৰ জাতীয়তাবাদী চিন্তাধাৰাৰ প্ৰভাৱ নগণ্য আছিল। প্ৰতিবাদ কৰি অৰ্থশাস্ত্ৰীয়ে কৈছে যে ভাৰতৰ আন প্ৰান্ততো জাতীয়তাবাদী আৰু সংগ্ৰামী মনোভাৱ তেতিয়ালৈকে প্ৰবল নাছিল। আগৰ অনুচ্ছেদত কোৱা হৈছে যে তেখেতৰ সেই ধাৰণা ভ্ৰান্ত। তাৰ উপৰিও এটা বিশেষ ঘটনা সম্পৰ্কে প্ৰতিবাদ উঠিছে। মন্টেগু চেম্‌ছফৰ্ড শাসনসংস্কাৰৰ পৰা অসম বাদ পৰি যোৱাত অসমৰ হকে ওকালতি কৰিবলৈ কৰ্মবীৰ নবীন বৰদলৈ বিলাত পাইছিলগৈ, অথচ ভাৰতৰ আন প্ৰান্তত সেই শাসন সংস্কাৰৰ আঁচনিক গৰিহণা দিয়া হৈছিল। "অৰ্থশাস্ত্ৰী"ৰ মতে মোৰ অনুমান ভুল। তেখেতৰ মতে ভাৰতৰ আন প্ৰান্তত অসমৰ দৰেই প্ৰথমতে শাসন-সংস্কাৰৰ আঁচনিৰ প্ৰতি জনগণ সহানুভূতিশীল আছিল, জালিয়ানৱালাবাগেহে সকলো বদলাই দিলে।

কথাটো সঁচানে? শাসন সংস্কাৰৰ প্ৰতি ভাৰতৰ জাতীয় আন্দোলনৰ নেতাসকলৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া আছিল নৈৰাশ্য, বিতৃষ্ণা আৰু ক্ষোভৰ। বালগংগাধৰ তিলকে লগে লগেই বিবৃতি দিলে যে এই আঁচনিখন কোনোমতেই সমৰ্থন কৰিব নোৱাৰি—"entirely unacceptable." মাদ্ৰাজৰ (বৰ্তমানৰ তামিলনাডু) পোদ্ধৰজন বিশিষ্ট নেতাই আনকি প্ৰতিবেদনখন প্ৰকাশ হবৰ দিনাই তাক সম্পূৰ্ণ বিবেচনাৰ অযোগ্য বুলি গৰিহণা দিলে। ১৯১৮ চনৰে ১১ জুলাই তাৰিখে বংগৰ প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ অধিৱেশনত গৰিষ্ঠ সংখ্যক সদস্যই চিত্তৰঞ্জন দাসৰ নেতৃত্বত শাসন সংস্কাৰৰ আঁচনিখন বৰ্জন কৰাৰ সপক্ষে মত দিয়ে। আনকি কংগ্ৰেছৰ উদাৰপন্থী ব্ৰিটিছ নেত্ৰী এনি বে'ছান্তেও কলে যে আঁচনিখন "unworthy to be offered by England or to be accepted by India." এই কথা ঠিক নৰমপন্থী নেতাসকলে

আঁচনিখন গ্ৰহণ কৰে। কিন্তু এই কাৰণতে তেওঁলোকে সুৰেন্দ্ৰনাথ বেনাৰ্জীৰ নেতৃত্বত ১৯১৮ চনৰ ১ নবেম্বৰৰ দিনা সভা পাতি ভাৰতৰ জাতীয় কংগ্ৰেছৰ পৰা ওলাই আহিবলৈ সিদ্ধান্ত লয়। এইবোৰ কথা ভাৰতৰ সাংবিধানিক ইতিহাসৰ সাধাৰণ তথ্য। কি পাণ্ডিত্যৰ গুণত অৰ্থশাস্ত্ৰীয়ে এইবোৰ কথা উৰাই দিবলৈ প্ৰয়াস পাইছে?

জালিয়ানৱালাবাগৰ ঘটনা ভাৰতৰ জাতীয় আন্দোলনত এটা জলচ্ছেদ নিশ্চয় হয়। কিন্তু সি বিচ্ছিন্ন ঘটনা নহয়। সমগ্ৰ ভাৰত জুৰি ব্ৰিটিছ চৰকাৰৰ নিষ্ঠুৰ আৰু অন্যায় দমননীতিৰ বিৰুদ্ধে (বিশেষকৈ কুখ্যাত ৰাওলাট এক্টৰ বিৰুদ্ধে) যি বিদ্ৰোহ দেখা দিছিল, গান্ধীজীয়ে যাৰ বিৰুদ্ধে "ৰাওলাট সত্যাগ্ৰহ" ঘোষণা কৰিছিল, জালিয়ানৱালাবাগৰ ঘটনা আছিল তাৰেই শীৰ্ষবিন্দু।

Edward Thompson আৰু C. T. Garratt নামৰ দুজন সাম্ৰাজ্যবাদী ব্ৰিটিছ ঐতিহাসিকেও ব্ৰিটিছ আমোলতে স্বীকাৰ কৰিছিল যে ১৯১৮ চনটো বহু দিনৰে পৰা ভাৰতৰ জাতীয় আন্দোলনত তাৎপৰ্যপূৰ্ণ। তেওঁলোকে লিখিছে: "The disturbances which occurred in March and April, 1919, seem to have been spontaneous outburst of popular feeling due to economic as well as political discontent."

**(Rise and Fulfilment of British in India.**
Reprint 1973, Allahabad, p. 609)

১৯১৮ চনত এই দুই ঐতিহাসিকৰ মতে মহাযুদ্ধই ভাৰতৰ জনগণক বেয়াকৈ আঘাত কৰিলে। খাদ্যবস্তুৰ দাম বাঢ়িল, ৰে'লৰেত বিশৃংখলা ঘটা বাবে খাদ্যদ্ৰব্য বিতৰণত গোলমাল লাগিল, আৰু কম মজুৰিৰ বাবে বাইজৰ মনত অসন্তোষ বাঢ়িল। যুদ্ধৰ পৰা উভতি অহা "নামকটা" চিপাহীবিলাকে গাৱেঁ-ভূঞে অসন্তোষ আৰু সমালোচনাৰ বীজ ছটিয়াই দিলে। ফলত হ'ল কি?

"A number of factors, more or less concerned with the war, carried nationalist sentiments into classes which had been previously almost immune from political influence'. (Op-cit p. 603).

সাম্ৰাজ্যবাদী ঐতিহাসিক দুজনে কোৱা নাই যে সাম্ৰাজ্যবাদী দেশবোৰৰ সংকটৰ প্ৰমাণ হ'ল মহাযুদ্ধ। কিন্তু এই সংকটৰ বোজা সিহঁতে হেঁচি দিলে উপনিবেশৰ জনগণৰ কান্ধলৈ। তাৰ ফলত আৰম্ভ হ'ল দেশজোৰা প্ৰতিক্ৰিয়া।

ভাৰতৰ স্বাধীনতা আন্দোলন এক নতুন স্তৰলৈ উন্নীত হ'ল। সেই জোকাৰণিতে অসমকে আদি কৰি অনগ্ৰসৰ প্ৰান্তবোৰতো নতুন জাতীয় ভাব প্ৰবল হৈ উঠিল।

প্ৰসংগক্ৰমে কব পাৰি যে "ৰাইজ উঠা" বা "ৰাইজ মেল" সম্পৰ্কে অৰ্থ-শাস্ত্ৰীয়ে ভুল তথ্য পৰিবেশন কৰিছে, অলপতে আমি তাৰ প্ৰমাণ পাইছোঁ। মূল প্ৰবন্ধত আমি কৈছিলোঁ যে নতুন অসমীয়া মধ্যবিত্তই "ৰাইজমেল" বা "ৰাইজ উঠা" প্ৰভৃতি কৃষক ৰাইজৰ বিদ্ৰোহত বিশেষ সঁহাৰি দিয়া নাছিল। অৰ্থশাস্ত্ৰীৰ মতে কিন্তু "ৰাইজমেল" বোৰৰ নেতা আছিল অসমীয়া মধ্যবিত্ত শ্ৰেণীৰে মানুহ। অতএব এওঁলোকৰ বিপ্লবী ভূমিকাও নোহোৱা নহয় !!!

এই সম্পৰ্কে আমি বিস্তাৰিত তথ্য সংগ্ৰহ কৰিছোঁ, আৰু ভবিষ্যতে সেই-বোৰ তথ্য আৰু তাৰ ব্যাখ্যা আমি প্ৰকাশ কৰিম। থুলমূলকৈ এতিয়া ইয়াকে কব পাৰি যে চাকৰিজীৱী আৰু মৌজাদাৰ মানুহখিনিহে নতুন অসমীয়া মধ্য-বিত্তৰ প্ৰতিনিধি আছিল আৰু এওঁলোকে "ৰাইজমেল"ৰ বিৰুদ্ধে গৈছিল, তাক দমন কৰাত সহায় কৰিছিল। সৰ্থেবাৰীৰ ব্যাপক প্ৰজাবিদ্ৰোহৰ মূল কাৰণ আছিল খাজনা সধা দাসৰাম চৌধুৰী মৌজাদাৰ, হলিৰাম মণ্ডল আৰু সিহঁতৰ ৰক্ষাকৰ্তা অসমীয়া হাকিমৰে মইমতালি। ৰঙিয়াতো ৰাধানাথ তহবিলদাৰে সাবা আৰু পিয়াদা লগাই খাজনাৰ বাবে প্ৰজাক বৰ উৎপীড়ন কৰিছিল। ৰাধানাথ আছিল গুৱাহাটীৰ মধ্যশ্ৰেণীৰ মানুহ।

অৰ্থশাস্ত্ৰীৰ মতে পুষ্পৰাম কঁহাৰেই এইবোৰ জাগৰণত একমাত্ৰ বিপ্লবী কৃষকনেতা আছিল। কথাটো সঁচা নহয়। সৰ্থেবাৰীত পুষ্পৰাম কঁহাৰৰ সতীৰ্থ আছিল জনকী কঁহাৰ, কাণকটা মেলকী, অভয় মেলকী, সিন্ধু পাঠক, ধকো গাওঁবুঢ়া প্ৰভৃতি। ৰঙিয়াত মুক্তাৰাম বায়ন প্ৰভৃতিৰ নাম পোৱা যায়।

নগাৱঁৰ ফুলগুৰিত ডেপুটি কমিছনাৰক বধ কৰা চিপচিং নৰচিং আৰু বাহুবলী "গণ্যমান্য" ঘৰৰ নাছিল। ফুলগুৰিৰ 'ধেৱা' আৰু 'পথৰুঘাটৰ ৰণ'ক 'অৰুণোদয়'ৰ দৰেই অৰ্থশাস্ত্ৰীয়ে কিয় উৰাই দিছে ভাবি চাবলগীয়া।

সৰ্থেবাৰীৰ "ৰাইজমেল"ত চৰকাৰৰ প্ৰতিনিধি হিচাপে বিশিষ্ট আধুনিক অসমীয়া মধ্যবিত্ত মাধৱ চন্দ্ৰ বৰদলৈয়ে ৰাইজক অপমান কৰিছিল, দুৰ্ব্যবহাৰ কৰিছিল, দমন কৰিছিল। গোলমালটো লাগিছিল খাজনা-শোষণৰ হেঁচা বাঢ়ি অহা বাবে। আচৰিত নহয় মণ্ডল-হাকিম-মৌজাদাৰ-চিৰস্তাদাৰৰ দলে আৰু তেওঁলোকৰ সতি-সন্ততিয়ে "ৰাইজমেল"ৰ বৈপ্লবিক লক্ষণসমূহৰ প্ৰতি

সহানুভূতি দেখুৱা নাছিল। "অৰুণোদয়" কাকতত ব্ৰিটিছবিৰোধী বক্তব্য প্ৰকাশ অৱশ্যে নহৈছিল, কিন্তু প্ৰজাৰ হৈ খাজনাশোষণৰ বিৰুদ্ধে কোনোবাই কিবা লেখিছিলনে? সঁচা কথা, সমাজৰ এভাগ মানী মানুহ প্ৰজাৰ লগত আছিল। কিন্তু তেওঁলোক নতুন মধ্যবিত্তৰ অগ্ৰণী অংশ নিশ্চয় নাছিল।

মোৱামৰীয়া বিদ্ৰোহ সম্পৰ্কে আমাৰ বক্তব্য স্থানান্তৰত বহলাই প্ৰকাশ কৰা হব। কিন্তু 'অৰ্থশাস্ত্ৰী'ৰ মতামত কি? তেখেতে অমলেন্দু গুহৰ ১৯৫১ চনৰ প্ৰবন্ধ শ্ৰদ্ধাৰে উল্লেখ কৰিছে। কিন্তু আমি শুনামতে সেই প্ৰবন্ধত গুহই মোৱামৰীয়া বিদ্ৰোহক একধৰণৰ জনজাতীয় জাগৰণ বুলিছিল। অথচ গুহই Social scientist আলোচনীত আমাৰ উত্তৰ দিওঁতে কৈছিল যে গা খাটি দিয়াৰ সলনি টকাৰ খাজনা দিবলৈহে প্ৰজাই আন্দোলন কৰিছিল। তাৰ মানে হ'ল এইটো যে তেতিয়া দেশত পণ্য উৎপাদন আৰু বহা-বেপাৰ ব্যাপকভাবে হৈছিল আৰু টকাৰ প্ৰচলন বাঢ়িছিল। গুহৰ দুটো মন্তব্যৰ লগত সিটো মন্তব্যৰ আকাশ পাতাল প্ৰভেদ।

অৰ্থশাস্ত্ৰীৰ লগত বিতৰ্কৰ পৰা দুটা কথা পৰিষ্কাৰ হৈছে। অসমৰ ইতিহাসৰ কথাবোৰ 'সকলোৰে জনা সাধাৰণ কথা' বুলি ভাবি গপচত্ত বহি থাকিলে ভুল হব। বহু বিষয়ত তথ্যগত আৰু তত্ত্বগত গৱেষণাৰ যথেষ্ট অৱকাশ ৰৈ গৈছে। তাৰ উপৰিও দেখা গৈছে অসমত বিবাদ-বিতৰ্কৰ পৰিবেশ সুস্থ নহয়। প্ৰকাশ্য বা গোপন ব্যক্তিগত বিদ্বেষে বৈজ্ঞানিক কৌতুহলতকৈ গুৰুতৰ ভূমিকা ললে পৰিতাপৰ কথা।

# অসমীয়া সাহিত্যত যুগ পৰিবৰ্তন

সাংস্কৃতিক বিকাশৰ কোনো ধৰাবন্ধা নিয়ম নাই নেকি ? সাধাৰণতে দেখা যায় যে সমাজত অৰ্থনৈতিক নিৰাপত্তা আৰু স্বাচ্ছন্দ্য আহিলে সংস্কৃতিৰো পয়োভৰ ঘটে। কিন্তু এনে ঘটনাও বিৰল নহয় যে অৰ্থনৈতিক অৱনতি আৰু সামাজিক অধঃপতন সত্ত্বেও কলা-সাহিত্যৰ ক্ষেত্ৰত চূড়ান্ত সাফল্য দেখা গৈছে।

তাৰ অৰ্থ এয়ে নেকি যে সাংস্কৃতিক বিকাশ সম্পূৰ্ণ নিৰালম্ব আৰু স্বাধীন ? যে তাৰ ফল্গুধাৰাৰ লগত নৈসৰ্গিক কাৰ্য্যকাৰণৰ কোনো সম্পৰ্ক নাই ? প্ৰথম মহাযুদ্ধৰ পিচত অষ্ট্ৰিয়া আৰু জাৰ্মানী যেতিয়া পৰাস্ত, লুণ্ঠিত আৰু অপমানিত, সেই সময়তেতো কবিতা, নাটক, সংগীত, উপন্যাস, চাৰুকলা সকলো ক্ষেত্ৰতে সেই দুখন দেশত অবিস্মৰণীয় প্ৰতিভাৰ স্ফুৰণ দেখা গ'ল।

এনে তথ্যৰ পৰা এচাম শিল্পী আৰু পণ্ডিতে স্বস্তিৰ নিশ্বাস পেলাব। বুৰ্জোৱা ভাববাদৰ প্ৰভাৱত যিবিলাকে মানুহৰ মন সম্পূৰ্ণ স্বাধীন বুলি ভাবে, আৰু ভগবানৰ অকাৰণ লীলাৰ দৰে সংস্কৃতিকো মানুহৰ মনৰ লীলা বুলি ভাবে, তেওঁলোকৰ পক্ষে এনে ধাৰণা অতি আৰামদায়ক। হয়তো এওঁলোকৰ কোনোৱে সুবিধা চাই চাই মাৰ্ক্সৰ (অন্যথাই কোনো মাৰ্ক্স বিশেষজ্ঞৰ) পৰা অসংলগ্ন উদ্ধৃতি দি এই ধাৰণা সমৰ্থন কৰিবলৈ বিচাৰিব। এইসকল লোকে বিবেচনা কৰি চোৱা উচিত যে আধুনিক গৱেষকসকলৰ মতে "লীলা" বস্তুটোও নিতান্ত অকাৰণ নহয়—জৈৱিক প্ৰয়োজনতে তাৰ সৃষ্টি। ল'ৰা-ছোৱালীৰ খেল-ধেমালিৰ যোগেদিও নিতান্ত প্ৰয়োজনীয় শাৰীৰিক স্বাস্থ্য, মানসিক ভাৰসাম্য আৰু সামাজিক আদান-প্ৰদানৰ উদ্দেশ্য সিদ্ধ হয়। "মনৰ লীলা"ও মানুহৰ জীৱন সংগ্ৰামৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন আৰু ভিন্ন বুলি ভবাৰ থল নাই।

German Ideology নামৰ গ্ৰন্থত কাৰ্ল মাৰ্ক্সে কৈছে: "আমি আমাৰ অনুসন্ধান আৰম্ভ কৰোঁ বাস্তৱ সক্ৰিয় ( জীৱন্ত ) মানুহবিলাকৰ পৰা আৰু

তেওঁলোকৰ বাস্তৱ জীৱনধাৰাৰ পৰা চিন্ময় ( ideological ) প্ৰতিচ্ছবি আৰু প্ৰতিধ্বনিসমূহৰ বিকাশ ফঁহিয়াই দেখুৱাওঁ। মানুহৰ মগজৰ ছাঁয়ামূৰ্তিসমূহো মানুহৰ বাস্তৱ জীৱন ধাৰাৰ অনিবাৰ্য্য প্ৰতিফলন মাত্ৰ। এই বাস্তৱ জীৱনধাৰা প্ৰত্যক্ষভাবে নিৰূপণ কৰা যায় আৰু তাৰ লগত বস্তুগত পৰিস্থিতিৰ গোনপটীয়া সম্পৰ্ক। এনেকৈয়ে দেখা যায় যে নৈতিকতা, ধৰ্ম, দৰ্শন আৰু অন্যান্য মানসিক বৃত্তিসমূহৰ ( ideologies ) স্বয়ম্ভু আৰু স্বাধীন অস্তিত্ব অসম্ভৱ।" ( Karl Marx : Selected Writings in Sociology and Social Philosophy, ed. by T. B. Bottomore and Maximilien Rubel, Pelican Books, p. 90 ) আকৌ Theories of Surplus value গ্ৰন্থত জীৱনৰ শেষ ছোৱাত মাৰ্ক্সে এই উক্তি কৰিছে : "বিশেষ ঐতিহাসিক ৰূপত বস্তুগত উৎপাদন বুজি নাপালে তাৰ অনুৰূপ ( corresponding ) চিন্ময় উৎপাদন ( intellectual production ) বুজাও সহজ নহয়।" ( op-Cit. p. 96-97 )। অৰ্থাৎ মানুহৰ মনোজগতৰ নানাবিধ সৃষ্টিকো মানুহৰ বাস্তৱ জীৱন তথা উৎপাদনৰ পৰা পৰোক্ষভাবে উদ্ভূত বুলি কোৱা হৈছে। তেনেস্থলত সংস্কৃতিক সম্পূৰ্ণ স্বয়ম্ভু বুলি মাৰ্ক্সৰ মুখেৰে কোনে কোনোৱে কিয় কোৱাব খুজিছে? বুৰ্জোৱা সংস্কৃতিৰ বিলাসিতা আৰু দায়িত্বহীনতা বাদ দিলে এনে অপব্যাখ্যাৰ প্ৰধান কাৰণ হ'ল মাৰ্ক্সৰ চিন্তাত necessity ( নিয়ম ) আৰু freedom ( স্বাধীনতা )ৰ তাৎপৰ্য্য সম্পৰ্কে বুৰ্জোৱা পণ্ডিতৰ বিভ্ৰান্তি।

মাৰ্ক্সে এঠাইত কৈছে : "স্বাধীনতাৰ ৰাজ্য আৰম্ভ হয় প্ৰয়োজন আৰু বাহিৰৰ হেঁচাত গঢ় লোৱা শ্ৰম শেষ হ'লে। বস্তুগত উৎপাদনৰ বাহিৰতহে স্বাধীনতা বিৰাজমান। অসভ্য মানুহৰ দৰে সুসভ্য মানুহেও নিজৰ বিভিন্ন প্ৰয়োজন পূৰণ কৰিবলৈ আৰু নিজৰ জীৱন বচাবলৈ আৰু নতুনকৈ গঢ়িবলৈ ( reproduce ) প্ৰকৃতিৰ লগত সংগ্ৰাম কৰিবই লাগিব—তেহেঁলৈ উৎপাদনৰ পদ্ধতি আৰু সমাজৰ গঠন যেনে বিধৰে হওক লাগে।......কিন্তু ই হ'ল সদায়েই নিয়ম ( necessity )ৰ জগত। তাৰ বাহিৰতহে মানুহৰ মানবীয় ক্ষমতাৰ সেই বিকাশ ঘটে, যি বিকাশৰ আন বাহিৰা লক্ষ্য নাই,—সেয়েই স্বাধীনতাৰ আচল ৰাজ্য। আনহাতে এই স্বাধীনতাৰ ৰাজ্য কেৱল নিয়মৰ ( necessity ) ভিত্তিতহে প্ৰতিষ্ঠিত হব পাৰে।" ( Marx, op. cit., p. 260 )

এই স্বাধীনতাৰ অৰ্থ তেনেহলে নিয়মৰ তথা প্ৰয়োজন পূৰণৰ উৰ্দ্ধত আলাসতে ওপঙি থকা নহয়। বস্তুৰ কঠিন বেৰটোতেই আত্মাৰ সূক্ষ্মতম

নৈবেদ্যই শোভা পায়। কেৱল জান্তৱ ক্ষুধাতৃষ্ণা জাতীয় তাৎক্ষণিক প্ৰয়োজনৰ পৰা সংস্কৃতিৰ সৃষ্টি মুক্ত। স্বাধীনতাৰ অৰ্থ মাৰ্ক্সৰ বাবে মানুহৰ স্বনিয়ন্ত্ৰণ, স্বাৱলম্বী বিকাশ। প্ৰকৃতিৰ লগত সংগ্ৰামৰ যোগেদি মানুহে যিখন মানৱীয় জগত গঢ়ি তুলিছে তাক সম্পূৰ্ণ আয়ত্তাধীন কৰাটোৱেই স্বাধীনতা। সংস্কৃতিৰ স্বাধীনতাও এই স্বাধীনতাৰে অংগবিশেষ। কেৱল সংস্কৃতিত কল্পনাৰ ভূমিকা স্বাভাৱিকতে অধিক গুৰুত্বপূৰ্ণ হব পাৰে। এই কথাটো জ্যোতিপ্ৰসাদে আৰু শ্ৰে’লীয়ে বুজিছিল বাবেই সমাজশিল্পী আৰু কলাশিল্পীক একেশাৰীত থব জানিছিল।

Brecht আৰু Erwin Piscator ৰ নাটক, Rilke আৰু Hofmannsthal ৰ কবিতা, Bauhaus গোষ্ঠীৰ স্থাপত্য, Logical Positivist দৰ্শন আৰু অৱস্থিতিবাদৰ পূৰ্বসূৰীসকলৰ চিন্তা—এইবোৰ সাংস্কৃতিক সৃষ্টিৰ জন্ম প্ৰয়োজনৰ পৰা বিচ্ছিন্ন নহয়। প্ৰথম মহাযুদ্ধ কোনো আকস্মিক ঘটনা নহয়—ই আছিল কেৱল পুঁজিবাদী য়ুৰোপীয় সমাজৰ অন্তৰ্দ্বন্দ্বৰ ভয়াবহ প্ৰকাশ আৰু তাৰ অব্যৱহিত ফল স্বৰূপেই মুদ্ৰাস্ফীতি, উৎপাদনৰ মন্থৰত, ভয়ানক নিবনুৱা সমস্যাই য়ুৰোপৰ মানুহক আৱৰি ধৰে। এনে পৰিস্থিতিত আগৰ সমাজৰ ধৰণীস্বৰূপ মানৱতাবাদী প্ৰমূল্য আৰু উদাৰনৈতিক বিশ্বাসসমূহৰ ওপৰত মানুহৰ আস্থা নোহোৱা হ’ল। শ্ৰমিক আন্দোলনৰ ক্ৰমবৰ্দ্ধমান শক্তিয়েও প্ৰচলিত সমাজ ব্যৱস্থাৰ শিপাত জোঁকাৰ খুৱালে।

সেইকালৰ শিল্পী আৰু চিন্তাশীল ব্যক্তিসকলে এই পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ, প্ৰমূল্যৰ শূন্যতাৰ মাজত নিজৰ মানসিক সুস্থিৰতা ৰক্ষা কৰিবলৈ ব্যাকুল হৈ উঠিল। সমাধান বিচাৰি কোনো কোনোৱে সনাতন ধৰ্মক পুনৰুজ্জীৱিত কৰিবলৈ বিচাৰিলে। কোনো কোনোৱে সমাজবাদী মতবাদ অৱলম্বন কৰিলে। এই অন্বেষণৰ পৰিণতি স্বৰূপে কলাশিল্পত আবিৰ্ভাৱ হ’ল বিচিত্ৰ বক্তব্য আৰু আংগিকৰ। যুগসন্ধিৰ এই সংকটত কবিশিল্পীৰ কল্পনাই নতুনকৈ বিচাৰিলে জীৱনৰ লক্ষ্য আৰু মানৱতাৰ তাৎপৰ্য্য। সেয়ে এই কলাশিল্পৰ একাংশ এতিয়াও আমাৰ বাবে স্মৰণীয়। এনে serious আৰু গভীৰ উদ্যোগক লীলা আখ্যা দিয়াটো কেৱল বিলাসিতা নহয়, একৰকমৰ মূৰ্খামিৰ নিদৰ্শন। মাৰ্ক্স বা মাৰ্ক্স বিশেষজ্ঞৰ পৰা উদ্ধৃতি দিলেই ‘চিচিং ফাক’ নহয়। মাৰ্ক্সৰ মূল অন্তৰ্দৃষ্টি বুজাৰ আগ্ৰহো লাগিব।

আধুনিক অসমীয়া সাহিত্যত দেখা দিয়া ব্যাপক পৰিবৰ্তনো যোগেশ দাসৰ নৱকান্ত বৰুৱাৰ "লীলা" কৰাৰ প্ৰবৃত্তিৰ পৰা নাই হোৱা। এই পৰিবৰ্তন সমাজদেহলৈ অহা পৰিবৰ্তনৰে ফলশ্ৰুতি—পৰিবৰ্তিত পৰিস্থিতিৰ প্ৰতি পৰিবৰ্তনশীল চেতনাৰ প্ৰতিক্ৰিয়া। ভাত-মাছ খোৱা প্ৰয়োজন আধুনিক সাহিত্যিকসকলে পূৰণ কৰিব খোজা নাই, সঁচা, কিন্তু তেওঁলোকে পূৰণ কৰিব খুজিছে অসমীয়া মানুহৰ নিজকে বুজাৰ আৰু জগতখনক বুজাৰ আকাংক্ষা। আমাৰ সমাজৰ গভীৰ অন্তৰ্দ্বন্দ্বসমূহে আমাৰ সাহিত্যিকসকলৰ অন্তৰত কঁপনি তোলা বাবেহে তেওঁলোকৰ সাহিত্যত যুগ পৰিৱৰ্তনৰ প্ৰতিধ্বনি উঠিছে।

কিন্তু যুগ পৰিৱৰ্তন? অতিবাম বিপ্লবী (ultra revolutionaries) সকলে কয় খোজে যে স্বাধীনতাৰ পিছত অসম তথা ভাৰতত কোনো পৰিবৰ্তনেই নাই হোৱা। নামত বিদেশী শাসক আঁতৰি গ'লেও দেশৰ অৰ্থনীতি আৰু সমাজ হেনো ঔপনিবেশিক কাঠামোতে আছে। কৃষকৰ ওপৰত অৰ্দ্ধসামন্তবাদী শোষণ—আধি, চৰা হাৰৰ সুত বন্ধ হোৱা নাই, বৰং বাঢ়িছে। আৰু আমি যিবোৰ দেশীয় উদ্যোগ দেখিছো সেইবোৰো প্ৰকৃততে সাম্ৰাজ্যবাদী পুঁজিৰ দালাল—সিহঁতৰ লগত প্ৰাক্‌স্বাধীনতা যুগৰ দেশীয় ব্যৱসায়ীৰ ভূমিকাৰ কোনো প্ৰাৰ্থক্য নাই। এনে স্থলত সাহিত্যত যুগ পৰিবৰ্তনৰ সম্ভাৱনা ক'ত? কাৰণ সামন্তবাদৰ পৰা পুঁজিবাদলৈ উত্তৰণৰ পথ ৰুদ্ধ কৰিছে সাম্ৰাজ্যবাদী পুঁজিৰ হেঁচাই। অৰ্থাৎ সহজ কথাত আমাৰ সমাজ বদলা নাই। অতিবামসকলৰ এই বিশ্লেষণ দেখ্‌দেখ্‌কৈ যান্ত্ৰিক আৰু অতিৰঞ্জিত।

অতিবাম অতিৰঞ্জনৰ বিৰোধিতা কৰি আন এদলে কয় খোজে যে ভাৰতে অৰ্থনৈতিক স্বাধীনতা আৰু বয়ঃপ্ৰাপ্তিৰ পিনে দ্ৰুত গতিত আগবাঢ়িছে। অৰ্থাৎ "নন—এলাইনমেণ্ট" নীতিৰ সহায়ত সাম্ৰাজ্যবাদী চক্ৰবেহ ভেদ কৰি ভাৰতে স্বাধীন পুঁজিবাদী বিকাশৰ পথ লৈছে। ভূমি সংস্কাৰৰ জৰীয়তে কৃষক হেনো সামন্তবাদী শোষণৰ কবলৰ পৰা মুক্ত হৈছে, ৰাষ্ট্ৰীয় খণ্ডত উদ্যোগ প্ৰতিষ্ঠা কৰি দেশৰ ঔদ্যোগিক বিকাশ স্বাধীন কৰা হৈছে ইত্যাদি। এই দাবী শুনাত যিমানেই আকৰ্ষণীয় নহওক, খাদ্য সঙ্কট স্থায়ী নাটনি, "সেউজী বিপ্লব"ৰ ব্যৰ্থতা, গুৰুত্বপূৰ্ণ উদ্যোগসমূহত বিদেশী পুঁজিৰ কৰ্তৃত্ব—এনে তথ্যৰ লক্ষণৰ পৰা প্ৰমাণ হয় যে, এই বিশ্লেষণ অসাৰ।

বিশ্বব্যাপি পুঁজিবাদৰ সংকটৰ সময়ত পুঁজিবাদী বিকাশৰ পথেদি ভাৰতৰ উন্নতি হব—ই এক দুৰাশা। সাম্ৰাজ্যবাদী পুঁজিয়ে তাত বাধা জন্মাবই আৰু বাধ্য হৈ দেশীয় একচেটিয়া পুঁজিয়ে সামন্তবাদৰ লগত আপোচ কৰিবলৈ বিচাৰিব; কিন্তু শামুকৰ খোজেৰে হলেও দেশত সাম্ৰাজ্যবাদৰ গোমস্তা হিচাবে পুঁজিবাদ আগবাঢ়িছে। তাতোকৈ দ্ৰুত হৈছে সনাতন সমাজ ব্যৱস্থাৰ ক্ষয় আৰু ভাঙন। উৎকট দ্ৰব্যমূল্য বৃদ্ধি আৰু মুদ্ৰাস্ফীতিৰ হেঁচাত বিপুল সংখ্যক জনতা পথৰ ভিখাৰী হৈছে। দেশীয় পুঁজিৰ দুৰ্বলতাৰ বাবে মজুৰি শোষণৰ প্ৰসাৰণ হৈছে লেহেম, কিন্তু সাম্ৰাজ্যবাদী আৰু দেশীয় পুঁজিৰ সম্মিলিত হেঁচাত সনাতন সমাজৰ গাথনি সোলোকঢোলোক হৈ পৰিছে।

গ্ৰাম্য অৰ্থনীতিৰ দুৰৱস্থাৰ বিষয়ে আজি বঢ়াই নকলেও হয়। গাৱঁৰ বহু মানুহে আজি প্ৰয়োজনীয় সকলো বস্তুকে বজাৰত কিনে। কানি-কাপোৰৰ পৰা তেল-নিমখলৈ সকলোতে উচ্চ মূল্য ভৰিব লগা হয়। স্বাধীনতাৰ আগৰে পৰা চলি অহা মহাজনী শোষণৰ কবলত পৰি বহু স্বাধীন কৃষকে তেওঁলোকৰ পৈতৃক মাটি-ভেটি হেৰুৱালে। যোৰহাটৰ কৃষি গৱেষণা কেন্দ্ৰই অলপতে প্ৰকাশ কৰা তথ্যৰ মতে অসমৰ গাৱঁত ভূমিহীন কৃষকৰ সংখ্যা শতকৰা দহজনৰ পৰা শতকৰা পচিশজনলৈ বৃদ্ধি পাইছে। যাৰ মাটিৰে বছৰৰ কেউমাহে খাবলৈ নোজোৰে, তেনে কৃষকৰ সংখ্যা শতকৰা সাতসত্তৰ জন। কোৱা বাহুল্য যে কৃষিৰ বিকল্প হিচাপে অন্য কোনো জীৱিকা অসমৰ গ্ৰামীন সমাজৰ বাবে গঢ়ি উঠা নাই। ফলত এহাতে যেনেকৈ আমাৰ কৃষক সমাজ আৰ্থিক দুৰ্দশাৰ চৰম সীমাত উপনীত হৈছে, তেনেকৈ তেওঁলোকৰ সামাজিক জীৱনত দেখা দিছে ক্ষয় আৰু অধঃপতনৰ লক্ষণ।

সাধাৰণ কৃষকৰ এই অৱনতিৰ দিনত কিন্তু গ্ৰামাঞ্চলত একশ্ৰেণীৰ মানুহৰ সমৃদ্ধিৰ লক্ষণ সুস্পষ্ট হব ধৰিছে। গাৱঁৰ অৱস্থাপন্ন কৃষক আজি শোষণৰ নায়ক হবলৈ ধৰিছে। ৰাজনৈতিক প্ৰভাৱৰ জৰীয়তে পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ বা আনসূত্ৰে অহা চৰকাৰী ধন হস্তগত কৰি গ্ৰামাঞ্চলৰ ধনিক শ্ৰেণীয়ে পুঁজিবাদী শোষণৰ পথ প্ৰশস্ত কৰিছে। এই শ্ৰেণীটোৱেই ক্ৰমশঃ গ্ৰামাঞ্চলত নেতৃত্ব দখল কৰিছে। বিভিন্ন ধৰণৰ লাভজনক কাৰবাৰ বা উদ্যোগত—যেনে ঠিকা, সৰুসুৰা ধানকল, স্থানীয় পৰিবহন আদিত এওঁলোকে

প্রচুৰ বিনিয়োগ আৰম্ভ কৰিছে। ঔদ্যোগিক ভিত্তিত লাভজনক খেতিও কৰিছে। সামাজিক জীৱনত এই শ্ৰেণীৰ প্ৰতিপত্তিৰ ফলতো দুৰ্নীতি আৰু কদাচাৰৰ প্ৰকোপ কিছু বাঢ়িছে।

কিন্তু অ'ত ত'ত দুই এজনৰ বাহিৰে ধনী খেতিয়ক পুঁজিবাদী কৃষকত (Capitalist farmer) এতিয়াও পৰিণত হব পৰা নাই। তেনেকৈ চহৰ অঞ্চলতো অসমীয়া ধনী মানুহে পুঁজিবাদী উদ্যোগ স্থাপনত বিশেষ কৃতকাৰ্য্য হব পৰা নাই। অৱশ্যে অসমত শিল্পায়নৰ বিকাশ যে সামান্য সেই কথা সকলোৱে জানে। ৰাষ্ট্ৰীয় খণ্ডত তেল উদ্যোগ, খনিজ গেছ, প্ৰভৃতিৰ কিঞ্চিৎ প্ৰসাৰণ ঘটিছে। চৰকাৰী পৃষ্ঠপোষকতাত এটা চেনিৰ কল চলি আছে। ভাৰতীয় বৃহৎ পুঁজিৰ বিনিয়োগত Plywood, Hardwood প্ৰভৃতি শিল্প টনকিয়াল হৈ আহিছে। কিন্তু এই সকলো উদ্যোগৰ মুনাফা অসমীয়া মানুহৰ হাতলৈ যোৱা নাই। তেনেকৈ চাহ শিল্পৰো সৰহভাগ আয় অনা-অসমীয়া পুঁজিপতিৰ কুক্ষিগত হৈছে। অসমৰ যাতায়াত ব্যৱস্থা অতি পশ্চাদপদ, চহৰ অঞ্চলৰ প্ৰসাৰণো উল্লেখযোগ্য নাই হোৱা। আজিও বিপুল সংখ্যাগৰিষ্ঠ জনতাৰ বাসস্থান গাওঁ-ভূঁইহে। কিন্তু ক্ৰমবৰ্দ্ধমান চহৰ অঞ্চলৰ বিভিন্ন চাহিদা মিটাবৰ বাবে নানানটা সৰু-সুৰা ব্যৱসায় আৰু শিল্প প্ৰতিষ্ঠান গঢ়ি নুঠাকৈ থকা নাই। এনেবোৰ ঠাইতে গঢ় লৈ উঠিছে এক শ্ৰমিক শ্ৰেণী—যাৰ মনোভাব আৰু লক্ষ্য চহৰৰ আধিখোৰ চাকৰিজীৱী মধ্যবিত্তুতকৈ বেলেগ হবলৈ বাধ্য।

বৃহৎ পুঁজিৰ লুণ্ঠনৰ অসহায় ক্ষেত্ৰ, কেন্দ্ৰীয় চৰকাৰৰ বৈষম্যমূলক নীতিৰ আঘাতত পঙ্গু অসমত এনেকৈ এহাতে পুঁজিবাদী শোষণৰ মাত্ৰা বাঢ়িছে, আৰু আনহাতে পুঁজিবাদী ঔদ্যোগিক বিকাশৰ গতিবেগ হৈছে নিতান্তই মন্থৰ। সমাজৰ সকলো অংশৰ মানুহৰ ওপৰত এই দ্বিমুখী আক্ৰমণৰ আঘাত পৰিছে। অসমৰ পুঁজিপতিমহল সংকুচিত, মধ্যবিত্ত সমাজ সন্ত্ৰস্ত আৰু ক্ষুব্ধ। ব্যাপক কৃষক সমাজৰ মাজত উমি উমি জ্বলিছে ক্ৰোধ আৰু ক্ষোভৰ একুৰা জুই। শোষণৰ বিৰুদ্ধে প্ৰতিবাদ দিনে দিনে সবল হৈছে, অথচ সংগ্ৰামৰ পথ অধিকাংশ জনতাৰ বাবে পৰিষ্কাৰ হৈ উঠা নাই। শোষক শ্ৰেণী আৰু শাসকগোষ্ঠিৰ চক্ৰান্তত এই ব্যাপক অশান্তিয়ে মধ্যবিত্ত অন্ধগলিত সোমাই ফেছিবাদৰ ভয়ানক ৰূপ ধাৰণ কৰিব পাৰে। এই বিপদ আওকাণ কৰিব পাৰে মাথোন টুকুৰা তথ্যৰ মাজত বাট হেৰুৱা সুবিধাবাদী বামপন্থী অৰ্থশাস্ত্ৰী আৰু ৰাজনীতিবিদে !!

শ্ৰেণী চেতনাৰ আলমত মতাদৰ্শৰ সংগ্ৰাম অসমত এতিয়াও তীব্ৰ হৈ উঠিব পৰা নাই। সেয়ে ক্ৰান্তিকাৰী বা বৈপ্লৱিক চিন্তাধাৰাও বৰ বেছিকৈ শিপোৱা নাই। সনাতন বিশ্বসমূহ আজি হয়তো আগবদৰে বলবান আৰু জীবন্ত হৈ থকা নাই, আনহাতে সেইবোৰ নিশ্চিহ্ন হৈ যোৱা নাই। সনাতন ধৰ্মৰ ভিত্তিবোৰ আজি ক্ষয়িষ্ণু—নামঘৰৰ আগৰ প্ৰভাৱ আৰু কাৰ্যকৰিতা আজি আৰু নাই। সেইদৰে জাতিভেদ বচাই ৰখা বিবিধ বাধ্যবাধকতাও সক্ৰিয় হৈ থকা নাই। কিন্তু ধৰ্মীয় আচাৰ আৰু জাতিভেদৰ বিকল্প বিশ্বাস আৰু ভাবধাৰাও সমাজত প্ৰবল হোৱা নাই। সামন্তযুগীয়া অদৃষ্টবাদ আমাৰ মজ্জাৰ পৰা আঁতৰি যোৱা নাই। পৰীক্ষাৰ আগতে বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ মাজত দেবদ্বিজৰ প্ৰতি সাময়িক ভক্তিৰ উজান উঠে। সেইদৰে হিন্দু আৰু মুছলমানৰ মাজত থকা বিভিন্ন ধৰ্মীয় হেঙাৰ ভাঙি পৰা নাই। জাতিগত বৈষম্যৰ বিৰুদ্ধে অসমৰ বিভিন্ন জনজাতীয় মহলৰ পৰা তিক্ত প্ৰতিবাদ সোচ্চাৰ হৈ উঠিছে। সেই প্ৰতিবাদৰ উত্তৰত সনাতন সমাজ কেৱল অপৰাধীৰ দৰে নীৰৱ হৈ আছে। নিৰ্বাচনৰ সময়ত আকৌ কোন আহোম, কোন বামুণ, তাৰ বিচাৰত ভোটদাতা মহলত বেছ প্ৰতিক্ৰিয়া হয়। চৰকাৰী তৰফৰ পৰাও এনে সাম্প্ৰদায়িকতা প্ৰচাৰত বাধা দিয়া হোৱা নাই বুলিয়েই আমাৰ বিশ্বাস।

সাময়িক সাহিত্য তথা সাংবাদিকতাত সনাতন কুসংস্কাৰ আৰু কদাচাৰৰ বিৰুদ্ধে কোনো প্ৰবল বা স্থায়ী সংগ্ৰাম চলোৱা নহয়। অসমৰ সংবাদপত্ৰসমূহ সাধাৰণতে স্থানীয় পুঁজিপাতি মহলৰ ব্যক্তিগত সম্পত্তি আৰু সেইবিলাকৰ সামাজিক দৃষ্টিভঙ্গী ৰক্ষণশীল। সাংবাদিকসকলৰ মাজত নিশ্চয় দুই এজন সচেতন আৰু চিন্তাশীল ব্যক্তি আছে। কিন্তু সংবাদ পত্ৰৰ নীতি নিৰ্দ্ধাৰণত এওঁলোকৰ কোনো ভূমিকা নাই। বৰং চৰকাৰ আৰু পুঁজিপতিৰ পদলেহী, সামাজিক দায়িত্ববোধ নথকা কিছুমান ব্যক্তিয়ে এই ক্ষেত্ৰত প্ৰাধান্য অৰ্জন কৰিছে। ক্ষুদ্ৰ স্বাৰ্থ আৰু বিবিধ সংকীৰ্ণতাক সিহঁতে এনেদৰে প্ৰশ্ৰয় দিছে যে সংবাদপত্ৰৰ প্ৰচাৰত অসমৰ প্ৰকৃত দেশপ্ৰেমিক বহুতৰে মনত নিৰানন্দৰহে সঞ্চাৰ হয়। অৱশ্যে সম্প্ৰতি অৰ্থ নৈতিকভাৱে হায়ৰাণ হোৱা মধ্যবিত্ত শ্ৰেণীৰ আক্ষেপ আৰু ক্ষোভো সংবাদপত্ৰত ধ্বনিত হবলৈ ধৰিছে। এই লক্ষণক শুভ লক্ষণ বুলিয়েই কব লাগিব।

ক্ৰান্তিকাৰী স্বাধীন চিন্তা যে সম্পূৰ্ণ বিৰল তেনে কথা কব নোৱাৰি।

উদাহৰণ স্বৰূপে সনাতন হিন্দু সমাজৰ নানা দোষ-ত্ৰুটি আৰু আভ্যন্তৰীণ কলংক চাঞ্চল্যকৰভাবে উদ্ঘাটন কৰিছে শ্ৰীনগেন হাজৰিকাই। তেওঁৰ পাণ্ডিত্যৰ বাবে এই আক্ৰমণৰ বিশেষ মূল্য আছে। অৱশ্যে নৃতাত্বিক দৃষ্টিকোণ তেওঁৰ ৰচনাত অধিক সক্ৰিয় হলে আৰু ভাল হ'লহেঁতেন। বৰ্তমান লেখকৰ বহু ৰচনাত অসমীয়া তথা ভাৰতীয় সমাজৰ প্ৰাচীন বিশ্বাস আৰু প্ৰমূল্যসমূহক আক্ৰমণ কৰা হৈছে। কিন্তু সেই আক্ৰমণ পাঠক সমাজে সদায় বৃদ্ধি পাইছে বুলি ধাৰণা নহয়। কাৰণ প্ৰবল সামাজিক আন্দোলন অবিহনে বৌদ্ধিক অনুশীলনৰ প্ৰভাৱ দুৰ্বল হয়।

আধুনিক অসমীয়া সাহিত্যৰ প্ৰধান ভাবাদৰ্শ হ'ল মানৱতাবাদ। জাতি-বৰ্ণ, উচ্চ-নীচ নিৰ্বিশেষে মানুহৰ মানৱীয় পৰিচয় প্ৰতিষ্ঠা আৰু প্ৰচাৰ কৰাই তাৰ লক্ষ্য বুলিব পাৰি। আৰু সেয়ে বেজবৰুৱাই "মলক গুইন গুইন" গল্পত চাহাবীয়ানাৰ আঁৰত থকা অমানুষিক ভেম আৰু "ধৰ্মধ্বজ ফয়চলা নবিচ" গল্পত আচাৰনিষ্ঠ ৰক্ষণশীলতাৰ আঁৰত থকা অমানুষিক জাতিদম্ভক কশাঘাত কৰিছে। বেজবৰুৱা, ৰজনী বৰদলৈ আৰু গোঁহাই বৰুৱাৰ উপন্যাসত আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত—

"মানুহেই দেৱ, ইহ জগতৰ
মানুহেই পৰাৎপৰ।"

এই মন্ত্ৰ ধ্বনিত হয়। ৰোমাণ্টিক প্ৰেমৰ যোগেদি আচাৰ, সংস্কাৰ আৰু সামাজিক বাধা জয় কৰি ব্যক্তিয়ে ব্যক্তিৰ মূল্য উপলব্ধি কৰা কথাটো সেয়ে এওঁলোকৰ ৰচনাত সুলভ। পানেই আৰু জ'কিৰ কৰুণ কাহিনীৰ মাজেদি যে কেৱল মিৰি সমাজৰ কথাহে প্ৰকাশ পাইছে, এনে নহয়। তাৰ মাজেৰে ব্যক্তিৰ স্বতন্ত্ৰ মৰ্যাদা আৰু প্ৰেমৰ অভেদ্য গৌৰৱ প্ৰচাৰিত হৈছে।

কিন্তু এই মানৱতাবাদ আছিল এক পৰাধীন শ্ৰেণীৰ অভিব্যক্তি। "জোনাকী" নামৰ আলোচনীখনৰ প্ৰথম সংখ্যাতে ঘোষণা কৰা হৈছিল যে "ৰাজনীতি চৰ্চা"ৰ পৰা আলোচনীখন দূৰত থাকিব। সামাজিক ৰূপান্তৰৰ অগ্ৰদূতৰ ভূমিকা পালন কৰিবলৈ যি যুগান্তকাৰী অৰ্থ নৈতিক শক্তি লাগে, বৃটিছৰ আশ্ৰিত অসমীয়া মধ্যবিত্তৰ তেনে শক্তি নাছিল। ফলত তেওঁলোকৰ ৰাজনীতি আছিল কুঁহিয়া বিধৰ আৰু তেওঁলোকৰ সামাজিক চিন্তাও আছিল সংস্কাৰবাদী আৰু আপোচকামী। বৈজ্ঞানিক যুক্তিবাদতকৈ তেওঁলোকৰ মানৱতাবাদত আধ্যাত্মিক ভাবহে প্ৰবল আছিল।

ধৰ্মীয় ভাবধাৰাৰ ভিত্তিত মানুহৰ সাম্য, একতা আৰু মৈত্ৰী তেওঁলোকে বিচাৰিছিল। সেয়ে জাতিভেদৰ বিৰুদ্ধে তেওঁলোকৰ সংগ্ৰাম চৰম পৰ্য্যায়লৈ নগ'ল—উচ্চ নীচৰ ব্যৱধান দূৰ কৰিবলৈ তেওঁলোক সিমান উদ্‌গ্ৰীৱ নাছিল। (আনকি সৌ সিদিনাথনো সাম্প্ৰতিক যুগৰ অন্যতম শ্ৰেষ্ঠ গল্পকাৰ মহিম বৰাই ৰেডিঅ' যোগে প্ৰচাৰিত এটি কথিকাত ঘোষণা কৰিছে যে জাতিত বিশ্বাস নকৰিলেও তেওঁ হেনো বংশত পুৰা বিশ্বাস ৰাখিছে! আৰু মানুহৰ স্বকীয় মহিমাত বিশ্বাস অকুণ্ঠভাৱে, উদাত্তস্বৰে ঘোষণা কৰাৰ সাহস বা সুবিধা তেওঁলোকে নাপালে!

সেই দুৰ্বল, আধ্যাত্মিকতাসিক্ত মানৱতাবাদ পুঁজিবাদী সংকটৰ দুৰ্যোগৰ সমুখত তিষ্ঠিব নোৱাৰাটোৱেই স্বাভাৱিক। আমাৰ সাম্প্ৰতিক গল্প বা উপন্যাসত সিদিনাথনলৈকে মানৱতাবাদী ধাৰা প্ৰবল হৈ আছিল। সাধাৰণ মানুহৰ প্ৰতি দৰদ আৰু আস্থা যোগেশ দাসৰ "কলপটুৱাৰ মৃত্যু", চৈয়দ আব্দুল মালিকৰ "সুৰুযমুখীৰ স্বপ্ন" প্ৰভৃতি ৰচনাত সুস্পষ্ট। তাৰে দ্বিতীয়খনত বিয়াল্লিশ আৰু সাম্যবাদী আন্দোলনৰ প্ৰভাৱত গঢ়ি উঠা জন-মানৱৰ প্ৰতি শ্ৰদ্ধাৰ আভাস পোৱা যায়। কিন্তু এই মানৱতাবাদ বৰ্তমান সংকটৰ সমুখত নিষ্প্ৰভ হ'ব ধৰিছে। বীৰেন ভট্টাচাৰ্য্যৰ "ইয়াৰুইংগম" উপন্যাসত নগা বিদ্ৰোহৰ প্ৰতি যি গণতান্ত্ৰিক সহানুভূতি দেখা যায়, কেন্দ্ৰীয় চৰকাৰৰ প্ৰৰোচনাত নগা বুৰ্জোৱাই লগোৱা তিক্ত সীমাবিবাদৰ সময়ত তাক বজাই ৰখাটো দুৰূহ হৈ পৰিছে। এতিয়া গল্প-উপন্যাস সকলোতে বাজিব ধৰিছে মোহভংগ আৰু আশাভংগৰ সুৰ—কেতিয়াবা এই সুৰ কৰুণ, কেতিয়াবা নিষ্ঠুৰ আৰু ব্যংগাত্মক। মানৱতাবাদী ধাৰা শুকাই যোৱাৰ ফলত মহিম বৰা প্ৰায় নীৰৱ হৈ পৰিছে। একেই কাৰণতে ভবেন শইকীয়াৰ গল্পত সূক্ষ্মাতিসূক্ষ্ম মনস্তাত্ত্বিক বিশ্লেষণ সত্ত্বেও গল্পবিলাক ক্ৰমাৎ ফটোগ্ৰাফিক আৰু আত্মিক অনুভূতিশূন্য হৈ পৰিছে। প্ৰণৱজ্যোতি ডেকাৰ গল্পত ক্ষুৰধাৰ ব্যংগই মধ্যবিত্ত মোহৰ ওপৰত অস্ত্ৰোপচাৰ চলাইছে। সকলোতকৈ নিবিড় তীব্ৰতাৰে এই সুৰ বাজিছে সৌৰভ চলিহাৰ গল্পত। "হেৰাল", বীণাকুটিৰ", "বাতিৰ বেল" প্ৰভৃতি গল্পত পৰিবৰ্তিত জীৱন আৰু পৰিবেশত যেন অতল অন্ধকাৰৰ মাজত লেখকে খেপিয়াই ফুৰিছে সবস সজীৱ প্ৰতিশ্ৰুতিৰ সন্ধানত—যি প্ৰতিশ্ৰুতি কেতিয়াবাই নিৰুদ্দেশ হ'ল। বিৰিঞ্চি বৰুৱাৰ "শেষ উপন্যাসখনত এই

আশাভংগৰ সুৰ অৰ্কেষ্ট্ৰাৰ দৰে বিচিত্ৰ আৰু ঘন হৈ বিয়পি পৰিছে। নবেশ্বৰ আৰু ছনিয়াৰ অভিশপ্ত প্ৰেম শেষ হৈছে বিচ্ছেদত—চাহ বাগিচাৰ সেউজী পাতৰ আঁৰত বাঁহ সাজিছে অতৃপ্তি আৰু ব্যৰ্থতাৰ কীটে। গল্প উপন্যাসত বক্তব্যৰ লগে লগে আংগিকৰো পৰিবৰ্তন দেখা গৈছে। বাস্তববাদী ৰীতি আৰু সুসজ্জিত প্লট ব্যৱহাৰৰ পৰা আমাৰ লেখকসকলো আঁতৰি আহিছে। কালানুক্ৰম ( Time sequence ) ব্যৱহাৰত "ফ্লেছবেক" প্ৰভৃতি অভিনৱত্ব দেখা গৈছে চেতনাস্ৰোত ৰীতিৰ প্ৰয়োগ চলিছে। কিছুমান ঘটনা বা পৰিস্থিতিত কাব্যিক প্ৰতীকৰ ভেজ সঞ্চাৰ হৈছে। বুৰ্জোৱা সমাজৰ উমৈহতীয়া জগতখন ( Public world ) ছিন্নভিন্ন হোৱাৰ প্ৰমাণ হিচাবেই এইবোৰ আংগিকৰ পৰীক্ষাক আঙুলিয়াব পাৰি। কিন্তু মন কৰিবলগীয়া যে এই যুগৰ শ্ৰেষ্ঠ উপন্যাসখনৰ ( সেউজী পাতৰ কাহিনী ) আংগিকত কোনো নতুনত্ব নথকাকৈয়ে মৰ্মস্পৰ্শী হব পাৰিছে।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে যৌন সম্পৰ্ক সম্বন্ধে স্পষ্টবাদিতা এই যুগৰ উপন্যাসৰ অন্যতম বৈশিষ্ট্য। পদ্ম বৰকটকী এনে উপন্যাসৰ প্ৰধান পুৰোহিত হলেও আন লেখকসকলো এই ধাৰাৰ বাহিৰত পৰি ৰোৱা নাই। হোমেন বৰগোহাঞিৰ "সুবালা"ত এজনী পতিতাৰ জীৱন আৰু জীৱিকাৰ ঘৃণ্যতম কাণ্ডবোৰো লেখকৰ সমবেদনা আৰু ক্ৰোধৰ পৰশত জ্বালাময়ী হৈ পৰিছে। যৌন স্পষ্টবাদিতা একালৰপৰা বুৰ্জোৱা বাস্তববাদৰ চূড়ান্ত পৰ্য্যায়। আন ফালৰ পৰা ই বুৰ্জোৱা বাস্তৱবাদ দেউলীয়া হৈ পৰাৰ চিন। কাৰণ নগ্নতা আৰু যৌন বিবৰণৰ প্ৰাচুৰ্য্যৰ পৰা পৰা উত্তেজনা সদায় বাঢ়ি নাথাকে—এসময়ত আহে ক্লান্তি আৰু অৱসাদ।

বিদেশী প্ৰভাৱ আমি গ্ৰহণ কৰা উচিত নে অনুচিত সেই সম্পৰ্কে এই বিতৰ্কই এতিয়াও আমাৰ মাজত সময়ে সময়ে উক দিয়ে। বিদেশী প্ৰভাৱ মাত্ৰেই বেয়া তেনে ধাৰণা ৰক্ষণশীল আৰু সংকীৰ্ণমনা। তদুপৰি আজিৰ যুগত বিশ্বৰ বিভিন্ন দিশৰ পৰা অহা প্ৰভাৱ একেলীয়াকৈ খৰও নোৱাৰি। তথাপি কেতিয়া কি প্ৰভাৱ আমি গ্ৰহণ কৰিম সেইটো বিচাৰ আৰু বিবেচনা অনুযায়ী হোৱাই বাঞ্ছনীয়—যাতে আমি কেৱল নতুনৰ মোহত উটি গৈ আমাৰ আচল প্ৰয়োজন বা আচল অভাৱৰলৈ পিঠি নিদিওঁ। পাশ্চাত্যৰ সংস্কৃতিত এতিয়া ক্ষয়ৰ লক্ষণ সুস্পষ্ট। উৎকট অথচ আনন্দহীন যৌনতা, অশ্লীলতাৰ প্ৰতি বিকৃত আসক্তি, যুক্তিৰ বিৰুদ্ধে বিৰাগ, মানুহ আৰু

জীৱনৰ প্ৰতি বিতৃষ্ণা—এনে তৰহৰ বক্তব্য আৰু তাৰ অনুগামী স্বৰূপ কেতবোৰ আংগিকে প্ৰবল বেগে আমাৰ শিল্পজগতত প্ৰবেশ কৰিছে। যিসময়ত আমাৰ দেশত কুসংস্কাৰৰ বিৰুদ্ধে তীব্ৰ সংগ্ৰামৰ প্ৰয়োজন, যি সময়ত লাখ লাখ দুখী মানুহে মানুহ হিচাপে জীয়াই থকাৰ সংগ্ৰামৰ বাবে পথনিৰ্দেশ বিচাৰিছে, তেনে সময়ত এনে ধৰণৰ বিৰাগ বিতৃষ্ণাৰ ঢৌত আমাৰ এচাম সাহিত্যিক উটি যোৱাটো পৰিতাপৰ কথা। বিদেশী সমলেৰে আমি নিজৰ সমাজ গঠনত অধিক কুশলী হলে চিন্তা নাই, কিন্তু বিদেশী বিকাৰৰ আহিত নিজে বলিয়া হোৱাৰ যুক্তি ক'ত ?

শ্ৰেণী সংগ্ৰামৰ আহ্বান আমাৰ সাহিত্যত সোচ্চাৰ হব পাৰিছেনে ? এই ক্ষেত্ৰত ঘোষণা আৰু কাৰ্য্যসূচী যেনে দৃপ্ত, প্ৰকৃত কৰ্ম ক্ষেত্ৰত তাৰ সাফল্য তেনে চমকপ্ৰদ হোৱা হলে কথা বেলেগ আছিল। কিন্তু দুৰ্ভাগ্যৰ কথা যে পৰিস্থিতি তেনে নহয়! শ্ৰেণীগত দৃষ্টিকোণৰ পৰা সাহিত্য ৰচনা কৰিব লাগে বুলি উগ্ৰবামপন্থী তৰুণসকলে তাৰস্বৰে দাবী কৰিছে ; কিন্তু তেওঁলোকে বয়স্ক সকলকো বাধ্য কৰিব পৰা নাই, নিজেও সতেজ সাহিত্য ৰচনা কৰি পথনিৰ্দেশ কৰিব পৰা নাই। গৰম গৰম আৱাজতে সি প্ৰায় শেষ হবলৈ ধৰিছে।

পঞ্চাশৰ পৰা ষাঠিৰ দশকৰ প্ৰথম ভাগলৈ কেশৱ মহন্ত, মালিক প্ৰভৃতি কবি আৰু ঔপন্যাসিক আৰু ভবানন্দ দত্ত প্ৰমুখো বুদ্ধিজীৱীয়ে দেশৰ তৎকালীন জনজাগৰণৰ দ্বাৰা উদ্বুদ্ধ হৈ যি সাহিত্য ৰচিছিল সি স্থায়ী প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে। অৰ্থনৈতিক সংকটৰ সাময়িক উপশম ঘটাত মধ্যবিত্ত নেতৃত্ব আৰু মনোবৃত্তিয়ে যি প্ৰতিপত্তি লাভ কৰিলে, তাৰ আগত তেওঁলোকৰ সৃষ্টি বালিৰ বান্ধ হ'ল। তদুপৰি তেওঁলোকৰ ৰচনাত সুবিধাবাদী মধ্যবিত্তসুলভ মনোভাবে পুনৰ মূৰ দাঙি উঠি শ্ৰেণীভিত্তিক সাহিত্য ৰচনাৰ প্ৰস্তুতিত কেৰোণ সুমুৱালে। ভবানন্দ দত্তই আধ্যাত্মিকতা আৰু নৈতিকতাৰ পিনে পুনৰ পিছু হুঁহকি গ'ল। মালিক আদিৰ ৰচনাত অস্পষ্ট ৰোমাণ্টিক ভাবাবেগ বাস্তৱৰ অধ্যয়নতকৈ প্ৰবল হ'ল। সেই যুগৰ পৰা মূল প্ৰেৰণা লাভ কৰা কবি হীৰেন ভট্টাচাৰ্য্যৰ ৰচনাত জাগ্ৰত জনতাৰ প্ৰতি ভৰসা আৰু স্বদেশৰ প্ৰতি গভীৰ ভালপোৱাই সাৰ্থক কবিতাৰ জন্ম দিছে। কিন্তু পিছৰ কালছোৱাত চতুৰালিৰ মাত্ৰা বাঢ়িছে—হৃদয়স্পৰ্শী কবিতাৰ সৃষ্টি সিমান হোৱা নাই।

শ্ৰেণীভিত্তিক ভাবে বৈপ্লবিক সাহিত্য ৰচনা কৰিবলৈ অৱশ্যে এতিয়া

সংহত প্ৰচেষ্টা চলি আছে। বামপন্থী আলোচনীৰ সংখ্যা বৃদ্ধি হৈছে। বিতৰ্ক আৰু সমালোচনাৰ মাজেদি বিভিন্ন বামপন্থী চিন্তাধাৰাই নিজৰ নিজৰ মতামত অধিক পৰিষ্কাৰ কৰিবলৈ শিকিছে। এনে পৰিস্থিতিত বৈপ্লৱিক সাহিত্য ৰচনাৰ প্ৰয়াস অধিক সচেতন আৰু আন্তৰিকতাপূৰ্ণ হ'বলৈ বাধ্য। ডেকা কবিসকলৰ ভিতৰত কবি ৰবীন্দ্ৰ সৰকাৰৰ কবিতাত বৈপ্লৱিক উদ্দীপনা, আগ্ৰহ আৰু প্ৰতিজ্ঞা সূৰ্যৰ দৰে জ্বলাই আছিছে ক্ষয়িষ্ণু আৰু সংকটাপন্ন প্ৰাচীন সমাজৰ ক্ষয় আৰু কলুষিত দুৰ্দশাৰ কুঁৱলিৰ মাজৰ পৰা। গল্প-উপন্যাসৰ ক্ষেত্ৰত 'শীলভদ্ৰ'ৰ প্ৰতিশ্ৰুতিও উল্লেখযোগ্য। বুৰ্জোৱা মানৱতাবাদৰ ভাব প্ৰৱণতাৰ পৰা নিৰ্মমভাৱে নিজকে মুক্ত কৰি মোহমুক্ত, বৈজ্ঞানিক আৰু শ্ৰেণীভিত্তিক দৃষ্টিকোণেৰে সংস্কাৰৰ সাহিত্য সৃষ্টি কৰিবলৈ শীলভদ্ৰক বদ্ধপৰিকৰ যেন দেখা যায়। বুৰ্জোৱা জমিদাৰ শ্ৰেণীৰ প্ৰতি তীব্ৰ বিতৃষ্ণা আৰু সৰ্বহাৰাৰ প্ৰতি ভাবপ্ৰৱণতাহীন একাত্মবোধ তেওঁৰ ৰচনাত সুস্পষ্ট। কিন্তু এই জীৱনদৰ্শন তেওঁৰ ক্ষেত্ৰত অনুভূতিৰ গভীৰতম প্ৰদেশলৈ যাব পৰা নাই। সেয়ে তেওঁৰ এইবোৰ ৰচনাত documentary film ৰদৰে একধৰণৰ জড়তা আৰু তুচ্ছতা মাজে মাজে অনুভৱ কৰা যায়।

সদৌ শেষত সমালোচনা সাহিত্যৰ বিষয়ে দুআষাৰ কোৱা উচিত হব। আমাৰ সাহিত্য যিমানেই পুৰঠ হৈ আহিব ধৰিছে, সিমানেই সাহিত্যৰ মানদণ্ড সম্পৰ্কে ধাৰণা, সাহিত্য বিচাৰৰ ৰীতি, সাহিত্যৰ আংগিকৰ বিশ্লেষণ অধিক পুৰঠ আৰু কুশলী হৈ আহিব ধৰিছে। তাৰ প্ৰকাশ ঘটিছে নতুন সমালোচনাত। বৰ্তমান প্ৰবন্ধ লেখকৰ ৰচনাৰ যোগেদিয়েই প্ৰথমতে ইঙ্গ-মাৰ্কিন সমালোচনাৰ কেইবোৰ ধাৰণা আৰু কৌশল অসমীয়া সাহিত্যত প্ৰৱেশ কৰে। পিছলৈ ভবেন বৰুৱা প্ৰভৃতিৰ হাতত এই ধাৰাই পৰিপুষ্টি লাভ কৰে। মোটামুটিকৈ এই সমালোচনা বৰ্তমান স্বীকৃত হৈছে। কিন্তু আহফলা বিশ্লেষণত নিমগ্ন লোকসকলক সকিয়াই দিয় ভাল যে সাহিত্য বিচাৰত শেষান্তৰত যি মূল্যায়নৰ কেন্দ্ৰীয় ভূমিকা, বিশ্লেষণ তাৰ সহায়হে। বিশ্লেষণৰ কিছুমাণ কিটিপে মূল্যায়নৰ ঠাই লব নোৱাৰে আৰু মূল্যায়ন প্ৰকৃততে জীৱনদৰ্শনৰ নিৰ্যাস। কোৱা বাহুল্য যে এই প্ৰবন্ধত সকলো লেখক বা সকলো ধাৰাৰ বিষয়ে পুঙ্খানুপুঙ্খ আলোচনা কৰাৰ চেষ্টা কৰা নাই। আমি কেৱল ইংগিত দিব খোজোঁ যে যুগ পৰিবৰ্তনৰ বতাহে আমাৰ সাহিত্যৰ চাৰিবেৰতো কোৱাবলৈ এৰা নাই।

# অসমীয়া গল্প উপন্যাসত সমাজ চিন্তাৰ নমুনা ঃ জোনাকীযুগ

নিচেই কম সময়ৰ ভিতৰত ঢোৱে থৰ মাৰি এই আলোচনা লেখিবলগীয়া হৈছে। প্ৰয়োজনীয় সকলো কিতাপ পত্ৰ গ্ৰন্থাগাৰত সময়মতে পোৱা নগল। সেয়ে ধাৰাবাহিক আৰু পূৰ্ণাঙ্গ প্ৰবন্ধৰ ঠাইত এটা ইংগিতধৰ্মী আলোচনাতে ক্ষান্ত হলোঁ।

আধুনিক অসমৰ সমাজ-জীৱনৰ ধাৰা সম্পৰ্কে সাহিত্যৰ বাহিৰে অন্যান্য ঐতিহাসিক সূত্ৰৰ পৰা পোৱা তথ্যপাতিৰে সমৃদ্ধ আৰু বৈজ্ঞানিক দৃষ্টি-ভংগীৰে উজ্জ্বল আলোচনা বিশেষ হোৱা নাই। ১৫/২০ বছৰ পূৰ্বে ভবানন্দ দত্ত আৰু অমলেন্দু গুহৰ ৰচনাত তাৰ সূচনা হৈছিল। বৰ্তমান এই লেখক আৰু তেওঁৰ লগৰীয়া দুই এজনে পুনৰ সেই কাম হাতত লৈছে। সেই ধৰণৰ কাম সমাপ্ত হোৱাৰ আগতে গদ্য সাহিত্যত অসমীয়া সমাজ-জীৱনৰ ধাৰা সম্পৰ্কে সুস্পষ্ট মতামত দিয়াটো সম্ভৱ নহয়। অতীত সম্পৰ্কে অন্ধ উক্তি, প্ৰচলিত সংস্কাৰ বা কেৱল বিশ্বাসৰ বলত গ্ৰহণ কৰা মতামত আমাৰ মাজত বলবান হৈ থাকিলে অতীত সমাজৰ বিষয়ে যথাৰ্থ মনোভাৱ অৱলম্বন কৰা টান। কিন্তু ভাৰত তথা অসমৰ সমাজত পুঁজিবাদ, অৱশিষ্ট সামন্তবাদ তথা বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে সমালোচনাৰ আৰু প্ৰতিৰোধৰ ভাব সবল হৈ অহা বাবে সমাজজীৱনৰ ইতিহাস সম্পৰ্কে যথাৰ্থ চেতনা ক্ৰমাৎ গঢ়লৈ উঠিব ধৰিছে। চুবুৰীয়া বংগদেশতো ৰামমোহন, বিদ্যাসাগৰ প্ৰভৃতিৰ বিষয়ে ভুলভ্ৰান্তিৰ মাজেৰে হলেও পুণৰ্মূল্যায়ন আৰম্ভ হৈছে। অসমতো সেই কাম আৰম্ভ হৈছে। সি আজিৰ যুগৰ বুদ্ধিজীৱীৰ বাবে মহৎ বৌদ্ধিক আহ্বান। কিন্তু অসমত সেই কাম আজিও এনে নগণ্য পৰিমাণে হৈছে যে চিন্তাহীন ৰক্ষণশীল মানুহৰ পৰা সি ভ্ৰুকুটি কুটিল সঁহাৰিহে পায়।

কিছুমান সমালোচকে এনেদৰে ভাবে যেন কবিতা কল্পনাৰ আকাশ আৰু গদ্য উকা বাস্তৱৰ মৰুভূমি। গল্প উপন্যাসৰ গদ্যই এনে ধৰণৰ ভ্ৰান্তি উৰুৱাই দিয়ে। বাস্তৱৰ অভিজ্ঞতাৰ সাইলাখ প্ৰতিফলনৰ যোগেদি গল্প উপন্যাসে কল্পনাৰ চূড়ান্ত কৃতিত্ব দেখুৱাব পাৰে। বিশেষকৈ "বাস্তৱবাদী" ঐতিহ্যৰ গল্প উপন্যাসত (যিটো ধাৰা এতিয়াও অসমত সকলোতকৈ বেছি প্ৰভাৱশীল) সন্দেহাতীতভাৱে প্ৰমাণ হয় যে সচৰাচৰ আমি নেদেখা বা ধৰিব নোৱাৰা বাস্তৱৰ গভীৰ গুহা-গহ্বৰত যি কল্পনাই পোহৰ পেলায় সিহে মহৎ কল্পনা।

গল্প-উপন্যাসত সামাজিক বাস্তৱ চিত্ৰিত কৰিবলৈ যাওঁতে গল্পকাৰ বা ঔপন্যাসিকে কেৱল কিছুমান নিৰ্জীৱ তথ্য বা সূত্ৰ প্ৰতিফলিত নকৰে। সমাজৰ চলমান জীৱনত তেওঁ যিবোৰ সৎ বা সুন্দৰ উপাদান আবিষ্কাৰ কৰে আৰু যিবোৰ অকল্যাণ তথা ক্ষয়ৰ বীজাণু দেখা পায়··· সেইবোৰে তেওঁৰ বিৱৰণত পৰিস্ফুট হৈ উঠে। অৱশ্যে শেহান্তৰত গল্পলেখক বা ঔপন্যাসিকৰ এই সক্ৰিয় সঁহাৰি এক শ্ৰেণীচেতনাৰে কম-বেছি পৰিমাণে শক্তিশালী আৰু সচেতন পৰিণতি।

গুৱাহাটীৰ পৰা এই লেখকৰ দ্বাৰা সম্পাদিত হৈ ওলোৱা ত্ৰৈমাসিক 'নতুন পৃথিৱী'ত মণিৰাম দেৱানৰ দিনৰ পৰা অসমীয়া মধ্যবিত্ত সমাজৰ বিকাশৰ যি ইতিহাস বৰ্ণিত হৈছে, তাৰ পৰা পৰিষ্কাৰ হ'ব লাগে যে ব্ৰিটিছৰ লগত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা আৰু সশস্ত্ৰ সংগ্ৰামৰ পথ ১৮৫৭ চনৰ পিছৰ পৰা আধুনিক অসমীয়া মধ্যবিত্তই বৰ্জন কৰিলে। আনন্দৰাম ঢেঁকিয়াল ফুকনৰ মাজতেই অসমীয়া আধুনিক মধ্যবিত্তৰ চিন্তাধাৰাৰ থাই শিপাডাল বিচাৰি পোৱা যায়। আহোম সামন্ততন্ত্ৰ মোৱামৰীয়া বিদ্ৰোহে চাৰখাৰ কৰিলেও তাৰ মাজত উন্নত উৎপাদিকা শক্তিৰ চাবিকাঠি লৈ অহা নতুন শ্ৰেণীৰ উন্মেষ নহ'ল। অসমত নানা কাৰণত মুদ্ৰাৰ প্ৰচলন, বেহাবেপাৰৰ প্ৰসাৰ তথা অৰ্থ সঞ্চয় আছিল তাকৰ। ("নতুন পৃথিৱী", ১ম বছৰ বিশেষ সংখ্যা, ২য় বছৰ ২য় সংখ্যা ইত্যাদি চাওক)। সেয়ে এটা বুৰ্জোৱা সদাগৰ শ্ৰেণীয়ে নতুন সমাজৰ গুৰি ধৰিবলৈ আগবাঢ়ি নাহিল। পুঁজিবাদ অসমত সোমায় প্ৰধানকৈ ব্ৰিটিছ সাম্ৰাজ্যবাদী সম্প্ৰসাৰণৰ যোগেদি। প্ৰাচীন সামন্ততন্ত্ৰৰ সম্ভ্ৰান্ত শ্ৰেণীৰ পতন হ'ল দ্ৰুত আৰু অনিবাৰ্য—বিশেষকৈ ভূমিদাস শোষণৰ সুবিধা ৰহিত হোৱা বাবে। নতুন অসমীয়া মধ্যবিত্ত শ্ৰেণী গঢ়ি উঠিল ব্ৰিটিছৰ ছত্ৰছাঁয়াত, ব্ৰিটিছৰ শাসনযন্ত্ৰ আৰু চাহবাগানৰ কেৰাণী

মহৰী হৈ, আৰু ব্ৰিটিছৰ প্ৰতি গভীৰ আনুগত্য আৰু কৃতজ্ঞতাৰ ভাব লৈ।

আহোম ডা-ডাঙৰীয়াৰ অহমিকা আৰু অত্যাচাৰ, মানৰ সন্ত্ৰাসজনক বৰ্ব্বৰতা, প্ৰজাৰ বিদ্ৰোহ—এই সকলো উৎপাতৰ পৰা নিৰাপদ হৈ আধুনিক অসমীয়া মধ্যবিত্তই শান্তি আৰু সুখৰ জীৱন আৰম্ভ কৰিলে। তেওঁলোকৰ চাকৰি বা মৌজাৰ উপৰিও লোকে খেতি কৰি খুওৱা মাটিও আছিল বা হৈছিল। এওঁলোকে বৃটিছৰ আমোলত প্ৰবৰ্তিত হোৱা শিক্ষাক স্বাগতম্ জনাইছিল আৰু বংগদেশৰ মধ্যবিত্তৰ দৰে আধুনিক সাহিত্য সৃষ্টি কৰি জাতীয় ঐতিহ্য প্ৰতিষ্ঠা আৰু দেশাত্মবোধ প্ৰচাৰ কৰিছিল। আনহাতে সামন্তবাদী সমাজৰ অৱশেষ ব্ৰিটিছ আমোলত সম্পূৰ্ণ নিশ্চিহ্ন নহ'ল। কাৰণ সাম্ৰাজ্যবাদী শোষণৰ অভিনৱ কায়দা। সামন্তবাদী ভূমি ব্যৱস্থা, কৃষিনীতি, আৰু শ্ৰমত ব্ৰিটিছে বিশেষ পৰিবৰ্তন আনিব খোজা নাছিল। আনকি ৰায়তৱাৰী প্ৰথা অসমত প্ৰবৰ্তন হোৱাৰ পিছতো উদ্যোগী কৃষিতকৈ সুখে সন্তোষে খাই থকা কৃষিৰ প্ৰতিয়েই সাধাৰণ কৃষকৰ আগ্ৰহ বেছি হৈছিল। তেনেকৈ ব্যৱসায় আৰু শিল্পৰ নামমাত্ৰ প্ৰসাৰে প্ৰাচীন সমাজ ব্যৱস্থাৰ ভেটি তল-ওপৰ কৰিব পৰা নাছিল। বিভিন্ন অঞ্চল তথা সম্প্ৰদায়ৰ মিলন মিশ্ৰণ আছিল যৎসামান্য। দেশীয় সামন্তবাদী মান মৰ্য্যদা ব্ৰিটিছেও পৰাপক্ষত মানি চলিছিল। সেয়ে সামন্ত ঐতিহ্যৰ লগত আমাৰ মধ্যবিত্ত শ্ৰেণীৰ পূৰ্ণোদ্যমে আৰু চূড়ান্ত পৰ্য্যায়ৰ সংঘৰ্ষ নহ'ল। মধ্যবিত্ত নতুন মূল্যবোধো হ'ল দুৰ্বল, আৰু চিন্তাধাৰা হ'ল কিছু পোহনীয়া ধৰণৰ। নতুন মধ্যবিত্ত শ্ৰেণীৰ এই দুৰ্বলতা আৰু দোধোৰ-মোধোৰ অৱস্থা জোনাকী যুগত প্ৰকট। বিশেষকৈ বৈজ্ঞানিক যুক্তি আৰু অনুশীলনৰ অভাৱত এই নতুন চিন্তাধাৰা বিশেষ তাৎপৰ্য্যপূৰ্ণ হব নোৱাৰিলে।

জোনাকী যুগৰ লেখকসকলৰ মাজত মধ্যযুগীয় সামন্ততান্ত্ৰিক সমাজৰ সংসাৰবৈৰাগ্য আৰু দুখবোধ প্ৰৱল। বেজবৰুৱাৰ "জয়মতী কুঁৱৰী" নাটৰ ডালিমীৰ সপোন যেনে মোহলগা তেনে গভীৰ ভাবে মৰ্মস্পৰ্শী আধ্যাত্মিক সহিষ্ণুতাৰে দুখ বৰণ কৰিব পৰা জয়মতীৰ চৰিত্ৰ। ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহত নতুন মানবীয় প্ৰমূল্য ৰোমান্টিক প্ৰেমক যেনেকৈ অসমীয়া মাত কথা, আচাৰ ব্যৱহাৰৰ নিভাঁজ সাজপাৰ পিন্ধাই গুৱনি আৰু সুৱলা কৰা হৈছে, তেনেকৈ উপন্যাসবোৰৰ সামৰণিত সংসাৰ বৈৰাগ্যৰ হুমুনিয়াহে ধৰ্মীয় সান্ত্বনাৰ মাজেদি ভুমুকি মাৰিছে। উল্লেখ কৰিব পৰা যায় ঊনবিংশ

শতিকাৰ শেষভাগত প্ৰকাশিত মফিজুদ্দিন আহমেদ হাজৰিকাৰ "জ্ঞান মালিনী" কবিতাৰ পুথিতো সংসাৰৰ প্ৰতি কবিৰ মোহভংগৈ বহুগুণে প্ৰবল হৈ বাজিছে মোহমুক্তি আৰু বৈৰাগ্যৰ করুণ গহীন সুৰ।

ধৰ্মৰ প্ৰতি এই আনুগত্যৰ লগত জড়িত হৈ আছে পৰিদৃশ্যমান জগতক মায়া বুলি বিশ্বাস কৰাৰ মনোভাব। যিমানেই উৎসাহী নহওক নতুন মধ্যবিত্তই যেন মনে মনে বুজিছিল সমাজ ব্যৱস্থা তেওঁৰ মনোমত কৰি গঢ়ি তোলাৰ ক্ষমতা তেওঁৰ নাই। সদা সৰ্বদায় তেওঁ অনুভৱ কৰিছিল ব্ৰিটিছ ৰাজৰ সোণৰ শিকলিৰ ঝন্‌ঝননি—যিডাল শিকলিকেই সমাজৰ শান্তি আৰু শৃঙ্খলাৰ একমাত্ৰ নিৰ্ভৰযোগ্য বান্ধোন বুলি তেওঁ ভাবিছিল। তাৰ উপৰিও ব্ৰিটিছৰ সান্নিধ্য, আধুনিক শিক্ষা, কলিকতা আদি বেহা-বেপাৰৰ কেন্দ্ৰত গঢ়ি উঠা নতুন আচাৰ নীতি আৰু মূল্যবোধৰ প্ৰভাৱ সত্ত্বেও দেশৰ মাটিত কামোৰ মাৰি ধৰি থকা সামন্তবাদৰ অৱশেষখিনিৰ কেঁচাই তেওঁৰ চিন্তা শৃঙ্খলিত কৰিছিল। জাতিভেদৰ দুৰ্দান্ত প্ৰতাপ আৰু প্ৰভাৱৰ আগত ফৰাচী বিপ্লৱে শিকোৱা মানৱৰ মৌলিক সমতা আৰু মৈত্ৰীৰ আদৰ্শ সংকুচিত হৈ পৰিছিল। সেয়ে ধৰ্ম আৰু বিশ্বাসৰ সন্মুখত বিজ্ঞান আৰু যুক্তি দুৰ্বল বুলি মানিবলৈ শিক্ষিত অসমীয়া মধ্যবিত্তই বিশেষ আচকাল পোৱা নাছিল। বেজবৰুৱা, বৰদলৈ, গোহাঁই বৰুৱা প্ৰভৃতিয়ে ধৰ্মৰ হৈ ওকালতি কৰোঁতে কোনো শক্তিমান প্ৰতিপক্ষৰ সন্মুখীন হ'ব লগা নহৈছিল। সেয়ে আদৰ্শমানৱ হিচাবে শ্ৰীকৃষ্ণৰ জীৱন কাহিনী শুনাবলৈ গৈ গীতাৰ ভগৱান শ্ৰীকৃষ্ণক শেষ পৰ্য্যন্ত গোহাঁই বৰুৱাই আওকাণ কৰিব পৰা নাছিল। বেজবৰুৱাই "কীৰ্তন আৰু ঘোষাতত্ত্ব" নামৰ প্ৰবন্ধত লেখিছে :

"বেছিকৈ জ্ঞানৰ ফালে ঢাল হৈ পৰিলে, ভক্তিলৈ আওকাণ হ'বৰ ভয় অথচ ভক্তিহে ঈশ্বৰ লাভৰ মূল পদাৰ্থ। জ্ঞান মানে ক্ষমতা: কোনো এটা পদাৰ্থক জনা বা সেই পদাৰ্থ আৰু সেইজনৰ বিষয় তোমাৰ ক্ষমতাৰ কিছুদূৰ আয়ত্ত হোৱা। ইংৰাজীত কয়, Knowledge is Power. এই জনা বা জ্ঞানে তোমাক ক্ষমতা প্ৰদান কৰে আৰু সেই Knowledge অৰ্থাৎ প্ৰজ্ঞান অৰ্থাৎ জ্ঞানপ্ৰদত্ত ক্ষমতাৰ অধিকাৰী তুমি হলে তোমাৰ মনলৈ অহঙ্কাৰ আৰু অহম্মমৰ ভাব অলপ নহয় অলপ অহাতো খুব সম্ভৱ। ...ভক্তি কিন্তু entire resignation, তাত অহম্মমৰ ভাবৰ গোন্ধ পৰ্য্যন্ত নাই। সেই দেখি ভক্তি নিৰাপদ আৰু ঈশ্বৰ লাভৰ মুখ্য বস্তু।" (বেজবৰুৱা গ্ৰন্থাৱলী ১, পৃঃ

৪৩২ সাহিত্য প্ৰকাশ )।

এনে উক্তিৰ মাজত যি মনোভাব আছে সি এবিধ সংস্কাৰ Perjudice মাত্ৰ ঈশ্বৰ চিন্তাৰ প্ৰশ্নটো এৰাই গৈও এই কথা ন-দি কব পাৰি যে.আইনষ্টাইন. নিউটন আদিৰ জ্ঞান আৰু গৱেষণাৰ বাবে তেওঁলোক অহং ভাবাপন্ন হৈ পৰা নাছিল। সাগৰৰ পাৰৰ শিল বোটলাৰ সেই বিখ্যাত উক্তিটো কোনে নাজানে ? কিন্তু জ্ঞানান্বেষণ সম্পৰ্কে এনে মনোভাব অসমৰ তৎকালীন পৰিবেশত ( আনকি আজিও ) অপ্ৰত্যাশিত নহয়।

আকৌ, আধুনিক বিজ্ঞানত ভেজা দি প্ৰাচীন বিশ্বাস বা সংস্কাৰক সমৰ্থন জনোৱাত শিক্ষিত আধুনিক ভাৰতীয় মধ্যবিত্ত সদায় পাৰ্গত। বেজবৰুৱাই লিখিছে "দেৱতা আছে। আমি পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ, প্ৰত্যক্ষ আৰু বাস্তৱ জগতত নিমগন হৈ যিমানকে প্ৰত্যক্ষবাদী হৈ আমাৰ ভাৰতীয় মহাজ্ঞানী মহাচিন্তাশীল ঋষি-মুনিসকলক কল্পনা বিহাৰী বুলি ঔদ্ধত্য প্ৰকাশ কৰোঁহক, এইটো নিশ্চয় যে তেওঁলোক মাথোন কল্পনা ৰাজ্যত থকা সাধুকথা ৰচোঁতা বা বিশ্বাস কৰোঁতা মানুহ নাছিল। .........আমি পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ দেৱতাৰ অস্তিত্ব নেমানিব পাৰোঁ, কিন্তু সেই বুলি তেত্ৰিছ কোটি দেৱতা শূণ্যত পৰিণত নহয়। ......আমাৰ মৃত্যু হলেই আমাৰ আমিত্বৰ ওৰ নপৰে, ......পাশ্চাত্য পণ্ডিতসকলেও সেই কথা লাহে লাহে বুজি আহিবলৈ ধৰিছে।" ( ঐ পৃঃ ৪১৯ )

আমি আজি প্ৰশ্ন কৰিবলৈ বাধ্য হওঁ, কেলেই বেজবৰুৱাই দেৱতাৰ বাবে পাশ্চাত্য বিজ্ঞানৰ দোহাই দিলে অথচ Frazer প্ৰভৃতি পাশ্চাত্য নৃতত্ত্ববিদৰ ৰচনাত দেৱতা আদি ধৰ্ম বিশ্বাসৰ উৎপত্তিৰ বৈজ্ঞানিক ব্যাখ্যালৈ কাণ নিদিলে।

কেৱল দৰ্শনৰ দৃষ্টিভংগীতে নহয় সমাজ আৰু ৰাজনীতিৰ মূল প্ৰশ্নবোৰতো বেজবৰুৱাৰ এনে দ্বিধা সংশয় দেখা যায়। বেহাৰেপাৰত নামি একচেটিয়া ইংৰাজ ব্যৱসায়ীৰ মইমতালী সহ্য কৰিবলগীয়া হোৱাত বেজবৰুৱাৰ মনস্তাপ হ'লেও ইংৰাজৰ সাম্ৰাজ্যবাদী ব্যৱস্থাক আক্ৰমণ কৰাৰ মনোভাব তেওঁৰ নাই ; "কি পুতৌ ! ৰবৰুৱাৰ কিন্তু সেই বাবে দুখ হয়। কাৰণ ইংৰাজে ভাৰতৰ অনেক উপকাৰ কৰিছে আৰু ভাৰতবৰ্ষ ইংৰাজৰ ওচৰত অনেক প্ৰকাৰে ধৰুৱা। ইংৰাজ ভাৰতৰ গৰাকী হৈ থাকে এনে আশা ভাৰতে সদায় কৰে।" ( বেজবৰুৱা গ্ৰন্থাৱলী, ২, পৃঃ ১৬৫৮ ) বেজবৰুৱাৰ এই

মনোভাব আমাৰ নমস্ত তাহানিৰ বহু অসমীয়া দেশনেতাৰ মাজত দেখা গৈছিল। মানিক চন্দ্ৰ বৰুৱা, প্ৰভৃতি উদাৰনৈতিক নেতাৰ উল্লেখ এই প্ৰসংগত অবান্তৰ নহব। আনকি অসমীয়াৰ উন্নতিৰ কথা সপোনে-সচিতে চিন্তা কৰা অগ্নিঋষি কমলা কান্তৰো ইংৰাজৰ প্ৰতি ভিতৰুৱা আনুগত্য আৰু শ্ৰদ্ধাৰ ভাব গভীৰ আছিল। ৰজনী বৰদলৈৰ "ৰঙ্গিলী" উপন্যাসত মৃত্যুশয্যাত পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে ভবিষ্যত বাণী কৰিছে: "কিন্তু মই এইটোও দেখিছোঁ যে মানৰ হাতত মোৰ সোণৰ অসম দেশ জুকলা জুপুৰা হোৱাৰ পিচত এই দেশ সাগৰৰ সিপাৰৰ প্ৰবল পৰাক্ৰমী বৃটিছ জাতিৰ তললৈ আহিব। বৃটিছৰ সুশাসনত অসমে আকৌ গা কৰিব।"

(সাহিত্য প্ৰকাশ, ১৯৬২, পৃঃ ১৯৩) বংকিমচন্দ্ৰয়ো "আনন্দমঠ" উপন্যাসৰ উপসংহাৰত এনে এটি সিদ্ধান্তই প্ৰচাৰ কৰিছে। সাম্ৰাজ্যবাদৰ শোষণৰ অংশীদাৰ হিচাপে গঢ়ি উঠা এই মধ্যবিত্ত শ্ৰেণীয়ে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চূড়ান্ত বিদ্ৰোহৰ আহ্বান জনোৱা সম্ভৱ নাছিল। আনহাতে এই একে সময়তে বঙালী শিক্ষিত মধ্যবিত্তৰ উগ্ৰ জাতীয়তাবাদ আৰু উচ্চাত্মিকাৰ বিৰুদ্ধে অসমত প্ৰতিৰোধ আৰু আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰে। বঙালী আৰু অসমীয়া চাকৰিয়াল উভয়েই আছিল সাম্ৰাজ্যবাদী শোষণৰ বহতীয়া আৰু অংশীদাৰ। কিন্তু সেই শোষণেৰে স্ফীত হৈ উঠা বঙালী মধ্যবিত্তৰ সংস্কৃতি অভিমান আৰু অহমিকাই অন্যান্য চুবুৰীয়া ৰাজ্যৰ চালুকীয়া মধ্যবিত্ত শ্ৰেণীক আহত আৰু বিক্ষুব্ধ কৰি তোলে। এই বিৰোধ আৰু বিদ্বেষৰ পৰিবেশ প্ৰকাৰান্তৰে বৃটিছে জীয়াই ৰাখে। আনকি বেজবৰুৱাইয়ো সুস্পষ্ট ভাষাত লেখিছে—"গৱৰ্ণমেণ্টে চিৰকাল যুদ্ধ কৰি আহিছিল অসমীয়া ভাষাক ঠেলি বাংলা ভাষাক অসমৰ ভাষা কৰিবলৈ। আজিও অসম গৱৰ্ণমেণ্টে পাৰিলে অসমীয়া ভাষাৰ গুৰিত ৰবকুঠাৰ মাৰি বঙালী ভাষা অসমত বোৱে। ..........) অসমৰ কমিছ্যনাৰ কৰ্ণেল হপকিচনৰ পৰা চীফ্ কমিছ্যনাৰ বাৰ্ড চাহাবলৈকে অসম গৱৰ্ণমেণ্টৰ ডাঙৰমূৰীয়া বিষয়াসকলে সময় বুজি অসমীয়া ভাষাৰ বিৰুদ্ধে সোঁকা ধৰি আহিবলৈ ত্ৰুটী কৰা নাই।" (বেজবৰুৱা গ্ৰন্থাৱলী, ২, পৃঃ ১১২৩) এই অৱস্থাৰ বাবে যে ব্ৰিটিছৰ প্ৰশাসনীয় ষড়যন্ত্ৰ বঙালী মধ্যবিত্তৰ কূমন্ত্ৰণাতকৈ অধিক দায়ী, তেবে সন্দেহ অসমীয়া শিক্ষিতৰ মাজত প্ৰবল নাছিল।

অম্বিকাগিৰিৰ দিনলৈকে বঙালীৰ অভিপ্ৰায় সম্পৰ্কে সন্দেহ পোষণ কৰা আৰু বঙালীৰ ষড়যন্ত্ৰৰ ভেদ ভাঙিবলৈ সজাগ থকা অসমীয়া শিক্ষিত মধ্যবিত্তৰ নেতৃবৃন্দৰ অভ্যাস হৈ থাকিল। আমাৰ ধাৰণা যে জাতীয় স্বাধীনতা অন্দোলনত অসমীয়াৰ অংশগ্ৰহণ এনে মনোভাৱে মাজে মাজে কুহমীয়া কৰিছিল। অতীতৰ প্ৰায় সকলো কেইজন লেখক আৰু নেতাৰ ভিতৰত কেৱল জ্যোতিপ্ৰসাদেহে ইংৰাজ সাম্ৰাজ্যবাদী শোষণৰ তাৎপৰ্য্য সম্পূৰ্ণ কৈ ধৰিব পাৰিছিল। সেয়ে তেওঁৰ প্ৰকাশিত ৰচনাত বঙালীৰ বিৰুদ্ধে ক্ৰুদ্ধ আৰু বিদ্বেষ ভাৱাপন্ন মন্তব্য নাই বুলিলেই হয়। বেজবৰুৱাৰ গল্পত কিন্তু বঙালীক এখুন্দা দিয়াৰ বাসনা বাৰুকৈয়ে পৰিলক্ষিত হয়। তেওঁৰ বহু গল্পত এনে তৰহৰ ইংগিত পোৱা যায়। আনহাতে "মুক্তি" আদি গল্পত ৰবীন্দ্ৰনাথৰ স্পষ্ট প্ৰভাৱ, জয়মতী কুঁৱৰীত দ্বিজেন্দ্ৰলালৰ স্বীকৃত প্ৰভাৱ সত্বেও বঙালী প্ৰভাৱৰ বিৰুদ্ধে অনৱৰত ভয়ামহা যুদ্ধ দিয়াৰ মনোভাৱ লক্ষণীয়। এনে মনোভাৱৰ ফলত চিন্তা জগতত কিছু অসুস্থ পৰিবেশ সৃষ্টি হৈছিল। কাৰণ ইয়াৰ পৰিণাম বৌদ্ধিক অসাধুতা হবলৈ বাধ্য। অসমীয়া ঐতিহ্য উদ্ধাৰ আৰু ৰক্ষা কৰাত বেজবৰুৱাৰ অৱদান অতুলনীয় হলেও আমাৰ জাতীয় জাগৰণত বংগ সংস্কৃতিৰ ওচৰত আমাৰ ঋণ ঢাকি দিয়াত বেজবৰুৱাই অগ্ৰণী হ'ল।

বেজবৰুৱাৰ ভাষাৰ ওপৰত দখল যেনে সহজ অথচ বিস্ময়কৰ, সেই জোখাৰে গল্প লেখা বিষয়ত তেওঁৰ ঐকান্তিকতা নাছিল। তেওঁৰ বহু গল্পই প্ৰচাৰধৰ্মী। এনেবোৰ গল্পৰ যোগেদি প্ৰাচীন ক্ষয়িষ্ণু জঠৰ সামন্তবাদী সামাজিক বন্ধনৰ বিৰুদ্ধে তেওঁ প্ৰতিবাদ প্ৰকাশ কৰিছে। উদাহৰণ স্বৰূপে "কাতেমা-বিবি" গল্পত সংকীৰ্ণ জাতীভেদৰ বিৰুদ্ধে আৰু "সেউতী" গল্পত গোড়া আৰু বিদ্বেষমূলক জনমতৰ বিৰুদ্ধে বেজবৰুৱাই তেওঁৰ জেহাদ ঘোষণা কৰিছে। তেওঁৰ সমসাময়িক সমাজকো তেওঁ তীব্ৰ ভাবাত কশাঘাত কৰিছে। ভেমপুৰীয়া মৌজাদাৰৰ অন্তঃসাৰশূন্য ভেম আৰু চাহাবৰ ওচৰত গোলামসুলভ তোষামোদমূলক গুইন গুইনৰ নকল চাহাবীয়ানা, "খোঁৰা খোৰা" গল্পৰ ৰামেশ্বৰ ডাঙৰীয়াৰ কোপোলা আৰু সৰ্বনশীয়া আভিজাত্যৰ মাজত বেজবৰুৱাই দেখিছে স্বাধীন, আত্মনিৰ্ভৰশীল অথচ স্বাভাৱিক মনুষ্যত্বৰ পৰাজয়। আনহাতে "নকও" গল্পত এহাল পলৰীয়া চাকৰ-চাকৰণীৰ পলায়নত সহায় কৰি মানৱ হৃদয়ৰ স্বাভাৱিক অভিব্যক্তিক গল্পৰ নায়কে

সন্মান জনাইছে। "কেহোঁকলি" সংকলনৰ "বিহু" নামৰ গল্পত ক্ষয়িষ্ণু সামন্ত শ্ৰেণী আৰু নকল চাহাবৰ মাজত দুৰ্লভ স্বাভাৱিক, সুস্থ জীৱন আৰু হৃদয়ৰ সম্ভেদ বেজবৰুৱাই পাইছে অসমৰ সাধাৰণ প্ৰজা ৰাইজৰ মাজত · সামন্তবাদী বন্ধনৰ জড়তাৰ পৰা মানৱ হৃদয়ক মুক্ত কৰাৰ সপোন নতুন শ্ৰেণীৰ নতুন মূল্যবোধৰে লক্ষণ। কিন্তু "ভোমকোৱোলা" আদি গল্পৰ বাস্তৱ চিত্ৰণৰ নামত এই নতুন মূল্যবোধৰ পিঠিত পিচফালৰ পৰা ছুৰীও বহুৱা হৈছে। "মালতী" নামৰ গল্পত বজাৰবীয়া সামন্তবাদী অত্যাচাৰেই লেখকৰ খঙৰ কাৰণ নহয়। উচ্চ বংশৰ গাত আহোমে কালিমা লগোৱাতো তেওঁ সুখী হব পৰা নাই। অৰ্থাৎ যি বংশ গৌৰৱ, জাত্যাভিমানৰ বিৰুদ্ধে তেওঁ যুঁজ দিছিল, আওপকীয়াকৈ সি তেওঁৰ মনতো বাঁহ লৈছিল। অৱশ্যে বেজবৰুৱাৰ "মৈদাম" গল্পত আহোম ৰাজত্বৰ বিৰুদ্ধে যি ক্ষোভ আৰু ক্ৰোধ প্ৰকাশ হৈছে, তাত নতুন শিক্ষিত মধ্যবিত্তৰ আত্মসন্মান আৰু স্বাধীনতা প্ৰেম উজ্জ্বল. আহোমৰ বিৰুদ্ধে তাৰ মনোভাৱত সাম্প্ৰদায়িকতাতকৈ মানৱতাই প্ৰবল।

বেজবৰুৱাৰ তুলনাত বৰদলৈৰ সাহিত্য সাধনা অধিক "চিনচিয়াৰ" আছিল। বেজবৰুৱাৰ আত্ম গৌৰৱ তেওঁৰ নাছিল। বেজবৰুৱাৰ দৰে জীৱন্ত আৰু বিপুল কল্পনা শক্তিৰো তেওঁ অধিকাৰী নাছিল। তেওঁৰ ভাষা আছিল নিতান্ত বস্তুধৰ্মী······ ··উপমাৰ প্ৰয়োগত তেওঁ আছিল কৃপণ। আনহাতে তেওঁৰ সাধাৰণ মানুহৰ প্ৰতি সহজ ভালপোৱা আৰু অন্তৰৰ পবিত্ৰতাৰ বাবেই ৰজনী বৰদলৈৰ "ৰঙিলী" এখন মনোগ্ৰাহী আৰু সাৰ্থক উপন্যাস। সহজ-সৰল অনাড়ম্বৰ ভাষা, বস্তুধৰ্মী পৰ্যবেক্ষণ আৰু মানুহৰ প্ৰতি সহজাত শ্ৰদ্ধাৰ গুণত "ৰঙিলী"ৰ কাহিনীয়ে আমাক মুগ্ধ কৰে।

"ৰঙিলী"ৰ কাহিনীত এহাতে যেনেকৈ অতীত অসমৰ গৌৰৱৰ প্ৰতি প্ৰবল মোহ আৰু সামন্তবাদী জাকজমকৰ প্ৰতি আকৰ্ষণ, তেনেকৈ········ তাৰ গভীৰ অন্তঃস্ৰোত হিচাপে··· ··তাৰ বিৰুদ্ধে প্ৰতিবাদৰ সুৰ সোচ্চাৰ। সামন্তবাদী সমাজ ব্যৱস্থাই শান্তিৰাম পদুমীৰ পবিত্ৰ প্ৰণয় বিনাশ কৰিছে, বহুৰৈ লিগিৰীৰ মন হলাহলেৰে ভৰাই তুলিছে, ৰঙিলী-সংৰামৰ ভালপোৱাৰ সম্ভাৱনা ক্ষুণ্ণ কৰিছে। শান্তিৰাম পদুমীৰ বিচাৰত স্বাভাৱিক মানৱীয় হৃদয়বৃত্তিৰ হৈ সেই সমাজ ব্যৱস্থাৰ ওপৰত অভিসম্পাত বৰ্ষিত হৈছে। বুঢ়া গোহাঁইক "মহামতি" "স্বদেশ বৎসল" আৰু "অসম গৌৰৱ"

হিচাপে চাবলৈ চেষ্টা কৰা সত্বেও তেওঁৰ চৰিত্ৰত থকা ক্ষমতালোভ আৰু স্বেচ্ছাচাৰিতা লেখকৰ অজ্ঞাতে পৰিস্ফুট হৈছে। সতৰামে সৰু মানুহৰ ঘৰৰ স'ৰা হৈও সামন্তবাদী মান-মৰ্য্যাদাৰ লোভত নিজ হৃদয়ৰ প্ৰেমৰ সম্ভাৱনা নিজহাতে মোহাৰি পেলাইছে। আনহাতে তেনে মান-মৰ্য্যদা নেওচা দিব জনা সাধাৰণ মানুহৰ জীয়ৰী ৰঙ্গিলীৰ অন্তৰত বিকশিত হৈছে অমৰ প্ৰেমৰ পাৰিজাত.........যাৰ সৌৰভত এদিন দুৰ্ভগীয়া সৎৰামো সামন্তবাদী মোহ পাহৰি আত্মস্থ হৈছে আৰু ৰঙ্গিলীৰ আগত আঁঠু লৈ ক্ষমা প্ৰাৰ্থনা কৰি ক্ষমতা আৰু ঐশ্বৰ্য্যৰ অসাৰ্থকতা তথা মানুহৰ স্বাভাৱিক হৃদয় বৃত্তিৰ নিজস্ব মহিমা প্ৰকাশ কৰিছে। ৰঙ্গিলীৰ কথা-বতৰা, চৰিত্ৰ আৰু আচাৰ-ব্যৱহাৰত সহজ আৰু সুন্দৰৰ স্বাভাৱিক আৰু গভীৰৰ মধুৰ মিলন। অসমীয়া কাহিনী জগতৰ ই এটি অবিস্মৰণীয় চৰিত্ৰ। কিন্তু এই চৰিত্ৰৰ সাংসাৰিক ব্যৰ্থতা আৰু অপূৰ্ণতা প্ৰকৃততে সামন্তবাদী সমাজৰ ধ্বংসাত্মক, অমানুষিক চৰিত্ৰৰেই প্ৰতীক। অতীত সমাজৰ প্ৰতি স্বদেশ প্ৰেমৰ মোহ সত্বেও এনেকৈয়ে ৰজনী বৰদলৈয়ে প্ৰকাশ কৰিছে নতুন শ্ৰেণীৰ নতুন দৃষ্টিভঙ্গীৰ সঁহাৰি। অৱশ্যে তাৰ আধ্যাত্মিক পৰিণতিয়েই সূচায় সেই ব্যৰ্থতাৰ সাংসাৰিক তথা সামাজিক বিকল্প সম্পৰ্কে ৰজনী বৰদলৈ আশাবাদী নহয়।

# অসমীয়া জাতীয়তাবাদৰ সমস্যা

## এক

তাহানি এজন বুদ্ধিমান মানুহে মোক প্ৰশ্ন কৰিছিল : "অসমত আপোনাৰ জন্ম হৈছিল বুলিয়েই আপুনি অসমক ভাল পাব লাগিবনে ? সেইটোতো এটা আকস্মিক ঘটনা !" মই ভাবিবলৈ বাধ্য হলোঁ। সঁচাকৈ আত্মসচেতন মানুহৰ বাবে আকস্মিক সংস্কাৰ আৰু উশাহ-নিশাহৰ দৰে সহজাতপ্ৰতিক্ৰিয়াৰ কোনো গৌৰৱ নাই।

অৱশ্যে প্ৰশ্নটোৰ যথোচিত উত্তৰো বিচাৰি পালোঁ। স্বদেশৰ প্ৰতি ভালপোৱাৰ যদিও এটা সহজাত ভিত্তি আছে, তথাপি তাৰ পূৰ্ণাংগ ৰূপ সচেতন আৰু বিবেকসম্মত। জন্মৰে পৰা অসমৰ প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশে স্তৰে স্তৰে পলসৰ দৰে মনত যিবোৰ সাঁচ বহুৱাই গৈছে, তাৰে বহুতৰে মূল্য মই আজি মনেপ্ৰাণে অনুভৱ কৰোঁ। অলপ ভাবিলেই উপলব্ধি হয় যে মোৰ এই গৌৰৱবোধ আৰু মায়া যুক্তিহীন বা অন্তঃসাৰশূন্য বস্তু নহয়। সেয়ে বিদেশে-বিভূঁয়ে হঠাতে কৰবাত অসমীয়া মাত শুনিলে ৰোমাঞ্চিত হওঁ, বিহুনাম,বিয়ানাম বা লোকগীতৰ সুৰ মনত পৰিলে চকুলো ওলাব খোজে। শংকৰদেৱ আৰু জ্যোতিপ্ৰসাদৰ দেশ বুলি মনে মনে এনে এটা গৰ্ব অনুভৱ কৰোঁ, যিটো আন কোনো চহকী বিদেশী সংস্কৃতিৰ মহিমাই দল পেলাব নোৱাৰে।

বিদেশী মানুহ, বিদেশী কৃষ্টিৰ লগত যিমানেই পৰিচয় হৈছে, সিমানেই মোৰ নিজৰ দেশৰ প্ৰতি টান, তাৰ প্ৰতি মোৰ শ্ৰদ্ধা গাঢ় হৈছে। আনহাতে এই কথাও মৰ্মে মৰ্মে অনুভৱ কৰিছোঁ যে আন সমাজ আৰু সংস্কৃতিক হেয়জ্ঞান কৰাৰ প্ৰয়োজন নাই। বৰং তেনে অভিজ্ঞতাৰ পোহৰত নিজৰ সমাজ আৰু সংস্কৃতিৰ ত্ৰুটিবিচ্যুতি বুজাটো প্ৰকৃত দেশপ্ৰেমিকৰ লক্ষণ।

আৰু এই বাবেই সংস্কৃতিৰ মহান সাধকসকলে বিদেশী সমাজ আৰু সংস্কৃতিৰ মূল্যবান সম্পদ আঁকোৱালি নিজৰ কৰি লবলৈ কুণ্ঠাবোধ নকৰে।

ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱাৰ বৰঙণি নোহোৱাকৈ আজিৰ অসম আৰু মোৰ দৰে মানুহৰ অসমীয়া জাতীয় চেতনা গঢ়ি নুঠিল হেঁতেন। কিন্তু সেইসকল .পূৰ্বপুৰুষৰ অৱদান—তেওঁলোকৰ মনোবৃত্তি আৰু চিন্তাধাৰা—পুনৰ পৰীক্ষা কৰি লোৱাৰ সময় নিশ্চয় আহিছে। তেওঁলোকৰ যুগ, তেওঁলোকৰ সমাজ সলনি হোৱা বাবেই আমি তেওঁলোকৰ পৰা দূৰত থিয় দি আছোঁ। সেইবাবেই তেওঁলোকৰ লগত আমাৰ সম্পৰ্কৰ ওপৰত সচেতন অনুসন্ধানৰ পোহৰ পেলোৱাৰ প্ৰয়োজন হৈছে।

কিন্তু জয়জয়তে উল্লেখ কৰিব লাগিব যে আমাৰ এইসকল পূৰ্বপুৰুষৰ দোষত্ৰুটি বা সীমাবদ্ধতা আমি যিমানেই লক্ষ্য নকৰোঁ কিয়, তেওঁলোকৰ অৱদানৰ মৌলিক মহত্বৰ কথা পাহৰিব নোৱাৰোঁ। অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি এওঁলোকৰ একনিষ্ঠ আনুগত্য আছিল স্বাৰ্থহীন। কোনো ধৰণৰ বৈষয়িক লাভৰ আশাত তেওঁলোকে অসমীয়া ভাষা সাহিত্যৰ পুনৰুজ্জীৱনত জীৱন উৎসৰ্গ কৰা নাছিল। তেওঁলোকৰ মহত্বৰ আন এটা লক্ষণ হ'ল বিদেশী সংস্কৃতিক অন্তৰৰ পৰা সমাদৰ কৰিব পৰা গুণ। বঙালী ভাষাৰ কবলৰ পৰা অসমীয়া ভাষাক উদ্ধাৰ কৰিবলৈ তেওঁলোকে অহোপুৰুষাৰ্থ কৰা কালতো বঙালী ভাষা সাহিত্যৰ প্ৰতি তেওঁলোকে আন্তৰিক শ্ৰদ্ধা পোষণ কৰিছিল। ঢেকিয়াল ফুকনে বঙালীত আইন বিষয়ক আৰু আন কিতাপ ৰচনা কৰিছিল। ৰজনী বৰদলৈয়ে অসমীয়া উপন্যাসৰ আলি বান্ধিবৰ সময়তে বঙ্কিমচন্দ্ৰৰ ওপৰত দীঘল ৰচনা লেখি ঋণস্বীকাৰ কৰিছিল। বেজবৰুৱাৰ যুক্তং দেহি মনোভাবে আমাৰ পৰা তেওঁৰ ওপৰত ৰবীন্দ্ৰনাথ, দ্বিজেন্দ্ৰলাল প্ৰভৃতিৰ প্ৰভাৱ অস্পষ্ট কৰি ৰাখিছে। তেওঁলোকৰ এই মনোভাব গৰ্হিত তো নহয়েই, বৰং সি তেওঁলোকৰ প্ৰতিভাৰ বিকাশৰ অন্যতম থাই প্ৰেৰণা আছিল। যেনেকৈ য়ুৰোপৰ প্ৰভাৱে তেওঁলোকৰ আগতে বংগদেশৰ মনীষা আৰু কবিপ্ৰতিভা অংকুৰিত কৰিছিল।

নৃতত্ববিদসকলে কয় যে পৃথিবীৰ সেইবোৰ নৰগোষ্ঠি বা সম্প্ৰদায়েই অনুন্নত আৰু অসভ্য, যিবোৰ বহিঃপ্ৰভাৱৰ পৰা মুক্ত, যিবোৰৰ লগত বিদেশী সমাজ আৰু সংস্কৃতিৰ যোগাযোগ ক্ষীণ। এটা সংস্কৃতি যিমানেই "বিশুদ্ধ"

হয়, সিমানেই সি মানসিক দিশৰ পৰা হয় নিঃস্ব। আনহাতে ইংৰাজ জাতিৰ দৰে আত্মস্থ জাতিৰো দৈনন্দিন জীৱনৰ অপৰিহাৰ্য্য কৰ্তব্য চাহপানৰ পৰ্বটো চীনা সমাজৰ পৰা ধাৰ কৰা, ইংৰাজ পুৰুষৰ পটলুন বা ঠেঙাটোও প্ৰাচ্যৰ পৰা ধাৰ কৰা। ফৰাচী, ইটালীয়ান, ওলন্দাজ—সকলো য়ুৰোপীয় দেশৰ লগত ঘনিষ্ঠ সম্পৰ্ক আৰু সিবিলাকৰ গভীৰ প্ৰভাৱৰ মাজত গঢ়ি উঠিছে ইংৰাজ জাতিৰ সাহিত্য আৰু ৰুচি। প্ৰকৃততে প্ৰতি সুসভ্য সমাজৰে ইতিহাসত বহিৰাগত সমাজ আৰু সংস্কৃতিৰ অৱদান উল্লেখযোগ্য।

অসমৰ সংস্কৃতিও যদি ভালদৰে ঠন ধৰি উঠিব লাগে, বিদেশী প্ৰভাৱৰ সাৰ জাবৰ বৰ্জন নকৰাই ভাল। নিজকে উন্নত আৰু পৰিপূৰ্ণ কৰিবলৈ কেৱল নহয়—নিজক ভালদৰে চিনিবলৈ, বুজিবলৈকো বিদেশী প্ৰভাৱৰ লগত যোগাযোগৰ প্ৰয়োজন।

## দুই

অথচ আধুনিক অসমৰ জাতীয়তাবাদে এনে এটা সংকীৰ্ণ বাট বাচি লৈছে, যি বাট কেৱল বহিঃ প্ৰভাৱৰ পৰা নিজক ৰচোৱাৰ ৰাস্তা! তাৰ লগত যোগ হৈছে এনে কেতবোৰ উপসৰ্গ, যাৰ অৰ্থ হয় কেৱল বিকাৰ বা অধঃপতন। প্ৰকৃত দেশ প্ৰেমৰ লগত তাৰ সম্পৰ্ক নাই।

এনে কিছুমান অভিজ্ঞতা লাহে লাহে হৈছে যি মনত সৃষ্টি কৰিছে সন্দেহ আৰু তিক্ততা। কিছুমান উদাহৰণ দিওঁ। নিৰ্ভৰযোগ্যসূত্ৰে শুনা যে কেইবছৰমান আগতে অসমৰ এখন উচ্চ মানৰ শিক্ষানুষ্ঠানত কেইজনমান বঙালী ছাত্ৰক অসমীয়া সহপাঠী আৰু সমনীয়া হোষ্টেলবাসী অসমীয়া ছাত্ৰই বিছনাত বান্ধি লৈ ব্লেডেৰে তেওঁলোকৰ দেহ ক্ষতবিক্ষত কৰাৰ চেষ্টা কৰিছিল। হোষ্টেলৰ ৰুমত তেজে সোঁতা বাকিছিল। কেৱল এয়ে নহয়, ঘটনাটো জনা বহু অসমীয়া শিক্ষিত মানুহে এই পৈশাচিক নিষ্ঠুৰতাৰ বিৰুদ্ধে তেতিয়া বা তাৰ পিচত এষাৰো মাত মতা নাছিল। ট্ৰেনত যাওঁতে অনা অসমীয়া মানুহক মাৰধৰ কৰি তেওঁলোকৰ জাগা দখল কৰাটো পৰিচিত ঘটনা হৈ পৰিছে। দেশপ্ৰেমৰ নামত শিষ্টাচাৰ আৰু মনুষ্যত্বৰ এনে অপমান আনকি আমাৰ শিক্ষক শ্ৰেণীৰ মানুহৰ মাজতো বিৰল নহয়।

আৰু দেখিছোঁ হুজুগ আৰু অৰ্থহীন হিংস্ৰতাৰ প্ৰতি বাঢ়ি অহা আকৰ্ষণ। মেডিকেল কলেজৰ হাস্পাতালত ডাক্তৰ বা নাৰ্ছৰ ব্যৱহাৰ কেতিয়াবা হৃদয়হীন বা অভদ্ৰ হয়। অভিযোগটো হয়তো মিছা নহয়। কিন্তু তাৰ প্ৰতিকাৰ বিচাৰি যথোচিত অনুসন্ধান আৰু বিশ্লেষণ কৰা আৰু নহয়। বৰং এদল ডেকাল'ৰা বলেৰে সোমাই গৈ নিৰ্বিচাৰে কেইজনমান ডাক্তৰক মাৰপিট কৰিলেই যেন সমস্যাৰ সমাধান হ'ব—এই ধৰণৰ মনোভাৱ অসমত সুলভ। তাৰ উপৰিও এনে কিছুমান আন্দোলনত প্ৰায়েই আমাৰ অধিকাংশ মানুহ মতলীয়া হৈ পৰে যাৰ লক্ষ্য সম্পৰ্কে কোনেও দকৈ ভৱাচিন্তা কৰা নাই, যাৰ পৰিণাম সম্পৰ্কে আগতীয়াকৈ কোনেও ভৱা নাই, আৰু যাৰ চৰিত্ৰৰ ওপৰত কোনেও চোকা নজৰ দিয়া নাই। পূৰ্বঠ ৰাজনৈতিক অভিজ্ঞতা, স্বাৰ্থহীন দেশহিতৈষিতা, প্ৰণালিবদ্ধ বিশ্লেষণৰ অবিহনে এনেবোৰ আন্দোলনে কেউফাল থলক লগায়। এইবোৰ আন্দোলন ক্ষণস্থায়ী। তাৰ ফলাফল সম্পৰ্কে আন্দোলনকাৰী ৰাইজৰ কাণসাৰ নাই। ১৯৬০ চনৰ ভাষা আন্দোলনে কেনে ভীষণ উত্তেজনা সৃষ্টি কৰিছিল সকলোৱে জানে। কিন্তু তাৰ পিচৰ দহ বছৰত যে অফিচ কাচাৰিত অসমীয়া ভাষা নচলিল কোনেও খেয়াল নকৰিলে! বোধহয় অসমত ইংৰাজী ভাষা শিক্ষা সম্পূৰ্ণ উঠাই দিব লাগে বুলি এদিন ঘোৰ আন্দোলন হ'ব—যদিও অসমীয়া মানুহে ভাৰতৰ আন ঠাইৰ মানুহতকৈ বেছি মন দি ইংৰাজী চৰ্চা কৰাটোহে উচিত হ'ব। এনেবোৰ হুজুগে অসমীয়া জাতিৰ আৰ্থিক আৰু সাংস্কৃতিক উন্নতিত বিশেষ বৰঙণি যোগাব পৰা নাই। কাৰণ হুজুগ প্ৰকৃত আন্দোলন নহয়।

এনে ধৰণৰ চিন্তাশূন্য আৰু ক্ষণস্থায়ী "আন্দোলনৰ" কৰ্মীসকলৰ ধৈৰ্য্য আৰু অধ্যৱসায়ৰ অভাৱ আধুনিক অসমীয়া জাতীয় চৰিত্ৰৰ এটা ঘাই কেৰোণ। তাৰ লগতে যোগ দিব পাৰি বৌদ্ধিক আৰু নৈতিক বিবেকৰ ভয়ানক শূন্যতা। এবাৰ এটা আন্দোলনৰ ফলত কেইবাশ মানুহৰ ঘৰত জুই লাগিল, বহু মানুহে প্ৰাণ হেৰুৱালে। সেই পৰিণামলৈ আন্দোলনৰ নবীন নেতা কেইজনৰ দৃষ্টি আকৰ্ষণ কৰাত তেওঁলোকে খঙত কঁপি কঁপি মোক সমিধান দিলে: "আমি জুই লগাইছোঁ নেকি? আমি মানুহ মাৰিবলৈ কৈছোঁ নেকি?" তেওঁলোকে এবাৰো ভাবি নাচালে যে নিজৰ ইচ্ছা বা অভিপ্ৰায় নথকা কামৰ বাবেও মানুহ জগৰীয়া হয়। মোৰ

ঘৰৰ পাকঘৰত জুই দুম্দুমাৰ ফলত যদি বাতি গোটেই চুবুৰিৰ ঘৰ ভস্মীভূত হয়, তাৰ বাবে মঞেই দায়ী। উক্ত তৰুণ নেতা কেইজনৰ ভেনে পূৰ্বঠ অভিজ্ঞতা হবৰ বয়স হয়তো হোৱা নাই। কিন্তু মন কৰিবলগীয়া যে আমাৰ বহু বয়স্ক, প্ৰবীণ মানুহৰ মনোবৃত্তিও এনে ধৰণৰ। প্ৰকৃত অভিজ্ঞতা থকা মানুহৰ কথা-বতৰাই আমাৰ সমাজত হয়তো কাকো প্ৰভাৱিত নকৰে।

আত্মসমালোচনাৰ অভাৱ নানা ধৰণৰ আধুনিক হাবা লাগি বাঢ়িছে গৈছে। এই সমাজত মানুহৰ মানসন্মান তেওঁৰ প্ৰকৃত মূল্যৰ ওপৰত নিৰ্ভৰ নকৰে। কাৰণ এজন মানুহৰ কামকাজ ভালকৈ লক্ষ্য কৰি তাৰ মূল্য নিৰূপণ কৰাৰ অভ্যাস বা ক্ষমতা আমাৰ নাই। খবৰ কাগজ আৰু ৰেডিঅ'ত (আজিকালি যত মানুহতকৈ চিকা আৰু ঘনচিৰিকাৰ মাতেই বেছিকৈ শুনা যায়) যাৰ প্ৰশংসা শুনো আমি তেওঁক নিলাজৰ দৰে চালাম দিওঁ, আৰু কেনেবাকৈ খবৰ কাগজ আৰু ৰেডিঅ'ই তেওঁৰ দুৰ্নাম বটিলে তাতে হৰিভৰ দি দাঁত নিকটাই হাঁহো। আমাৰ বিশিষ্ট ব্যক্তি সকলবো বিবেক বোলা বস্তু এটা নাথাকে। সমাজৰ এই অহৰহ প্ৰশংসা বা দুৰ্নামৰ প্ৰভাৱত তেওঁলোকৰ একমাত্ৰ চিন্তা হয় কেনেকৈ সমাজত নিজা নিজা মুখ কেইখন উজ্জ্বল কৰি ৰাখিব পাৰে। নতুন পৰিস্থিতিৰ উপযুক্ত নতুন চিন্তাত তেওঁলোকে নেতৃত্ব নিদিয়ে। ফলত সমাজৰ লগতে সদায় তেওঁলোকে হোৱা দি চলিবলৈ বাধ্য হয়। সমাজৰ ক্ষণস্থায়ী আবেগ যেতিয়াই যিপিনে যায় তেওঁলোকৰ মতামতো সেইপিনে হালি যায়।

আচৰিত নহয় যে এনে সুবিধাবাদী মনোভাবৰ পৰা কদাচিৎ দুই এটা বুদ্ধিদীপ্ত মন্তব্য ওলালেও গভীৰ আৰু আন্তৰিকতাপূৰ্ণ মননৰ পৰিচয় কেতিয়াও পোৱা নাযায়। চিন্তাৰ ক্ষেত্ৰত অসমৰ দৈন্যৰ কাৰণো সেয়ে। বুদ্ধিৰ জোৰত মানুহে বৰ জোৰ পৰীক্ষাত প্ৰথম হব পাৰে, কিন্তু গভীৰ মননশীল অৱদান যোগাব নোৱাৰে। সেয়ে দেখোঁ আজিৰ উগ্ৰ বিপ্লৱী তিনিমাহ পিচত নিয়মতান্ত্ৰিক সংস্কাৰৰ সমৰ্থক, আজিৰ মানৱতাবাদী পৰহি ধনশালী নিধনৰ পক্ষপাতী, আৰু পোৰ্হোৰ সাম্যবাদী অগ্ৰথৰ সময়ত তাবীজ মাদুলিৰ অন্বেষণত ব্যস্ত। শিক্ষিত মানুহবোৰ এনে মেৰুদণ্ডহীন হোৱাৰ ফলতে কোনো চিন্তাৰ স্ৰোত অসমত স্থায়ী বা গভীৰ নহয়। আমাৰ আন্দোলনবোৰো এনে কাৰণতে চিন্তাহীন আৰু উপকৰা হয়। এনে

কাৰণতে বেভিন্‌'ত কোনো কাল্পনিক নায়িকাৰ বিয়া নোহোৱা দুখৰ নাটক শুনি চকুলো টোকা বীৰপুঙ্গৱ সকলেই অসহায় বঙালী ছাত্ৰৰ ওপৰত জানোৱাৰৰ দৰে অত্যাচাৰ কৰে। তাবাৰ নামত বঙালীৰ সাতপুৰুষক গালি পৰা আমাৰ বহু ডেকা-গাভৰুৱে জ্যোতিপ্ৰসাদৰ নাট এখন পঢ়া নাই, গান এটা শুনা নাই, শংকৰদেৱৰ পুথি এখনৰ নাম হয়তো নাজানে! ই কেৱল অনুভূতি আৰু বুদ্ধিৰ অপৰিপক্কতা নহয়—ই হ'ল চৰিত্ৰৰ তৰলতা, ব্যক্তিত্বৰ ৰক্তহীনতা। কোনো যথাৰ্থ উদ্যোগত প্ৰেৰণাময় আত্মত্যাগ এওঁলোকৰ পৰা কেনেকৈ আশা কৰিব পাৰি?

কিন্তু মই কেৱল ডেকাবিলাকক শাও দিবলৈ এনেকৈ লেখা নাই। সঠিক পথ বাছি লোৱাত তৰুণৰ নিজৰ দায়িত্বও কম নহয়। কিন্তু যি পৰিবেশত তেওঁলোক ডাঙৰ হৈছে, তাত বেলেগ ধৰণৰ শিক্ষা বা প্ৰভাৱৰ সম্ভাৱনা বৰ কম। বয়স্ক সকলৰ সুবিধাবাদ আৰু তৰল চিন্তায়ো এওঁলোকক প্ৰভাবিত কৰে। আনহাতে বয়স্ক শিক্ষিতসকলৰ এনে মনোবৃত্তিৰ কাৰণ কি? উন্নত দেশত শিক্ষিত সমাজ দেশৰ পথপ্ৰদৰ্শক। অন্ততঃ শিক্ষিত সমাজৰ তৰ্ক-বিতৰ্ক আৰু চিন্তাধাৰাই দেশৰ বিভিন্ন শ্ৰেণীৰ ওপৰত প্ৰভাৱ পেলায় উদাহৰণ স্বৰূপে বুৰ্জোৱা বুদ্ধিজীৱীয়ে পুঁজিবাদী শ্ৰেণীৰ সমস্যা সমাধানত আৰু পুঁজিবাদী শ্ৰেণীৰ বাবে নতুন নতুন কৌশল উদ্ভাৱনত আগভাগ লয়। সেইদৰে বামপন্থী বুদ্ধিজীৱীয়েও মেহনতী শ্ৰেণীৰ হকে বিশ্লেষণ আৰু উদ্ভাৱনত উদ্যম দেখুৱায়। কিন্তু আমাৰ দেশৰ বুদ্ধিজীৱীৰ ভূমিকা তেনে নহয়। বুদ্ধিজীৱীৰ লগত পুঁজিপতি শ্ৰেণীৰ সম্পৰ্ক আমাৰ দেশত পাশ্চাত্যৰ দৰে নহয়। পুঁজিপতিয়ে আমাৰ দেশৰ বুদ্ধিজীৱীৰ পৰা দিহা-পৰামৰ্শ, বুধি-ভাৰসা নিবিচাৰে। বৰং তেওঁলোকে কয়: আমি তোমালোকক পুহি ৰাখিছোঁ, তোমালোকৰ কাম হ'ল আমাৰ গুণকীৰ্তন কৰা, আমাক আৰু আমাৰ চৰকাৰক সমৰ্থন কৰা। সেয়েই যথেষ্ট। কিন্তু খবৰদাৰ! কমিউনিষ্টকে সমৰ্থন কৰিলে তোমালোকৰ চাকৰি যাব। সেয়ে অসম তথা ভাৰতৰ বুদ্ধিজীৱীয়ে চিন্তা-ভিন্তা বাদ দি "চা-বা-বা-বা" কৈ চৰকাৰ আৰু পুঁজিপতি শ্ৰেণীৰ সমৰ্থনত ঢুলুকি বজাই সময় কটায়।

কিন্তু পুঁজিবাদী সমাজৰ সংকটে তেওঁলোকৰ সুখৰ সংসাৰো কঁপাই তুলিছে। বুদ্ধিজীৱী শ্ৰেণীও কৰাল আৰ্থিক সমস্যাৰ কৱলত। বহুদিন

চিন্তাৰ অভ্যাস নথকা বাবে এই সমস্যাৰ বিশ্লেষণত এওঁলোক আগ্ৰহশীল নহয়। আনহাতে এওঁলোকৰ এচামে জনসাধাৰণৰ চিন্তাহীন বা প্ৰতিক্ৰিয়াশীল বিক্ষোভ আৰু উন্মাদনাত ইন্ধন যোগাই নিজৰ নিজৰ সা-সুবিধা বঢ়াই লোৱাৰ তালত থাকে। পুলিচৰ গুলীৰ বা সাম্প্ৰদায়িক প্ৰতিহিংসাৰ সন্মুখীন নোহোৱাকৈ কৌশলেৰে এই ধৰণৰ প্ৰতিক্ৰিয়াশীল আন্দোলনৰ পৰা নিজৰ চাকৰিবাকৰি বা ব্যৱসায়ত সা-সুবিধা বঢ়াই লয়। বিশেষকৈ তৰুণসকলৰ প্ৰতি তেওঁলোকৰ স্নেহ আৰু দায়িত্বৰ সম্পৰ্ক আৰু নাই—প্ৰাচীন সমাজৰ বয়স্কসকলৰ যিটো আছিল। তাহানিৰ সমাজত ডাঙৰে প্ৰয়োজন বুজি সৰুক পথ দেখুৱাব পাৰিছিল, শাসন কৰিছিল। আজি কেৱল উচটাই ভোল খায়।

## তিনি

হেজাৰ-বিজাৰ ছাত্ৰ বা যুৱকে বা কেতিয়াবা অসংখ্য মেহনতী মানুহেও প্ৰতিক্ৰিয়াশীল আন্দোলনৰ মৰীচিকাত হিতাহিতজ্ঞান হেৰুৱায়। সেয়ে প্ৰতিক্ৰিয়াশীল আন্দোলনৰ চৰিত্ৰ বুজি বিষাক্ত সাপৰ দৰে তাৰ পৰা সাত হাত দূৰৈত থাকিব লাগে। প্ৰতিক্ৰিয়াশীল আন্দোলন যিমানেই উত্তেজিত নহওক, তাৰ পৰা নিৰীহ সাধাৰণ মানুহৰ যিমানেই ক্ষতি নহওক, এনে আন্দোলন জনসাধাৰণৰ প্ৰধান শত্ৰু আৰু তেওঁলোকৰ দুৰ্দশাৰ গুৰি. শোষক শ্ৰেণী আৰু শাসকচক্ৰৰ কোনো ক্ষতি সিহঁতে নকৰে। সিহঁতৰ ক্ষমতাৰ ভিত্তিত আঘাত কৰাটো এনে আন্দোলনৰ লক্ষ্য নহয়। কিন্তু যদি অসমৰ (আৰু আন আন প্ৰদেশৰ) দুখীয়া মানুহে আন সম্প্ৰদায়ৰ দুখীয়া মানুহৰ ওপৰত লুটপাত মাৰপিট কৰি শক্তিক্ষয় কৰে, শোষক শ্ৰেণীৰ বিৰুদ্ধে নিত্য দি বস্তুৰ দাম বঢ়াৰ পৰা শিল্পায়নৰ অভাৱত ঘটা নিবনুৱা সমস্যালৈকে জীৱন যাত্ৰাৰ প্ৰধান দুৰ্যোগবোৰৰ বাবে সিহঁতৰ কৈফিয়ৎ তলব নকৰে—তেন্তে শোষণৰ বোজা আৰু দুৰ্বহ হৈ পৰিব, চৰকাৰৰ মইমতালি আৰু বাঢ়িব।

বঞ্চিত মানুহৰ ক্ৰোধ আৰু যুৱকৰ স্বাৰ্থহীন প্ৰেৰণা আৰু আদৰ্শৰ বাবে উৎসাহক আমি মূল্য নিদি নোৱাৰোঁ। পৃথিৱীৰ মহৎ বৈপ্লৱিক আন্দোলনবোৰবো তেজ তাৰ পৰাই আহিছে। কিন্তু প্ৰতিক্ৰিয়াৰ জালত পৰিলে সেই মহাশক্তি হয় বন্ধ্যা। সেই আবেগ উত্তেজনাৰ

লক্ষ্য সুচিন্তিত আৰু যুক্তিসঙ্গত আৰু তাৰ পথ সুপৰিকল্পিত হলেহে তাৰ পৰা আকাংক্ষিত ফল পোৱা যাব। অৰ্থাৎ অসমীয়া সমাজৰ বৰ্তমান অৱস্থাত এনে কিছুমান শক্তিৰ বিকাশ ঘটিছে যিবোৰে সৰ্বসাধাৰণ ৰাইজৰ ক্ষতি কৰে। কিন্তু এনে কেতবোৰ শক্তিৰো বিকাশ হৈছে যিবোৰে এসময়ত শোষক আৰু শাসক গোষ্ঠিক ক্ষমতাচ্যুত আৰু হতগৰ্ব কৰি ৰাইজৰ আৰ্থিক মুক্তি আৰু সামাজিক মংগলৰ পথ পৰিষ্কাৰ কৰিব। কোৱা বাহুল্য যে সুচিন্তিত, সুপৰিকল্পিত আন্দোলন প্ৰকৃতপক্ষে সেইবোৰেই যিবোৰে দ্বিতীয়বিধ অৰ্থাৎ প্ৰগতিশীল শক্তিসমূহৰ বিকাশ, সংগঠন আৰু সংগ্ৰামত সহায় কৰিব।

কিছুমান কাকতে-পত্ৰই "নতুন পুৰুষৰ" প্ৰশস্তি শুনাৰ পিচত বহুতে ভাবিছে ডেকা মানুহ হ'লেই স্বয়ংক্ৰিয়ভাবে "প্ৰগতিশীল" হব পাৰি। এই ধাৰণা ভিত্তিহীন। মই নিজে এনে বহু ডেকা ল'ৰা পাইছোঁ। যাৰ ডাঢ়ি-চুলি, সাজপাৰত নতুন নতুন হাৱা ঢৌৱাই আছে, অথচ যাৰ মন এলান্ধুকলীয়া কুসংস্কাৰ আৰু অন্ধ বিশ্বাসেৰে ঠাহ খাই আছে। এনে অসমীয়া ল'ৰাই বলিকটা তেজৰ ফোটবেৰা লৈ ভাবত্তিৰে এডোখৰ শিলক পূজা কৰে—যি যুগত ধৰ্মৰ শিকলি ভৰিৰে লঠিয়াই বিভিন্ন দেশত সাধাৰণ মানুহে বিজ্ঞানৰ সহায়েৰে মানুহৰ বাবে সুখী ভৱিষ্যতৰ ভিত্তি ৰচনা কৰিছে। এনে ল'ৰাও পাইছোঁ। যি ভাবে যে আগৰ দিনেই ভাল আছিল, যে তাহানি "ৰান্ধনিৰ ল'ৰা ৰান্ধনি আছিল, চকীদাৰৰ ল'ৰা চকীদাৰ আছিল," আৰু আজিকালিহে সমাজখন বেয়া হ'ল! বাণী কাকতি চকীদাৰৰ ল'ৰা বুলি তেওঁ চকীদাৰ হৈ থকা হলে অসমীয়া ভাষাসাহিত্যৰ লাভ কি হ'লহেঁতেন? এইবোৰ উৰলি যোৱা সামন্তযুগীয়া ধাৰণা—মানৱতাহীন আৰু যুক্তিহীন ধাৰণা। অথচ আমাৰ বহু সংখ্যক ল'ৰাৰ ধ্যান ধাৰণা এনে বিধৰ। অতীত অসম আৰু অতীত ভাৰতৰ গৌৰৱৰ টিলিঙা বজাই ফুৰা ধুৰন্ধৰ বয়স্ক বুদ্ধিজীৱীয়েও এওঁলোকৰ এই মানসিক অধঃপতনত সহায় কৰিছে।

মুঠতে সমাজত বাঢ়ি অহা অভাব, দাৰিদ্ৰ্য, প্ৰতিযোগিতা আৰু বঞ্চনাই মানুহৰ মনত ভূমিকম্পৰ সৃষ্টি কৰিছে। এই খেলিমেলি যে সদায় থাকিব, তেনে নহয়। কিন্তু আজিৰ যুগত এটা কথা ধুৰুপ যে সমাজবাদৰ পথ নল'লে (যি পথ ভুৱা সমাজবাদৰ গড়খাৱৈ নহয়!) আৰ্থিক সমস্যাৰ যেনেকৈ

যথোচিত সমাধান নহয়, তেনেকৈ চিন্তাৰ খেলিমেলিবো ওৰ নপৰিব। আৰু খেলিমেলিৰ মাজত মাজে সময়ে জনসাধাৰণে ভুল বাটে যাব। প্ৰতিক্ৰিয়াশীল আৰু বিশেষকৈ সাম্প্ৰদায়িক উত্তেজনা আৰু ফেচিবাদী অত্যাচাৰৰ মোহে জনসাধাৰণক হয়তো মাজে মাজে আবিষ্ট কৰি ৰাখিব।

অসমীয়া "জাতীয় চৰিত্ৰ" সম্পৰ্কে যিবোৰ কথা কোৱা হ'ল সেইবোৰ আমাৰ আধুনিক জাতীয় জীৱনৰ বৈশিষ্ট্য—কিন্তু সেইবোৰ নিশ্চয় অসমীয়া চৰিত্ৰৰ স্থায়ী গুণ নহয়। বৰং উদ্দেশ্যধৰ্মী সংস্কৃতি আৰু চৰ্চাৰ অবিহনে আমাৰ সমাজে যে কেতবোৰ নেতিবাচক দিশ অনুসৰণ কৰিছে এইবোৰ তাৰহে প্ৰমাণ। আমাৰ আগৰ সংস্কৃতি তথা ধ্যান ধাৰণা আধুনিক পৰিস্থিতিৰ লগত সম্পূৰ্ণ খাপ খাই নপৰে। আধুনিক পৰিস্থিতিৰ উপযোগী ধ্যান ধাৰণা আৰু মনোভাৱ আমিও আঁকোৱালি লব পৰা নাই। তাহানিৰ পৰিস্থিতিত যি ব্যৱস্থা আছিল উপযোগী, আজিৰ পৰিস্থিতিত সি বহুক্ষেত্ৰত কেৱল অনুপযুক্তই নহয় ভয়ানকভাৱে ক্ষতিকৰ।

উদাহৰণ স্বৰূপে তাহানি হিন্দু আৰু মুছলমান দুয়ো সম্প্ৰদায়ে নিষ্ঠাৰে নিজৰ আচাৰ আৰু বিশ্বাস ৰক্ষা কৰিও কাজিয়া নকৰাকৈ থাকিব পাৰিছিল। আজি কিন্তু তাকে কৰিবলৈ গৈ দুয়ো সম্প্ৰদায়ৰ মাজত মনোমালিন্য হৈছে আৰু ধুৰন্ধৰ নেতাৰ উদগনিত সেই মনোমালিন্যই ৰক্তাক্ত সাম্প্ৰদায়িক হত্যালীলাৰ ৰূপ লৈছে। এনে তৰহৰ উদাহৰণ আৰু বহুতো আছে। অনুৰূপভাৱে জাতীয়তাবাদৰ নামত আমাৰ সমাজত যিটো বস্তু চলিছে সি হ'ল সুপ্ৰাচীন জনজাতীয় সংহতিৰ নতুন সংস্কৰণ। জনজাতীয় পৰ্য্যায়ত সমাজৰ ইজন মানুহৰ লগত সিজনৰ ঘনিষ্ঠ সম্পৰ্ক থাকে। আনহাতে ক্ষুদ্ৰ একোখন সমাজৰ বাহিৰৰ প্ৰতিজন মানুহেই শত্ৰু। সামন্ত যুগৰ অসমতো সেই মনোভাৱ চলি আছিল। আজিও আনকি অসমৰ বিভিন্ন অঞ্চলৰ মানুহৰ মাজত প্ৰকৃত ঐক্য গঢ়ি উঠাৰ পথত বহু অন্তৰায়। আৰু আজি অসমীয়া জাতীয়তাবাদে ঠিক তেনে ধৰণেই অনা অসমীয়া বা বহিৰাগত মানুহ মাত্ৰকে আমাৰ শত্ৰু বুলি ভাবিবলৈ, তেওঁলোকৰ প্ৰতি স্বাভাৱিক মানৱীয় দয়া-মায়া নাৰাখিবলৈ আমাক শিকাইছে। আমাৰ চেমনীয়াইতে বিদেশী ভ্ৰমণকাৰীকো ইতিকিং বা অপমান কৰিবলৈ শিকিছে। এনে ধৰণে নভবা নিচিন্তাকৈ আমি যিবোৰ মনোভাৱ বা বিশ্বাস গ্ৰহণ কৰিছোঁ সি যে কেৱল আমাৰ হৃদয় মনৰ মানৱীয় সৌষ্ঠৱ হে বিনাশ কৰিছে তেনে নহয়, অসমৰ

জাতীয় স্বাৰ্থৰে বিপুল ক্ষতি সাধন কৰিছে। যিবোৰ প্ৰগতিশীল চিন্তা বা কৰ্মই আমাৰ জাতিক প্ৰকৃত মুক্তিৰ সন্ধান দিব পাৰে, তাৰ পৰা আমাক আঁতৰত ৰাখিছে।

কেৱল যে জনজাতীয় আৰু সামন্ত যুগীয় মনোভাবহে ক্ষতিকৰ তেনে নহয়। কেতবোৰ বুৰ্জোৱা তথা মধ্যবিত্ত ধাৰণাও একে ধৰণেই বিপজ্জনক; উদাহৰণ স্বৰূপে "খলুৱা" মনোভাবে চৰম সীমা পালে সি আমাৰ ডাঙৰ অপকাৰ কৰিব। আজি ভাৰতৰ হৰ্তা-কৰ্তা হ'ল প্ৰচুৰ ধন-সম্পত্তিৰ মালিক টাটা-বিড়লা প্ৰমুখ ধনকুবেৰ গোষ্ঠি আৰু সিহঁতৰ তাবেদাৰ ৰাষ্ট্ৰ। ভাৰতৰ প্ৰতিটো প্ৰান্ত, প্ৰতিটো অঞ্চল ইহঁতৰ কবলত। ইহঁতৰ জনবিৰোধী, পুঁজিবাদী নীতিৰ ফলতে আজি সমগ্ৰ দেশৰ উন্নয়ন চীন আদি দেশৰ তুলনাত নগণ্য, নিবনুৱা সমস্যাই কৰাল ৰূপ ধাৰণ কৰিছে। ইহঁতৰ মুনাফালোভৰ বাবেই অসমৰ দৰে ৰাজ্য এনে অনুন্নত, এনে দুৰ্দশাগ্ৰস্ত। এই কথা হৃদয়ংগম কৰিলে আমি প্ৰধান শত্ৰু হিচাবে ইহঁতৰ বিৰুদ্ধে থিয় দিবলৈ সাজু হম, আৰু সমগ্ৰ ভাৰতৰে শোষিত, বঞ্চিত মানুহক আমাৰ মিত্ৰ বুলি বুজি পাম। আমি বুজি পাম যে আমাৰ যুদ্ধত সাফল্যৰ বাবে এইসকল মিত্ৰৰ সহায় অপৰিহাৰ্য। আনহাতে আমি যদি দুখীয়া বঙালী বা হিন্দুস্থানী মানুহকে আমাৰ শত্ৰু বুলি তেওঁলোকৰ লগতে কাজিয়া কৰাত ব্যস্ত থাকোঁ, তেনেহলে তাৰ পৰা লাভ হব ভাৰতৰ বৃহৎ পুঁজিপতিৰ আৰু সিহঁতৰ অসমীয়া চাকৰবিলাকৰ — শোষিত মানুহৰ অনৈক্যৰ সুযোগ লৈ সিহঁতে বঢ়াই দিব শোষণৰ বোজা। তেনে অৱস্থাত বঙালীয়ে যিমান চাকৰি আমাৰ পৰা কাঢ়ি নিব পাৰে, তাতোকৈ বহুত বেছি চাকৰি আমি হেৰুৱাম। আমাৰ জনসংখ্যা বৃদ্ধিৰ লগত সংগতি ৰাখি জীৱিকাৰ উপায় যি অনুপাতে বাঢ়িব লাগে, সেই অনুপাত ৰক্ষা কৰাৰ দায়িত্ব আৰু বৃহৎ পুঁজিপতি তথা চৰকাৰে অনুভৱ নকৰিব।

তৎ সত্ত্বেও আমি কিয় ভাবোঁ যে অসমীয়া মানুহৰ দুৰ্দশাৰ কাৰণ বহিৰাগতৰ ষড়যন্ত্ৰ? কাৰণ আমাৰ সমাজৰ চিন্তাধাৰা নিয়ন্ত্ৰণ কৰিছে শিক্ষিত মানুহচামে। আৰু এই শিক্ষিত মানুহচাম এতিয়াও গভীৰ আৰু ব্যাপকভাৱে উৰলি যোৱা সামন্তবাদী আৰু বুৰ্জোৱা ভাবধাৰাৰ দ্বাৰা প্ৰভাৱিত। তেওঁলোকে ভাবে যে অসমৰ উন্নতি হব অসমীয়া শিক্ষিত মানুহে বেছিকৈ ঠিকা আৰু চাকৰি পালে। সাধাৰণ অসমীয়া তথা দৰিদ্ৰ

অসমীয়াৰ প্ৰয়োজনৰ প্ৰতি এওঁলোক উদাসীন। বৰং পাৰিলে ভূমিসংস্কাৰ বন্ধ কৰিবলৈহে এওঁলোক উৎসুক। আনহাতে ভাৰতৰ বৃহৎ বুৰ্জোৱা তথা বৃহৎ পুঁজিপতিৰ ক্ষমতা সম্পৰ্কে বাস্তৱ সম্মত চিন্তা কৰিবলৈ এওঁলোক অনিচ্ছুক। আজিৰ ভাৰতত অৰ্থনৈতিক ক্ষমতা যি বৃহৎ পুঁজিপতি গোষ্ঠীৰ হাতত কেন্দ্ৰীভূত, সিহঁতৰ মজি নহলে অসমৰ পিছপৰা পুঁজিপতি আৰু ব্যৱসায়ীয়ে আনকি মজলীয়া ধৰণৰ ব্যৱসায়ো বা উদ্যোগো লাভ ৰাখি চলাব নোৱাৰে। টাটা-বিৰ্লাক সমুখ সমৰত আহ্বান কৰাৰ সাহস আৰু শক্তি অসমীয়া বুৰ্জোৱাৰ নাই। কিন্তু এই কথাটো সিহঁতে কেতিয়াও অসমীয়া ৰাইজক খুলি নকয়। বৰং ৰাইজক নানা তৰহৰ ভুৱা আন্দোলনত উচটাই, সিহঁতে তাৰেই ভাবুকি দি টাটা-বিড়লাৰ পৰা সকলুৱা সুবিধা আদায় কৰে আৰু তেনেকৈ চলি থাকে। কোৱা বাহুল্য যে এইবোৰ সুবিধা সিহঁতে থাইকৈ নিজৰ বাবেহে আদায় কৰে। এইবাবেই এনেতৰহৰ আন্দোলনৰ পৰা অসমৰ পুঁজিপতি ব্যৱসায়ী আৰু উচ্চপদস্থ চাকৰিয়ালৰ যেনে লাভ হয়, সাধাৰণ অসমীয়া মানুহৰ তাৰ এশভাগৰ এভাগো নহয়।

অসমীয়া জাতীয়তাবাদৰ বৰ্তমান চৰিত্ৰ এয়ে। একশ্ৰেণীৰ সুবিধাবাদীয়ে নিজৰ সুবিধাৰ বাবে ৰাইজক এইপথে পৰিচালিত কৰি আছে। এই জাতীয়তাবাদৰ আৰ্থিক দাবীবোৰ লক্ষ্য কৰিবলগীয়া। দুখীয়া খেতিয়কৰ প্ৰয়োজনৰ ওপৰত (যেনে ভূমি সংস্কাৰ, ধাৰ-ঋণৰ পৰা ৰেহাই) কাৰ্য্যক্ষেত্ৰত সি কেতিয়াও গুৰুত্ব নিদিয়ে। যেন অৰ্দ্ধাহাৰী-অনাহাৰী অসমীয়া খেতিয়ক অসমীয়া নহয়! থাইকৈ ই গুৰুত্ব দিয়ে অসমীয়া মানুহক চাকৰি দিয়াৰ ওপৰত। কিন্তু তাৰ সুবিধাবাদী চৰিত্ৰৰ বাবে শকত দৰমহাৰ দুই চাৰিটা চাকৰি অৱস্থাপন্ন অসমীয়াৰ হাতত পৰে, কিন্তু লাখ লাখ সাধাৰণ অসমীয়া পৰিয়ালৰ নিবনুৱা ডেকা নিবনুৱা হৈয়েই থাকে। প্ৰকৃততে অসমৰ শিল্পায়নেহে অসমীয়া সমাজৰ নিবনুৱা সমস্যা দূৰ কৰিব পাৰে—কিন্তু মুনাফালোভী বৃহৎ পুঁজিপতি আৰু সিহঁতৰ অসমীয়া লিটিকাইবোৰে এই নীতি অনুসৰণ নকৰে।

সামন্তযুগৰ পৰা বৈপ্লৱিক উত্থানৰ সময়ত বুৰ্জোৱা শ্ৰেণীয়ে সৃষ্টি কৰা জাতীয়তাবাদৰ কেতবোৰ প্ৰগতিশীল বৈশিষ্ট্য আছিল। বিশ্বব্যাপি বুৰ্জোৱা অৰ্থ ব্যৱস্থা আৰু সমাজৰ সংকটৰ কালত আজি আৰু সেই প্ৰগতিশীলতা বিশেষ বলবান নহয়। অসমৰ জাতীয়তাবাদৰ বাজতো আনকি অসমীয়াৰ

ভিতৰতে দৃঢ় ঐক্য আনিব পৰা প্ৰেৰণা নাই। বৃহৎ বুৰ্জোৱাৰ কৃপাৰ ওপৰত নিৰ্ভৰশীল অসমীয়া বুৰ্জোৱাই প্ৰচুৰ আৰু ব্যাপক আৰ্থিক সা-সুবিধাৰ কথা ভাবিব নোৱাৰে। বৰং যিকণ আদায় কৰে, খণিয়াই লৈ এটা ঠেক গোষ্ঠিৰ মাজত ভগাভাগি কৰি লোৱাটোৱেই ইহঁতৰ স্বভাৱ। ফলত অনুন্নত আৰু অবহেলিত জাতিবোৰক ইহঁতে সুদৃষ্টিৰে চাব নোৱাৰে। আন্দোলনৰ সময়ত দৰ্কাৰ হ'লেও সুবিধা ভোগ কৰা সময়ত বড়ো, কছাৰি, আহোম-চুটিয়া, আৰু অন্যান্য অনুন্নত মানুহখিনিক ইহঁতে পাহৰি থাকে। সেয়ে এনেবোৰ জাতিয়ে হতাশাত বিচ্ছিন্নতাবাদৰ পথ লৈছে। সাংস্কৃতিক ক্ষেত্ৰতো এইবোৰ গোষ্ঠি আৰু জাতিৰ প্ৰতি অসমীয়া বৰ্ণহিন্দু বুৰ্জোৱাই উপেক্ষা আৰু অবহেলা মনত পুহি ৰাখে। ইহঁতৰ বাবে মদ গাহৰি খোৱাটো অসভ্যতাৰ প্ৰধান লক্ষণ, আৰু নামঘৰ বা মন্দিৰত পূজা-সেৱা নকৰাটো অক্ষমনীয় অপৰাধ। এনে ৰোগগ্ৰস্ত জাতীয়তাবাদৰ পৰা এটা সবল জাতি গঢ়ি উঠিব নোৱাৰে।

তাৰ বিশেষ আৰ্থিক আৰু সামাজিক পাৰিস্থিতিৰ বাবে অসমীয়া বুৰ্জোৱা (আৰু সিহঁতৰ নেতৃত্বত থকা শিক্ষিত অসমীয়া মধ্যবিত্ত) প্ৰতিক্ৰিয়াশীল শ্ৰেণীত পৰিণত হৈছে। সৃষ্টিশীল চিন্তা আৰু দূৰদৰ্শী কাৰ্য্যপন্থা হাতত লবলৈ ই অপাৰগ। জনসাধাৰণক তেওঁলোকৰ দুখ কষ্টৰ পৰা সমৃদ্ধি আৰু উন্নতিৰ ফালে লৈ যাবলৈ যেনে উদাৰ, প্ৰগতিশীল আৰু সময়োপযোগী মনোভাব লাগে, এই শ্ৰেণীৰ তেনে মনোভাব নাই। মাত্ৰাহীন সুবিধাবাদ আৰু স্বাৰ্থপৰতা ইহঁতৰ অন্যতম প্ৰধান বৈশিষ্ট্য। আৰু মানবীয় প্ৰগতিৰ তথা সভ্যতাৰ প্ৰধান অৱদানবোৰৰ মূৰত লঠিয়াই নিষ্ঠুৰ আৰু বৰ্বৰোচিত আবেগ কিছুমান ইহঁতে জনসাধাৰণৰ মাজত প্ৰচাৰ কৰে।

ভাষা প্ৰভৃতি উত্তেজক আবেগিক বিষয়ত ইহঁতৰ উৎসাহ এই কাৰণেই বেছি। "ভাষা জননীয়ে বঙালৰ হাতত অপমান পাই বিনাইছে"— এনেবিধৰ প্ৰচাৰপত্ৰ বিলাবলৈ ইহঁতে কুণ্ঠা বোধ নকৰে। কিন্তু ভাষাৰ প্ৰতি প্ৰকৃততে ইহঁতৰ দৰদ কিমান? অসমত সাক্ষৰ লোক মাত্ৰ শতকৰা ২৭ জন। তাৰ ভিতৰত কিতাপ কিনি পঢ়িব পৰা সবল কেইজনৰ? তেনেস্থলত ভাষাৰ উন্নতি হব ক'ৰ পৰা? সাক্ষৰ আৰু স্বচ্ছল মানুহৰ অনুপাত বঢ়াবলৈ ইহঁতৰ কিবা পৰিকল্পনা বা কাৰ্য্যপন্থা আছেনে? কিন্তু তেনে অৱস্থা নহালৈকে অসমৰ ভাষা-সাহিত্যৰ উন্নতি

সম্ভৱনে ? বংগদেশত বেছিয়া ছপা কিতাপৰ সংখ্যা বছৰি ৩০০০ৰ ওপৰলৈ উঠে, সেই একে সময়তে অসমীয়া ছপা-কিতাপৰ সংখ্যা বছৰি ১০০ খনৰো বহুত তললৈ নামি আহে। ইও বহিৰাগতৰ ষড়যন্ত্র নে ?

উক্ত সুবিধাবাদী শ্রেণীটোৱে অসমীয়া কিতাপ কিনে কেৱল কম খৰচতে বিয়াৰ প্রেজেণ্ট দিবলৈ। ইহঁতে এখন সুস্থ মাহেকীয়া আলোচনী জীয়াই ৰাখিব নোৱাৰে। সাহিত্য আৰু শিল্পত ইহঁতে বাজে মানুহক সিংহাসন দি দক্ষ মানুহক নির্বাসন দিয়ে। নিজৰ ল'ৰা-ছোৱালীয়ে অসমীয়া লেখিব পঢ়িব নাজানিলেও ইহঁতৰ আপত্তি নাই! অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ বাবে যি ধৰণৰ গঠনমূলক অথচ প্রবল কার্য্যসূচীৰ প্রয়োজন, অসমীয়া শিক্ষিত মধ্যবিত্তই তাক গ্রহণ নকৰে।

ইতিমধ্যেই "জাতীয় চৰিত্রৰ" যি দুর্বলতাৰ কথা কৈছোঁ। তাৰ এটা লাজলগা লক্ষণ ভাষা সাহিত্যৰ সেৱাৰ ক্ষেত্রতে প্রকট। দেখা যায় যে খাইকৈ ব্যক্তিগত আর্থিক লাভৰ বাবেহে ভাষা সাহিত্যৰ চর্চাত বহুতে মনোনিবেশ কৰে। সেয়ে ধনৰ অভাৱত আমাৰ ভাষাৰ তথা সাহিত্যৰ বহু অংগ মুজুৰা লাগি আছে। জাতীয়তাবাদৰ জয়গান গাই উঠি যদি মাতৃভাষাৰ বাবেই অলপ কষ্টস্বীকাৰ বা আত্মস্বীকাৰ কৰা নাযায় তেন্তে সেই জাতীয়তাবাদক সার্থক বুলিব পাৰিনে? কোনোবাই যদি সন্দেহ কৰে যে ভাষাগত জাতীয়তাবাদৰ পিচত কেৱল ব্যক্তিগত ধনলোভ, সেই সন্দেহ সম্পূর্ণ অমূলক বুলিব পাৰিনে?

সকলো মহান আৰু প্রগতিশীল আন্দোলনৰ বৈশিষ্ট্য হ'ল তাৰ নেতৃত্বৰ স্বার্থত্যাগী আৰু নির্লোভ চৰিত্র। যদি কোনো আন্দোলনৰ নেতৃত্বৰ মাজত এনে গুণ দেখা নাযায় (আৰু জোৰকৈ তেনে নেতৃত্ব সৃষ্টি কৰিব নোৱাৰি, আনকি বাস্তৱ কাৰণত এসোপা ফাকি আৰু ভুৱা সিঁচি দিও নোৱাৰি) তেন্তে বুজিব লাগিব যে সেই আন্দোলনৰ পিচত ঐতিহাসিক প্রগতিৰ মহাশক্তি নাই—সাময়িকভাৱে সি যিমানেই উত্তেজনাৰ সৃষ্টি নকৰক।

অসমীয়া জাতীয়তাবাদ অসমীয়া মানুহৰ কৌটিকলীয়া মনোবৃত্তি নহয়। এই মনোভাৱৰ জন্ম হৈছে ব্রিটিছ অহাৰ পিচত। তাৰ আগতে অসমৰ বিভিন্ন অঞ্চল আৰু জাতি উপজাতিৰ মাজত তেনে একাত্মবোধ নাছিল। ইংৰাজ আমোলত নতুন শিক্ষা পোৱা নতুন অসমীয়া মধ্যবিত্ত শ্রেণীৰ সৃষ্টি এই

জাতীয়তাবোধ আৰু জাতীয়তাবাদ। আন আন ঠাইৰ জাতীয়তাবাদৰ দৰে ইয়াৰো কিছুমান সাধাৰণ বৈশিষ্ট্য আছে, আৰু এই জাতীয়তাবাদৰ ভবিষ্যতো আন আন ঠাইৰ জাতীয়তাবাদৰ ভবিষ্যৎ পৰিণতিতকৈ বেলেগ হব নোৱাৰে।

সামন্ত যুগত বেহা-বেপাৰৰ যোগেদি মানুহৰ প্ৰয়োজনীয় সামগ্ৰীৰ বিতৰণ নহয়। গাৱেঁ গাৱেঁ, আনকি ঘৰে ঘৰে, প্ৰয়োজনীয় প্ৰায় সকলো বস্তু মানুহে নিজেই তৈয়াৰ কৰি লয়—তেল, কাপোৰ আৰু লোণ (খাৰ)লৈকে। উৎপাদিকা শক্তিও দুৰ্বল হোৱা বাবে এনেবোৰ পৰিয়ালৰ বাবে প্ৰয়োজনৰ অতিৰিক্ত বস্তু উৎপাদনৰ সম্ভাৱনা আছিল কম। আনহাতে বেহা-বেপাৰ ব্যাপক নোহোৱা বাবে বিভিন্ন অঞ্চল আৰু সিহঁতৰ বাসিন্দাবিলাকৰ মাজত যোগাযোগ আছিল তাকৰ।

পুঁজিবাদ বেহা-বেপাৰৰ ওপৰত নিৰ্ভৰশীল। বেহা-বেপাৰৰ যোগেদি লাভ বঢ়োৱাৰ উপায় বিচাৰিয়েই পুঁজিবাদে য়ুৰোপত শিল্পবিপ্লৱৰ সূচনা কৰিছিল। পুঁজিবাদে বেহা-বেপাৰৰ মাত্ৰা আৰু পৰিসৰ বঢ়াই বিভিন্ন অঞ্চলৰ মাজত যোগাযোগ ঘনিষ্ঠ কৰিলে। গোটেই দেশখনেই হৈ পৰিল পুঁজিপতি শ্ৰেণীৰ বজাৰ (national market)। ৰাস্তাঘাট, ৰেলপথ প্ৰভৃতি যোগাযোগৰ সুবিধা আগৰ তুলনাত বহুগুণে বাঢ়িল। জীৱিকাৰ সন্ধানত মানুহেও পৈতৃক বাসস্থান এৰি ইফালে সিফালে যাবলৈ ধৰিলে। পুঁজিপতি বা বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বতে বিভিন্ন প্ৰান্তত জাতীয় ৰাষ্ট্ৰ (nation state) গঢ়ি উঠে। তাৰ আগতে জাতীয় মনোভাৱ প্ৰবল নাছিল। কিন্তু এছিয়া পৰাধীন দেশবোৰতো বুৰ্জোৱাৰ নেতৃত্বত জাতীয় মনোভাৱ জাগি উঠে। ব্ৰিটিছ অহাৰ আগতে ভাৰতত বংশ বা বৰ্ণৰ প্ৰভাৱ আছিল প্ৰধান, জাতীয় ভাৱধাৰা সিমান জাগ্ৰত নাছিল। পশ্চিমীয়া পুঁজিবাদৰ প্ৰভাৱত গঢ়ি উঠা ভাৰতীয় বুৰ্জোৱা শ্ৰেণীয়েই জাতীয়তাবাদৰ পৰীক্ষা চলাই প্ৰমাদবশতঃ হিন্দু-মুছলমান সাম্প্ৰদায়িকতাৰ সূচনা কৰে। অসমতো ব্ৰিটিছ সাম্ৰাজ্যবাদী অৰ্থনীতি, প্ৰশাসন আৰু শিক্ষাৰ ছাঁয়াত জাতীয়তাবাদী ভাৱধাৰাৰ উন্মেষ হয়। কিন্তু ইংৰাজ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজিব পৰা শক্তি নতুন অসমীয়া বুৰ্জোৱা শ্ৰেণীৰ নাছিল। বহুক্ষেত্ৰত এই শ্ৰেণীটো আছিল ইংৰাজৰ আশ্ৰিত আৰু পালিত শ্ৰেণী। পিছলৈ সৰ্বভাৰতীয় বুৰ্জোৱা শ্ৰেণীৰ সহযোগত এই শ্ৰেণীটোৱে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে

জাতীয় মুক্তি আন্দোলনত যোগ দিয়ে। কিন্তু সৰহখিনি সময় বঙালী বুর্জোৱাৰ প্ৰভাৱৰ বিৰুদ্ধে আত্মৰক্ষাৰ যুঁজ দিওঁতেই এই শ্ৰেণীটো ব্যস্ত থাকে। সাম্ৰাজ্যবাদী ইংৰাজ প্ৰশাসনে "অসম" নামৰ প্ৰদেশখন সৃষ্টি কৰাৰ সময়তে বঙালী-অধ্যুষিত কাছাৰ আৰু শ্ৰীহট্ট লগলগাই দি নতুন অসমীয়া জাতীয়তাবাদৰ শক্তি হ্ৰাস কৰাৰ ফন্দী কৰিছিল। মন কৰিবলগীয়া যে অসম আৰু অসমীয়া জাতীয়তাবাদৰ জন্মৰে পৰা বঙালী ভাষাভাষী মানুহৰ "সমস্যা"টো আছে—বঙালীয়ে হঠাতে ষড়যন্ত্ৰ কৰি দলে দলে অসমলৈ আহি এই সমস্যা সৃষ্টি কৰা নাই।

অসমীয়া জাতীয়তাবাদৰ অৱদান আমাৰ জাতীয়তাবোধ আৰু আমাৰ ভাষা সাহিত্যৰ স্বতন্ত্ৰ ধাৰা। তাৰ আগতে হয়তো এই জাতিৰ স্বকীয়া ঐতিহ্যৰ উপাদানবোৰ গঢ়ি উঠিছিল—কিন্তু সেইবোৰ উপাদান এটা জাতীয় ঐতিহ্য হৈ গঢ়ি উঠাত পুঁজিবাদ তথা বুর্জোৱা শ্ৰেণীৰ অৱদান চূড়ান্তভাৱে গুৰুত্বপূৰ্ণ। আৰু এইবাবেই আমি কব খোজোঁ যে এই জাতীয়তাবাদৰ অৱদান কৃতজ্ঞতাৰে স্বীকাৰ কৰি লৈও আমি আজিৰ যুগত তাৰ বান্ধোনৰ মাজত সোমাই থাকিব নোখোজোঁ। কাৰণ পৃথিবীৰ সকলো দেশতে বুর্জোৱা জাতীয়তাবাদৰ প্ৰগতিশীল ভূমিকা নিঃশেষ হৈ গৈছে। অনুন্নত উপনিবেশবোৰেও দেখিছে যে কেৱল বুর্জোৱা জাতীয়তাবাদক আশ্ৰয় কৰিলে সাম্ৰাজ্যবাদী কবলৰ পৰা মুক্তিৰ পিচতো দেশ স্বাধীন আৰু সমৃদ্ধ হব নোৱাৰে—বৰং পুনৰ আওপকীয়াভাৱে সাম্ৰাজ্যবাদী অৰ্থনীতিৰ পেটত সোমাব লগা হয়। সমাজবাদলৈ আগবাঢ়ি নোযোৱা ভূতপূৰ্ব উপনিবেশবোৰৰ স্বাধীনতাৰ পিচত এনে অৱস্থাই হৈছে। এইটো ভাবিবলগীয়া কথা যে অসমীয়া বুর্জোৱাই আজিও সমাজবাদৰ প্ৰতি অৰ্থাৎ মেহনতী কৃষক-শ্ৰমিকৰ নেতৃত্বত পুঁজিবাদৰ বিলোপসাধনৰ প্ৰতি কোনো আগ্ৰহ বা উৎসাহ দেখুৱা নাই। চিৰাচৰিত বুর্জোৱা পথেৰেই তেওঁলোকে অসমৰ উন্নতি বিচাৰে। অথচ তেওঁলোকৰ চকুৰ আগতে তেওঁলোকতকৈ বহুবেছি গুণে ডাঙৰ পুঁজি আৰু সংগঠন লৈও ভাৰতীয় বুর্জোৱা শ্ৰেণীয়ে বুর্জোৱা উপায়ে আপ্ৰাণ চেষ্টা কৰিও দেশৰ কোনো উন্নতি সাধিব পৰা নাই। যোৱা বছৰ ভাৰতৰ শিল্পৰ অগ্ৰগতি মাত্ৰ ১%।

কোৱা বাহুল্য যে শ্ৰেণী হিচাবে জাতীয়তাবাদৰ পৰা বেছি লাভ হয় বুর্জোৱা শ্ৰেণীৰ। বেহা-বেপাৰৰ মাত্ৰা আৰু পাৰসৰ বঢ়াৰ ফলত ইহঁতৰ

লাভৰ মাত্ৰাও বাঢ়ে। আনহাতে বৃহৎ পুঁজিৰ প্ৰতিযোগিতাত হৃতসৰ্বস্ব কুটিৰ-শিল্পী, পুঁজিবাদী বজাৰ আৰু ৰাষ্ট্ৰৰ আক্ৰমণত মাটিৰ পৰা উচ্ছেদ হোৱা কৃষক—পুঁজিবাদৰ তথা বুৰ্জোৱা শ্ৰেণীৰ বলি দুঃস্থ-দৰিদ্ৰ মানুহে জাতীয়তাবাদী আবেগৰ মোহত বুৰ্জোৱা শ্ৰেণীৰ নিষ্ঠুৰ শোষণ নিৰ্বিবাদে মানি লয়। সমগ্ৰ দেশৰ সম্পদৰ সৰহখিনি হস্তগত কৰে বুৰ্জোৱা শ্ৰেণীয়েই। তাৰ উপৰিও গণতান্ত্ৰিক বিপ্লবৰ যোগেদি ৰাষ্ট্ৰক্ষমতা দখল কৰি, গণতান্ত্ৰিক নিৰ্বাচনী কৌশলেৰে সেই ক্ষমতা ৰক্ষা কৰি সিহঁতে স্বদেশত নিজৰ প্ৰতিপত্তি বঢ়ায় আৰু আনদেশৰ বুৰ্জোৱাৰ লগত প্ৰতিযোগিতাৰ বাবে শক্তি অৰ্জন কৰে। বুৰ্জোৱা শোষণ মাৰ্ক্সৰ মতে সামন্ত শোষণতকৈও নিৰ্মম হোৱা সত্ত্বেও শিল্পায়নৰ যোগেদি ই সৰ্বহাৰা শ্ৰমিক শ্ৰেণীৰ সৃষ্টিত সহায় কৰে আৰু গণতান্ত্ৰিক চেতনাৰ সূচনা কৰি শ্ৰমিক আন্দোলন আৰু সংগঠনৰ পথ প্ৰশস্ত কৰে। এই শ্ৰেণীয়ে যেনেকৈ এহাতে বুৰ্জোৱা শ্ৰেণীৰ সমাধি ৰচনা কৰে, তেনেকৈ আনহাতে বুৰ্জোৱা ভাবাদৰ্শ জাতীয়তাবাদৰ (তথা বুৰ্জোৱা নেতৃত্বৰ) বিলোপ সাধন কৰি সমাজবাদী ভাবাদৰ্শ প্ৰচাৰ কৰে। সমাজবাদেই সমাগত ভবিষ্যতৰ পৃথিবীৰ ভাবাদৰ্শ।

কিন্তু অসমত শিল্পায়ন এনে দ্ৰুত আৰু প্ৰবল নহয় যে ইয়াত বিপুল সৰ্বহাৰা শ্ৰমিকৰ শীঘ্ৰে জন্ম হব। সাম্ৰাজ্যবাদী কবলত পৰা উপনিবেশবোৰত সাম্ৰাজ্যবাদী চক্ৰান্তই শিল্পৰ প্ৰসাৰ হবলৈ নিদিয়ে। সেই-বোৰ অঞ্চলত বুৰ্জোৱা বুদ্ধিজীবীৰ এটা অংশই আৰু দৰিদ্ৰ শোষিত কৃষকেই জনগণৰ মুক্তিৰ পথ ৰচনা কৰে—সমাজতন্ত্ৰলৈ উত্তৰণৰ বাবে।

এনে পৰিস্থিতিত শোষিত জনগণৰ ভিতৰত বহুশ্ৰেণীৰ মানুহ থাকে। সৰ্বহাৰা মেহনতী মানুহৰ মাজত সমাজবাদী ভাবধাৰা প্ৰচাৰৰ সুবিধা, আৰু সেই ভাবধাৰা শিপোৱাৰ সম্ভাবনা অপেক্ষাকৃতভাবে বহল। আনহাতে বঞ্চিত আৰু শোষিত নিম্নমধ্যবিত্ত, মধ্যবিত্ত, আৰু মধ্যম কৃষকক বাদ দি এই পৰিস্থিতিত শ্ৰমিকৰ বা দৰিদ্ৰ কৃষকৰ সংগ্ৰাম সফল হব নোৱাৰে। কিন্তু মধ্যবিত্ত-নিম্নমধ্যবিত্তৰ মনত সমাজবাদৰ প্ৰতি আকৰ্ষণ কম আৰু ব্যক্তিগত সম্পত্তিৰ প্ৰতি মোহ অত্যধিক। সুবিধা পালেই ব্যক্তিগত সম্পত্তিৰ ভিত্তিত দেশৰ অৰ্থব্যৱস্থা পৰিচালনা কৰিবলৈ এওঁলোকে চেষ্টা কৰিব। দেশৰ তথা জাতিৰ দাৰিদ্ৰ্য আৰু দুৰ্দশা অৱশ্যে নিজৰ

অৱস্থাৰে বিজাই এওঁলোকে বুজি পায়। বহল জনগণৰ দাৰিদ্র্যৰ মূল কাৰণ শোষণকাৰী বৃহৎ বুৰ্জোৱাৰ প্ৰতিও এওঁলোকৰ মনত তীব্ৰ বিতৃষ্ণা আৰু ঘৃণা ওপজে। দেশী-বিদেশী বৃহৎ বুৰ্জোৱাৰ বিৰুদ্ধে এওঁলোকৰ জাতীয়তাবাদী উত্তেজনা পৰিচালিত কৰিব পৰা যায়। আৰু জাতীয়তাবাদী ভিত্তিতে শ্ৰমিকশ্ৰেণীয়ে নিজৰ সংগ্ৰামত এওঁলোকৰ মিত্ৰতা আৰু সাহায্য আহ্বান কৰিব পাৰে।

কিন্তু শ্ৰমিক শ্ৰেণীৰ যি ঐতিহাসিক লক্ষ্য—উৎপাদনৰ সঁজুলিৰ ওপৰত ব্যক্তিগত মালিকানাৰ অৱসান আৰু সমাজবাদী সমাজ গঠন—তাৰ প্ৰতি মধ্যবিত্ত বা নিম্ন মধ্যবিত্তৰ গভীৰ, একনিষ্ঠ আনুগত্য নাই। বৃহৎ বুৰ্জোৱাক পৰাস্ত কৰিব পাৰিলে নিজেই বৃহৎ বুৰ্জোৱাৰ স্থান লবলৈ এওঁলোক প্ৰলুব্ধ হয়। কাৰণ পুঁজিবাদী ব্যৱস্থাৰ বিৰুদ্ধে এওঁলোকৰ মনত বিৰাগ নাই। এনে পৰিস্থিতিত জাতীয়তাবাদৰ লগত সাময়িক সন্ধি কৰিলেও অৱশেষত জাতীয়তাবাদৰ অৱসানেই শ্ৰমিক শ্ৰেণীৰ লক্ষ্য। মধ্যবিত্ত জাতীয়তাবাদে যাতে সংগ্ৰামত বিভ্ৰান্তি আৰু দুৰ্বলতা আনিব নোৱাৰে, সংগ্ৰামী কৃষক-শ্ৰমিকে চোকা নজৰ ৰাখিব লাগিব।

যিবোৰ অঞ্চলত শ্ৰমিক শ্ৰেণী সবল হৈ উঠা নাই, দৰিদ্ৰ কৃষক সজাগ হোৱা নাই, সেইবোৰত জাতীয়তাবাদ বুৰ্জোৱাৰ স্বাৰ্থত, বুৰ্জোৱাৰ ইংগিতত পৰিচালিত হোৱাৰ সম্ভাৱনা বেছি। যেহেতু বুৰ্জোৱাৰ হাতত—বিশেষকৈ অনুন্নত দেশৰ বুৰ্জোৱাৰ হাতত—জনগণৰ মুক্তিৰ উপায় নাই, এইবোৰ দেশ বা অঞ্চলৰ জাতীয়তাবাদী আন্দোলন প্ৰতিক্ৰিয়াশীল উদ্দেশ্যত আৰু জনসাধাৰণৰ মনত মোহসৃষ্টি কৰিবলৈহে প্ৰবাহিত হোৱাৰ আশংকা। অসমতো আমি বক্তৃতা মাৰি ফুৰিলেই জাতীয়তাবাদৰ ভূত নপলায়। বৰং বহু তথাকথিত সাম্যবাদী দলত বুৰ্জোৱা প্ৰভাৱ বঢ়াৰ লগে লগে জাতীয়তাবাদী বিচ্যুতিৰ বীজো সেইবোৰ দলত সোমায়। আনহাতে আমি যদি অসমৰ জনসাধাৰণৰ মুক্তি সঁচাকৈ বিচাৰোঁ, তেন্তে এনে জাতীয়তাবাদৰ লক্ষ্য আৰু চৰিত্ৰ সম্পৰ্কে সজাগ হোৱাটো আমাৰ কৰ্তব্য।

ওপৰে ওপৰে কথাৰ বকলা মেলোঁতাসকলে এই পৰিস্থিতি বুজুজি কেতিয়াবা কয়, চীন আৰু ভিয়েটনামত জাতীয়তাবাদেহে কেনেকুৱা অসাধ্য সাধন কৰিছে! তেওঁলোকে ভাবি নাচায়, ভিয়েটনামৰ মুক্তি যুদ্ধৰ অবিসম্বাদী নেতা আৰু প্ৰতীক আছিল সাম্যবাদী হো-চি-মিন—কোনো বুৰ্জোৱা নেতা

নহয়। তাৰ উপৰিও ভিয়েটনামৰ মুক্তিযুদ্ধৰ সেনানী কেৱল ছাত্র বা শিক্ষিত বুদ্ধিজীৱী নহয়—দৰিদ্র কৃষকহে সেই সংগ্ৰামৰ মেৰুদণ্ড। অসম তথা ভাৰতত্তো বুৰ্জোৱা শ্ৰেণীয়ে জাতীয় মুক্তিৰ নেতৃত্ব প্ৰকৃততে দিব নোৱাৰে। তাৰ প্ৰগতিশীল চৰিত্ৰ ইতিমধ্যে বুৰ্জোৱা শ্ৰেণীয়ে হেৰুৱাইছে।

কেনেকৈ? অসম তথা ভাৰতৰ বুৰ্জোৱা শ্ৰেণীয়ে এসময়ৰ য়ুৰোপৰ বুৰ্জোৱা শ্ৰেণীয়ে কৰাৰ নিচিনাকৈ দেশত ব্যাপক শিল্পায়নৰ যোগেদি স্বাৱলম্বী অৰ্থনীতি গঢ়ি তুলিব নোৱাৰে। কাৰণ এহাতে তাৰ বিকাশত বাধা দিছে মাৰ্কিন যুক্তৰাষ্ট্ৰ, ব্ৰিটেন, জাপান, জাৰ্মানি প্ৰভৃতি ইতিমধ্যে আগবাঢ়ি থকা উন্নত পুঁজিবাদী দেশবোৰে—যাৰ কাৰিকৰি বিদ্যা, বিভিন্ন দেশত থকা কেঁচামালৰ ওপৰত দখল আৰু বিস্তৃত বজাৰৰ লগত ভাৰতে ফেৰ মাৰিব নোৱাৰে—আনহাতে তাক পিছফালৰ পৰা টানি ধৰি আছে সামন্তবাদৰ অৱশেষে। পুঁজিবাদী শিল্পায়নৰ সফলতাৰ বাবে কৃষিৰ ক্ষেত্ৰত পুঁজিবাদী খেতিৰ ( Capitalist farming ) ব্যাপক প্ৰসাৰ প্ৰয়োজন—যাতে যান্ত্ৰিক কৃষি আৰু বৃহদাকাৰ পামে গাঁৱৰ পৰা দলে দলে মানুহক মজুৰ হিচাবে চহৰলৈ আহিবলৈ বাধ্য কৰে, আৰু যাতে বিবিধ শিল্পত নিযুক্ত মজুৰৰ বাবে সস্তাতে খাদ্য যোগান ধৰিবলৈ উক্ত পামবোৰত প্ৰচুৰ উৎপাদন হয়। কিন্তু মাটিৰ মালিকসকলে আধিপ্ৰথাৰ জৰীয়তে বিনাকষ্টে ফচলৰ একাংশ পোৱা বাবে তেওঁলোকৰ মাজত পুঁজিবাদী কৃষি প্ৰৱৰ্তনৰ উৎসাহ বেছি নাই। উদ্যোগী কৃষকেও প্ৰয়োজনমতে মাটি নাপায়. পঞ্জাব, মহাৰাষ্ট্ৰ আদি কেইখনমান ৰাজ্যৰ বাহিৰে ভাৰতৰ অধিকাংশ ৰাজ্যত পুঁজিবাদী কৃষিৰ প্ৰচলন হোৱা নাই। সমগ্ৰ ভাৰততে ভূমিসংস্কাৰ আজি পৰ্যন্ত বৰ লেহেম —ৰাজ্যৰ হাতত এই দায়িত্ব দিয়া বাবে নানা ধৰণৰ ফাঁকিফুকা চলি আছে, মালিক শ্ৰেণীৰ হাতৰ পৰা মাটি এতিয়াও যোৱা নাই। ফলত কৃষি উৎপাদন বঢ়াবলৈ সাধাৰণ কৃষকেও সুযোগ আৰু উৎসাহ পোৱা নাই।

ইপিনে ভাৰতৰ অৰ্থব্যৱস্থা সম্পূৰ্ণ স্বাৱলম্বী নহয়। বহু প্ৰয়োজনীয় বস্তু ভাৰতে বিদেশৰ পৰা কিনিব লাগে—সৌ সিদিনালৈ খাদ্যশস্য পৰ্যন্ত আমদানি কৰিছিল। এনেহলত বিশ্ববজাৰৰ পৰা আঁতৰত ভাৰতৰ অৰ্থ-ব্যৱস্থা থাকিব নোৱাৰে। কিন্তু বিশ্ববজাৰ নিয়ন্ত্ৰণ কৰিছে বিভিন্ন উন্নত পুঁজিবাদী দেশৰ একচেটিয়া পুঁজিয়ে। ফলত ভাৰতে কম দামত কৃষিজাত পণ্য বিক্ৰী কৰি বিনিময়ত চৰা দামত উন্নত শিল্পজাত বস্তু কিনিব লগা হয়।

মুনাফালোভী ভাৰতীয় পুঁজিপতিয়েও বৃথাই শক্তিশালী বিদেশী পুঁজিৰ লগত প্ৰতিযোগিতা নকৰি সিহঁতৰ দালাল হিচাবে সিহঁতৰ বস্তু ভাৰতত চৰা দামত বিক্ৰী কৰাত সহায় কৰে। সিহঁতে অৱশ্যে এতিয়া নিজেও বহু ধৰণৰ বস্তু তৈয়াৰ কৰে। কিন্তু আগতে কৈ অহাদৰে সিহঁতৰ এইবোৰ উৎপন্নৰ বাবে দেশত বজাৰ নাই—কাৰণ ভাৰতৰ জনসংখ্যাৰ ৯০% ভাগ, সাধাৰণ কৃষকৰ ক্ৰয়ক্ষমতা বঢ়া নাই।

এনে অৱস্থাত জাতীয়তাবাদৰ ব্যৱহাৰ হয় শংকাকুল পুঁজিপতি জমিদাৰ মহলৰ স্বৈৰাচাৰ নিৰাপদ কৰিবলৈ, তাৰ বিৰুদ্ধে জনসাধাৰণৰ প্ৰতিবাদ স্তব্ধ কৰিবলৈ। দেশৰ আৰ্থিক প্ৰগতিৰ বাবে সাম্ৰাজ্যবাদী পুঁজি, দেশীয় জমিদাৰ শ্ৰেণী আৰু সিহঁতৰ মিত্ৰ দেশীয় বৃহৎ পুঁজিৰ লগত যি সংগ্ৰামৰ প্ৰয়োজন—সেই সংগ্ৰামত আমাৰ বুৰ্জোৱা আগবঢ়ুৱা নহয়। অথচ তাৰ বাহিৰে জাতীয়তাবাদ হয় অক্ষম আৰু অসাৰ্থক। পাকিস্তানৰ লগত অনবৰত যুঁজবাগৰ চলাই দেশৰ মানুহৰ ভ্ৰান্ত আত্মগৌৰৱ ৰক্ষা কৰাৰ বাহিৰে আধুনিক ভাৰতীয় জাতীয়তাবাদৰ কোনো বিশেষ সাৰ্থকতা নাই।

অসমৰ জাতীয়তাবাদৰ অৱস্থা ততোধিক শোচনীয়। অসমত শিল্পায়ন নামমাত্ৰ। পুঁজিবাদী কৃষি নাই বুলিলেই হয়। কিন্তু বস্তুৰ দাম বঢ়া, আৰু জনসংখ্যাৰ অনুপাতে জীৱিকা নবঢ়াৰ ফলত জনসাধাৰণৰ দুৰ্গতিয়ে চৰম সীমা পাইছে। অসমীয়া শ্ৰমিক পাবলৈ নাই—চহৰৰ চাকৰিৰ পৰা কামত বহুদিন ফাঁকি দি গাঁৱৰ খেতিবাতি চাবলৈ যোৱা শ্ৰমিক আৰু চাকৰিয়াল এতিয়াও বহুত। আনহাতে অসমীয়া ভিখাৰীৰ সংখ্যা হু-হুকৈ বাঢ়ি গৈছে। অসমীয়া পুঁজিপতিশ্ৰেণীৰ পুঁজি, অসমৰ পৰিবেশত থকা কাৰিকৰি জ্ঞান বৃহৎ ভাৰতীয় পুঁজিৰ তুলনাত এনে দুৰ্বল যে স্বাধীনভাৱে তাৰ লগত প্ৰতিযোগিতা কৰা বাতুলতা মাত্ৰ। অসমীয়া বুৰ্জোৱা জাতীয়তাবাদে কি আৰ্থিক, কি ৰাজনৈতিক স্বাধীনতাৰ দাবী কেতিয়াও তুলিব নোৱাৰিব—যদিও বুৰ্জোৱা জাতীয়তাবাদৰ শেষ লক্ষ্য তাৰ বাহিৰে আন একো হব নোৱাৰে। তেনেস্থলত ক্ষেত্ৰবিশেষে জাতীয়তাবাদী মনোবৃত্তিৰ পৰা মুক্ত হব নোৱাৰিলে অসমৰ সাধাৰণ মানুহৰ কল্যাণ নাই। সৰ্বভাৰতীয় শোষকৰ গৰাহৰ পৰা মুকলি হবলৈ হলে সৰ্বভাৰতীয় শোষিত মানুহৰ লগত ঐক্যৰ বাহিৰে আন উপায় নাই। দেখ্‌দেখ্‌কৈ সিহঁতৰ পুঞ্জীভূত ক্ষোভ সত্বেও এনে ঐক্য গঢ়ি উঠাত অসমীয়া বুৰ্জোৱাই নেতৃত্ব নিদিব।

এনে পৰিস্থিতিত সৰ্বভাৰতীয় শাসকচক্ৰ আৰু সিহঁতৰ অসমীয়া অনুচৰ-বৃন্দই জাতীয়তাবাদী ভাবাবেগক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিব। প্ৰথমতে সুদক্ষ জুডো (Judo) খেলুৱৈৰ দৰে সিহঁতে প্ৰতিপক্ষৰ (অৰ্থাৎ বাইজৰ) শক্তিকেই প্ৰতিপক্ষৰ (অৰ্থাৎ বাইজৰ) বিৰুদ্ধে ব্যৱহাৰ কৰিব। প্ৰবল অন্ধ জাতীয়তাবাদৰ বিকাশত নানাধৰণে ইন্ধন যোগাব। কৃত্ৰিম ঘটনা সৃষ্টি কৰি, পৰিস্থিতি উত্তপ্ত কৰি, সংঘৰ্ষ লগাই ইহঁতে অসমৰ বিভিন্ন গোষ্ঠিৰ মাজত অৰ্থহীন, লক্ষ্যহীন অথচ ভীষণভাবে ক্ষতিকৰ কাজিয়াৰ সৃষ্টি কৰিব। ফলত সৰ্বভাৰতীয় শোষক শ্ৰেণী আৰু শাসক শ্ৰেণীৰ প্ৰতি আৰু অসমৰ জনসাধাৰণৰ ক্ৰোধ ধাবিত নহব। দ্বিতীয়তে অসমৰ অসমীয়া মধ্যবিত্তই আন দুৰ্বল গোষ্ঠিৰ ওপৰত কৰ্তৃত্ব কৰি নিজৰ অৱস্থা কিঞ্চিৎ উন্নত কৰিবলৈ চাব। কিন্তু এই বিপদ সম্পৰ্কে আন গোষ্ঠিৰ মানুহো আজিকালি সতৰ্ক হোৱা বাবে অসমীয়া মধ্যবিত্তৰ এই কৌশলো বিশেষ সফল নহব। তৃতীয়তে অসমৰ ৰাজ্যিক চৰকাৰে চৰকাৰী খৰচত অসমত সৰুসুৰা শিল্প আদি গঢ়াৰ চেষ্টা কৰিব আৰু কৃষিৰ ক্ষেত্ৰত চৰকাৰী উদ্যোগৰ দ্বাৰা উৎপাদন বৃদ্ধিৰ চেষ্টা কৰিব। চৰকাৰৰ মুখ্যমন্ত্ৰীসকলৰ উদ্দেশ্য সৎ হবও পাৰে—কিন্তু সৎ উদ্দেশ্যই পুঁজিবাদৰ চৰিত্ৰ আৰু নিয়ম বদলাব নোৱাৰে। ফলস্বৰূপে বৃহৎ ভাৰতীয় পুঁজিৰ যোগনীয়াৰ বা ক্ষুদ্ৰ সহযোগী হিচাবেহে এইবোৰ সৰুসুৰা শিল্পৰ বিকাশ হব। অৰ্থাৎ জাতীয়তাবাদী ভাবধাৰাৰ ঠেলাত ৰাজ্য চৰকাৰে যি কাৰ্য্যপন্থা গ্ৰহণ কৰিব তাৰ অপ্ৰত্যাশিত পৰিণাম হব বৃহৎ ভাৰতীয় পুঁজিৰ শোষণ বৃদ্ধি কৰা।

এনেবোৰ পৰিনাম চিন্তা কৰিলে প্ৰকৃত দেশপ্ৰেমিক মাত্ৰেই উপলব্ধি কৰিব যে আজিৰ পৰিস্থিতিত বুৰ্জোৱা জাতীয়তাবাদতকৈ শোষিত মানুহৰ একতাহে অসমৰ প্ৰগতি আৰু মুক্তিৰ কাৰ্য্যকৰী পথ।

# জ্যোতি প্ৰতিভাৰ বিচাৰ

ব্যক্তিগত উৎকৰ্ষৰ জৰীয়তে মানুহৰ বিচাৰ আৰু পৰীক্ষা কৰ'ই সচৰাচৰ ৰীতি। কিন্তু মহামানৱসকলৰ ক্ষেত্ৰত কেৱল পৰীক্ষা যথেষ্ট হ'ব নোৱাৰে। সমসাময়িক জনপ্ৰিয়তাৰ অস্থায়ী ভিত্তি অতিক্ৰম কৰি যিসকল মানুহ ইতিহাসৰ পাতত তথা মানৱ জাতিৰ অক্ষয় স্মৃতিপটত উজলি আছে, তেওঁলোকৰ মহত্বৰ পৰিচয় বেলেগ। আচলতে একোজন মহামানৱৰ অৱদান বহুজনৰ যুগযুগান্ত জোৰা আশা-আকাংক্ষাৰ ফলশ্ৰুতি, বহুজনৰ সপোনৰ বাস্তৱৰূপ, বহুজনৰ পৰিশ্ৰম আৰু প্ৰচেষ্টাৰ শেষ পৰিণতি। সেয়ে জ্যোতিপ্ৰসাদক একজন গুণী মানুহ হিচাপে ধৰিলে তেওঁৰ প্ৰতি সুবিচাৰ নহ'ব। তেওঁ আচলতে অসমীয়া জাতিৰ সাধনাৰ ধন, অসমীয়া সমাজৰ ঐতিহাসিক বিকাশৰ এটা পৰ্যায়ৰ প্ৰতিনিধি। তেনেকৈ চালেহে বুজিব পাৰি কেনেকৈ জ্যোতিপ্ৰসাদ অসমীয়া মানুহৰ হাড়ে-হিমজুৱে সোমাই গৈছে, কেনেকৈ তেওঁৰ গীত, তেওঁৰ কবিতা, তেওঁৰ নাটকত পৰম বিস্ময় আৰু কৃতজ্ঞ আনন্দেৰে আমি আবিষ্কাৰ কৰোঁ আমাৰেই এটি অহা জীৱন—যি জীৱনৰ কিছুমান সম্ভাৱনা ফলৱতী হ'ল, কিছুমান সম্ভাৱনা মৰহি গ'ল নাইবা উপযুক্ত অনুশীলনৰ জীপ বিচাৰি এতিয়াও বাট চাই আছে।

অসমীয়া জাতি আৰু সমাজৰ একজন শ্ৰেষ্ঠ প্ৰতিনিধি—অথচ উপাধি আগৰৱালা। তাৰ পৰাই বুজা যায় যে অসমৰ সমাজখন, অসমীয়া জাতিটো এটা স্থিতিশীল বস্তু নহয়। বিভিন্ন জাতিৰ মিলন-মিশ্ৰণে তাক চহকী কৰিছে। জ্যোতিপ্ৰসাদৰ চৰিত্ৰত আমি এই গুণটোৰে এটা মৰমীয়া অভিব্যক্তি দেখা পাওঁ। য়ুৰোপৰ চিত্ৰকলা, ভাস্কৰ্য চাই নিজৰ জাতি আৰু সমাজ সম্পৰ্কে তেওঁ নীচাত্মিকাত ভোগা নাছিল। বৰং নিজৰ দেশ

আৰু জাতিৰ মহান ঐতিহ্যক শ্ৰদ্ধা কৰিবলৈ শিকিছিল। সাম্ৰাজ্যবাদৰ হেঁচাত নিজত্ব এৰিবলৈ ব্যাকুল, আত্মবিশ্বাসত লৰক ফৰক, নীচাত্মিকাবোধত পংগু আন বহু শিক্ষিত ভাৰতীয়ৰ দৰে নহৈ তেওঁ দেশৰ প্ৰতি, স্বজাতিৰ প্ৰতি অনুভৱ কৰিলে গভীৰ শ্ৰদ্ধা। আনহাতে বিদেশ আৰু বিদেশীক ঘিণ কৰা বা অনাদৰ কৰা সংকীৰ্ণতা, গোড়ামি আৰু অন্ধতা তেওঁৰ নাছিল। তেওঁ কৈছিল যে অসমৰ বাহিৰলৈ আমাৰ দৃষ্টি প্ৰসাৰিত কৰি বিশ্বজনতাৰ জীৱন নাটকত অংশ লব নোৱাৰিলে "আমাৰ মনবোৰ লুইতৰ চাপৰিত এৰাল দিয়া টিলিক গৰু"ৰ দৰে হৈ থাকিব। গানৰ ভাষাত তেওঁ কৈছিল—

গাৰৈশীয়া বাটৰে

লুইতৰ ঘাটেৰে

পৃথিৱী চাবলৈ ওলাবি কোন?

মন কৰিবলগীয়া কথা এয়ে যে সমাজবাদৰ দুজন মহান শিক্ষক লেনিন আৰু ষ্টালিনে একেধৰণৰ কথাকে কৈছে। দুয়ে কৈছে যে বিশ্বৰ জনগণৰ ঐতিহাসিক প্ৰগতিত বিভিন্ন জাতিৰ জাতীয় চৰিত্ৰৰ পূৰ্ণ বিকাশৰ প্ৰয়োজন। ইতিহাসৰ এটা পৰ্য্যায়ত জাতীয়তাবাদ বিভিন্ন সমাজৰ সাধাৰণ মানুহৰ অন্তৰৰ গভীৰতম প্ৰদেশৰ প্ৰেৰণা। আনহাতে জাতীয়তাবাদ আৰু জাতীয় মুক্তিৰ সংগ্ৰাম সংকীৰ্ণ, অন্ধ, অন্য জাতিৰ প্ৰতি বিদ্বেষপ্ৰৱণ হৈ থাকিলে তাৰ সাফল্য অসম্ভৱ। আজিৰ দিনত সমাজবাদী শক্তিসমূহেহে বিভিন্ন জাতিৰ মুক্তিৰ নিশ্চয়তা দিব পাৰে। অৰ্থাৎ আন্তৰ্জাতিকতা আৰু জাতীয়তা দুয়োটাৰ প্ৰকৃষ্ট সমন্বয় অবিহনে সমাজৰ বিকাশ অসম্ভৱ।

কিন্তু এই সমন্বয় ঘটাব কোনে? এটা সময়ত জ্যোতিপ্ৰসাদে ভাবিছিল যে শ্ৰীমন্ত শংকৰ বা মহাত্মা গান্ধীৰ দৰেই ফুকনৰ দৰে অন্তৰ ঐশ্বৰ্য্যত সমৃদ্ধ মানুহেহে এনে সমন্বয় ঘটোৱাৰ দায়িত্ব লব পাৰে। শেষলৈকে এনে মহাপুৰুষৰ প্ৰতি তেওঁ শ্ৰদ্ধা পোষণ কৰিছিল। কিন্তু তাৰ লগে লগে তেওঁৰ মনত উদয় হৈছিল আন এক উপলব্ধি—জীৱনৰ আভিজ্ঞতাই সেই উপলব্ধিৰ অংকুৰ লালন পালন কৰি তাক বিশাল মহীৰুহত পৰিণত কৰিছিল। উপলব্ধিটো হ'ল বিশ্বজনতাৰ জাগৰণ। তেওঁ শেষত অনুভৱ কৰিছিল যে

বিশ্বমানৱৰ এই প্ৰাণৰ বেদনা-ব্যথা

আপোনাৰ দুখ কৰি লওঁ,

মই, মই, পৃথিৱীৰে জনতাক
মইৰূপে দেখি
মই হৈও, মই আমি হওঁ।

*         *         *

নৱ জনজীৱনৰ অৰুণ অগ্নিস্নাত
নৱবিপ্লৱী কবি জাগে

*         *         *

আজি জনতাৰ আলোক বিজয়ী
অপূৰ্ব অভিযান
অজি পৃথিৱীৰ আকাশে আকাশে
জনতাৰ আহ্বান।

সেইদৰে তেওঁ জনতাক ঠগৰলৈ জনতাৰ নেতাৰ ভাও লোৱা সুবিধাবাদীক সতৰ্ক কৰি দিছে:

ওই জনা নাই—
ওই যাক ভাব
মূৰ্খ জনতা
মূঢ় জনতা
ৰূঢ় জনতা বুলি
যাৰ হ'ব খোজ স্বয়ংসিদ্ধ নেতা
সেই জনতা আজি প্ৰবুদ্ধ বল।

জ্যোতিপ্ৰসাদে যেতিয়া নিজকে "বাইজৰ আশীৰ্বাদ ভিখাৰী" বুলি কয় তেতিয়া তাক আন বহুতৰ ক্ষেত্ৰত লগা দৰে অভিনয় যেন নালাগে। তাৰ মাজত ফুটি উঠিছে জনতাৰ শক্তিৰ প্ৰতি অকুণ্ঠ গভীৰ শ্ৰদ্ধা আৰু সহানুভূতি।

তাৰ কাৰণ এয়ে যে স্বাধীনতা সংগ্ৰামৰ ঢৌৱে তেওঁক ঐশ্বৰ্য্য আৰু বিলাসৰ মিনাৰৰ পৰা নমাই একেবাৰে জনতাৰ সহযাত্ৰী কৰি পেলালে। স্বাধীনতা-সংগ্ৰামৰ সময়তে এহাতে তেওঁ নেতাসকলৰ মাজত দেখিলে ক্ষমতালোভ, দলাদলি, সুবিধাবাদ, দ্বিধাসংশয়—আৰু জনতাৰ মাজত দেখিলে আদৰ্শৰ বাবে আত্মবিসৰ্জন দিব পৰা অকুণ্ঠ, অটল বিশ্বাস আৰু প্ৰেৰণা। নিজ চকুৰে দেখিলে সাম্ৰাজ্যবাদী শোষকশ্ৰেণীৰ বিৰুদ্ধে যুঁজত জনতাৰ অগণন সেনানী সাগৰৰ ঢৌৰ দৰে আগবাঢ়ি আহিছে। এজনৰ পিচত এজন ৰণত

পৰিছে, খহিছে হৈছে, তথাপি ক্লান্তি নাই, হতাশা নাই, ভয় নাই। এই অভিজ্ঞতাৰ পিচত জনতাৰ প্ৰতি তেওঁৰ মনত জাগ্ৰত হ'ল অটল বিশ্বাস, আৰু প্ৰবল সহানুভূতি। তেওঁ বুজিলে যে ইতিহাসৰ চালিকাশক্তি জনগণ।

জ্যোতিপ্ৰসাদে নিজক সুন্দৰৰ পূজাৰী শিল্পী বুলি ভাবিছিল। কিন্তু এই শিল্পীৰ সাধনা শেষত বিমূৰ্ত সৌন্দৰ্য্যৰ আৰাধনাৰ পৰা গৈ জনগণৰ অক্ষয় সৃষ্টিশক্তিৰ বন্দনালৈ পৰিণত হ'ল। ক্ৰমে সকলো শোষক শাসক শ্ৰেণীৰ স্বাৰ্থপৰতা আৰু দম্ভ তেওঁৰ বাবে অসহনীয় হ'ল। তেওঁ ভাবিবলৈ ল'লে যে সংস্কৃতি আৰু শিল্পক লালন-পালন কৰে, প্ৰাণত ধাৰণ কৰে, জীৱনৰ উম দিয়ে কেৱল জনতাই। শত দুখ-বেদনাৰ পিচতো জনতাই শিল্প-সংস্কৃতি নেৰে। সেয়ে প্ৰকৃত শিল্প-সংস্কৃতিও শাসক শ্ৰেণীৰ মনোৰঞ্জন নহৈ জনতাৰ প্ৰাণৰ ভাষা হোৱা উচিত।

জনতা তোৰ প্ৰাণৰো প্ৰাণত
মনৰো মনত,
শিল্পী যে মই লুকাই লুকাই আছোঁ,
তোৰ সপোনৰ কত ছবিত
কত যে ফুল বাছোঁ,
লুকাই লুকাই আছোঁ।

এই কথা ঠিক যে জ্যোতিপ্ৰসাদৰ কিছুমান মতামত কিছুমান ৰক্ষণশীল মানুহৰ মতামতৰ লগত একে। তেওঁ ভগৱানত বিশ্বাস কৰে। তেওঁ বস্তুৰ ওপৰত মানুহৰ আত্মাৰ প্ৰভুত্বত বিশ্বাস কৰে। তেওঁ শিল্পৰ ৰাজনৈতিক নিৰপেক্ষতাত বিশ্বাস কৰে। কিন্তু কথাবোৰ তেনেকৈ বিচ্ছিন্ন কৰি চালে জ্যোতিপ্ৰসাদৰ ভূমিকা আৰু জ্যোতিপ্ৰতিভাৰ তাৎপৰ্য্য বুজাত ভুল হব। জ্যোতিপ্ৰসাদৰ ভগৱৎভক্তিয়ে তেওঁক ভাগ্যবাদী, অদৃষ্টবাদী, জনগণৰ দুখ-কষ্টৰ প্ৰতি উদাসীন কৰিছিলনে? তেওঁ জনগণক দুখ-কষ্ট, শোষণ-অন্যায় নীৰৱে সহিবলৈ কৈছিলনে? নে নেতাৰ বিৰুদ্ধে গৰ্জি উঠিবলৈ কৈছিল? বস্তুৰ ওপৰত আত্মাৰ প্ৰভুত্বত বিশ্বাস কৰা বাবে তেওঁ বাস্তৱ জীৱনৰ ত্ৰুটি-বিচ্যুতিৰ প্ৰতি উদাসীন বা উন্নাসিক হৈছিল নে বাস্তৱ জীৱন আদৰ্শৰ সাঁচত ৰূপান্তৰিত কৰিবলৈ অনুপ্ৰাণিত হৈছিল?

জ্যোতিপ্ৰসাদ বাস্তৱ ইতিহাসক উপেক্ষা কৰা মানুহ নাছিল। বৰং

এছিয়া আৰু এফ্রিকাৰ জনগণৰ বিপ্লৱী ভূমিকাক তেওঁ স্বীকৃতি দিবলৈ শিকিছিল। তদুপৰি তেওঁ হিন্দু হৈ মুছলমান বিদ্বেষী আৰু অসমীয়া হৈ বঙালী বিদ্বেষী হোৱা নাছিল। বৰং তেওঁৰ গতিশীল মনৰ স্পন্দনত ভাববাদী চিন্তাবোৰেও যেন পুৰণি খোলাবোৰ ভাঙি পেলাইছিল আৰু নতুন জীৱনৰ পিনে আকুল হাত আগবঢ়াই দিছিল। শিল্প-সংস্কৃতিৰ ক্ষেত্ৰত তেওঁ কেতিয়াবা ৰাজনৈতিক নিৰপেক্ষতা সমৰ্থন কৰা যেন লাগে। কিন্তু তাৰ কাৰণ "জনগণৰ জীৱন যেনেকৈ চলে চলি থাকক" বুলি ভবা art for art's sakeৰ পূজা নহয়। বৰং "পোহৰলৈ" বোলা ভাষণত স্পষ্ট হৈ আছে যে জ্যোতি-প্ৰসাদে আশংকা কৰিছিল "স্বাৰ্থসেৱী প্ৰভুত্বকামী মানুহে" সংস্কৃতিৰ যোগেদি জনগণক প্ৰতাৰণা কৰি শোষণৰ শিকলি পিন্ধাই দিয়ে বুলি। তেওঁৰ বাবে শিল্প আছিল শাসকশ্ৰেণীৰ ৰাজনৈতিক আৰু ভাবাদৰ্শগত চক্ৰান্তৰ পৰা জনগণক ৰক্ষা কৰা ৰক্ষাকবচ। তাৰ "নিৰপেক্ষ" বুলিব পাৰি এক বিশেষ অৰ্থতহে। শিল্পী নিৰপেক্ষ নে? জ্যোতিপ্ৰসাদে কৈছে:

: "...যি জনতাই নিজৰ বুকৰ তেজ যুগে যুগে দিও সংস্কৃতিক জীয়াই ৰাখি দুষ্কৃতিৰ পৰা সিহঁতৰ যাউতিযুগীয়া দুখ-কষ্ট গুচাই জীৱনৰ হাঁহি ফুলাব বুলি বাট চাই আছে, আজি শিল্পীয়ে প্ৰথমেই সকলো ভয়, দুৰ্বলতা, ভ্ৰান্তি গচকি, থচকি, সুকুমাৰ কলাৰ অস্ত্ৰ লৈ সেই দুৰ্গীয়া জনতাৰ মাজতেই থিয় হব লাগিব।"

তদুপৰি এই জনতা কেৱল "দুৰ্গীয়া" নহয়, ইতিহাসৰ নতুন যুগ ৰচনাৰ দায়িত্ব, "জীৱনৰ হাঁহি ফুলোৱাৰ" দায়িত্বৰে গৰীয়ান এই জনতা:

: আজি জনতাৰ আলোকবিজয়ী
অপূৰ্ব অভিযান
আজি পৃথিৱীৰ আকাশে আকাশে
জনতাৰ আহ্বান,
নৱজীৱনৰ মহাসংঘাতে কঁপায় বৰ্তমান।

: (জনতাৰ আহ্বান)

যি শিল্পী এই জনতাৰ সংগী আৰু সহযাত্ৰী সি কেনেকৈ নিৰপেক্ষ হব পাৰে? কেনেকৈ জনতাৰ সামাজিক আৰু ৰাজনৈতিক জাগৰণক সি উপেক্ষা কৰিব পাৰে?

জ্যোতিপ্ৰসাদে বুজিছিল যে বিশ্বব্যাপি জনতাৰ মাজত এক বৈপ্লবিক আলোড়নৰ সূচনা হৈছে। তেওঁৰ ভাষাত:

"আজি আমাৰ জাতীয় কৃষ্টি আৰু সভ্যতা আকৌ এটা ৰূপান্তৰৰ দুৱাৰদলিত। ...বৰ্তমান পৃথিৱীত বিজ্ঞানৰ অপূৰ্ব বিকাশৰ লগে লগে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰতো নতুন বিপ্লৱকাৰী আদৰ্শবাদ আহি মানৱ সমাজৰ চিন্তাৰাজ্যত ভূমিকম্প কৰিছেহি আৰু এই বিশ্ববিপ্লৱে জগতৰ জাতিসমূহৰ কৃষ্টিসভ্যতা আৰু জীৱনলৈ অভাৱনীয় পৰিবৰ্তন আনি দিয়াৰ আগন্তুক কৰিছে। এই বিপ্লৱী আদৰ্শবাদ আহি আমাৰ ভাৰততো আৰু অসমতো এটা আলোড়ন তুলিছে।"

(জ্যোতিৰ্ধাৰা, পৃঃ ৫৮)

এই বিপ্লৱ—যি বিশ্বৰ বুকুত অসমক অকলশৰীয়া দ্বীপৰ দৰে থাকিবলৈ দিয়া নাই—যে কেৱল মিলাপ্ৰীতি আৰু আনন্দ-উৎসৱৰ বিপ্লৱ নহয় তেওঁ বুজিছিল। বিপ্লৱ চেম্বাৰমেন মাও চে তুঙৰ ভাষাত চিলাই কামৰ দৰে চিকুণ আৰু চাহমেলৰ দৰে ভদ্ৰ নহয়। জ্যোতিপ্ৰসাদৰ সুকুমাৰ মনৰ অনুভূতিয়েও শেষত বিপ্লৱৰ ভয়ানক দিশটোও মানি লব পাৰিছিল সত্যৰ প্ৰতি তাৰ অকুণ্ঠ আস্থাৰ বাবে। তাৰ ধ্বংসলীলাৰ মাজত তেওঁ দেখা পাইছিল সৃষ্টিশীল নতুন সম্ভাৱনাৰ বক্তপ্ৰবাহ।

"বিপ্লৱে যদিও আমাৰ মাজত এটা ভয়াবহতাৰ সৃষ্টি কৰি ধ্বংসাত্মক মনোভাৱ জগাই নানা বিপৰ্যয় সংঘটিত কৰে এটা কদাকাৰ দৈত্যৰূপেৰে, কিন্তু তথাপিও তাৰ মূৰত ভাৰ বৈ আনে এক নৱসংস্কৃতিৰ নতুন সৃষ্টিৰ মণিসম্ভাৰ।"

(জ্যোতিৰ্ধাৰা, পৃঃ ৭৩)

আন এঠাইত তেওঁ স্পষ্টকৈ কৈছে যে নতুনৰ সাধনাত প্ৰাচীন ঐতিহ্যৰ সুন্দৰ আৰু মোহময় উপাদানবোৰো আমি বৰ্জন কৰিব লগা হব পাৰে। চীনৰ সাংস্কৃতিক বিপ্লৱত প্ৰাচীন অপেৰাৰ ৰজা-মহাৰজাৰ কীৰ্ত্তি-কাহিনী আৰু প্ৰেম-বিচ্ছেদৰ মাধুৰি নেওচা দি তাৰ জুমুঠিৰ ওপৰত সৰ্বহাৰা নায়ক-নায়িকাৰ জীৱনকাহিনী গঢ়ি নতুন আদৰ্শ প্ৰচাৰ কৰি এই সত্যটোকে প্ৰতিষ্ঠা কৰা হব ধৰিছে। জ্যোতিপ্ৰসাদে কৈছে:

: যিখিনি সাংস্কৃতিক বস্তুক আমি নতুন দিনৰ জীৱন্ত আহিলা স্বৰূপে নাপাওঁ সি যিমানেই আমাৰ মৰমৰ হওক লাগে তাক এৰিব লাগিব। আমাৰ অতি মৰমৰ মানুহৰ জীৱ নাইকিয়া হলে দেহটোৰ মায়াত্যাগ কৰি যেনেকৈ

সেই শটো পুৰি পোলাও বা পুতি থও সেইদৰেই পুৰণি সংস্কৃতিৰ প্ৰাণ নথকা বস্তু খিনিকো আমি তাৰ মায়া এৰি যাদুঘৰতে থ'ব লাগিব।

(জ্যোতিৰ্ধাৰা, পৃঃ ১৯)

আজি কিছুদিনৰ পৰা অসমত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাৰ বিশেষ গতিপথ বিকৃত কৰি বিচ্ছিন্ন উদ্ধৃতিৰে তেওঁৰ প্ৰতিভাৰ অপব্যাখ্যা কৰা ষড়যন্ত্ৰ এটা চলিব ধৰিছে। এনেবোৰ উদ্ধৃতিৰে কিছুমান প্ৰবন্ধকাৰে প্ৰমাণ কৰিবলৈ বিচাৰে যে সাংস্কৃতিক ঐতিহ্যৰ ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আছিল ৰক্ষণশীল। কিন্তু ওপৰৰ উদ্ধৃতিয়ে দ্ব্যৰ্থহীন ভাষাত ঘোষণা কৰিছে যে অতীতৰ যিবোৰ সাংস্কৃতিক উপাদানে আমাক নতুন সংস্কৃতি সৃষ্টি, নতুন প্ৰাণ গঢ়াত সহায় নকৰে, অকাতৰে সেইবোৰ উপাদানৰ সৌন্দৰ্য্যৰ মায়া আমি ত্যাগ কৰিব লাগিব। শংকৰদেৱৰ প্ৰতিভাৰ প্ৰতি শ্ৰদ্ধাত আপ্লুত অন্তৰেৰেও শংকৰী কৃষ্টিক অসমৰ সাংস্কৃতিক ভৱিষ্যতৰ নিয়ামক বুলি তেওঁ ভবা নাছিল। কাৰণ মানুহৰ সৃষ্টিশীল ভৱিষ্যত তাৰ অতীততকৈ সদায় উজ্জ্বল।

জ্যোতিপ্ৰসাদে জেলত হেমাংগ বিশ্বাসৰ আগত খেদ কৰিছিল যে পাৰ্টিয়ে আৰ্টৰ বৈপ্লবিক ভূমিকা উপলব্ধি কৰা নাই। কথাটোৰ সুদূৰপ্ৰসাৰি তাৎপৰ্য্য ৰঙা চীনৰ সাংস্কৃতিক বিপ্লৱৰ পিছতহে স্পষ্ট হৈছে। ৰাজনৈতিক বিপ্লৱে যে জনগণৰ মানসিকতাত সৰ্বাত্মক প্ৰভাৱ বিস্তাৰ নকৰে, অনুভূতি আৰু প্ৰমূল্যৰ জগতত সেই বিপ্লৱৰ বিকাশ নহলে ৰাজনৈতিক বিপ্লৱো যে স্থায়ী হব নোৱাৰে, তাৰ বাবে যে সাংস্কৃতিক বিপ্লৱৰ প্ৰয়োজন, সেইবোৰ শিক্ষা আজিহে বিশ্বৰ সমাজবাদীসকলে গ্ৰহণ কৰিছে। কিন্তু জনগণৰ লগত নিবিড় পৰিচয় থকা জ্যোতিপ্ৰসাদে তাহানিয়েই বলিষ্ঠ ভাষাত তাক প্ৰকাশ কৰিছিল। আনহাতে তেওঁ বুজিছিল যে সংস্কৃতিক শোষক-শাসক শ্ৰেণীয়েও ব্যৱহাৰ কৰি আছে—মুক্তিৰ মন্ত্ৰ হিচাবে নহয়, দমন আৰু নিপীড়নৰ অস্ত্ৰ হিচাবে।

ঃ "সিহঁত সম্পদৰ গৰাকী হোৱাত কণা ধৃতৰাষ্ট্ৰৰ দৰেই কণা। শকুনিৰ মন্ত্ৰনাই সিহঁতৰ সকলো। কৃষ্ণক—সংস্কৃতিক সিহঁতক লাগে, কিন্তু মন্ত্ৰণা নুশুনে। মাত্ৰ সংস্কৃতিক লাগে সিহঁতৰ ফলীয়া হৈ যুদ্ধ জয় কৰি দিবলৈ।"

(জ্যোতিৰ্ধাৰা, পৃঃ ১১)

শোষক শ্ৰেণীৰ এই বিকৃত সংস্কৃতিৰ প্ৰভাৱৰ পৰা যে জনগণক মুক্ত কৰি

জনগণৰ নিজস্ব সৃষ্টিশীলতাৰ উপযোগী সংস্কৃতি গঢ়ি তুলিব লাগে, সেই কথা জ্যোতিপ্ৰসাদৰ নামত ফেঁকুৰি উঠা বহুতেই দেখোন কব নোখোজে !!

আনহাতে এই সাংস্কৃতিক বিপ্লব যে কিছুমানে ভবাদৰে অহিংস উপায়ে গান গাই, কবিতা লিখি মানুহৰ হৃদয় পৰিবৰ্তন কৰা নামপ্ৰসংগজাতীয় বস্তু নহয় তাকো স্পষ্টভাবে কোৱাৰ প্ৰয়োজন আছে। সামাজিক পৰিবৰ্তন, ৰাজনৈতিক আলোড়নৰ লগৰীয়া বস্তু এই সাংস্কৃতিক আন্দোলন। আৰু এই ৰাজনৈতিক পৰিবৰ্তনৰ অৱশ্যম্ভাবিতা আৰু তাৰ সুফল জ্যোতিপ্ৰসাদৰ দৃষ্টিত প্ৰোজ্জ্বল হৈ আছিল। পুঁজিবাদী সমাজত পেচাদাৰ শিল্পী যে আচলতে পুঁজিবাদৰে সেৱক তাক উপলব্ধি কৰি বৃত্তিধাৰী শিল্পীৰ (professional artist) ধাৰণাটোকেই তেওঁ আক্ৰমণ কৰিছিল। শিল্পৰ বিনিময়ত অৰ্থ উপাৰ্জন কৰাটো শিল্পকলা নহয়, ব্যৱসায়। আৰু সেই ব্যৱসায়ে শিল্পকলাক অধঃপতিত কৰি তাক জীৱনৰ কেন্দ্ৰবিন্দুৰ পৰা আঁতৰাই লৈ যায়।

: "আৰু এটা ডাঙৰ কথা যে কৃষ্ণক ব্যৱসায়ী সুকুমাৰ কলাসেৱী কৰি অঁকা নাই—আঁকিলে জীৱনৰ শিল্পীকৈ। সুকুমাৰ কলাৰ মাজেদিয়েই কৃষ্ণৰ প্ৰথম প্ৰকাশ কিন্তু সেই প্ৰকাশ একেবাৰে বাস্তৱ জীৱনৰ উতলি থকা জীৱনৰ মাজত।" (জ্যোতিৰ্ধাৰা, পৃষ্ঠা ২৫)

জ্যোতিপ্ৰসাদে নিজে কেনেকৈ তেওঁৰ এই আদৰ্শ পালন কৰিছিল তালৈ চকু দিলেই এই মন্তব্যৰ আচল অৰ্থ ওলাই পৰিব। স্বাধীনতাৰ পিচত যন্ত্ৰণা আৰু ক্ৰোধত অগ্নিবৰ্ষী ভাষাৰে তেওঁ প্ৰশ্ন কৰিছিল :

: "জাতীয় কংগ্ৰেছ গৱৰ্ণমেণ্টক প্ৰথমেই সমৰ্থন কৰা, এক জনসংস্কৃতিৰ সপোন দেখোতা কমিউনিষ্টসকলে কিহৰ বাবে নিৰ্যাতন মূৰ পাতি লবলৈ ওলাইছে দেশলৈ স্বাধীনতা অহাৰ পিচতো—কিয় তেওঁলোকে স্বাধীনতাক সন্দেহ কৰিব লগা হৈছে—কিয় জনতাক ভাল পোৱা, দেশক ভাল পোৱা সংস্কৃতিৰ সেৱক এই চচিয়েলিষ্ট, কমিউনিষ্ট, কৃষক-বনুৱাৰ উন্নতিকামী আন দেশসেৱকবোৰ আমাৰ নিজ স্বাধীন গৱৰ্ণমেণ্টৰ দ্বাৰা ধৰ্ষিত হবলগীয়া হৈছে ?" (জ্যোতিৰ্ধাৰা, পৃঃ ৫৪)

তাহানিৰ আন বহুতৰ দৰে জ্যোতিপ্ৰসাদেও ভাবিছিল ১৯৪৭ চনৰ লগে লগে ভাৰত সাম্ৰাজ্যবাদৰ কবলৰ পৰা মুক্ত হ'ল। নয়া-ঔপনিবেশিক শোষণৰ তলানলা ইমান সোনকালে পোৱাটো সম্ভৱ নাছিল। কিন্তু তেওঁ অন্তৰে অন্তৰে অনুভৱ কৰিছিল যে অন্যায়, শোষণ, বৈষম্যৰ গৰাহৰ পৰা

ভাৰতৰ জনগণ মুক্ত হোৱা নাই। হয়তো বিদেশী পুঁজিৰ ঠাই ল'লে দেশীয় পুঁজিৰ শোষণে। : "সাম্ৰাজ্যবাদ প্ৰতিহত কৰি আমি আজি ভাৰতেই ধঁজাভাৱেক কিন্তু ধনতন্ত্ৰবাদক সংস্কৃতি বুলি তুল কৰাৰ উপক্ৰম কৰিছোঁ নে কূটনৈতিক কাৰণত কৰা ই এটা আপোচ?" (ঐ, পৃঃ ৩৬) স্বাধীনতা সংগ্ৰামত তেওঁৰ সমনীয়া আনবহু কংগ্ৰেছকৰ্মীয়ে যেতিয়া ভাবিছিল যে সংগ্ৰামৰ দিন শেষ হ'ল, তেতিয়া দেশৰ নতুন চৰকাৰৰ মনোভাবে এই "স্বাধীনতাৰ" স্বৰূপ সম্পৰ্কেহে জ্যোতিপ্ৰসাদক সংশয়াম্বিত কৰি তুলিলে।

জ্যোতিপ্ৰসাদৰ মহাত্মা গান্ধীৰ প্ৰতি গভীৰ ভক্তিৰ কথা সকলোৱে জানে। আৰু হয়তো কোনো কোনোৱে জানে যে বিয়াল্লিশৰ হিংসাত্মক বিপ্লবী চক্ৰত যোগ দি শেষত তেওঁ গান্ধীৰ অহিংস নীতিৰ প্ৰভাৱত তাৰ পৰা আঁতৰি আহিছিল। কিন্তু হিংসাত্মক মনোভাৱ যেতিয়া ব্যক্তিগত জিঘাংসাৰ প্ৰতিফলন নহৈ এটা নিপীড়িত নিগৃহীত জাতি নাইবা শ্ৰেণীৰ মনোভাৱ হয়, তেতিয়া তাক সহজে উলাই কৰিব নোৱাৰি। ভাৰতীয় জনতাৰ কন্দ্ৰৰূপক পঢ়াশলীয়া উপদেশেৰে নিবৃত্ত কৰাৰ ধৃষ্টতা তেওঁৰ নাছিল। "এটা পগলা খেতিয়কৰ উক্তি"ত মহাজন আৰু জমিদাৰৰ বিৰুদ্ধে থকা হিংসাৰ উদ্গীৰণক অমানুষিক বুলি দেখুৱা নাই তেওঁ। "জলাটিয়াৰৰ উক্তি"ত ভাৰতৰ বিপ্লবী জনতাৰ মনোভাৱৰ লগত সুবিধাবাদী জাতীয় নেতৃত্বৰ অনুসৃত নীতিৰ সংঘাত বিশেষভাৱে লক্ষণীয়। শোষকৰ বিৰুদ্ধে জনতাৰ স্বতঃস্ফূৰ্ত্ত বিপ্লবী হিংসাক তাৰ মৰ্য্যদা দিবলৈ সাহস তেওঁৰ আছিল। "লভিতা" নাটতো সাম্ৰাজ্যবাদী সৈন্যবাহিনীৰ নিপীড়নৰ বিৰুদ্ধে গৰজি উঠিছে লভিতাই: "গান্ধীৰ বহীত মই নাম লিখোৱা নাই জানিবি বাপেৰে।" অহিংসা সম্পৰ্কে তেওঁৰ মনত সংশয় নথকা হ'লে এই উক্তিটো তেওঁৰ নাটকত নিশ্চয় নোসোমালহেঁতেন। নাটৰ শেষ দৃশ্যতো লভিতা অহিংস স্বেচ্ছাসেৱিকা হিচাবে নোলাই দেখা দিছে দেশপ্ৰেমিক মুক্তিযুদ্ধৰ যোদ্ধা হিচাবে।

জ্যোতিপ্ৰসাদৰ মতামত আৰু উপলব্ধিত জনতাই এই আসন লাভ কৰিলে কেনেকৈ? তাৰ উত্তৰ অসমৰ তথা ভাৰতৰ কৃষক আন্দোলনৰ ইতিহাসত পোৱা যাব। যিমান দিনলৈকে ভাৰতৰ জাতীয় কংগ্ৰেছ অধ্যাপক, উকিল, জমিদাৰ আৰু ব্যৱসায়ীৰ আবেদন নিবেদনৰ অনুষ্ঠান আছিল, সিমান দিনলৈ জাতীয় জীৱনত তাৰ প্ৰভাৱ আছিল নগণ্য। গান্ধীজীৰ অসহযোগ

আন্দোলনেই স্বাধীনতাৰ দাবী জনতাৰ মাজলৈ নৈ গ'ল। অসমতো তাৰ ঢৌ উঠিল। ব্যৱসায়ী আৰু উচ্চ মধ্যবিত্ত ঘৰৰ জ্যোতি আগৰৱালা সকলে তাৰ সংস্পৰ্শলৈ আহিছিল। কিন্তু অসহযোগৰ মন্ত্ৰ তেতিয়াও দুৰ্বাৰ হৈ উঠা নাছিল।

জাতি সমস্যাৰ আলোচনা প্ৰসংগত ষ্টালিনে কৈছে যে ঔপনিবেশিক দেশবোৰত জাতীয় মুক্তিৰ প্ৰশ্নটো প্ৰকৃততে কৃষকৰ মুক্তিৰ পৰা অবিচ্ছেদ্য। অসমত ঔপনিবেশিক চৰকাৰেই আছিল বৃহৎ জমিদাৰ, মৌজাদাৰবিলাক আছিল খাজনাতোলা সাধনী। মাটিৰ উৰ্বৰাশক্তি বৃদ্ধি বা কৃষকৰ উপাৰ্জন বৃদ্ধিত চৰকাৰে মনোযোগ নিদিছিল অথচ ১০/২০ বছৰৰ মূৰে মূৰে নতুন জৰীপ কৰি খাজনা বৃদ্ধি কৰিছিল। খাজনা দিব নোৱাৰা বাবে বহু অসমীয়া খেতিয়কে মাটি হেৰুৱাই শেষত ঘৰেপতি ১০।১২ বিঘা মানহে ৰাখিব পাৰিছিল। খাজনাৰ বাবদ, গৰু কিনিবলৈ নাইবা বিয়াবাৰু আৰু শৰাধৰ খৰচ উলিয়াবলৈ অসমীয়া খেতিয়কে প্ৰায়ে মহাজনৰ শৰণ লব লগা হৈছিল। ১৯২৮ চনত অসমৰ ৰায়টৰ সৰ্বমুঠ ধাৰ হৈছিল ২২ কোটি টকা।

ব্ৰিটিছ ৰাজত্বৰ প্ৰথম কালছোৱাত অসমৰ কৃষক ৰাইজে এই অত্যাচাৰৰ বিৰুদ্ধে জাঙুল খাই উঠি বিদ্ৰোহ কৰিছিল। কিন্তু সেইবোৰ বিদ্ৰোহ স্বতঃস্ফূৰ্ত্ত, অসংগঠিত, অপৰিকল্পিত আছিল আৰু নতুনকৈ উঠি অহা মধ্যবিত্ত শ্ৰেণীৰ সমৰ্থন লাভ কৰিব পৰা নাছিল। কিন্তু বিংশ শতিকাৰ আৰম্ভণিৰে পৰা স্থানীয় প্ৰতিপত্তিশালী ভূস্বামীসকলৰ নেতৃত্বত অসমৰ কৃষকসকলৰ মাজত কৃষক সংগঠন গঢ়ি উঠে। খাজনা বৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ আৰু কৃষকৰ অন্যান্য দাবী চৰকাৰৰ ওচৰত পৌঁছাই দিবলৈ ৰায়টসভাৰ সৃষ্টি হয়। ১৯৩৩ চনৰ পৰা ১৯৩৭-৩৮ চনলৈকে সঘনে ৰায়টসভা বহে। একে সময়তে পূৰ্ববংগত বিখ্যাত "তেভাগা আন্দোলনে" বংগদেশৰ সমাজত কোবাল গণআন্দোলনৰ বতাহ বোৱাই দিয়ে। এই সময়তে ভাৰতৰ জাতীয় কংগ্ৰেছে কৃষক সমস্যাৰ প্ৰতি মনোযোগ দিবলৈ বাধ্য হয়। সৰ্বভাৰতীয় কিষাণ সভাৰ ( All India Kisan Sabha ) লগত কংগ্ৰেছৰ মিত্ৰতা স্থাপিত হয়। ( ১৯৪৩ ৰ পৰা ১৯৪৫ চনৰ ভিতৰত AIKSৰ সভ্য সংখ্যা ৩০০,০০০ৰ পৰা ৮২৫,০০০ হয়। ) ৰায়টসভা চলা সময়ত কংগ্ৰেছ মন্ত্ৰীসভাই টকাত আঠ অনাকৈ খাজনা ৰেহাই দিছিল। কিন্তু ৰায়ট সভাৰ মধ্যবিত্ত নেতৃত্বই কৃষকৰ দুখদাৰিদ্ৰ্য নিবাৰণৰ বাস্তৱবাদী সমাধান দাঙি ধৰিব পৰা নাছিল।

প্ৰথমে সঘনে বহা ৰায়টসভা পিচতৈপে নবহা হৈছিল। আচৰিত নহয় যে সেই সময়ত আন প্ৰদেশৰ দুখীয়া খেতিয়কৰ দৰে অসমৰ কৃষক সমাজো কমিউনিষ্ট মতাদৰ্শৰ প্ৰতি আকৃষ্ট হৈছিল।

জ্যোতিপ্ৰসাদৰ মন আৰু হৃদয়ত এই জনজাগৰণে অভূতপূৰ্ব স্পন্দন তুলিলে। বিশেষকৈ বিয়াল্লিশৰ গণআন্দোলনত যেতিয়া তেওঁ অসমৰ কৃষক জনসাধাৰণৰ সংগ্ৰামী সাহস, দৃঢ়তা আৰু বীৰত্ব প্ৰত্যক্ষ কৰিলে, যেতিয়া গণবিপ্লৱৰ সংগঠনত তেওঁ ক্ৰমে জনসাধাৰণৰ ওচৰ চাপি আহিল, তেতিয়া তেওঁৰ মনৰ বহুত বন্ধ দুৱাৰ-খিড়িকি যেন একেলগে খোল খাই গ'ল। এক জ্যোতিপ্ৰপাতত স্নান কৰি তেওঁ যেন উপলব্ধি কৰিলে নতুন দিনৰ সৃষ্টিত অপৰাজেয় জনগণৰ ভূমিকা। নিপীড়িত শ্ৰমজীৱী জনতাৰ অন্যান্য অংশৰ প্ৰতিও মুকলি হ'ল তেওঁৰ বিস্ময় বিমুগ্ধ দৃষ্টি। দুপৰীয়া ঘামত তিতি কোৰ মাৰি থকা বা পাত তুলি থকা চাহবাগানৰ মুনিহ-তিৰোতা আৰু তেওঁৰ মানত চাহবনুৱা হৈ নাথাকিল, তেওঁৰ কল্পদৃষ্টিত তেওঁলোক ৰূপান্তৰিত হ'ল "সেউজী গছত সোণৰ গুটি" লগোৱা শিল্পীলৈ।

অনুৰূপভাবে এই কৃষক-শ্ৰমিক জনতাৰ তেজ চুহি খোৱা গাওঁবুঢ়া, মৌজাদাৰ, মহাজন, মালিকৰ প্ৰতি তেওঁৰ অন্তৰত সঞ্চিত হ'ল তীব্ৰ ঘৃণা। ব্ৰিটিছ সাম্ৰাজ্যবাদৰ শোষকচক্ৰৰ লগত এইবিলাকৰ ঘনিষ্ঠ সম্পৰ্ক তেওঁ অনুভৱ কৰিলে। "লভিতা" নাটকত সেয়ে "কমিউনিষ্ট" শব্দটোৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা প্ৰকাশ পাইছে। হেমাংগ বিশ্বাসে লিখিছে যে নগাঁৱাপুলত পুলিচী নিৰ্যাতনৰ সময়ত অসমৰ বুদ্ধিজীৱীসকলৰ ভিতৰত একমাত্ৰ জ্যোতি আগৰৱালাইহে তাৰ বিৰুদ্ধে ৰাজহুৱাভাবে প্ৰতিবাদ কৰিবলৈ ওলাইছিল। তাৎপৰ্য্যপূৰ্ণ কথা এয়ে যে তেওঁৰ সেই বিবৃতি অসমৰ কোনো কাগজতে ছপা নহ'ল! জনতাৰ এই বিশ্বৰূপ আবিষ্কাৰত শিহৰিত শৰীৰেৰে তেওঁ তেওঁৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে ছন্দায়িত গদ্যত :

"নিজৰ জীৱনৰ মহান বিকাশৰ. প্ৰকাশৰ সাধু শুনি বিস্ময়বিমুগ্ধ হৈ মূঢ় কঢ় জনতাৰ পৰা ৰূপান্তৰিত হৈ প্ৰবুদ্ধ হৈ থিয় হৈছে। জনসংহতিতেই যে জনমুক্তি তাক উপলব্ধি কৰি আজি ভাৰতত, এছিয়াত, য়ুৰোপত, আমেৰিকাত জনতাৰ প্ৰাণত মহাজীৱনৰ সঞ্চাৰ জাগিছে।"

(জ্যোতিৰ্ধাৰা, পৃঃ ৪৩)

জ্যোতি আগৰৱালাৰ সম্ভান চিন্ময় আগৰৱালাৰ মুখতে শুনিছিলোঁ

যে আগৰ সহকৰ্মী অমিয় কুমাৰ দাস যেতিয়া নতুন কংগ্ৰেছ চৰকাৰৰ মন্ত্ৰী হ'ল তেতিয়া তেওঁক দেখা কৰিবলৈ যোৱা জ্যোতিপ্ৰসাদে ক্ষোভ আৰু উষ্মাৰে কৈছিল: "আমি কাৰ্পেট এৰি ঘাঁহনিলৈ নামিছোঁ আৰু তোমালোকে ঘাঁহনিৰ পৰা কাৰ্পেটলৈ উঠিবলৈহে শিকিছা।" অভিজাত শ্ৰেণীৰ সুখ স্বাচ্ছন্দ্য আৰু মান-সন্মানৰ আচল স্বৰূপ জ্যোতিপ্ৰসাদে হয়তো বেদনাময় ব্যক্তিগত অভিজ্ঞতাৰে বুজি পাইছিল। জ্যোতিপ্ৰসাদৰ তাহানি দিনৰ সহকৰ্মী দুই এজনে ঘুনুকঘানাককৈ কোৱা শুনো যে যৌৱন কালত চাহবাগানৰ বনুৱাগাভৰু এগৰাকীৰ প্ৰতি আকৃষ্ট হৈ তেওঁ তেওঁকে বিয়া কৰোৱাৰ সংকল্প কৰিছিল আৰু তাৰ বাবে অভিজাত পৰিয়ালৰ প্ৰচণ্ড বাধা বিদ্ৰূপ আৰু অভিমানৰ সন্মুখীন হৈছিল। শেষত হেনো বনুৱাগাভৰু গৰাকীয়ে অভিজাত পৰিয়ালৰ হেঁচাত জ্যোতিপ্ৰসাদক এৰি যাবলৈ বাধ্য হয়। "কাৰেঙৰ লিগিৰী"ৰ শেৱালীৰ আত্মত্যাগৰ উৎস হেনো এই ঘটনাটোৱেই। যৌৱনৰ উত্তাল আবেগৰে এই কৰুণ অভিজ্ঞতা অভিষিক্ত কৰি জ্যোতিপ্ৰসাদে "কাৰেঙৰ লিগিৰী" নাটখনি ৰচনা কৰিছিল।

কিন্তু জ্যোতিপ্ৰসাদৰ কল্পনা আৰু ধীশক্তিয়ে তাক সংকীৰ্ণ ব্যক্তিগত পৰিসীমাৰ পৰা আঁতৰাই নি এক বিশ্বজনীন পৰিমণ্ডলত প্ৰতিষ্ঠা কৰিলে। ফলত তাৰ মাজত ইতিহাসৰ নিগূঢ় গতিপথৰ সন্ধান পোৱা যায়। "কাৰেঙৰ লিগিৰী"ৰ নায়ক সুন্দৰ কোঁৱৰ বিদ্ৰোহী চৰিত্ৰ নে? তেওঁৰ মনত সামন্তবাদী আভিজাত্যবোধ আৰু বাধ্যবাধকতা কবাজ মাৰি ধৰি আছে। সেয়ে শেৱালীৰ প্ৰতি তেওঁৰ গভীৰ আসক্তি প্ৰবল অহমিকা আৰু জেদৰে তেওঁ অস্বীকাৰ কৰিছে। সামন্তবাদী সমাজৰ বিৰুদ্ধে তেওঁৰ বিদ্ৰোহ সম্পূৰ্ণ আৰু বিশুদ্ধ হ'লহেঁতেন যদি তেওঁ এই ব্যক্তিগত প্ৰেমৰ প্ৰেৰণাক স্বীকৃতি দিলেহেঁতেন। তেওঁৰ বিদ্ৰোহত সেয়ে এটা ভেঁজাল আছে—সি সম্পূৰ্ণ সচেতন নহয়—বহুদূৰ সি সমাজৰ বিৰুদ্ধে ব্যক্তিগত আক্ৰোশ আৰু ক্ষোভৰ প্ৰকাশ। এহাতে ই যেনেকৈ আত্মকেন্দ্ৰিক আনহাতে ধ্বংসমুখী —সৃষ্টিৰ সপোন ইয়াত যেন অনুপস্থিত।

কিন্তু সুন্দৰ কোঁৱৰ জ্যোতিপ্ৰসাদৰ সম্পূৰ্ণ প্ৰতিভূ নহয়। মহৎ জনোচিত বাৎসল্যৰে তেওঁৰ বিবাহিতা স্ত্ৰী কাঞ্চনমতীয়ে যি ধৰণে তেওঁৰ লগত কথাবতৰা হৈছে তাৰ পৰাই বুজিব পাৰি যে সুন্দৰ কোঁৱৰৰ বিচাৰহীন আবেগক নাট্যকাৰে নিঃসংকোচ সন্মান দিয়া নাই। কিন্তু সুন্দৰ

কৌৰৱৰ আবেগ নাটকৰ ঘটনাৱলীৰ মূল চালিকাশক্তি। তেওঁৰ ব্যক্তিগত আবেগ সামন্তবাদী ভাবধাৰা আৰু নীতি-নিয়মৰ বিৰুদ্ধে এটি দুৰ্দমনীয় প্ৰত্যাহ্বান। নায়কৰ সচেতন মনে এই আবেগৰ প্ৰকৃত লক্ষ্য আৰু উপজীব্য বুজিব পৰা নাই, শেৱালীৰ প্ৰতি তেওঁৰ আসক্তিয়েই তেওঁৰ বিপুল আৰু প্ৰচণ্ড বিদ্ৰোহৰ প্ৰাণশক্তি বুলি তেওঁ নিজেই নাজানে। কিন্তু সামাজিক পৰিবৰ্তনৰ ভঙাগঢ়া এনেকৈয়ে হয়। যি আবেগ ৰূপান্তৰৰ শক্তি, সি ব্যক্তিৰ সচেতন মনৰ সৃষ্টি নহয়, সি ব্যক্তিৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত নিৰ্ভৰশীল নহয়। এনেকৈয়ে সুন্দৰ কৌৰৱৰ চৰিত্ৰৰ কল্পনাত জ্যোতি-প্ৰসাদে তেওঁৰ ঐতিহাসিক অন্তদৃষ্টি আৰু জটিল, দ্বান্দ্বিকবোধ প্ৰকাশ কৰিছে। কিছুমান সমালোচকে এই কথা সুঁৱৰি মিছাতে "কাৰেঙৰ লিগিৰী"ক সবল আৰু অপৈণত আখ্যা দিছে।

কিন্তু সুন্দৰ কৌৰৱৰ বিদ্ৰোহত বিপ্লৱৰ যিটো দিশ অনুপস্থিত, অনস্বীকৃত—সৃষ্টিৰ প্ৰেৰণা, প্ৰেমৰ অকুণ্ঠ আত্মসমৰ্পণ, নম্ৰতা—সেই দিশটো আমি বিচাৰি পাওঁ শেৱালীৰ আত্মত্যাগত। সুন্দৰ কৌৰৱত আছে বিদ্ৰোহৰ তেজ, বলিষ্ঠতা, আপোচহীন ঋজুতা—আছে অহংকাৰ। কিন্তু এই অহংকাৰ আত্মকেন্দ্ৰিক, অন্ধ, কেৱল ধ্বংসমুখী। আনহাতে অৱদমিত জনগণৰ প্ৰতিনিধি শেৱালীৰ চৰিত্ৰৰ বৈশিষ্ট্য যেন দুখৰ সন্মুখত অসীম সহিষ্ণুতা আৰু নম্ৰতা। অহংবোধ নথকা বাবে শেৱালীয়ে নিজৰ অন্তৰৰ আবেগ শুদ্ধকৈ উপলব্ধি কৰিছে আৰু নিজকে তাত সঁপি দিব পাৰিছে। প্ৰেমৰ চৰম মূল্য দিবলৈ প্ৰস্তুত শেৱালীয়ে সুন্দৰ কৌৰৱৰ আত্মপ্ৰতাৰণাৰ প্ৰাচীৰ বিধ্বস্ত কৰি সামন্তবাদৰ শেষ দুৰ্গ জয় কৰিছে। জ্যোতিপ্ৰসাদে তেওঁৰ "শিল্পীৰ পৃথিৱী"ত যি "নিৰীহ জনতা"ৰ কথা কৈছে—"যি শতাব্দী শতাব্দী ধৰি বলীৰ, অত্যাচাৰীৰ, ছলাহীৰ, সকলোৰেই উৎপাত মূৰ পাতি, নিজৰ চকুপানী নিজেই মচি, নিজৰ দুখৰ সাধুটো নিজেই বুকুত সাঁচি নিৰীহভাবে সকলো সহ্য কৰিছে"—শেৱালী যেন সেই নিৰীহ জনতাৰ প্ৰতীক, ইতিহাসৰ শীৰ্ষবিন্দুত যাৰ বিজয়গৌৰৱ অৱশ্যম্ভাৱী।

বিশ্বমানৱৰ ঐতিহাসিক নাটৰ শেষ অংকৰ মৰ্মবস্তু জনগণৰ মুক্তি আৰু প্ৰতিষ্ঠা। বিশ্বইতিহাসৰ ছন্দই এই মহান ভূমিকাৰ বাবে প্ৰস্তুত কৰিছে জনগণক। কোনো অৱতাৰৰ সহায়ত নহয়, জনগণে নিজেই নিজৰ মুক্তি আনিবলৈ সংকল্প কৰিছে, সাধনা কৰিছে। লখিতা এই পৰ্যায়ৰ প্ৰতিনিধি।

সেয়ে শেৱালীৰ তুলনাত লভিতা অধিক তেজস্বী আৰু বলিষ্ঠ চৰিত্ৰ। আজলী আৰু নিৰীহ হ'লেও লভিতাৰ চৰিত্ৰৰ তেজস্বিতা জনগণৰ মুক্তিসংগ্ৰামত জ্যোতিপ্ৰসাদৰ গভীৰ আস্থাৰ প্ৰমাণ।

“লভিতা” নাটকৰ বিষয়বস্তু প্ৰেম নহয়—ইতিহাসৰ আহ্বানত “নিমাতী কইনা” জনগণৰ অভূতপূৰ্ব সঁহাৰি। আন দহজনী গাভৰুৰ দৰে লভিতাৰ জীৱনলৈকো প্ৰেম আহিছিল, কিন্তু স্থবিৰ সামন্তবাদী পৰিবেশত সামন্তবাদী নীতি-নিয়মৰ হেঁচাই সেই প্ৰেমৰ জীৱনীশক্তি হৰণ কৰি তাক পংগু কৰিছে। সেই নীতি-নিয়মৰ ওচৰত মুৰ দোঁওৱা গোলাপৰ প্ৰেম বিতৃষ্ণাৰে বৰ্জন কৰিছে লভিতাই। লভিতাৰ মাজত সত্যৰ প্ৰতি এক পবিত্ৰ নিষ্ঠা আছে, যাৰ ফলত তেওঁৰ ব্যক্তিত্বত জুইৰ ফিৰিঙটিৰ দৰে জিলিকি আছে এক আপোচহীন মনোভাৱ। ইয়াৰ বলতে সাতামপুৰুষীয়া হিন্দু-মুছলমান বিভেদ হেলাৰঙে নেওচিব পৰিছে, গাৱঁৰ জীয়ৰী হৈও পৈতৃক মাটিভেটিৰ পৰা যেতিয়া সাম্ৰাজ্যবাদী সৈন্যবাহিনীয়ে লভিতাক সপৰিয়ালে উচ্ছেদ কৰিবলৈ আহিছে তেতিয়া ৰণচণ্ডী মূৰ্তি ধৰি সাম্ৰাজ্যবাদী ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰতিনিধিৰ কলিজা কঁপাই দিছে লভিতাই। এনেকৈয়ে চল্লিশৰ সংকট মুহূৰ্তত অসম তথা ভাৰতৰ জনতাই নিজকে আবিষ্কাৰ কৰিছে, অৰ্জন কৰিছে আত্মবিশ্বাস আৰু দৃঢ়তা। দুখ-কষ্ট, নিৰ্যাতন-নিষ্পেষণে জনগণৰ প্ৰতিনিধি লভিতাক নিঃশেষ কৰিব পৰা নাই, বৰং তেওঁৰ চৰিত্ৰৰ মৌলিক শৌৰ্য্য আৰু বীৰত্ব, সাহস আৰু দৃঢ়তা যেন ফুটাই তুলিছে।

পটভূমিত যোৰা মহাযুদ্ধই যেনেকৈ এহাতে ইতিহাসৰ বিপৰ্যয় আৰু নবোন্মেষৰ মুহূৰ্ত প্ৰকাশ কৰিছে, আনহাতে তেনেকৈ গান্ধীজীৰ আন্দোলন, কমিউনিষ্টসকলৰ প্ৰচাৰ আৰু আজাদ হিন্দ ফৌজৰ অভিযানে এই প্ৰত্যাহ্বানৰ প্ৰতি ভাৰতীয় জনগণৰ প্ৰতিক্ৰিয়া মূৰ্ত কৰি তুলিছে। জনগণ যেহেতু এটাই কেইটা ধাৰাতে সক্ৰিয়, জ্যোতিপ্ৰসাদে এটা ধাৰাকো উপেক্ষা কৰা নাই। কিন্তু লভিতা যে শেষপৰ্যন্ত সশস্ত্ৰ মুক্তিযুদ্ধৰ সক্ৰিয় কৰ্মী হৈ পৰিছে এইটো এটা তাৎপৰ্য্যপূৰ্ণ পৰিণতি।

# ৰবীন্দ্ৰনাথৰ ৰুছিয়া

"তা হোক, আপাতত রাশিয়ায় এসেছি—না এলে এজন্মের তীর্থদর্শন অত্যন্ত অসমাপ্ত থাকত।"

: রাশিয়ার চিঠি

ৰুছবিপ্লৱৰ ঠিক পিছতেই লে'নিনে কৈছিল যে হয়তো পৃথিবীত সমাজবাদ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত য়ুৰোপৰ অগ্ৰসৰ দেশবোৰতকৈ এচিয়াৰ "অনগ্ৰসৰ" জনগণেই অধিক তৎপৰতা আৰু নিষ্ঠা দেখুৱাব। পুঁজিবাদ সাম্ৰাজ্যবাদত পৰিণত হোৱাৰ লগে লগে অনগ্ৰসৰ দেশসমূহক পাশৱিক বল বা কৌশলেৰে উপনিবেশত পৰিণত কৰিলে সাম্ৰাজ্যবাদী দেশবোৰে। ঔপনিবেশিক শোষণৰ এভাগ শ্ৰমিক শ্ৰেণীৰ মজুৰিত সুমুৱাই দি শ্ৰমিক শ্ৰেণীক প্ৰলুব্ধ আৰু ভ্ৰষ্ট কৰিবলৈ চেষ্টা কৰিলে সাম্ৰাজ্যবাদী মহলে। এই কৌশলে কাম নিদিয়াকৈ নাথাকিল; ফলত শিল্পপ্ৰধান দেশবোৰৰ শ্ৰমিকসকলে ঔপনিবেশিক ভূখণ্ডৰ জনগণৰ আৰ্থিক দুৰ্দশা আৰু ৰাজনৈতিক পৰাধীনতা দেখিও নেদেখা হৈ থাকিল। বৰং ইংলেণ্ডৰ Labour Party আদি সংশোধনবাদী শ্ৰমিক সংগঠনসমূহে ভাৰত প্ৰমুখ্যে উপনিবেশবোৰৰ শোষিত জনসাধাৰণৰ আন্দোলনসমূহ বিপথে নিবলৈহে চেষ্টা কৰা দেখা গ'ল। কিন্তু লগে লগে এই কথাও স্পষ্ট হৈ পৰিল যে ঔপনিবেশিক দেশসমূহৰ জনসাধাৰণে নিজেই নিজৰ স্বাধীনতা আৰু মুক্তিৰ বাটকটীয়া হ'ব লাগিব।

ৰুছবিপ্লৱৰ পিছত গঠিত হোৱা নতুন আন্তৰ্জাতিক শ্ৰমিক সংগঠন কমিণ্টাৰ্ণে এই কথাকে প্ৰচাৰ কৰিলে বিশেষ গুৰুত্বৰে। চীনৰ বিৰাট গণতান্ত্ৰিক বিপ্লৱত সহায় কৰাৰ উপৰিও দিহা-পৰামৰ্শ দিবলৈ কমিণ্টাৰ্ণৰ

প্ৰতিনিধি গ'ল। ভাৰততো কমিণ্টাৰ্ণৰ নিৰ্দেশমতে বিপ্লৱৰ ভিত্তি ৰচনাৰ যো-জা চলিল। সাম্ৰাজ্যবাদৰ বিৰুদ্ধে এনেকৈয়ে শিল্পপ্ৰধান দেশৰ সচেতন শ্ৰমিক, নতুন সমাজবাদী ৰাষ্ট্ৰ, আৰু নিৰ্যাতিত নিষ্পেষিত ঔপনিবেশিক জনতা একত্ৰিত হোৱাৰ সুযোগ ওলাল। এই ঐক্য আছিল ইতিহাসৰ বিধান।

আচৰিত নহয় যে ঔপনিবেশিক দেশৰ দেশপ্ৰেমিক নেতাসকল ৰুছদেশৰ প্ৰতি আকৃষ্ট হৈছিল। সাম্ৰাজ্যবাদী দেশবোৰৰ মানৱতাবাদী বুৰ্জোৱা নেতা-সকলে ঔপনিবেশিক জনতাৰ বাবে দেখুৱা দৰদ যে আন্তৰিক নহয়, বৰং ঔপনিবেশিক গোলামি আৰু দীঘলীয়া কৰা কৌশলহে, সেইটো আগে নুবুজিলেও প্ৰকৃত দেশপ্ৰেমিকসকলে বুজিছিল। ৰবীন্দ্ৰনাথৰ ক্ষেত্ৰতো ক্ৰমে এই উপলব্ধি গভীৰ হৈছিল। এটা সময়ত তেওঁ পশ্চিমৰ সভ্যতা মুগ্ধনেত্ৰে অৱলোকন কৰিছিল, "পশ্চিম আজ খুলিয়াছে দ্বাৰ" আদি উক্তিৰে সেই সভ্যতাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছিল। ব্ৰিটিছ শাসনৰ বিৰুদ্ধে চৰমপন্থী সন্ত্ৰাসৰ প্ৰতি তেওঁ এসময়ত প্ৰকাশ কৰিছিল বিতৃষ্ণা। কিন্তু অৱশেষত সেই সভ্যতাৰ অন্তৰালত থকা বৰ্বৰতা তেওঁৰ চকুত স্পষ্ট হৈ পৰিছিল আৰু তাক তীব্ৰ ভাষাত গৰিহণা দিছিল তেওঁ। ( ৰবীন্দ্ৰ ৰচনাৱলী, ২৪ খণ্ড দ্ৰষ্টব্য )

সামন্তযুগীয় বিধিবিধান, বাধানিষেধৰ সংকীৰ্ণতা আৰু বিচ্ছিন্নতাই বুৰ্জোৱা যুগৰ আবিষ্কাৰ মানৱতাবোধক হেঁচা মাৰি ধৰি আছিল, কুসংস্কাৰ আৰু অন্ধ বিশ্বাসে যুক্তিৰ প্ৰভাৱ খৰ্ব কৰিছিল—সনাতন ভাৰতৰ বিৰুদ্ধে ৰবীন্দ্ৰ-নাথৰ এয়েই আছিল সুচিন্তিত অভিযোগ। য়ুৰোপৰ সংস্ৰৱে সনাতন ভাৰতৰ এই দুই দোষ খণ্ডন কৰিলে বুলি তেওঁ ভাবিছিল।

: "য়ুরোপের সংস্রব একদিকে আমাদের সামনে এনেছে বিশ্ব প্রকৃতিতে কার্যকারণবিধির সার্বভৌমিকতা, আর-একদিকে ন্যায়-অন্যায়ের সেই বিশুদ্ধ আদর্শ যা কোনো শাস্ত্রবাক্যের নির্দেশে কোনো চিরপ্রচলিত প্রথার সীমাবেষ্টনে, কোনো বিশেষ শ্রেণীর বিশেষ বিধিতে খণ্ডিত হতে পারে না"

( রবীন্দ্র রচনাবলী, ২৪, পৃঃ ২৪৭ )

* * *

"কোন যুগ থেকে সহসা কোন যুগান্তরে এসেছি। মানুষের মূল্য, মানুষের শ্রেষ্ঠতা হঠাৎ এত আশ্চর্য বড়ো হয়ে দেখা দিল কোন শিক্ষায়!"

( ঐ পৃঃ ২৪৮ )

কিন্তু এই সাৰ্বভৌম মুক্তি আৰু ন্যায়ৰ আদৰ্শৰ মান এটা পৰিচয় পোৱা গৈছে ভাৰতৰ ব্ৰিটিছ শাসনত। তাৰ ব্যৱহাৰ হৈছে প্ৰকৃততে শোষণ, দমন, অমানৱিকতাৰ মুখা হিচাবে :

"আজ ইংরেজ শাসনের প্রধান গর্ব ল এবং অর্ডর, বিধি এবং ব্যবস্থা নিয়ে। এই সুবৃহৎ দেশে শিক্ষার বিধান, স্বাস্থ্যের বিধান অতি অকিঞ্চিৎকর, দেশের লোকের দ্বারা নব নব পথে ধন উৎপাদনের সুযোগ সাধন কিছুই নেই···দেশের সম্বল সমস্তই তলিয়ে গেল ল এবং অর্ডরের প্রকাণ্ড কবলের মধ্যে।" (ঐ, পৃঃ ২৪৯)

বুৰ্জোৱা ইংলেণ্ড সাম্ৰাজ্যবাদী ইংলেণ্ডত পৰিণত হোৱাৰ পিচত তাৰ মানৱতাবাদৰ যি সামান্য আংশিক আন্তৰিকতা আছিল সেইকণো ক্ৰমে নিঃশেষ হ'ল। সভ্যতাৰ দৰবাৰ পতা হ'ল কেৱল মুষ্টিমেয় এছিয়াবাসীৰ ওপৰত চলা অসভ্য শোষণ-দমন ঢাকিবৰ বাবে। য়ুৰোপ সম্বন্ধে চৰম মোহভংগৰ আবেগেৰে ৰবীন্দ্ৰনাথে মন্তব্য কৰিলে :

"ক্রমে ক্রমে দেখা গেল য়ুরোপের বাহিরে অনাত্মীয়মণ্ডলে য়ুরোপীয় সভ্যতার মশালটি আলো দেখাবার জন্য নয়, আগুন লাগাবার জন্যে।"

(ঐ পৃঃ ১৫০)

সামন্তবাদী অতীত আৰু ঐতিহ্যৰ প্ৰতি ৰবীন্দ্ৰনাথৰ কিছু ভাবালু মোহ থাকিলেও তেওঁ স্পষ্টকৈ বুজিছিল যে ভাৰতৰ নৱজন্ম সেই ঐতিহ্যৰ মাজত আৰু হ'ব নোৱাৰে। এসময়ত আৰু বহু দেশপ্ৰেমিক ভাৰতীয়ৰ দৰে তেওঁ য়ুৰোপৰ বুৰ্জোৱা আদৰ্শ আৰু ভাবধাৰাৰ পৰাই দেশৰ এই নৱজাগৰণ সম্ভৱ হ'ব বুলি ভাবিছিল। কিন্তু য়ুৰোপৰ সাম্ৰাজ্যবাদী ভূমিকা তেওঁৰ দৃষ্টিত স্পষ্ট হৈ পৰাৰ পিচত সেই সম্ভাৱনা সম্পৰ্কে তেওঁ হতাশ হৈ পৰিছিল। আৰু তেনে সময়তে ৰুছদেশত সমাজবাদ গঠনৰ প্ৰচেষ্টাই ভাৰতীয় জনগণৰ উত্তৰণ আৰু অগ্ৰগতিৰ এক নতুন পথৰ বাৰ্তা তেওঁৰ ওচৰলৈ বৈ আনিলে।

ৰুছদেশত যি নতুন সমাজ আৰু সভ্যতাৰ ভিত্তি ৰচনা হৈছিল তাৰ লগত বুৰ্জোৱা য়ুৰোপৰ ভাবধাৰাৰ একধৰণৰ সম্পৰ্ক নোহোৱা নহয়—কিন্তু বুৰ্জোৱা য়ুৰোপৰ ভাবধাৰা অতিক্ৰম কৰি সি এক নতুন পৰ্যায়ত উপনীত হৈছিল। সামন্তবাদী অতীতৰ লগত সন্ধি নকৰাকৈ, অথচ সাম্ৰাজ্যবাদী মাৰণাস্ত্ৰৰ আলিংগণ এৰাই মানৱজাতিয়ে যে এটা নতুন বাটেদি উজ্জ্বল ভৱিষ্যতৰ পিনে যাত্ৰা কৰিব পাৰে, ৰুছ দেশৰ নতুন সমাজ আছিল তাৰেই প্ৰতিশ্ৰুতি।

আচৰিত নহয় যে ৰবীন্দ্ৰনাথে গভীৰ আগ্ৰহ আৰু প্ৰত্যাশাৰে ৰুছদেশলৈ যাত্ৰা কৰিছিল।

ৰবীন্দ্ৰনাথক প্ৰতিক্ৰিয়াৰ পূজাৰী হিচাবে দেখুৱাবলৈ আজি শাসকমহল আৰু অতিবিপ্লৱীচক্ৰ দুয়ো শিবিৰতে আয়োজন চলিছে। দুয়ো শিবিৰৰ বুদ্ধিজীৱীৰ মতে ৰবীন্দ্ৰনাথ মোহান্ধ জাতীয়তাবাদ, বুৰ্জোৱা মানৱতাবাদ আৰু ভাবালু আধ্যাত্মিক সংহতিৰ প্ৰবক্তা মাত্ৰ—এটা শিবিৰৰ মতে সেয়ে ৰবীন্দ্ৰনাথৰ মহত্ব, আনটোৰ মতে সি তেওঁৰ তুচ্ছতাৰ প্ৰমাণ। কিন্তু ৰবীন্দ্ৰ প্ৰতিভাৰ যে আন এটা পৰিচয়ো থাকিব পাৰে সেই বিষয়ে দুয়োপক্ষ নিমাত।

বুৰ্জোৱা য়ুৰোপৰ প্ৰতি গান্ধীজীৰো মোহভংগ হৈছিল। প্ৰথম মহাযুদ্ধত ব্ৰিটিছ সৈন্যবাহিনীৰ বাবে মানুহ যোগাৰ কৰি ফুৰা গান্ধীজীয়েও পিচত তিক্ত বিতৃষ্ণাৰে ব্ৰিটিছ শাসনক "ছয়তানী আমোল" ( Satanic regime ) বুলি গৰিহণা দিব লগা হ'ল। কিন্তু গান্ধীজীয়ে এই আবিষ্কাৰৰ ফলত সামন্তবাদী অতীতকহে আৰু জোৰেৰে সাৱটি ধৰিলে। কোনোদিনেই তেওঁৰ মনত নেখেলালে যে ক্ষয়িষ্ণু বুৰ্জোৱা য়ুৰোপৰ বাহিৰত মানুহৰ মুক্তিৰ নতুন পথ নিৰ্মিত হব পাৰে। ৰুছদেশক ভালদৰে জনাৰ সুযোগ তেওঁৰ ক্ষেত্ৰত প্ৰচুৰ আছিল, কিন্তু সেই সুযোগ হেলাৰঙে নেওচা দি তেওঁ চোবিয়েট ৰুছিয়াৰ বিৰুদ্ধে বিষোদ্গাৰ কৰিলে। তুলনা কৰি চালে চোবিয়েট ৰুছিয়াৰ প্ৰতি ৰবীন্দ্ৰনাথৰ মনোভাব বহু বেছি সহানুভূতিশীল, শ্ৰদ্ধাশীল আৰু বাস্তববাদী যেন লাগে। তেওঁৰ চিন্তাৰ গতি মূলতঃ প্ৰগতিশীল নহলে চোবিয়েট ৰুছিয়াৰ এই তাৎপৰ্য্য তেওঁ হৃদয়ংগম কৰিব নোৱাৰিলেহেঁতেন।

চোবিয়েট ৰুছিয়াত পৰ্য্যটক ৰবীন্দ্ৰনাথে প্ৰতি পদে পদে স্বদেশ আৰু স্বদেশবাসীক স্মৰণ কৰিছে। Times Literary Supplement ত এজন ব্ৰিটিছ ভদ্ৰলোকে ভাৰতৰ দাৰিদ্ৰ্যৰ কাৰণ নিৰ্ণয় কৰিছে জনসংখ্যা বৃদ্ধি। সাম্ৰাজ্যবাদী শোষণ ঢাকি ধৰিবলৈকে যে এনে যুক্তি দিয়া হৈছে ৰবীন্দ্ৰনাথে সেই কথা বুজিছে। এই সম্পৰ্কে তেওঁৰ মন্তব্য তাৎপৰ্য্যপূৰ্ণ :

"শুনতে পাই, ইংলণ্ডে ১৮৭১ খৃঃ থেকে ১৯২১ খৃঃ মধ্যে শতকরা ৫৬ সংখ্যা হারে প্রজাবৃদ্ধি হচ্ছে। ভারতবর্ষে পঞ্চাশ বছরের প্রজাবৃদ্ধির হার শতকরা ৩৩। তবে এক যাত্রায় পৃথক ফল হল কেন।"

( ৰবীন্দ্ৰ ৰচনাৱলী, পৃঃ ৩৩৫ )

মন কৰিবলগীয়া কথা এয়ে যে আজিও এনে সাম্ৰাজ্যবাদী তত্ত্বৰ প্ৰতি মোহ আমাৰ অৰ্থনীতিবিদসকলৰ মাজত ৰৈ গৈছে। অথচ ১৯৩০ চনতে ৰবীন্দ্ৰনাথে তাৰ যথাযোগ্য প্ৰত্যুত্তৰ দিছিল। সাম্ৰাজ্যবাদী শোষণ আৰু অত্যাচাৰ পৰিসংখ্যাগত প্ৰমাণলৈ তেওঁ আঙুলিয়াই দিছে :

“সাইমন কমিশন কি সংখ্যাতথ্যযোগে দেখিয়েছেন, পুলিসের ডাণ্ডা জোগাতে ব্রিটিশরাজ যে খরচ করে থাকেন তার তুলনায় দেশকে শিক্ষিত করতে এই সুদীর্ঘকাল কত খরচ করা হয়েছে।” ( ঐ, পৃঃ ৩৩১ )

এই চিন্তা আৰু উপলব্ধিৰে ৰবীন্দ্ৰনাথে চোভিয়েট ৰুছিয়াৰ সমাজ আৰু সভ্যতা নিৰীক্ষণ কৰিলে আৰু তাৰ মূল্যায়ন কৰিলে। এই নতুন সমাজ আৰু সভ্যতা যেন সপোন দিঠক হোৱাৰ দৰে অভাৱনীয় :

“রাশিয়ায় অবশেষে আসা গেল। যা দেখছি আশ্চর্য ঠেকছে। অন্য কোনো দেশের মতোই নয়। একেবারে মূলে প্রভেদ। আগাগোড়া সকল মানুষকেই এরা সমান করে জাগিয়ে তুলছে।” ( ঐ, পৃঃ ২৭৩ )

লগে লগেই তেওঁৰ চকুত ভাহি উঠিছে অন্য এখন ছবি—য'ত বঞ্চনা আৰু অভাৱ, শোষণ আৰু দমনেই প্ৰধান বৈশিষ্ট্য।

: “ভেবে দেখোনা, নিরন্ন ভারতবর্ষের অন্নে ইংলণ্ড পরিপুষ্ট হয়েছে। ইংলণ্ডের অনেক লোকেরই মনের ভাব এই যে ইংলণ্ডকে চিরদিন পোষণ করাই ভারতবর্ষের সার্থকতা। একশো বছর হয়ে গেল, না পেলুম শিক্ষা, না পেলুম স্বাস্থ্য, না পেলুম সম্পদ।” ( ঐ, পৃঃ ২৭৪ )

কিন্তু চোভিয়েট ৰুছিয়াৰ এই অসাধ্যসাধন সম্ভৱ হৈছে শ্ৰেণীহীন সমাজৰ পথা, সমাজবাদী আদৰ্শৰ পথা। এই শ্ৰেণীহীন সমাজৰ ধাৰণাটো আগতে তেওঁৰ মনলৈ অহা নাছিল। মুক্তকণ্ঠে তেওঁ স্বীকাৰ কৰিছে যে তেওঁ ইতিপূৰ্বে ভাবিছিল যে জীৱিকানিৰ্বাহেই মানুহৰ মনুষ্যত্ব নহয়, যে মানুহৰ মনুষ্যত্বৰ পৰিচয় হ'ল সভ্যতা। এই সভ্যতা যাতে এমুঠি মানুহে ধাৰণ কৰিব পাৰে তাৰ বাবে অগণন মানুহে বঞ্চনা আৰু অভাৱত জৰ্জৰিত হৈ পৰিশ্ৰম কৰিবলৈ বাধ্য—এয়ে আছিল তেওঁৰ ধাৰণা। কিন্তু ৰুছিয়ালৈ আহি তেওঁ দেখিলে যে সেই “সত্য” আৰু “সত্য” হৈ থকা নাই, বাস্তৱৰ আঘাতে তাক ধূলিসাৎ কৰি দিছে।

সনাতন বা পৰম্পৰাগত ধ্যান ধাৰণাক অৱহেলাৰে প্ৰত্যাহ্বান কৰিছে, টলিকিতে উৰাই দিছে এই অত্যাশ্চৰ্য্য নতুন দেশখনে।

: "...সর্বপ্রথমেই মনে হয়, কী অসম্ভব সাহস। সনাতন বলে পদার্থটা মানুষের অস্থিমজ্জায় মনেপ্রাণে হাজারখানা হয়ে আঁকড়ে আছে, তার কতদিকে কত মহল, কত দরজায় কত পাহারা...এরা তাকে একেবারে জটে ধরে টান মেরেছে ; ভয়ভাবনা সংশয় কিছু মনে নেই।"

(ঐ, পৃঃ ২৭৮)

ৰুছিয়াৰ বিশেষ আবেদনৰ ৰহস্য উদ্ঘাটিত হৈছে এনে এটা মন্তব্যত:

"ওরা (বলশেভিকরা) শক্তিশালীর শক্তিকে, ধনশালীর ধনকে বিপর্যস্ত করে দিতে চায়, তাতে আমরা ভয় করব কিসের, রাগই করব বা কেন। আমাদের শক্তিই বা কী, ধনই বা কত। আমরা তো জগতের নিরন্ন নিঃসহায়দের দলের।" (ঐ, পৃঃ ২৮১)

ৰবীন্দ্ৰনাথে চোবিয়েট ৰুছিয়াতে স্বচক্ষে উপলব্ধি কৰিলে জনগণৰ শক্তি। জমিদাৰৰ দৃষ্টিত যিসকল মানুহ ছুৰ্ভগীয়া, দলিত, পিষ্ট, পুতৌৰ পাত্ৰ, ৰুছদেশৰ নতুন সভ্যতাৰ যাদুকৰ স্ৰষ্টা সেইসকল মানুহেই।

: "নিজের দেশের চাষীদের মজুরদের কথা মনে পড়ল। মনে হল, আরব্য উপন্যাসের যাদুকরের কীর্তি। বছর দশেক আগেই এরা ঠিক আমাদেরই দেশের জনমজুরদের মতোই নিরক্ষর, নিঃসহায় নিরন্ন ছিল, তাদেরই মতো অন্ধ সংস্কার এবং মূঢ় ধার্মিকতা।" (পৃঃ ২৮৮)

জনগণৰ মুক্তিয়েই এই অসাধ্যসাধনৰ যাদুমন্ত্ৰ। "এরা স্ববশ, এদের হাতহাতীয়ায় স্ববশ।" "চোখে দেখলুম—এও দেখতে পেলুম, এদের রাষ্ট্রে জাতিবর্ণবিচার একটুও নেই।" (পৃঃ ২৯৬) পিছপৰা জাতিসমূহকো কিদৰে বৈষয়িক উন্নতি আৰু মানসিক প্ৰেৰণাৰে ইতিহাসৰ মঞ্চলৈ আনিব পাৰি তাৰ প্ৰত্যক্ষ প্ৰমাণ পালে চোবিয়েট ৰুছিয়াত। দেখিলে যে ভাৰতৰ দৰে ধৰ্মীয় বিদ্বেষ আৰু বিভেদ তাত নাই—মুক্ত জনগণে তাৰ বীজ নিৰ্মূল কৰিছে। মানৱ সমাজৰ অধিকাংশ লোক শিক্ষাৰ পৰা বঞ্চিত, কিন্তু চোবিয়েট ৰুছিয়াত শিক্ষাৰ দ্ৰুত ব্যাপ্তি আৰু প্ৰসাৰত তেওঁ মুগ্ধ হৈছে।

(পৃঃ ২৭৪)

সন্দেহ নাই, ৰবীন্দ্ৰনাথৰ মন ভাববাদী সংস্কাৰৰ পৰা সম্পূৰ্ণ মুক্ত নাছিল। চোবিয়েট ৰুছিয়াত ব্যক্তিস্বাতন্ত্ৰ্যৰ দশা সম্পৰ্কে ছুই এবাৰ তেওঁ চিন্তিত হৈছে। যি সহিংস বিপ্লৱৰ সহায়ত ৰুছিয়াৰ জনগণে এই সুযোগ লাভ কৰিলে সেই সম্পৰ্কে তেওঁ আচৰিত ধৰণে নীৰৱ। শিক্ষাৰ ওপৰত

তেওঁ যিমান গুৰুত্ব দিছে, অৰ্থনীতিৰ ওপৰত সিমান গুৰুত্ব দিয়া নাই। তথাপি দেখা গৈছে চোভিয়েট ৰুছিয়াৰ মূল তাৎপৰ্য্য আৰু ভাৰতৰ বাবে তাৰ শিক্ষা অনুধাৱন কৰাত তেওঁৰ বেছি ভুল হোৱা নাই।

সকলোতকৈ আচৰিত আৰু আকৰ্ষণীয় কথা হ'ল এয়ে যে য়ুৰোপৰ বুৰ্জোৱা বুদ্ধিজীৱী মহল যেতিয়া ৰুছদেশৰ একনায়কতন্ত্ৰক আক্ৰমণ কৰাত ব্যস্ত তেতিয়া ৰবীন্দ্ৰনাথে লেখিছিল :

"ৰাশিয়াতেও সম্প্ৰতি নায়কেৰ প্ৰবল শাসন দেখা গেল। কিন্তু এই শাসন নিজেকে চিৰস্থায়ী কৰাৰ পন্থা নেয়নি···বৰ্তমান আমলে ৰাশিয়াৰ শাসনদণ্ড নিশ্চল আছে বলে মনে কৰিনে, কিন্তু তাৰ শিক্ষাপ্ৰচাৰেৰ প্ৰবণতা অসাধাৰণ। তাৰ কাৰণ এৰ মধ্যে ব্যক্তিগত ব দলগত ক্ষমতালিপ্সা বা অৰ্থলোভ নেই।" (ঐ, পৃঃ ৩৪২)

# পাব্‌ল' নে'ৰুডা আৰু কবিতাৰ স্বৰূপ

আমি এতিয়া যিবোৰ কবিতা লিখি আছোঁ, সেইবোৰ চুৰি! পাশ্চাত্যৰ মানসিকতা আৰু কাব্যিক ঐতিহ্যৰ পৰা চুৰি। নিজৰ কৰি লব পৰা হ'লে চুৰি শব্দটো ব্যৱহাৰ নকৰিলোঁহেঁতেন। কথাটো নুবুজা বাবেই মস্কিল হৈছে।

অৱশ্যে আমাৰ সমালোচক চোৰ ধৰিবলৈ সদায় হেণ্ড্‌কাফ্‌লৈ সাজু। পাণ্ডিত্যৰ প্ৰকাণ্ড গোঁফ গজাই এইসকল দাৰোগাই জাতিক অধঃপতনৰ পৰা ৰক্ষা কৰি আছে। পাছ-দুৱাৰেদি নিজেও অলপ সৰকাইছে নেকি বুলি সুধিলেই হুলস্থুল! জনাবুজা দাৰোগা নহলে চোৰতকৈ গিৰিহঁতৰ পিঠিতে গুকলাগুকল কিল পৰাৰ সম্ভাৱনা। এজনে এবাৰ যুক্তিতৰ্কৰ জাল তৰি দোষাৰোপ কৰিছিল, আমি হেনো সুধীন দত্তৰ 'পৰৰ ধন' হৰণ কৰি পোৰ্দাৰি কৰিছোঁ। একেবাৰে আখৰে আখৰে মিল হেনো! কিন্তু তেনে বহুত কথাই আন লেখকৰ ৰচনাতো সুলভ—সুধীন দত্তৰ পৰাহে লব লগা হ'লনে? আন এনে বহুত "চুৰ কৰা" বাক্য আৰু উক্তিৰ অৰ্থ ভাঙি দেখুৱালোঁ যে সুধীন দত্তৰ বাক্যৰ অৰ্থ আমাৰ অৰ্থতকৈ বহুত বেলেগ। (সৃষ্টি আৰু যুক্তি, মণিমাণিক প্ৰকাশ, গুৱাহাটী—১)
কিন্তু কোনে কাৰ কথা শুনে?

এতিয়া আগৰ কথালৈ আহোঁ। আমাৰ পাঠকসমাজৰ বিচাৰ এতিয়াও পূৰঠ হৈ উঠা নাই। সেয়ে চোৰধৰাৰ বাগীত হকে বিহকে

মানুহ মতলীয়া হয়। নির্বোধৰ মাৰি কিলাই উঠিছে জ্ঞান পায়ঃ চেঃ! এইখন কি হ'ল? সেয়ে ব্যক্তিগত চুৰিৰ প্ৰসংগ ইমানতে এৰি জাতিগত চুৰিৰ কথা উলিয়াওঁ। আমি, জানো যে প্ৰতি দেশৰ সাহিত্যই একো একোটা সময়ত আন কোনো দেশৰ সাহিত্যৰ প্ৰভাৱত পৰে, আৰু আহি হিচাবে তাকে গ্ৰহণ কৰে। এসময়ত আধুনিক বঙলা সাহিত্যৰ সূত্ৰপাত হয় আধুনিক ইংৰাজী সাহিত্যৰ প্ৰভাৱত। তেনেকৈ আধুনিক অসমীয়া সাহিত্যও গুৰিতে সমৃদ্ধ বঙলা-সাহিত্যৰ প্ৰভাৱত পৰিছিল। সেইদৰে যোৱা তিনিটা দশকৰ অসমীয়া কবিতা আধুনিক পাশ্চাত্যৰ কবিতাৰ ওচৰত গভীৰভাৱে ঋণী। আধুনিক পাশ্চাত্যৰ কবিতাৰ ঐতিহ্যৰ ওপৰত বডলায়াৰৰ পৰা আৰম্ভ হোৱা প্ৰতীকবাদী ধাৰাৰ প্ৰভাৱ গভীৰ। কিন্তু প্ৰতীকবাদ সম্পৰ্কে পাশ্চাত্যত প্ৰতিবাদে বৰ্তমান কিছু পুৰণি হৈ আহিছে। একেটা ভাব-অনুভূতিৰ ধাৰাতে তাৰ কবিসকল মজি থকা নাই। কিন্তু আমাৰ কবিৰ বাবে যেন প্ৰতীকবাদ এতিয়াও কাব্যৰ চূড়ান্ত ৰূপ! অৰ্থাৎ যি প্ৰয়োজনত এসময়ত আধুনিক কবিতাৰ আংগিক আমাৰ কবিয়ে পাশ্চাত্যৰ পৰা ধাৰ কৰিছিল সেই প্ৰয়োজন শেষ হৈ যোৱাৰ পিচতো আংগিক ব্যৱহাৰ কৰি থকাৰ অৰ্থ নাই। প্ৰয়োজন জানো সঁচাকৈ শেষ হৈছে? যদি প্ৰতীকবাদক বুৰ্জোৱা কাব্যদৰ্শনৰ শেহতীয়া স্তৰ বুলি ধৰা যায়, তেন্তে এনে মন্তব্য অসংগত নহয়।

প্ৰতীকবাদৰ জন্মগত তাৎপৰ্য্য হ'ল বুৰ্জোৱা সমাজত আধুনিক বিজ্ঞান আৰু দৰ্শনৰ বিৰুদ্ধে প্ৰতিবাদ। ঊনবিংশ শতাব্দীত বুৰ্জোৱা শিল্পৰ অভূত-পূৰ্ব প্ৰসাৰৰ লগে লগে যান্ত্ৰিক জড়বাদৰ (mechanical materialism) দ্ৰুত প্ৰসাৰ হয়। তাৰ প্ৰভাৱত সমাজত কবিয়েও বিপন্ন অনুভৱ কৰে। কাৰণ অভিজ্ঞতাৰ মাজত কবিয়ে মানৱীয় তাৎপৰ্য্য অনুভৱ আৰু উদ্ঘাটন কৰে, তাক যান্ত্ৰিক জড়বাদে (mechanical materialism) অৰ্থহীন বা নিতান্ত ভুল বুলি প্ৰতিপন্ন কৰাৰ পিচত কবিৰ মনত হাহাকাৰ লাগিব পাৰে। যান্ত্ৰিক জড়বাদৰ বিচাৰত মানুহৰ জীৱনৰ কোনো বিশেষ অৰ্থ নাই, মানুহৰ দেহৰ কোনো বিশেষত্ব নাই—প্ৰকৃতিৰ আন সকলো বস্তুৰ দৰেই মানুহ মঙহ-পিণ্ড মাত্ৰ। ঊনবিংশ শতিকাৰ ফৰাচী প্ৰতীকবাদী কবিসকলে এনে মতবাদত স্বস্তি পোৱা নাছিল। আনহাতে মানুহৰ জীৱনত বিশেষ গুৰুত্ব আৰু মহত্ত্ব আবিষ্কাৰ কৰা ধৰ্মৰ অবক্ষয় সম্পৰ্কেও তেওঁলোক আছিল সজাগ। সেয়ে

কবিতা যেন তেওঁলোকৰ বাবে ধৰ্ম বা যাদুবিদ্যাৰ (magic) বিকল্প হৈ পৰিছিল। বিশ্বজগৎ তেওঁলোকৰ বাবে হৈ পৰিছিল প্ৰতীকৰ অৰণ্য (forest of symbols) বিশ্বজগতৰ লগত মানুহৰ আত্মাৰ সম্পৰ্ক স্থাপন কৰে এনেবোৰ প্ৰতীকে। যান্ত্ৰিক জড়বাদৰ চকুৰে দেখা অৰ্থহীন বস্তুপিণ্ড নহয়—বিশ্বচৰাচৰ হ'ল প্ৰতীকৰ সমষ্টি। প্ৰতিটো প্ৰতীকৰে অৰ্থ বিচিত্ৰ, ব্যাপক, ব্যাখ্যাতীত। এই প্ৰতীকী ব্যঞ্জনাৰ ছঁয়াময় ৰূপ দাঙি ধৰে কবিতাই। সেয়ে আমাৰ চৰ্ম চকুৰ দৃষ্টিৰে প্ৰতীকৰ ৰূপ চাবলৈ যোৱাটো ভুল হব বুলি মালাৰ্মে, বডলেয়াৰ, ৰ্যাবো প্ৰভৃতি প্ৰতীকবাদীয়ে কৈছিল। কিন্তু এইসকল কবিৰ ৰচনাত প্ৰতীকবাদৰ যি বৈশিষ্ট্য আছিল, তেওঁলোকৰ পিচত সি যেন ৰক্ষা নপৰিল। ৰহস্য অধঃপতিত হ'ল নিছক অস্পষ্টতালৈ, অৰ্থৰ সূক্ষ্ম ব্যঞ্জনাৰ ঠাই ল'লে ভাবালুতাই। সেয়ে ভালে'ৰিৰ কাব্যচিন্তাত বুদ্ধিৰ (intellect) ওপৰত গুৰুত্ব আৰোপিত হ'ল—প্ৰতীকবাদৰ অবক্ষয়ৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া হিচাবে। ভালেৰিয়ে ক'লে যে কবিতাত চিন্তা (thought) থাকিব—কিন্তু সি সুস্বাদু ফলৰ পুষ্টিকাৰক গুণৰ (nutrition) দৰেই পাঠকৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ অন্তৰালত বৈ যাব। প্ৰতীকবাদে সমাজৰ পৰা বিচ্ছিন্ন কবিক আৰু গভীৰ নিঃসংগতা আৰু বিচ্ছিন্নতাৰ ফালে লৈ গ'ল। ভালেৰি সেই ধাৰাৰে শেষ প্ৰতিনিধিৰ দৰে। কিন্তু যোৱা মহাযুদ্ধৰ সময়ৰে পৰা ফৰাচি কবিসকলে নিঃসংগতাৰ পৰা মুক্তি বিচাৰিছে। সমাজৰ আন আন মানুহে অনুভৱ কৰা জ্বালাযন্ত্ৰণা আৰু আশা-আকাঙ্ক্ষাৰ প্ৰতি গভীৰ সহানুভূতিৰে সঁহাৰি দিছে।

দঃ আমেৰিকাৰ চিলিৰ কবি পাব্ল' নে'ৰুডাও প্ৰতীকবাদৰ প্ৰভাৱত পৰিছিল। (আজিৰ কোনো কবিয়েই প্ৰতীকবাদৰ প্ৰভাৱৰ পৰা সাৰি যাব নোৱাৰে।) কিন্তু দঃ আমেৰিকাৰ জনসাধাৰণ এহাতে বিদেশী পুঁজিবাদৰ লুণ্ঠনত জৰ্জৰিত, আনহাতে তাৰ সমাজত সামন্তবাদী সমাজৰ সামাজিক বন্ধনসমূহৰ ঘনিষ্ঠতা এতিয়াও বহুদূৰ বাচি আছে। তেনে এখন সমাজত অতিশয় আত্মকেন্দ্ৰিক নহলে জনসাধাৰণৰ লগত কবি মিলিবলৈ বাধ্য আৰু জনসাধাৰণৰ সুখ-দুখত সঁহাৰি দিবলৈ বাধ্য। তেনে অভিজ্ঞতা আৰু উপলব্ধিৰ আঘাতত প্ৰতীকবাদৰ আংগিক বিধ্বস্ত হবলৈ বাধ্য। এই বাবেই নে'ৰুডা প্ৰতীকবাদৰ খোলাৰ পৰা ওলাই আহিল। তেওঁৰ আংগিকত প্ৰকাশ পালে অভিজাত দূৰত্বৰ ঠাইত জনসাধাৰণৰ একজন হবলৈ, তেওঁলোকৰ

সঁহাৰি পাবলৈ আকুল এজন কবিৰ কণ্ঠ। সেইসকল পাঠকক সম্বোধন কৰি তেওঁ লেখিছে:

প্ৰতিদিনেই মই কিবা এটা শিকোঁ,
চুলি আচোঁৰোতে প্ৰতিদিনেই
তোমালোকে যি ভাবা মইও ভাবোঁ
মই খোজ কাঢ়োঁ।
তোমালোকে যেনেকৈ খোজ কাঢ়া
আহাৰ খাওঁ তোমালোকে যেনেকৈ খোৱা
দুহাতেৰে সাৱটি লওঁ মোৰ চেনেহীক
তোমালোকে যেনেকৈ লোৱা তোমালোকৰ চেনেহীক
আৰু তাৰ পিছত
সকলো জনা হৈ গ'লে
ইজন সিজনৰ সমান হৈ গ'লে
মই লেখোঁ, তোমালোকৰ আৰু
মোৰ জীৱনেৰে।

অভিজাত দূৰত্ব আৰু বিচ্ছিন্নতাৰ সাধনা কৰা কবিসকলৰ প্ৰতি তেওঁৰ কোনো শ্ৰদ্ধা নাই। নিজৰ কবিতাৰ বিষয়ে তেওঁ লেখিছে:

আন কিতাপৰ কয়দী হ'বলৈ মই নেলেখোঁ
নাইবা লিলিৰ দৰদী ইতৰ কয়দী হবলৈ।
মই লেখোঁ আন দহজন যাত্ৰীৰ বাবে
যাৰ প্ৰয়োজন জোনাক আৰু পানীৰ,
সংহতিৰ অবিনশ্বৰ বেদীৰ—
ৰুটি, মদ, স্কুলঘৰ, গিটাৰ আৰু হাতীয়াৰৰ।

প্ৰতীকবাদীবিলাকে নিৰ্ম্মাৰ দৰে বিশ্বজগতৰ দৃশ্য অৱলোকন কৰে। তেওঁলোকৰ দৃষ্টিকোণ শ্ৰমৰ লগত সম্পৰ্কহীন মধ্যবিত্ত দৃষ্টিকোণ। সেয়ে জগৎখন তেওঁলোকৰ চিনাকি নহয়। বৰং অস্পষ্ট ৰহস্যৰ লীলাভূমি। নে'ৰুদাৰ দৃষ্টিকোণ কিন্তু মেহনতী মানুহৰ—বোকা পানী খচি, লোহাত কাঠত ঘাম লগাই যি গঢ়ে, বোৱে, পাতে। এই জগৎখন চিনাকি বাবে আপোন, আদৰৰ। সেয়ে নে'ৰুদাই তেওঁৰ Toward an impure poetry নামৰ ঘোষণাত আন আন কবি সকলক সোঁৱৰাই দিছে যন্ত্ৰৰ ওপৰত লাগি থকা

হাতৰ সাঁচৰ কথা—"the wear that the hands give to things." তেওঁ কৈছে যে জগতৰ ঘাম লগা, ধূলি বালি লগা বাস্তৱতাক কবিয়ে অৱজ্ঞা কৰিব নোৱাৰে। প্ৰতীকবাদীসকলৰ আদৰ্শৰ "বিশুদ্ধ কবিতা" (pure poetry) তেওঁক নালাগে, তেওঁ বিচাৰিছে "impure poetry"! এনে কবিতাত থাকিব লাগিব আমি পিন্ধা কাপোৰৰ দৰে জোলৰ চেকা লগা কাপোৰৰ পৰশ, আমাৰ লাজলগা কামনাৰ দাগ, আমাৰ ভালপোৱা আৰু ঘৃণা, আমাৰ ব্ৰত আৰু সপোন, সাক্ষাতৰ অপূৰ্বতা বা নিৰ্মমতা, ৰাজনৈতিক আদৰ্শ আৰু আনুগত্য, সংশয় আৰু অস্বীকৃতি, কৰ-কাটলৰ হেঁচা আৰু ভবিষ্যৎবাণীৰ মন্ত্ৰ। এইবোৰৰ পৰা দূৰৰ ৰহস্য তেওঁ বিচৰা নাই।

বস্তুৰ লেতেৰা দাগ সহিব নোৱাৰা কবিসকলৰ প্ৰতি নে'ৰুডাৰ ভক্তি নাই। তেওঁলোক "বৰফত মুখ ঠেকেচা খাই মৰি থাকিব।" বৰফ শুধ বগা, গোটমৰা পানী—আৰু মৃত্যুৰ প্ৰতীক।

# মাৰ্ক্সবাদ আৰু ধৰ্ম

বহুদিনলৈকে এটা ধাৰণা আছিল যে ধৰ্ম সম্পৰ্কে মাৰ্ক্সৰ মনোভাব অৱজ্ঞাসূচক আৰু উদাসীন। মাৰ্ক্সীয় বস্তুবাদৰ লগত ধৰ্মীয় চিন্তাধাৰাৰ কোনো প্ৰকাৰৰ সংযোগ ঘটিব নোৱাৰে—এনে বিশ্বাস হোৱাৰ বহুত কাৰণ আছে। ধৰ্মৰ ভাববাদী গোড়ামি, কুসংস্কাৰ আৰু শোষক শ্ৰেণীৰ স্বাৰ্থৰক্ষাৰ্থে যুগ যুগ ধৰি ধৰ্মৰ ব্যৱহাৰ—এনেবোৰ কাৰণতে ধাৰণা হৈছিল যে ধৰ্মৰ লগত মাৰ্ক্সবাদৰ কোনো ধৰণৰ সম্পৰ্ক থাকিব নোৱাৰে। কিন্তু এতিয়া মোৰ ধাৰণা জন্মিছে যে ধৰ্মীয় চিন্তাধাৰা আৰু বিশ্ববীক্ষাৰ প্ৰতি প্ৰত্যাহ্বান হিচাবেই মাৰ্ক্সীয় চিন্তাধাৰাৰ জন্ম আৰু সেই সংগ্ৰামতে তাৰ অন্যতম সাৰ্থকতা।

ধৰ্ম বস্তুটো শ্ৰেণী সমাজৰ সৃষ্টি। শ্ৰেণীবিভাজনৰ পূৰ্বে ধৰ্মৰ কোনো স্বকীয় অস্তিত্ব নাছিল। স্বকীয় দেৱদেৱী, স্বকীয় পুৰোহিত সম্প্ৰদায়, স্বকীয় ধৰ্মীয় আচাৰ অনুষ্ঠানৰ অস্তিত্ব নাছিল। স্বকীয় স্বৰ্গ বা দেৱলোকৰ কল্পনাও মানুহৰ মনত ঠাই পোৱা নাছিল। ব্যক্তিগত আধ্যাত্মিকতা আৰু পাৰলৌকিক মনোভাবৰ কোনো চিনচাবেই নাছিল—শ্ৰেণী সমাজত যি তাৰ ধৰ্মৰ প্ৰধান লক্ষণ হৈ পৰে। দেৱদেৱীৰ যি "পূজা" হৈছিল সি আছিল মাইকৈ magic বা যাদুবিদ্যা। অৰ্থাৎ তেনে অনুষ্ঠানৰ দ্বাৰা সম্পূৰ্ণ সাংসাৰিক অৰ্থাৎ ইহলৌকিক লক্ষ্য পূৰণৰ চেষ্টা চলোৱা হৈছিল। সমাজৰ সামূহিক শ্ৰম নিয়াৰিকৈ চলাবলৈ অৰ্থাৎ উৎপাদন বঢ়াবলৈ আদিম মানুহে কামনা কৰিছিল বংশবৃদ্ধি আৰু খাদ্য আদিৰ প্ৰাচুৰ্য। সেই উদ্দেশ্যে তেওঁলোকে পালন কৰিছিল নানা ধৰণৰ প্ৰজনন লীলা (fertility rites)। তেওঁলোকে

ভাবিছিল যে যৌন সংগমৰ লগত শস্যৰ উদ্ভৱৰ কেৱল মিলেই নহয় সম্পৰ্কও আছে। কাৰ্য্যকাৰণতত্ত্ব সম্পৰ্কে তেওঁলোকৰ ধাৰণা আদিম হোৱা বাবেই এনে আচাৰৰ জন্ম হৈছিল। কিন্তু আধুনিক বিজ্ঞানৰ দৰে আদিম যাদুবিদ্যাৰো লক্ষ্য আছিল প্ৰকৃতিৰ ওপৰত প্ৰভুত্ব, উৎপাদন বৃদ্ধি। কথিত আছে যে য়ুৰোপীয় মিছনাৰি বিলাকে সমূহীয়া যৌনসংগমত লিপ্ত নোহোৱাকৈ খেতিবাতি কৰা সত্ত্বেও ভাল ফচল হোৱা দেখি ফিজি দ্বীপৰ বাসিন্দাসকলে প্ৰথমতে অবাক হৈ চাইছিল। পিছত নিজেও সমূহীয়া যৌনসংগম নকৰাকৈ খেতিবাতি কৰিবলৈ ধৰিছিল। অৰ্থাৎ বাস্তৱ অভিজ্ঞতাই ভুল প্ৰমাণ কৰা এটা বিশ্বাস অনুন্নত জাতি এটায়ো ধৰি নাথাকে। সি যি নহওক ইয়াৰ পৰাই বুজা যায় যে আদিম "ধৰ্মীয়" অনুষ্ঠাণৰ লক্ষ্য আছিল ইহলৌকিক।

উৎপাদন পদ্ধতি আৰু উৎপাদনক কেন্দ্ৰ কৰি গঢ়ি উঠা সামাজিক সম্পৰ্কৰ লগে লগে মানুহৰ ভাবচিন্তাৰো পৰিবৰ্তন ঘটে—কিন্তু সমান বেগে নহয়। কোনো কোনো ক্ষেত্ৰত উৎপাদন পদ্ধতিৰ পৰিবৰ্তনৰ পূৰ্বাভাস হিচাবে চিন্তাধাৰাৰ পৰিবৰ্তন ঘটে—যেনেকৈ পৰিপূৰ্ণ পুঁজিবাদী উৎপাদন সংগঠিত হোৱাৰ বহুপূৰ্বে পাশ্চাত্যত মানৱতাবাদী আৰু ব্যক্তিকেন্দ্ৰিক চিন্তাধাৰাৰ আৰু বৈজ্ঞানিক তত্ত্ব-তথ্যৰ উদ্ভৱ হৈছিল। কেতিয়াবা আকৌ তাৰ উৎপাদনৰ আৰ্থিক (economic) তথা বস্তুগত ভিত্তি লয় পোৱাৰ বহু পিছলৈকে সমাজৰ আচাৰ আৰু বিশ্বাসত তথা ব্যক্তিৰ মনত কোনো সুপ্ৰাচীন চিন্তা বা অনুভূতিৰ অৱশেষ বাচি থকা দেখা যায়। যেনেকৈ হিন্দু ধৰ্মৰ নানা আচাৰত বিকৃত বা সংস্কৃত ৰূপত বাচি আছে ধূসৰ অতীতৰ অসভ্য বা বৰ্বৰ যুগৰ বহু অনুভূতি বা বিশ্বাস।

প্ৰাচীন অনুভূতি আৰু চিন্তাৰ এনে অৱশেষ বিশেষকৈ সংৰক্ষিত হয় ধৰ্মৰ যোগেদি। সেয়ে হিন্দু ধৰ্মৰ প্ৰবল সংসাৰবৈৰাগ্য সত্ত্বেও সম্পূৰ্ণ বৈষয়িক স্বাৰ্থ ৰক্ষাৰ বহু যজ্ঞ, ব্ৰত, আচাৰ তাৰ মাজত প্ৰবলভাবে টিকি আছে। আনুষ্ঠানিক ধৰ্মৰ প্ৰথম যুগত নানাতৰহৰ পাৰ্থিৱ ভোগ বা আনন্দৰ প্ৰতিফলন তাৰ মাজত দেখা যায়। পিৰামিড নিৰ্মাণৰ প্ৰথম যুগত ইজিপ্তৰ ডা-ডাঙৰীয়া শ্ৰেণীৰ কবৰৰ দেৱালত দেখা যায় আনকি পৰলোকতো পাৰ্থিৱ কাৰ্য্যকলাপৰ সজীৱ আৰু সৰস ছবি—নাৱেৰে বিলৰ চৰাই মাৰিবলৈ যোৱা, হাল বোৱা, সোণাৰীৰ কাম, নাচ-গান প্ৰভৃতি। কিন্তু শ্ৰেণী শোষণ তথা শ্ৰেণী দমনৰ পদ্ধতি পুৰঠ হৈ পৰাৰ পিছত আৰু তেনেখিনি ছবি দেখা

নাথায়। তাৰ ঠাইত পৰলোকৰ জীৱনৰ ছবি হৈ পৰে উৎকণ্ঠাপূৰ্ণ, শংকাকুল। তাত বিচাৰকে ব্যক্তিৰ পাপপুণ্যৰ বিচাৰ কৰে, দোষীৰ ভয়ানক আৰু বীভৎস শাস্তি হয়, পুণ্যবানে কেৱল সংসাৰ পীড়াৰ পৰা মুক্তি লাভ কৰে। যমৰাজ আৰু নৰকৰ এই কল্পনাৰ মূলতে আছে প্ৰবল উৎকণ্ঠা আৰু পাপবোধ।

ক'ৰ পৰা আহিল এই বীভৎস অপৰাধবোধ? সন্দেহ নাই যে শ্ৰেণীসমাজৰ মাজতো আদিম শোষণহীন সাম্যৰ স্মৃতি মানুহৰ মনত বাচি থাকে। শ্ৰেণী সংগ্ৰামৰ শিকলি পিন্ধাৰ পিছতো সেয়ে শাসকশ্ৰেণীয়ে অনুভৱ কৰে অপৰাধ আৰু পাপৰ গ্লানি। প্ৰাচীন ইজিপ্তৰ এজন ডাঙৰীয়াই সকাতৰে যমৰাজৰ ওচৰত কাকুতি কৰি কৈছে যে জীৱনকালত তেওঁ কোনো দৰিদ্ৰৰ সম্পত্তি ডকাইতি কৰি নিয়া নাই, কোনো বিধবাৰ ওপৰত অত্যাচাৰ কৰা নাই, কাৰো ওপৰত অন্যায়ভাৱে ক্ষমতা বিস্তাৰ কৰা নাই। ইয়াৰ পৰা বুজা যায় যে প্ৰকৃতপক্ষে আচল জগৎখনত তেওঁ নকৰা বুলি প্ৰচাৰ কৰা কাৰ্যাৱলীয়েই আছিল সাধাৰণ ডাঙৰ-ডাঙৰীয়া শ্ৰেণীৰ ব্যৱহাৰৰ নমুনা। সেইদৰে ধৰ্মৰ যোগেদি দৰিদ্ৰই, শোষিতে, অপমানিতে বিচাৰি পাইছিল প্ৰতিশোধৰ সুযোগ, অন্ততঃ কল্পনাত নিজৰ হেৰোৱা মৰ্যাদা ঘূৰাই পোৱাৰ সুযোগ। খ্ৰীষ্টৰ কথোপকথনত সেয়ে আছে "ধন্য দৰিদ্ৰ সকল, ধন্য বিনম্ৰ সকল—কাৰণ তেওঁলোক স্বৰ্গীয় পিতাৰ সবাতোকৈ আদৰৰ সন্তান।"

ঋক্‌বেদৰ শ্লোকত দেৱদেৱীৰ যি ৰূপ ফুটি উঠিছে তাত আদিম পশুপালক জনজাতীয় জীৱনৰ প্ৰতিচ্ছবিহে দেখা যায়। তাৰ ইন্দ্ৰ দুৰ্দ্ধৰ্ষ আৰু ক্ষমাহীন যোদ্ধা, কামাতুৰ আৰু সংকোচহীন প্ৰণয়ী, সুৰাসক্ত সংযমহীন পুৰুষ—তাৰ ইন্দ্ৰাণীয়ে সংগমকাৰ্যৰ বাবে উপহাসেৰে আহ্বান কৰিছে ইন্দ্ৰক, ইন্দ্ৰৰ পুৰুষত্বক ইংগিত কৰি জগাই তুলিছে ইন্দ্ৰৰ কামবৃত্তি। পিছলৈ বেদক পবিত্ৰ বুলি মনা হিন্দুৱে এইবোৰৰ পবিত্ৰ ব্যাখ্যাও বাহিৰ কৰিলে। পিছৰ যুগত কিন্তু কামভাৱ আৰু লালসা দমন হিন্দু ধৰ্মীয় চিন্তাৰ লাইখুটা হৈ পৰিল। পাৰ্থিৱ জীৱনত দায়িত্বহীন নৃপতি আৰু সামন্তই যিমানেই প্ৰজাৰ ওপৰত লুণ্ঠন আৰু নাৰীৰ ওপৰত (বহুবিবাহৰ দ্বাৰা) যৌন অত্যাচাৰ চলালে, সিমানেই ধৰ্মত ফুটি উঠিল কামিনী কাঞ্চনৰ প্ৰতি তীব্ৰ বৈৰাগ্য।

এনেকৈ চাবলৈ গ'লে ধৰ্ম হ'ল এখন কাল্পনিক জগৎ যি আচল জগৎখনৰ ৰূপটো ওলোটাকৈ ভাঙি ধৰে। শ্ৰেণীসমাজৰ বৈষম্য আৰু শোষণ দমনৰ

প্ৰতিক্ৰিয়া হিচাবে ধৰ্মই প্ৰথমতে কাল্পনিক ক্ষতিপূৰণ দিয়ে—ইহজগতৰ প্ৰতাপী আৰু ঐশ্বৰ্য্যশালী সকলক অনুতাপ আৰু সন্ত্ৰাসৰ বাকলিবসন পিন্ধাই আৰু ইহজগতৰ শোষিত আৰু বঞ্চিত সকলক আধ্যাত্মিক গৌৰৱৰ মুকুট পিন্ধাই। শোষণ যিমানেই তীব্ৰ হয়, সিমানেই তাক পাহৰাবলৈ প্ৰয়োজন হয় ধৰ্মৰ বাণী। জাগতিক সম্পদৰ লুণ্ঠন নীৰৱে সহি অৱনত কৃষক আৰু শ্ৰমিকে থিয়াবলৈ ধৰে আধ্যাত্মিক ক্ষতিপূৰণৰ কুচক।

তাৰ অৰ্থ এনে নহয় যে শোষিত শ্ৰেণীয়ে শোষণৰ বিৰুদ্ধে বিদ্ৰোহ নকৰে। কিন্তু আধুনিক যুগৰ পূৰ্বে ব্যক্তিগত সম্পত্তিৰ মোহৰ পৰা মানুহক মুক্ত কৰা সম্ভৱ নাছিল। আদিম সাম্যৰ যুগ (লোক বিশ্বাসত যাৰ নাম "সত্যযুগ") ব্যক্তিগত সম্পত্তিৰ আবিৰ্ভাবে চিৰকাললৈ শেষ কৰি দিয়ে। ব্যক্তিগত সম্পত্তিৰ বিকাশে একশ্ৰেণীৰ মানুহক উৎপাদনৰ আহিলাপাতিৰ গৰাকী কৰি তোলে। তেনে প্ৰভুত্ব আৰু শোষণৰ বিৰুদ্ধে দীন দৰিদ্ৰই অতীতৰ পৃথিবীত বহুবাৰ বিদ্ৰোহ কৰে। কিন্তু প্ৰতি বিদ্ৰোহৰ পিছতে পুনৰ শোষণ ব্যৱস্থা ঠন ধৰি উঠে। তাৰ পৰা পৰিত্ৰাণৰ কোনো উপায় তেতিয়া নাছিল। এনেকৈ ক্ৰমশঃ জনসাধাৰণৰ মাজত শিপাবলৈ ধৰে গভীৰ অদৃষ্টবাদ আৰু শ্ৰেণী শোষণৰ অন্যায়ৰ স্থায়িত্ব সম্পৰ্কে এক ধৰণৰ মানসিক সংস্কাৰ।

এই সংস্কাৰ দৃঢ় কৰাৰ আৰু কাৰণ আছিল। শোষক শ্ৰেণী যোৱে জানানিতে দৃষ্টিভংগী যে নিৰ্বিঘ্নে, সুকলমে শোষণ চলাবলৈ হলে সিহঁতে সততে দমনৰ আশ্ৰয় লব লাগিব। বল বাহুবলৰ উপৰিও পুলিচ বা মিলিটাৰি বাহাল ৰাখি শোষিত মানুহৰ মুখত সিহঁতে তালা মাৰি থৈছিল শোষণৰ বিৰুদ্ধে প্ৰতিবাদৰ নিশ্চিত ভয়াবহ পৰিণাম। এনে দণ্ডনীতিৰ উপৰিও অৱদমিত, পৰাভূত শ্ৰমিক আৰু কৃষকক বশ কৰিবলৈ ব্যৱহৃত হৈছিল পুৰোহিত শ্ৰেণীৰ তন্ত্ৰমন্ত্ৰ। শোষণৰ আদি যুগত পুৰোহিত আৰু শাসক প্ৰায়ে আছিল একেখিনি মানুহেই, যেনেকৈ প্ৰাচীন মিচৰত। তাৰ পিছত পুৰোহিত আৰু শাসক, ব্ৰাহ্মণ আৰু ক্ষত্ৰিয় বেলেগ হ'ল। তথাপি দুয়ো গোষ্ঠীয়ে একে উদ্দেশ্যেই কাম কৰিছিল—অৰ্থাৎ শোষণব্যৱস্থা ৰক্ষা কৰা। শোষণব্যৱস্থাৰ নানা অন্যায় বা অত্যাচাৰক শাস্ত্ৰ, আখ্যান আৰু মন্ত্ৰৰ দ্বাৰা পুৰোহিতে পৱিত্ৰ (অৰ্থাৎ অপৰিৱৰ্তনীয়) বুলি সাব্যস্ত কৰিছিল।

এই অদৃষ্টবাদ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ ধৰ্মই আৰু এটা সুবিধা পাইছিল। কাৰণ ধৰ্ম বিজ্ঞানৰ আৰু যুক্তিৰ বিবৰ্তনৰ ওপৰত

প্ৰতিষ্ঠিত নহয়। বৰং বহু আদিম আৰু প্ৰাচীন তথা যুক্তিহীন বিশ্বাসৰ আধাৰ হ'ল ধৰ্ম। সমসাময়িক সমাজত অপ্ৰচলিত বহু বিশ্বাস ধৰ্মৰ মাজত প্ৰবল হব পাৰে। অভিজ্ঞতা, পৰীক্ষা বা যুক্তিৰ পৰিবৰ্তে ধৰ্মৰ আবেদন হ'ল গভীৰ, যুক্তিহীন অনুভূতিৰ প্ৰতি। অশিক্ষিত জনসাধাৰণৰ মনত সঞ্চিত প্ৰাচীন চিন্তাধাৰা বা অনুভূতিৰ অৱশেষ বোৰ ধৰ্মৰ ভিত্তি। পুৰোহিত শ্ৰেণীৰে সেয়ে যাই ভৰসা। সেয়ে ধৰ্মৰ শাস্ত্ৰীয় কথাবোৰ মাত্ৰ অলৌকিক, অবিশ্বাস্য কাহিনী আৰু আখ্যানেৰে ভৰা। আনহাতে তাহানিৰ গ্ৰীচৰ ডেমোক্ৰিটাছ আৰু ভাৰতৰ চাৰ্বাকৰ দৰে বহু মনিষীয়ে যুক্তিৰ সহায়েৰে ধৰ্মৰ মোহৰ পৰা নিজকে মুক্ত কৰিবলৈ সক্ষম হৈছিল।

তথাপি যুক্তিৰ বল ধৰ্মৰ বিৰুদ্ধে [illegible] যেন দেখা যায়। কাৰণ কি? প্ৰথমতে ধৰ্মৰ নানা ধাৰণা আৰু কল্পনাৰ লগত শ্ৰেণীসমাজৰ সংগঠনৰ মিল আছে। আদিম অৱস্থাতেই হৈছে যে দাস সমাজৰ চেহেৰাটো [illegible] প্ৰতিফলিত কৰে। বৈজ্ঞানিক সমাজবাদৰ প্ৰচাৰ হোৱাৰ আগতীয়াকৈ শ্ৰেণীসংগ্ৰামৰ বিলোপ সাধনৰ সম্ভাৱনা আদিম মানুহৰ মনত উদয় হোৱা নাছিল। [illegible] কৰাৰ বা চেষ্টা বা পৰীক্ষা তেওঁলোকৰ চকুৰ আগতে পূৰ্বে [illegible] অপৰিচিত হৈছিল। তাৰ উপৰিও শাসক শ্ৰেণীৰ সমৰ্থক আৰু পুৰোহিত [illegible] প্ৰচাৰৰ দ্বাৰা প্ৰভাৱিত অশিক্ষিত জনসাধাৰণৰ মনত শ্ৰেণীবিভক্ত সমাজৰ পদ্ধতিটোৱেই কল্যাণ বুলি ধৰিছিল। সেয়ে তেওঁলোকে ধৰ্মৰ ধাৰণাবশতঃ এই শ্ৰেণীসমাজক [illegible] সহজে গ্ৰহণ কৰিব পাৰিছিল। [illegible] সমাজত ধৰ্মৰ প্ৰভাৱ বেছি, তাৰ ধৰ্মত দেৱতাৰ চৰিত্ৰও হয় প্ৰতাপী আৰু অত্যাচাৰী স্বভাৱ হয়; আদিম সাম্যবাদী সমাজৰ পৰা সমাজৰ বিকাশৰ যুগত এফালে প্ৰজাপীড়ন বাঢ়ে আৰু আনহাতে দেৱতাৰ গৌৰৱ আৰু ক্ষমতাৰ বৃদ্ধি হয়। [illegible] ধৰ্মত সংক্ৰামিত হয় একান্ত আৰু নিজাৰ ভক্তিৰ ধাৰণা। (সেয়ে ধৰ্মক “সমাজৰ বস্তু” বুলি প্ৰচাৰ কৰা পণ্ডিত সকলৰ মতবাদক ভ্ৰান্ত বুলিব লাগিব। সমাজৰ বিকাশৰ লগত তাল মিলাই ধৰ্মৰো পৰিবৰ্তন হয়।)

যুক্তিৰ সহায়ত অতীতৰ যি সকল দাৰ্শনিকে ধৰ্মৰ মোহৰ পৰা নিজকে মুক্ত কৰিছিল, স্বাভাৱিকতে তেওঁলোকে ধৰ্ম আৰু শ্ৰেণীবিভক্ত সমাজ ব্যৱস্থাৰ মাজত থকা এই গাঢ় সম্পৰ্ক বুজিব পৰা নাছিল। পুৰোহিত শ্ৰেণীৰ ভণ্ডামি আৰু কুসংস্কাৰ বুলি ভাবিয়েই সেইমতে তেওঁলোকে ধৰ্মক আক্ৰমণ কৰিছিল।

কিন্তু বেলেগ সমাজ ব্যৱস্থাৰ ধাৰণা মনত নথকা বাবে ধৰ্মৰ মূল ভিত্তিটোৰ ওপৰত তেওঁলোকে আঘাত হানিব পৰা নাছিল। প্ৰাচীন কালত অভিজাত মহলত এনে দাৰ্শনিকো জন্মিছিল যি বুজিছিল যে ধৰ্মৰ নানা মিছলীয়া সান্ত্বনা আৰু অবান্তৰ উপাখ্যান বৰ্বৰ যুগৰ বিশ্বাস আৰু পুৰোহিত সম্প্ৰদায়ৰ প্ৰবঞ্চনাৰ ওপৰত প্ৰতিষ্ঠিত কিন্তু তেওঁলোকে দেখিছিল যে নিৰ্বিবাদে অভিজাত শ্ৰেণীৰ দাসত্ব কৰিবলৈ হলে শ্ৰমজীৱী জনসাধাৰণে ধৰ্মৰ সান্ত্বনা আৰু আশ্ৰয় বিচাৰে। অভিজাত শ্ৰেণীৰ সুখ-সুবিধা এৰিব নোখোজা এনে দাৰ্শনিকে শেষত মনে মনে ধৰ্মক ঘৃণা কৰা আৰু প্ৰকাশ্যে ধৰ্মক সমৰ্থন কৰাৰ চিনিকপন্থাত বাস্তা লৈছিল।

ধৰ্মত এনে কি বস্তু থাকে যি জনসাধাৰণক মোহাবিষ্ট কৰে? চাফ কথাত শোষিত, বঞ্চিত ৰাইজে তেওঁলোকৰ জীৱনৰ সকলো দুখকষ্ট, সকলো বঞ্চনা, সকলো ক্ষতিৰ এটা justification বিচাৰি পায় ধৰ্মত। দুখী মানুহৰ জীৱনত সান্ত্বনাৰ প্ৰয়োজন বিলাসী অভিজাত শ্ৰেণীৰ যুক্তিবাদী দাৰ্শনিকে নুবুজে। কিন্তু দুখীয়া ৰাইজৰ অসহায় দাৰিদ্ৰ্য আৰু অপমান ধৰ্মই মুক্তকণ্ঠে স্বীকাৰ কৰে। ধৰ্মই কয় সংসাৰ মৰুভূমি—The world is a vale of tears—বিষয় বিষময়। কিন্তু এই দুখদুৰ্দশাৰ অৱসান আছে বুলিও ধৰ্মই মানি লয় আৰু ভগৱানৰ ইচ্ছা, অদৃষ্ট বা কৰ্মফল প্ৰভৃতি কাৰণ দেখুৱাই ধৰ্মই সেইবোৰ দুখকষ্ট মানি লবলৈ দুখীয়া ৰাইজক ফুচুলায়। শোষক শ্ৰেণীৰ দমননীতিৰ বিৰুদ্ধে মানুহৰ দৰে থিয় দিয়াতকৈ দাসৰ দৰে সকলো দুখকষ্ট মূৰ পোতাই সহ কৰিবলৈ ধৰ্মই শিক্ষা দিয়ে। মানুহৰ অহংকাৰক ধৰ্মই সদাসৰ্বদাই গৰিহণা দিয়ে, আৰু বিনম্ৰতাক ভূৰি ভূৰি প্ৰশংসা কৰে।

সমাজ তথা মানৱীয় জ্ঞানৰ বিকাশৰ লগে লগে প্ৰকৃতিৰ ওপৰতো মানুহৰ শাসন আৰু কৰ্তৃত্ব বাঢ়িছে। বৈজ্ঞানিক শিক্ষাৰ পৰা আমি বুজোঁ যে জলকোঁৱৰক পূজা দি লাভ নাই, বানপানী নিয়ন্ত্ৰণৰ ব্যৱস্থাহে ভাল। খেতিবাতিৰ বাবে বৰুণ দেৱতাক কাকুতি কৰি লাভ নাই, পাৰিলে কৃত্ৰিম বৰষুণৰ বা জলসিঞ্চনৰ ব্যৱস্থা কৰাহে যুক্ত। তথাপি এই বৈজ্ঞানিক শিক্ষা ভাৰতৰ সমূহ জনসাধাৰণে এতিয়াও পোৱা নাই। বিজ্ঞান এতিয়াও আমাৰ দেশত ধনী মানুহৰ হাতৰ মুঠিত, দুখীয়াৰ লাখুটি হব পৰা নাই। সেয়ে বিংশ শতিকাতো ভাৰতত সাপপূজা, নৰবলি, বেমাৰ আজাৰৰ দেৱতাক পূজা দিয়া ইত্যাদি কথা শুনা যায়।

তার উপরিও ধর্মীয় গোষ্ঠী আরু সম্প্রদায় বোধর ঐক্যত ব্যক্তিয়ে বিচারি পায় তাহানির সংঘবদ্ধ সমাজর শক্তিময় সংহতি। ব্যক্তিগত সম্পত্তির বাবে শ্রেণীসমাজত অহর্নিশে যি ভয়াবহ যুঁজবাগর চলি থাকে সে ব্যক্তির মনত সৃষ্টি করে অশান্তি আরু উৎকণ্ঠা নাইবা তীব্র অপরাধবোধ। এনেক্ষেত্রে আন মানুহর লগত বহি ভক্তিভরে নামপ্রসংগ করোঁতে ব্যক্তির সেই দুখবেদনা মুহূর্তলৈ হলেও পাহরে, অনুভব করে ভ্রাতৃত্ববোধ। কিন্তু এই গুণটো ধর্মীয় অনুষ্ঠানর একচেটিয়া সম্পত্তি নহয়। প্রেরণাময় রাজনৈতিক অনুষ্ঠানর কর্মী সকলেও একে ভাব অনুভব করিব পারে। সেইদরে আদিম সাম্যবাদী সমাজত স্বাভাবিক মমবোধ, আন আন মানুহর প্রতি সহজাত দায়িত্ববোধ, ব্যক্তির ওপরত সমাজক স্থান দিয়ার প্রবৃত্তি বর্তি থাকে। অবশ্যে তার অভিব্যক্তি হয় ইন্দ্রিয়ময়, অস্পষ্ট, নানা ক্রিয়াকাণ্ডত আবদ্ধ। কিন্তু "নাই মোমাইতকৈ কণা মোমায়েই ভাল" নীতি অনুসরি বহুলোক মানুহে তাকেই আশ্রয় করে।

ব্যক্তির এই দৈন্য আরু সংবরার প্রয়োজন পুঁজিবাদর প্রথম অবস্থাত যুক্তিবাদী দার্শনিক সকলে বুজি পাইছিল। মধ্যযুগীয় ধর্ম আরু পুরোহিত সম্প্রদায় পুনর গোষ্ঠী উৎখাতিবলৈ জনসাধারণক বুজাবলৈ চেষ্টা করিছিল। কিন্তু পুঁজিবাদ পুনর ধোবার পিছত দেখা গ'ল যে বৈজ্ঞানিক যুক্তিয়েই মানুহর সকলো প্রয়োজন পূরণ করিব নোৱারে। ইয়ার কারণ হ'ল এয়ে যে পুঁজিবাদী ব্যবস্থাতো শোষণ চলি থাকে—বাহিরে যায়, কেবল শোষণর পদ্ধতি বদলে। সেয়ে মধ্যযুগীয় ধর্মর অবসান ঘটোৱা পুঁজিবাদী যুক্তিবাদর মাজত সর্বসাধারণে পরিচিত জীবন আরু জগতর মনোবৃত্তর ব্যাখ্যা বিচারি নাপায়। প্রকৃততে শ্রেণীবিভক্ত সমাজ থাকে মানে মানুহ এনে দুখবন্ধন তথা "সংসার পীড়া"ত দুখি থাকিবলৈ বাধ্য।

এই কথা সুবুধ বুদ্ধিজীবীয়ে (যেনে অসমত জোনেন বরগোহাঞি, ভবেন বরুবা আরু তেওঁলোকর অনুগামী) তাবে যে দোষ আছনকে যুক্তিবাদর। যুক্তির লগতে অলৌকিক শক্তির বা প্রভাবর কমতাক সেহে মানিব লাগিব। এনে লেখকর রচনাতো বর্তমানর দুর্যোগকালর, দুঃস্থ ব্যক্তিসত্তার অশান্তি, উদ্বেগ আরু আকুল আত্মজিজ্ঞাসা বিষ্ণিত রূপত ফুটি উঠিছে। কিন্তু এইবোরর আচল কারণ বিচার করাত তেওঁলোকর উৎসাহ নাই। ব্যক্তিগত সম্পত্তি লৈ (বা তার লগরীয়া মানমর্যাদা বা খ্যাতি

প্ৰতিপত্তি লৈ ) লগা যুঁজবাগৰেই পুঁজিবাদী যুগৰ ব্যক্তিৰ মন গধুৰ কৰি ৰাখে। আনহাতে সমাজৰ তলৰ স্তৰত তাৰ উপৰিও থাকে নিৰন্তৰ শোষণৰ বোজা। অৱস্থাপন্ন বুদ্ধিজীৱীসকলে কেতিয়াবা কয় যে আৰ্থিক ( oconomic ) দুখকষ্টই সকলো নহয়—আন ধৰণৰ দুখকষ্টও আছে যিবোৰ হেনো চিৰন্তন। কিন্তু মাৰ্ক্সবাদৰ সামগ্ৰিক দৃষ্টিত এনে ধৰণে লেবেল মৰা বা তালিকা লগোৱা নচলে।

ধৰা হওক আজিৰ এজন শ্ৰমজীৱী বা নিম্নবেতনভুক কৰ্মচাৰীৰ সংসাৰৰ কথা। ভাগ্য ভাল হলে তেওঁৰ মাহেকীয়া বেতন হব ১৫০ বা ২০০ টকা। চাৰিপাঁচজন মানুহৰ পৰিয়াল হলে সেই টকা তেওঁলোকৰ ভাতমুঠিৰ বাবে যথেষ্ট নহয়। আনপিনে বস্তুৰ দাম বাঢ়ি গৈ আছে। পুষ্টিকৰ খাদ্য খাব নোৱাৰা বাবে পৰিয়ালত সদায় বেমাৰ আজাৰ লাগি থাকে। চিকিৎসাৰ খৰচ বাঢ়ি যোৱা বাবে হয়তো বেমাৰ আজাৰবে ভাল চিকিৎসা নহয়। সেয়ে ঘৰৰ সকলোৰে মনত বিৰক্তি, অশান্তি, ক্ষোভ আৰু ক্লান্তি বাঁহ বান্ধি থাকে। কেতিয়াবা ঘৰৰ কোনোটো সন্তান মৃত্যুমুখত পৰে; তেতিয়া তেওঁক সান্ত্বনা দিবলৈ বন্ধুবান্ধৱে কয়—ঈশ্বৰৰ ইচ্ছা, বা কৰ্মফল বা সংসাৰৰ যন্ত্ৰণাৰ কথা। তেনে দুৰ্যোগৰ উপৰিও সমাজৰ নিম্নস্তৰৰ মানুহ বাবে তেওঁৰ কপালত লিখা থাকে অফিচত বা কাৰখানাত আৰু সমাজৰ আন আন ঠাইত নানা ধৰণৰ দুৰ্ব্যৱহাৰ বা অপমান। তেওঁৰ লৰা ছোৱালীক ভাল কাপোৰ পিন্ধাব নোৱাৰা বাবে আৰু ভাল স্কুলত দিব নোৱাৰা বাবে লৰাছোৱালীৰ মনত দুখ, আৰু তাকে দেখি তেওঁৰ মনতো হতাশা বা গ্লানিৰ ভাব ওপজে।

এতিয়া অৱস্থাপন্ন বুদ্ধিজীৱীয়ে স্বভাৱসুলভ উন্নাসিকতাৰে হয়তো কব যে এইবোৰ আৰ্থিক ( economic ) দুখ মাত্ৰ। কিন্তু সহানুভূতিশীল আৰু বিবেকবান মানুহ মাত্ৰেই স্বীকাৰ কৰিব যে এনে এজন মানুহৰ জীৱন বিড়ম্বনাময় আৰু এই যন্ত্ৰণা কেৱল টকাৰ অভাৱৰ বাবেই নহয়। পুঁজিবাদী সমাজত টকাৰ দ্বাৰা অৱশ্যে জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় সকলো বস্তু পোৱা যায়। কিন্তু টকাৰ ভাগবাটোৱাৰা এনে সমাজত কেনেভাবে হয় সিয়েই মৌলিক সমস্যা। কাৰো টকাৰ উদ্বৃত্ত, আৰু কাৰো বা টকা সদায় প্ৰয়োজনতকৈ কম। সি এক সমাজ ব্যৱস্থাৰ ফল নহয় নে? তাৰ উপৰিও এনে সমাজত থকা উচ্চ নীচৰ বিবিধ বৈষম্যই এই জন মানুহৰ জীৱন মৰুভূমি কৰি তোলা নাই নে?

এনে এখন মানুহক ধর্মই কয়: "সংসার জ্বালাযন্ত্রণাময়। ছেড়ে তার ক্ষণস্থায়ী আনন্দ, সুখ বা গৌরবত মতি নবৈ তাঁর দিঠি দিয়। পরলোকর কথা ভাব। আল্লার কাছে মন দিয়া দিলেই সত্য ইত্যাদি।" (অবস্থাপন্ন বুদ্ধিজীবীরেও ধর্ম ব্যবসায়ীদের এনে সুযোগে জোগা দিয়।)

মার্কসবাদীয়ে কয়: "ভাই, তোমার জীবনর সকলো ব্যর্থতা, সকলো অপূর্ণতার মূলতে আছে এনে এক সমাজব্যবস্থা যি [illegible] মানুহর জোবনর দ্বারা এগুণ মানুহক ধর্ম আৰু শোষণাধীন করি রাখিছে। এনে সমাজ ব্যবস্থা তুমি যদি নষ্ট করো [illegible] মানুহে এনে সমাজ-ব্যবস্থা [illegible] সমাজ গঠনর [illegible] [illegible] সকল হৈছে। [illegible] [illegible] কবিতো ভাই, তুমি আমার কাছত কাম [illegible]"

[illegible] ধর্ম সম্পর্কে [illegible] [illegible] মানুহেই আগুৱে এনে নহয়। [illegible] ব্যক্তিস্বরূপ [illegible] [illegible] [illegible] অনুভবে [illegible] [illegible] পুঁজিবাদীয় জীবনর আন [illegible] [illegible] পুঁজিসংগ্রহ উৎকর্ষ [illegible] [illegible] পুঁজিপতির ব্যক্তিগত [illegible] [illegible]—[illegible] পুঁজির বাহক [illegible], personified capital. [illegible] [illegible] [illegible] পুঁজি [illegible] পুঁজি [illegible] [illegible] সাধনার ফলে [illegible] [illegible] [illegible] যায়, অনাহারমৃত্যু হয়। [illegible] নির্মম প্রতিযোগিতার পরাভূত [illegible] [illegible]. পুঁজিবাদী সমাজ ব্যবস্থার প্রক্রিয়াটো [illegible] [illegible] তার মূল কারণ বুঝুতে [illegible] [illegible] ভয়ত মনেপ্রাণে গ্রহণ করবে [illegible] পুঁজিবাদর বিনাশ [illegible] মানুহে পুঁজিবাদক ভালদরে বুজি পায়, সেই এনে কারণতে পুঁজিবাদ [illegible] বিচরা মানুহে পুঁজিবাদর শক্তির বিষয় বুজিব [illegible]। আধুনিক পুঁজিবাদর পতন যে অনিবার্য সেই কথাও বুজি পায় [illegible] জোবাতালি দি [illegible] [illegible] সমাজব্যবস্থার [illegible] [illegible] [illegible] যোচে।

নতুনকৈ এনে শ্ৰেণীৰ মানুহৰ মাজত আকৌ ধৰ্মভাবে গজালি মেলিছে। পুৰণিকলীয়া বিড়িং বাড়াং মন্ত্ৰ গোৱা, হাঁহছাগলি বলি দিয়া, বহু সময় ব্যয় কৰি তীৰ্থযাত্ৰা কৰা এনেবোৰ ধৰ্মীয় প্ৰথাৰ ঠাইত একেবাৰে আলট্ৰা মডাৰ্ণ ধৰ্মৰ আমদানি কৰিছে তেওঁলোকে। প্ৰচুৰ সম্পত্তিৰ মালিক ব্যৱসায়ী, মন্ত্ৰী বা আমোলা আৰু উচ্চশিক্ষিত মধ্যবিত্ত ব্যক্তি অমুক বাবা বা তমুক মাৰ্গৰ নামত বিভোৰ। গ্লানিময় বিবেক আৰু অশান্ত হৃদয়ক যুক্তিহীন বিশ্বাস আৰু আবেগেৰে ফাঁকি দি ঠাণ্ডা কৰি ৰাখিবলৈ ই তেওঁলোকৰ শেহতীয়া প্ৰচেষ্টা। দুৰ্নীতিৰে প্ৰচুৰ সম্পত্তি কৰি, ক্ষুধাৰ্ত জনগণক দিনে নিশাই বঞ্চিত কৰি উঠি অৱসৰ সময়ত কোনোবা বাবাৰ ধ্যানত চকুলো টুকি তেওঁলোকে শান্তি পায়। তেওঁলোকৰ লগৰীয়া বা চাকৰ বুদ্ধিজীৱীয়েও নিজৰ বিক্ৰীত বিবেকক সন্মানৰ মালা পিন্ধাবলৈ এনেবোৰ সবাহত ভুচুংপেচ সাজে। কোনো বাহুল্য যে শোষিত জনসাধাৰণৰ উত্থান আৰু শ্ৰেণী সমাজৰ অৱসানে এনেবোৰ ফাকিফুকাৰো মৃদা মাৰিব।

জড়ামৃত্যুৰ ভয় কি তেনেহলে অমূলক? শ্ৰেণী সমাজৰ এনেকুৱা বুদ্ধিজীৱীয়ে সকলো বস্তুকে অৱচ্ছিন্নভাবে (abstract) চিন্তা কৰে। জীৱন ধাৰণৰ বাবে সৰ্বসাধাৰণে যি সৃষ্টিশীল উৎপাদনত নিজকে নিয়োগ কৰে, তেনে পৰিশ্ৰমৰ পৰা আঁতৰত এওঁলোকে জীৱন সম্পৰ্কে যি চিন্তা কৰে সি ভ্ৰান্ত হয়েই। কাৰণ প্ৰকৃতিৰ লগত মানুহৰ আবহমান কালৰে পৰা যি যোগাযোগ আৰু ক্ৰিয়া প্ৰতিক্ৰিয়া (intercourse), সেই পৰিশ্ৰম বা labour ৰ অভিজ্ঞতা আৰু উপলব্ধি এওঁলোকৰ নাই সেয়ে "মৃত্যু" তেওঁলোকৰ বাবে এটা অৱচ্ছিন্ন অৱস্থা। কিন্তু অলপ অভিজ্ঞতা থকা মানুহে জানে যে মৃত্যু তেনে মানুহৰ হে ভয় কাৰণ যি সমগ্ৰ জীৱনতে কোনো সাৰ্থক উদ্দেশ্যৰে কাম কৰা নাই। পঞ্চাশবছৰ বয়সলৈকে যি কোনো তাৎপৰ্য্যপূৰ্ণ কাম কৰা নাই, ভবিষ্যতেও যিজনে এনে কোনো কাম কৰাৰ আশা নাই—তেনে মানুহেহে তীব্ৰ উৎকণ্ঠা আৰু শংকাৰে মৃত্যুৰ কথা ভাবে। যি কথা কোৱা নহ'ল যি কাম কৰা নহ'ল, সেই আশাহীন, কৰ্মহীন সম্ভাৱনাৰ দুখ এওঁলোকৰ মনত গঠা। সেয়ে মৃত্যু এওঁলোকৰ বাবে ভয়ংকৰ। মৃত্যুৱেই টানযোৰ মাৰি দিয়ে এওঁলোকৰ জীৱনৰ চূড়ান্ত শূন্যতাৰ ওপৰত। আনহাতে যিজন মানুহে অৰ্থপূৰ্ণভাৱে নিজৰ জীৱনত কোনো কাম সমাধা কৰিছে, তেওঁৰ মৃত্যুভয় বহুত পাতল। সন্দেহ নাই শ্ৰেণীসমাজৰ শোষণে বহুসংখ্যক মানুহক জীৱিকাৰ বাব

কৰিছে, জীৱনৰ সাৰ্থকতাৰ বাবে তেওঁলোকক অৱকাশ দিয়া নাই। মৃত্যুৱে এওঁলোককো ভয় খুৱায়। কিন্তু তাৰ বাবে মৃত্যুৰ কোনো নিজস্ব ক্ষমতা দায়ী নহয়। তাৰ বাবে দায়ী মৃত্যুৰ ক্ষমতা বঢ়োৱা, জীৱনৰ পূৰ্ণতা কমোৱা শ্ৰেণীসমাজ। পৰিপূৰ্ণ ( fulfilled ) জীৱনৰ বাবে মৃত্যু জীৱনৰ স্বাভাৱিক আৰু সুন্দৰ পৰিণতি। সমাজৰ জীৱন, মানুহৰ যুগযুগ ধৰা সাধনা এটা পুৰুষৰ ( generation ) ওপৰত নিৰ্ভৰ নকৰে। এটা পুৰুষে আন এটা পুৰুষৰ বাবে বাট এৰি দিয়াত বাধা কি? কেৱল ব্যক্তিস্বাৰ্থত উন্মত্ত পুঁজিবাদী সমাজৰ মানুহে সেই কথা নুবুজে।

# শোধনবাদী চক্ৰবেষ্টিত তৰুণ মাৰ্ক্স

পঢ়াশুনাৰ প্ৰতি কটাক্ষ কৰাৰ আগ্ৰহ আমাৰ নাই। কিন্তু এশ-ডেৰ শ কিতাপ নপঢ়িলে মাৰ্ক্সবাদৰ ৰহস্যৰ সম্ভেদ নাপায়, এনে অদ্ভুত ধাৰণা যাৰ আছে তেওঁক "পণ্ডিত গণ্ডাৰ" বুলি নোৱাৰি। যেন পৃথিৱীৰ বিপুল সংখ্যক জনতাৰ প্ৰত্যক্ষ সংগ্ৰামৰ অভিজ্ঞতাতকৈ তেওঁ পঢ়া কিতাপৰ সংখ্যাহে মূল্যবান !! তেনেকৈ আমাৰ হঠকাৰী বিপ্লৱীয়েও ফৰ্মূলা আওৰাই মাৰ্ক্সবাদ চালু কৰিব খোজে। উগ্ৰ বামপন্থী কলিকতীয়া কাকতৰ গুপুত গলিৰে তাত্ত্বিক বাজ আনিব নামজ্বলা পথচাৰী হবলৈ তেওঁলোকৰ ছুঁৱিবাৰ আকাংক্ষা সহজে বুজা যায়। অৱশ্যে তেওঁলোকৰ ক্ষেত্ৰত বিভ্ৰান্তজনৰ পথপ্ৰদৰ্শক হব পৰা ক্ষমতাতকৈ সস্তীয়া গালি-গালাজৰ ফেৰিৱালা হোৱাৰ হাবিয়াসেই প্ৰকট। কিন্তু এনে শাস্ত্ৰজ্ঞ পণ্ডিত আৰু এনে অন্ধ বিদ্ৰোহী বুৰ্জোৱা শ্ৰেণীৰে উৎপাদন। মাৰ্ক্সবাদৰ মনোমত বা অন্ধ ব্যাখ্যাৰ জৰিয়তে সৰ্ব্বহাৰাৰ সংগ্ৰামত খেলিমেলি লগোৱাত তেওঁলোকৰ পাৰদৰ্শিতা কেৱল, আজিৰ ঘটনা নহয়। আনহাতে সমাজৰ ৰূপান্তৰ বিচৰা জনতাক এনে তত্ত্বগত ভ্ৰান্তিৰ বিৰুদ্ধে সতৰ্ক কৰাও মাৰ্ক্সবাদী বুদ্ধিজীৱীৰ অন্যতম দায়িত্ব।

তেওঁৰ জীৱনকালত মাৰ্ক্সে যাইকৈ তেওঁৰ পৰিণত বয়সৰ ৰচনা **Capital**ৰ বাবেই আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণী আৰু প্ৰগতিশীল বুদ্ধিজীৱিৰ মাজত খ্যাতি অৰ্জন কৰে। আজি সেই গ্ৰন্থ বৈজ্ঞানিক সমাজবাদৰ প্ৰধান তাত্ত্বিক সম্বল। কিতাপ খনৰ উদ্দেশ্য তথা সাৰমৰ্ম হ'ল বুৰ্জোৱা অৰ্থনীতি আৰু অৰ্থনীতিবিজ্ঞানৰ প্ৰণালিবদ্ধ সমালোচনা (critique)—যি সমালোচনা কেৱল দোষ খোচৰাত মজি নপৈ আলোচ্য বিষয়ৰ সীমাবদ্ধতা অতিক্ৰম

কৰিবলৈ উদ্যোগী। ফলাচলতে সমাজবাদী বিপ্লৱৰ পৰিপ্ৰেক্ষিত অবিহনে বুৰ্জোৱা অৰ্থনীতিৰ সমালোচনা বন্ধ্যা। কোৱা বাহুল্য যে মাৰ্ক্সৰ The class Struggles in France প্ৰভৃতি গ্ৰন্থয়ো পাঠকৰ সমাদৰ পাইছিল। কিন্তু তেওঁৰ জীৱনৰ আগৰ চোৱাৰ বিবিধ "দাৰ্শনিক" তথা মানৱতাত্বিক ৰচনা বহুদিন হয় অপ্ৰকাশিত নহয় অৱহেলিত হৈ থাকে। তেওঁৰ বিশ্লেষণৰ তাত্বিক ভিত্তি আৰু দৃষ্টিকোণৰ স্বৰূপ ফুটি ওলায় তেওঁৰ ত্ৰুকুবিবছৰ কালৰ ঘনিষ্ঠ বন্ধু আৰু সহকৰ্মী এংগেলচৰ ৰচনা কেইবোৰত—যথা Anti During। ৰাজনৈতিক নিৰ্ব্বাসন বৰণ কৰি জাৰ্ম্মানিৰ পৰা ফ্ৰান্সৰ পাৰি চহৰলৈ আঁতৰি আহি মাৰ্ক্সে বিভিন্ন সমাজবাদী দল আৰু ভাবধাৰাৰ লগত চিনাকী হয়। ইতিমধ্যে এংগেলচৰ এখন ৰচনাৰ যোগেদি বুৰ্জোৱা অৰ্থনীতিৰ ভ্ৰান্তি আৰু দুৰ্বলতা সম্পৰ্কে তেওঁ সজাগ হৈছিল। এই সময়তে আনুমানিক ১৮৪৪ চনত তেওঁ কিছুমান নিবন্ধ ৰচনা কৰে। হেগেলত শীৰ্ষবিন্দু পোৱা আধুনিক জৰ্ম্মণ ভাববাদী দৰ্শনৰ খোলাৰ পৰা ওলাই সমাজ বাস্তৱৰ প্ৰত্যক্ষ ৰূপান্তৰত ব্ৰতী হোৱা মাৰ্ক্সৰ বৌদ্ধিক বিকাশৰ পথত এইবোৰ নিবন্ধ আছিল গুৰুত্বপূৰ্ণ পদক্ষেপ। এইবোৰ নিবন্ধৰ পাণ্ডুলিপি তেওঁৰ মৃত্যুৰ বহুকাল পিছত Paris Manuscripts বা Economic Philosophical Manuscripts আদি নামত প্ৰকাশিত আৰু প্ৰচাৰিত হয়। ১৯৩২ চনত জৰ্মনিৰ বেৰ্লিন চহৰত ইয়াৰ প্ৰথম সংস্কৰণ প্ৰকাশিত হয়। Capital গ্ৰন্থত অনুচ্চাৰিত নাইবা বিস্তাৰিতভাবে ব্যাখ্যা নোহোৱা কিছুমান গুৰুত্বপূৰ্ণ ধাৰণাৰ আচল অৰ্থ ইয়াতেই পৰিষ্কাৰ হয়। অথচ প্ৰথমতে পৰা এই ৰচনাই একশ্ৰেণীৰ দুৰ্ভাগ্যৰ হাত সাৰিব পৰা নাই।

প্ৰথমে এমুঠি পণ্ডিতৰ মাজতহে সমাদৰ লাভ কৰে। Herbert Marcuse, Theodor W. Adorno, Max Horkheimer প্ৰভৃতি বিদগ্ধ অথচ পুথিগতপ্ৰাণ মাৰ্ক্স বিশাৰদৰ মাজত সেই সময়ত তালিনৰ কিছুমান সংকীৰ্ণ আৰু মতান্ধ ব্যাখ্যাৰ বিপৰীতে (তালিনৰ এনে কিছুমান ক্ৰটি On Khruschov's Phoney Communism নামৰ চীনা কমিউনিষ্ট পাৰ্টিৰ প্ৰচাৰপত্ৰিকাত উল্লিখিত হৈছে) মাৰ্ক্সবাদৰ ভাববাদী ব্যাখ্যা চলি আছিল। জৰ্মন সমাজী গণতান্ত্ৰিক (Social-democratic) দলৰ মাজত মাৰ্ক্সবাদ বিপ্লৱৰ শুভদিনলৈ হবিৰ আৰু নিষ্ক্ৰিয় প্ৰতীক্ষাত পৰিণত হৈছিল। তাৰোপৰি কেচিবাদ বিৰোধী সংগ্ৰাম তীব্ৰ আৰু জৰুৰী হৈ পৰাৰ লগে

লগে তত্বৰ মৌলিক বিবেচনাৰ আহৰিও সাম্যবাদী দলবোৰৰ নাছিল। সমাজতন্ত্ৰ ধ্বংস কৰিবলৈ বিশ্ব-পুঁজিবাদ উঠিপৰি লাগি যোৱা বাবে স্বাভাৱিকতে সমাজতান্ত্ৰিক শিবিৰৰ কেন্দ্ৰ চোবিয়েট ৰাষ্ট্ৰত আমোলাতান্ত্ৰিক কৰ্তৃত্বশীলতা বৃদ্ধি পায়। সেয়ে **Economic-Philosophical Manuscripts** এ উত্থাপন কৰা প্ৰশ্নবোৰৰ সম্পৰ্কে স্পষ্টকৈ মাত মাতিবলৈ সাহ কাৰো নহল। এই ৰচনাই প্ৰথম চাঞ্চল্য সৃষ্টি কৰিলে সাম্যবাদ বিৰোধী মহলত—যোৱা মহাযুদ্ধৰ পিছত। মাৰ্কিন সাম্ৰাজ্যবাদৰ প্ৰধান মন্ত্ৰণাদাতা কূটনীতিবিদ ডালচৰ মন্ত্ৰণাত যেতিয়া সাম্যবাদবিৰোধী “শীতল যুদ্ধ” গৰম হৈ উঠে, তেতিয়া দ্বিতীয় মহাযুদ্ধত সমাজতান্ত্ৰিক ৰুছদেশৰ অপূৰ্ব্ব শৌৰ্য্যবীৰ্য্যই বিশ্বজনতাৰ অন্তৰ জয় কৰি থৈছে। দেশে বিদেশে আৰম্ভ হৈ গৈছে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে তুমুল সংগ্ৰাম। সমাজবাদৰ এই জয় যাত্ৰাত বিচলিত আৰু শংকিত বুৰ্জোৱা পণ্ডিতমহলে কমিউনিজমৰ প্ৰভাৱ আৰু শক্তিৰ কাৰণ বিচাৰি খৰখেদাকৈ গবেষণাত লাগি যায়। কমিউনিষ্ট বিৰোধী প্ৰচাৰো উগ্ৰ আৰু পাণ্ডিত্যপুষ্ট হৈ পৰে। R.N. Carew Hunt ৰ **Theory and practice of Communism,** Karl Popper ৰ **Open Society and its enemies,** Joan-Louis Calvezৰ **The thought of Karl Mark** Robert Tuckerৰ **Philosophy and Myth in Karl Marx** প্ৰভৃতি কিতাপ প্ৰকাশ হয়। ফ্ৰান্স, ইটালী প্ৰভৃতি দেশত সাম্যবাদী দলৰ প্ৰভাৱ বাঢ়ি অহাৰ লগে লগে বুদ্ধিজীৱি মহলত মাৰ্ক্সবাদৰ প্ৰতি সহানুভূতি আৰু আকৰ্ষণো বাঢ়ি আহে। এই সময়তে জৰ্মণিত খ্ৰীষ্টান ধৰ্মসংঘৰ ( church ) পৃষ্ঠপোষকতাত **Marxismusstudien** নামৰ গবেষণা গ্ৰন্থ এলানি প্ৰকাশ হয়। Economic Philosophical Manuscripts ৰ বিশদ আৰু বহল অধ্যয়নৰ দ্বাৰা মাৰ্ক্সবাদৰ ওপৰত কুঠাৰাঘাত চলোৱাৰ প্ৰেৰণা তাত প্ৰকট আছিল। একে সময়তে Georg Luka´cs আৰু Antonio Gramsci ৰ ১৯১৮ ৰ পৰা ১৯৩০ চনৰ ভিতৰত লেখা কিছুমান ৰচনা প্ৰকাশ পোৱাত মাৰ্ক্সবাদৰ প্ৰচলিত ব্যাখ্যা সম্পৰ্কেও নতুনকৈ কিছুমান প্ৰশ্ন উঠে।

**Economic-Philosephieal Manuscripts** ৰ অধ্যয়নৰ এই উৎস আৰু পটভূমি হেতুকে তাৰ পৰিণাম হয় দুটা। মাৰ্ক্সবাদৰ প্ৰচলিত আৰু গৃহীত তত্ত্ব আৰু তথ্য ভ্ৰান্ত বুলি ঘোষণা কৰি **Economic-Philosophical Manuscripts** প্ৰভৃতি আদিকালৰ ৰচনাৰ জৰিয়তে তাৰ সংশোধন আৰু

সংস্কাৰ কৰাৰ প্ৰয়োজন এদলে ঘোষণা কৰিলে। এইদলৰ ভিতৰত বহুত বিখ্যাত মাৰ্ক্স বিৰোধী পণ্ডিতো আছিল। M. Drachkovich ৰ সম্পাদনাত প্ৰকাশিত **Marxism in the Modern World** (Stanford university press, 1966) নামৰ সংকলনত ফৰাচী বুদ্ধিজীৱী Raymond Aron এ খোলা খুলিকৈ মন্তব্য কৰিলে: "Although even by the time he wrote **The German Ideology** Marx repudiated the style and vocabulary of the 1844 manuscripts; although he read and approved Engels's **Anti-Duhring**......,although the concept of alienation has almost disappeared in the great books of Marx's maturity—despite all this, an entire literature developed, first in Germany between 1919 and 1930, then in France after the Second World War, which tried to rethink Marxism in the light of manuscripts Marx himself had never published."

এইবোৰ পণ্ডিতৰ মতে মাৰ্ক্সৰ নবীন আৰু প্ৰবীণ বয়সৰ মতামতৰ মাজত বিৰাট ব্যৱধান আছে। তৰুণ মাৰ্ক্সৰ মাজত এওঁলোকে আৱিষ্কাৰ কৰিলে নীতি বুদ্ধি আৰু আদৰ্শবাদ—মানৱতাবাদী তথা মানৱকেন্দ্ৰিক চিন্তাধাৰাৰ প্ৰভাৱ। আনহাতে প্ৰবীণ মাৰ্ক্সৰ চিন্তাত হেনো মানবীয় চিন্তা, কল্পনা আৰু উদ্যমৰ ঠাইত জড় জগতৰ নিয়মৰ (law) শাসনহে উল্লেখযোগ্য। বহু পণ্ডিত আৰু তাত্ত্বিকে আৰু এখোজ আগবাঢ়ি ক'লে যে প্ৰবীণ মাৰ্ক্সৰ অপৰাধ গুৰুতৰ নহয়, এই বিকৃতিৰ বাবে প্ৰধানকৈ দায়ী হ'ল এংগেলচ্, অথচ যাক মাৰ্ক্সবাদৰ অন্যতম প্ৰতিষ্ঠাতা বুলি সন্মান কৰা হৈছে! তেওঁৱেই হেনো সৃষ্টিৰ আদিতে ছয়তানে কৰা লীলাৰ দৰে লীলা কৰি মাৰ্ক্সবাদৰ মানবীয় প্ৰেৰণা বিলুপ্ত কৰি তাৰ ঠাইত ভ্ৰান্ত বৈজ্ঞানিক নিয়মৰ লৌহশৃংখল প্ৰতিষ্ঠা কৰিলে। বহুতৰে মাজত এই ধাৰণাই আজি এক অবিসম্বাদী সত্যৰ আসন পাইছে। বাহুল্যৰ ভয়ত সেইবোৰৰ নামোল্লেখ কৰা ন'গল।

বুৰ্জোৱা মহলত মাৰ্ক্স অথবা তৰুণ মাৰ্ক্স সম্পৰ্কে এই নতুন আৰু ব্যাপক উৎসাহৰ পৰিমাণ আচৰিত জানিব পাৰি **George Lichtheim** ৰ জনপ্ৰিয় গ্ৰন্থ **Marxism** ত। (প্ৰথম প্ৰকাশ ১৯৬১, **Routledge and Kegan Paul**)।

এই গ্ৰন্থৰ জোৰতে দেশবিদেশৰ বুৰ্জোৱা মহলত লিথ্‌ট্‌হাইম মাৰ্ক্সবাদ সম্পৰ্কে বহুদৰ্শী পণ্ডিত আৰু নিৰপেক্ষ authority হিচাপে প্ৰখ্যাত হৈছে। লিথ্‌ট্‌-হাইমৰ অধ্যয়নৰ পৰিসৰ অৱশ্যে বিস্তাৰিত। কিন্তু তেওঁৰ লক্ষ্য হ'ল 'দ্বান্দ্বিক বস্তুবাদ' ( dialectical materialism ) সম্পৰ্কে সংশয় আৰু অনাস্থা সৃষ্টি কৰা। তেওঁ কব খোজে যে মাৰ্ক্সবাদ বিজ্ঞান নহয়, ইতিহাসত প্ৰাকৃতিক বিজ্ঞানৰ নিয়ম প্ৰয়োগ কৰিব নোৱাৰি :

"...'dialectical materialism' : a concept not present in the original Marxian version, and indeed essentially foreign to it, since for the early Marx the only nature relevant to the understanding of history is human nature. For the later Engels, on the contrary, historical evolution is an aspect of general ( natural ) evolution, and basically subject to the same 'laws'. The contrast could hardly be more glaring". ( p, 245 )

*    *    *

In short, for the early Marx——and in a measure for the the mature Marx too——nature and man are complex realities whose interaction is studied in society. This is precisely the reverse of Engels's habit of deducing historical "laws" from the operation of a nature conceived as an independent reality external to man." ( p 251 )

লিথ্‌ট্‌হাইমে ইয়াৰ উপৰিও আন বহু বুৰ্জোৱা মাৰ্ক্সবিশাৰদৰ পদাংক অনুসৰণ কৰি কৈছে যে মাৰ্ক্স 'বস্তুবাদী' নাছিল। বস্তুৰ প্ৰাথমিক অস্তিত্ব আৰু আমাৰ বিশ্বচৰাচৰৰ জ্ঞানত বস্তুৰ প্ৰধান ভূমিকা মাৰ্ক্সে মানি লোৱাটো হেনো প্ৰমাণ কৰিব নোৱাৰি। আনকি মানুহৰ জ্ঞান বা চেতনাও হেনো বস্তুজগতৰ প্ৰতিফলন ( reflection ) বুলি মাৰ্ক্সে স্পষ্টকৈ ক'তো কোৱা নাই। অৰ্থাৎ মাৰ্ক্সবাদৰ ন্যায় ( Logic ), জ্ঞানতত্ত্ব ( epistemology ) আৰু বিশ্ববীক্ষা ( world outlook ) সকলোতে মাৰ্ক্সৰ মূল শিক্ষাৰ পৰা মাৰাত্মক বিচ্যুতি ঘটিছে! বিলাতৰ পৰা প্ৰকাশিত **Socialist Register** নামৰ বিখ্যাত মাৰ্ক্সবাদী বাৰ্ষিক সংকলনতো প্ৰায় প্ৰতি বছৰে এই "তত্ত্ব" গ্ৰহণ

কৰি লেখা প্ৰবন্ধ ছপা হৈ আছে। কিন্তু এই "তত্ত্ব" প্ৰমাণ কৰা এনে আহুকালৰ কথা যে স্বয়ং লিখ্‌টহাইমে কেৱল এংগেল্‌চ্‌ আৰু মাৰ্ক্সৰ মতভেদ আবিষ্কাৰ কৰি ক্ষান্ত থকা নাই, তৰুণ মাৰ্ক্স আৰু প্ৰবীণ মাৰ্ক্সৰ মাজতো মতভেদ আবিষ্কাৰ কৰিবলৈ বাধ্য হৈছে।

: "In contrast to all this, thinking of the mature Marx plainly discloses a growing emphasis upon the scientific study of processes independent of human volition, and a corresponding stress upon the concept of 'historical necessity' (p. 236)

কোৱা বাহুল্য যে এই বিন্দুত মাৰ্ক্স আৰু এংগেল্‌চৰ বিপৰীতমুখী বুলি দাবী কৰা বেথা ডুডাল একত্ৰ হৈছে॥ আন এঠাইত (যেনে ৩৬ পৃষ্ঠাত) মাৰ্ক্সৰ মূল বক্তব্যৰ ভিতৰতে স্ববিৰোধ উদ্ঘাটন কৰি কৰি লিখ্‌টহাইমে মাৰ্ক্সৰ অধ্যয়নত "যুগান্তৰ" আনিছে। * *

মাৰ্ক্স আৰু মাৰ্ক্সবাদৰ এনেবোৰ বিজ্ঞতৰীয়া ব্যাখ্যাত "দ্বান্দ্বিক বস্তুবাদ" তথা দ্বান্দ্বিক দৃষ্টিকোণ অৱলম্বন কৰাত নিষ্কৰ্মা বুৰ্জোৱা পণ্ডিতৰ ব্যৰ্থতাহে সূচিত হয়। মানৱতাবাদী আৰু বিষয়ীগত (subjective) দৃষ্টিভংগীক অত্যধিক গুৰুত্ব দি মাৰ্ক্সবাদৰ বৈজ্ঞানিক মৰ্ম অস্বীকাৰ কৰাই এনে ব্যাখ্যাৰ আচল ধৰ্ম। আধুনিক বুৰ্জোৱা চিন্তাধাৰাৰ অভ্যন্ত ভাববাদৰ পৰিসীমা এইবোৰ পণ্ডিতে প্ৰকৃততে অতিক্ৰম কৰিব পৰা নাই। দ্বান্দ্বিক বস্তুবাদে যে মানৱীয় চেতনাৰ গুৰুত্ব স্বীকাৰ কৰিও তাক প্ৰথম আৰু প্ৰধান ভূমিকা দিয়া নাই, তাতেই এওঁলোকৰ অভিমান। মাৰ্ক্সীয় চিন্তাৰ সাৰ্বিকতা আৰু বহুদৰ্শিতা আওকাণ কৰি খণ্ডিত (আৰু হেগেলৰ দিনতেই বিধ্বস্ত) বুৰ্জোৱা জ্ঞানতত্ত্বৰ (epistemology) সহায়েৰে দ্বান্দ্বিক, বস্তুবাদক পৰাভূত কৰিবলৈ এনেকুৱা জ্ঞানগৰ্বী প্ৰয়াস কেনে হাস্যকৰ, এওঁলোকে নুবুজে।

কাণ্টৰ প্ৰতি মাৰ্ক্সৰ শ্ৰদ্ধা নিশ্চয় আছিল। কিন্তু তেওঁৰ চিন্তাত কাণ্টৰ প্ৰভাৱ প্ৰবল বুলি মাৰ্ক্সে নিজেও ক'তো কোৱা নাই, আৰু তেওঁৰ ৰচনাৱলীৰ পৰাও প্ৰমাণ কৰিব নোৱাৰি। কিন্তু লিখ্‌টহাইম্ প্ৰমুখ্যে পণ্ডিতৰ মতে Theses on Feuerbach ত মাৰ্ক্সে ভাববাদী দৰ্শন তথা কাণ্টৰ ওচৰত নিজৰ ঋণ স্বীকাৰ কৰিছে।

"The **Thesis on Feuerbach** are there to show that he was straining after a genuine synthesis of materialisn and idealism which would take account of Kant's critique." (pp 251-252)

*      *      *

"The very first **Thesis on Feuerbach** expressly acknowledges the embarassing truth that, owing to this 'defect of all hitherto existing materialism" a situation had arisen where 'the active side…was developed by idealism' (p. 252)

এইবোৰ মন্তব্যত কোৱা হৈছে যে মাৰ্ক্সৰ চিন্তাধাৰাত কাণ্টৰ ভাববাদৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ পৰিছে। জড় আৰু যান্ত্ৰিক বস্তুবাদৰ লগত মাৰ্ক্সৰ চিন্তাৰ তফাৎ হেনো এইখিনিতে যে মানুহৰ মনৰ ( mind ) ভূমিকা কেৱল বস্তুজগতৰ প্ৰতিফলন নহয়। বস্তুজগতক আমাৰ জ্ঞানৰ পৰা পৃথক কৰিব নোৱাৰি। অতএৱ বস্তুজগতৰ সৃষ্টিত আমাৰ মনৰ সক্ৰিয় ভূমিকা আছে। এইবোৰ পণ্ডিতে কব খোজে যে এই কাণ্টিয় ভাববাদকে মাৰ্ক্সে তেওঁৰ সাধাৰণ দৃষ্টিকোণৰ অন্তৰ্ভুক্ত কৰি লৈছিল।

স্বয়ং কাণ্টে বস্তুজগতৰ স্বতন্ত্ৰ অস্তিত্ব অস্বীকাৰ কৰিবলৈ আহুকাল পাইছিল। অথচ তেওঁৰ ভাববাদী দৃষ্টিকোণৰ লগত তাৰ সংগতি ৰক্ষা কৰাও আছিল দুৰুহ। সেয়ে কাণ্টে এনে এখন বস্তুজগতৰ কথা কল্পনা কৰিলে যি আমাৰ বিশ্বজগতৰ প্ৰত্যক্ষ জ্ঞানৰ ভিত্তি, অথচ যাক প্ৰত্যক্ষভাৱে আমি কেতিয়াও জানিব নোৱাৰোঁ ( unknowable thing-in-itself )। কাণ্টৰ পিছত হে'গে'লে কিন্তু এই অজ্ঞেয় বস্তুৰ প্ৰয়োজন মানি নললে। সত্তা আৰু চিন্তা বা চৈতন্যৰ অভেদ ( identity of being and thinking ) হেগেলৰ বিশেষ দৰ্শনৰ ভিত্তিস্থানীয় ধাৰণা। অৱশ্যে হেগেলে সত্তাক বস্তুবাদী দৃষ্টিকোণৰ পৰা চোৱা নাছিল। এই সম্পৰ্কে এংগেল্‌চে কৈছে :

"**But during this long period from Descartes to Hegel and from Hobbes to Feuerbach, the philosophers were by no means impelled, as they thought they were, solely by the force of pure reason. On the contrary, what really pushed**

them forward most was the powerful and ever more rapidly onrushing progress of natural Science and industry. Among the materialists this was plain on the surface, but the idealist systems also filled themselve more and more with a materialist content and attempted pantheistically to reconcile the antithesis between mind and matter. Thus, ultimately, the Hegelian system represents merely a materialism idealistically turned upside down in method and content : ( **Ludwig Feuerbach and the End of classical German Philosophy**. )

হে'গেলে যদিও জগৎখনক চৈতন্যৰূপী বুলিছে, তথাপি এই জগৎ তেওঁৰ বাবে কোনো বিভ্ৰম বা স্বপ্ন বা মায়া নহয়—জগৎখন বাস্তৱ। হেগেলৰ এই বাস্তৱ-বোধ যে অতি প্ৰবল আছিল, এংগে'ল্‌চ নালাগে তেওঁৰ ভাববাদী শিষ্যবো মানিবলৈ বাধ্য : Bernard Bosanquet এ কৈছে : The world of spirits with him is no world of ghosts. When we study the embodiments of mind or spirit in his pages, and read of law, property, and national unity, of fine art, religion etc etc··· we may miss our other world with its obscure 'beyond', but we at any rate feel ourselves to be dealing with something real···"

ভাববাদী জ্ঞানতত্বই প্ৰশ্ন কৰে : মোৰ জ্ঞান বা চেতনা যে সঠিক মই কেনেকৈ জানোঁ ? মোৰ জ্ঞানেই বা সম্ভৱ হয় কেনেকৈ ? কোৱা বাহুল্য যে প্ৰশ্নৰ গতিগোত্ৰৰ পৰাই বুৰ্জোৱা জ্ঞানতত্বৰ ব্যক্তিকেন্দ্ৰিক দৃষ্টিকোণৰ যেৰষবৰ জটিলতা অনুমান কৰিব পাৰি। মাৰ্ক্সবাদে পোনতে জ্ঞানৰ এই ব্যক্তিকেন্দ্ৰিক উত্তৰ বা স্বৰূপত বিশ্বাস নকৰে। তাৰাব অস্তিত্বই প্ৰমাণ কৰে যে জ্ঞানৰ স্বৰূপ তথা উৎপত্তি সামাজিক। তাতোকৈ ডাঙৰ কথা, জ্ঞান বিশ্বজগতৰ নিষ্ক্ৰিয় প্ৰতিফলন নহয়। জ্ঞান হ'ল এটা প্ৰক্ৰিয়া, বিশ্বৰ লগত মানুহৰ সামাজিক আদানপ্ৰদানৰ—তথা পৰিশ্ৰমৰ—পৰিণাম আৰু অংগ।

ভাববাদী জ্ঞানতত্বৰ প্ৰশ্নই যি সাঁথৰৰ সৃষ্টি কৰে, তাত ধৰা দিদি সেই প্ৰশ্ন সোপাকে মাৰ্ক্সবাদে বেলেগ ৰূপত উত্থাপন কৰে। কাৰণ প্ৰশ্নৰ approach ত

ভুল থাকিলে উত্তৰো ভ্ৰান্তিময় হব। যেনে, পৃথিবীখন কিহে ধৰি আছে, সৃষ্টিৰ আদিতে কি আছিল, এইবোৰ হ'ল বিভ্ৰান্তিকৰ আৰু অৰ্থহীন প্ৰশ্ন। সেয়ে বুৰ্জোৱা জ্ঞানতত্ত্বৰ মোহ আৰু ভ্ৰান্তি আঁতৰাই তাৰ বাস্তৱসম্মত উপাদান এংগেল্‌চে গ্ৰহণ কৰিছে আৰু তাক এনেকৈ ব্যাখ্যা কৰিছে:

"The most telling refutation of this as of all other philosophical crotchets is practice, namely, experiment and industry. If we are able to prove the correctness of our conception of a natural process by making it ourselves, bringing it into being out of its conditions and making it serve our own purposes into the bargain, then there is an end to the Kantian ungraspable "thing-in-itself."

**( Ludwig Feuerbach and the end of classical German philosophy )**

কোৱা বাহুল্য যে এইবোৰ মন্তব্যত বুৰ্জোৱা ভাববাদী জ্ঞানতত্ত্বৰ মূল বিশ্বাসবোৰ ( assumptions ) গ্ৰহণ নকৰি একাষৰীয়া কৰি থোৱা হৈছে। পুনৰ দোহাৰিব পাৰি যে জ্ঞান পণ্ডিতৰ অলস মগজুৰ সৃষ্টি নহয়—কৰ্মী মানুহৰ বিশ্বৰ লগত চলা অহৰহ আদান-প্ৰদানৰ এটা গতিশীল পৰিণতি।

কেৱল যে এংগেল্‌চেহে এনে কাম কৰিছে সি নহয়। মাৰ্ক্সেও কৈছে যে মানুহৰ জ্ঞান বা চৈতন্য জীৱন্ত মানুহৰ উপাৰ্জন, আৰু জীৱনধাৰণৰ প্ৰয়োজনীয় মৌলিক প্ৰক্ৰিয়াবোৰৰ পৰা জ্ঞানাৰ্জনক বা জিজ্ঞাসাক বিচ্ছিন্ন কৰিব নোৱাৰি। "Men are the producers of their conceptions, ideas etc,—real, active men, as they are conditioned by a definite development of their productive forces and of the intercourse corresponding to these, up to its furthest forces. Consciousness can never be anything else than conscious existence, and the existence of men is their actual life-process." **(German Ideology**, Chapter I )

এই উক্তিৰ শেষ বাক্যটোৰ তাৎপৰ্য্যৰ প্ৰতি স্বাভাৱিকতে ভাববাদী সমালোচক অচেতন।

জ্ঞান বস্তুজগতৰ নিষ্ক্ৰিয় প্ৰতিফলন নহয়, ঠিক। কিন্তু জ্ঞান মানুহৰ তাৰ নাইবা জ্ঞান মানুহৰ মনৰ সৃষ্টি, এনে ধাৰণাও নিশ্চয় ভুল। মানুহৰ মনৰ বাহিৰত যি বস্তুজগৎ আছে ( যি বস্তুজগতৰ ভিতৰত বহল দৃষ্টিত মানুহৰ মনো সোমায় ) সেই বস্তুজগতৰ চৰিত্ৰ আৰু স্বৰূপ সম্পৰ্কে মানুহৰ মনে যে সঠিক খবৰ যোগাব পাৰে, তাৰ প্ৰমাণ হ'ল হাজাৰ বছৰ জুৰি চলি অহা মানুহৰ উদ্যোগ ( industry )। এই সম্পৰ্কে লেনিনে বগ্‌দানফৰ লগত তৰ্কত প্ৰবৃত্ত হৈছিল, কাৰণ তেওঁ বুজিছিল যে বস্তুজগতৰ স্বতন্ত্ৰ অস্তিত্ব অস্বীকাৰ কৰিলে মাৰ্ক্সবাদ তথা দ্বান্দ্বিক বস্তুবাদৰ অবিসম্বাদী সাৰ্থকতা নাথাকিব, সি আন বহু দৰ্শনৰ ভিতৰৰে এটা দৰ্শন হৈ পৰিব। লে'নিনে তেওঁৰ **Materialism and Empirio-criticism** গ্ৰন্থত মন্তব্য কৰিছে :

(১) বস্তুচৰাচৰ আমাৰ চেতনাৰ বাহিৰত, চেতনাৰ পৰা স্বতন্ত্ৰ হৈ বিৰাজ কৰিছে। ভাববাদী বিলাকে ভবাৰ দৰে আমাৰ চেতনাই বস্তুচৰাচৰ সৃষ্টি কৰা নাই।

(২) আমাৰ ইন্দ্ৰিয়ানুভূতিয়ে ( sensation ) খবৰ দিয়া পৰিদৃশ্যমান জগৎ ( phenomena ) আৰু বস্তুজগতৰ মাজত কোনো মৌলিক প্ৰভেদ নাই। মাথোন এই স্বতন্ত্ৰ জগতৰ বিষয়ে যিকোনো মুহূৰ্তত আমাৰ জ্ঞান সীমাবদ্ধ। যিকোনো মুহূৰ্তত এই বস্তুজগতৰ ভালেখিনি কথা আমি নজনা হৈ থাকোঁ।

(৩) আমাৰ জ্ঞান স্থাণু আৰু পৰিবৰ্তনহীন ( ready-made and unalterable ) নহয়। আমি দ্বান্দ্বিক পদ্ধতিত চিন্তা কৰিলেই বুজিম জ্ঞান কেনেকৈ অজ্ঞতাৰ পৰা ওলাই আহে, কেনেকৈ সি অধিক শুদ্ধ, অধিক সম্পূৰ্ণ হয়।" ( ভাবানুবাদ। **Materialism and Empirio-Criticism, Moscow, 1967, P 89** )

লে'নিনৰ **theory of reflection** ভুল বুলি বহুত পণ্ডিতে আজিকালি সন্দেহ কৰি আছে। বহুতে আকৌ পৰবৰ্তী যুগত লেনিনে সেই **theory** বৰ্জন কৰা বুলি মত পোষণ কৰে। আচলতে এই ধাৰণা ভিত্তিহীন। **Theory of Reflection** ৰ তাৎপৰ্য্য এনে নহয় যে আমাৰ চেতনাত বিশ্বজগতৰ "চিৰন্তন" ৰূপৰ হুবহু প্ৰতিকৃতি ফুটি উঠে। বিশ্বজগতৰ লগতে মানুহৰ চেতনাও যেহেতু গতিশীল, এনে ধাৰণা হাস্যকৰ হবলৈ বাধ্য। কিন্তু

প্ৰশ্ন হ'ল ভাববাদে ভবাব দবে মানুহৰ মনৰ বাহিৰত স্বতন্ত্ৰ বস্তুজগৎ নাই নেকি? আমাৰ ধাৰণা যে বিশ্ববিশ্ৰুত মাৰ্ক্সবাদী তাত্ত্বিক Antonio Gramsci য়েও এইবিষয়ে শুদ্ধ সমাধান দিব পৰা নাই। Marx, Engels, Lenin ৰ পথেৰে খোজ দিলেই বাটকেণা লগাৰ আশংকা নাথাকে। এই সম্পৰ্কে ভবিষ্যতে বহলাই আলোচনা কৰিম।

গ্ৰামচি নিজে প্ৰখ্যাত ভাববাদী দাৰ্শনিক বেনেডে'ট্টো ক্ৰোচে'ৰ অনুৰক্ত পাঠক আছিল। সেয়ে ভাববিবৰ্জিত বস্তুৰ "অস্তিত্ব" মানিবলৈ তেওঁ টান পাইছে। আধুনিক বুৰ্জোৱা দৰ্শনত কেৱল মাৰ্কিন প্ৰয়োগবাদতে (pragmatism) এই সম্পৰ্ক আংশিক সত্য প্ৰকাশ পাইছে। কিন্তু একচেটিয়া পুঁজিৰ শাসনত "গণতন্ত্ৰ"ৰ সপোন দেখা মাৰ্কিন প্ৰয়োগবাদী দাৰ্শনিকে উৎকট ধৰণৰ ভুলো কৰিছে—বহু প্ৰয়োগবাদীয়ে "প্ৰয়োগ"ৰ (practice) ঐতিহাসিক বাস্তৱতা অস্বীকাৰ কৰি বহি আছে। নিয়মৰ (laws) অস্তিত্বও প্ৰায় অস্বীকাৰ কৰিছে। হ'লেও তেওঁলোকৰ ভিতৰত কোনো কোনোৱে, যেনে জন ডিউইয়ে, ভাবে যে ভাবৰ জন্ম কোনো জাগতিক আৰু চেতনা-তিৰিক্ত (extra-mental) পৰিস্থিতিত। সেই পৰিস্থিতিৰ প্ৰতি বিভিন্ন প্ৰতিক্ৰিয়া (response) হব পাৰে। জন্তুৰ ক্ষেত্ৰত সহজ বৃত্তি (instinct) আৰু অভ্যাস (habit) ৰ দ্বাৰা জগতৰ লগত তাৰ বুজাপৰা (adjustment) চলে। কিন্তু মানুহৰ জগৎখন জন্তুৰ জগততকৈ বহুগুণে বেছি পৰিবৰ্তনশীল। মানুহ নিজেও পৰিবৰ্তনশীল, ঐতিহাসিক জীৱ। পৰিস্থিতি তথা জগতৰ পৰিবৰ্তনত সি সক্ৰিয় অংশ গ্ৰহণ কৰে। মানুহৰ ক্ষেত্ৰত পৰিস্থিতিৰ লগত মোকাবিলা কৰাৰ এটা স্বাভাৱিক উপায় হৈছে ভাব (ideas)। পৰিস্থিতিৰ পৰিবৰ্তনৰ অংগ হিচাবে ভাবৰ উৎপত্তি। পৰিস্থিতিৰ পৰিবৰ্তনত ভাব কাৰ্য্যকৰী! জন ডিউইৰ এই ধাৰণা অপেক্ষাকৃত ভাবে আন বুৰ্জোৱা জ্ঞানতত্ত্বৰ তুলনাত অধিক বাস্তৱবাদী। অন্ততঃ স্বতন্ত্ৰ বস্তুচৰাচৰৰ (things) অস্তিত্ব ইয়াত মানি লোৱা হৈছে। কিন্তু ভ্ৰান্ত চেতনাৰ (false consciousness ; ideology) উৎপত্তি আৰু প্ৰভাৱ ব্যাখ্যা কৰাৰ শক্তি তাৰ নাই। কাৰণ মানুহ নিজেও যে কঠোৰ ঐতিহাসিক নিয়মৰ বশ, সি বুজি নাপায়। তদুপৰি চেতনাক সি একধৰণৰ বাহ্যিক কৌশলৰ (manipulation) দ্বাৰাত ধৰলৈ অপচেষ্টা কৰে।

মাৰ্ক্সবাদৰ ওপৰত 'বিপুল" গৱেষণা কৰি খ্যাতিমন্ত হোৱা অন্যতম প্ৰধান বুৰ্জোৱা পণ্ডিত Bertram D. Wolfe এ Drachkovich ৰ সম্পাদনাত প্ৰকাশিত ইতিপূৰ্বে উল্লিখিত সংকলন **Marxism in the Modern World** ত Leninism নামৰ এটি প্ৰবন্ধ লেখিছে।

তেওঁ উদ্‌ঘাটন কৰা এটা আপুৰুগীয়া তথ্য হ'ল এয়ে যে বেচেৰা লেনিন এনে অজলা আৰু অপণ্ডিত আছিল যে মাৰ্ক্স আৰু এংগেল্‌চৰ মাজত থকা বিৰাট মতভেদৰ কথা তেওঁ গমকে নাপালে :

"In any case he (Lenin) was not aware of any serious differences in the conceptions of Marx and Engels, such as those that have since been suggested by such Marxists or Marxologists as Korsch, Hook,, Rubel, and Lichtheim. To Lenin's simple faith, every utterance of either was sacred." (p. 47)

কিন্তু মাৰ্ক্সৰ চিন্তাধাৰা আছিল বিপ্লৱী চিন্তাধাৰা, সক্ৰিয় চিন্তাধাৰা। এনে চিন্তাধাৰাৰ মৰ্ম কচ বিপ্লৱৰ নেতা আৰু সংগঠক লে'নিনে বেছি ভালকৈ বুজিব নে মাৰ্কিন বিশ্ববিদ্যালয়ৰ পাণ্ডিত্যগৰ্বী অধ্যাপকে বুজিব ?

দ্বিতীয়তে লিখ্‌টহাইমৰ দৰেই অধ্যাপক উল্‌ফেও মাৰ্ক্সৰ মাজত প্ৰচুৰ স্ববিৰোধ আৰু বিসংগতি আবিষ্কাৰ কৰিছে। লেনি'নে যেনো বুজা নাছিল যে "Marx was no monolith, but was full of contradictions and ambiguities" (p. 54)

একেটা প্ৰবন্ধতে কিন্তু অধ্যাপক উল্‌ফে ১৯১৬ চনৰ পৰা ১৯১৭ চনৰ ভিতৰত লে'নিনে তেওঁৰ বান্ধৱী Inessa Armand (ইনে'ছা আৰমাঁ) লৈ লেখা কিছুমান চিঠিৰ পৰা কেইটামান বাক্য উদ্ধৃত কৰিছে। লে'নিনৰ বিৰুদ্ধে অধ্যাপক উল্‌ফৰ বিষোদ্গাৰ সত্ত্বেও মূঠতে বুজা যায় যে এংগে'লচৰ ব্যাখ্যা তথা দ্বান্দ্বিক বস্তুবাদৰ সাৰ্থকতা সম্পৰ্কে শেষপৰ্যন্ত লে'নিনে দ্বিধা বা সংশয় পোষণ কৰা নাছিল। লে'নিনৰ দুটামান বাক্য এনেধৰণৰ আছিল :

"Try, say I, just once to prove that Engels was wrong ! You will never be able to." (p. 48)

"Engels was the father of passive radicalism ? Not true ! Not true at all. This you will never be able to show." ( p, 48 )

বিপ্লৱী জীৱনৰ সফল অৰ্থাৎ বৈজ্ঞানিক অভিজ্ঞতাৰে লে'নিনে মাৰ্ক্সবাদ যেনে শুদ্ধকৈ বুজিব পাৰিছিল, কিতাপৰ পৰা সংখ্যাতীত উদ্ধৃতি দিব পৰা পণ্ডিতে তেনেদৰে পাৰিবনে ? এইবোৰ বিষয়ত লে'নিনৰ নেতৃত্ব মনাটোৰেই সংগত নহবনে ?

# মাৰ্ক্সবাদ আৰু মতাদৰ্শৰ সমস্যা

Men are the producers of their conceptions, ideas etc.—real, active men, as they are conditioned by a determinate development of their productive forces, and of the intercourse which corresponds to these, up to its most extensive forms.

Marx : **German Ideology**

## (১) শোষণবাদী কূটাঘাত

পুৰণি পৃথিৱীখনৰ অন্তিম মুহূৰ্ত আসন্ন হৈ পৰাত তাৰ মধ্যবিত্ত বুদ্ধিজীৱীৰ চিন্তাতো বহুত আউল লাগিছে। বহুকাল নিষ্ঠাৰে পুঁজিবাদী আদৰ্শ আৰু চিন্তাধাৰা প্ৰচাৰ কৰা মধ্যবিত্তই পুঁজিবাদৰ সংকটৰ ভূঁইকঁপ অনুভৱ কৰিছে। সেয়ে তাৰ বিশ্বৱীক্ষা (world-outlook) নিস্তেজ হৈ পৰিছে। বহল অৰ্থত বুৰ্জোৱা শ্ৰেণীৰ হকেও যুঁজিবলৈ তাৰ ভয়। সেয়ে নিতান্ত নীচ ধৰণৰ ব্যক্তিস্বাৰ্থকেই মহান নীতিৰ মুখা পিন্ধাই পোষণ কৰাটো তাৰ ধৰ্ম হৈ পৰিছে। অসময় দুৰ্বল মধ্যবিত্তৰ মাজত চিন্তাৰ এই দৈন্য আৰু প্ৰকট। এক বিচিত্ৰ বজকৰা আৰু সন্তীয়া মনোভাৱ তাৰ বৈশিষ্ট্য হৈ পৰিছে। আমাৰ বিদ্বান সমাজত যিবোৰ “চাহৰ কাপত ধুমুহা” উঠে, তাৰ আন ব্যাখ্যা আৰু কি হব পাৰে? এদল ওলাইছে হোৱাই-নোহোৱাই “নকল” ধৰা পেলাই স্বাভাৱিক মধ্যবিত্ত খিয়াল পৰিতৃপ্ত কৰা লোক। বিষয়বস্তু সম্পৰ্কে প্ৰয়োজনীয় জ্ঞান নোহোৱাকৈ কেৱল ব্যক্তিগত খিয়াল চৰিতাৰ্থ কৰিবলৈ “চোৰ ধৰি” ফুৰা মহাবীৰ সকলৰ সাময়িক কুপ্ৰভাৱ

প্রকৃততে পৰিত্যাগৰ কাৰণ। সেইদৰে চিন্তাৰ গভীৰতা নোহোৱা মানুহে যেতিয়া ছালেবেৰে কোনোবাই লোকৰ ৰচনাত "স্ববিৰোধ" আৱিষ্কাৰ কৰি ফুৰে, তেতিয়া তেওঁলোকৰ উৎসাহত মিশ্রিত কৰুণ আৰু অৱজ্ঞা ওপজে। এনেকুৱা মানুহৰ চিন্তাৰ পিছত কোনো মহান, বিশ্বজনীন, ঐতিহাসিক চিন্তাধাৰাৰ প্ৰেৰ নাথাকে। বিশ্লেষণৰ সহায়ত প্রমাণ কৰা যায় যে এওঁলোক ভাগ্যান্বেষী ( careerist ) আৰু সুবিধাবাদী।

আচৰিত নহয় যে মাৰ্ক্সবাদৰ ওপৰতো এওঁলোকৰ লোলুপ দৃষ্টি পৰিছে। কাৰণ বিচাৰি হাবাথুৰি খাব নালাগে। অনুন্নত নব্য উপনিবেশবোৰৰ চৰকাৰে ব্যাপক জনগণৰ আশা-আকাঙ্ক্ষাক ফুচুলাই ৰাখিবলৈ, তেওঁলোকৰ সংগ্রামী শক্তিক ভোটা কৰিবলৈ, "সমাজবাদী" নামাৱলী গায়েমূৰে আঁৰি লৈছে। এই ধৰণৰ ধুৰন্ধৰ "সমাজবাদী" চৰকাৰৰ প্ৰচাৰৰ বাবেও তত্ত্বৰ প্ৰয়োজন। সেয়ে সমাজবাদৰ অবিসম্বাদী ধাৰা মাৰ্ক্সবাদক পোহ মনাই চৰকাৰৰ সেৱাত লগাবলৈকো ভাগ্যান্বেষী বুদ্ধিজীৱীৰ দল উঠিপৰি লাগিছে। তেওঁলোকৰ লক্ষ্য অৱশ্যে জনগণৰ মুক্তি নহয়—প্ৰমোচন, পুৰস্কাৰ আৰু আত্মপ্ৰতিষ্ঠাহে! জনসাধাৰণৰ মাজত মাৰ্ক্সবাদৰ সংগ্রামী ধাৰাক বিদগ্ধ পাণ্ডিত্যৰ সহায়ত ঢাকি ধৰি, বুৰ্জোৱা চিন্তা আৰু মাৰ্ক্সবাদৰ মাজৰ স্পষ্ট পাৰ্থক্য অস্পষ্ট কৰি, মাৰ্ক্সবাদক জনগণৰ মুক্তিৰ অস্ত্ৰৰ ঠাইত মুক্তিৰ প্ৰতিবন্ধকৰূপে ভাঙি গঢ়ি তেওঁলোকে এই উদ্দেশ্য সিদ্ধি কৰিব খোজে। যি যিমান চালাকীৰে এই কাম কৰে, তাৰ ভাগ্যত সিমান ডাঙৰ পুৰস্কাৰ মিলে।

১৮৪৮ চনৰ ১৫ ডিচেম্বৰত "নয়ে ৰাইনিশ্চে ঝাইতুং" কাকতত জাৰ্মান বুৰ্জোৱা শ্ৰেণীৰ প্ৰতিবিপ্লৱী চৰিত্ৰ উদঙাই দি মাৰ্ক্সে এটা প্ৰবন্ধ লেখে। তাত তীব্ৰ ঘৃণা আৰু অৱজ্ঞাৰে জাৰ্মান বুৰ্জোৱা শ্ৰেণীক আক্ৰমণ কৰি তেওঁ তাক এনেদৰে বৰ্ণন কৰে: "নিজৰ ওপৰত বিশ্বাস নথকা, জনসাধাৰণৰ ওপৰত বিশ্বাস নথকা, ওপৰৰ মহলাৰ বিৰুদ্ধে ভোৰ্ভোৰাই তলৰ মহলাৰ ভয়ত শিঁয়ৰি উঠা, দুই শ্ৰেণীৰ প্ৰতি স্বাৰ্থপৰ অথচ নিজৰ স্বাৰ্থপৰতা সম্পৰ্কে সচেতন……নিজৰ আকাংক্ষাবোৰৰ লগত দৰ-ভাও খেলি থকা, উদ্যমহীন, নিজেও বিশ্বাসহীন আৰু জনগণ সম্পৰ্কেও সংশয়াচ্ছন্ন, কোনো বিশ্ব-ঐতিহাসিক ভূমিকা নথকা; এক জঘন্য মনৰ বৃদ্ধ—যি এক বলিষ্ঠ জনতাৰ প্ৰথম যৌৱনসুখৰ প্ৰবৃত্তিবোৰক শাসন কৰা আৰু বিপথে লৈ যোৱাকেই নিজৰ নিয়তি বুলি ধৰি লৈছে।" এই তীব্ৰ ভৰ্ৎসনাৰে কেৱল আজিৰ কিছুমান

ভাৰতীয় বামপন্থী দল সম্পৰ্কেই প্ৰযোজ্য এনে নহয়—কিছুমান ভাৰতীয় তথা অসমীয়া "প্ৰগতিশীল" বুদ্ধিজীৱী সম্পৰ্কেও প্ৰযোজ্য।

এই তাত্ত্বিক কূটাঘাতৰ কিছুমান দিশত এক অসম্পূৰ্ণ প্ৰবন্ধৰ জৰীয়তে ("শোধনবাদী চক্ৰবেহুত তৰুণ মাৰ্ক্স") আলোকপাত কৰিবলৈ আমি এসময়ত চেষ্টা কৰিছিলোঁ। নান তৰহৰ ব্যস্ততাৰ বাবে সেই প্ৰবন্ধ আমি সম্পূৰ্ণ কৰিবলৈ সময় নাপালোঁ। বৰ্তমান প্ৰবন্ধত মতাদৰ্শৰ সমস্যাৰ এটা দিশ সম্পৰ্কেই আমি বহল আলোচনা কৰিম। এই দিশটোৰ একাগ্ৰ আলোচনাৰ সহায়ত আমি শোধনবাদী চালাকীৰ আচল স্বৰূপ উদঙাই দিব পাৰিম। সেই দিশটো হ'ল মাৰ্ক্সবাদৰ মতে কলা-সংস্কৃতিৰ স্বৰূপ আৰু ভূমিকা।

একশ্ৰেণীৰ বুৰ্জোৱা সমালোচকে পশ্চিমীয়া পুঁজিবাদী দেশবোৰত বহুদিনৰে পৰা কৈ আহিছে যে অৰ্থনীতিৰ ক্ষেত্ৰত মাৰ্ক্সবাদৰ সাৰ্থকতা মানি ল'লেও সংস্কৃতিৰ ক্ষেত্ৰত মাৰ্ক্সবাদ প্ৰযোজ্য বুলি কেতিয়াও মানিব নোৱাৰি। তেওঁলোকৰ মতে কলাসংস্কৃতিৰ বিকাশ আপেক্ষিকভাৱে স্বাধীন, আৰু সেয়ে কলাসংস্কৃতিৰ ৰসগ্ৰহণ আৰু বিচাৰত মানুহৰ বাস্তৱজীৱনৰ ইতিহাসক টানি নানিলেও চলে। তেওঁলোকে মাৰ্ক্সৰ পৰা উদ্ধৃতি দি প্ৰমাণ কৰিব খোজে যে মাৰ্ক্সে নিজে এইকথা অস্বীকাৰ কৰা নাই, কিন্তু পৰৱৰ্তী যুগৰ ভোদা আৰু গোড়া মাৰ্ক্সবাদীসকলেহে এই "সত্য" বিকৃত কৰিছে! আদাক দেখি কেতুৰিৰ গা উঠাৰ দৰে আমাৰ অসমীয়া তথা ভাৰতীয় পণ্ডিত কেতবোৰেও এই "তত্ত্ব" চালু কৰিবলৈ বিচাৰিছে। অৱশ্যে তেওঁলোকে মাৰ্ক্সতকৈ মাৰ্ক্সবিশাৰদ সকলৰ উদ্ধৃতি দিবলৈহে ভাল পায়!

মূল সমস্যাটো হ'ল ভিত্তি আৰু উপৰিসৌধৰ সমস্যা। এওঁলোকৰ মতে মাৰ্ক্সে ক'তো অৰ্থনীতিক ভিত্তি আৰু কলাক উপৰিসৌধ বুলি কোৱা নাই। সেয়ে কলাক অৰ্থনীতিৰ যান্ত্ৰিক প্ৰতিফলন বুলি ধৰাটো বোলে অৰ্থনৈতিক নিয়তিবাদৰ ( economic determinism ) লক্ষণ।

সে'দিনে এঠাইত কৈছে যে প্ৰতিপক্ষৰ মুখত এটা নিৰ্বোধ মন্তব্যৰ দায় দি তাক নস্যাৎ কৰাটো এটা সস্তীয়া অপকৌশল। মাৰ্ক্সীয় দাৰ্শনিক চিন্তাৰ লগত পৰিচয় নথকা বুৰ্জোৱা চিন্তাবীৰ সকলেও প্ৰায়ে মাৰ্ক্সৰ বা মাৰ্ক্সবাদীৰ মুখত এনেধৰণৰ উক্তি দি সহজে তাৰ শ্ৰাদ্ধ কৰে। বাস্তৱজীৱনত আমি কেতিয়াও ভিত্তি ( base ) আৰু উপৰিসৌধক ( superstructure ) বেলেগে

বেলেগে বিশুদ্ধ অৱস্থাত দেখা নাপাওঁ। এই দুটা ধাৰণা বৈজ্ঞানিক চিন্তাৰ ক্ষেত্ৰত স্বাভাৱিক দুটা ( abstraction ) বা অবচ্ছিন্ন ধাৰণাহে। এংগেলছে কৈছিল যে প্ৰধানতঃ বা মূলতঃ বা চূড়ান্ত বিচাৰতহে ( ultimately ) ভিত্তিৰ প্ৰভাৱ প্ৰধান বা কেন্দ্ৰীয় বুলি ভাবিব পাৰোঁ। সাধাৰণতে দেখা যায় অৰ্থনীতিয়ে যেনেকৈ ধৰ্ম বা দৰ্শনক প্ৰভাৱিত কৰিছে, সেইদৰে ঘূৰি ধৰ্ম আৰু দৰ্শনেও অৰ্থনৈতিক জীৱনক ওতঃপ্ৰোতঃ ভাৱে প্ৰভাৱিত কৰিছে।

তাৰোপৰি 'অৰ্থনীতি'ক যেতিয়া ভিত্তি বুলি ভাবা হয়, তেতিয়া তাক বহল অৰ্থত 'উৎপাদন পদ্ধতি' ( mode of production ) বুলিহে ধৰা হয়। এই উৎপাদন ব্যৱস্থা তাৰ সামাজিক সম্পৰ্কসমূহৰ ( social relations ) পৰা অবিচ্ছিন্ন। বুৰ্জোৱা আৰু সৰ্বহাৰা এই দুই শ্ৰেণীৰ অবিহনে মজুৰি দাসত্ব আৰু পুঁজি সঞ্চয়—পুঁজিবাদৰ এই দুই প্ৰধান 'অৰ্থনৈতিক' লক্ষণো ক'তো আমাৰ চকুত নপৰে। এনে দ্বান্দ্বিক চিন্তা মাৰ্ক্সৰ ধ্যান-ধাৰণাৰ ভিত্তি-মূলতৈকে গৈছে। সত্তা ( being ) আৰু চেতনাৰ ( consciousness ) সম্পৰ্ক সম্বন্ধে মাৰ্ক্সে কি কৈছিল সকলোৱে জানে। "It is not the consciousness of men that determines their being, but, on the contrary, their social being that determines their consciousness." ( মানুহৰ চেতনাই মানুহৰ সত্তা নিৰ্ধাৰণ নকৰে, বৰং মানুহৰ সামাজিক সত্তাইহে সিহঁতৰ চেতনা নিৰ্দ্ধাৰণ কৰে। ) ( **The Critique of Political Economy** ৰ ভূমিকা ) আৰু সেই একে ঠাইতে ভিত্তি আৰু উপৰিসৌধৰ তাত্ত্বিক ব্যাখ্যা তেওঁ আগবঢ়াইছে : "In the social production of their life, men enter into definite relations that are indispensable and independent of their will, relations of production which correspond to a definite stage of development of their material productive forces. The sum total of these relations of production constitute **the economic structure of society, the real foundation,** on which rises a legal and political superstructure and to which correspond definite forms of social consciousness. The mode of production of material life conditions the social, political and intellectual life processes in general."

( সামাজিকভাবে নিজৰ জীৱন গঢ়িবলৈ যাওঁতে মানুহ কেতবোৰ নিৰ্দিষ্ট সম্পৰ্কত জড়িত হয়—যিবোৰ সম্পৰ্ক অপৰিহাৰ্য্য আৰু তেওঁলোকৰ ইচ্ছাৰপৰা স্বতন্ত্ৰ। এইবোৰ সম্পৰ্ক তেওঁলোকৰ ভৌতিক/বাস্তৱ উৎপাদিকা শক্তি সমূহৰ বিকাশৰ একেটা নিৰ্দিষ্ট পৰ্য্যায়ৰ অনুৰূপ। উৎপাদনৰ এই সম্পৰ্ক সমূহ মিলি গঢ় লয় সমাজৰ অৰ্থনৈতিক কাঠামো, সমাজৰ বাস্তৱ ভিত্তি। অ.ক তাৰ ওপৰতে আইন কানুন আৰু ৰাষ্ট্ৰৰ উপৰিসৌধ গঢ়ি উঠে। সামাজিক চেতনাৰো নিৰ্দিষ্ট ৰূপসমূহ এই ভিত্তিৰ অনুৰূপ। সামাজিক, ৰাজনৈতিক, বৌদ্ধিক জীৱনধাৰা সাধাৰণভাবে বাস্তৱ জীৱনৰ উৎপাদন পদ্ধতিৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়।" ) এই উক্তিৰ পৰিষ্কাৰ কথাখিনি ঘেঁৰা কোৰা কৰিবলৈ বহু চেষ্টা চলিছে। কিন্তু দুটা কথা নিশ্চিত: (১) উপৰিসৌধ ভিত্তিৰ দ্বাৰা নিৰ্ধাৰিত কিন্তু (২) উপৰিসৌধ আৰু ভিত্তি দুয়োটাই মানুহে গঢ়ি তোলে এক অভিন্ন জীৱনধাৰাৰ অংশৰূপে।

জীৱনৰ এই অভিন্নতা সম্পৰ্কে মাৰ্ক্স ইমান সচেতন যে যান্ত্ৰিক বস্তুবাদ আৰু ভাববাদে কৰা সত্তা আৰু চেতন', শৰীৰ আৰু মনৰ দ্বৈধ তেওঁৰ ভাষাৰ পৰা নিলগাই ৰাখিবলৈ বিচাৰিছিল।—German Ideology গ্ৰন্থত তেওঁ কৈছে: "চেতনাৰ অৰ্থ হ'ল সচেতন অস্তিত্ব আৰু মানুহৰ অস্তিত্ব হ'ল সিহঁতৰ বাস্তৱ জীৱনৰ ধাৰা।" কথাটো সঁচাকৈ মনকৰিবলগীয়া—চেতনাৰ অৰ্থ হ'ল সচেতন অস্তিত্ব! এই কথা বুবুজা পণ্ডিতেহে চেতনাক এক বিমূৰ্ত প্ৰকাশ হিচাবে ব্যাখ্যা কৰে। মাৰ্ক্সে আৰু স্পষ্টকৈ এই মত প্ৰকাশ কৰি কৈছে যে "the history of humanity" must therefore always be studied and treated in relation to the history of industry and exchange." ( মানৱতাৰ বা মানৱজাতিৰ ইতিহাস সেয়ে সদায় উদ্যোগ আৰু বিনিময়ৰ ইতিহাসৰ লগত সম্পৰ্ক ৰাখি অধ্যয়ন আৰু বিচাৰ কৰিব লাগিব। ) আনহাতে অৰ্থনীতিৰ নিয়ম সমূহে মানৱসমাজৰ বাহিৰত বস্তি নাথাকে। অৰ্থনীতিৰ ক্ৰিয়া-প্ৰক্ৰিয়া মানুহৰ মাজেদিয়েই প্ৰতিভাত হয়। 'অৰ্থনীতি' আৰু 'মানৱতা'ৰ মাজত কোনো চীনৰ প্ৰাচীৰ নাই। বিমূৰ্ত চিন্তাক ব্যংগ কৰি মাৰ্ক্সে তেওঁৰ Holy family গ্ৰন্থত কৈছে: "History does nothing; it does not possess immense riches. it 'does not fight battles'. It is men, real living men, who do all this, who possess things and fight battles." ( ইতিহাসে একো নকৰে; ইতিহাসৰ বিপুল ধনসম্পত্তি

নাই, ইতিহাসে যুদ্ধ বিগ্ৰহ নকৰে। মানুহেহে—বাস্তৱ, জীৱন্ত মানুহে সকলো কৰে, সম্পত্তিৰ মালিক হয়, যুদ্ধবিগ্ৰহ কৰে।") German Ideology ত মাৰ্ক্সে লিখিছে যে ধৰ্ম, দৰ্শন, চেতনাৰ বিভিন্ন প্ৰকাশৰ কোনো স্বয়ংক্ৰিয় ইতিহাস নাই, নিজৰ বাস্তৱ জীৱন গঢ়িবলৈ যাওঁতেই বা সলাবলৈ যাওঁতেই মানুহে নিজৰ মন, নিজৰ ভাব-চিন্তা গঢ়ে বা সলায়।

নিতান্ত সংকীৰ্ণ অৰ্থত যিবিলাকে 'অৰ্থনীতি'ক নিয়ন্তা বুলি ভাবে তেওঁলোকে মানুহৰ এই সক্ৰিয়, সৃষ্টিশীল ভূমিকা দেখা নাপায়। কিন্তু বৈপ্লৱিক চিন্তাধাৰাৰে অনুপ্ৰাণিত মাৰ্ক্সবাদৰ কেন্দ্ৰীয় ধাৰণা হ'ল বাস্তৱ পৰিবেশত সক্ৰিয় সংগ্ৰামী সৃষ্টিশীল মানুহ। আনহাতে চেতনাৰ বিভিন্ন প্ৰকাশ মানুহৰ বাস্তৱ, সামাজিক জীৱনত প্ৰোথিত, তাৰ পৰা অবিচ্ছিন্ন। কাৰ্য্যকাৰণৰ বহিভূৰ্ত 'আত্মা' যেনেকৈ মাক্কাতাৰ আমোলৰ অৱশেষ, তেনেকৈ বাস্তৱ জীৱনৰ বিকাশৰ পৰা স্বতন্ত্ৰ কলা সংস্কৃতিও মাক্কাতাৰ আমোলৰ অৱশেষ। শিল্পকলাৰ কিছুমান নিজস্ব নিয়ম বা লক্ষণ আছে, যিবোৰ তাৰ হেজাৰ বিজাৰ বছৰৰ ঐতিহ্যৰ পৰিণতি, কিন্তু সক্ৰিয় সংগ্ৰামী, সৃষ্টিশীল মানুহৰ সমগ্ৰ জীৱন ধাৰাৰ পৰা তাক বিচ্ছিন্ন কৰিলে তাৰ উদ্দেশ্য আমি বুজি নাপাম আৰু এই ক্ষেত্ৰত ৰহস্যবাদী ( mystical ) চিন্তাধাৰাৰ কবলত পৰিম। বিজ্ঞানৰ লগত তুলনা এই ক্ষেত্ৰত শিক্ষাপ্ৰদ। দুই এজন বিশুদ্ধ বিজ্ঞানসাধকে হয়তো কব যে বিজ্ঞানৰ কোনো উদ্দেশ্য নাই—বিজ্ঞানৰ উদ্দেশ্য বিজ্ঞান। কিন্তু তেনে ধাৰণাই সমজুৰাৰ পৰা ভাল সঁহাৰি নাপায়। বেছিভাগ মানুহৰে ধাৰণা যে বিজ্ঞানৰ উদ্দেশ্য প্ৰকৃতিৰ নিয়ম আৰু বৈশিষ্ট্যসমূহ অধ্যয়ন কৰি তাক মানুহৰ শাসনলৈ অনা। তেন্তে কলাৰ উদ্দেশ্য মাত্ৰ কলাই—art for art's sake—এনে ধাৰণাই কিয় আমাৰ ব্যংগবিদ্ৰূপ শিৰত লৈ মঞ্চত্যাগ নকৰিব? মানুহৰ সমগ্ৰ জীৱনৰ পৰা শিল্প কলাক কিয় বিচ্ছিন্ন কৰা হব? প্ৰকৃতি তথা সমাজৰ ওপৰত শাসনৰ সহায়েৰে মানুহে লাভ কৰিব পৰা "স্বাধীনতা"ৰ সোৱাদ বিজ্ঞানৰ দৰে কলায়ো নিদিয়েনে?

কলাৰ উদ্দেশ্য বা প্ৰয়োজন নিশ্চয় সস্তীয়া, ভাত-মাছ খোৱা অৰ্থত জৈবিক নাইবা বাগীৰ দৰে সাময়িক নহয়। "কেৱল মানুহৰ আছে গান" (১৯১১) সংকলনত আমি কৈছিলোঁ যে কলাৰ প্ৰয়োজন স্থূল প্ৰচাৰ নহয়, গভীৰ আবেগিক আৰু মানসিক শিক্ষা। অসম সাহিত্যসভাই প্ৰকাশ কৰা 'মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্য' প্ৰভৃতি এই সম্পৰ্কে বহল আলোচনা

কৰিছোঁ। কিন্তু এনেবোৰ আলোচনাই স্বাভাৱিকতে বুৰ্জোৱা তাত্ত্বিক সকলৰ সমৰ্থন বা সন্মতি নাই পোৱা। হোৱাই নোহোৱাকৈ এনে অভিযোগ অনা হৈছে যেন মাৰ্ক্সবাদৰ মতে শিল্পকলাৰ প্ৰয়োজন স্থূল প্ৰচাৰ, সাময়িক উত্তেজনা।

অনেক ভদ্ৰলোকে Istvan Meszaros ৰ Marx's Theory of Alienation গ্ৰন্থৰ পৰা প্ৰচুৰ পৰিমাণে উদ্ধৃতি দি প্ৰমাণ কৰিবলৈ বিচাৰিছে যে অসমত মাৰ্ক্সবাদী সকলে কলাশিল্পৰ ভূমিকা ভুলকৈ ব্যাখ্যা কৰি আছে। বিদেশী তাত্ত্বিকৰ সূৰ্যকিৰণে অসমীয়া মুগ্ধমতি পাঠকৰ চকু চাট মাৰি ধৰে বুলি চিন্তা কৰি তেখেতে নিজেই চন্দ্ৰ হৈ সেই পোহৰ অসমভূমিত প্ৰতিফলিত কৰিব খুজিছে। আমি তেখেতক জনাওঁ যে Istvan Meszaros এতিয়াও Marx, Engels, বা Lenin ৰ দৰে আন্তৰ্জাতিক মাৰ্ক্সবাদী চিন্তাৰ অবিসম্বাদী শিক্ষক হিচাবে স্বীকৃত হোৱা নাই। স্থানান্তৰত আমি Meszaros ৰ এনে কেতবোৰ গুৰুতৰ ভ্ৰান্তিৰ উল্লেখ কৰিম, যিবোৰে তেওঁক এনে সন্মান অৰ্জনৰ পৰা নিলগত ৰাখিব।

সি যি নহওক Meszarosএ ভদ্ৰলোকৰ মতামতত সমৰ্থন জনাইছে নেকি বাৰু? ভদ্ৰলোকে কলাৰ বিশুদ্ধতা আৰু প্ৰয়োজন-নিৰপেক্ষতাৰ হৈ ওকালতি কৰিছে। বিশ্বপুঁজিবাদ, সাম্ৰাজ্যবাদ, সামন্তবাদৰ অৱশেষৰ বিৰুদ্ধে কোনোদিনে ক'তো এষাৰ মাত মতা নাই। এনে ধাৰণা কাৰণে ভুল নহয় যে সমাজৰ বৰ্তমান অৱস্থাৰ প্ৰতি পিঠি দি তেওঁ যি কলাশিল্প সৃষ্টি কৰিবলৈ বিচাৰে, সেই কলাশিল্প দলমতনিৰ্বিশেষে সকলোৰে গ্ৰহণীয় হব পাৰে বুলি তেওঁ দাবী কৰে। শিল্পকলাৰ লগত মানুহৰ সমাজপৰিবৰ্তন নাইবা যুগ-পৰিবৰ্তনৰ সংগ্ৰামৰ কোনো সম্পৰ্ক আছে বা থকা উচিত বুলি তেওঁ নাভাবে। Meszaros ৰ ধাৰণাও তেনে নেকি?

Meszaros ৰ কিতাপখনত (London, 1970) "Aesthetic aspects" (নন্দনতাত্ত্বিক দিশ সমূহ) নামৰ এটা অধ্যায় আছে। সেই অধ্যায়ত তেওঁ কৈছে কলাক স্থূল ভোগবাদ (utilitarianism) ৰ সহায়েৰে বুজিব নোৱাৰি। "The work of art can not be consumed simply as an object of utility" (শিল্পকৰ্মক কেবল প্ৰয়োজনীয় সামগ্ৰী হিচাবে উপভোগ কৰিব নোৱাৰি। পৃঃ ২০৮)। তেওঁ আকৌ কৈছে: "As consumers of the basic objects of utility we are motivated by direct natural needs

(need for food and shelter,, ep.) By contrast, it is a Pre-condition of art that man should achieve a certain distance (freedom) from his direct natural needs." (প্ৰয়োজনৰ সামগ্ৰীৰ ভোক্তা হিচাবে আমি কেতবোৰ প্ৰত্যক্ষ প্ৰাকৃতিক প্ৰয়োজনৰ দ্বাৰা পৰিচালিত হওঁ—যেনে খাদ্য আৰু আশ্ৰয় প্ৰভৃতি। আনহাতে কলাৰ এটা প্ৰাথমিক চৰ্ত হ'ল এয়ে যে তাৰ প্ৰত্যক্ষ প্ৰাকৃতিক প্ৰয়োজনৰ পৰা মানুহে কিছুপৰিমাণে দূৰত্ব (স্বাধীনতা, অৰ্জন কৰিব লাগিব। পৃঃ ২০৯)।

সজ কথা। কিন্তু এই কথাবোৰ কোন মাৰ্ক্সবাদীয়ে কেতিয়া অস্বীকাৰ কৰিছে? এই কথাতো নিয়ন্তৰৰ কাণ্ডজ্ঞানেও স্বীকাৰ কৰিছে! কিন্তু এনে কথাৰ পৰা প্ৰমাণ হয়নে যে মানুহৰ জীৱন গঢ়া, জীৱন সলোৱা সংগ্ৰামত কলাৰ স্থান নাই? এনে কথাৰ পৰা প্ৰমাণ হয়নে যে শিক্ষাৰ বাহন হিচাবে, মানসিকতাৰ তথা চেতনাৰ সংস্কাৰৰ বাহন হিচাবে কলাশিল্পৰ প্ৰয়োজন Meszaros এ অস্বীকাৰ কৰিছে?

Meszaros এ কৈছে :"Realism is the central notion of Marxian aesthetics." (বাস্তৱবাদ হ'ল মাৰ্ক্সীয় নন্দনতত্ত্ব বা শিল্পচিন্তাৰ কেন্দ্ৰীয় ধাৰণা। পৃঃ ১৯৮)। এই বাস্তৱবাদ হ'ল "faithfulness in representing the reality of man" (মানবীয় বাস্তৱ ফুটাই তোলাত বিশ্বস্ততা : পৃঃ ১৯৫)। এই বাস্তৱবাদ—যি মেৰ্বাৰছৰ মতে মাৰ্ক্সীয় শিল্পতত্ত্বৰ প্ৰধান সূত্ৰ—এটা অৰ্থহীন, উদ্দেশ্যহীন বিলাস নেকি? উত্তৰত মে'ৰ্বাৰছে কৈছে : 'realism reveals, with artistic adequacy those fundamental trends and necessary connections which are often deeply hidden beneath deceptive appearances, but which are of a vital importance for a real understanding of the human motivations and actions of the various historical situations." (যথাৰ্থ কলাসম্মত পদ্ধতিৰে বাস্তৱবাদে সেইবোৰ মৌলিক আৰু অমোঘ সম্পৰ্ক আৱিষ্কাৰ কৰে, যিবোৰ ছলনাময় মায়াই ঢাকি ৰাখে, কিন্তু বিভিন্ন ঐতিহাসিক পৰিস্থিতিৰ মানবীয় উদ্দেশ্য সমূহ আৰু কাৰ্য্যকলাপ সমূহৰ যথাৰ্থ বোধৰ বাবে যিবোৰ সম্পৰ্কৰ জ্ঞান অপৰিহাৰ্য্য। পৃঃ ১৯৬) অৰ্থাৎ কলাৰ প্ৰয়োজন আছে। সেই প্ৰয়োজন হ'ল Understanding—বোধ : মানব ইতিহাসৰ পূৰ্ণ জ্ঞান।

ইয়াৰ পিছতো কোনোবাই কব পাৰিবনে যে মে'ঝাৰছে উক্ত ভদ্ৰলোকক সমৰ্থন কৰিছে? ভদ্ৰলোকৰেই বা এনে 'আক্কেল' কিয় হ'ল যে গোৰ্কীৰ দৰে বাছি বাছি উদ্ধৃতি দি আৰু তেওঁৰ বিৰোধীতা কৰা উক্তিবোৰ গোপন কৰি মে'ঝাৰছৰ বক্তব্য গুৰুতৰভাবে বিকৃত কৰিলে? সত্যৰ প্ৰতি তেওঁৰ এইৰূপ নিষ্ঠাৰ অন্তাৰক আমি জঘন্য অসাধুতা—rank dishonesty বুলি ক'লে অপৰাধ হবনে?

ভোগবাদৰ বিৰুদ্ধে মে'ঝাৰছৰ ক্ৰোধৰ কাৰণ হয় ভদ্ৰলোকে বুজা নাই, নহয় তাক "গুম" কৰিছে। মে'ঝাৰছে এই বিশেষ অধ্যায়টোত গোড়া মাৰ্ক্সবাদী সকলক আক্ৰমণ কৰা নাই, কৰিছে কলাৰ ওপৰত পুঁজিবাদৰ প্ৰভাৱক। পুঁজিবাদৰ বিকাশে কলাক তাৰ মহান আৰু পূৰ্ণাংগ প্ৰয়োজন পূৰাবলৈ নিদিয়ে বৰং তাক বিকৃত কৰি, নিস্তেজ কৰি তাক বজাৰত বিক্ৰী হোৱা সামগ্ৰীত পৰিণত কৰে। ফলত কলাৰ প্ৰয়োজন অধঃপতিত হয় এক স্থূল, সংকীৰ্ণ, একপক্ষীয় প্ৰয়োজনলৈ। সমাজ আৰু ইতিহাসৰ যথাৰ্থ জ্ঞানৰ বাহনৰ ঠাইত পুঁজিবাদৰ কবলত পৰা পাঠক বা দৰ্শকৰ বাবে উপন্যাস বা চিত্ৰ হৈ পৰে স্থূল, একপক্ষীয়, নিষ্ক্ৰিয় আৰু সাময়িক ৰসাস্বাদন বা ভোগৰ সামগ্ৰী। অৱশ্যে মহান শিল্পীৰ ৰচনাই পুঁজিবাদৰ এই কুপ্ৰভাৱৰ বিৰুদ্ধে পাঠক বা দৰ্শকক অনুপ্ৰাণিত কৰে। কাৰণ কলাৰ প্ৰয়োজন কলা নহয়, কলাৰ প্ৰয়োজন সুস্থ, সম্পূৰ্ণ, সৃষ্টিশীল, সংগ্ৰামী মানুহ।

# জ্যোতিপ্ৰসাদ, শিল্পৰ ভূমিকা আৰু মাৰ্ক্সবাদ

সামাজিক সংকট তীব্ৰ হৈ পৰাৰ ফলত সমাজৰ প্ৰায় সকলোস্তৰৰ মানুহেই বুজিছে যে সমাজৰ পৰিবৰ্তন বা ৰূপান্তৰ অৱশ্যম্ভাবী। এতিয়া আৰু মাৰ্ক্সবাদক বা সৰ্বহাৰাৰ বিপ্লৱক বাতুলতা বা ভ্ৰম বুলি উৰাই দিব নোৱাৰি। কিন্তু প্ৰতিক্ৰিয়াৰ শিবিৰ এতিয়াও বিধ্বস্ত হোৱা নাই। বিস্তৃত এলেকাৰ পৰা সসৈন্যে হুঁহকি গৈ প্ৰতিক্ৰিয়াই এতিয়া কোঁঠ মাৰি বহিছে। আগৰ দৰে বুৰ্জোৱা তাত্বিকে সকলো ক্ষেত্ৰতে মাৰ্ক্সবাদৰ ভুল আবিষ্কাৰ নকৰে। কিন্তু দুটামান গুৰুত্বপূৰ্ণ বিন্দুত মৰণপণ যুঁজ দিবলৈ সাজু হৈছে। এতিয়াৰ ওজৰ এনেধৰণৰ, যে মাৰ্ক্সবাদে বস্তুজগৎ আৰু ইতিহাসৰ বহুদিশতে আলোকপাত কৰে, কিন্তু কেইটামান বিশেষ ক্ষেত্ৰত সি অচল। কলা-সংস্কৃতি হেনো তেনে একধৰণৰ ক্ষেত্ৰ। কলাৰ নিৰালম্ব স্বতন্ত্ৰতা প্ৰমাণ কৰিবৰ বাবে মাৰ্ক্সকে ধৰিবলৈ বহু প্ৰগতিশীল মনিষী বা কলাকাৰৰ পৰা মাজে মাজে বছা বছা উদ্ধৃতি দিয়া হয়। এনে উদ্ধৃতি বোৰৰ পৰা পাঠকসমাজত কেতিয়াবা অলপ বিভ্ৰান্তিবো সৃষ্টি হয়।

অসমত জ্যোতিপ্ৰসাদক লৈ এনে টনা আজোৰা হয়। কিছুকাল আগতে নছকদ্দিন হাজৰিকাৰ ছদ্মনামত এই লেখকেই দেখুৱাইছিল যে জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক মতাদৰ্শৰ দ্বন্দ্ব আৰু বিকাশ আওকাণ কৰিলে তেওঁৰ মূল্যায়নত গোলমাল লাগে। বস্তুতঃ জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক মতামত উচ্চমধ্যবিত্ত ভাববিলাসী দেশপ্ৰেমৰ পৰা জনগণৰ ওপৰত আস্থাশীল, প্ৰগতিশীল 'মানৱতা-বাদলৈ পৰিবৰ্তিত হয় জাতীয় জনজাগৰণ আৰু সাম্যবাদী চিন্তাধাৰাৰ প্ৰভাৱত। ভাৰত আৰু ভাৰতৰ বাহিৰত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জনতাৰ মুক্তিসংগ্ৰামক তেওঁ অকুণ্ঠ অভিনন্দন জনায়। স্বাভাৱিকতে তেওঁৰ মানসিক বাতাৱৰণৰ লগতে তেওঁৰ শিল্পদৰ্শনৰো উল্লেখযোগ্য পৰিবৰ্তন ঘটে। তেওঁৰ "শিল্পীৰ পৃথিৱীত" আৰু সমসাময়িক অন্যান্য ৰচনাত তেওঁৰ ভাবৰ এই দোমোজা লক্ষ্য কৰা যায়—যদিও নিঃসন্দেহে তেওঁ প্ৰগতিশীল জনতাৰ ৰাজনীতিৰ পিনে অধিক আগ্ৰহ আৰু উৎসাহেৰে ঢাল লৈছিল।

বুৰ্জোৱা ভাববাদী দৰ্শনত শিল্পকলা জীৱনসংগ্ৰামৰ সফেন সমুদ্ৰৰ পৰা আঁতৰত মায়াময় সৌন্দৰ্য্যৰ দ্বীপ। জ্যোতিপ্ৰসাদৰ "সুন্দৰ'ৰ কল্পনাতো তেনে বাস্তৱসম্পৰ্কৰহিত শ্ৰেণীহীন, দ্বন্দ্বহীন ধাৰণাৰ আভাস নোহোৱা নহয়। কলা যেন সকলো ধৰণৰ জৈৱিক/সামাজিক প্ৰয়োজনৰ উৰ্দ্ধত—এনে ইংগিত তেওঁৰ ৰচনাত একাধিক। কিন্তু সেই ধাৰণা পিছ পেলাই অন্য এক শিল্পদৰ্শনো তেওঁৰ ৰচনাত আগবাঢ়ি অহা দেখা যায়। সেই শিল্পদৰ্শন কলাকৈবল্যবাদৰ (Art for art's sake) দৰ্শন নহয়—তাত সমাজকল্যাণ আৰু বিশ্বমানৱৰ মুক্তিৰ লক্ষ্য নিহিত আছে।

"শিল্পীৰ পৃথিৱী" নামৰ ভাষণত জ্যোতিপ্ৰসাদে মানুহৰ স্বাভাৱিক সৌন্দৰ্য্যপিপাসা আৰু সৌন্দৰ্য্যৰসিকতালৈ আঙুলিয়াইছে: "এনেয়ে মানুহে পশুৰে একে। কৃষ্টিয়ে-সংস্কৃতিয়ে তাক কৰিলে বেলেগ। সেই কাৰণেই আদিম সৃষ্টিতেই জনম পাই ওপজোঁতেই চকুত সৌন্দৰ্য্যৰ কাজল পিন্ধি অহা মানুহটো শিল্পী। সি শিল্পী হৈয়েই কাম কৰিছে। ...খোৱা-বোৱা, পিন্ধাউৰা, থকামেলাত, কেৱল তাক আৱশ্যকতাৰ ফালৰ পৰা সৃষ্টি কৰাৰ লগে লগে দেখিবলৈকো সি ভাল কৰি লৈছে। ...মানুহে আৱশ্যকতাৰ সৈতে সৌন্দৰ্য্যক এনেকৈ একেলগে বিচাৰিছে যে মানুহৰ জীৱনৰ সৌন্দৰ্য্যও অতি আৱশ্যকীয় জীৱন-প্ৰয়াস হৈ পৰিছে। মানুহৰ জীৱনত কেৱল আৱশ্যকতাক ৰাখি সৌন্দৰ্য্যপ্ৰয়োগক যদি বাদ দিয়া যায় তেন্তে বোধকৰোঁ মানুহৰ জীৱনৰ সকলো মধুৰতা নাশ পাব। মানুহ মাত্ৰ এটা বুদ্ধিমান পশুৰূপেহে পৃথিৱীত থাকিব।" (জ্যোতিৰ্ধাৰা, ১৯৬১, পৃঃ ৬)

জ্যোতিপ্ৰসাদৰ এই উক্তিত সৌন্দৰ্য্য আৰু আৱশ্যকতা দুটা বেলেগ বস্তু হৈ পৰিছে। তেওঁ অৱশ্যে স্বীকাৰ কৰিছে যে সৌন্দৰ্য্যবোধো মানুহৰ এটা আৱশ্যকতা; এটা মানুহৰ বাবে "স্বাভাৱিক" প্ৰয়োজন। কিন্তু এই প্ৰয়োজন যদি তেওঁ কোৱাদৰে জৈৱিক প্ৰয়োজন নহয়, তেন্তে সি কি ধৰণৰ প্ৰয়োজন? মানুহৰ হেজাৰ হেজাৰ বছৰৰ ইতিহাসত তাৰ সৃষ্টি হৈছে বুলিলেই যথেষ্ট নহয়—ধৰ্মকে আদি কৰি বহু "আৱশ্যকীয়" প্ৰাচীন বস্তুৰেই প্ৰয়োজন চিৰন্তন নহয়। অৰ্থাৎ সৌন্দৰ্য্যবোধ মানুহৰ মানৱতা তথা ঐতিহাসিক বিকাশৰ এক অবিচ্ছেদ্য অংগ। সেয়ে ইয়াক এটা উপকৰা বস্তু বুলি ভবাটো ভুল। আনহাতে সৌন্দৰ্য্যৰ কিছুমান প্ৰকাশ বা অভিব্যক্তিক আমি বিলাসিতা বুলি বুজি পাওঁ—বুজি পাওঁ যে জীৱনৰ জৈৱিক প্ৰয়োজনতো দূৰৰে কথা, আন

কোনো গভীৰ তাগিদৰ পৰা তাৰ জন্ম হোৱা নাই। আৱশ্যকতাৰ পৰা বৰ বেছি দূৰলৈ আঁতৰি যোৱা সৌন্দৰ্য্যয়ো কালৰ বিচাৰত উত্তীৰ্ণ হব পৰা নাই।

প্ৰকৃত সৌন্দৰ্য্য এটা খেয়ালী বস্তু নহয়। নাইবা কোনো মাৰ্ক্সবাদী পণ্ডিতে দুৰ্বল মুহূৰ্তত বুৰ্জোৱা ভাবালুতাৰ ওচৰত আত্মসমৰ্পণ কৰি পোৱা "আধ্যাত্মিক" মুকুতা নহয়। প্ৰকৃত সৌন্দৰ্য্যৰ উৎপত্তি আৰু বিকাশ হয় প্ৰয়োজনৰ, আৱশ্যকতাৰ সংগ্ৰামৰ পৰাই। সুপ্ৰাচীন যুগত গুহামানৱে ঘৰবাৰী সাজিবলৈকো যেতিয়া শিকা নাছিল, তেতিয়া জীৱনসংগ্ৰামৰ প্ৰয়োজনতে যাদুৰ (magic) শৰণ লৈছিল আৰু সেই উদ্দেশ্যে অন্ধকাৰ গুহাৰ দেৱাল চিকাৰৰ জীৱজন্তুৰ জীৱন্ত আলেখ্যৰে চিত্ৰবিচিত্ৰ কৰি ৰাখিছিল। সেইবোৰ আলেখ্যৰ প্ৰধান গুণ হ'ল সিইতৰ সহজ, অনাড়ম্বৰ অথচ সজীৱ, গতিশীল বাস্তৱতা। Serious প্ৰয়োজনৰ পৰা উদ্ভৱ হোৱা বাবেই সেই চিত্ৰাৱলী এনে বাস্তৱ, এনে জীৱন্ত। আজিও আমি দেখিছোঁ যে যুগন্ধৰ শিল্পী পিকাছোৰ চমকপ্ৰদ চাতুৰ্য্যই প্ৰাণ পাইছে স্পেনিচ গৃহযুদ্ধত ফেচিষ্ট্ নৃশংসতাৰ বিৰুদ্ধে শিল্পীৰ তীব্ৰ প্ৰতিবাদত—**Guernica** নামৰ ছবিখনত। মহাকবি **Shakespeare** ৰ **King Lear** বা **Hamlet** আমাৰ বাবে **Love's Labour's Lost** তকৈ আদৰণীয় একেকাৰণতে—জীৱনৰ serious সমস্যাৰ লগত আগৰ দুখনত কবিৰ গাঢ়তৰ ঘনিষ্ঠতা ফুটি উঠা বাবে। এনে ক্ষেত্ৰত আৱশ্যকতাক সৌন্দৰ্য্যৰ পৰা আমি পৃথক কৰিম কেনেকৈ? প্ৰকৃততে এই বিভাজন শাৰীৰিক শ্ৰমৰ পৰা মানসিক বৃত্তিৰ বিচ্ছিন্নতাৰ পৰাই আহিছে, আৰু ভাববাদী তত্ত্বত তাৰ সমৰ্থন লাভ কৰিছে। উচ্চ মধ্যবিত্ত ব্যৱসায়ী পৰিয়ালৰ জ্যোতিপ্ৰসাদৰ মনত সৌন্দৰ্য্যতত্ত্বৰ এই বিচ্ছিন্নতা থকাটো স্বাভাৱিক। কিন্তু জ্যোতিপ্ৰসাদ এই বিচ্ছিন্নতাত সন্তুষ্ট থাকিব পৰা নাছিল। তেওঁ উপলব্ধি কৰিছিল তেওঁৰ ধাৰণাত, ভাববাদী ধাৰণাত কিছুমান বিপদ আছে। সেয়ে এই ধাৰণা সম্পূৰ্ণ কৰিবলৈ, সঠিক কৰিবলৈ তাত তেওঁ বহুত যোগ-বিয়োগ কৰিছিল। আৰু এইবোৰ সংস্কাৰ আৰু সংযোজন বাদ দিলে তেওঁৰ শিল্প দৰ্শন বুৰ্জোৱা ভাববাদৰ এবিধ যেন লাগে—তাৰ স্বকীয়তা বুজা নাযায়। তেওঁ কৈছিল যে সংগ্ৰাম শিল্পীৰ নিজস্ব ধৰ্ম নহয়, সেইবুলি শিল্পীক সংগ্ৰামৰ পৰাও দূৰত ৰাখিব খোজা নাছিল।

"জীৱনক কালজয়ী ৰূপ দিবলৈ মানুহৰ গভীৰ প্ৰকৃতিৰ লগত স্থিৰ যুদ্ধ আছেই। তাৰ বাবে বীৰত্বতো লাগিবই। কিন্তু মানুহৰ পূৰ্ণজীৱন শিল্পীৰূপতহে

ওলাব। সেইবাবে কৃষ্ণক শিল্পী, সুকুমাৰ কলাবিশাৰদ, চিৰসুন্দৰ মূৰ্তিৰে আঁকিলে। আৰু এটা ডাঙৰ কথা যে কৃষ্ণক ব্যৱসায়ী সুকুমাৰ কলাসেৱী (Professional Artist) কৰি অঁকা নাই—আঁকিলে জীৱনৰ শিল্পীকৈ। সুকুমাৰ কলাৰ মাজেদিয়েই কৃষ্ণৰ প্ৰথম প্ৰকাশ কিন্তু সেই প্ৰকাশ একেবাৰে বাস্তৱ জীৱনৰ উতলি থকা জীৱনৰ মাজত। বাস্তৱ জীৱন-ক্ষেত্ৰ আৰু বাস্তৱৰ ভাৱবীয়া হৈয়েই কৃষ্ণৰ শিল্পীৰূপ প্ৰতিভাত- একেবাৰে জনতাৰ জীৱনৰ সোঁমাজতে।" (জ্যোতিৰ্ধাৰা, পৃঃ ২৫)

এই উক্তি বিশেষ তাৎপৰ্য্যপূৰ্ণ। সাধাৰণতে বুৰ্জোৱা বা অভিজাত Professional Artist তথা "ব্যৱসায়ী সুকুমাৰ কলাসেৱী"ৰ মানসিকতা সমৰ্থন কৰিবলৈকে বিশুদ্ধ সৌন্দৰ্য্যৰ দৰ্শনৰ প্ৰয়োগ কৰা হয়। কোৱা হয় যে শিল্পী সকলো সামাজিক দায়িত্ব আৰু সামাজিক ঋণৰ পৰা মুক্ত। কিন্তু স্পষ্টকৈ জ্যোতিপ্ৰসাদে তেনে ধৰণৰ "স্বাধীনতা" বিচৰা নাই। তেওঁ শিল্পীক বিচাৰিছে জীৱনৰ ৰণক্ষেত্ৰৰ সোঁমাজত। বাস্তৱজীৱনৰ সমস্যা আৰু সংগ্ৰামৰ পৰা পলাই শিল্পীয়ে মোহন বেণু বজাওক—ই তেওঁৰ কাম্য নাছিল। তেওঁৰ মতে শিল্পীয়ে সমাজত প্ৰগতি আৰু প্ৰতিক্ৰিয়াৰ সংগ্ৰামত পক্ষ লবলৈ বাধ্য। অথচ শিল্পীৰ লগত বণুৱাৰ কি সম্পৰ্ক তাক তেওঁ স্পষ্টকৈ কব পৰা নাই। বিশুদ্ধ সৌন্দৰ্য্যৰ দৰ্শন তেওঁ সম্পূৰ্ণ বিসৰ্জন দিব পৰা নাই।

এইখিনিতে মনত পৰে জাতীয় জাগৰণৰ সংগ্ৰামী শিল্পীৰূপত জ্যোতিপ্ৰসাদৰ ভূমিকা। বিদেশী শাসক আৰু সিহঁতৰ পুলিচৰ বৰ্বৰতাত জ্যোতিপ্ৰসাদ ভীষণভাৱে উত্তেজিত। বিয়াল্লিশৰ জনতাৰ সংগ্ৰামী মনোভাৱত তেওঁ নিজে অনুপ্ৰাণিত হৈছে আৰু জনতাৰ অন্তৰত দুৰ্বাৰ সাহসিকতা আৰু বীৰত্ব সঞ্চাৰ কৰিছে নিজে আগবাঢ়ি গৈ। অথচ আমি আজি পীড়িত হৈ, ব্যথিত হৈ লক্ষ্য কৰিছোঁ যে সাহস আৰু বীৰত্বৰ, ত্যাগ আৰু দৃঢ়তাৰ চূড়ান্ত পৰিচয় দিয়া বিপুল জনতা আছিল সম্পূৰ্ণ নিৰস্ত্ৰ—ব্ৰিটিছ শাসকশ্ৰেণীৰ হাতৰ পৰা ক্ষমতা কাঢ়ি লব পৰা বাস্তৱিক পৰিবেশ থকা সত্বেও ভ্ৰান্ত অহিংসদৰ্শনৰ প্ৰভাৱত সেই শক্তিৰ প্ৰয়োগৰ পৰা বিৰত। আৰু এই অহিংস সংগ্ৰামত জ্যোতিপ্ৰসাদো দিক্‌ভ্ৰান্ত। অহিংসাৰ কাণি খুৱাই বিশ্বাসঘাতক কংগ্ৰেচৰ বুৰ্জোৱাই যেনেকৈ ভাৰতীয় জনতাক স্বাধীনতাৰ প্ৰকৃত স্বৰূপৰ পৰা বঞ্চিত কৰিলে তেনেকৈ বাস্তৱৰ ওচৰ চাপিঅহা জ্যোতিপ্ৰসাদৰ দৰে শিল্পীকো আচল শিল্পদৰ্শনৰ বাটদেখুৱাই নিদিলে।

জীৱনৰ নানা serious ব্যাপাৰৰ পৰা শিল্পী বা শিল্প নির্লিপ্ত হৈ থাকিব নোৱাৰে। আৰু আজিৰ যুগৰ মহাজীৱন হ'ল জনতাৰ জীৱন। সেয়ে জনতাৰ জীৱনৰ প্রতিটো দিশৰ লগত শিল্পীৰ সম্পর্ক। আনকি ৰবীন্দ্রনাথেও ইমান স্পষ্টকৈ এইধৰণৰ কথা কব পৰা নাই। ভাববাদৰ মূল ভিত্তিৰ পৰা জ্যোতিপ্রসাদ বেছিদূৰ আঁতৰি আহিব নোৱাৰিলেও সাধাৰণ ভাববাদী শিল্পীয়ে কব নোৱাৰা, আনকি বুর্জোৱা বস্তুবাদৰ অগ্রণী শিল্পীয়ে কব নোৱাৰা কথা এষাৰ জ্যোতিপ্রসাদে কব পাৰিছে। :"এই জনতাক শিল্পীৰূপ দি সংস্কৃতি এই জনতাৰ হাতত পৃথিবীখন দিয়াই শিল্পীৰ পলিটিক্‌ছ, এই জনতাক খাই-বৈ সুস্থ সবল হৈ শিল্পীৰূপে প্রকাশ হবলৈ সকলো বাস্তৱিক সুযোগ সুবিধা দিয়াই শিল্পীৰ অর্থনীতি—যি সমাজৰ গাঠনিত মাথোন সকলো শিল্পীৰ প্রকাশৰ বিকাশৰ সমান অধিকাৰ সুযোগ সুবিধা সেয়েই শিল্পীৰ সমাজনীতি।"

( জ্যোতির্ধাৰা, পঃ ৩৯ )

জ্যোতিপ্রসাদৰ মতে শিল্পীয়ে বিশ্বমানবৰ মুক্তি বিচাৰে আৰু জনতায়ো আজি বিশ্বমানবৰ মুক্তি বিচাৰে। সেইখিনিতে দুয়োৰে যোগসূত্র। কিন্তু জ্যোতিপ্রসাদৰ কল্পনাৰ শিল্পীক সকলোৱে আদৰ নকৰিব। বিশ্বমানবৰ মুক্তিলৈ কেৰেপ নকৰা বিখ্যাত শিল্পী আজিও নিতান্ত তাকৰ নহয়। শিল্পীৰ দায়িত্ব সম্পর্কে আজিও বহু শিল্পী আৰু সমালোচকৰ মনোভাব অবজ্ঞাৰ। শিল্পীৰ এই ধাৰণা আচলতে জ্যোতিপ্রসাদৰ নিজৰ অভিজ্ঞতাৰ নির্য্যাস। কিন্তু মানুহৰ সকলো অবৰুদ্ধ সৃষ্টিশক্তিক শৃঙ্খলমুক্ত কৰিব খোজা মার্ক্সবাদৰ ধাৰণাৰ লগত তাৰ বিশেষ পার্থক্য নাই। আৰু এইবাবেই সহজবুদ্ধিৰে জ্যোতিপ্রসাদে দেখিছিল যে দুষ্কৃতিৰ পৰা পৃথিবীক মুক্ত কৰাৰ যি সংগ্রাম, সেই সংগ্রামত শিল্পীৰ লগৰীয়া হব বহুকালৰ অত্যাচাৰিত, নিপীড়িত নিৰীহ জনতা। ( জ্যোতির্ধাৰা, পৃঃ ৩৯ ) আনহাতে বুর্জোৱা সৌন্দর্য্যদর্শনৰ পূজাৰী সদায় জনতাৰ পৰা আঁতৰত। শিল্পকলাৰ "ৰস" নাইবা "উচ্চ মান" ৰক্ষা কৰাৰ নামত ইতিহাসত সি প্রতিক্রিয়াশীলৰ ভূমিকা লৈছে। "আজি সকলো কথাকেই জনতাৰ কল্যানৰ কষটিশিলত ঘঁহি সি আচল সোণ নে পিতল পৰীক্ষ, কৰি চাব লাগিব।" (জ্যোতির্ধাৰা, পৃঃ ৩৯—৪০)। জনতাৰ ওপৰত জ্যোতিপ্রসাদৰ গভীৰ আস্থা আৰু শিল্পীৰ সপোনৰ মানবসংস্কৃতিৰ প্রাণৰ বাহক হিচাবে জনতাৰ ভূমিকা তাৰণৰ শেষপিনে তেওঁ পুনৰ প্রকশ কৰিছে :

"......যি জনতাই নিজৰ বুকৰ তেজ যুগে যুগে দিও সংস্কৃতিক জীয়াই ৰাখি দুষ্কৃতিৰ পৰা সিঁহতৰ যাউতিযুগীয়া দুখকষ্ট গুচাই জীৱনৰ হাঁহি ফুলাব খুলি বাট চাই আছে, আজি শিল্পীয়ে প্ৰথমেই সকলো ভয়, দুৰ্বলতা ভ্ৰান্তি গচকি, খচকি, সুকুমাৰ কলাৰ অস্ত্ৰ লৈ সেই দুৰ্ভগীয়া জনতাৰ মাজতেই থিয় হবগৈ লাগিব—মোহমুক্ত অৰ্জুন যেনেকৈ থিয় হৈছিল সংগ্ৰামৰ কাৰণে। আজি আমাৰ সাৰথি হৈছে সংস্কৃতি আৰু আমাৰ শত্ৰু হৈছে দুষ্কৃতি।"

( জ্যোতিধাৰা, পৃ: ৪৬ )

জ্যোতিপ্ৰসাদৰ সুন্দৰৰ ধাৰণা যে সাধাৰণ বুৰ্জোৱা সৌন্দৰ্য্যবাদীৰ সুন্দৰৰ ধাৰণাৰ দৰে ৰক্তহীন, স্বাস্থ্যহীন আৰু সংকীৰ্ণ নহয়, তাৰ প্ৰমাণ পোৱা যাব অসুন্দৰ বা দুষ্কৃতি সম্পৰ্কে তেওঁৰ ধাৰণাৰ পৰা। "জ্যোতিৰ্ধাৰা"ৰ ৮ পৃষ্ঠাত আন দহজন ভাববাদীৰ দৰে তেওঁ মনৰ ভিতৰত থকা "পশুপ্ৰকৃতি আৰু কাম, ক্ৰোধ, লোভ, মোহ, ৰিপুবোৰ"কে দুষ্কৃতিৰ সমল" বুলিছে। ১৯পৃষ্ঠাত কিন্তু এনে চিৰন্তন ধাৰণাৰ পৰা ঐতিহাসিক ধাৰণালৈ আহিছে: "আজি পৃথিবীজোৰা দুষ্কৃতিৰ স্বৰূপটো কৌৰৱৰ দৰেই......আজি ধনতন্ত্ৰবাদ, সাম্ৰাজ্যবাদৰ স্বৰূপটো এই কৌৰৱৰ দৰেই।" ৩৫ পৃষ্ঠাত পুনৰ কৈছে: "সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ এই দুইটাই পৃথিবীৰ বুৰঞ্জীত সংস্কৃতিৰ ৰূপত ছদ্মবেশী দুষ্কৃতিৰ পূৰ্ণৰূপ। ৪০ পৃষ্ঠাত কৈছে: যি অৰ্থনীতিৰ দ্বাৰা জনতাই সংস্কৃতি গঢ়িবলৈ সুবিধা নেপায় সেই অৰ্থনীতি অনুপযোগী। সি সাংস্কৃতিক অৰ্থনীতি নহয়। সি দুষ্কৃতিমূলক অৰ্থনীতি।" ৪৩ পৃষ্ঠাত কৈছে: "এই সাম্ৰাজ্যবাদী ধনিকতন্ত্ৰৰ ভিতৰটো পূৰ্ণ দুষ্কৃতিৰ, তাৰ বাহিৰা আভৰণ সাংস্কৃতিক।"

"আইদেউৰ জোনাকী-বাট" নামৰ আন এটা ভাষণত অন্তৰ-সংস্কৃতিৰ কথা কবলৈ গৈ জ্যোতিপ্ৰসাদে কৈছে: "আজি পৃথিবীত অশান্তিৰ মূল কাৰণ হৈছে অন্তৰ-সংস্কৃতিৰ শোকলগা অৱস্থাৰ পৰা। যি সমাজত বা দেশত অন্তৰ-সংস্কৃতিৰ পূৰ্ণ বিকাশ, সেই সমাজত এদলে এদলক শোষণ নকৰে, এদলে বিলাসিতাত উটি-বুৰি ফুৰি, আন আন লক্ষ লক্ষক খাবলৈ নাপাই, শুকাই-খীনাই মৰিবলৈ এৰি দিব নোৱাৰে।......কিন্তু আজি শিল্পীৰ বেজাৰ যে পৃথিবীৰ ছবি এইখনেই। আজিৰ পৃথিবীৰ বাহিৰখন ধুনীয়া, ভিতৰখন পচা। যি পৃথিবীত মানুহৰ অন্তৰত সংস্কৃতিৰ প্ৰতিষ্ঠা হৈছে, সেই পৃথিবীত শোষণ নাথাকে দলন নাথাকে, পীড়ন নাথাকে......" (পৃ: ৮৬)।

অৱশ্যে সুন্দৰৰ আৰাধনাৰ উপায় হিচাবে, সংস্কৃতি প্ৰতিষ্ঠাৰ সংগ্ৰাম হিচাবে, জ্যোতিপ্ৰসাদে যিবোৰ পন্থা নিৰ্দেশ কৰিছে তাৰ মাজত ভাববাদী মোহ আৰু বিভ্ৰান্তি বহুত। এঠাইত স্পষ্টকৈ শিল্পীক সংগ্ৰামী যোদ্ধা বুলি কৈ আন এঠাইত কৈছে যে শিল্পীৰ লক্ষ্য হ'ল শান্তি আৰু সুষমা (harmony)। তেওঁৰ পৰিবেশত এনেবোৰ বিভ্ৰান্তি কিছুদূৰ অৱশ্যম্ভাৱী আছিল। একে কাৰণতে জনতাৰ উত্থানত পুলকিত হৈও জনতাৰ সংগ্ৰামৰ বাট তেওঁ পৰিষ্কাৰকৈ দেখা নাছিল।

তথাপি জ্যোতিপ্ৰসাদৰ এটা বহল, সামগ্ৰিক দৰ্শন, এটা বিশ্ববীক্ষা আছিল। আজিৰ যুগৰ ৰক্তহীন বা কাপুৰুষ বুৰ্জোৱা সৌন্দৰ্য্যসেৱীৰ দৰে কলাক অৰ্থনীতি-ৰাজনীতিৰ ৰণক্ষেত্ৰৰ পৰা আঁতৰাই নিয়াৰ অপচেষ্টা তেওঁ কৰা নাছিল। বৰং তেওঁৰ ধাৰণাত সামাজিক জীৱ হিচাবে মানুহে (একোটা বিশেষ শ্ৰেণীৰ নেতৃত্বত) অৰ্থনীতি, সমাজ, দৰ্শন আৰু সমগ্ৰ জীৱনধাৰাক নতুনকৈ গঢ় দিবলৈ যি অভিযান চলায়, সংস্কৃতি সেই অভিযানৰে অবিচ্ছেদ্য অংগ। সেইবোৰ কাৰ্য্যকলাপৰ বাহিৰত সংস্কৃতিৰ কোনো স্বকীয়া অস্তিত্ব নাই। অথচ আজিৰ বুৰ্জোৱা শিল্পী সমাজজীৱনৰ আনবোৰ অংগৰ প্ৰতি নিস্পৃহ হৈ থাকি নিৰালাত সংস্কৃতিচৰ্চা কৰিবলৈ বদ্ধপৰিকৰ !!

মাৰ্ক্সবাদী নন্দনতত্ত্বই জ্যোতিপ্ৰসাদৰ ভাবধাৰা আলিংগণ কৰিব পাৰে—যথাযোগ্য সমালোচনাৰ পিছত। জীৱনসংগ্ৰামৰ, সমাজবিকাশৰ অবিচ্ছেদ্য অংগ হিচাবে বিপ্লৱৰ বাৰ্তাবহ হিচাবে শিল্পৰ ভূমিকাক মাৰ্ক্সবাদেই শ্ৰদ্ধাৰ চকুৰে চাব পাৰে। আৰু শিল্পৰ তাৎপৰ্য্য যে বিলাসী বুৰ্জোৱা মনিষীয়ে ভবাদৰে সংকীৰ্ণ নহয়, সি যে জীৱনৰ, সমাজৰ বিভিন্ন দিশলৈকে বিয়পি আছে, এই কথা জ্যোতিপ্ৰসাদৰ দৰে মাৰ্ক্সবাদেও বিশ্বাস কৰে। জ্যোতিপ্ৰসাদ ৰাজনীতিভীৰু শিল্পী নাছিল। তেওঁ লিখিছে: "সেই কাৰণেই শাসনতন্ত্ৰ আৰু শাসনযন্ত্ৰ মানুহৰ সাংস্কৃতিক জীৱন বিকাশ কৰোৱাৰ প্ৰধান উপায়। আন কথাত কবলৈ গ'লে গবৰ্ণমেণ্ট বা চৰকাৰ হৈছে এটা সামাজিক সাংস্কৃতিক প্ৰতিষ্ঠান।" (জ্যোতিৰ্ধাৰা, পৃঃ ৭৩) আকৌ এঠাইত তেওঁ কৈছে: 'সেই কাৰণেই পৃথিৱীত সাংস্কৃতিক জীৱন ৰচনা কৰিবলৈ সংস্কৃতি গঢ়িবলৈ ওলোৱা সকলো সভ্যতা ৰচনা কৰা শিল্পী হোৱাৰ লগে লগেই, যুঁজাৰুও হবই লাগিব। ......সেই কাৰণে মই শিল্পী হৈ সংঘাতৰ কথা কওঁ—সংগ্ৰামৰ কথা কওঁ।" (পৃঃ ৮৪-৮৫)

"আইদেউৰ জোনাকী বাট" নামৰ ভাষণত জ্যোতিপ্ৰসাদে স্পষ্টকৈ আৰু পৰিষ্কাৰকৈ এই সত্য ব্যক্ত কৰিছে। সংস্কৃতি আৰু মানুহৰ সাধাৰণ জীৱন-সংগ্ৰামৰ মাজত তেওঁ অলঙ্ঘনীয় প্ৰাচীৰ গঢ়ি তোলা নাই। সৌন্দৰ্য্য যে এক সুদূৰৰ আভা নহয়, বৰং সি যে মানৱজগতৰ, মানৱসৃষ্টিৰ উৎকৰ্ষ, সেই কথা দ্বিধাহীন ভাষাত ইয়াত তেওঁ কব পাৰিছে। "মানৱৰ গোটেই জীৱন-বিকাশকেই যেতিয়া মই সাংস্কৃতিক অভিযান বুলিছোঁ,—তেতিয়া বোধকৰোঁ মই কিয় শিল্পী হৈ, সাংস্কৃতিক প্ৰসঙ্গত ৰাজনীতি, সমাজনীতি, ধৰ্মনীতি, অৰ্থনীতি, দৰ্শন, বিজ্ঞান, আৰু সুকুমাৰ কলাৰ কথা একেলগে সামৰি কওঁ বুজিব পাৰিছে। আচলতে মানুহৰ জীৱনটো এটা অবিভাজ্য গোট।" (পৃঃ ৯০)

ভাববাদী চিন্তাৰ কাৰাগাৰৰ পৰা জ্যোতিপ্ৰসাদ মুকলি হব পৰা নাছিল। শেষ মুহূৰ্তলৈকে তেওঁ সমাজৰ ৰূপান্তৰ মানসিক বা আধ্যাত্মিক শক্তিৰ ক্ৰিয়া বুলি ভাবিছিল। নৈতিক অধঃপতনৰ ফলতেই ভাৰতৰ পতন হোৱা বুলি তেওঁৰ মনত বিশ্বাস জন্মিছিল। (পৃঃ ২২, পৃঃ ৬১)। ঠিক তেনেকৈ অন্তৰ-সংস্কৃতি ভ্ৰষ্ট হোৱা বাবেই সাম্ৰাজ্যবাদৰ দানবীয় স্বৰূপ প্ৰকাশ পাইছে। (পৃঃ ৮৬)। এঠাইত তেওঁ কৈছে : সেই কাৰণে গুৰিকথা হৈছে, অন্তৰসংস্কৃতি যদি সুন্দৰ হয় তেন্তে তাৰ জিলিঙনি পৰিব সমাজৰ সকলো কথাতেই—সকলো বিভাগতেই।" (পৃঃ ৮৭) এনে আন্তৰিক জাগৰণত গুৰুত্ব দিয়া বাবেই সংঘাত আৰু দ্বন্দ্বৰ প্ৰয়োজন স্বীকাৰ কৰি উঠিও তেওঁ অৱশেষত হিংসাৰ প্ৰয়োগ সম্পৰ্কে দোদুল্যমান মনোভাব লৈছে। ভাববাদী কাঠামোৰ মাজত থাকি সৌন্দৰ্য্যৰ বাস্তৱসম্মত সংজ্ঞা প্ৰত্যক্ষ কৰা সম্ভৱ নহয়। কিন্তু ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বিপুল জনজাগৰণৰ আঘাতত ভাববাদী কাৰাগাৰৰ এখন খিড়ীকি খুলি গৈছিল। তাৰ পিছত তাত্ত্বিক মাৰ্ক্সবাদী পণ্ডিত বহুত ওলাল, প্ৰয়োগৰ সঞ্জীৱনীৰ পৰা বঞ্চিত তেওঁলোকৰ নীৰস মন সৌন্দৰ্য্যৰ সাৰ্থক সংজ্ঞাৰ সিমান ওচৰ চাপিব নোৱাৰিলে। তেওঁলোকে নুবুজিলে যে বাস্তৱৰ নিষ্ক্ৰিয় প্ৰতিফলনত সৌন্দৰ্য্য নাই—বাস্তৱ নতুনকৈ গঢ়াৰ প্ৰয়াসতেই সৌন্দৰ্য্যৰ জন্ম হয়। আনহাতে মাৰ্ক্সৰ উদ্ধৃতি দিব পৰা পল্লৱগ্ৰাহী বুৰ্জোৱা ভাববাদী পণ্ডিতে জ্যোতিপ্ৰসাদৰ সৌন্দৰ্য্যসাধনাৰ মূল কথা হয় নুবুজিলে, নহয় বিকৃত কৰিলে—তেওঁলোকে দেখিও দেখা নাই যে পৰিশ্ৰমী, সংগ্ৰামী জনজীৱনৰ সৌমাজতেই ৰুদ্ৰৰূপ শিল্প আৰু শিল্পীৰ স্থান, যে জীৱনৰ আৰু সমাজৰ মহামন্থৰ বাহিৰত সৌন্দৰ্য্যৰ কোনো সাৰ্থক অস্তিত্ব নাই।

# ৰবীন্দ্ৰনাথ আৰু জনগণ

( এটি পুনৰ্মূল্যায়ন )

মানুহে কয় যে দৈত্যৰ কান্ধত উঠা বাওনাই দৈত্যতকৈ বেছি দূৰলৈ দেখা পায়। ৰবীন্দ্ৰনাথক সমালোচনা কৰিবলৈ আমাৰ আজি যদি দুঃসাহস হৈছে, তাৰ কাৰণ আৰু আন একো নহয়, স্বয়ং ৰবীন্দ্ৰনাথে আমাক দি থৈ যোৱা দূৰদৃষ্টি আৰু মুক্ত বিচাৰৰ ক্ষমতা। এই ক্ষমতাৰ সদ্ব্যৱহাৰ কৰি আমি যদি ৰবীন্দ্ৰপ্ৰতিভাৰ সীমাবদ্ধতা আৰু দুৰ্বলতাৰ আলোচনা কৰোঁ, তেহে ৰবীন্দ্ৰনাথৰ উত্তৰাধিকাৰৰ প্ৰতি যথাযোগ্য সন্মান দেখুৱা হ'ব। তাকে নকৰি আমি যদি তেওঁক বেদীত তুলি ধূপধুনাৰে পূজা কৰোঁ, তেনেহ'লে সেই অন্ধ ভক্তিয়ে ৰবীন্দ্ৰনাথৰ উত্তৰাধিকাৰক নিস্ফল কৰিহে এৰিব।

দেশবাসীয়ে তেওঁক শ্ৰদ্ধাবিগলিত অন্তৰেৰে "বিশ্বকবি" আখ্যা দিছিল। তেওঁ নিজেও হবলৈ বিচাৰিছিল পৃথিবীৰ কবি, বিশ্বমানবৰ কবি।

ঃ আমি পৃথিবীর কবি, যেথা তার যত উঠে ধ্বনি
আমার বাঁশির সুরে সাড়া তার জাগিবে তখনি……

( জন্মদিনেঃ ১০ )

এই দুটা শাৰীৰ ঠিক পিছতেই আহিছে আৰু দুটা পংক্তি :

এই স্বরসাধনায় পৌঁছিল না বহুতর ডাক—
রয়ে গেছে ফাঁক। ( ঐ )

কবিৰ এই স্বীকাৰোক্তিক সাধাৰণতে কবিৰ বিনয়ৰ চিনস্বৰূপেই গ্ৰহণ কৰা হয়। কিন্তু মিথ্যাবিনয়ত কবি ৰবীন্দ্ৰনাথ অভ্যস্ত নাছিল। এই পংক্তি দুটাক তেওঁৰ দুঃসাহসী সত্যভাষণৰ পৰিচয় হিচাবে ধৰি ললেহে আমাৰ বিচাৰ ৰবীন্দ্ৰপ্ৰতিভাৰ মৰ্মত উপনীত হ'ব পাৰিব।

ঔপনিবেশিক ব্ৰিটিছ শাসনৰ বিৰুদ্ধে ভাৰতৰ্বৰ্ষ জনগণৰ সংগ্ৰামৰ এটা

বিশেষ পৰ্যায়ত ৰবীন্দ্ৰনাথৰ আবিৰ্ভাৱ হৈছিল। সংগ্ৰামৰ সেই পৰ্যায়ত তেওঁ অন্তৰৰ সকলো সম্ভাৱেৰে দেশবাসীৰ প্ৰেৰণাত অৰিহণা যোগাইছিল। কিন্তু সংগ্ৰামে ক্ৰমশঃ গণসংগ্ৰামৰ পিনে ঢাল লোৱাৰ সময়ত কবিৰ মনত বিভ্ৰান্তিৰ সৃষ্টি হ'ল। এহাতে তেওঁৰ উদাৰ মানৱতাবোধে দেশৰ কোটি কোটি অৱহেলিত আৰু নিপীড়িত মানুহৰ মুক্তি বিচাৰিছিল, আনহাতে সেই মুক্তিৰ পথ কি হোৱা উচিত সেই সম্পৰ্কে সমসাময়িক ৰাজনৈতিক সংগঠন-সমূহৰ পৰা তেওঁ কোনো সঠিক পথনিৰ্দেশ পোৱা নাছিল। পৰিণামত স্বাধীনতা আন্দোলনৰ লগত তেওঁৰ সম্পৰ্ক ক্ষীণ হৈ আহিল, আৰু তেওঁৰ সৃষ্টিপ্ৰতিভাও তাৰ ফলত অনিবাৰ্যভাৱে দুৰ্লংঘ্য পৰিসীমাৰ মাজত বন্দী হৈ থাকিল। তাৰ কাৰণে সমসাময়িক ৰাজনৈতিক সংগঠন সমূহ যেনেকৈ দায়ী, ৰবীন্দ্ৰনাথৰ ব্যক্তিগত মানসিকতা আৰু শ্ৰেণীগত দৃষ্টিভংগীও তেনেকৈ দায়ী।

অৱশ্যে এই কাহিনী সৰল নহয়। স্বাধীনতা আন্দোলনৰ কেতবোৰ মুহূৰ্তত নৃশংস ব্ৰিটিছ দমননীতিক গৰিহণা দিবলৈ তেওঁ তেওঁৰ আশ্ৰমিক আশ্ৰয় এৰি ওলাই আহিছিল। স্বাধীনতা আন্দোলনৰ বিভিন্ন নেতাৰ লগত তেওঁ ব্যক্তিগত যোগাযোগ ৰক্ষা কৰি চলিছিল। শান্তিনিকেতনৰ অন্যতম লক্ষ্য আছিল ভাঙোনমুখী দেশীয় সমাজৰ পুনৰুজ্জীৱন। কিন্তু গণআন্দোলনৰ আবেগপ্ৰৱণ আৰু যুযুৎসু চৰিত্ৰৰ প্ৰতি তেওঁৰ বিশেষ সহানুভূতি নাছিল। তেওঁৰ সমসাময়িক বহু ৰাজনীতিজ্ঞতকৈ আগতে তেওঁ বুজিছিল যে দেশৰ নিৰক্ষৰ গ্ৰামবাসী ৰাইজক উদ্বুদ্ধ কৰিব নোৱাৰিলে স্বাধীনতা আন্দোলন দুৰ্বল আৰু অৰ্থহীন হৈ থাকিব। কিন্তু গ্ৰামবাসী ৰাইজ অৱশেষত যেতিয়া আন্দোলনত জঁপিয়াই পৰিল তেতিয়া ৰবীন্দ্ৰনাথ তেওঁলোকৰ লগত নাছিল।

ঠাকুৰ পৰিয়ালৰ অভিজাত পাৰিবাৰিক পটভূমিয়ে জনসাধাৰণৰ লগত তেওঁৰ বিচ্ছেদৰ ভিত্তি ৰচনা কৰিছিল তেওঁৰ জন্মৰ পূৰ্বৰে পৰা। অবনীন্দ্ৰনাথ ঠাকুৰ আৰু ৰাণী চন্দৰ "ঘৰোৱা" আৰু "জোড়াসাঁকোৰ ধাৰে" নামৰ দুখন স্মৃতিকথাত ঠাকুৰ পৰিয়ালৰ চৌখিন, বিলাসী আৰু সম্ভ্ৰান্ত জীৱনযাত্ৰাৰ আভাস পোৱা যায়। ৰবীন্দ্ৰনাথৰ ককাদেউতাক দ্বাৰকানাথে জমিদাৰীৰ উপৰিও বেংকিং, জাহাজৰ মালিকানা ( shipping )কে ধৰি বহু বিচিত্ৰ ব্যৱসায়ত অৰ্থ বিনিয়োগ কৰিছিল। কিন্তু ব্ৰিটিছ সাউদৰ দলে কোনো ভাৰতীয়ৰে এনেধৰণৰ ব্যৱসায় সুনজৰে চাব পৰা নাছিল। ফলত দ্বাৰকানাথৰ পুত্ৰ দেৱেন্দ্ৰনাথৰ উপাৰ্জনৰ ৰাই উপায় আছিল জমিদাৰী। তেতিয়াৰ দিনৰ

কলিকতাৰ ইংৰাজীশিক্ষিত, উদাৰপন্থী আৰু সম্ভ্ৰান্ত মহলৰ লগত সামাজিক আৰু সাংস্কৃতিক দিশৰ পৰা ঠাকুৰপৰিয়ালৰ ঘনিষ্ঠ যোগাযোগ আছিল। পছিমীয়া সংস্কৃতিৰ লগতো এই পৰিয়ালৰ সম্পৰ্ক আছিল—বিলাতলৈ নানা কাৰণত এই পৰিয়ালৰ মানুহ গৈ আছিল। প্ৰথম ভাৰতীয় I.C.S. বিষয়া ওলাইছিল এই পৰিয়ালৰ পৰাই। ব্ৰিটিছ শাসকমহলৰ লগতো এই পৰিয়ালৰ সামাজিক সম্পৰ্ক আছিল—অবনীন্দ্ৰনাথৰ স্মৃতিচাৰণতো যিবিষয়ে উল্লেখ আছে। অত্যধিক আৰু খেয়ালী ধনভগনৰ ফলত অৱশ্যে দেবেন্দ্ৰনাথৰ পিছৰে পৰা ঠাকুৰপৰিয়ালৰ আৰ্থিক স্বচ্ছলতা কমি আহে, কিন্তু তেওঁলোকৰ সামাজিক প্ৰতিপত্তি কমা নাছিল। এই কথা ঠিক যে আচাৰনিষ্ঠ সনাতন হিন্দু সমাজত ব্ৰাহ্মধৰ্মী ঠাকুৰ পৰিয়ালৰ প্ৰতি বিৰাগ আছিল তীব্ৰ। কিন্তু তাৰ পৰাই ঠাকুৰপৰিয়ালক সামাজিক ভাবে অপাংক্তেয় বুলি ভাবিলে ভুল হব। নাটোৰৰ মহাৰাজাকে আদি কৰি তেতিয়াৰ সমাজৰ বৰমুৰীয়া সকলৰ লগত তেওঁলোকৰ বিশেষ হৃদ্যতা আছিল।

এই কথা পাহৰিব নোৱাৰি যে "ব্ৰিটিছ ইণ্ডিয়ান এছোচিয়েশ্যন" প্ৰভৃতি সংগঠনত জড়িত ইংৰাজীশিক্ষিত ভূস্বামীৰ দল, ডাঙৰ ব্যৱসায়ী আৰু আইনজীৱীৰ দলেই প্ৰথমে ভাৰতৰ জাতীয় কংগ্ৰেছৰ গুৰি ধৰিছিল। সেই সূত্ৰে ঠাকুৰপৰিয়ালৰ লগতো কংগ্ৰেছৰ সম্পৰ্ক স্থাপিত হৈছিল। উনবিংশ শতিকা শেষ হওঁ-হওঁ অৱস্থাত ৰজাঘৰত আবেদননিবেদন জনাই কংগ্ৰেছে ভাৰতৰ শিক্ষিত বুৰ্জোৱা শ্ৰেণীৰ স্বাৰ্থৰক্ষা কৰিবলৈ বিচাৰিছিল। ইংৰাজীশিক্ষিত ভাৰতীয় বুৰ্জোৱা শ্ৰেণী স্বদেশীয় সমাজৰ সামন্তযুগীয় আচাৰসৰ্বস্বতা আৰু প্ৰস্তৰীভূত, গতিহীন ধ্যান ধাৰণাৰ প্ৰতি বিৰূপ আছিল, আৰু সেই অন্ধ পৰম্পৰাৰ পৰা মুক্তি দিয়া বুলি ব্ৰিটিছ শাসনৰ প্ৰতি কৃতজ্ঞ আছিল। আনহাতে তেওঁলোকে ক্ৰমে ক্ৰমে এই কথাও উপলব্ধি কৰিছিল যে ভাৰতবাসীৰ উপকাৰৰ উদ্দেশ্যে ব্ৰিটিছে ভাৰত দখল কৰা নাই। ব্ৰিটিছ প্ৰশাসনৰ উচ্চতম পদবোৰত যোগ্য ভাৰতবাসীৰো অধিকাৰ আছিল নগণ্য। তদুপৰি আঢ্যবন্ত ভাৰতবাসীয়ে স্বাধীন ব্যৱসায়ত ব্ৰিটিছ চৰকাৰৰ পৰা সহায়তকৈ বেছি পাইছিল বাধা। কটা ঘাত চেঙা তেলৰ দৰে সাম্ৰাজ্যগৰ্বত উন্মত্ত ব্ৰিটিছ বিষয়াৰ বৈষম্যমূলক আচৰণ আৰু জাতিদম্ভই শিক্ষিত ভাৰতীয়ৰ মনত প্ৰতিবোধৰ ভাব জগাই তুলিছিল। বিশেষকৈ লৰ্ড কাৰ্জনৰ আচৰণ আৰু উক্তিয়ে (কলিকতা বিশ্ববিদ্যালয়ৰ সমাবৰ্তন উৎসবৰ ভাষণত বৰলাট

লর্ড কার্জনে কৈছিল যে সঁচা কথা কোৱা স্বভাৱ হেনো ভাৰতীয়ৰ চৰিত্ৰতে নাই !। এই ইংৰাজীশিক্ষিত উদাৰপন্থী ভাৰতীয়ৰ মনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। সেয়ে ভাৰতৰ জাতীয় কংগ্ৰেছৰ আদিপৰত সাম্ৰাজ্যবাদৰ লগত সহযোগিতাৰ বিকল্প ব্যৱস্থাৰ চিন্তাও ক্ৰমে গা-কৰি উঠিছিল

১৯০৫ চনত ব্ৰিটিছ সাম্ৰাজ্যবাদে কলিকতাক কেন্দ্ৰ কৰি গঢ় উঠা জাতীয়তাবাদৰ ভিত্তি ভাঙি দিবলৈ বঙ্গবিভাজনৰ (Partition of Bengal) ব্যৱস্থা কৰে। লগেলগে তাৰ বিৰুদ্ধে শিক্ষিত মধ্যবিত্তৰ মাজত তুমুল প্ৰতিক্ৰিয়া আৰম্ভ হয়। বঙালী জাতীয়তাবাদী চিন্তাধাৰাই বিশেষকৈ শিক্ষিত মধ্যবিত্ত আৰু নিম্নমধ্যবিত্তক অনুপ্ৰাণিত কৰে। এই সময়তে বালগংগাধৰ তিলকৰ নেতৃত্বত মহাৰাষ্ট্ৰত চৰমপন্থী আন্দোলন শক্তিশালী হৈ উঠে। কলিকতাতো তিলকৰ আপোচহীন সংগ্ৰামৰ ধাৰাই জনপ্ৰিয়তা অৰ্জন কৰে। কলিকতাত শিৱাজী উৎসৱ পালন হয় মহাসমাৰোহে। বংগদেশৰ বিভিন্ন ঠাইত আপোচকামী আবেদননিবেদনৰ বিকল্প হিচাবে যুৱকসমাজত চৰমপন্থী সন্ত্ৰাসবাদৰ মনোভাব গঢ় লৈ উঠে। ঢাকাৰ অনুশীলন সমিতি প্ৰভৃতি সংগঠনে এই সন্ত্ৰাসবাদ প্ৰচাৰত বিশেষ ভূমিকা লয়। বাৰীন ঘোষ, অৰবিন্দ ঘোষ প্ৰভৃতি নেতা সকলে এই চৰমপন্থী মনোভাবৰ নেতৃত্ব লয়। লগেলগে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে অৰ্থনৈতিক ব্যৱস্থা লবলৈ স্বদেশী আন্দোলন সৃষ্টি কৰা হয়। দেশবাসীক স্বদেশী শিল্পৰ দ্ৰব্যসামগ্ৰী কিনিবলৈ, বিদেশী পণ্য বৰ্জন কৰিবলৈ আৰু স্বদেশী শিক্ষানুষ্ঠানত শিক্ষা লবলৈ আহ্বান দি বহু দেশপ্ৰেমিক ভাৰতীয়ই প্ৰচাৰ অভিযান আৰম্ভ কৰিলে।

এই উন্মাদনাপূৰ্ণ অথচ অস্থিৰ পৰিস্থিতিত ৰবীন্দ্ৰনাথ পোনতে সক্ৰিয় আছিল। সভাসমিতিবোৰত তেওঁ উৎসাহেৰে যোগ দিছিল। তেওঁৰ স্বদেশপ্ৰেমিক গীতবোৰে আন্দোলনকাৰীসকলৰ মনত অপূৰ্ব অনুপ্ৰেৰণা সঞ্চাৰ কৰিছিল। অৱনীন্দ্ৰনাথ হঁৰবিছে কেনেকৈ হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ মাজত ঐক্যৰ আদৰ্শৰে তেওঁ দুই সম্প্ৰদায়ৰ মাজত "ৰাখীবন্ধন" উৎসৱ প্ৰচলন কৰিছিল। কিন্তু তেওঁৰ এই উদ্দীপনা স্থায়ী নহ'ল। স্বদেশী আন্দোলনৰ কিছুমান লক্ষণে তেওঁক পীড়া দিবলৈ ধৰিলে। 'বয়কট' আৰু স্বদেশী দ্ৰব্যৰ ব্যৱহাৰে যিমানদূৰ ভাৰতবাসীৰ আত্মসন্মান ঘূৰাই অনাত সহায় কৰে, সিমান দূৰলৈকে তেওঁ তাৰ পক্ষপাতী আছিল। কিন্তু তাকেই স্বদেশৰ মুক্তি আৰু স্বাধীনতাৰ একমাত্ৰ অব্যৰ্থ উপায় বুলি ভবা নেতাসকলৰ

বাগ্মিতাক তেওঁ অন্তঃসাৰশূন্য সম্মোহন বুলি ভাবিছিল। আনহাতে স্বদেশ-প্ৰেমৰ ভাবপ্ৰবণ জোৰ্‌াৰত উটি ভাহি নুফুৰি তেওঁ স্বদেশৰ যাই সম্পদ স্বদেশবাসী গঞা ৰাইজৰ দুৰ্দশালৈ দৃষ্টিপাত কৰিছিল। ঔপনিবেশিক অৰ্থনীতিত স্বদেশীদ্ৰব্যৰ দাম মানচেষ্টাৰৰ বা শেফিল্ডৰ পৰা আমদানি হোৱা পণ্যতকৈ বেছি আছিল আৰু সেই দ্ৰব্য দুখীয়া খেতিয়কৰ ওপৰত জাপি দিয়াত তেওঁৰ ঘোৰ আপত্তি আছিল। অথচ স্বদেশপ্ৰেমিক ভাৰতীয় হিচাবে ভাৰতীয়ৰ প্ৰতি ঔপনিবেশিক শাসকদলৰ অবজ্ঞা, অবিচাৰ আৰু অন্যায় তেওঁ সহিব পৰা নাছিল। এনে পৰস্পৰবিৰোধী আবেগ আৰু চিন্তাৰ টনা আঁজোৰাত ৰবীন্দ্ৰনাথ বিমোৰত পৰিল। সক্ৰিয় ৰাজনীতিৰ পৰা তেওঁ ক্ৰমে আঁতৰি আহিল।

১৩০১ বংগাব্দত লিখা "ইংৰেজৰ আতংক" আৰু ১৩০৫ বংগাব্দত লিখা "প্ৰসংগকথা" ত ভাৰতবাসীৰ ওপৰত ইংৰাজ ৰাজশক্তিৰ নিৰ্যাতন তেওঁ তীব্ৰভাষাত গৰিহনা দিয়ে। ১৮৫৫ চনত বীৰভূম অঞ্চলৰ চাওঁতাল সকলে কৰা নিৰীহ প্ৰতিবাদৰ সমদলৰ ওপৰত ব্ৰিটিছ ৰাজশক্তিৰ ৰক্তাক্ত আক্ৰমণৰ কথা উল্লেখ কৰি তেওঁ কৈছে যে এই পশুশক্তিৰ বিৰুদ্ধে আবেদন নিবেদনৰ ৰাজনীতি সম্পূৰ্ণ নিষ্ফল।

"এইৰূপ ভিক্ষাবৃত্তিৰ মধ্যে অনেক নীচত্ব আপনি আসিয়া পড়ে। স্বাধীনক্ষমতাদৃপ্ত প্ৰভুৰ মন যোগাইতে গেলেই কপট নম্ৰতা, মিথ্যা আস্ফালন, সত্যগোপন এবং আত্মপ্ৰবঞ্চনা, দুৰ্বলপক্ষ স্বতই অনেকসময় নিজেৰ অজ্ঞাতসাৰেও অবলম্বন কৰিয়া বসে। ইহাতে ক্ৰমশ যে হীনতা আসে ভিক্ষালব্ধ অধিকাৰখণ্ডে তাহা পূৰণ কৰিতে পাৰে না।

এইজন্য আমৰা অনেক সময়ে ভাবিয়াছি, গবৰ্মেণ্ট অবজ্ঞাসহকাৰে কংগ্ৰেসেৰ আবেদনে কৰ্ণপাত না কৰিয়া আমাদিগকে শাপে-বৰ দিতেছেন। আমাদিগকে যথাৰ্থ পথে প্ৰেৰণ কৰিতেছেন। সে পথ আত্মশক্তিৰ পথ"।

(প্ৰসংগ কথা ১৩০৫)

আবেদননিবেদনৰ ৰাজনীতিৰ মূলতে যে জাতীয় আন্দোলন তথা জাতীয় সত্তাৰ দুৰ্বলতা তাক তেওঁ বুজিছিল তাহানিধনতে :

: "কিন্তু অন্নেৰ অভাবে কৃশ হইয়া, তেজেৰ অভাবে ম্লান হইয়া মৰিয়া মৰিয়া পড়িলে তখন তোমাৰ দেশেৰ আদৰ্শই বা কোথায়, ধৰ্মই বা কোথায়। আদৰ্শ ৰক্ষা কৰিতে গেলেও যে শক্তিৰ প্ৰয়োজন হয় তাহাৰ অবাধ

চৰ্চাৰ স্থল কোথায়। কাজেই সেজন্য দৰখাস্ত কৰিতেই হয়—শুদ্ধ ইংৰেজী ভাষায় ৰেজোল্যুসন পাস না কৰিলে চলেই না।"

(দেশেৰ কথা ১৩১১)

"পথ আৰু পাথেয়," "সদুপায়," "সমস্যা" প্ৰভৃতি ১৩১৫ চনত প্ৰকাশিত ৰচনাত তেওঁ স্বদেশী আন্দোলনৰ কিছুমান ভ্ৰান্তিলৈ আঙুলিয়াইছে। সামন্ত-যুগীয় ব্যৱস্থাৰ ভগ্নাৱশেষৰে পৰিপূৰ্ণ ভাৰত আৰু ভাৰতৰ জনগণ শতচ্ছিন্ন, শতধাবিভক্ত। এই বিভেদ আৰু বৈষম্য দূৰ নহলে জাতীয়তাবাদো সবল নহব।

: "তাই বলিতেছি বিলাতি দ্ৰব্য ব্যৱহাৰই দেশৰ চৰম অহিত নহে। গৃহবিচ্ছেদেৰ মতো এতবড়ো অহিত আৰ কিছুই নাই।" (সদুপায়)

স্বদেশী আন্দোলনৰ এচাম উন্মাদ নেতাই বিদেশী-বৰ্জন আন্দোলনত বাধা পাই ক্ষিপ্ত হৈ হিংস্ৰ উপায়ে আৰু অগণতান্ত্ৰিক উপায়ে এই নীতি জনগণৰ ওপৰত জাপি দিবলৈ ওলাইছিল। এই সংকীৰ্ণ মতান্ধতাক ভৰ্ৎসনা কৰি ৰবীন্দ্ৰনাথে লিখিলে:

"যদি মানুষেৰ প্ৰতি আমাদেৰ শ্ৰদ্ধা থাকে তবে লোকেৰ ঘৰে আগুন লাগানো এবং মাৰধৰ কৰিয়া গুণ্ডামি কৰিতে আমাদেৰ কদাচ প্ৰবৃত্তি হইবে না।...মানুষকে চাহিলে মানুষেৰ সেবা কৰিতে হয়, পৰস্পৰেৰ ব্যৱধান দূৰ কৰিতে হয়, নিজেকে নম্ৰ কৰিতে হয়...তখন মুসলমানই কি আৰ নমশূদ্ৰই বা কি, বেহাৰি উড়িয়া অথবা অন্য যে-কোনো ইংৰেজি শিক্ষায় পশ্চাদবৰ্তি জাতিই কি, নিজেৰ শ্ৰেষ্ঠতাৰ অভিমান লইয়া কাহাকেও ব্যৱহাৰ বা বাক্য বা চিন্তায় অপমানিত কৰিব না।" (সদুপায়, ১৩১৫)

ভাৰতৰ বিভিন্ন জাতি উপজাতিৰ মাজত বৈষম্য আৰু অনৈক্যৰ যি সামন্তযুগীয়া ব্যৱধান, সেই ব্যৱধান,, আচাৰনিষ্ঠ হিন্দুয়ানীৰ এটা পৰিণতি বুলি ৰবীন্দ্ৰনাথে তাক তীব্ৰ ভাষাত আক্ৰমণ কৰিলে:

"মানুষকে মানুষ বলিয়া গণ্য কৰা যাহাদেৰ অভ্যাস নহে, পৰস্পৰেৰ অধিকাৰ যাহাৰা সূক্ষ্মাতিসূক্ষ্ম ভাবে সীমাবদ্ধ কৰিয়া ৰাখিবাৰ কাজেই ব্যাপৃত; যাহাৰা সামান্য স্খলনেই আপনাৰ লোককে ত্যাগ কৰিতে জানে, পৰকে গ্ৰহণ কৰিতে জানে না; সাধাৰণ মানুষেৰ প্ৰতি সামান্য শিষ্টতাৰ নমস্কাৰেও যাহাদেৰ বাধা আছে; মানুষেৰ সংসৰ্গ নানা আকাৰে বাঁচাইয়া চলিতে যাহাদিগকে সৰ্বদাই সতৰ্ক হইয়া থাকিতে হয়—মনুষ্যত্ব হিসাবে

তাহাদিগকে দুৰ্বল হইতেই হবে। যাহাৰা নিজেকেই নিজে খণ্ডিত কৰিয়া ৰাখিয়াছে, ঐক্যনীতি অপেক্ষা ভেদবুদ্ধি যাহাদেৰ বেশি, দৈন্য অপমান ও অধীনতাৰ হাত হইতে তাহাৰা কোনোদিন নিষ্কৃতি পাইবে না।"

( ব্যাধি ও প্ৰতিকাৰ ১৩১৪ )

সকলো অনৈক্য আৰু বৈষম্যতকৈ মাৰাত্মক আছিল জনগণৰ লগত জাতীয়তাবাদী নেতৃত্বৰ বিচ্ছেদ। মধ্যবিত্ত আন্দোলনৰ ভাবোচ্ছ্বাসে যে দেশ স্বাধীন কৰিব নোৱাৰে, বহুদিন আগতেই ৰবীন্দ্ৰনাথে বুজিছিল। স্বদেশী আন্দোলনৰ নেতৃত্বৰ শিক্ষাদীক্ষা আৰু সংস্কৃতিয়ে যে তেওঁলোকক ব্যাপক কৃষিজীৱী জনগণৰ পৰা বিচ্ছিন্ন কৰি ৰাখিছিল, সেই বিচ্ছেদ দূৰ নহলে যে সাৰ্থক জাতীয় আন্দোলন গঢ়ি নুঠিব তাক ৰবীন্দ্ৰনাথে অদ্ভুত অন্তদৃষ্টিৰে উপলব্ধি কৰিছিল:

"যাহাদিগকে আমৰা "চাষাবেটা" বলিয়া জানি, যাহাদেৰ সুখদুখেৰ মূল্য আমাদেৰ কাছে অতি সামান্য, যাহাদেৰ অবস্থা জানিতে হইলে আমাদিগকে গবৰ্মেণ্টেৰ প্ৰকাশিত তথ্যতালিকা পড়িতে হয়, সুদিনে দুৰ্দিনে আমৰা যাহাদেৰ ছায়া মাড়াইনা, আজ হঠাৎ ইংৰাজেৰ প্ৰতি স্পৰ্ধা প্ৰকাশ কৰিবাৰ বেলায় তাহাদেৰ নিকট ভাই-সম্পৰ্কেৰ পৰিচয় দিয়া তাহাদিগকে চড়া দামে জিনিস কিনিতে এবং গুৰ্খাৰ গুঁতা খাইতে আহ্বান কৰিলে আমাদেৰ উদ্দেশ্যেৰ প্ৰতি সন্দেহ জন্মিবাৰ কথা। সন্দেহ জন্মিয়াওছিল। কোনো বিখ্যাত "স্বদেশী" প্ৰচাৰকেৰ নিকট শুনিয়াছি যে পূৰ্ববঙ্গে মুসলমান শ্ৰোতাৰা তাঁহাদেৰ বক্তৃতা শুনিয়া পৰস্পৰ বলাবলি কৰিয়াছে যে বাবুৰা বোধ কৰি বিপদে ঠেকিয়াছে। ইহাতে তাঁহাৰা বিৰক্ত হইয়াছিলেন, কিন্তু চাষা ঠিক বুঝিয়াছিল।" ( ব্যাধি ও প্ৰতিকাৰ, ১৩১৪ )

এই শতাব্দীৰ আদিতেই ৰবীন্দ্ৰনাথে বুজিছিল যে সমাজৰ সামন্তবাদী ব্যৱস্থাৰ অৱশেষৰ বিৰুদ্ধে সংগ্ৰাম নকৰাকৈ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজিব নোৱাৰি, যে সমাজৰ নিম্নস্তৰত হেজাৰ অত্যাচাৰৰ বলি হৈ থকা বিপুল কৃষিজীৱী জনগণক জগাব নোৱাৰিলে দেশৰ মুক্তিপথ সফল নহব। কিন্তু এই উপলব্ধিৰ মাজত এটা ভাববাদী উপাদান আছিল। নিপীড়িত জনগণৰ অপৰিচিত "ভদ্ৰলোক" শ্ৰেণীৰ এটা শক্তিশালী চাম যে জমিদাৰ, নিপীড়িত জনগণক জাগ্ৰত কৰাৰ উপায় যে ভূমিসংস্কাৰৰ দাবী, এই সমস্ত ৰবীন্দ্ৰনাথৰ ৰচনাত তাৰ আভাস নাই। আচাৰ আৰু আচৰণৰ সংস্কাৰতেই তেওঁ

গুৰুত্ব দিছিল। তেনেকৈ ইংৰাজ ৰাজপুৰুষৰ জাতিদম্ভ আৰু কদাচাৰক তীব্ৰ ভাষাত গৰিহণা দিলেও ইংৰাজক দুৰ্বল কৰাৰ কোনো কাৰ্য্যকৰী আঁচনি তেওঁ তুলি ধৰিব পৰা নাছিল। "স্বদেশী" আন্দোলনক জাতীয়-মাহুলিৰ দৰে ব্যৱহাৰ কৰাত তেওঁৰ আপত্তি আছিল যুক্তিসঙ্গত, কিন্তু সেই মধ্যবিত্ত আন্দোলনে যে ব্ৰিটিছ ৰাজশক্তিক বিব্ৰত আৰু সন্ত্ৰস্ত কৰিছিল, সেইসম্পৰ্কে তেওঁ সজাগ নাছিল। তেনে ব্যৱস্থাত যদি তেওঁৰ আপত্তি আছিল তেন্তে ব্ৰিটিছৰ লগত প্ৰত্যক্ষ সংগ্ৰামৰ অইন কিবা বিকল্প ৰাস্তাৰ কথা তেওঁ কব লাগিছিল। কিন্তু জাতিৰ মাজত অনৈক্য দূৰ কৰা আৰু আত্মবলত বলীয়ান হোৱা—এই দুই উপায়ৰ বাহিৰে আন কোনো কাৰ্য্যকৰী লক্ষ্যৰ কথা তেওঁৰ তেতিয়াৰ ৰচনাত পোৱা নাযায়। ব্ৰিটিছ ৰাজশক্তিৰ সম্পূৰ্ণ বিৰোধিতা আৰু বিটিচ শাসনৰ লগত সম্পূৰ্ণ বিচ্ছেদ হয়তো তেতিয়া তেওঁৰ চিন্তাত নাছিল। গণতান্ত্ৰিক বিপ্লৱৰ কোনো এক কাৰ্য্যকৰী কৰ্মসূচী উদ্ভাৱন কৰিব নোৱাৰি, অথচ সমসাময়িক আন্দোলনৰ প্ৰতি আস্থা হেৰুৱাই ক্ৰমে ক্ৰমে তেওঁ সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰি আহিবলৈ ধৰিলে।

প্ৰকৃততে ঔপনিবেশিক আৰু অৰ্দ্ধসামন্ততান্ত্ৰিক পৰিৱেশত বুৰ্জোৱা মানৱতাবাদ পংগু হবলৈ বাধ্য। এই মানৱতাবাদৰ অনুপ্ৰেৰণাত হিন্দু ধৰ্মৰ অস্পৃশ্যতা, জাতিভেদ, অমানুষিক আচাৰনিষ্ঠতাৰ বিৰুদ্ধে তেওঁ থিয় দিছিল। এই মানৱতাবাদৰ তাড়নাত স্বদেশবাসীৰ জাতীয় মৰ্য্যাদাৰ হৈ তেওঁ সংগ্ৰাম কৰিছিল। কিন্তু এই জাতীয় মুক্তি আৰু জনগণৰ মুক্তিৰ সংগ্ৰামে কি পথ লব সেইসম্পৰ্কে তেওঁৰ ধাৰণা বাস্তৱসম্মত আৰু পৰিষ্কাৰ নাছিল। ভাৰতৰ জাতীয় বুৰ্জোৱা শ্ৰেণীৰ দ্বিধাগ্ৰস্ত মনোভাৱৰেই ই পৰোক্ষ প্ৰকাশ।

ৰুছবিপ্লৱৰ পিছত প্ৰথম আন্তৰ্জাতিকৰ পৰিচালনাত ভাৰতত কমিউনিষ্ট সংগঠন গঢ় লৈ উঠে। প্ৰথমৰে পৰা এই সংগঠনে কৃষিসংস্কাৰ আৰু কৃষকৰ মুক্তিৰ প্ৰশ্ন ডাঙি ধৰে। কিন্তু গ্ৰামাঞ্চলত এই সংগঠনৰ ভূমিকা আছিল সীমাবদ্ধ—হয়তো তেতিয়াৰ কমিউনিষ্ট চিন্তাধাৰা য়ুৰোপীয় পৰিৱেশত গঢ় লোৱা বাবে ভাৰতৰ কৃষকৰ মাজত কাম কৰোঁতে সি বিশেষ দৃঢ়তা বা তৎপৰতা দেখুৱাব নোৱাৰিলে। শতাব্দীৰ তৃতীয় দশকত ছচিয়েলিষ্ট আৰু কমিউনিষ্ট প্ৰভাৱাধীন All India Kisan Sabha ই কৃষকসমাজৰ মাজত বেছি দূৰলৈ সোমাব পৰিছিল। কিন্তু তাৰ আগতে জনগণক ৰাজনৈতিক ভাৱে

অনুপ্ৰাণিত কৰাত গান্ধীৰ নেতৃত্বই অধিক সাফল্য অৰ্জন কৰিব পাৰিছিল। গান্ধীৰ সাফল্যই ৰবীন্দ্ৰনাথক পুনৰ বিপাঙত পেলালে।

১৩১৪ বংগাব্দত (১৯০৭ চনতক) পাবনা প্ৰাদেশিক সম্মিলনীত দিয়া এটা ভাষণত তেওঁ গ্ৰাম্য জীৱনৰ পুনৰুজ্জীৱনৰ আহ্বান দিছিল। গাওঁৰ পৰা জীৱিকাৰ সন্ধানত বিবিলাকে কলকাৰখানাত মজুৰি খাটিবলৈ আহিছিল, তেওঁলোকৰ শোকাবহ দুৰ্গতি আৰু মানবীয় অবনতিলৈ আঙুলীয়াই ৰবীন্দ্ৰনাথে গ্ৰাম্য জীৱনৰ ধমনিলৈ নতুন তেজ বোৱাই দিয়াৰ প্ৰয়োজন ঘোষণা কৰিলে। সমসাময়িক গাম্য জীৱনৰ পাৰিবাৰিক আত্মকেন্দ্ৰিকতাৰ প্ৰতিকাৰ হিচাবে তেওঁ সমবায় পদ্ধতিত খেতি কৰা আৰু গাওঁৰ সম্পদৰ সমূহীয়া ব্যৱহাৰৰ ওপৰত জোৰ দিলে। গাওঁ উন্নয়নৰ অংগ হিচাবে যথাযোগ্য পঢ়াশালি, বাঞ্চহৰা ভড়ঁালঘৰ আৰু কাৰখানা, সমবায় বেংক আদিৰ আঁচনি তেওঁ ডাঙি ধৰিলে। গান্ধীজীৰ গাওঁ উন্নয়নৰ আঁচনিবোৰতকৈ তেওঁৰ আঁচনি বেলেগ নাছিল।

কিন্তু তেওঁৰ সকলোতকৈ গুৰুত্বপূৰ্ণ মন্তব্য আছিল দেশৰ গ্ৰামীণ জনতাৰ লগত চহৰীয়া ভদ্ৰলোক শ্ৰেণীৰ ব্যৱধান সম্পৰ্কে। তেওঁৰ মতে নতুন চহৰীয়া ভদ্ৰলোক শ্ৰেণী এটা পৰজীৱী শ্ৰেণী মাত্ৰ। দুবছৰ আগতে "পল্লীৰ উন্নতি" নামৰ প্ৰবন্ধত তেওঁ লেখিছিল:

"শিক্ষিত লোকেৰ মনে অশিক্ষিত জনসাধাৰণেৰ প্ৰতি একটা অস্থিমজ্জাগত অবজ্ঞা আছে। যথাৰ্থ শ্ৰদ্ধা ও প্ৰীতিৰ সঙ্গে নিম্নশ্ৰেণীৰ গ্ৰামবাসীদেৰ সংসৰ্গ কৰা তাদেৰ পক্ষে কঠিন। আমৰা ভদ্ৰলোক, সেই ভদ্ৰলোকদেৰ সমস্ত দাবী আমৰা নীচেৰ লোকদেৰ কাছ থেকে আদায় কৰব, একথা আমৰা ভুলতে পাৰিনে।...গ্ৰামেৰ চাষীৰা ভদ্ৰলোকদেৰ বিশ্বাস কৰেনা। তাদেৰ আবিৰ্ভাবকে উৎপাত এবং তাদেৰ মৎলবকে মন্দ বলে গোড়াতেই ধৰে নেয়।"

কৃষিজীৱী জনগণৰ লগত চহৰীয়া ভদ্ৰলোক শ্ৰেণীৰ এই বিচ্ছেদ আৰু বিভেদৰ কাৰণ যে অৰ্দ্ধসামন্তবাদী সমাজব্যৱস্থা; যি সমাজব্যৱস্থা এক ঔপনিবেশিক শক্তিয়ে তাৰ নিজস্ব স্বাৰ্থত জীয়াই ৰাখিছে, ৰবীন্দ্ৰনাথে সেই কথা ভাবিব পৰা নাছিল। এই ব্যৱধান জাতিৰ উন্নতিৰ পক্ষে সৰ্বনশীয়া বুলি তেওঁ বুজি পাইছিল। কিন্তু চহৰৰ বুদ্ধিজীৱী আৰু বৃত্তিজীৱীৰ মুখ গাওঁৰ পিনে নথকাৰ কাৰণ যে দেশৰ বাহিৰৰ ঔপনিবেশিক শক্তি আৰু

সংস্কৃতিৰ সম্মোহন, সেই কথা তেওঁ স্পষ্টকৈ ধৰিব পৰা নাছিল। ফলত চহৰবাসী বৃত্তিজীৱী আৰু বুদ্ধিজীৱীক স্বেচ্ছাই গাঁৱৰ সেৱাত আত্মত্যাগ কৰিবলৈ কোৱাৰ বাহিৰে সাৰগৰ্ভ পৰামৰ্শ তেওঁ দিব পৰা নাছিল। তুলনাত গান্ধীজীৰ মনত কিন্তু স্পষ্ট ধাৰণা আছিল যে ঔপনিবেশিক শক্তিৰ চকিদাৰী কৰা বাবেই আধুনিক ভাৰতৰ চহৰীয়া শ্ৰেণী গ্ৰাম্য সমাজৰ জনগণৰ প্ৰতি নিৰ্মমভাৱে উদাসীন।

গ্ৰামবাসী কৃষিজীৱী জনগণৰ মুক্তিৰ পথ যে সংগ্ৰামৰ পথ হব পাৰে সেই ধাৰণা গান্ধীৰো নাছিল ৰবীন্দ্ৰনাথৰো নাছিল। গান্ধীয়ে শ্ৰেণীদ্বন্দ্বৰ অস্তিত্ব স্বীকাৰ কৰি তাক অহিংস অথবা নিৰীহ সাঁচত পেলাবলৈ অধ্যৱসায় কৰিছিল। ৰবীন্দ্ৰনাথৰ মনত শ্ৰেণীহিচাবে, সজাগ সংহত শ্ৰেণীহিচাবে কৃষকৰ কোনো অস্তিত্বই নাছিল। ১৩২৫ বংগাব্দত (১৯১৮ চন) "ভূমিলক্ষ্মী" নামৰ প্ৰবন্ধত তেওঁ খেতিয়কৰ দুৰ্দশা আৰু দাৰিদ্ৰ্যৰ কাৰণ নিৰ্ণয় কৰিছে খেতিৰ পুৰণা পদ্ধতিৰ তাকৰীয়া উৎপাদন বুলি। তেওঁৰ ধাৰণা যে চহৰীয়া বুদ্ধিজীৱীৰ বিজ্ঞানৰ সহায় লৈ যদি খেতিয়কে তেওঁৰ উৎপাদনক্ষমতা বঢ়াব পাৰে তেন্তে খেতিয়কৰ কষ্ট আৰু দুৰ্গতি অচিৰে দূৰ হব। ১৯৩০ চনৰ ২৮ চেপ্তেম্বৰৰ দিনা বেৰ্লিনৰ পৰা পঠোৱা এখন চিঠিত তেওঁ এই কথাকে পুনৰ দোহাৰিছে। খেতিয়কৰ নিজৰ মাটিত অধিকাৰ নথকা বা খেতিয়কৰ মাটিৰ ওপৰত নানাবিধৰ উপস্বত্বভোগী মানুহ বৰ্তি থকা—এনেবোৰ কথা তেওঁৰ মনলৈ অহাই নাই। সমাজবিজ্ঞানৰ মূলসূত্ৰটোই যেতিয়া তেওঁৰ চকুত নপৰিল; গ্ৰাম্যসমাজৰ পুনৰুজ্জীৱনত তেওঁৰ ব্যৱস্থাপত্ৰই কাম নিদিয়াটো স্বাভাৱিক কথাই।

সত্যৰ একেবাৰে ওচৰলৈ আহি কাষৰীয়া কৈ আঁতৰি যোৱাৰ নিচিনা বেজাৰৰ কথা আৰু বোধহয় নাই। তেওঁৰ নিঃস্বাৰ্থ দেশপ্ৰেমৰ গুণত ৰবীন্দ্ৰনাথে বুজিছিল যে আমাৰ দেশৰ প্ৰকৃত প্ৰাণ কল্‌চোপ কল্‌চোপ কৈ বাচি আছে দুৰ্দশাগ্ৰস্ত গাওঁবোৰতহে :

"য়ুরোপের মতো আমাদের জনসমূহ নাগরিক নয়—চিরদিনই চীনের মতো ভারতবর্ষ পল্লীপ্রধান। নাগরিক চিত্তবৃত্তিনিয়ে ইংরেজ আমাদের সেই ঘনিষ্ঠ পল্লীজীবনের গ্রন্থি কেটে দিয়েছে। তাই আমাদের মৃত্যু আরম্ভ হয়েছে ঐ নীচের দিক দিয়ে। সেখানে কী অভাব, কী দুঃখ, কী অজ্ঞতা, কী শোচনীয় নিঃসহায়তা—বলে শেষ করা যায়না।" (১৫ নবেম্বৰ, ১৯৩৪)

১৩৩১ বংগাব্দত ( ১৯৩০ চনত ) প্ৰকাশিত "পল্লীসেৱা" প্ৰবন্ধত তেওঁ এই শোকাবহ বিচ্ছেদৰ কথাকেই কৈছে: "গ্রামের লোকের না আছে বিদ্যা, না আছে আরোগ্য, না আছে সম্পদ, না আছে অন্নবস্ত্র। ওদিকে যারা কলেজে পড়ে, ওকালতি করে, ডাক্তারি করে, ব্যাংকে টাকা জমাচ্ছে তারা রয়েছে দ্বীপের মধ্যে—চারিদিকে অতলস্পর্শ বিচ্ছেদ।"

এই দুই শ্ৰেণীৰ বিভাজনৰ আঁৰত যে আছে জমিদাৰি প্ৰথা, তাৰ পিছত যে আছে ঔপনিবেশিক নীতি, ৰবীন্দ্ৰনাথৰ চিন্তাত তাৰ প্ৰতিফলন নাই। শেষে এই দুৰ্গতি আৰু অন্যায়, এই অধঃপতন আৰু অমংগলৰ প্ৰতিকাৰ বিচাৰি তেওঁ প্ৰায়েই উভটি গৈছে এক মায়াময় অতীতৰ আশ্ৰয়লৈ। সামন্তযুগীয় অতীত তাৰ সকলো ত্ৰুটিসত্বেও তেওঁৰ মনত বৰ্তমান ভাৰতকৈ শ্ৰেষ্ঠ প্ৰতিভাত হৈছে।

: "ধনী দরিদ্রে অন্তত আমাদের দেশে বিচ্ছেদ অতিমাত্র ছিলনা—তার একটা কারণ, ধনের সম্মান অন্য সব সম্মানের নীচে ছিল; আর-একটা কারণ, ধনী আপন ধনের দায়িত্ব স্বীকার করত"

( পল্লী প্ৰকৃতি, ১৯৩৪ )

এনে ধৰণৰ মন্তব্যই আমাক গান্ধীৰ Trusteeship ৰ আদৰ্শলৈ মনত পেলাই দিয়ে।

সামন্তযুগীয় সমাজতো যে জনসাধাৰণ ঔপনিবেশিক যুগতকৈ কম বঞ্চিত আছিল, তেওঁৰ বহু প্ৰবন্ধৰ মূল বক্তব্য আছিল এয়ে:

"তখন দুঃখ ছিল অনেক, অবিচার ছিল, জীবনযাত্রার অনিশ্চয়তা ছিল পদে পদে, কিন্তু সেইসঙ্গে এমন একটি শিক্ষার প্রবাহ ছিল যাতে করে ভাগ্যের বিমুখতার মধ্যে মানুষকে তার আন্তরিক সম্পদের অবারিত পথ দেখিয়েছে।" ( শিক্ষাৰ বিকিৰণ ১৯৩৩ )

•　　•　　•

"একদিন আমাদের দেশে পল্লীসমাজ সজীব ছিল। এই সমাজের ভিতর দিয়েই ছিল সমস্ত দেশের যোগবন্ধন, আমাদের সমস্ত শিক্ষাদীক্ষা ধর্মকর্মের প্রবাহ পল্লীতে পল্লীতে ছিল সঞ্চারিত। দেশের বিরাট চিত্ত পল্লীতে পল্লীতে প্রসারিত হয়ে আশ্রয় পেয়েছে, প্রাণ পেয়েছে। একথা সত্য যে আধুনিক জ্ঞানবিজ্ঞান সুযোগ সুবিধা থেকে আমরা বঞ্চিত ছিলুম। তখন আমাদের চেষ্টার পরিধি ছিল সংকীর্ণ, বৈচিত্র্য ছিল স্বল্প, জীবনযাত্রার

আয়োজনে উপকরণের অভাব ছিল বিস্তর। কিন্তু সামাজিক প্রাণক্রিয়ার যোগ ছিল অবিচ্ছিন্ন। এখন তা নেই।" (পল্লীসেবা)

অৰ্থাৎ তাহানিৰ সামন্ত সমাজৰ শোষণ আৰু অন্যায় সত্বেও সি আছিল স্বাধীন সমাজ—বিদেশী ঔপনিবেশিক শক্তিৰ লুণ্ঠনে তাক আত্মবিস্মৃত কৰিব পৰা নাছিল। সামন্তযুগৰ সামন্তৰ প্ৰজাৰ প্ৰতি যি যৎসামান্য দায়িত্ববোধ, সেই দায়িত্ব বোধ বিদেশী ঔপনিবেশিক শক্তিৰ নথকাই স্বাভাৱিক। কিন্তু এই অৰ্দ্ধমৃত জনগণক পুনৰুজ্জীৱিত কৰাৰ উপায় কি? এই ক্ষেত্ৰত আমি আগতে ইংগিত দিয়া দৰেই গান্ধী আৰু ৰবীন্দ্ৰনাথৰ মাজত মৌলিক পাৰ্থক্য বেছি নাছিল। জমিদাৰ আৰু ঔপনিবেশিক শক্তিৰ বিৰুদ্ধে দীৰ্ঘকালীন কৃষকযুদ্ধৰ কথা দুয়ো সপোনতো ভাবিব পৰা নাছিল।

গ্ৰামীণ জনসাধাৰণৰ প্ৰতি ৰবীন্দ্ৰনাথৰ ঔৎসুক্য আৰু শ্ৰদ্ধাৰ অন্যতম প্ৰমাণ গ্ৰাম্য সংস্কৃতিৰ প্ৰতি তেওঁৰ আন্তৰিক আৰু অন্তৰ্দৃষ্টিসম্পন্ন শ্ৰদ্ধা। ভদ্ৰলোক শ্ৰেণীৰ উন্নাসিক ৰুচিৰ গণ্ডী তেওঁ সহজেই চেৰাই যাব পাৰিছিল:

"পশ্চিম মহাদেশের নানা প্রকার "মুভমেণ্ট" এর পূর্বাপর ইতিহাস এঁরা পড়েছেন—আমাদের জনসাধারণের মধ্যেও নানা "মুভমেণ্ট" চলে আসছে, কিন্তু সে আমাদের শিক্ষিত সাধারণের অগোচরে। জানবার জন্য কোনো ঔৎসুক্য নেই, কারণ তাতে পরীক্ষা পাসের মার্কা মেলেনা। দেশের সাধারণের মধ্যে আউলবাউল কত সম্প্রদায় আছে, সেটা একেবারে অবজ্ঞার বিষয় নয়; ভদ্রসমাজের মধ্যে নূতন নূতন ধর্মপ্রচেষ্টার চেয়ে তার মধ্যে অনেক বিষয়ে গভীরতা আছে; সে-সব সম্প্রদায়ের যে সাহিত্য তাও শ্রদ্ধা করে রক্ষা করবার যোগ্য..." (পল্লীসেবা)

• • •

"সকল দেশেই নৃত্য কলাবিদ্যার অন্তর্গত, তার প্রকাশের উপায়রূপে শ্রদ্ধা পেয়ে থাকে। আমাদের দেশে ভদ্রসমাজে তা লোপ পেয়ে গেছে বলে আমরা ধরে রেখেছি সেটা আমাদের মধ্যে নেই। অথচ জনসাধারণের নৃত্যকলা নানা আকারে এখনো আছে—কিন্তু ওরা ছোটোলোক। অতএব ওদের যা আছে সেটা আমাদের নয়। এমনকি সুন্দর সুনিপুণ হলেও সেটা আমাদের পক্ষে লজ্জার বিষয়।" (ঐ)

মন কৰিবলগীয়া কথা এয়ে যে ৰবীন্দ্ৰনাথে ইয়াত তথাকথিত "উচ্চাংগ" সংস্কৃতিৰ কথা কোৱা নাই; জনসাধাৰণৰ মাজত প্ৰবাহিত জনসংস্কৃতিৰ

কথাই কৈছে। সেই সংস্কৃতিৰ বাহক জনগণৰ প্ৰতি তেওঁ অকৃত্ৰিম শ্ৰদ্ধা নিবেদন কৰিছে।

কছ বিপ্লৱ—ভাৰত ব্যাপি কৃষক আন্দোলন— গান্ধীজীৰ গাওঁ উন্নয়ণৰ কাৰ্য্যসূচী—এই বিবিধ প্ৰভাৱৰ মাজত স্বাভাৱিকতে ৰবীন্দ্ৰনাথে গাওঁলৈ চকু দিছিল। তেওঁৰ অনুভূতিৰ প্ৰখৰতা আৰু কল্পনাৰ প্ৰসাৰে গাম্য জীৱনৰ বহু গোপন সত্য তেওঁৰ বাবে উজ্বল কৰি তুলিছিল। কিন্তু গান্ধীজীৰ কাৰ্য্যসূচীৰ মাজত তেওঁ বিতৃষ্ণাৰে লক্ষ্য কৰিলে সনাতন, আচাৰসৰ্বস্ব, সামন্তযুগীয় হিন্দুধৰ্মৰ অৱশেষ। যঁতৰত সূতাকটাটো সহজেই এক নতুন অৰ্থহীন আচাৰত পৰিণত হ'ল। যুক্তিহীন ভাবাবেগৰ প্ৰতি গান্ধীজীৰ সঘন আবেদনত তেওঁৰ মনে সঁহাৰি দিব নোৱাৰিলে। আনহাতে শ্ৰেণীসংঘৰ্ষৰ ধ্বনি দিয়া মতাদৰ্শও তেওঁ মনেপ্ৰাণে গ্ৰহণ কৰিব নোৱাৰিলে। অন্তিম-ক্ষণলৈকে তেওঁৰ মনৰ এই দ্বিধাগ্ৰস্ততা দূৰ নহ'ল। তেওঁৰ মনে বিচাৰিছিল গতিশীলতাৰ আবেগ, তেওঁৰ কল্পনাই ভাল পাইছিল সমন্বয়ৰ আদৰ্শ। কিন্তু এই সমন্বয়ৰ মূল্য দিব লাগিব সংঘৰ্ষৰ জৰীয়তে—তেনে এটা মত গ্ৰহণ কৰাটো তেওঁৰ পক্ষে সম্ভৱ নাছিল।

বিশ্বমানৱৰ কবি হবলৈ যাওঁতে সেয়ে ৰবীন্দ্ৰনাথে এক অন্তৰ্দ্বন্দ্বত জোটাপুটি লাগি উজুটি খালে। তেওঁৰ অভিজাত আৱৰণ ফালি জনগণৰ লগত মিলি যাবলৈ তেওঁ যি ঐকান্তিক চেষ্টা কৰিছিল সি অৰ্ধসমাপ্ত হৈ ৰ'ল। "গল্পগুচ্ছ"ৰ বহু গল্পত মফস্বলৰ নিম্নমধ্যবিত্ত কিংবা গ্ৰামবাসী কৃষকৰ জীৱন সম্পৰ্কে যি মৰ্মস্পৰ্শ সমবেদনা আৰু understanding দেখা যায়, সি এক শক্তিশালী ধাৰা হৈ ওলাই নাহিল। "দুই বোন" বা "শেষেৰ কবিতা" ধৰ্মী পুঁথীত সেই ধাৰাৰ চৌ একাকাৰ হৈ গ'ল। ১৩৪৬ বংগাব্দৰ ১৮ ফাল্গুনৰ দিনা বাঁকুড়াৰ জনসভাত তেওঁ খেদ কৰিলে:

"আমাৰ বিপদ হয়েছে এখন—অখ্যাত ছিলেম যখন, অনায়াসে পল্লীৰ মধ্যে ঘুৰে বেড়িয়েছি। কোনো বেষ্টন ছিল না—"ওই কবি আসছেন", "ওই ৰবিঠাকুৰ আসছেন" ধ্বনি উঠত না। তখন কত লোক এসেছে, সবল মনে কথা বলেছে। কত বাউল, কত মুসলমান প্ৰজা, তাদেৰ সঙ্গে একান্ত হৃদ্যতায় আলাপ পৰিচয় হয়েছে—সম্ভৱ ছিল তখন···আমি পল্লীৰ পৰিচয় হাৰিয়েছি নিজে পৰিচিত হয়ে। কিন্তু সম্মানেৰ দ্বাৰা আমি পৰিবেষ্টিত, সে পৰিবেষ্টন আৰ ভেদ কৰতে পাৰব না।"

"ডাকঘৰ" নাটকত কবিৰাজ, মোড়ল প্ৰভৃতি সনাতনী শক্তিৰ প্ৰতিভূসকলৰ শ্বাসৰোধকাৰী অভিভাৱকত্ব নেওচা দি অমলে বৃহত্তৰ জীৱনৰ দিগন্তলৈ সতৃষ্ণ নয়নে চাইছে। টোপোলাত ছাতু বান্ধি কাম বিচাৰি যোৱা মানুহজন আৰু দূৰণিৰটিয়া গাৱঁৰ পৰা দৈ বেচিবলৈ বাটকুৰি বাই যায়, মানুহজনৰ জীৱন অমলৰ নিষ্পাপ শিশুদৃষ্টিত মহিমান্বিত হৈ উঠিছে। আত্মকেন্দ্ৰিক চহৰীয়া জীৱন আৰু প্ৰাচীন সংস্কাৰৰ দুৰ্ভেদ্য প্ৰাচীৰেৰে ঘেৰা সনাতন জীৱন—দুয়ো অমলৰ এই বৃহত্তৰ জীৱনৰ প্ৰতি হাবিয়াস হেঁচা দি ৰাখিব পৰা নাই। নাটকৰ পৰিসমাপ্তিত দেখা গৈছে এক ৰহস্যময় ৰজাৰ প্ৰতিনিধিয়ে অমলৰ আগ্ৰহ আৰু হেপাহত অনুমোদন জনাইছে। অমলৰ ব্যগ্ৰ জীৱনপিয়াসা যে এটা সৎ আৰু ইতিবাচক বস্তু, তাক প্ৰমাণ কৰিবলৈ ৰবীন্দ্ৰনাথে আন উপায় পোৱা নাই। তাহানিৰ তপস্যাত বৰ দিয়া দেৱতাৰ দৰে, কিন্তু দেৱতাতকৈ অস্পষ্ট এক চৰিত্ৰৰ দ্বাৰা এই অনুমোদন প্ৰকাশ কৰিছে। ৰবীন্দ্ৰপ্ৰতিভাৰ এটা স্থায়ী অন্তৰ্দ্বন্দ্বৰ নিদৰ্শন এই "ডাকঘৰ।"

তেওঁৰ কবিতাতো শতশতাব্দী জোৰা মানৱ ইতিহাসৰ অখ্যাত, অকীৰ্তিত শ্ৰমজীৱী জনতাৰ ছবি সময়ে সময়ে ফুটি উঠিছে :

মাটিৰ পৃথিবী-পানে আঁখি মেলি যবে
দেখি, সেথা কলকলৰবে
বিপুল জনতা চলে
নানা পথে নানা দলে দলে
যুগযুগান্তৰ হতে মানুষেৰ নিত্য-প্ৰয়োজনে
জীৱনে মৰণে।
ওৰা চিৰকাল
টানে দাঁড়, ধৰে থাকে হাল ;
ওৰা মাঠে মাঠে
বীজ বোনে, পাকা ধান কাটে।

*  *  *

শত শত সাম্ৰাজ্যেৰ ভগ্নশেষ-'পৰে
ওৰা কাজ কৰে ॥ : [ আৰোগ্য ]

কিন্তু তেওঁ দূৰৰ পৰাই এই মহাজনতালৈ তেওঁৰ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। তাৰ লগত আত্মীয়তা স্থাপন কৰিব পৰা নাই। স্বাধীনতা আন্দোলনে তাৰ

বাবে যি সুযোগ আনিছিল সেই সুযোগ তেওঁ ব্যৱহাৰ কৰিব নোৱাৰিলে। তেওঁৰ অভিজাত মানৱতাবাদৰ গণ্ডী তেওঁ পাৰ হব নোৱাৰিলে।

ৰবীন্দ্ৰনাথৰ মূল বক্তব্য আছিল এক নিত্য গতিশীল আৰু নিত্য সমন্বয়ব্ৰতী ব্যক্তিত্বৰ সাধনা। "গোৰা" আৰু "ঘৰে বাইৰে" উপন্যাসত এনে এক ব্যক্তিত্বৰ আদৰ্শকে তেওঁ ডাঙি ধৰিছে য'ত মানুহৰ সকলো সম্ভাৱনা, সকলো ক্ষমতাৰ সংঘাত বিলুপ্ত হয় আৰু যি মহামিলনৰ প্ৰকাশ ঘটে এক অপূৰ্ব, অক্ষয় সৃষ্টিকাৰ্যত। কিন্তু এই সমন্বয় আৰু এই সৃষ্টিশীলতাৰ উত্তৰ কেনেকৈ হব? ৰবীন্দ্ৰনাথে ভাবিছিল যে ঐকান্তিক অনুশীলনৰ পৰাই মানুহে এনে এক বিশ্বমানৱতাৰ অধিকাৰী হব পাৰিব। কিন্তু তেওঁৰ এই সমাধান কেৱল ভাববাদীয়েই নহয়, ভাবপ্ৰৱণো আছিল।

ঔপনিবেশিক স্বৈৰাচাৰত শক্তিহীন জাতিয়ে যে নিৰ্বিচাৰে শক্তিৰ সাধনাত নামিব খুজিব, তাত আৰু বিচিত্ৰ কি? কিন্তু এই উলংগ শক্তিৰ সাধনাৰ ফল যে শুভ নহব ৰবীন্দ্ৰনাথে বুজিছিল। চৰমপন্থী জাতীয়তাবাদৰ শক্তিসাধনাৰ শেষ পৰিণতি হ'ল ফেচিষ্ট জাপানৰ লগত সুভাষ বসুৰ মিলন আৰু মিত্ৰতা। অৰ্থাৎ শক্তি হ'ল এটা উপায়, এটা হাতীয়াৰ। সেই শক্তিৰ উদ্দেশ্য নিৰ্দ্ধাৰণ কৰে এক সামগ্ৰিক দৰ্শন আৰু ৰণনীতিয়ে। "Power comes out of the barrel of a gun" বুলিলেই যথেষ্ট নহয়। পাহৰিলে নচলিব যে "It is the party that controls the gun." সেয়ে "ঘৰে বাইৰে"ৰ কালীসাধক শক্তিপূজক সন্দীপৰ অন্তঃসাৰশূন্যতা আৰু অন্তিম ব্যৰ্থতা তেওঁ বুজিছিল দ্ৰষ্টাৰ দৰে। কিন্তু সন্দীপৰ সাৰ্থক বিকল্প হিচাবে ন্যায়নিষ্ঠ সমন্বয়বাদী নিখিলেশক মানি লবলৈ আমি অপাৰগ।

ৰবীন্দ্ৰনাথে ক্ষমতাৰ (power) যথাযথ বিশ্লেষণ আৰু ব্যাখ্যা আগবঢ়াব পৰা নাছিল। তেওঁৰ বিৰাট মেধা আৰু তীক্ষ্ণ বুদ্ধি সত্বেও তেওঁ শ্ৰেণীদ্বন্দ্বৰ পটভূমিত ক্ষমতাৰ ভূমিকা বিচাৰ কৰা নাছিল। ফলত তেওঁ সদায় ইংৰাজ শাসনক পশ্চিমীয়া সভ্যতাৰ তথা মানৱতাবাদী সভ্যতাৰ অগ্ৰদূত হিচাবে ধৰি লৈছে। "কালান্তৰ" নামৰ প্ৰবন্ধসংকলনত দ্বিতীয় মহাযুদ্ধৰ প্ৰলয়ংকৰ ৰূপক তেওঁ মানৱতাবাদী সভ্যতাৰ পৰিণতি হিচাবে চাইছে। যি মানৱতাবাদী সভ্যতাক তেওঁ একান্ত গদগদ স্বৰত স্বাগতম জনাইছিল সেই সভ্যতাকে পিছত গৈ গোপন ব্যাধিত আক্ৰান্ত বুলি তেওঁ অভিসম্পাত দিছিল। অন্তৰৰ পৰাই তেওঁ পশ্চিমীয়া সভ্যতাৰ সম্পদৰ প্ৰতি লোভ তথা

জড়বাদক ভৎ'সনা কৰিছিল। বুৰ্জোৱা মানৱতাবাদৰ এই বিভৎস পৰিণতি বুজিব নোৱাৰি তেওঁ ভাৰতৰ অতীত সভ্যতাৰ প্ৰতি কৰুণ হেঁপাহেৰে উভতি চাইছিল।

“ৰাছিয়াৰ চিঠি”ত ৰবীন্দ্ৰনাথে লক্ষ্য কৰিছে এক যুগান্তকাৰী অভ্যুত্থান। এই অভ্যুত্থানে লক্ষ লক্ষ লোকৰ মাজত সঞ্চাৰ কৰিছে অভূতপূৰ্ব শক্তিৰ উন্মাদনা। কিন্তু ৰবীন্দ্ৰনাথে এই বিপ্লৱক শ্ৰেণীসংগ্ৰামৰ পৰিণতি হিচাপে চোৱা নাই। বৰং তেওঁৰ মনত এই বিপ্লৱ এচাম আদৰ্শবাদী লোকৰ নিয়ন্ত্ৰণত ব্যাপক জনশিক্ষা। শিক্ষাৰ ওপৰত তেওঁ দিয়া গুৰুত্ব অমূলক নহয়, কিন্তু এই শিক্ষা বিয়পি পৰিবলৈ হলে যে সমাজৰ ভেটি সম্পূৰ্ণ সলাব লাগিব সেই সম্পৰ্কে তেওঁ সচেতন নহয়। বিপ্লৱে জোকাৰ খুওৱা কৃষকমজুৰৰ মনতহে নতুন শিক্ষাৰ প্ৰেৰণা প্ৰবল হৈ উঠে তেওঁ যেন বুজা নাই।

ৰবীন্দ্ৰনাথৰ অভিজাত মানৱতাবাদ কলাশিল্পৰ বিপ্লৱী ভূমিকা সম্পৰ্কে স্বভাৱতে উদাসীন। তেওঁৰ চিন্তাত মানুহৰ উৎপাদনমুখী কাম আৰু মানুহৰ নিঃস্বাৰ্থ লীলা—এই দুই ভূমিকা যেন পৰস্পৰবিৰোধী। ১৯১৫ চনত ৰচিত “কবিৰ কৈফিয়ত” প্ৰবন্ধত তেওঁ লিখিছে :

“কিন্তু মানুষ যে কাজ করে তার অধিকাংশই নিজেকে প্রকাশের জন্য নয়। সে, হয় নিজের মনিবকে, নয় কোনো প্রবল পক্ষকে, নয় কোনো বাঁধা দস্তুরের কর্মপ্রণালীকে, পেটের দায়ে বা পিঠের দায়ে প্রকাশ করে। পনেরো আনা মানুষের কাজ অন্যের কাজ।… …

সকল মানুষকেই রাজার সমাজের পরিবারের মনিবের দাসত্ব করিতে হইতেছে। কেমন গোলমালে দায়ে পড়িয়া এই রকমটা ঘটিয়াছে। এইজন্যই লীলা কথাটাকে আমরা চাপা দিতে চাই।”

আকৌ “সাহিত্যতত্ত্ব” নামৰ প্ৰবন্ধত ১৯৩৩ চনত লিখিছে :

“প্রয়োজনের দাবি প্রবল এবং তা অসংখ্য। কেননা যতটা আয়োজন আমাদের জরুরি তা আপন পরিমাণ রক্ষা করে না। অভাবমোচন হয়ে গেলেও তৃপ্তিহীন কামনা হাত পেতে থাকে⋯সংসারের সকল বিভাগেই এই-যে “চাই চাই”—এর হাট বসে গেছে, এরই আশেপাশে মানুষ একটা ফাঁক খোঁজে যেখানে তার মন বলে “চাই নে,” অর্থাৎ এমন-কিছু চাইনে যেটা লাগে সঞ্চয়ে। তাই দেখতে পাই, প্রয়োজনের এত চাপের মধ্যেও মানুষ

অপ্ৰয়োজনেৰ উপাদান এত প্ৰভূত কৰে তুলেছে, অপ্ৰয়োজনেৰ মূল্য তাৰ কাছে এত বেশি।"

প্ৰয়োজন আৰু শ্ৰম—ৰবীন্দ্ৰনাথৰ মতে আৰ্ট ইয়াৰ উৰ্দ্ধত। আৰ্ট হ'ল মানুহৰ সেই আধ্যাত্মিক আকাংক্ষাৰ প্ৰকাশ যি ব্যৱহাৰিক জীৱনত সন্তুষ্ট নহয়। এই শিল্পতত্ত্ব শ্ৰেণীসমাজত শাসকশ্ৰেণীৰ প্ৰিয়। কিন্তু মানুহৰ আধ্যাত্মিক আকাংক্ষা কেৱল ৰসৰ জগতত তন্ময় হ'লেই তৃপ্ত হয়, এনে ধাৰণাৰ কোনো যথাৰ্থ ভিত্তি নাই। সংগ্ৰামী শ্ৰেণীৰ মানুহে তাৰ আধ্যাত্মিক জগততো সংগ্ৰামৰ স্পন্দন বিচাৰিব। বিশ্বৰ লগত ৰসৰ আত্মীয়তাই নহয়, বিশ্বৰ লগত সংঘৰ্ষ আৰু সৃষ্টিমূলক সংঘাতৰ সম্পৰ্কও হব পাৰে। ৰসৰ যোগেদি প্ৰাচীন পৰম্পৰাগত সাহিত্যৰো সকলো দিশ বুজা নাযায়। স্থূল ব্যৱহাৰ, স্থূল প্ৰয়োজনৰ উৰ্দ্ধত সমাজ আৰু সংসাৰ ভাঙি নতুনকৈ গঢ়ি তোলাৰ প্ৰয়োজন আছে। শিল্পকলাত তাৰ প্ৰতিফলন ঘটিব পাৰে। কিন্তু ৰবীন্দ্ৰনাথ যেহেতু এনে এক সংগ্ৰামী শ্ৰেণীৰ লগত অন্তৰংগভাবে জড়িত নাছিল, সেয়ে শিল্পকলাৰ এই ধৰণৰ প্ৰয়োজন বুজাও তেওঁৰ পক্ষে সম্ভৱ নাছিল। শিল্পকলাৰ যি প্ৰচাৰ তাৰো যে মহান মানবীয় মূল্য আছে, অভিজাত মানৱতাবাদে তাক বুজিব নোৱাৰে।

ৰবীন্দ্ৰনাথে সচেতনভাবে সাধুভাষাৰ বন্দৰ এৰি জনসমুদ্ৰৰ মাজলৈ নাও বাই আহিছিল এদিন। তেওঁৰ গীতৰ ভাষাত বহুকাললৈ চৌ তুলিছিল সেই যাত্ৰাই। কিন্তু সেই গীতসমূহৰ তৰ্কাতীত মাধুৰ্য্য আৰু মৰ্মস্পৰ্শী আবেদন মানি লৈও প্ৰশ্ন কৰিব পাৰি সেই গীতবোৰৰ দৃষ্টিকোণ কোন শ্ৰেণীৰ। অলৰ-অচৰ আচাৰে গোড়া হিন্দু সমাজৰ জীৱন যেনেকৈ বান্ধি পেলাইছিল সেইদৰে ভাৰতীয় সংগীতৰ ধাৰাও ইতিমধ্যে অলৰ-অচৰ পদ্ধতিৰ মাজত মুহ্যমান হৈ পৰিছিল। প্ৰেম আৰু প্ৰকৃতিৰ অভিনৱ অনুভূতিৰ জৰীয়তে এই লোহকঠিন বন্ধন:গলাই দিলে ৰবীন্দ্ৰসংগীতে। এই পিনৰ পৰা ৰবীন্দ্ৰ-সংগীতৰ ভূমিকা সামন্তবাদ বিৰোধী। আচৰিত নহয় যে সামন্তবাদী সমাজৰ গৰ্ভত সামন্তবাদী আচাৰনীতিৰ বিৰুদ্ধে (যেনে জাতিভেদ) জনসাধাৰণৰ যি সাংস্কৃতিক প্ৰতিৰোধ গঢ় লৈ উঠিছিল গণসংস্কৃতিৰ সেইবোৰ উপাদানকে আঁকোৱালি লৈ ৰবীন্দ্ৰনাথে এই নতুন সাংস্কৃতিক সম্পদ সৃষ্টি কৰিছিল। ৰবীন্দ্ৰসংগীতৰ ভাষাত সেয়ে বাউল গীত, কীৰ্ত্তন আৰু শ্যামাসংগীত প্ৰমুখ্যে বিবিধ লোকসংগীতৰ ভাষাৰ প্ৰভাব—শব্দচয়ন আৰু

চিত্ৰকল্প আৰু অদ্ভুৰা ঠাঁচৰ দিশত—লক্ষ্য কৰিব পাৰি। কিন্তু জনসংস্কৃতিৰ মাজত যি সংগ্ৰামী বোধ আছিল সেই বোধ ৰবীন্দ্ৰসংগীতত বিলুপ্ত হৈ কেৱল তাৰ সহজিয়া বা আনধৰণৰ ৰহস্যবাদহে টিকি থাকিল। সামন্তবিৰোধী লোকসংস্কৃতিৰ অভ্যন্ত ৰহস্যবাদ তাৰ utopian উপাদান। সেই [illegible] উপাদানৰ প্ৰতি ৰবীন্দ্ৰনাথ সহজে আকৃষ্ট হ'ল। কি[illegible] তাৰ অন্যান্য গণতান্ত্ৰিক উপাদানসমূহ তেওঁৰ গীতত পৰিপূৰ্ণৰূপে ফুটি নোলাল। পূৰ্ববংগৰ বিখ্যাত কবি জসিমুদ্দিনে তেওঁৰ স্মৃতিচাৰণত মন্তব্য কৰিছে যে এবাৰ তেওঁ ৰবীন্দ্ৰনাথক আঙুলীয়াই দিছিল যে তাহানি দীনেশচন্দ্ৰ সেন প্ৰভৃতি সংগ্ৰাহক আৰু সম্পাদকে কেনেকৈ মৈমনসিংহ প্ৰভৃতি অঞ্চলৰ লোকগীতি সংকলন কৰাৰ সময়ত গোপনে তাৰ ভাষাৰ সংস্কাৰ সাধিছিল—যাৰ ফলত "মানস মুকুৰ" প্ৰভৃতি বাক্যাংশ সেইবোৰ গীতত ভুমাল যি ধৰণৰ বাক্যাংশ চহৰৰ শিক্ষিত মধ্যবিত্তৰ বাবে পৰিচিত হ'লেও গাঁৱৰ ভাষাত নাভূত-নাশ্ৰুত। জসিমুদ্দিনৰ মন্তব্য শুনি ৰবীন্দ্ৰনাথ কিছুপৰ স্তব্ধ হৈ থাকিল! তাৰ পিছত লাহেকৈ ক'লে: "তেনেহলে মই আৰু কি কৰিলোঁ? তেওঁলোকে যেখোন মোতকৈ আগতেই মোৰ কাম শ্ৰেষ কৰি গ'ল।"

ৱাৰ্ড্‌ছ্‌ৱাৰ্থে এঠাইত কৈছে যে প্ৰতিজন কবিপ্ৰতিভাই তেওঁৰ কবিতাৰ প্ৰতি ৰুচি সৃষ্টি কৰে। অৰ্থাৎ কবিৰ যেনেকৈ পাঠকৰ প্ৰতি দায়িত্ব আছে তেনেকৈ পাঠকৰো কবিৰ প্ৰতি দায়িত্ব নথকা নহয়। ৱাৰ্ড্‌ছ্‌ৱাৰ্থৰ উক্তিত থকা ৰোমান্টিক আত্মকেন্দ্ৰিকতা বাদ দিলে এই সাৰৰা যুক্তিটো থাকি যায় যে কবিয়ে জনসাধাৰণৰ জীৱন লৈ কবিতা ৰচিলে তৎক্ষণাৎ নহলেও যথাসময়ত তাৰ ৰসগ্ৰহণৰ ক্ষমতা জনসাধাৰণৰ মাজত বিকশিত হয়। সেয়ে ৰবীন্দ্ৰনাথে সৰ্বসাধাৰণে বুজিব পৰা ভাষাতে পানীকৃত্য কৰি সকলো লিখা উচিত আছিল এনে কথা আমি নকওঁ। কিন্তু আজিৰ দূৰত্বত আমাৰ মনত এই সন্দেহ ঘনায়মান হয় যে তেওঁ জনসাধাৰণৰ লগত তেনেধৰণৰ সংযোগৰে নাছিল যি কালক্ৰমত জনগণৰ মাজত তেওঁৰ কবিতাৰ প্ৰতি ৰুচি সৃষ্টি কৰিলেহেঁতেন।

# ৰবীন্দ্ৰসাহিত্যৰ প্ৰাসংগিকতা

ৰবীন্দ্ৰনাথৰ relevance বিতৰ্ক আৰু আলোচনাৰ বিষয় হ'লহেঁতেন, যদিহে ৰবীন্দ্ৰনাথ দাৰ্শনিক হ'লহেঁতেন। কিন্তু ৰবীন্দ্ৰনাথ হ'ল শিল্পী। তেওঁৰ শিল্পকলা যতেই সাৰ্থক হৈছে তাতেই ভাবিবলৈ থল নাথাকে সি relevant হয় নে নহয়। তৎক্ষণাৎ আৰু সহৃদয় বুদ্ধিৰ জৰীয়তে সি তাৰ আবেদন আৰু যথাৰ্থ্য প্ৰমাণ কৰে। তেওঁৰ শিল্পকলা সমগ্ৰভাবে সফল হয় নে নহয়, সেই প্ৰশ্নটো অৱশ্যে বেলেগ। এই প্ৰশ্নৰ উত্তৰ দিবলৈ যাওঁতে আমি গুণমুগ্ধ ভক্তৰ দলৰ ভ্ৰূকুটি উপেক্ষা কৰিব লাগিব।

শিল্পকলাৰ পিনৰ পৰা ৰবীন্দ্ৰনাথৰ পৰৱৰ্তী যুগৰ কবিতাত মই ৰস নাপাওঁ। সংস্কৃতগন্ধী শব্দৰ বাহ্যিক ধ্বনি আৰু লঘৰ ভাৰত সেই কবিতা ভাবাক্ৰান্ত—তাৰ লয়ত নাই পূৰ্বৰ সহজ স্বাচ্ছন্দ্য আৰু প্ৰাণময় বৈচিত্ৰ্য। তাৰ কথাত প্ৰায়েই থাকে ঋষিসুলভ বাণী, বক্তৃতা, স্বগতোক্তি আৰু পাঠকৰ প্ৰতি তীব্ৰ আহ্বান। তুলনাত গীতাঞ্জলিৰ নম্ৰতা, তাৰ আপোনবিতোৰ মগ্নতা আৰু তাৰ অপূৰ্ব অথচ সহজ বাক্‌ভংগী বহুবেছি intimate আৰু immediate ! অৱশ্যে এই মত জনপ্ৰিয় নহয়। ঋষি ৰবীন্দ্ৰনাথৰ প্ৰতি অন্ধ ভক্তিত আমি তেওঁৰ পৰৱৰ্তী যুগৰ কবিতাত নানা বিধৰ তত্ত্ব আৰু বাণী বিচাৰি চলাথ কৰোঁ, কিন্তু তাক শিল্পকলাৰ নিজস্ব মাপকাঠিৰে বিচাৰ নকৰোঁ।

মোৰ ধাৰণা ৰবীন্দ্ৰনাথ ঋষি হোৱাৰ ফল হ'ল মাৰাত্মক। যেইট্সপীয়ৰৰ সেই দুৰ্ভাগ্য হোৱা নাছিল। সমসাময়িক সমাজে তেওঁৰ কবিতা, তেওঁৰ নাটকত মহৎ প্ৰাণৰ দান বিচাৰি ব্যাকুল হোৱা নাছিল। সমাজৰ

আৰু আৰু মানুহৰ লগত তেওঁৰ আছিল সহজ যোগাযোগ। তেওঁলোকৰ সুখদুখ, আশানিৰাশাত শ্বেক্সপীয়াৰে সহজে সঁহাৰি দিব পাৰিছিল। নিজৰ দুখযন্ত্ৰণাতো তেওঁ আনৰ লগত একাত্মতা বোধ কৰিব পাৰিছিল। কিন্তু ঋষিৰ দৰে অবিচল নিস্পৃহ আৰু জ্ঞানী হব লগা হ'লে এইসহজ সঁহাৰিৰ বাট বন্ধ হয়। সঁচা কথা যে স্বেচ্ছাই ৰবীন্দ্ৰনাথে এই ভূমিকা লোৱা নাছিল। তৎকালীন সমাজৰ বিশেষ অৱস্থাই—বিশেষকৈ য়ুৰোপৰ স্বীকৃতি আৰু শ্ৰদ্ধা আকৰ্ষণ কৰিবপৰা পৰাধীন ভাৰতৰ আধ্যাত্মিক মহিমাৰ মোহে—দেশবাসীক ৰবীন্দ্ৰনাথৰ মাজত এজন ঋষিক আবিষ্কাৰ কৰিবলৈ উদ্বুদ্ধ কৰিছিল। অৱশেষত ৰবীন্দ্ৰনাথেও সেই ভূমিকা স্বীকাৰ কৰি লৈছিল আৰু নিজেও সেই ভূমিকাৰ উপযুক্ত হিচাবে নিজকে গঢ়িবলৈ সাধনা কৰিছিল। এই সাধনাত মহত্ব থাকিব পাৰে, কিন্তু সি শিল্পকলাৰ সাধনা নহয়।

এই ভূমিকাৰে অংগস্বৰূপে তেওঁ গঢ়ি ললে এটা বিশেষ তত্ব বা চিন্তাধাৰা। তাৰ দ্বাৰাই তেওঁ সাধাৰণ জীৱনৰ ভিত্তিৰ পৰা নিজৰ দূৰত্ব ৰাখিবলৈ যত্ন কৰিলে। শিল্পকলাৰ বাবে তত্ব সদায় বিপজ্জনক নহয়। বিশেষকৈ তত্বই যেতিয়া জীৱনৰ অনুসন্ধানত অনুপ্ৰাণিত কৰে, কৌতূহল জাগ্ৰত কৰে, উপভোগ বৃদ্ধি কৰে, তেতিয়া সি শিল্পকলাৰ সাৰথি। কিন্তু যেতিয়া সি সকলো ঘটনা, সকলো কথা সহজে ব্যাখ্যা কৰি দিয়ে, অভিজ্ঞতাৰ প্ৰতি আগ্ৰহ, জীৱনৰ প্ৰতি অবিমিশ্ৰ কৌতূহল স্তব্ধ কৰি দিয়ে তেতিয়া সি হৈ পৰে শিল্পকলাৰ ঘোৰ শত্ৰু। ৰবীন্দ্ৰনাথৰ "জন্মদিনে" বহুতে প্ৰশংসা কৰে। কিন্তু মোৰ ধাৰণাত সি হয় বাৰ্দ্ধক্যৰ শ্ৰান্তি, শূন্যতা, বিবৰ্ণ স্মৃতিৰ নিদৰ্শন, নহলে কবিপ্ৰাণ লেবেলি যোৱাৰ চিনস্বৰূপ।

হয়তো শ্ৰেণীগত বিশ্লেষণে এই অৱস্থা বুজাত আমাক সহায় কৰিব। জমিদাৰ শ্ৰেণীৰ পৰোভৱৰ দিনত জন্ম লোৱা ৰবীন্দ্ৰনাথে জীৱনকালত পালে জাতিৰ ইতিহাসৰ বহু নব নব পৰ্যায়; সুখদুখ আশানিৰাশাৰ যি বাস্তৱ ভিত্তি তাৰ পৰিবৰ্তন ঘটিল বহুত। ৰাজনৈতিক জীৱনত তাৰ প্ৰতিফলন ঘটিল। কিন্তু আভিজাত্যৰ বেৰা পাৰ হৈ এইবোৰ নতুন নতুন মানুহৰ নতুন জীৱন অভিযানৰ লগত তেওঁ একাত্মতা বোধ কৰিব নোৱাৰিলে। তাৰ লগতে যেতিয়া ঋষিৰ মহিমা তেওঁৰ আগত পৰিল এই বিচ্ছিন্নতাৰ পৰা মুক্তিলাভ তেওঁৰ পক্ষে অসম্ভৱ হৈ পৰিল। অৱশ্যে এই অৱস্থানৰ

দুৰ্দৈৱ সম্পৰ্কে তেওঁ অচেতন নাছিল। মহত্ত্ব আৰু আভিজাত্যৰ খোলাৰ আঁৰত তেওঁৰ প্ৰাণে গুমৰি উঠিছিল সাধাৰণ জীৱনৰ সান্নিধ্যৰ বাবে, বহল জীৱনৰ স্পৰ্শৰ বাবে। শেষ জীৱনত কিন্তু এই আকাঙ্ক্ষা কেৱল আধ্যাত্মিক ৰূপত, বিশ্বজগতৰ সামগ্ৰিক ৰূপধিয়ানতে আবদ্ধ হৈ থাকিল।

ৰবীন্দ্ৰনাথৰ মূল ধাৰণা বা উপলব্ধি হ'ল জীৱনৰ, তথা মানৱজীৱনৰ সৃষ্টিশীলতা। যাইকৈ আধ্যাত্মিক বা কলাসুলভ (aesthetic) সৃষ্টিশীলতাতে তেওঁ গুৰুত্ব দিছিল। দৈহিক পৰিশ্ৰম তাৰ ভিত্তিহে, মৰ্ম নহয়। তাৰ বিঘ্ন আৰু শত্ৰু হিচাবে তেওঁ দেখা পাইছিল সামাজিক আৰু মানসিক জড়তাক। সেয়ে আচাৰ-সৰ্বস্ব হিন্দু গোড়ামিক তেওঁ বাৰে বাৰে আক্ৰমণ কৰিছে। কাৰণ জীৱনৰ সৃষ্টিশীলতা সি স্তব্ধ কৰিদিছে। 'অচলায়তন'ৰ বন্ধ দেৱাল, "ডাকঘৰ"ৰ কবিৰাজী নিৰ্দেশত বন্ধ ঘৰৰ পৰিবেশ, "ৰক্তকৰবী"ৰ ৰাষ্ট্ৰীয় শক্তিৰ জোৰত বন্ধ যক্ষপুৰীৰ দেৱাল যেন সেই জড়তা, সেই স্তব্ধতা সেই প্ৰতিবন্ধকৰ প্ৰতীক। আনহাতে অমলে ঘৰৰ বাহিৰ হব খোজে উৎসুক হৃদয়েৰে, অকুণ্ঠ কৌতুহলেৰে। নন্দিনী আৰু ৰঞ্জন এই বাধানমনা সৃষ্টিশীলতাৰ যুগ্ম ৰূপ—নাৰীৰ সৌন্দৰ্য্য, পুৰুষৰ বিক্ৰম, য'ত প্ৰেমৰ যোগেদি একত্ৰ হৈছে।

কিন্তু এই বোধ ক্ৰমে উপলব্ধিৰ পৰা তত্ত্বত পৰিণত হৈছে। ফলস্বৰূপে সমসাময়িক জগতৰ আৰু প্ৰত্যক্ষ বাস্তৱৰ বিভিন্ন দ্বন্দ্ববোৰৰ সম্পৰ্কে তেওঁ বহুঠাইত অসহিষ্ণু হৈ পৰিছে। তাৰ অৰ্থ এনে নহয় যে সেই দ্বন্দ্ববোৰ সম্পৰ্কে তেওঁ উদাসীন আছিল। ভাৰতীয় সমাজৰ হিন্দু-মুছলমান সমস্যাই হওক, বিশ্বৰ পৰিপ্ৰেক্ষিতত জাতীয়তা আৰু আন্তৰ্জাতিকতাৰ দ্বন্দ্বই হওক, নাইবা সাম্ৰাজ্যবাদ আৰু ঔপনিবেশিক জনগণৰ দ্বন্দ্ব সম্পৰ্কে তেওঁ আছিল সজাগ। কিন্তু তেওঁৰ অভিযাত্ৰী মনে এইবোৰ দ্বন্দ্বৰ সাময়িকতা সম্পৰ্কে নিশ্চিত হৈ তাৰ বৰ্তমান seriousness ত সিমান গুৰুত্ব দিবপৰা নাছিল। বস্তুৰ, সমাজৰ, সংস্কাৰৰ, আচাৰৰ নানান জড়তা আৰু স্থবিৰতা গতিশীল মানৱমনে অতিক্ৰম কৰিব বুলি ধৰি লৈ তেওঁ সেইবোৰৰ বৰ্তমান ওজন আৰু ব্যাপকতাৰ প্ৰতি সিমান মনোযোগ দিয়া নাছিল। ফলত বাস্তৱ জগতৰ ৰূপায়নত তেওঁৰ কবিতাই যথাযোগ্য ঘনত্ব আৰু সজীৱতা বহুক্ষেত্ৰত অৰ্জন কৰিব পৰা নাছিল। বিশেষকৈ তেওঁৰ পৰৱৰ্তী জীৱনৰ কবিতাত বিমূৰ্ত স্বগতোক্তি, গহীন আৰু চিন্তাশীল মৰ্ত্তব্যৰ ভাৰ বেছি হৈ আহিছে।

অভিজ্ঞতাৰ যথাৰ্থ ৰূপদানতকৈ যেন অভিজ্ঞতাৰ পৰা শিক্ষা লাভ কৰিবলৈ তেওঁ অধিক উদগ্ৰীৱ হৈ পৰিছে। তেওঁৰ সেইবোৰ উক্তি আৰু তাৰৰ আন্তৰিকতাত আমি সন্দেহ কৰিব নোৱাৰোঁ। কিন্তু বৌদ্ধিক আন্তৰিকতাক কলাৰ সজীৱতাৰ লগত একাকাৰ কৰিব নোৱাৰি। সজীৱ ৰূপৰ গুৰুত্ব আয়ত্ত কৰাটো আৰু জটিল, আৰু কঠিন সাধনা।

এইকথা অৱশ্যে কব নোৱাৰি যে বাস্তৱ জগতৰ ৰূপ পৰিস্ফুট কৰিবলৈ তেওঁৰ ক্ষমতা নাছিল। "গল্পগুচ্ছ"ৰ বিভিন্ন গল্পত সিঁচৰতি হৈ আছে জীৱনৰ সূক্ষ্ম পৰ্য্যবেক্ষণ, আচাৰ, সমাজ আৰু সংস্কাৰৰ গুৰুতাৰ আৰু ভয়ানক জড়তাৰ গাঢ় অনুভূতি, আৰু জীৱনৰ বিচিত্ৰ পৰিস্থিতিৰ বিস্ময়, বৈচিত্ৰ্য আৰু কাৰুণ্য। "পোষ্টমাষ্টাৰ" গল্পত যেতিয়া পিতৃমাতৃহীনা কিশোৰী ৰতনৰ গভীৰ আৰু মৰ্মস্পৰ্শী আসক্তি আৰু স্নেহকাঙাল মনৰ অভিমানৰ লগত চহৰীয়া ডেকা নায়কৰ কোমল আৰু চঞ্চল মনৰ অস্থায়ী আৰু অগভীৰ মমতা বা বিচ্ছেদব্যথাৰ সহজ দাৰ্শনিক ব্যাখ্যা ওচৰাওচৰিকৈ ফুটি উঠে তেতিয়া ৰবীন্দ্ৰনাথৰ গভীৰ অনুকম্পাৰ লগেলগে তেওঁৰ অন্তৰ্দৃষ্টি বুলি আমি অনুভৱ নকৰাকৈ নাথাকোঁ। "নষ্টনীড়"ৰ অমলে কোনো অসৎ মতলবেৰে নাইবা নিবিড় প্ৰণয়েৰে তাৰ বৌৱেকক বাঞ্ছিব খোজা নাছিল। উপকৰা ৰাজনীতিৰ মিছাত মত্ত ককায়েকৰ অনাদৃতা পত্নী চাৰুলতা স্বাভাৱিকতে আকৃষ্ট হৈছিল অমলৰ যৌৱনসুলভ প্ৰাণোচ্ছলতাত। সেই ৰতনৰ প্ৰকৃত স্বৰূপ চাৰুলতায়ো বুজিছিল বহু পলমকৈ। "গল্পগুচ্ছ"ৰ বিভিন্ন গল্পত তাগ্যৰ ছাঁ যে পৰা নাই তেনে নহয়। কিন্তু মানুহৰ প্ৰতি মানুহৰ অবিচাৰ, বঞ্চনা আৰু নিৰ্মমতাৰ কৰুণ কাহিনী তাত বেছি। বিশেষকৈ শিশু আৰু নাৰীৰ অন্তৰভৰা অভিমান আৰু সহায়হীন ক্ষোভৰ চিত্ৰণত ৰবীন্দ্ৰনাথৰ কলম সুনিপুণ আৰু এই দুই শ্ৰেণীৰ মানুহৰ প্ৰতিক্ৰিয়াৰ যোগেদি যেন আত্মবিস্মৃত মানুহৰ নিষ্ঠুৰতা আৰু ঔদাসিন্য আৰু প্ৰকট হৈ উঠিছে। কিন্তু হাস্যকৰুণ ৰসমিশ্ৰিত এইবোৰ গল্পৰ বৈশিষ্ট্য তেওঁৰ উপন্যাসত সদায় ৰক্ষা পৰা নাই। তেওঁৰ বহুকেইখন উপন্যাসত জীৱনৰ কঠিন আৰু নিকৰুণ সত্যৰ ওপৰত মনোগতবাদী দাৰ্শনিক ব্যাখ্যাৰ প্ৰলেপ লগোৱা হৈছে। যেন মানৱমনৰ অবাধ গতিশীলতাৰ প্ৰতিশ্ৰুতিয়ে দুখ, পৰাজয়, হতাশা আৰু ব্যৰ্থতাৰ আঘাত ৰবীন্দ্ৰনাথৰ অন্তৰত দকৈ লাগিবলৈ দিয়া নাই! Theory আৰু Vision ৰ

যি প্ৰভেদ আছে, ৰবীন্দ্ৰনাথৰ কিছুমান উপন্যাসে তাক স্পষ্টকৈ ভাঙি ধৰে।

তেনেকৈ ৰবীন্দ্ৰনাথৰ নাটকবোৰতো তেওঁৰ Theoryয়ে কলাৰ নৈৰ্ব্যক্তিক সত্যক আচ্ছন্ন কৰিছে। নাটকবোৰৰ অপূৰ্ব গীতলহৰীয়ে ভাব ঘটনাৱলীৰ লঘুত্ব ঢাঁব কৰি ধৰে। কিন্তু সকল নাটকবোৰতো আমি অনুভৱ কৰোঁ বাস্তৱ আৰু কল্পনাৰ পীড়াদায়ক বিসংগতি। "ডাকঘৰ" নাটকত কাম বিচাৰি ফুৰা মানুহজন নাইবা দৈবিক্ৰী কৰা মানুহজন যেনে জীৱন্ত হৈ উঠিছে—শিশুৰ বিস্ময়বিমুগ্ধ দৃষ্টিৰ সমুখত তেওঁলোকৰ জীৱনে যি মহিমা লাভ কৰিছে—তাৰ তুলনাত অমলৰ ওচৰলৈ উপযাচি অহা "ৰাজা"ৰ ৰূপ আৰু ভূমিকা অস্পষ্ট, ধূসৰ। যেন ৰবীন্দ্ৰনাথৰ ভগবৎবিশ্বাসে ইয়াত বিমূৰ্ত প্ৰতীকৰ ভাওত জীৱনৰ অপূৰ্ণতাৰ অৱসান ঘটাইছে। আগৰ ঘটনাৱলীৰ লগত ৰজাৰ আগমন আৰু আমন্ত্ৰণৰ সংগতি তত্ত্বগত, কলাগত নহয়।

"ৰক্তকৰবী" নাটকৰ বিষয়বস্তু শ্ৰেণীসংগ্ৰাম নহয়, মানুহৰ অবচ্ছিন্ন জীৱন। তাৰ সংগ্ৰাম জীৱনৰ সৰ্বাংগিন পৰিপূৰ্ণতাৰ বাবে। "ৰক্তকৰবী"ৰ চিন্তা আৰু অনুভূতিৰ সূক্ষ্মতা অনস্বীকাৰ্য্য—বৰ্ত্তমান সমাজ আৰু জীৱনৰ কিছুমান সৰ্বনশীয়া প্ৰৱণতা বা tendencyৰ বিৰুদ্ধে নাটকখন আবেগ-উচ্ছল প্ৰতিবাদ। কিন্তু ইয়াতো আমি দেখা পাওঁ যে ৰবীন্দ্ৰনাথৰ পূৰ্ণতা আৰু সমন্বয়ৰ আকাংক্ষাই বাস্তৱৰ প্ৰেমক যথাযোগ্য স্বীকৃতি দিব পৰা নাই। নাটকৰ চৰিত্ৰবোৰ বাস্তৱবাদী আৰু প্ৰতীকী আংগিকৰ মাজত দোদুল্যমান হৈ আছে। অৱশ্যে ভাষাৰ যাদু আৰু সংগীতৰ মায়াই আমাক সেই কথা পাহৰাই ৰাখে। কলাৰ পৰা বিচ্ছিন্ন বিজ্ঞান, প্ৰেমৰ পৰা বিচ্ছিন্ন শক্তি, আনন্দৰ পৰা বিচ্ছিন্ন আগ্ৰহৰ মৰণীয় প্ৰতীক নাটকৰ "ৰাজা"—কিন্তু সেই "ৰাজা"ৰ লগত যুঁজ দিবলৈ যেতিয়া "জগ্ তু পালোৱান" আগবাঢ়ি আহে তেতিয়া তাৰ প্ৰতীকী মৰ্য্যাদা বহুপৰিমাণে ক্ষুণ্ণ হয়। "কেনাৰাম গোসাঁই" হ'ল শোষক আৰু দমনকাৰী ৰাষ্ট্ৰযন্ত্ৰৰ সাৰথি হিচাবে ধৰ্মৰ মোহময় ভূমিকাৰ দক্ষ প্ৰতিৰূপ। কিন্তু চৰ্দাৰে কেনেকৈ "ৰাজা"ক মোহগ্ৰস্ত কৰি ৰাখিব পাৰিছে তাৰ কোনো গুং-সূত্ৰ নাটকখনত পোৱা নাযায়। নাটকৰ কাহিনীৰ শীৰ্ষবিন্দুত এই আদৰ্শবাদী প্ৰৱণতাই আটাইতকৈ বেছি ক্ষতি কৰিছে। যৌৱন, সৃষ্টিশীল পৌৰুষ আৰু প্ৰেমৰ প্ৰতীক ৰঞ্জন নন্দিনীৰ প্ৰেমাস্পদ। নাটকৰ আদিৰে পৰা আমি ৰঞ্জনৰ আবিৰ্ভাৱলৈ আগ্ৰহেৰে

বাট চাওঁ। কিন্তু এই প্ৰত্যাশা সৃষ্টি হোৱাৰ পিছত আমি যেতিয়া দেখোঁ “ৰজা”ৰ হাতত ৰঞ্জনৰ মৃত্যু হৈছে, তেতিয়া সেই দুখ আৰু সেই হতাশ যথাৰ্থ tragic intensity সহ আমাৰ সমুখত জ্বলি উঠা নাই। বৰং নন্দিনীয়ে মুহূৰ্তৰ ভিতৰতে যক্ষপুৰীৰ দেৱাল ভঙাৰ অভিযানত নেতৃত্ব দিছে। (এই পৰিবৰ্তনো শোকৰ পৰা ৰণচণ্ডী ক্ৰোধৰ উদ্ভৱ বুলি দেখুৱা হোৱা নাই।) সেই দৰে “ৰজা”যো অনুতাপত দগ্ধ হৈ মুহূৰ্ততে নিজৰ ৰাজত্বৰ বিৰুদ্ধে নিজেই যুদ্ধত প্ৰবৃত্ত হোৱাটো theoryৰ ফালৰ পৰা যিমানেই আকৰ্ষণীয় নহওক, নাটকৰ ফালৰ পৰা গোলমলীয়া হৈছে। প্ৰতিটো চৰিত্ৰৰ দ্বৈত সম্ভাৱনা (dual potentiality) সম্পৰ্কে নাট্যকাৰ যিমানেই সচেতন যে সিহঁতৰ বৰ্তমান ব্যক্তিত্বৰ স্পষ্টতা নিষ্প্ৰভ হৈ পৰিছে।

বৰ বেছি প্ৰাসংগিক নহলেও উল্লেখ কৰিব পাৰি যে নাটকত ফাগুলাল প্ৰভৃতি শ্ৰমিকৰ নিজস্ব অবদমিত সৃষ্টিশক্তিৰ প্ৰতিনিধি হিচাপে নন্দিনী আৰু ৰঞ্জন আবিৰ্ভূত হোৱা নাই। দুয়ো বাহিৰৰ পৰা প্ৰায় অৱতাৰৰ দৰে এই মোহগ্ৰস্ত শৃঙ্খলিত মানৱতাৰ মুক্তিৰ বাবে—যক্ষপুৰীত প্ৰবেশ কৰিছে। ইও বোধহয় ৰবীন্দ্ৰনাথৰ আদৰ্শবাদী theory ৰে প্ৰভাৱ।

এই কথা সকলোৱে জানে যে নিজৰ দৃষ্টি আৰু সৃষ্টিৰ সীমাবদ্ধতা সম্পৰ্কে ৰবীন্দ্ৰনাথ সচেতন—হয়তো কুণ্ঠিত—আছিল। তেওঁৰ স্বভাৱসিদ্ধ সাধুতাৰে তেওঁ তাক স্বীকাৰ কৰিছে সখেদে। তেওঁ নিজেই তাৰ বাবে দোষ দিছে তেওঁৰ অভিজাত সামাজিক অৱস্থানক:

চাষী খেতে চালাইছে হাল,
তাঁতি বসে তাঁত বোনে, জেলে ফেলে জাল—
বহুদূৰ প্ৰসাৰিত এদেৰ বিচিত্ৰ কৰ্মভাৰ
তাৰি 'পৰে ভৰ দিয়ে চলিতেছে সমস্ত সংসাৰ।
অতি ক্ষুদ্ৰ অংশে তাৰ সম্মানেৰ চিৰনিৰ্বাসনে
সমাজেৰ উচ্চ মঞ্চে বসেছি সংকীৰ্ণ বাতায়নে।

“সম্মানেৰ চিৰ নিৰ্বাসন”—কথাটো মৰ্মভেদী স্বীকাৰোক্তি নহয়নে? এই কবিতাতেই তেওঁ আঙুলিয়াই দিছে যে তেওঁৰ সমসাময়িক বহু তৰুণ কবিৰ নকল চৌখিন মজদুৰিৰ ফল সাহিত্যত অকিঞ্চিৎকৰ হবলৈ বাধ্য, কাৰণ শ্ৰমজীৱী মানুহৰ জীৱনত প্ৰকৃততে ভাগ লব নোৱাৰিলে তেওঁলোকক লৈ কবিতা লিখা, তেওঁলোকৰ হৃদয়ৰ সংবাদ পোৱা সম্ভৱ নহয়।

শেষ জীৱনত নিজৰ জীৱনব্ৰতৰ আৰু আদৰ্শৰ ব্যৰ্থতাই কবিৰ অন্তৰ মথিত কৰিছিল। দ্বিতীয় মহাসমৰৰ আৰম্ভণিৰ পাশৱিকতাই তেওঁৰ মনত এই বিশ্বাসৰ জন্ম দিছিল যে বহুযুগৰ পাপৰ সঞ্চয় প্ৰবল ধ্বংসলীলাত নিঃশেষ হৈ গ'লেহে নতুন সৃষ্টিৰ বাট মুকলি হ'ব। সমন্বয় আৰু স্বচ্ছন্দ প্ৰগতি নহয়, ধ্বংসৰ মাজত মানুহে সৃষ্টি কৰিব ইতিহাসৰ নতুন অধ্যায়। আধুনিক সভ্যতাৰ সমস্ত সঞ্চয়ৰ প্ৰতি কবিৰ বিৰাগ সুস্পষ্ট হৈ উঠিল :

পালিশ-কৰা জীৰ্ণতাকে চিনতে হবে আজি,
দামামা তাই ঐ উঠেছে বাজি ॥

* * *

মানব আপন সত্তা ব্যৰ্থ কৰিয়াছে দলে দলে,
বিধাতাৰ সংকল্পেৰ নিত্যই কৰেছে বিপৰ্যয়
ইতিহাসময়।
সেই পাপে
আত্মহত্যা-অভিশাপে
আপনাৰ সাধিছে বিলয়।

* * *

যদিও এইবোৰ কবিতাত কবি মানবজাতিৰ ভবিষ্যৎ সম্পৰ্কে সংশয়াচ্ছন্ন হোৱা নাই, তথাপি সেই ভবিষ্যতৰ ধাৰণা অস্পষ্ট। তেওঁৰ বিশ্বাসৰ ভাবাশ্ৰয়িতা ইয়াৰ পৰাই আকৌ প্ৰমাণিত হয়। কোনবোৰ শক্তিয়ে সেই ভবিষ্যতৰ ভিত্তি ধ্বংসস্তুপৰ মাজতো ৰচনা কৰিব সেই বিষয়ে ৰবীন্দ্ৰনাথৰ কণ্ঠস্বৰত নিঃশংক প্ৰত্যয় আৰু পোৱা নগ'ল। তেওঁ কেৱল ঘোষণা কৰিলে যে অশুভ শক্তিৰ প্ৰতাপ অস্থায়ী।

## পৰিশিষ্ট

(১) ৰবীন্দ্ৰনাথক ঋষিৰ মৰ্য্যাদা দিয়া হোৱাৰ পিছত ("বিশ্বকবি", "গুৰুদেৱ", "কবিগুৰু" আদি আখ্যাৰ প্ৰাচুৰ্য্য আৰু আতিশয্য আৰু ভাববিহ্বল ভক্তসকলৰ উত্তাল ভক্তিৰ বোধহয় প্ৰমাণ নিদিলেও চলে) ৰবীন্দ্ৰনাথে নিজে এই ভূমিকা মানি লৈছিলনে? এই মন্তব্য কিছুমান সমালোচকৰ অপছন্দ। তেওঁলোকে বিচাৰে ৰবীন্দ্ৰনাথৰ ৰচনাৰ পৰা আমি তাৰ প্ৰমাণ দিব লাগে।

এই কথা ঠিক যে সাধাৰণ অৰ্থত ৰবীন্দ্ৰনাথৰ অহংকাৰ নাছিল আৰু নিজৰ ত্ৰুটি আৰু ব্যৰ্থতা সমূহৰ সম্পৰ্কে তেওঁ আছিল সচেতন। তথাপি তেওঁৰ কাব্যতো Wordsworth ৰ Prelude কাব্যত পোৱা দৰে তেওঁৰ নিজৰ কবিজীৱনৰ মূল্য আৰু মৰ্য্যাদা সম্পৰ্কে এক প্ৰবল বোধ দেখা যায়। তেওঁৰ কাব্যিক জীৱনৰ বিশেষ তাৎপৰ্য্য আৰু উদ্দেশ্য সম্পৰ্কে তেওঁৰ এই চেতনা নিশ্চয় আন বেছিভাগ কবিৰ ক্ষেত্ৰত দেখা নাযায়।

ঃ যে নদী বিশ্বেৰ দূতী
দূৰকে নিকটে আনে,
অজানাৰ অভ্যৰ্থনা নিয়ে আসে ঘৰেৰ দুয়াৰে,
সে আমাৰ ৰচেছিল জন্মদিন—
চিৰদিন তাৰ স্ৰোতে
বাঁধন-বাহিৰে মোৰ চলমান বাসা
ভেসে চলে তীৰ হতে তীৰে।

*　　　　*　　　　*

এ মৰ্ত্তেৰ লীলাক্ষেত্ৰে সুখেদুঃখে অমৃতেৰ স্বাদ
পেয়েছি তো ক্ষণে ক্ষণে,
বাৰে বাৰে অসীমেৰে দেখেছি সীমাৰ অন্তৰালে।
....　　..　　....　　...　　...
...　　.　　...　　...　　...
খেলাঘৰে আজ যবে খুলে যাবে দ্বাৰ
ধৰণীৰ দেবালয়ে ৰেখে যাব আমাৰ প্ৰণাম,
দিয়ে যাব জীবনেৰ সে নৈবেদ্যগুলি
মূল্য যাৰ মৃত্যুৰ অতীত।

*　　　　*　　　　*

আমি পৃথিবীৰ কবি, যেথা তাৰ যত উঠে ধ্বনি
আমাৰ বাঁশিৰ সুৰে সাড়া তাৰ জাগিবে তখনি,

ৰবীন্দ্ৰনাথৰ প্ৰবন্ধ বা ভাষণ বিলাকত এই চেতনা আৰু স্পষ্টভাৱে ব্যক্ত হৈছে। এই চেতনাৰ বাবেই নিশ্চয় তেওঁ এনে বহু কবিতা বা আন ৰচনা প্ৰকাশ কৰিছিল যিবিলাকৰ প্ৰকৃত মূল্য নগণ্য।

(২) অসমৰ এজন প্ৰখ্যাত সাহিত্যিক ৰবীন্দ্ৰনাথক অভিজাত

পৰিয়ালৰ বুলি কোৱাত ভয়ানক ক্ৰুদ্ধ হৈছিল। তেওঁ কৈছিল যে ঠাকুৰপৰিবাৰৰ আভিজাত্য আছিল সংস্কৃতিৰ আভিজাত্য, উৎকৃষ্ট মনৰ আভিজাত্য।

"আভিজাত্য"ৰ এনে আঁহফলা বিশ্লেষণ নকৰাকৈও কব পাৰি যে "আভিজাত্য"ৰ আন আন প্ৰধান লক্ষণো ঠাকুৰ পৰিৰাৰৰ ৰীতিনীতি, আচাৰব্যৱহাৰত ফুটি ওলাইছিল। ৰবীন্দ্ৰনাথে তেওঁৰ পিতা দেবেন্দ্ৰনাথ ঠাকুৰৰ বিষয়ে লিখিবলৈ গৈ "সামঞ্জস্য" নামৰ প্ৰবন্ধত দেবেন্দ্ৰনাথৰ ব্যাকুল ভগবৎপ্ৰেম, প্ৰবল সংযম, উপনিষদ আৰু হাফেজৰ প্ৰতি অনুৰাগ, ভাষা আৰু আচৰণৰ অনবচ্ছিন্ন গাম্ভীৰ্য্য উল্লেখ কৰিছে।

ৰবীন্দ্ৰনাথে উল্লেখ কৰা নাই যে মহৰ্ষি দেবেন্দ্ৰনাথ প্ৰভৃতি জমিদাৰৰ অমানুষিক শোষণত বিক্ষুব্ধ হৈ পাবনাৰ কৃষকপ্ৰজা বিদ্ৰোহী হৈছিল আৰু সেই বিদ্ৰোহী প্ৰজা আৰু তেওঁলোকৰ নেতাসকলক দমন কৰিবলৈ মহৰ্ষি দেবেন্দ্ৰনাথে পাঞ্জাবী লাঠিয়ালৰ দল পঠাইছিল আৰু গ্ৰামাঞ্চলত প্ৰবল সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। আভিজাত্যৰ ই এটা সুপ্ৰাচীন আৰু সুপৰিচিত লক্ষণ—আজিৰ দিনতো! (এই তথ্য মই জানিছোঁ শ্ৰদ্ধেয় হেমাংগ বিশ্বাসদেৱৰ পৰা।)

# কবিতাৰ উৎস সন্ধানত ঃ লৰ্কা সম্পৰ্কে দুআষাৰ

(প্ৰথম খণ্ড)

**The Children :**

Who showed you the path
of the poets ?
—

**Myself :**

The fountain and the stream
of the antique song.

( Federico Garcia Lorca
**: Ballad of the Little Square** )

কবিতা সম্পৰ্কে আলোচনা কৰিবলৈকে ভয় লাগিছিল। এচাম মানুহে কবিতাৰ একচেটিয়া স্বত্ব লৈ "প্ৰৱেশ নিষেধ" বুলি লিখা প্ৰকাণ্ড দেৱালৰ আঁৰত আত্মগোপন কৰি কবিতাৰ সাধনা কৰিছে। মাজে মাজে তাৰ শিলৰ বেষ্টনী ভেদ কৰি যেন আহে পাইন গছৰ মন উদাস কৰা হুমুনিয়াহ, ক'ৰবাৰ জানজুৰিৰ আপোনবিভোৰ কাকলী, কুঁৱলিৰ মাজত হেঁচাখাই থকা কিবা অচিন পখীৰ কূজন। আৰু এচামে মুকলি পথাৰত ভূঁই বাছি বিচাৰি উবাই চিঞৰি চিঞৰি মাত লাগিছে। কেতিয়াবা শুনিবাৰ ক্ৰোধ ডমৰু ডমৰুকৈ উফৰি পৰে তেওঁলোকৰ কণ্ঠস্বৰত, কেতিয়াবা আকৌ কঠিন প্ৰতিজ্ঞাৰ টংকাৰ যেন ধ্বনিত হয় ধনুৰ গুণত। তেওঁলোকৰ অভিযান বন্দিনী কবিতাকুঁৱৰীক বোকলাই ছুটীয়াব ভগাৰ্পজালৈ নমাই অনাৰ।

কিন্তু প্ৰথম চাষৰ নিৰ্জন জমিদাৰিত হাত দিবলৈ বাহিৰৰ কোনো আগ্ৰহ

নাই। "প্ৰবেশ নিষেধ" বুলি লিখাৰ বোধহয় কোনো প্ৰয়োজনেই নাছিল। দ্বিতীয় চামৰ গাজনি-ঢেবেকনিত বাইজৰ দুই চাৰিজনে কাণসাৰ নিদিয়াকৈ থকা নাই। থন্তেক বৈ কোনোৱে শুনিছে—চাইকেলত বজাবৰ মোনা বন্ধা। কিন্তু আন্দোলনকাৰী সকলে আশা কৰা দৰে ভাগৰ আৰু ঔদাসিন্যৰ, হতাশা আৰু তিক্ততাৰ চামনি ভেদি বাইজৰ আমঠুত তেওঁলোকৰ আহ্বান লগা নাইগৈ। ছিলদল ভাঙি বাইজ তেওঁলোকৰ ফালে অহা নাই। দুইদলৰ বাবেই পাঠকতকৈ কবিৰ সংখ্যা সৰহ। ৰোমান্তিক যুগৰ দৰে শিক্ষিত মানুহৰ মুখেমুখে কবিতা বাগৰি নুফুৰে আজিকালি।

প্ৰথম চামে কয়, সেয়েই ভাল। ৰোমান্তিক যুগৰ ভাবাবেগ আছিল সহজ, এতেকে সস্তা। তাক কবিতা নামেৰে সম্মানিত কৰাৰ সকাম হেনো নাই। আজিৰ কবিয়েহে বোলে কবিতা চিনি পাইছে আৰু বুজিছে যে কবিতা ইতৰ জনৰ কৰ্ম নহয়—তাৰ ভাব সূক্ষ্ম আৰু তাৰ সাজ অপাৰ্থিৱ ৰহণেৰে ৰঞ্জিত, মায়াবী পোহৰেৰে উদ্ভাসিত। কবিতা যেহেতু কবিৰ সৃষ্টি, কবিতা পাঠৰ অধিকাৰ কেৱল কবিৰহে। দহজনে কবিতা বুলি যিবোৰ বস্তুৰ নামত হৈ-চৈ কৰে সেইবোৰ বোলে কবিতা নহয়, আন কিবা নিছা। কবিতা একান্ত আৰু গভীৰ উপলব্ধিৰ বস্তু, তাক লৈ হৈ-চৈ কৰিব নোৱাৰি।

আনদলৰ প্ৰবক্তা সকলে লে'নিনৰ উদ্ধৃতি দি কয় যে "art belongs to the people." যদিহে কবিতা আঢ্যৱন্ত আৰু অভিজাত শ্ৰেণীৰ চৌখীন বিলাস হব নালাগে তেন্তে কবিতা হব লাগিব সংগ্ৰামী জনতাৰ লগৰীয়া। দহজনৰ জীৱনৰ সমস্যাবোৰ বাদ দি গঢ়া কবিতা যিমানেই লাৱনি, যিমানেই সুকুমাৰ নহওক, সি প্ৰকৃত কবিতাৰ তেজ দেখুৱাব নোৱাৰে। এমুঠি মানুহৰ সূক্ষ্ম অনুভূতিৰ প্ৰদৰ্শনী হিচাবে কবিতা বাচি থাকিব নোৱাৰিব। সেয়ে আজিৰ তীব্ৰ শ্ৰেণীসংগ্ৰামৰ যুগত সি শোষিত জনতাৰ পক্ষ লৈ সংগ্ৰামত অৱতীৰ্ণ হব লাগিব, সমাজৰ প্ৰকৃত সত্যটো উদঙাই দিব লাগিব আৰু জনতাক ভৱিষ্যতৰ পথ দেখুৱাব লাগিব। এওঁলোকে কেতিয়াবা উৎসাহতে এনে মনোভাবো দেখুৱায় যেন মাৰ্ক্সবাদৰ মূল সূত্ৰবিলাক জনা থাকিলে কবিতা লিখাটো একো কথাই নহয়।

প্ৰথম দলে যি সূক্ষ্ম আৰু গভীৰ উপলব্ধিৰ কথা কয় তেনে উপলব্ধি নিৰ্জনতাত কেনেকৈ হব পাৰে বুজা নাযায়। গভীৰ উপলব্ধি হব পাৰে

তেতিয়া, যেতিয়া বহুজনৰ সুখদুখৰ অংশীদাৰ হৈ বিভিন্ন আৰু বিচিত্ৰ অভিজ্ঞতাৰ সঞ্চয়েৰে কবিৰ অন্তৰ পুষ্ট হয়। বিচ্ছিন্ন প্ৰাণ আপোন অন্তিত্বৰ নীৰসতা আৰু নৈৰাশ্যতে নিমগ্ন। এই নৈৰাশ্যৰ হাহাকাৰ যিমানেই তীব্ৰ নহওক, তাত বহুজনৰ দুখদুৰ্দশাৰ প্ৰতিধ্বনি নথকা বাবে সি আমাৰ অন্তৰ গভীৰভাৱে আলোড়িত কৰিব নোৱাৰে। সেয়ে কবিতা পৰিণত হয় এক উচ্চশ্ৰেণীৰ নিছাত। অভিজাত শ্ৰেণীৰ আৰু ধনবান গোষ্ঠিৰ মানুহে নিজৰ নিষ্কৰ্মা জীৱনৰ অৱসাদ গুচাবলৈ নিত্যনতুন নিছা বিচাৰে। এনে নিছাত তেওঁলোকে নিজকে পাহৰিযোৱা আবেগিক মোচন (emotional release) বিচাৰে, কিন্তু তেওঁলোকৰ ভাগ্যত মাথোন মিলে সাময়িক উত্তেজনা। এইদৰেই কবিতাও অধঃপতিত হয় একধৰণৰ নিছাত ধনবান গোষ্ঠিৰ পিন্ধাউৰ, ফেনফুৰণৰ দৰে কবিতাৰ মসৃণ আৰু সুবেশ আংগিকে বহন কৰে কৌলীন্যৰ ছাপ, ইতৰ শ্ৰেণীৰ প্ৰতি অৱহেলাৰ ভংগী, সমাজৰ এমুঠি সৌভাগ্যবান মানুহৰ জীৱনৰ ৰহস্যৰ আভাস কিন্তু এইবোৰ মাত্ৰ এটা কৃত্ৰিম অভ্যাস আৰু জীৱন সম্পৰ্কে আস্থা আৰু সৎসাহস অবিহনে যি কোনো অভিজাত শ্ৰেণীৰে সংস্কৃতি হয় ঠুনুকা, প্ৰত্যয়হীন। আজিকালিৰ ধনিক শ্ৰেণীৰ মাজত ঐতিহাসিক কাৰণতে তেনে সৎসাহস আৰু আস্থা দুৰ্লভ।

ইপিনে জনতাৰ বাবে লিখা কবিতাতো যি প্ৰত্যয় আৰু সাহস নিনাদিত হৈছে সি কিমানদূৰ কবিৰ ব্যক্তিগত চৰিত্ৰৰ অভিব্যক্তি, কিমানদূৰ ঐতিহাসিক বাস্তৱৰ গভীৰ জ্ঞানৰ পৰিচয়, জনতাৰ বৈপ্লবিক ভূমিকাৰ ঘনিষ্ঠ জ্ঞানৰ পৰিচয়, সেই সম্পৰ্কে সন্দেহ থাকি যায়। তদুপৰি কবিতাৰ বাবে এই আবেগিক আশা, প্ৰত্যয় আৰু সাহসেই সকলো নে? নিৰাশাৰ প্ৰকাশ ঘটিলেই কবিতা নিকৃষ্ট আৰু আশাৰ সুৰ বাজি উঠিলেই কবিতা উৎকৃষ্ট হয়নে? অনুভূতিৰ গাঢ়তা, আন্তৰিকতা আৰু সত্যবাদিতাৰ কোনো দাম নায়েই নেকি? কিছুদিন আগতে সমাজবাদী চীনৰ চেয়াৰমেন মাও'ছে'তুঙে দুখকৰি কৈছিল যে সমসাময়িক চীনত ৰচিত বেছিভাগ কবিতাই অপাঠ্য। অৰ্থাৎ দেখা গৈছে যে মতাদৰ্শগত শুদ্ধতাই কবিতাৰ বাবে যথেষ্ট নহয়। আৰু কথা আছে।

পাৰ্টিৰ নেতাসকলে কলাশিল্পৰ ক্ষেত্ৰত এটা ভুল বহুদিনৰে পৰা কৰি আহিছে। কলাশিল্প বা সংস্কৃতিৰো খেতিবাতিৰ দৰেই কিছুমান নিজৰ নিয়ম আছে। যেনে খেতিবাতিত মাটিৰ গুণাগুণ, পানীযোগান, বতৰ,

পোকপৰুবাৰ বিৰুদ্ধে ব্যৱস্থা, মাটি চাহ কৰাৰ ব্যৱস্থা—এনেবোৰ চৰ্চা অধ্যয়ন কৰি সেইমতে কাম কৰিলেহে খেতিৰ উন্নতি সম্ভৱ। পাৰ্টিৰ নেতাই গোঁৱাৰৰ দৰে খেতিয়কক হুকুম দিলেই নহয়। মাও-ছে'-তুঙে য়ে'নানত নিজে খেতিবাতিত লাগিহে খেতিবাতিৰ কথা ভালদৰে বুজি পাইছিল। অথচ পাৰ্টিৰ নেতাসকলে সদায় ভাবে যে শিল্পী আৰু লেখকসকলক কড়া নিৰ্দেশ দিলেই বা টানকৈ ভাবুকি দিলেই কলাশিল্প লহপহকৈ বাঢ়ি আহিব! আচলতে agriculture তকৈ culture ত ভাল ফচল লগোৱা আৰু টান কাম, তাত ধৈৰ্য্য, যত্ন আৰু cultureৰ নিজস্ব চৰ্চাবোৰৰ প্ৰতি শ্ৰদ্ধাৰ প্ৰয়োজন আৰু বেছি।

অৱশ্যে চীনৰ নেতাসকলৰ সংস্কৃতি সম্পৰ্কীয় মূল ধাৰণাটোৰ প্ৰতি মোৰ পূৰ্ণ সমৰ্থন আছে। সংস্কৃতি যদি এমুঠি অভিজাত পৰিয়ালৰ মৰ্য্যদা আৰু গৌৰৱৰ উপলক্ষ হব নালাগে, সংস্কৃতি যদি জনসাধাৰণৰ জীৱনৰ অংগ হব লাগে, তেন্তে জনসাধাৰণৰ শিক্ষাদীক্ষাৰ মান উন্নত কৰাৰ লগেলগে সংস্কৃতিকো টিংথোপৰ পৰা নমাই জনসাধাৰণৰ মাজলৈ নিব লাগিব। অতি উচ্চথাপৰ সংস্কৃতিও জনসাধাৰণৰ হাড়েহিমেজুৰে মিলি থাকিব পাৰে। বলি দ্বীপৰ তৃথীয়া গাৱঁলীয়া ৰাইজৰ মাজত অতি জটিল আৰু সূক্ষ্ম ৰুচিৰ নৃত্যগীত প্ৰচলিত আছে। অসমৰে৷ বহু ঠাইত ভাওনাৰ অভিনয় এটা পৰম্পৰাগত সামূহিক প্ৰচেষ্টা। এনেবোৰ উদাহৰণলৈ চকু দিলেই বুজা যায় যে বহুতে ভবাদৰে সংস্কৃতিৰ অপৰিহাৰ্য্য ধাৰকবাহক কোনো ক্ষমতাবান শ্ৰেণী নহয়—জনসাধাৰণো ৰসজ্ঞ আৰু সংস্কৃতিবান হব পাৰে। কিন্তু আদিম জনজাতীয় সমাজ এৰি অহাৰ পিছত সাধাৰণতে শাসকশ্ৰেণীৰ সংস্কৃতিয়েই জনসাধাৰণক গ্ৰহণ কৰোৱা হয়, জনসাধাৰণৰ প্ৰকৃত মানসিকতা সি প্ৰকাশ নকৰে। আজিও বুৰ্জোৱা সমাজত উচ্চ সংস্কৃতিয়ে যি ধৰণে বিকাশ লাভ কৰিছে তাক যেনে আছে তেনে ধৰণে সমাজবাদী সমাজত প্ৰতিষ্ঠা কৰাৰ প্ৰশ্নই নুঠে। প্ৰথমে তাক বুৰ্জোৱা দৃষ্টিভংগী আৰু লক্ষণৰ পৰা মুক্ত কৰি লব লাগিব। লগেলগে জনসাধাৰণৰ বৰ্তমান সাংস্কৃতিক মানৰ লগত খাপ খোৱা আৰু তেওঁলোকৰ জীৱন প্ৰতিফলিত কৰা নতুন সংস্কৃতি সৃষ্টিৰ ওপৰত জোৰ দিব লাগিব।

আমাৰ উদাৰনৈতিক বুৰ্জোৱাই সমাজবাদী সমাজ গঠনৰ প্ৰয়োজন মানি ল'লেও সংস্কৃতিৰ ৰূপান্তৰ মানি লব নোখোজে। তেওঁলোকে সংস্কৃতিৰ

ওপৰত ৰাজনীতিৰ কিবা প্ৰভাৱ আছে বুলি নাভাবে। নিজৰ সৃষ্ট আৰু অভ্যস্ত সংস্কৃতিকে একমাত্ৰ সম্ভৱপৰ সংস্কৃতি বুলি ভাবি তেওঁলোকে দাবী কৰে যে দেশত সমাজবাদ প্ৰতিষ্ঠিত হলেও তেওঁলোকৰ সংস্কৃতি চৰ্চাত কোনো হেৰফেৰ ঘটিব নোৱাৰে। জনসাধাৰণেই বৰং শিক্ষাদীক্ষাৰে প্ৰস্তুত হৈ তেওঁলোকৰ সংস্কৃতিৰ মোল বুজিবলৈ আগবাঢ়ি আহিব লাগিব! এনে সাংস্কৃতিক ভেম প্ৰকৃত ৰুচি আৰু পৰিপুষ্ট মনৰ পৰিচায়ক নহয়।

কবিতাৰ ক্ষেত্ৰতো এইবোৰ সাধাৰণ মন্তব্যৰ উপযোগিতা কোনেও নুই কৰিব নোৱাৰে। আমাৰ বিপ্লৱী কবি সকলে কবিতাক বিলাসী সংস্কৃতিৰ দাসত্বৰ পৰা মুক্ত কৰিব খুজিছে। বৰ ভাল কথা। কিন্তু এই মুক্তিৰ পথ হব কি? আধুনিক কবিতাৰ জটিল আৰু দুৰ্বোধ্য আংগিক বাদ দিলে কি ধৰণৰ আংগিক অনুসৰণ কৰিব পৰা যাব? কীৰ্তন-দশমৰ পদ নেকি? নে ঊনবিংশ শতাব্দীৰ ৰোমান্তিক কবিতাৰ ভাবালুতা? নে আধুনিক কবিতাৰ আংগিকৰেই জনসাধাৰণৰ মনৰ খোৰাক যোগোৱা হব? মাও-চে’-তুঙে নিজে ধ্ৰুপদী চীনা সাহিত্যৰ (classical Chinese literature) আৰ্হিত কবিতা ৰচনা কৰিছিল। কিন্তু অগ্ৰপন্তে চীনৰ কবিসকলক তেওঁ মনপুতি লোকগীত অধ্যয়ন কৰিবলৈ আৰু লোকগীতৰ পৰা শিকিবলৈ কৈছে।

তাৰ নিশ্চয় সংগত কাৰণ আছে। সকলো শ্ৰেণীবিভক্ত সমাজতে ফল্গুধাৰাৰ দৰে বৈ আছে জনসাধাৰণৰ নিজা সংস্কৃতিৰ ধাৰা। জনসাধাৰণৰ মেহনতী জীৱনৰ নানা জয়পৰাজয়, সুখদুখ, শোষণ, সংগ্ৰামৰ নানা অভিব্যক্তি ইয়াত ফুটি আছে। লোকগীতৰ ভাব যেনেকৈ জনসাধাৰণৰ অন্তৰৰ পৰা নিগৰি ওলোৱা, তেনেকৈ লোকগীতৰ ভাষাও যেন জনসাধাৰণৰ নিজস্ব ভাষা। আজিৰ যুগত প্ৰগতিশীল জনসাধাৰণৰ কাব্যই ইয়াৰ পৰাই যাত্ৰাৰম্ভ কৰিব লাগিব। জনসাধাৰণৰ ভাষা আয়ত্ত নকৰাকৈ জনসাধাৰণৰ কবিতা সৃষ্টিৰ প্ৰয়াস ধৃষ্টতা।

কিন্তু লোকগীতো কবিতা, গদ্য নহয়। অৰ্থাৎ কবিতাৰ এটা নিজস্ব চৰিত্ৰ আছে। এই চৰিত্ৰ কেৱল চিত্ৰকল্প বা বক্ৰোক্তি আদি কিছুমান formal লক্ষণৰ লগত একাকাৰ কৰি দিব নোৱাৰি। আমাৰ সাহিত্যত কেতিয়াবা দেখা যায় বিশুদ্ধ কবিতাৰ সন্ধানত সমালোচকে এনে কিছুমান লক্ষণৰেই, ভাষাৰ কিছুমান বৈশিষ্ট্যকে, কবিতাৰ স্বকীয় বৈশিষ্ট্য বুলি ধৰিছে। কিন্তু কবিতাৰ ভাষা কেতিয়াবা গদ্যৰ দৰেই উকা, পোৰণতীয়া

আৰু সহজ সৰল হব পাৰে। আচলতে কবিতাৰ শব্দবোৰৰ এক বিশেষ ধৰণৰ গঠনতেই (arrangement) কবিতাৰ পৰিচয় লুকাই আছে। প্ৰায়বোৰ কবিতাতে এই গঠনে লয় আৰু ছন্দৰ ৰূপ লৈছে। কিন্তু লয়ৰ সহায় নোলোৱাকৈও বিভিন্ন চিত্ৰ তথা ভাবৰ সংঘাতৰ জৰীয়তে কবিয়ে সৃষ্টি কৰিব পাৰে কবিতাৰ নিজস্ব অনুভূতি আৰু উপলব্ধি। এনে গঠনৰ সৰলতম কিন্তু কাৰ্য্যকৰী ৰূপ পোৱা যায় মৌখিক লোকসাহিত্যত। আনহাতে ভাষাৰ ব্যাখ্যাতীত সমৃদ্ধিতেই কবিতাৰ মূলবস্তু লুকাই আছে বুলি যিসকলে ভাবে তেওঁলোকে অৱশেষত প্ৰতীকবাদৰ জয়াঁৰ হাবিত বাট হেৰুৱাই ঘূৰি ফুৰিবলৈ বাধ্য।

এইখিনিতে আমি স্পে'ইন দেশীয় কবি গাৰ্থিয়া লৰ্কাৰ (১৮৯৯—১৯৩৬) উদাহৰণ শিক্ষাপ্ৰদ বুলি ভাবোঁ। লৰ্কা সম্পৰ্কে আমাৰ সাহিত্যত ইতিমধ্যে কিছু আলোচনা হৈছে। সেই আলোচনা মূল্যহীন নহলেও লৰ্কাৰ প্ৰতিভাৰ সম্যক বিচাৰত সি সফল হোৱা নাই। লৰ্কাক ফৰাচী প্ৰতীকবাদৰ এটা শেহতীয়া প্ৰতিধ্বনি বুলি কিছুমানে চিহ্নিত কৰিছে। কিন্তু প্ৰতীকবাদে লৰ্কাক ভাষা আৰু চিত্ৰৰ ব্যৱহাৰত কিছুমান শিক্ষা দিলেও তেওঁৰ প্ৰতিভাৰ ভিত্তি গঠন কৰি দিয়া নাছিল। তদুপৰি আধুনিক কবিতাপ্ৰেমীসকলৰ দৰে কবিতাৰ সূক্ষ্মাতিসূক্ষ্ম অনুৰণনৰ সন্ধানত তেওঁ জীৱনৰ পৰা বিচ্ছিন্ন হৈ পৰা নাছিল। আৰু পুঁজিবাদী শিল্পায়নত পিছপৰা স্পে'ইনৰ সমাজত কবিৰ ব্যক্তিগত জীৱন তেওঁৰ জাতিৰ সামাজিক আৰু ৰাজনৈতিক জীৱনৰ লগত ওতঃপ্ৰোত ভাবে জড়িত আছিল। স্পে'ইনৰ জনসাধাৰণৰ সংস্কৃতিয়ে তেওঁৰ কবিতাৰ আংগিকত গভীৰ আৰু বিশিষ্ট প্ৰভাৱ পেলাইছিল, জনসাধাৰণৰ সুখদুখৰ তেওঁ আছিল সহৃদয় লগৰীয়া (তেওঁৰ অন্যতম শ্ৰেষ্ঠ কবিতা স্পে'ইনৰ সুপ্ৰাচীন আৰু জনপ্ৰিয় bull-fight বা ষাঁড় গৰুৰ লগত যুঁজৰ খেলুৱৈ এজনৰ শোকাবহ মৃত্যুত ৰচিত) আৰু স্পে'ইনত প্ৰতিক্ৰিয়াশীল ফেচিষ্ট পাৰ্টি ক্ষমতালৈ আহি আন বহু নিৰীহ মানুহৰ দৰে লৰ্কাক হত্যা কৰিছিল। লৰ্কাক সাম্যবাদী কবি হিচাবে পৰিচয় কৰি দিবলৈ যোৱাটো নিশ্চয় হাস্যকৰ হব। কিন্তু নিঃসন্দেহে স্পে'ইনৰ সমাজৰ গণতান্ত্ৰিক যুগৰ তেওঁ অন্যতম শ্ৰেষ্ঠ গণতান্ত্ৰিক কবি।

আমাৰ অসমীয়া সমালোচক সকলে লৰ্কাৰ জীৱন আৰু সাহিত্য আলোচনা কৰোঁতে সাধাৰণতে ৰয় কেম্বে'লৰ কিতাপখনৰ সহায় লয় (Roy Campbell:

Lorca, Cambridge, 1952)। কিন্তু কেম্বে'লৰ কণমান কিতাপখন সহৃদয়তা আৰু স্বাধীন বিচাৰৰ বাবে বিশিষ্ট হলেও কিছুমান মাৰাত্মক ভুল আৰু ব্যৰ্থতাৰে কণ্টকিত। কেম্বে'লৰ ৰোমান্টিক মনোভাৱৰ লগত যোগ হৈছে তেওঁৰ প্ৰতিক্ৰিয়াশীল ৰাজনৈতিক মতবাদ। কিতাপখনৰ প্ৰথম পেৰেগ্ৰাফতে তেওঁ সাম্যবাদৰ প্ৰতি এসময়ত আকৃষ্ট হোৱা ব'[illegible] তেওঁৰ সমসাময়িক লেখকসকলৰ প্ৰতি কটাক্ষ কৰিছে। দ্বিতীয় পেৰেগ্ৰাফত তেওঁ জনাইছে যে ব্যক্তিগত আখেজৰ বাবেহে লৰ্কাক হত্যা কৰা হৈছিল, কোনো ৰাজনৈতিক উদ্দেশ্যত নহয়। তদুপৰি কিতাপখনৰ অ'ত ত'ত লৰ্কাক "বিপ্লৱী" কবি বনাবলৈ সাম্যবাদীসকলৰ বিফল প্ৰয়াসক তেওঁ উপহাস কৰিছে। এনে মনোভাৱৰ ফলত লৰ্কাৰ সাহিত্যৰ মূল্যায়নত তেওঁ সম্পূৰ্ণ ব্যৰ্থ হৈছে।

ফেচিষ্টবিলাকে যেতিয়া লৰ্কাক হত্যা কৰে তেতিয়া ফেচিষ্ট মহলৰ পৰা কিবা প্ৰতিবাদ বা দুখপ্ৰকাশ শুনা গৈছিলনে? আনহাতে সমগ্ৰ অফেচিবাদী জনসাধাৰণ লৰ্কাৰ মৃত্যুত মৰ্মাহত হোৱা নাছিলনে? কথাটো, ইমানেই নিৰৰ্থক নে? পেব্ল' নে'ৰুডাই লেখিছে স্পে'ইনৰ ৰাজধানী মাদ্ৰিডতে তেওঁৰ বামপন্থী চিন্তাধাৰাই পৰিণতি পায় আৰু সেই সময়ত তেওঁৰ অন্যতম সংগী আছিল লৰ্কা। কথাটো ইমানেই উৰাই দিবলগীয়া নে? আমি আগতেই কৈছোঁ যে লৰ্কা মাৰ্ক্সবাদী নাছিল, কিন্তু স্পে'ইনৰ জনসাধাৰণৰ হৃদয়সংবাদ তেওঁৰ দৰে আনে শুনা নাছিল।

কেম্বে'লৰ সাহিত্যিক বিচাৰ সদায় গ্ৰহণযোগ্য নহয়। উদাহৰণস্বৰূপে ১৭—১৮ পৃষ্ঠাত তেওঁ গংগৰা নামৰ এজন অতীতৰ কবিৰ প্ৰভাৱ দেখুৱাবলৈ গংগৰাৰ এটা উপমা উদ্ধৃত কৰিছে য'ত জোনৰ দুটা মূৰৰ লগত গৰুৰ শিংজোৰৰ লগত তুলনা কৰা হৈছে। লৰ্কাই কোনো কোনো ঠাইত হয়তো এই উপমা ব্যৱহাৰ কৰিছে। কিন্তু তলৰ কবিতাফাকিত যেওঁ এই উপমা ক'ত দেখা পালে তেওঁহে জানে:

It will be in the night, the darkness,
By the magnetic mountain streams
Where the Oxen of the water
Drink up the rushes in their dreams.

ইয়াত নদীৰ চোবোৰৰ লগত উজৰজীয়া বলদ গৰুৰ বাছৰ তুলনা কৰা

হৈছে, আৰু সেই ঢৌবোৰৰ যেন বলদ গৰুৰ দৰেই বলশক্তি আছে, তেনে ইংগিত দিয়া হৈছে। ইয়াত শিং-চিহ্নৰ কথা একো নাই, জোনৰ কথাও নাই, আছে ৰাতি আৰু অন্ধকাৰৰ কথা, বৈ থকা নদীৰ প্ৰবল কিন্তু শান্ত শক্তিৰ কথা।

৬৩ পৃষ্ঠাত Silly Song নামৰ সহজসৰল অথচ চমকপ্ৰদ কবিতাটোৰ ছুৰ্‌ৰিয়েলিষ্টিক ব্যাখ্যা আগবঢ়াইছে কেম্বে'লে—"curious nonsensical excursions into the super-real or the sub-real" তেওঁৰ ভাষাত। কবিতাটো হ'ল এই:

Mother,
I wish to be made of silver.

Son,
You would be very cold.

Mother,
I wish to be made of water.

Son,
You would be very cold.

Mother,
Sew me into your pillow-case.

O that? Yes.
Straight away!

ইয়াত ছুৰ্‌ৰিয়েলিজমৰ কি আছে কেম্বে'লেহে জানে; ৰূপ যিমানেই ধুনীয়া নহওক, পানী যিমানেই জুৰ নহওক, সি মানুহৰ মৰম প্ৰকাশ কৰিব নোৱাৰে, মানুহৰ মৰমৰ তুলনাত সি শীতল। কিন্তু পোনাটিয়ে গাৰু-গিলিপত তাক চিলাই থবলৈ আব্দাৰ ধৰাত মাকে লগেলগেই কৈছে—Yes, Straightway—কাৰণ সকল'ৰাৰ এই অদ্ভুত আব্দাৰটো তাৰ মৰমৰেই প্ৰকাশ।

অৱশ্যে ৰয় কেম্বে'লে লোকসাহিত্যৰ ওপৰত লৰ্কাৰ ঋণ গভীৰ বুলি মানি লব নোখোজে। "This popular tradition is one of the main influences in Lorca's work; but it has been vastly exaggerated by some critics…" (p. 13), কিন্তু ৰয় কেম্বে'লে নিজেই এনে বহু সাক্ষ্যপ্ৰমাণ হাজিৰ কৰিছে যি তেওঁৰ এই মতৰ বিৰুদ্ধে সাক্ষ্য দিয়ে। তেওঁ নিজেই কৈছে যে স্পে'ইনৰ লোকসংস্কৃতিৰ দৰে কবিতা, সংগীত আৰু নৃত্য সকলো দিশতে সমৃদ্ধ আৰু জীৱন্ত লোকসংস্কৃতি দুৰ্লভ। গাৱেঁ গাৱেঁ লোকগীত (ballad) ফেৰি কৰি ফুৰা ফেৰিৱালা ঘূৰি ফুৰে। সৰ্ব-সাধাৰণৰ মাজত কথিত ভাষাৰ (the spoken word) যোগেদি নানা তৰহৰ চিন্তাভাবনা প্ৰবেশ কৰে আৰু বিয়পি যায়। (পৃঃ ১০)। স্পে'ইনৰ কৃষকসমাজ নিৰক্ষৰ হলেও ইমান সংস্কৃতিবান যে সাহিত্যিকে কৃষকসকলৰ বচনভংগী আৰু ভাষা অনুকৰণ কৰে। (পৃঃ ১১) এই কৃষকসকলৰ অদ্ভুত সততা, আত্মসম্মানবোধ আৰু অবিমিশ্ৰ সাহস উল্লেখযোগ্য। (পৃঃ ১১) আন্দালুছিয়া অঞ্চলৰ গৰখীয়া, গাৰোৱান আৰু হালোৱাই অতি উচ্চশ্ৰেণীৰ গীত বা পদ ৰচিব পাৰে কাম কৰি থাকোঁতেই। (পৃঃ ১৩) গ্ৰানাডাৰ এজন খেতিয়কে "নৈৰ জিভাতে উইলো গছ গজিবলৈ ভাল পায়" বোলা কথা এষাৰৰ উপমা তেওঁৰ বহুদিন মনত আছিল। (পৃঃ ১৮) নিচুকনিগীত, ল'ৰা ওমলোৱা গীত, লৌকিক সুৰৰ ধ্বনি আৰু চিত্ৰই তেওঁক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। (পৃঃ ১৮) স্পেইনদেশীয় লৌকিক নিচুকনিগীতৰ ওপৰত তেওঁ এটা দীঘলীয়া প্ৰবন্ধও লেখিছিল। (পৃঃ ১৯) লৰ্কাৰ চিত্ৰকল্প যিমানেই বিচিত্ৰ নহওক, তেওঁৰ ভাষা আছিল সহজসৰল দৈনন্দিন জীৱনৰ ভাষাৰ দৰে পোনপটীয়া। (পৃঃ ২৫) ইয়াৰ পিছত যদি আমি কওঁ যে লৰ্কাৰ ভাষা আৰু কাব্যৰ শক্তি আহিছে তেওঁৰ গভীৰ দেশপ্ৰেম আৰু জনগণৰ সংস্কৃতিৰ লগত তেওঁৰ নিবিড় সম্পৰ্কৰ পৰা—বৰ ডাঙৰ ভুল হব নেকি?

অৱশ্যে এই কথাও ঠিক যে প্ৰতীকবাদী সকলৰ কবিতাই কেৱল লৰ্কাকে নহয় বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত বহুতো স্পে'ইন দেশীয় কবিকে প্ৰভাৱিত কৰিছিল (পৃঃ ১৫)। স্পেইন দেশীয় মাটিত যেন কৰাচী প্ৰতীকবাদ সহপহকৈ বাঢ়ি ঠালঠেঙুলি মেলি জাতিষ্কাৰ হৈ পৰিছিল। (ঐ)। কিন্তু ৰয় কেম্বে'লে নিজেই কৈছে যে প্ৰতীকবাদী কবিতা গোটে গোটে

লৰ্কাই ফ্ৰান্সৰ পৰা স্পে’ইনৰ পথাৰত আনি কৰ লগা হোৱা নাছিল। স্পে’ইনৰ জাতীয় সাহিত্যৰ ঐতিহ্যতে এনে কিছুমান উপাদান আছিল যাৰ সহায়ত প্ৰতীকবাদী প্ৰভাৱ সহজে জীণ নিয়াব পৰা গৈছিল। সপ্তদশ শতাব্দীৰ mannerist কবি গংগৰাৰ চিত্ৰকল্প আৰু ধ্বনিৰ অভিনৱ পৰীক্ষাসমূহৰ ফলত প্ৰতীকবাদৰ বাবে যেন স্পে’ইনত ক্ষেত্ৰ প্ৰস্তুত হৈ আছিল ( পৃঃ ১৪ )। লৰ্কাৰ কবিতাত চিত্ৰকল্পৰ প্ৰাচুৰ্য্য আৰু বিচিত্ৰ আৰু বহুদিকৃবিশিষ্ট উপমাৰ প্ৰতি আকৰ্ষণে প্ৰতীকবাদীসকলৰ কথা স্বভাৱতে মনত পেলায়। কিন্তু লৰ্কাৰ প্ৰতিভাৰ শিপাডাল আছিল স্বদেশৰ মাটিত, আৰু সেয়ে বিদেশী উপাদানে তেওঁৰ ঘাই ৰচনাত কৃত্ৰিমতাৰ পৰশ আনি দিয়া নাছিল। য’তেই তেওঁ স্বদেশীয় ঐতিহ্যৰ জীণ লব পৰা নাই ত’তেই কৃত্ৰিমতা, বাগাড়ম্বৰ, আৰু জড়তা আহি পৰিছে। বয় কেম্বে’লৰ দৰে উপমাৰ চাকচিক্য আৰু অলংকাৰৰ বৈচিত্ৰ্যতে মুগ্ধ হবলৈ আমি নাবাজ।

প্ৰতীকবাদী কবিতাৰ সৌন্দৰ্য্যত বিভোৰ সকলে বিচাৰে অপাৰ্থিৱ সৌন্দৰ্য্যৰ অনুভূতি। আমি কিন্তু পাৰ্থিৱ জগতৰে অশ্ৰুত, অজ্ঞাত সৌন্দৰ্য্যৰ পথপ্ৰদৰ্শকৰূপে কবিতাৰ ওচৰ চাপোঁ। এই দৃষ্টিকোণৰ পৰা চাবলৈ গ’লে লৰ্কাৰ প্ৰতীকবাদী কবিতা সমূহৰ অচিন সুৰত যি ৰস আছে তাতকৈ তেওঁৰ আনধৰণৰ কবিতাবোৰ আৰু মদিৰ আৰু গাঢ় উপলব্ধিৰে ভৰপূৰ। আনকি তেওঁৰ প্ৰতীকবাদী কবিতা কিছুমানো বাস্তৱ জীৱনৰ স্পৰ্শইহে মৰ্মস্পৰ্শ কৰি তুলিছে :

I have shut my balcony
because I do not want to hear the weeping,
but from behind the grey walls
nothing else is heard but the weeping,

There are very few angels that sing,
there are very few dogs that bark,
a thousand violins fit into the palm
of my hand.

But the weeping is an
immense dog,
the weeping is an immense angel,
the weeping is an immense violin,
the tears muzzle the wind,
nothing else is heard but the weeping.

( **Casida of the Lament** )

কবিতাটোৱে আমাক William Blakeৰ সেই বিখ্যাত কবিতাফাকিলৈ সোঁৱৰাই নিদিয়েনে ?

: A sigh is the sword of an angel king. সংসাৰৰ দুখদৈন্যৰ প্ৰতি অন্তৰ মথি ওলোৱা সহানুভূতিয়ে কবিতাটোত বিক্ষুব্ধ প্ৰতিবাদৰ ৰূপ লৈছে।

তেনেকৈ "The little mad boy," "Song of the barren orange tree," "The little mute boy" প্ৰভৃতি কবিতাত প্ৰতীকবাদী আংগিকৰ শুভ্ৰ মৰ্মৰদেৱালত ছিটিকি পৰিছে যন্ত্ৰণাৰ কেঁচা তেজৰ ছিটিকনি—যি যন্ত্ৰণা সাধাৰণ পাঠকেও বুজিব পাৰে। Lluvia ( বৰষুণ ) নামৰ কবিতাটো অবিশ্ৰাম বাৰিধাৰাৰ দৰে জীৱনৰ সকলো সুখ, সকলো সাফল্য, সকলো সৌন্দৰ্যৰ অন্তৰালত থকা দুখৰ উপলব্ধি যেন উপচি পৰিছে :

It is the dawn of fruit.
It is that which brings us flowers
And anoints us with the holy spirit of the seas,
That which sheds life over the down lands
And in the soul a sorrow which is not known.

তেওঁৰ প্ৰেমৰ কবিতাবোৰৰ বেদনা আৰু উল্লাস, কোমলতা আৰু ৰহস্যময়তাই বাস্তৱ জীৱনৰ অভিজ্ঞতাকে গাঢ়তৰ ৰূপ দিছে। Romancero নামৰ কাহিনীগীত বিলাকত বাস্তৱজীৱনৰ পৰ্য্যবেক্ষণ আৰু মানৱচৰিত্ৰৰ বৈচিত্ৰ্য হাস্যৰসামিশ্ৰিত হৈ দেখা দিছে। এটা কবিতাত বিভিন্ন ফলমূলৰ মানবীয় চৰিত্ৰ উদ্‌ঘাটন কৰা হৈছে অপূৰ্ব কৌশলেৰে। যুৰোপীয় গ্ৰাম্যজীৱনৰ এনে সুন্দৰ অৰ্থঘন প্ৰকাশ বিৰল :

The olive stands for hardness, spliced
With strength and labour in the field.

.............................................

.............................................

The orange burns with grief untold,
Grief that white blossoms were profaned,
Since now it's flushed with fire and gold
That was so spotless and unstained......

Chestnuts for peace by the fireside
And bygone things of yesterday !
The crackle of old logs, the sigh
Of pilgrims who have lost their way

ঠিক তেনেকৈ **Poeta en Nueva York** কবিতাৱলীত অমানুষিক পুঁজিবাদী সভ্যতাৰ প্ৰতি কবিৰ তীব্ৰ বিতৃষ্ণা, আতংক আৰু ক্ষোভ খেলিমেলি কল্পচিত্ৰৰ মাজত ছিটিকি পৰিছে। (ৰয় কেম্বে'ল আৰু আন কোনো কোনো সমালোচকে ইয়াৰ ক্ষোভ আৰু ক্ৰোধৰ কঢ়া সুৰ সহিব নোৱাৰে!) লৰ্কা মাৰ্ক্সবাদত দীক্ষিত নহব পাৰে, কিন্তু তেজমঙহৰ মানুহৰ সকলো সুখদুখৰ অন্তৰংগ সাক্ষী লৰ্কাৰ কবিতা যিসকল মাৰ্ক্সবাদীয়ে গ্ৰহণ কৰিব নোৱাৰে, আমি তেওঁলোকক কম: "হায় মাৰ্ক্স!", আৰু দেৱালৰ আঁৰৰ যক্ষপুৰীত আশ্ৰয় লোৱা সকলক আমি কম: "লৰ্কাৰ কবিতাৰ নায়ক প্ৰেত নহয়, মানুহ!"

Sorrow.
Facing the magical quick sorrow.

Struggle.
The genuine, the unclean struggle.

But rid me of the invisible people
who forever move about my house !

লৰ্কাৰ প্ৰতিভাৰ মূল্যায়নত এইটো এটা অতি গুৰুত্বপূৰ্ণ কথা যে লৰ্কা কেৱল কবিয়েই নহয় নাট্যকাৰো আছিল। লৰ্কা "প্ৰতীকবাদী" আছিল

নে নাই, এই প্ৰশ্নৰ উত্তৰত লৰ্কাৰ নাট্যপ্ৰতিভাৰ স্বৰূপ বিচাৰ কৰি চোৱা উচিত, কাৰণ লৰ্কাৰ কবিতা আৰু লৰ্কাৰ নাটকৰ মাজত এটা ঘনিষ্ঠ সম্পৰ্ক আছে। বিশ্ববিখ্যাত মাৰ্কিন সমালোচক ফ্ৰান্সিচ ফাৰ্গাছনে লিখিছে যে নাটক লিখাৰ প্ৰেৰণা লৰ্কাই প্ৰতীকবাদৰ পৰা পোৱা নাছিল কাৰণ প্ৰতীকবাদী lyricৰ ধৰ্মই হ'ল আত্মকেন্দ্ৰিক আৰু বাস্তববিমুখ :

"The symboliste lyric, on the other haud, owes its purity to its source in the single feeling of the isolated poet. It is very difficult to derive from it the sense of separate but interacting lives ; the movement of real change ; the significance of a deed or an event : in short, the objectivity of drama, which is founded...upon symathy and percepiion."

( F. Fergusson, **The Human Image in Dramatic Literature, 1957** )

লৰ্কাৰ প্ৰতিভাৰ এই বস্তুনিষ্ঠা ( objectivity ) তেওঁৰ কবিতাতো প্ৰোজ্জ্বল। এই বস্তুনিষ্ঠা প্ৰকাশ কৰিবলৈ প্ৰতীকবাদী ৰীতি উপযুক্ত নাছিল। লৰ্কাৰ মন আৰু কাব্যিক সমলৰ আন এটা উপাদানৰ জৰীয়তেহে তেওঁৰ প্ৰতিভাৰ এই দিশ প্ৰকাশিত হৈছিল। আৰু সিয়েই আছিল তেওঁৰ নাটকৰ বীজ। সেই উপাদানটো হ'ল স্পে'ইনৰ প্ৰাচীন আৰু জনপ্ৰিয় গীতিকাহিনীৰ ঐতিহ্য ( "The old and popular Spanish tradition of balladry" )। এই গীতিকাহিনীবোৰ আছিল স্বভাৱতেই নাটকীয় আৰু বস্তুধৰ্মী। প্ৰতীকবাদী কবিতাৰ দৰে সিহঁত আত্মকেন্দ্ৰিক নহয়। ( "the inspiration, the poetic point, of the **symloliste** lyric is not dramatic, while that of the ballad is" ), নাটকত হাত দিয়াৰ আগতেই তেওঁৰ কবিতাত লৰ্কাই balladৰ বস্তুনিষ্ঠা আৰু নাটকীয়তাৰ পৰীক্ষা কৰিছিল। প্ৰতীকবাদৰ লগত ফাৰ্গাছনৰ মতে তাৰ কোনো সম্পৰ্ক নাছিল। ফাৰ্গাছনৰ দৰে ধীমান আৰু সংবেদনশীল সমালোচকৰ এই মন্তব্যই আমাৰ ধাৰণাকে সমৰ্থন কৰিছে।

# কবিতাৰ উৎস সন্ধানত ঃ মতাদৰ্শ আৰু কল্পনা

## (দ্বিতীয় খণ্ড)

## ॥ সাহিত্য ঃ প্ৰয়োজন নে পলায়ন ? ॥

The Communist Revolution is the most radical rupture with the traditional property relations ; no wonder that its development involves the most radical rupture with traditional ideas ;
**Communist Manifesto**

• * * *

Just as, to the bourgeoisie the disappearnce of class property is the disappearance of production itself, so the disappearance of class culture is to him identfcal with the disappearance of all culture.

The culture, the loss of which he laments, is for the enormous majority, a mere training to act as a machine *Ibid.*

* * *

*Vekhi* simply teems with catchwords like ‘idoiisation of the people”. This is not surprising for the liberal bourgeoisie, which has become frightened of the people, has no alternative but to shout about the democratic “idolisation of the people”.

**Lenin, Concerning the Periodical Vekhi**

আমাৰ সাহিত্য আৰু সংস্কৃতিৰ ধাৰণা বহুদূৰ আমাৰ সমসাময়িক সমাজৰ প্ৰভাৱে গঢ় দিছে। বুৰ্জোৱা সমাজত বাস কৰি সাহিত্য-সংস্কৃতিৰ বেলেগ ধৰণৰ চৰিত্ৰ বা ভূমিকা কল্পনা কৰাই টান। বুৰ্জোৱা শ্ৰেণীয়ে বৰ্তমান সাহিত্য-সংস্কৃতিক বিলাস বুলি ভাবিবলৈ বাধ্য। বুৰ্জোৱা শ্ৰেণীয়ে আজি আৰু উৎপাদনত বিশেষ অংশ গ্ৰহণ নকৰে, আনকি উৎপাদনৰ পৰিকল্পনা আৰু পৰিচালনাৰ ভাৰো মালিকতকৈ বেতনভোগী মেনেজাৰ আৰু বিশেষজ্ঞইহে বহুপৰিমাণে বহন কৰিবলৈ ধৰিছে। ক্ৰমশঃ সমগ্ৰ ধনতান্ত্ৰিক পৃথিৱীতে চাকৰি বা জীৱিকা অধিকাংশ মানুহৰ বাবে দুঃসহ অথচ এৰাব নোৱাৰা বোজা হৈ পৰিছে। সেয়ে উন্মাদৰ দৰে মানুহে অৱসৰ বিচাৰিছে আৰু এই অৱসৰ নিঃশেষ কৰিছে পলায়নত। সংস্কৃতিৰ নামত এই পলায়নী মনোবৃত্তিৰে ব্যাপক চৰ্চা চলিব ধৰিছে। অৱশ্যে বুৰ্জোৱা সমাজত উৎপাদনশক্তিৰ অভূতপূৰ্ব বিকাশ সত্বেও সেই শক্তিৰ মুক্ত প্ৰয়োগ আৰু অবাধ অগ্ৰগতিত আজি একচেটিয়া পুঁজিয়েই বাধা দিছে। আমেৰিকাৰ দৰে শিল্পপ্ৰধান দেশতো কলকাৰখানাৰ শতকৰা ৩০ বা ৪০ ভাগ উৎপাদন-ক্ষমতা অব্যৱহৃত হৈ পৰি আছে। উৎপাদনশক্তিৰ অবাধ বিকাশে আজি এক চেটিয়া পুঁজিৰ পণ্যৰ উচ্চ মূল্য আৰু বিপুল মুনাফা বন্ধ কৰিলে হেতেন। সেয়ে উৎপাদনশক্তিৰ বিকাশৰ প্ৰতি, মানুহৰ সৃষ্টিশক্তিৰ মুক্ত বিকাশৰ প্ৰতি পুঁজিৰ মালিকসকলৰ এই আতংক। আনকি সংস্কৃতিৰ মাজতো মানুহৰ সৃষ্টিশীলতাৰ প্ৰতি, উৎপাদক ভূমিকাৰ প্ৰতি এই বিৰাগ বিভিন্ন ৰূপত ব্যক্ত হবলৈ ধৰিছে। সেয়ে আজি বুৰ্জোৱা শিল্পসংস্কৃতিৰ পলায়ন প্ৰৱণতা—সেয়ে তাৰ প্ৰয়োজনৰ প্ৰতি ইমান বিৰাগ। উৎপাদন আৰু শ্ৰেণীসংগ্ৰাম (মাৰ্ক্সে শ্ৰেণীসংগ্ৰামক উৎপাদনশক্তিৰ বিকাশৰ এটা ৰূপ বুলি ধৰিছিল) বুৰ্জোৱা শিল্পসংস্কৃতিৰ বাবে অস্পৃশ্য। আধুনিক কবিতা, আধুনিক চিত্ৰকলা, আধুনিক সংগীত এনে এটা বস্তু হৈ পৰিছে য'ত বুৰ্জোৱা শ্ৰেণীৰ শিক্ষিত মানুহৰ বিচিত্ৰ মানসিক স্পন্দন, অনুভূতিৰ বিচিত্ৰ খেয়াল, কল্পনাৰ অদ্ভুত অভিব্যক্তি হৰেকৰকমৰ ভংগিমাত নৃত্যৰত। অথচ মানুহৰ জীৱনৰ মূল ধৰ্ম, প্ৰধান ব্যৱসায়, মানুহৰ সকলো কাৰ্যকলাপৰ ঘাই শিপা উৎপাদনৰ কোনো প্ৰতিফলন তাত নাই।

বুৰ্জোৱা শিল্পৰসিকে ভাবে যে উৎপাদনৰ উল্লেখমাত্ৰেই সংস্কৃতিৰ পক্ষে অপবিত্ৰ। অথচ আদিম সমাজৰ আৰু বৰ্তমানৰ জনজাতীয় সমাজৰ বলিষ্ঠ

নৃত্যগীতৰ ছন্দ আৰু অংগ-ভংগীৰ মাজত উৎপাদনপ্ৰক্ৰিয়াৰ প্ৰভাৱ সুস্পষ্ট। নৃত্যগীতৰ মূৰ্ত প্ৰতিফলনত উৎপাদনৰ দুখভাগৰ, উৎকণ্ঠা আৰু আমনি ৰূপান্তৰিত হয় শাৰীৰিক আৰু মানসিক তৃপ্তি আৰু প্ৰেৰণালৈ। তেনেস্থলত আজিৰ দিনত সংস্কৃতিৰ মন্দিৰত উৎপাদন চুৱা হোৱাৰ কাৰণ নিশ্চয় কোনো চিৰন্তন সত্য নহয়।

অনুৰূপভাবে সংস্কৃতিৰ ভো-ভো পূজাৰীসকলে শ্ৰেণীসংগ্ৰামকো আঁৰ কৰি ৰাখিবলৈ বিচাৰে। শ্ৰেণীসংগ্ৰাম বুজি নোপোৱা সকলেতো বিচাৰেই, শ্ৰেণীসংগ্ৰামৰ তাৎপৰ্য্য বুজা বুৰ্জোৱা ৰসিকসকলে আৰু প্ৰবলভাবে বিচাৰে ঢাক ঢাকি ৰাখিবলৈ। শিল্পকলাৰ বিমল আনন্দ নাইবা অলৌকিক ৰসৰ গুণকীৰ্তন কৰি শাসকশ্ৰেণীৰ শিল্পৰসিকে স্বাভাবিকতে ধূলি-মাটিৰ জীৱনৰ গ্লানি আৰু সেই মাটিৰ লেও লৈ তেৰাসবৰ অলৌকিক ৰসৰ বাবে নামঘৰ সাজিথকা শ্ৰমজীৱী মানুহৰ জীৱনৰ অভাৱ আৰু বঞ্চনা পাহৰি থাকিবলৈ বিচাৰে। মুক্তিৰ বাবে শোষকশ্ৰেণীৰ বিৰুদ্ধে শ্ৰমজীৱী জনগণৰ প্ৰত্যক্ষ সংগ্ৰামতো "শিল্পৰসিক"ৰ বাবে সংস্কৃতিবিনাশ বা সংস্কৃতিবিলোপৰ পূৰ্বাভাস!! সেয়ে পৃথিবীৰ সাহিত্যৰ ইতিহাসত সাধাৰণতে শাসকশ্ৰেণীৰ কলাকাৰে শ্ৰেণীসংগ্ৰামৰ প্ৰত্যক্ষ ৰূপায়ণ কৰা দেখা নাযায়। কিন্তু শোষকশ্ৰেণীৰ সচেতন বুদ্ধিয়ে দি গণ্ডী চেৰাই নাযায়, সামাজিক দ্বন্দ্বৰ তীব্ৰ মুহূৰ্তত শোষক শ্ৰেণীৰ কোনো কোনো শিল্পীৰ কল্পনা আৰু অবচেতন মনে কোনো কোনো ক্ষেত্ৰত সেই গণ্ডী চেৰাই যাব পাৰে। আমি যি সকলক অতীতৰ মহান কলাকাৰ বোলোঁ তেওঁলোকৰ মহত্ত্ব এইখিনিতে— শোষক শ্ৰেণীৰ চিন্তা আৰু বুদ্ধিৰ আৰু বিবেকৰ স্বনিৰ্দ্ধাৰিত গণ্ডী তেওঁলোকে প্ৰত্যক্ষভাবে নহলেও পৰোক্ষভাবে অতিক্ৰম কৰিছে আৰু তেনেকৈয়ে মানব ইতিহাসৰ মূল ধাৰাটোৰ লগত যুক্ত হৈছে। অৱশ্যে ইও এটা স্বয়ম্ভু ঘটনা নহয়। অনুসন্ধান কৰিলে দেখা যাব যে শোষকশ্ৰেণীৰ সভ্য হোৱা সত্বেও এইসকল শিল্পীৰ ব্যক্তিগত জীৱনৰ পৰিস্থিতিয়ে সেই শ্ৰেণীৰ পৰা কোনো কোনো ক্ষেত্ৰত তেওঁলোকক আঁতৰাই আনিছিল। তাৰ উপৰিও শোষিত বা বিপ্লবী শ্ৰেণীৰ লগত—সমাজৰ তলৰ মহলাৰ মানুহৰ লগত—কিবা নহয় কিবা উপায়ে তেওঁলোকৰ যোগাযোগ ঘটিছিল। মহাকবি ডাণ্টে' তেওঁৰ জন্মস্থানৰ পৰা নিৰ্বাসিত হৈছিল; য়ুৰোপত গ্ৰীষ্টিয় শক্তিৰ পূৰ্ণ পৰাভৱৰ দিনত তেওঁ পোপৰ বিৰোধিতা কৰিছিল, পণ্ডিত

আৰু সম্ভ্ৰান্ত সকলৰ প্ৰিয় লাতিন ভাষাৰ পৰিবৰ্তে তেওঁ ইটালিৰ জনগণৰ ভাষা ইটালিয়ান ব্যৱহাৰ কৰিছিল, সমগ্ৰ ইটালিৰ সামন্ততান্ত্ৰিক বিচ্ছিন্নতাৰ ঠাইত ঐক্যৰ সপোন দেখিছিল। ডান্টে'ৰ অমৰত্বৰ লগত এইবোৰ জাগতিক ঘটনাৰ নিবিড় সম্পৰ্ক আছে।

আজিৰ পৃথিবীত তলৰ মহলাৰ মানুহেই কান্ধপাতি লৈছে নতুন সমাজ গঢ়াৰ দায়িত্ব। উন্নত উৎপাদন কৌশলৰ মালিক বুৰ্জোৱা শ্ৰেণী এতিয়া পৰিবৰ্তনৰ প্ৰতি বিমুখ. সৃষ্টিধৰ্মিতা সম্পৰ্কে ভীতিগ্ৰস্ত, তেতিয়া নতুনকৈ উৎপাদনৰ উপযোগী সমাজব্যৱস্থা গঢ়ি লবলৈ—আৰু তাৰ লগেলগে নতুন চকুৰে পৃথিবীখন চাবলৈ—আগবাঢ়ি আহিছে শ্ৰমজীৱী জনতা। টকাৰ জোৰত শিল্পসংস্কৃতিৰ চৰ্চা কৰা বুৰ্জোৱাই শ্ৰমজীৱী শ্ৰেণীৰ নিজৰ শিল্পসংস্কৃতি গঢ়ি উঠাৰ সুযোগ নিদিয়ে। শ্ৰমজীৱী শ্ৰেণীৰ মাজৰ পৰাও এই পৰিবেশত এগাম শিল্পী ওলাই আহিব নোৱাৰে। ফলত বুৰ্জোৱা প্ৰভাৱত থকা কেতবোৰ শিল্পীয়েই এই দায়িত্বলবলৈ আগবাঢ়ি আহে। কাৰণ ইতিহাসৰ এই সন্ধিক্ষণত শিল্পকলাৰ চৰিত্ৰ আৰু ভূমিকাও সলনি হব লাগিব। নতুন শিল্পকলাত শ্ৰমজীৱী মানুহৰ জীৱনৰ বিস্ময়কৰ সৃষ্টি-ক্ষমতা আৰু বঞ্চনা, গৌৰৱ আৰু বিড়ম্বনা, বিপুল শক্তি আৰু চৰম দুৰ্বলতা প্ৰতিফলিত হব লাগিব। এই শ্ৰমজীৱী মানুহৰ সংগ্ৰাম, সেই সংগ্ৰামৰ বৰ্তমানৰ পটভূমি আৰু ভবিষ্যৎ লক্ষ্য—শিল্পকলাত প্ৰকাশ পাব লাগিব। এই শিল্পকলাৰ নিজস্বতা এইখিনিতে যে বুৰ্জোৱা শিল্পকলাৰ দৰে সি বিলাসৰ সামগ্ৰী নহয়. পলায়নৰ উপকৰণ নহয়। সি হব নতুন জীৱন গঢ়াৰ অস্ত্ৰ।

শিল্পকলাৰ শ্লোগান ধৰ্মিতাৰ বিৰুদ্ধে যিসকলে আপত্তি কৰে তেওঁলোকে সাধুভাৱে লৈতে এই প্ৰশ্নৰ সন্মুখীন হোৱা উচিত: শিল্পকলা নতুন জীৱন গঢ়া অস্ত্ৰ হবনে নহয়, শ্ৰেণীসংগ্ৰামত তাৰ ভূমিকা থাকিব নে নাথাকিব? শ্ৰমজীৱী জনতাৰ ঐতিহাসিক দায়িত্বৰ লগত সি তেওঁলোকক অন্তৰংগভাৱে পৰিচিত কৰি দিব নে নিদিব?

অৱশ্যে শ্ৰেণী থাকে মানে শ্ৰেণী সাহিত্যও থাকিব। আমি যদি এতিয়া দাবী কৰোঁ যে সমাজৰ সকলো শ্ৰেণীৰ মানুহে আমি ভাল পোৱা বা আমি বিচৰা ধৰণে শিল্পকলা চৰ্চা কৰিব লাগিব, সেই দাবী নিশ্চয় অবাস্তৱ হব। শোষক শ্ৰেণী আৰু তাৰ সাৱধি শ্ৰেণীবোৰৰ পাঠক আৰু লেখকে এই দাবী বুজি নাপায়—তাৰ প্ৰতি সহানুভূতি দেখুৱাতো দূৰৰে কথা। সেইখিনে

তেওঁৰ Party Organisation and Party Literature প্ৰবন্ধত এই কথা কোৱা নাছিল যে বিপ্লবী শ্ৰেণীৰ সাহিত্যৰ বাহিৰে আন আন শ্ৰেণীৰ সাহিত্য সাহিত্য নহয়। তেওঁ কৈছিল যে সেইবোৰ সাহিত্যৰ আদৰ্শ আৰু ৰীতিনীতি বিপ্লবী শ্ৰেণীয়ে গ্ৰহণ কৰিব নোৱাৰে। বিপ্লবী শ্ৰেণীৰ সাহিত্যই বিপ্লৱক সহায় কৰিব লাগিব। অৱশ্যে যেহেতু বিপ্লবী শ্ৰেণীৰ মাজত নানা শাখা আছে, দেশ কাল ভেদে যেহেতু তাৰ বহুৰূপ বদলে—সেয়ে বিপ্লবী সাহিত্যৰ প্ৰকাশতো আমি বহুখিনি বৈচিত্ৰৰ বাবে সাজু হব লাগিব।

বুৰ্জোৱা সংস্কৃতিৰ অন্যান্য দুৰ্বলতাৰ লগতে এই মোহ টোও আছে যে সংস্কৃতি কিছুমান প্ৰশ্নাতীত, তৰ্কাতীত, অলৰ-অচৰ আচাৰ বা অভ্যাস। মাৰ্ক্সে অৰ্থনৈতিক আৰু সমাজতাত্ত্বিক জড়ীভৱনৰ ( reification ) কথা কৈছে। মানুহৰ সৃষ্ট কিছুমান বস্তু কেনেকৈ কালক্ৰমত অলৰ-অচৰ হৈ মানুহৰ ওপৰতে প্ৰভুত্ব কৰে আৰু মানুহৰ চেতনা মোহাবিষ্ট কৰি ৰাখে, যাৰ ফলত সেইবোৰ বস্তু পৰিবৰ্তন কৰিবলৈ মানুহৰ আগ্ৰহ আৰু সাহস টুটি আহে তাৰ উদাহৰণ স্বৰূপে মাৰ্ক্সে টকা ( money ) আৰু পুঁজিৰ ( capital ) কথা কৈছে। একো একোটা সমাজব্যৱস্থাও তাৰ জড়াগ্ৰস্ত অৱস্থাত এনে reification ৰ নিদৰ্শন। ভাৰতীয় সমাজৰ জাতিভেদ প্ৰথা এনে জড়ীভূত উত্তম। কিন্তু সাংস্কৃতিক জীৱনতো এনে জড়ীভৱনৰ বহুত উদাহৰণ পোৱা যায়। সেইবোৰ কলাৰূপ আৰু অভ্যাসৰ জীৱন্ত প্ৰেৰণা কাহানিবাই হেৰাই গৈছে, অথচ সেই বোৰ পৰিবৰ্তন কৰাৰ উত্তম সমাজত দেখা নাযায়, আৰু বৰ্জন কৰাৰো সাহস হয় দুৰ্লভ। বুৰ্জোৱা সংস্কৃতিৰ কিছুমান ধাৰা আৰু ৰূপ এই reification ৰ নিদৰ্শন বুলিবই লাগিব। আচলতে অৰ্থনীতিৰ তুলনাত অপেক্ষাকৃতভাৱে কম গতিশীল হলেও সংস্কৃতিৰ গতিশীলতা আৰু পৰিবৰ্তনশীলতা এটা ঐতিহাসিক সত্য। কিন্তু বুৰ্জোৱা সংস্কৃতিৰ মূল বিশ্বাস আৰু ধ্যানধাৰণাবোৰত বহু জড়ীভূত উত্তম আৰু লক্ষ্য দেখা যায়।

## ॥ সাহিত্যক সংগঠিত কৰা উচিতনে ? ॥

তাৰে প্ৰধান হ'ল সংস্কৃতিৰ তথা কলাৰ স্বতন্ত্ৰতাত বিশ্বাস। সাহিত্যৰ কিছুমান নিজস্ব সমস্যা আছে নিশ্চয়। কিন্তু সাহিত্যৰ চৰিত্ৰ আৰু ভূমিকা আলোচনা কৰিবলৈ যাওঁতে বৃহত্তৰ সামাজিক জীৱন আওকাণ কৰিব নোৱাৰি।

সমাজপৰিৱৰ্তনৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা বিশেষকৈ মাৰ্ক্সবাদী সকলৰ বাবে এটা গুৰুত্বপূৰ্ণ ধাৰণা। আৰু সেইবাবেই সমাজবাদী যুগত সাহিত্যৰ ওপৰত শাসন বা নিয়ন্ত্ৰণৰ ধাৰণাটো মাৰ্ক্সবাদী সকলৰ বাবে আচহুৱা বা অজ্ঞাত নহয়। বিশেষকৈ সমাজৰ সংকটৰ সময়ত নিয়ন্ত্ৰণৰ প্ৰশ্নটো ডাঙৰ হৈ উঠে। বুৰ্জোৱা মতাদৰ্শৰ মোহ সমাজবাদে একেদিনাই বিলুপ্ত কৰিব নোৱাৰে! অতীতমুখী মনোবৃত্তি বিশেষকৈ নিম্নমধ্যবিত্ত শ্ৰেণীৰ মাজত সময়ে সময়ে প্ৰবল হৈ উঠে। তদুপৰি সমাজবাদী সমাজ গঢ়িবলৈ যাওঁতে এৰাব নোৱাৰা ভুল-ক্ৰটি বোৰে কিছুমানক নিৰুৎসাহ কৰি বুৰ্জোৱা মতাদৰ্শৰ প্ৰতি সহানুভূতিশীল কৰি তোলে। বুৰ্জোৱা মতাদৰ্শৰ মুক্ত প্ৰচাৰৰ ফলত সমাজবাদী সমাজ গঠনৰ উদ্যমত খেলিমেলি লাগিব পাৰে সেয়ে সংকটৰ মুহূৰ্তত সাহিত্যিক প্ৰকাশৰ কঠোৰ নিয়ন্ত্ৰণৰ প্ৰয়োজন মাৰ্ক্সবাদীৰ বাবে এটা অপ্ৰিয় সত্য। অপ্ৰিয় সত্য এই বাবেই যে প্ৰশাসনীয় নিয়ন্ত্ৰণৰ দৃষ্টিকোণ এই ক্ষেত্ৰত সম্পূৰ্ণ ক্ষতিকৰ। সংস্কৃতিৰ জন্ম আৰু বিকাশত কল্পনা প্ৰেৰণাৰ যি স্বতঃস্ফূৰ্ত লীলা লক্ষ্য কৰা যায় তাক প্ৰশাসনীয় নিয়ন্ত্ৰণে প্ৰায়ে শ্বাসৰুদ্ধ কৰে। অৱশ্যে বুৰ্জোৱা লেখক সকলৰ অবাধ স্বাধীনতাৰ ধাৰণাও অবাস্তৱ। লে'নিনেই কৈছিল যে মালিক সকলৰ ধনৰ মোনাত বুৰ্জোৱা সমাজৰ "স্বাধীন" কলাকাৰসকলো বান্ধ খাই আছে। তদুপৰি স্বাধীনতা শৃংখলাৰ বিপৰীত নহবও পাৰে। এজন জ্ঞানী শিক্ষকে যেনেকৈ শ্ৰেণীৰ ছাত্ৰছাত্ৰীৰ মনৰ ওপৰত নিজৰ ধ্যানধাৰণা জাপি নিদিয়াকৈ সিহঁতৰ প্ৰত্যেকৰে ব্যক্তিগত প্ৰতিভাৰ বিকাশ ঘটাব পাৰে, অথচ তাকে কৰিবলৈ যাওঁতে এক সামূহিক পাঠ্যক্ৰমৰ পৰা আঁতৰি নাযায়, তেনেকৈ লেখকশিল্পী সকলকো নিশ্চয় পাৰ্টিয়ে উপযুক্ত guidance দিব পাৰে। এই guidance দিব পৰাটো পূৰঠ আৰু দক্ষ পাটিৰ লক্ষণ যি guidance লে'নিনে গৰ্কি আৰু লি-তা-চাৰে লু-চুনক দিব পাৰিছিল। এই guidance নিশ্চয় প্ৰশাসনীয় নিয়ন্ত্ৰণৰ শাৰীত নপৰে।

ষ্টালিনৰ আমোলত প্ৰশাসনীয় নিয়ন্ত্ৰণৰ চেষ্টা প্ৰবল হৈ উঠে। কিন্তু এই কথা ভবাৰ থল আছে যে আভ্যন্তৰীণ বেমেজালি আৰু বহিঃশত্ৰুৰ আক্ৰমণৰ আশংকাৰ বাবেই ত্ৰিশৰ দশকত ৰাছিয়াত আন সকলো ক্ষেত্ৰৰ দৰে শিল্পকলাৰ ওপৰত কঠোৰ শাসনৰ ভিত্তি প্ৰস্তুত হয়। তাৰ আগলৈকে ষ্টালিনৰ মনোভাৱ আছিল সম্পূৰ্ণ বেলেগ, আৰু সংকট কালীন পৰিস্থিতিত

তেওঁ লোৱা ব্যৱস্থা বোৰে তেওঁৰ চিন্তাধাৰা সম্পূৰ্ণ প্ৰতিফলিত নকৰে। ষ্টালিন ৰচনাৱলীৰ ( Collected works ) একাদশ খণ্ডত ( Vol xi ) তেওঁ প্ৰশ্নকৰ্তাক এই উত্তৰ দিছে :

"Of course it is very easy to "criticise" and to demand the banning of non-proletarian literature. But what is easiest must not be considered the best. It is not a matter of banning but of step by step ousting the old and new non-proletarian trash from the stage by competing agains it, by creating genuine interesting, artistic Soviet plays capable of replacing it. Competition is a big and serious matter, because only in an atmosphere of competition can we arrive at the formation and crystallization of our proletarian literature.

( Reply to Bill-Belotserkovsky )

ষ্টালিনৰ এই উত্তৰত স্পষ্ট হৈ আছে যে প্ৰতিযোগিতাৰ জৰীয়তে সমাজবাদী সাহিত্যই জনগণক আকৃষ্ট নকৰিলে তাৰ ভৱিষ্যত অনিশ্চিত। তদুপৰি এই প্ৰতিযোগিতা নতুন সৰ্বহাৰা সাহিত্য সৃষ্টিৰ বাবেই উৰ্বৰ পৰিবেশ।

প্ৰশাসনীয় নিয়ন্ত্ৰণৰ দিশে ঐতিহাসিক ঘটনাৱলীৰ হেঁচাই ষ্টালিনক ঠেলি লৈ গ'ল। তেওঁৰ সমসাময়িক চোভিয়েট সাহিত্য যে বিশেষ উৎকৃষ্ট পৰ্যায়ৰ সাহিত্য, ষ্টালিনৰ তেনে কোনো ভ্ৰম হোৱা নাছিল। সেই সাহিত্যৰ নীৰসতা সম্পৰ্কে তেওঁ প্ৰায়ে খেদ কৰিছিল। কিন্তু সেই সাহিত্যক সৃষ্টিশীল বিকাশৰ দিশে তেওঁ লৈ যাব পৰা নাছিল। বুৰ্জোৱা সমাজৰ যিসকল প্ৰতিভাবান লেখক চোভিয়েট ব্যৱস্থা মানি লৈ ৰুছিয়াত থাকি গ'ল তেওঁলোকক প্ৰচুৰ সা-সুবিধা দিয়া হ'ল। কিন্তু তেওঁলোকৰ মনৰ পৰা বুৰ্জোৱা সংস্কাৰ আৰু মনোভাব দূৰ কৰিবলৈ কোনো পৰিকল্পিত আৰু কাৰ্য্যকৰী ব্যৱস্থা লোৱা নহ'ল। পাষ্টেৰনাক, এৰেনবুৰ্গ, আখ্মাতভা প্ৰভৃতি লেখক লেখিকাৰ পৰা শেষ পৰ্য্যন্ত ষ্টালিনে চোভিয়েট সমাজৰ উপযুক্ত সাহিত্য আশা কৰিছিল। কিন্তু বুৰ্জোৱা মানসিকতাৰ পৰা মুক্ত হব নোৱাৰা এই সকল লেখকে নতুন সমাজ ব্যৱস্থাৰ লগত adjust কৰি চলিবলৈ যাওঁতে যিমান অশান্তি আৰু কষ্ট ভোগ কৰিলে সেই অনুপাতে তেওঁলোকে সৰ্বহাৰা

সংস্কৃতিৰ সৃষ্টিত অৱদান যোগাব নোৱাৰিলে। বৰং ষ্টালিনৰ মৃত্যুৰ পিছত কছ বিপ্লৱৰ ঐতিহ্য তেওঁলোকে বৰ্জন কৰিলে স্পষ্টভাৱে। ষ্টালিনৰ আমোল শিল্পসাহিত্যৰ পিনৰ পৰা সম্পূৰ্ণ অনুৰ্বৰ বুলিব নোৱাৰি। চিৰেঁমাৰ গৌৰৱময় অধ্যায় বাদ দিলেও কেৱল উপন্যাসৰ ক্ষেত্ৰত শল'খভৰ And Quie Flows the Don অস্ত্ৰভস্কিৰ How the Steel Was Tempered ফাডেয়েভৰ The Young Guard আৰু মাকাৰেংকোৰ Road to life প্ৰভৃতি ৰচনাত দেখা গৈছে যে নতুন সমাজব্যৱস্থা গঢ়াৰ বা-মাৰলিৰ মাজতো অভিজ্ঞতাই নতুন মতাদৰ্শ সঞ্চাৰিত কৰি শিল্পৰ জন্ম দিছে। মতাদৰ্শৰ পৰা সেই বোৰ উপন্যাসৰ সাহিত্যিক গুণৰ কোনো ক্ষয়ক্ষতি হোৱা নাই। কিন্তু এনে ধৰণৰ উপন্যাস, নাটক আৰু কবিতা বেছি নোলাল কিয়?

## ॥ সাহিত্যত ৰাজনৈতিক চেতনাৰ প্ৰকাশ কিদৰে হ'ব ? ॥

মাৰ্ক্সবাদী সাহিত্যবিচাৰত মতাদৰ্শৰ শুদ্ধত্ব'ৰ প্ৰশ্ন নিশ্চয় গুৰুত্বপূৰ্ণ। কিন্তু সাহিত্যত তাৰ ভূমিকা কেনে ধৰণৰ হ'ব? বৰ্তমান প্ৰবন্ধৰ প্ৰথম খণ্ডতে তাৰ উত্তৰ এটা দিয়া হৈছিল। আগৰ প্ৰবন্ধত আমি পশ্চাৎপদ সমাজ এখনত কবিতাৰ সঞ্জীৱনী হিচাপে লোক সাহিত্যৰ ব্যৱহাৰৰ সাৰ্থকতা সম্পৰ্কে আলোচনা কৰিছিলোঁ। স্বাভাৱিকতে প্ৰশ্ন উঠে যে লোকসংস্কৃতিৰ যি মূল চেতনা সেই চেতনা বৰ্তমানৰ সাহিত্যত অটুট ৰখা হ'ব নেকি? আমাৰ প্ৰবন্ধত অৱশ্যে স্পষ্টকৈ কোৱাই হৈছিল যে লোক সাহিত্যৰ ঐতিহ্যত শ্ৰেণী পীড়ন আৰু শ্ৰেণী সংগ্ৰামৰ চিন্তাধাৰাও নথকা নহয়, আৰু আমাৰ প্ৰয়োজন অনুসাৰেহে সেই ধৰণৰ উপাদান লোকসাহিত্যৰ পৰা বাছি লব লাগিব। আমাৰ প্ৰয়োজন হ'ল বামপন্থী ( radical ) প্ৰগতিশীল চেতনাৰ বাহন হিচাপে কবিতাৰ ব্যৱহাৰ। আমাৰ কৃষিপ্ৰধান সমাজৰ ব্যাপক জনগণৰ সংগ্ৰাম আৰু সংকল্পৰ, আকাংক্ষা আৰু যন্ত্ৰণাৰ যোগ্য প্ৰতিনিধি হিচাপে কবিতাক গঢ় দিবলৈ যিসকলে বিচাৰে তেওঁলোকৰ পক্ষে লোকসাহিত্যৰ ভাষা, ঠাচ আৰু বিবিধ অলংকাৰৰ অৱলম্বন এটা স্বাভাৱিক সিদ্ধান্ত। আজিও এই কাম ভালদৰে কৰা হোৱা নাই। কেশৱ মহন্তই এই ক্ষেত্ৰত অসমত বাটকটীয়াৰ কাম কৰিছিল, কিন্তু তেওঁৰ আগ্ৰহ আৰু অধ্যৱসায়ত মাজতে ভাটা পৰিল।

লোকসংস্কৃতিৰ লগত তেওঁৰ আত্মীয়তা যিমান স্বাভাৱিক আৰু সৰল পৰৱৰ্ত্তী যুগৰ কবিসকলৰ সিমান নহয় বুলি নদি কব পাৰি। কিন্তু মহন্তও সামন্তযুগীয় বা দাসযুগৰ সাংস্কৃতিক প্ৰভাৱৰ বিৰুদ্ধে সিমান সজাগ হব পৰা নাছিল। লোকসংস্কৃতিৰ ব্যৱহাৰৰ ক্ষেত্ৰত তেনে উপাদান সংস্কাৰ কৰি লোৱাটো বামপন্থী কবিৰ বাবে এটা এৰাব নোৱাৰা দায়িত্ব। কিন্তু সিয়েই যথেষ্ট নহয়।

নতুন কবিতাত লোকসাহিত্যৰ যোগেদি বামপন্থী চেতনাৰ প্ৰকাশ কেনেকৈ ঘটাব পৰা যাব? মাৰ্ক্সবাদ সম্পৰ্কে ভাল পঢ়াশুনা থাকিলে আৰু দেশৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতিৰ মাৰ্ক্সীয় ব্যাখ্যা গ্ৰহণ কৰিলেই এজন কবিয়ে লোকসাহিত্যৰ ঠাঁচ সফলভাবে ব্যৱহাৰ কৰিব পাৰিবনে? নোৱাৰিব। আলোচতে মধ্যবিত্তসুলভ বিমূৰ্ত ৰাজনৈতিক চিন্তাৰ পৰা মুক্ত হব নোৱাৰিলে নতুন কবিতাত লোকসাহিত্যৰ ঠাঁচৰ সাৰ্থক ব্যৱহাৰ নহয়। অৰ্থাৎ লোকসাহিত্যৰ ঠাঁচ ভালদৰে আয়ত্ত কৰিব পাৰিব সেইজনেহে যিজনে সেই লোকসাহিত্যৰ ধাৰকবাহক জনগণৰ ওচৰ চাপিবলৈ ঐকান্তিক চেষ্টা কৰিব। অৰ্থাৎ লোকসাহিত্যৰ ঠাঁচৰ প্ৰশ্নটো বিশুদ্ধ আংগিকৰ প্ৰশ্ন নহয়। জনগণৰ লগত যথোপযুক্ত হৃদ্যতাৰ অভাৱত লোকসাহিত্যৰ ব্যৱহাৰে কবিতালৈ কৃত্ৰিম আৰু ক্ষণস্থায়ী নতুনত্ব আনি দিব মাত্ৰ।

আচলতে চেতনাৰ প্ৰশ্নটোৰো সঠিক বিবেচনাৰ অৱকাশ আছে। যিসকলৰ ৰাজনৈতিক অভিজ্ঞতা নাই তেওঁলোকে তাক তত্ত্বগত ৰূপতহে বিচাৰ কৰে। আচলতে সাৰ্থক ৰাজনৈতিক চেতনা তেতিয়াহে সম্ভৱ হব যেতিয়া আমাৰ দেশৰ শ্ৰমিককৃষকপ্ৰমুখ্যে ব্যাপক জনগণৰ লগত মিলিজুলি তেওঁলোকৰ ঐতিহাসিক ভূমিকা আৰু সৃষ্টিক্ষমতাসম্পৰ্কে হৃদয়মনত বিশ্বাস আৰু আস্থা ওপজাব পৰা যাব। আমাৰ দেশৰ ৰাজনৈতিক ভবিষ্যৎ যিবোৰ শ্ৰেণীৰ হাতত তেওঁলোকক নুবুজাকৈ আৰু নজনাকৈ কি বামপন্থী সাহিত্য সৃষ্টি হব পাৰে? তাৰ অবিহনে সাহিত্যিকৰ ৰাজনৈতিক চেতনা বহুদূৰ কল্পনাবিলাসী আৰু বিমূৰ্ত হবলৈ বাধ্য। এই অন্তৰংগতা অবিহনে সাহিত্যিক নালাগে ৰাজনৈতিক নেতায়ো জনগণক ৰাজনৈতিক নেতৃত্ব দিব নোৱাৰিব। তেওঁলোকৰ সংগ্ৰাম আৰু সৃষ্টিৰ বিপুল ক্ষমতা আয়ত্ত কৰিব নোৱাৰিব। অৱশ্যে তেতিয়া আৰু সুকলমে, আৰু ব্যাপকভাবে কৰিব পৰা যাব যেতিয়া সঠিক সংগঠনৰ পৰিচালনাত দেশৰ মেহনতী জনগণৰ

মাজত প্ৰবল শ্ৰেণীসংগ্ৰামৰ জোঁৱাৰ আহিব। কিন্তু সেই পৰিবেশ সৃষ্টি হোৱাৰ আগতে ব্যক্তিগত প্ৰচেষ্টাৰে বামপন্থী আদৰ্শত উদ্বুদ্ধ কবি নিশ্চয় কিছুদূৰ আগবাঢ়িব পাৰে।

কবিতাৰ ৰস যদি জীৱনৰ নিৰ্য্যাস তেন্তে বিমূৰ্ত্ত মতাদৰ্শই কবিতা সৃষ্টি কৰা টান। অনুভূতি-উপলব্ধিৰ গাঢ়তা ভাল কবিতাৰ এটা অপৰিহাৰ্য্য চৰ্ত্ত। কিন্তু এই গাঢ়তা সম্পূৰ্ণ অভিজ্ঞতাৰ অৱদান—জনগণৰ জীৱনৰ অংশীদাৰ হব পাৰিলেহে বামপন্থী কবিতাৰ অনুভূতি আৰু উপলব্ধি তৰ্কাতীতভাৱে সত্য আৰু গভীৰ হৈ পৰিব। আনফালে তত্ত্বৰ ভ্ৰান্তিসত্ত্বেও সাহিত্য কেতিয়াবা সফল হয়। হয়। লেনিনেই এঠাইত কৈছে : "……I believo that an artist can glean much that is useful to him from philosophy of all kinds." ( Letter to Maxim Gorky, February 25, 1908 )। লেনিনে তলষ্টয়ক উচ্চপ্ৰশংসা কৰাৰ অন্যতম কাৰণ আছিল এয়ে যে তেওঁৰ ভ্ৰান্ত মতবাদ সত্ত্বেও শোষণৰ বিৰুদ্ধে ৰুছিয়াৰ বিপুল কৃষকসমাজৰ তীব্ৰ ক্ষোভ আৰু ক্ৰোধ তেওঁ নিষ্ঠা আৰু আন্তৰিকতাৰে প্ৰকাশ কৰিছে। জীৱনৰ যথাৰ্থ ৰূপায়ণত যিসকল শিল্পীয়ে নিঃস্বাৰ্থভাৱে আত্মনিয়োগ কৰিছে তেওঁলোকৰ সচেতন মতাদৰ্শ ভ্ৰান্ত হলেও কল্পনা আৰু অনুভূতি অন্তৰ্ভেদী হব পাৰে।

কিন্তু এই অনুভূতি-উপলব্ধিৰ ক্ষেত্ৰত কবি সাহিত্যিক ভগৱানৰ দৰে সৰ্বশক্তিমান নহয়। সম্পূৰ্ণ বিচ্ছিন্ন, নিবালম্ব ব্যক্তিসত্তাৰ প্ৰতিক্ৰিয়াই কেৱল বিচ্ছিন্নতাৰ অনুভূতিৰ বাহিৰে আৰ একোকে বলিষ্ঠভাৱে প্ৰকাশ কৰিব নোৱাৰে। জগত তথা জীৱনৰ লগত ব্যক্তিসত্তাৰ ঘনিষ্ঠ আদানপ্ৰদান অবিহনে অনুভূতি-উপলব্ধিৰ গাঢ়তাই বা আহিব ক'ৰ পৰা? আৰু য'তেই এনে উপলব্ধিৰ গাঢ়তা ব্যক্ত হৈছে ত'তেই সূত্ৰধৰ্মী সমালোচনাৰ শৰ উফৰি আহিছে। এই গাঢ়তাৰ অভিনয়ো বিৰল নহয়। ভাবতকৈ ভাও-ভংগী জীৱন আৰু কলাত সুলভ। কিন্তু এই গাঢ়তা এটা পৰীক্ষিত সত্য। বদলেয়াৰ, এলিয়ট প্ৰভৃতি বুৰ্জোৱা কবিৰ ব্যক্তিগত মানসিক ৰুগ্নতা বা মতাদৰ্শগত ভ্ৰান্তি সত্ত্বেও তেওঁলোকে আধুনিক চহৰকেন্দ্ৰীয় জীৱনৰ নিঃসংগ, ছিন্নমূল চেতনা তাৰ সকলো অৱসাদ, উৎকণ্ঠা, অস্থিৰতা আৰু শূন্যতাৰ সৈতে ফুটাই তুলিছে। তাৰ নিষ্ক্ৰিয়তা আৰু অন্যান্য শ্ৰেণীগত সীমাবদ্ধতা সত্ত্বেও সাহিত্যিক বিচাৰত সেয়ে তাক সম্পূৰ্ণ বিফল বুলিব নোৱাৰি।

## ॥ ভিন্ন বক্তব্যৰ সাহিত্য গ্ৰহণ নে বৰ্জন ? ॥

কিন্তু যি মাপকাঠিৰে আমি আমাৰ আলোচনা আৰম্ভ কৰিছিলোঁ সেই মাপকাঠিৰে এলিয়ট, বডলেয়াৰ প্ৰভৃতিৰ কবিতা মানি লব পৰা যাব জানো ? জনসাধাৰণৰ বৰ্তমান সাংস্কৃতিক মানকে বিচাৰৰ মাপকাঠি হিচাপে ল'লে অতীতৰ বহু মূল্যবান সম্পদ বৰ্জন কৰিব নালাগিবনে ? আচলতে আমাৰ যোৱা সংখ্যাৰ প্ৰবন্ধত আমি কোৱা নাই যে জনসাধাৰণে নুবুজা বস্তু মাত্ৰকে আমি দলিয়াই পেলাব লাগিব। এই কথা কিন্তু আমি কৈছিলোঁ যে জনসাধাৰণৰ প্ৰয়োজন পূৰণ কৰিব পৰা সাংস্কৃতিক সম্পদক আমি বেচি মূল্য দিম। এই বিষয়ে লে'নিনৰ উক্তিয়েই আজিও পথ প্ৰদৰ্শকৰ কাম কৰিব পাৰে :

"Art belongs to the people. Its roots should be deeply implanted in the very thick of the labouring masses. It should be understood and loved by these masses. It must unite and elevate their feelings, thoughts and will. It must stir to activity and develop the art instincts within them. Should we serve exquiste sweet cake to a small minority while the worker and peasant masses are in need of black bread ?" ( Clara Zetkin, My Recolletion of Lenin )।

জনসাধাৰণৰ বেছিভাগে মোটা চাউলৰ ভাত নিমিলে তেতিয়া এমুঠি সুৰুচিবানৰ বাবে সুস্বাদু সন্দেশ যোগান ধৰাৰ প্ৰশ্নই নুঠে। মনিষী তল্‌ষ্টয়েও তেওঁৰ What Is To be Done প্ৰবন্ধত এনে মতেই প্ৰকাশ কৰিছে। কিন্তু তাৰ অৰ্থ এনে নহয় যে জনসাধাৰণৰ প্ৰতি অৱজ্ঞা বা দয়াৰ মনোভাব লৈ আমি তেওঁলোকৰ বাবে স্থূল সংস্কৃতি ৰচিবলৈ যাম। আমি তেওঁলোকে বুজিব পৰা সংস্কৃতি সৃষ্টি কৰিম, কিন্তু সস্তীয়া সংস্কৃতি নহয়। লে'নিনে নিজেই কৈছে :
"Indeed. our workers and peasants deserve something better than spectacles. They are entitled to real great art." আৰু এইবাবেই জনসাধাৰণৰ শিক্ষাদীক্ষাৰ মান উন্নত কৰাৰ প্ৰয়োজন। তেওঁলোকৰ শিক্ষাদীক্ষাৰ মান উন্নত হৈ অহাৰ লগে লগে ব্যাপক ভাবে সংস্কৃতিৰ বৈচিত্ৰ্য, সূক্ষ্মতা আৰু পৰিপক্বতাও বাঢ়িব—সূক্ষ্ম হবলৈ গৈ সি বলিষ্ঠতা নেহেৰুৱাব।

জনসাধাৰণৰ শিক্ষাৰ ক্ষেত্ৰত অতীতৰ সাংস্কৃতিক সম্পদ ব্যৱহাৰ কৰিবই লাগিব। অতীতৰ অৱদান সম্পূৰ্ণ বৰ্জন কৰি আমি ভৱিষ্যতৰ পিনে যাব নোৱাৰোঁ। আনহাতে অতীতৰ প্ৰতি অন্ধ ভক্তিয়েও আমাক সহায় নকৰে। অতীতৰ সাংস্কৃতিক সৃষ্টিবোৰত বিভিন্ন শাসক শ্ৰেণী—যেনে বুৰ্জোৱা, সামন্ত বা দাসপ্ৰভু বিলাকৰ—দৃষ্টিকোণ আৰু মূল্যবোধৰ যি সাঁচ আছে শ্ৰমী জনসাধাৰণৰ বাবে তাৰ সংস্পৰ্শ অপমানজনক আৰু বিভ্ৰান্তিকৰ হব পাৰে। সেয়ে অতীতৰ সংস্কৃতিৰ যথাযথ ঐতিহাসিক বিচাৰৰ মনোভাব সৰ্বত্ৰ বিয়পাই দিব লাগিব। কিন্তু অতীতৰ সকলো সৃষ্টি আমাৰ বাবে সমানে মূল্যবান নহব। বিপ্লৱী সৰ্বহাৰা শ্ৰেণীৰ দৃষ্টিকোণৰ পৰা অতীতৰ সংগ্ৰামী বা বিপ্লৱী মনোভাবৰ সৃষ্টিসমূহ আৰু শ্ৰেণীসমাজৰ অমানবিকতা প্ৰকাশ কৰা সৃষ্টিসমূহ নিশ্চয় অধিক আদৰণীয় হব। তেনেকৈ অতীতৰ প্ৰক্ৰিয়াশীল মনোভাবৰ আধাৰ সমূহ আমাৰ বাবে মিউজিয়ামৰ সামগ্ৰী হৈ পৰিব।

উদাহৰণস্বৰূপে অসমত জনগণৰ সংস্কৃতিৰ ভিত্তি হব জনগণৰ সংগ্ৰাম। কিন্তু তাৰ উপাদান হিচাপে লোকসাহিত্যৰ বিবিধ সম্পদৰ উপৰিও আমি প্ৰসন্নলাল চৌধুৰি, অম্বিকাগিৰি ৰায় চৌধুৰি, জ্যোতিপ্ৰসাদ আগৰৱালা, নবীন চন্দ্ৰ বৰদলৈ প্ৰমুখ্যে মধ্যবিত্ত বিদ্ৰোহী আৰু দেশপ্ৰেমিক কবিসকলৰ কিছুমান কবিতা আদৰি লব পাৰিম। তাৰ পৰবৰ্ত্তী যুগত কেশৱ মহন্ত, অমলেন্দু গুহ, হেমাংগ বিশ্বাস, হীৰেন ভট্টাচাৰ্য্য, ৰাম গগৈ প্ৰভৃতিৰ কবিতা আমাৰ বাবে নানা কাৰণত অধিক উপযোগী সবল হব। কিন্তু দুয়োটা চামৰ কবিতাৰ বিচাৰত সামাজিক বাস্তৱৰ ৰূপায়ণ আৰু চেতনাৰ যথাৰ্থতাৰ মাপকাঠিৰে পভাণৰ পৰা ধান বাছি উলিয়াব লাগিব। প্ৰসন্নলাল আৰু অম্বিকাগিৰিৰ কবিতাৰ প্ৰত্যয়, দৃঢ়তা আৰু তেজস্বিতা অসমীয়া কবিতাৰ এক আপুৰুগীয়া ধাৰাৰ লক্ষণ। অম্বিকাগিৰিৰ সাহস আৰু সংগ্ৰাম স্পৃহাৰ লগত প্ৰসন্নলালৰ সাধুতা, শ্লেষ, irony আৰু বিপ্লৱী দৃষ্টিকোণৰ প্ৰভেদসত্বেও দুয়োৰে কবিতাৰ সাহিত্যগুণ সমানেই আদৰণীয়। অৱশ্যে দুয়োৰে কবিতাৰ মাজত প্ৰচুৰ ভাববাদী আৰু ৰোমান্তিক উপাদান আছে যি দুয়োৰে জীৱনবোধ সীমিত কৰিছে। প্ৰত্যক্ষভাৱে জনগণৰ আশাআকাংক্ষাৰ বাহন হিচাপে তেওঁলোকে কবিতা ব্যৱহাৰ কৰা নাই। কিন্তু দুয়োৰে বিবিধ পৰীক্ষানিৰীক্ষা আৰু অভিযাত্ৰী মনোভাৱ জনগণৰ ৰুচি আৰু কলাজ্ঞানৰ বিকাশত মূল্যবান উপকৰণ হব পাৰিব।

পৰবৰ্তী যুগত কবিসকলৰ দৃষ্টিকোণ আমাৰ অধিক অন্তৰংগ হলেও ৰাজনৈতিকআৰু সাহিত্যিক ত্ৰুটিবিচ্যুতিৰ পৰা তেওঁলোক মুক্ত নহয়। লৌকিক সংস্কৃতি আৰু ভাষাৰ স্বচ্ছন্দ আৰু ধ্বনিময় ব্যৱহাৰত কেশৱ মহন্তৰ অৱদান বিশেষ ভাবে উল্লেখযোগ্য। কিন্তু তেওঁৰ শেহতীয়া কবিতাবোৰত মধ্যবিত্ত আপোচকামিতা আৰু নিতান্ত মৌখিক আবেগৰ এটা চামনি পৰি সিইঁতক বিবৰ্ণ কৰি তুলিছে। হেমাংগ বিশ্বাসৰ কবিতাৰ প্ৰাণ হ'ল খাটি অভিজ্ঞতা। কিন্তু তেখেত তাতেই সন্তুষ্ট নহৈ অলংকাৰ ( rhetoric ) আশ্ৰয় লয়। এই অলংকাৰ তাকৰ হলেও তেওঁৰ কবিতাৰ কোনো ক্ষতি নহলহেঁতেন।

মহাযুদ্ধকালীন কবিতাৰ ভিতৰত অমূল্য বৰুৱাৰ কবিতা আৰু হেম বৰুৱাৰ "বান্দৰ" "পূজা" প্ৰভৃতি কবিতাৰ মূল্য সম্পৰ্কে কোনো দ্বিমত নহৰ। মহাযুদ্ধ আৰু গণভিত্তিক স্বাধীনতা সংগ্ৰামৰ হেঁচাত অসমৰ মধ্যবিত্ত মানসে যি বিদ্ৰোহী ৰূপ ধৰিছিল কবিতাবোৰ তাৰেই দলিল। কিন্তু হেম বৰুৱাৰ ৰাজনৈতিক চিন্তাৰ লগত তেওঁৰ সাংস্কৃতিক সাধনাৰ কাৰ্য্যকৰী সমন্বয় নঘটিল। অসমত বিদগ্ধ আধুনিক কবিতা তেৱেঁই প্ৰবৰ্তন কৰে, কিন্তু তেওঁৰ ৰাজনৈতিক চিন্তা বিপ্লৱী নহলেও সদায় গণমুখী। হয়তো তেওঁৰ ৰাজনৈতিক দৃষ্টিকোণৰ এটা মৌলিক স্ববিৰোধৰ ফলতে তেওঁৰ কবিতাৰ বিকাশতো কেণা লাগিল।

সকলোতকৈ গুৰুতৰ সমস্যা হ'ল বেজবৰুৱা, যতীন দুৱৰা, চন্দ্ৰ কুমাৰ আগৰৱালা, দেৱকান্ত বৰুৱা আৰু নৱকান্ত বৰুৱা আদিৰ কবিতাৰ যথাযোগ্য বিচাৰ। বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ বুৰ্জোৱা মানৱতাবাদৰ দৰদী আৰু সাবলীল প্ৰকাশৰ গুণত আৰু তেওঁলোকৰ স্বদেশপ্ৰেমৰ গভীৰতাৰ গুণত মাজে-মাজে স্থায়ী সাহিত্যিক অভিব্যক্তি অৰ্জিবলৈ সক্ষম হৈছে। কিন্তু যতীন দুৱৰা-দেৱকান্ত বৰুৱাৰ ক্ষেত্ৰত আমি কি মনোভাব অৱলম্বন কৰিম? সামগ্ৰিক ভাবে তেওঁলোকৰ কবিতাৱলী নিশ্চয় আদৰণীয় নহৰ। দেৱকান্তৰ "লাচিত ফুকন" কবিতাটো তাৰ নিজগুণতে জনপ্ৰিয় হৈ আছে। কিন্তু তেওঁৰ প্ৰেমৰ কবিতাবোৰত ৰোমাণ্টিক প্ৰেমৰ আত্মকেন্দ্ৰিকতা আৰু বিহ্বলতা প্ৰকট। সেইবোৰ কবিতাৰ আবেগৰ প্ৰকাশত এক বিশেষ ধৰণৰ নিঃসংকোচ প্ৰত্যয় আৰু স্বাস্থ্য লক্ষ্য কৰা যায়। অথচ সেই কবিতাবোৰত প্ৰেয়সীৰ নিজস্ব সত্তা ধুঁৱলি কুঁৱলি। প্ৰেমৰ পোহৰত পৃথিৱী আৱিষ্কাৰতকৈ প্ৰেমৰ আলমত পৌৰুষৰ অহংকাৰ ৰখাত কৰিব আগ্ৰহ বেছি। সেইবোৰ

কবিতা জনগণৰ চেতনাৰ বিকাশত বৰ বেছি সহায় হব বুলি কব নোৱাৰি। এই খিনিতে সাহিত্যৰ অন্য এটা উপযোগিতা ( function ) সম্পৰ্কে পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ।

## ॥ ব্যৱহাৰৰো বৈচিত্ৰ্য আছে ॥

সমাজবাদী শিক্ষাৰ এটা প্ৰধান বৈশিষ্ট্য হব সজাগ ইতিহাসবোধ। বিশেষকৈ মানৱ সমাজৰ বিকাশৰ বিভিন্ন পৰ্যায় সম্পৰ্কে সমাজবাদী ব্যক্তিৰ মনত স্পষ্ট ধাৰণা থকা উচিত। এই জ্ঞান তত্ত্বগত হলেও তাৰ এক জীৱন্ত আৰু সাবলীল ৰূপ পোৱা যাব শিল্পকলাত। উদাহৰণ স্বৰূপে বুৰ্জোৱা যুগৰ প্ৰস্তাৱনাত ব্যক্তিগত প্ৰেমৰ যি গুৰুত্ব আৰু বিদ্ৰোহী ভূমিকা আছিল, মানুহৰ হৃদয়মনত সি যি নতুন অনুভূতি আৰু আকাংক্ষাৰ সঞ্চাৰ কৰিছিল তাৰ মৰ্মস্পৰ্শী আৰু সজীৱ উদাহৰণ হ'ল শ্বেইক্সপীয়াৰৰ Romeo and Juliet নাটক। তেনেকৈ বডলেয়াৰৰ কবিতা ক্ষয়িষ্ণু বুৰ্জোৱা সমাজৰ নৈৰাশ্যকৰ দুৰ্ভেদ্য আত্মদ্বন্দ্বৰো সাক্ষী। অতীতৰ সাহিত্যৰ কিছুমান সম্পদ আমি এইবাবেই সংৰক্ষণ কৰিব লাগিব। আনহাতে এনেদৰে ঐতিহাসিক পৰিপ্ৰেক্ষিতত অধ্যয়ন কৰিলে পাঠক বা দৰ্শকৰ সমাজবাদী দৃষ্টিকোণত অতীতৰ সাহিত্যই খেলিমেলি লগাব নোৱাৰিব।

অতীতৰ সাংস্কৃতিক ঐতিহ্যৰ এনে নতুন মূল্যায়ন তথা ব্যৱহাৰ বুৰ্জোৱা মহলতো অপৰিচিত নহয়। কোনো যুগতে পাঠক আৰু দৰ্শক অতীতৰ সমস্ত সম্পদৰ লগত চিনাকি নহয়। প্ৰতি যুগৰে নিজস্ব লক্ষ্য আৰু চৰিত্ৰ, নিজস্ব ৰুচি আৰু ৰসবোধ থাকে আৰু তাৰ পোহৰতেই সি অতীতৰ সাহিত্যৰ পৰা নিৰ্বাচন কৰি অধ্যয়ন কৰে। তাৰ পৰৱৰ্তী যুগৰ ৰুচি আৰু বিচাৰ বহু ক্ষেত্ৰত তাতকৈ বেলেগ হয়। য়ুৰোপৰ নৱজাগৰ যুগত ডান্টে'ৰ দৰে মহান কবিতকৈ পাঠকে দ্বিতীয় শ্ৰেণীৰ লাটিন কবিক পছন্দ কৰা দেখা গৈছিল। ইংলেণ্ডত টি, এছ এ'লিয়টৰ প্ৰভাৱত কেবাটিও দশক ধৰি মিল্টনৰ বিৰুদ্ধে আৰু মেটাফিজিকেল কবি সকলৰ সপক্ষে প্ৰতিক্ৰিয়া হৈছিল। তেনেকৈ বামপন্থী চিন্তাধাৰাৰ প্ৰভাৱত থকা যুগেও তাৰ প্ৰয়োজন মতে অতীতৰ বিভিন্ন সম্পদ চয়ন কৰাটো একো আচৰিত কথা নহয়। সমাজবাদী সমাজৰ বিবৰ্তনৰ বিভিন্ন স্তৰত সেই স্তৰৰ মূল দ্বন্দ্ব বা সংগ্ৰামৰ প্ৰকৃতি অনুযায়ী অতীতৰ সাহিত্যৰ ভিন্‌ভিন্ ব্যৱহাৰ হৈ থাকিব।

কিন্তু অতীতৰ উত্তৰাধিকাৰ বাদ দিয়াৰ প্ৰশ্ন নুঠে। ১৯২০ চনৰ ৮

অক্টোবৰ তাৰিখে "প্ৰলে'টকুল্ট সভা"ৰ (Proletkult Congress) অধিবেশনলৈ প্ৰস্তাৱ পঠিয়াই লে'নিনে মন্তব্য কৰিছিল ঃ

Marxism has won its historic significance as the ideology of the revolutionary proletariat because, far from rejecting the most valuable achievements of the bourgeois epoch, it has, on the contrary assimilated and re-fashioned everything of value in the more than two thousand years of the development of human thought and culture."

লে'নিনৰ এই মন্তব্য অতি গুৰুত্বপূৰ্ণ, কাৰণ কোনো কোনো মহলত অতীতৰ অধ্যয়ন আৰু আত্মীকৰণৰ বিষয়ে যান্ত্ৰিক মনোভাৱ প্ৰবল যেন দেখাযায়। নিশ্চয় অতীতৰ কলাসাহিত্য চৰ্চাত আমি সংগ্ৰামী সৰ্বহাৰাৰ দৃষ্টিকোণ বিসৰ্জন দিব নালাগে। কিন্তু সংকীৰ্ণ আৰু মতান্ধভাৱে এই দৃষ্টিকোণ প্ৰতিষ্ঠা কৰিবলৈ গ'লে বিপদ।

অতীতৰ শিল্পসাহিত্য কেৱল আংগিক আৰু কৌশলৰ ভঁড়াল নহয়, তাৰ স্থায়ী মানবীয় ( বা ঐতিহাসিক ) মূল্য আছে। এই মূল্য অস্বীকাৰ কৰাৰ অৰ্থ মানুহৰ ঐতিহাসিক সত্তা অস্বীকাৰ কৰা, বৰ্তমানক স্বয়ম্ভূ বুলি ভাবি লোৱা। তাৰ উপৰিও অতীতৰ কলাসাহিত্য আমাৰ কল্পনা আৰু মনৰ ব্যায়াম হিচাবে ব্যৱহৃত হব পাৰে। বিভিন্ন দৃষ্টিকোণ আৰু বিশ্ববীক্ষাৰ লগত ঘনিষ্ঠ লোকৰ কল্পনা আৰু মনৰ নমনীয়তা তথা কাৰ্য্যক্ষমতা বহুগুণে বৃদ্ধি পোৱাৰ সম্ভাৱনা। মতান্ধতাৰ প্ৰতিকাৰ হিচাপে এনে অধ্যয়নৰ মূল্য নুই কৰিব নোৱাৰি।

মই আগতেই কৈছোঁ যে সমাজতান্ত্ৰিক চীন দেশৰ কিছুমান ধাৰণা, বিশ্বাস আৰু প্ৰয়োগ আগত দিনৰ সাংস্কৃতিক জীৱনৰ পথপ্ৰদৰ্শকস্বৰূপ হৈ থাকিব। বিশেষকৈ সাহিত্যসংস্কৃতিৰ জৰীয়তে মতাদৰ্শগত সংগ্ৰাম চলাই যোৱাৰ গুৰুত্ব সমাজতান্ত্ৰিক চীনে যেনেদৰে উপলব্ধি কৰিছে আৰু যেনেদৰে কাৰ্য্যক্ষেত্ৰত সেই উপলব্ধিৰ প্ৰয়োগ কৰিছে তাৰ পৰা আমি সকলোৱে শিক্ষা লব পাৰোঁ। কিন্তু চীনত প্ৰকাশিত কিছুমান মতামত আমি সবিনয়ে বৰ্জন কৰিব খোজোঁ। উদাহৰণ স্বৰূপে "পীকিং ৰিভিউ"ৰ এটা সংখ্যাত কোৱা হৈছিল যে যেহেতু বীঠোফে'ন বুৰ্জোৱা যুগৰ শিল্পী, আৰু যেহেতু সমাজবাদী সমাজ বুৰ্জোৱা সমাজতকৈ শ্ৰেষ্ঠ, অতএব সাম্প্ৰতিক চীনৰ সংগীত

বীটোফে'নৰ সংগীততকৈ শ্ৰেষ্ঠ হবলৈ বাধ্য। এনেদৰে চাবলৈ গ'লে আমি শে'ইক্স্পীয়ৰক ডাণ্টে'তকৈ আৰু ডাণ্টে'ক হোমাৰতকৈ ডাঙৰ শিল্পী বুলিব লাগিব—আনকি শে'ইক্সপীয়ৰৰ সমসাময়িক যি কোনো তৃতীয় শ্ৰেণীৰ শিল্পীক ডাণ্টে'তকৈ শ্ৰেষ্ঠ বুলিব লাগিব !! মহৎ শিল্পৰ যি কালজয়ী [illegible], আছে তাৰ কাৰণ এয়ে যে বিশেষ কোনো যুগৰ বাতাবৰণত সি সম্পূৰ্ণ আবদ্ধ নাথাকে। তাৰ বাস্তৱবোধ, তাৰ উপলব্ধিত এনে কিছুমান উপাদান থাকে যিবোৰে অনাগত ভবিষ্যতৰ হেজাৰ-বিজাৰ বছৰ জুৰি পাঠক বা দৰ্শকৰ বাবে তাক জীৱন্ত কৰি ৰাখে।

ইতিহাসত পৰিবৰ্তন এটা অমোঘ নিয়ম। এনে কোনো বস্তু নাই যাৰ পৰিবৰ্তন হ'ব নোৱাৰে। কিন্তু এই কথাও সঁচা যে নতুন বস্তু এটা মাটি ফুটি নোলায়। ইতিহাসৰ শতশতাব্দী জোৰা গতিয়েই তাৰ জন্ম দিয়ে। তদুপৰি মানুহৰ ইতিহাসত সঞ্চয় বুলি বস্তু এটাও আছে। ৰক্ষণশীলতাৰ ঘোৰ বিৰোধী জনেও মানিবলৈ বাধ্য যে যুগে যুগে মানুহৰ সৃষ্টি প্ৰতিভাই সৃষ্টি কৰা বিভিন্ন সম্পদ সকলো কালৰ বুকুত লয় হৈ নাযায়। মানুহৰ সমাজ আৰু মনৰ গঠনৰ অংশ হিচাবে সেইবোৰ বাচি থাকে। এই সঞ্চয়ৰ বিভিন্ন উপাদানৰ যিমানেই উত্থান-পতন নহওক, সঞ্চয়টো সত্য। এই সঞ্চয়ৰ বাবেই কিছুমান শিল্পকৰ্ম কালজয়ী। এই সঞ্চয় আৰু পৰম্পৰাৰ ধাৰণা সম্পূৰ্ণ নাকচ কৰিলে শিল্পকলা সৌন্দৰ্য্য, আদি বহুত মৌলিক ধাৰণাকে বাদ দিব লাগিব। শ্ৰেণীসংগ্ৰামৰ লগেলগে ভাষাৰ পৰিবৰ্তন ঘটিছে হয়, কিন্তু সেই পৰিবৰ্তনে ভাষাৰ অস্তিত্বক নাকচ কৰা নাই। (এই সম্পৰ্কে ষ্টালিনৰ ভাষাতত্ত্ব সম্পৰ্কীয় ৰচনাৱলী বিশেষ মূল্যবান দলীল।) তেনেকৈ সৌন্দৰ্য্যৰ তাৎপৰ্য্য আৰু শিল্পকলাৰ ভূমিকা যিমানেই পৰিবৰ্তনশীল নহওক তাৰ এটা বিশেষ ঐতিহাসিক স্বৰূপ আছে, যাক অস্বীকাৰ কৰাটো চৰম বাতুলতা হ'ব। কিন্তু ভাষাৰ তুলনাত শিল্পকলা আৰু সৌন্দৰ্য্যবোধৰ ৰেহ-ৰূপ বহু বেছি গতিশীল, আৰু এই গতিশীলতা স্বীকাৰ নকৰাটোও ৰক্ষণশীল গোড়াঁমি। শিল্পকলা আৰু সৌন্দৰ্য্যৰ ফে'চন যোৱা কেইদশকত বহুবাৰ বদলিছে, কিন্তু বুৰ্জোৱা শ্ৰেণীভিত্তিৰ পৰা সৰ্বহাৰা শ্ৰেণীভিত্তিলৈ আঁতৰি অহাটো হৈ উঠা নাই।

বুৰ্জোৱা তাত্ত্বিকে যদি শিল্পকলাক পৰমাত্মাৰ দৰে সূক্ষ্ম ধাৰণাত পৰিণত কৰে, মতান্ধ উগ্ৰ বামপন্থীৰ ব্যাখ্যাত শিল্পকলা হৈ পৰে এবিধ উপকৰা

প্ৰসাধন। (শুদ্ধ ৰাজনীতিৰ ওপৰত মনোৰম কাৰিকৰিৰ প্ৰলেপ দিয়াই যেন কলাৰ ধৰ্ম !) বক্তব্য আৰু আংগিকৰ এই বিচ্ছেদ সাৰ্থক সমালোচনাৰ ভিত্তি হব নোৱাৰে। সেইটো কবিতাৰ ৰাজনীতিয়েহে মোক গভীৰভাবে প্ৰভাবিত কৰে যি কবিতা হিচাবে মোৰ অন্তৰ চুই যায়। কিন্তু মোৰ অন্তৰ চুবলৈ হলে মোৰ অনুভূতি আৰু বোধত, বাস্তৱ জগতৰ লগত মোৰ সজীৱ মানসিক ক্ৰিয়া প্ৰতিক্ৰিয়াত লহৰ তুলিব পৰা সজীৱ বাস্তৱবোধ কৰিব থাকিব লাগিব। অতএৱ বক্তব্য আৰু আংগিকৰ দ্বন্দ্বত বক্তব্যই প্ৰধান উপাদান, বক্তব্যৰ বাবেই আংগিকৰ প্ৰয়োজন। আৰু এই বক্তব্য যিমানেই সজীৱ আৰু বাস্তৱ হব সিমানেই সি বিমূৰ্ত আৰু সূত্ৰধৰ্মী ৰূপৰ পৰা পৃথক হব।

প্ৰতীকবাদৰ বিৰুদ্ধে আমাৰ সাম্প্ৰতিক আক্ৰমণৰ কাৰণো ইয়াৰ পৰাই বুজিব পৰা যাব। বুৰ্জোৱা সভ্যতাৰ বৰ্তমান স্তৰত বুৰ্জোৱা আৰু বুৰ্জোৱা প্ৰভাবাধীন কবিৰ বাবে প্ৰতীকবাদৰ শৰণ লোৱাৰ বাহিৰে গত্যন্তৰ নাই। প্ৰতীকবাদে বিশ্বাস কৰে যে কল্পনা সৰ্বজয়ী আৰু ঐতিহাসিক বাস্তৱলৈ নজৰ দিয়াৰ বিশেষ কোনো জৰুৰি কাৰণ নাই। ভাবাৰ মছলা ভালকৈ মিহলাব পাৰিলে বাস্তৱৰ সকলো ত্ৰুটিৰ উৰ্দ্ধত কল্পনাৰ সৰগ ৰচিব পৰা যাব। প্ৰতীকবাদে পাহৰে যে বাস্তৱৰ ত্ৰুটি যেনেকৈ আছে পৰিবৰ্তনো তেনেকৈ আছে। ঐতিহাসিক বাস্তৱ বপ্ত কৰিবলৈ কল্পনাৰ ব্যৱহাৰ হব পাৰে। মহৎ ৰসিক বা পাঠক সেইসকল যি সকলে ঐতিহাসিক বাস্তৱৰ গাঢ় ৰূপ হিচাবে সাহিত্য বিচাৰ কৰে আৰু তেনেকৈ আমাৰ বাবে জীৱনৰ অভাৱনীয় ৰূপ উন্মোচন কৰে। অৰ্থাৎ সাহিত্যৰ যথাৰ্থ অধ্যয়ন সাহিত্যৰ যোগেদি প্ৰতিফলিত বাস্তৱৰ যথাৰ্থ অধ্যয়ন। কেৱল পৰিসংখ্যাৰ দ্বাৰা বাস্তৱক চিনিব নোৱাৰি, তাৰ বাবে কল্পনাৰ তথা অন্তৰ্দৃষ্টিৰ প্ৰয়োজন। সাহিত্যত সেই ধৰণৰ কল্পনা আৰু অন্তৰ্দৃষ্টিৰে পৰিশ্ৰুত প্ৰকাশ ঘটে। আনকি অনুভূতিপ্ৰধান সাহিত্যৰ অনুভূতিও বাস্তৱৰ অন্তৰংগ জ্ঞানৰ অভাৱত টুলুঙা নাইবা নিস্তেজ হয়।

সাহিত্যই প্ৰতিফলিত কৰা বাস্তৱ নিষ্ক্ৰিয়, গতিহীন বাস্তৱ বুলি কেতিয়াবা ভ্ৰম হয়। বিশেষকৈ বহু মহান বুৰ্জোৱা কলাকাৰে বাস্তৱ কেৱল এটা গ্ৰহণ আৰু সহন কৰিব লগীয়া পদাৰ্থ বুলি ভাবে। কিন্তু সমাজবাদী সকলে বুজে যে বাস্তৱ এটা অমানবীয় আৰু অলংঘনীয় বস্তু নহয়। মানুহে তাৰ

গঢ় দিব পাৰে। সেয়ে বুৰ্জোৱা সাহিত্যপাঠৰ নিষ্ক্ৰিয়তা আৰু নিস্পৃহতা সমাজবাদী পাঠকে নামানে। সমাজবাদীৰ ধাৰণাত সাহিত্য বিশুদ্ধ প্ৰতিফলনৰ সৰঞ্জাম নহয়, সক্ৰিয় পৰিবৰ্তনৰো অস্ত্ৰ। বাস্তৱৰ স্বৰূপৰ সঠিক উপলব্ধিৰ জৰীয়তে তাৰ ভবিষ্যৎ পৰিবৰ্তন তথা প্ৰগতিৰ ইংগিত দিয়াটো সমাজবাদী পাঠকৰ মতে সাহিত্যৰ কৰ্তব্য।

এই মনোভাৱ এনে অভিনৱ যে বুৰ্জোৱা পাঠক আৰু সমালোচকে ইয়াক ৰুচিহীন বা সৌন্দৰ্য্যজ্ঞানৰহিত বুলি ভাবিব পাৰে। কিন্তু ৰুচি আৰু সৌন্দৰ্য্যজ্ঞানো পৰিবৰ্তনশীল। সাহিত্যৰ ব্যৱহাৰিক দিশ সম্পৰ্কে আগতকৈ সজাগ হৈ পৰিলে স্বাভাবিকতে আগৰ ধ্যানপ্ৰৱন (Contemplative) মনোভাৱ বাদ দিব পাৰিম। তেতিয়া সাহিত্য হব আনন্দময় শিক্ষাৰ পথ আৰু শিক্ষা যেনেকৈ এটা স্বয়ংসম্পূৰ্ণ বস্তু নহয়, সাহিত্যও তেনেকৈ মানুহৰ সাধাৰণ সৃষ্টিশীল উদ্যমৰ আধড়া হৈ পৰিব। বুৰ্জোৱা কলাকৃতিৰ বিনোদনমূলক দৃষ্টিকোণৰ ঠাইত তেতিয়া ব্যৱহাৰিক দৃষ্টিকোণে পুনৰ মৰ্য্যাদা-লাভ কৰিব।

বুৰ্জোৱা সমাজৰ "ব্যৱহাৰিক" দৃষ্টিকোণ সংকীৰ্ণ আৰু স্থূল। সি হ'ল ধনঘটাৰ বা জীৱনৰ পৰা বিচ্ছিন্ন জীৱিকাৰ দৃষ্টিকোণ। কিন্তু সমাজবাদী সমাজত ব্যৱহাৰিক দৃষ্টিকোণ হব মানুহৰ সমগ্ৰ সৃষ্টিশীল জীৱনৰ দৃষ্টিকোণ। বুৰ্জোৱা সমাজৰ গৰ্ভতে যেনেকৈ সমাজবাদী শক্তিৰ বীজ অংকুৰিত হয় তেনেকৈ বুৰ্জোৱা পৰিবেশতে—অৱশ্যে তাৰ বিৰুদ্ধে—কলা-সংস্কৃতিৰ নতুন দৃষ্টিকোণ আৰু নতুন ধাৰা গঢ় লৈ উঠিব লাগিব। ই হব লাগিব জনগণৰ কৃষ্টি; আৰু জনগণৰ জীৱনসংগ্ৰাম আৰু ঐতিহাসিক শ্ৰেণীসংগ্ৰামৰ পৰা সি বিচ্ছিন্ন নহব। এনেকৈ জ্ঞান আৰু প্ৰয়োগৰ লগত ৰুচিৰ দীৰ্ঘকালীন বিচ্ছেদৰ অৱসান হব। যি পাৰ্টিয়ে তাৰ মূল ৰাজনৈতিক কামৰ লগতে এই সাংস্কৃতিক কামৰ যথা-যথ নেতৃত্ব দিব নোৱাৰিব, সি সেই অনুপাতে ব্যৰ্থ হব।

আমাৰ বৰ্তমান সাহিত্যত পে'টিবুৰ্জোৱা মহলৰ পৰা বহু খণ্ডেকীয়া সাহিত্য আলোচনী আৰু সাহিত্যিক গোষ্ঠি ওলাইছে। বিপ্লৱৰ বৰ্তমান পৰ্যায়ত তাৰ গুৰুত্ব কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু শিক্ষিত পে'টিবুৰ্জোৱা চেতনাৰ সংকীৰ্ণ গণ্ডী অতিক্ৰম কৰিবলৈ কোনো এটা গোষ্ঠি বা কোনো এখন আলোচনীয়ে দৃঢ়, প্ৰণালিবদ্ধ প্ৰচেষ্টা চলোৱা নাই। নানা

অজুহাতত সেইটো অসম্ভৱ বুলি তেওঁলোকে পিচ হুঁহকি আহিছে। তেওঁলোকে চহৰত বৈদ্যুতিক সৰঞ্জাম লৈ বিপ্লবী নাটক কৰে আৰু শিক্ষিত মানুহৰ মাজত ক্ষুদ্ৰ আলোচনী উলিয়ায়। গাঁৱত নাটক কৰিব নোৱাৰিনে? লেমৰ পোহৰত বাঁহৰ চাঙৰ ওপৰত তক্তা পাৰি বাইজক নাটক দেখুৱাব নোৱাৰিনে? গাঁৱৰ মানুহৰ বাবে কবিতা লিখিব নোৱাৰি নে? যি কবিতা তেওঁলোকৰ চিনাকী গীতমাতৰ লগত মিলা, যি কবিতা তেওঁলোকৰ মুখেমুখে বাগৰিব? ৰাজনৈতিক সংগঠন অবিহনে হয়তো তাৰ সাফল্য বেছি নহব—কিন্তু কিছু সাফল্যতো হব—যি সাফল্য হয়তো অৱশেষত কলেজীয়া প্ৰাচীৰ পত্ৰিকাতকৈ বহুগুণে বেছি মূল্যবান, বুলি প্ৰমাণিত হব। আমাৰ জনগণৰ চেতনা নিম্নস্তৰৰ বুলি দায় সাৰিব খুজিলে সাহিত্যৰতো প্ৰয়োজন নায়েই, পাৰ্টিৰ প্ৰয়োজন নাই, বিপ্লৱৰো প্ৰয়োজন নাই !!

## ॥ পাদটীকা ॥

(১) আমাৰ প্ৰবন্ধ সম্পৰ্কে বাকবিতণ্ডাক আমি ওলগ জনাবলৈ সাজু। পৰাপক্ষত যি আলোচনীত প্ৰবন্ধ প্ৰকাশ হয় প্ৰতিবাদ বা প্ৰত্যুত্তৰ তালৈকে পঠোৱাটো সাহিত্য জগতৰ এটা স্বীকৃত দস্তুৰ। তাৰ ব্যতিক্ৰম শোভন নহয়।

দ্বিতীয়তে প্ৰবন্ধৰ বক্তব্য বুজাকৈ বা তাক ইচ্ছাকৃতভাবে বিকৃত কৰি প্ৰত্যুত্তৰ ৰচনা কৰিলে খেলিমেলি বাঢ়িব পাৰে। উদাহৰণ স্বৰূপে স্থানান্তৰত অভিযোগ অনা হৈছে যে আমি কবিতাৰ ছন্দ, লয়, ধ্বনিৰ ওপৰত গুৰুত্ব দি বক্তব্য অস্বীকাৰ কৰিছোঁ। এই প্ৰতিবাদ অত্যন্ত উপকৰা হৈছে। "প্ৰকাশ" আলোচনীত ইতিমধ্যে হীৰেন দত্তৰ লগত বিতৰ্কত আমি স্পষ্টকৈ কৈছিলোঁ যে কবিতাৰ সামগ্ৰিক বিচাৰ আৰু মূল্যায়ন সমালোচকৰ ৰাজনৈতিক চিন্তা বাদ দি সম্ভৱ নহয়। আমাৰ যোৱা সংখ্যাৰ প্ৰবন্ধতো আমি বক্তব্যৰ ওপৰত প্ৰয়োজনীয় গুৰুত্ব দিছোঁ। কিন্তু কবিতা এনে এবিধ উক্তি য'ত বক্তব্য আৰু বাকৃভংগী, বিষয় আৰু আংগিকৰ বিভাজন কৰিব নোৱাৰি। কবিতা শব্দৰ এনে এবিধ arrangement যি এক বিশেষ উপলব্ধি আৰু অনুভূতিক বাঙ্ময় কৰি তোলে। এই কথা স্পষ্ট যে আমি এনেদৰে কওঁতে কেৱল ছন্দ, লয় আৰু ধ্বনিক বাহ্যিক বা যান্ত্ৰিকভাবে গুৰুত্ব দিয়া নাই।

পাঠকে গভীৰভাবে বিবেচনা কৰি চালেই দেখিব যে একোটা শক্তিশালী

কবিতাৰ ছন্দ বা লয়ে তাৰ বক্তব্যকে বলিষ্ঠভাবে প্ৰকাশ কৰিছে। সেই লয় বা ছন্দ বাদ দিলে কবিতাৰ বক্তব্যৰ বিশেষ বলিষ্ঠতা আৰু ধ্বনিময়তা ( suggestiveness ) নাথাকিলহেতেন। এটা ৰাজনৈতিক বক্তব্য ইমানেই শুদ্ধ বা মৌলিক বা ৰাজনৈতিকভাবে সাৰুৱা নহওক, কবিতা হবলৈ হ'লে সি কবিৰ অনুভূত উপলব্ধি হৈ বিশেষ লয় ধ্বনি, বা pattern-ৰে আত্মপ্ৰকাশ কৰিব লাগিব। এই কথা বুজিবলৈ ইমানেই টাননে ?

(২) লুকাচ্চৰ শিষ্য ইস্তভান মেস্‌বাৰছে তেওঁৰ Luka'os'. Concept of Dialectic গ্ৰন্থত মন্তব্য কৰিছে যে বিপ্লবী শ্ৰমিকশ্ৰেণীয়ে ক্ষমতা নোপোৱা পৰ্য্যন্ত তাৰ সকলো সাহিত্যিক শক্তি আৰু সবল সংহত আৰু সংগঠিত কৰাটো বুজা যায়, কিন্তু ক্ষমতা পোৱাৰ পিছত তাৰ এনেধৰণৰ সংগঠনে বিপদ আনিব পাৰে। বিপ্লবোত্তৰ যুগত বিপ্লবী শ্ৰমিকদল আৰু নিৰ্যাতিত আৰু নিপীড়িত সম্প্ৰদায় নহয়, স্বয়ং ক্ষমতাৰ অধিকাৰী। সমস্যাটো আঙুলীয়াই দিয়াত কৃতকাৰ্য্য হ'লেও সমাধানৰ প্ৰসংগত মেস্‌বাৰছৰ মত অস্পষ্ট। আমি পাহৰিলে নচলিব যে ৰাজনৈতিক ক্ষমতা দখল কৰাৰ বহুযুগ পাছলৈ বিপ্লবীদলে শ্ৰেণীসংগ্ৰাম প্ৰত্যাহাৰ কৰিব নোৱাৰে। শ্ৰেণী-সংগ্ৰামৰ ৰূপহে বদলে, তীব্ৰতা কমি নাযায়। সাহিত্যৰ সংগঠনো বাদ দিব নোৱাৰি।

# যুদ্ধ আৰু ৰাজনীতি ঃ অসম বুৰঞ্জীৰ এটা অজ্ঞাত দিশ

আধুনিক যুদ্ধবিদ্যাৰ জনক ফন ক্লাউজ্‌ভিচ্ছে ( Von Clausewitz ) যুদ্ধবিদ্যাৰ বিস্তাৰিত আলোচনাৰ মাজতো পাহৰি যোৱা নাছিল যে ৰাজনীতি অবিহনে যুদ্ধৰ অস্তিত্ব নাই। "For political aims are the end and war is the means, and the means can never be conceived without the end." ( **Makers of Modern Strategy**, edt. by E. M. Earle, Princeton University Press. 1971, p. 105 )

আহোম ৰাজত্বৰ কালছোৱাত যুদ্ধবিগ্ৰহৰ সংখ্যাই আমাক ভাবিবলৈ বাধ্য কৰে। ভাৰত ইতিহাসৰ হিন্দুযুগত এনে বহু ৰাষ্ট্ৰ আছিল, যাৰ বাবে যুদ্ধ আছিল অবাঞ্ছনীয়, সাময়িক আৰু বিৰল দুৰ্ঘটনা। সেইবোৰ ৰাষ্ট্ৰৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক ভিত্তিও নিশ্চয় তেনে ধৰণৰে আছিল। পৰাপক্ষত অসামৰিক আলাপআলোচনা প্ৰভৃতি উপায়েৰে তেওঁলোকে আন ৰাষ্ট্ৰৰ লগত মোকাবিলা কৰিছিল। কিন্তু আহোম ৰাষ্ট্ৰৰ বাবে যুদ্ধ আছিল প্ৰায় তাৰ হৃৎ-স্পন্দনৰ দৰে—এটা নিয়মিত আৰু প্ৰত্যাশিত ঘটনা। আহোমসকলৰ বুৰঞ্জীত সুলভ যুঁজাৰু জীৱনৰ আৰু বীৰত্বৰ মতাদৰ্শ তাৰ আংশিক ব্যাখ্যা মাত্ৰ।

আহোমে অধিকাৰ কৰা ভূখণ্ডৰ ওপৰত অন্যান্য ৰাষ্ট্ৰৰ লোভ নিশ্চয় আছিল। মোগল পাদ্‌শাহে অসমক মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিবলৈ বা অসমক কৰতলীয়া ৰাজ্য কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। মিৰজুম্‌লাৰ দৰে সুদক্ষ আৰু প্ৰখ্যাত সেনাপতিক অসমৰ অভিযানলৈ পঠোৱা হৈছিল। মোগল সম্ৰাটে অসমক লৈ সমস্যাত পৰা কথাৰ উল্লেখ আছে বেৰ্ণিয়াৰ

প্ৰমুখ্যে বিদেশী ভ্ৰমণকাৰীৰ ভ্ৰমণ বৃত্তান্ততো। তেনেকৈ মোগল প্ৰতাপে নিশকতীয়া কৰাৰ আগতে কোচ ৰাষ্ট্ৰয়ো আহোমৰ বিৰুদ্ধে প্ৰবল যুদ্ধাভিযান চলাইছিল কেইবাবাৰো। অসমৰ বনজ সম্পদৰ উপৰিও দাঁতিকাষৰীয়া দেশবোৰৰ লগত অসমৰ লাভজনক বেহাবেপাৰ, আৰু চীন দেশৰ দুৱাৰদলি হিচাবে অসমৰ অৱস্থিতিয়ে মোগল ৰাষ্ট্ৰক আকৃষ্ট কৰিছিল।

কিন্তু আন ৰাষ্ট্ৰৰ আক্ৰমণ বাদ দিলেও প্ৰতিজন আহোম ৰজাৰ শাসনকাল যুদ্ধবিগ্ৰহেৰে মুখৰ হৈ আছিল। ডঃ সূৰ্য্যকুমাৰ ভূঞাদেৱে তেওঁৰ “স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ” (অসম প্ৰকাশন পৰিষদ, ১৯৭৫) গ্ৰন্থত ৰাজেশ্বৰ সিংহৰ শাসনকাল যুদ্ধবিগ্ৰহৰ পৰা মুক্ত বুলিছে। (পৃঃ ১০১) প্ৰজাই হয়তো এনে ৰজাৰ শাসনকালত নিৰাপত্তাৰ ভৰসা পাইছিল, কিন্তু ৰাজেশ্বৰ সিংহৰ দিনতো ডফলা, মিকিৰ, কছাৰী, জয়ন্তীয়াৰ বিৰুদ্ধে যুদ্ধাভিযান চলিছিল।

প্ৰকৃততে আহোম ৰাজত্বৰ বাবে যুদ্ধ আছিল এটা অৱশ্যম্ভাৱী নিয়ম। আহোম ৰাষ্ট্ৰ যি ধৰণৰ ভূমিদাস শোষণৰ ওপৰত প্ৰতিষ্ঠিত হৈছিল, সেই “কাঁড়ী-পাইক” প্ৰথা, গা-খাটি দিয়া নিয়ম, অসমৰ সাধাৰণ প্ৰজাই সহজে মানি লোৱা নাছিল। জনজাতীয় সমাজত বাস কৰি থকা স্বাধীন চিন্তীয়া লোকসকলক বাৰে বাৰে ছলেবলেকৌশলে বশ কৰাব লগীয়া হৈছিল। সেয়ে আহোম ৰাজ্যৰ ভিতৰত অতি কঠোৰ দণ্ডনীতিৰ প্ৰবৰ্তন কৰা হৈছিল। ৰাজ্যৰ সামৰিক আৰু প্ৰশাসনীয় বাববোৰ পাৰ্য্যমানে আহোমৰ হাতত ৰাখি অন্যান্য প্ৰজাৰ লগত স্থায়ী ব্যৱধান সৃষ্টি কৰাৰ চেষ্টা চলিছিল। আনহাতে এনে শোষকৰাষ্ট্ৰই তাৰ নিজৰ প্ৰয়োজনতে ৰাজ্যৰ সীমাবিস্তাৰৰ বাবে অধ্যৱসায় কৰিছিল। অনুন্নত কৃষি তথা অন্যান্য উৎপাদনৰ ওপৰত শোষণৰ হেঁচা বেছি বঢ়াব নোৱাৰি আয়তনৰ ফালৰ পৰা আৰু জনসংখ্যাৰ ফালৰ পৰা শোষণৰ বিস্তাৰ বিচাৰিছিল। সেয়ে ৰাজ্যবিস্তাৰৰ বাবে, অন্যান্য ৰাষ্ট্ৰৰ দখলত থকা মাটি অধিকাৰ কৰিবৰ বাবে, তাৰ বাসিন্দাবৃন্দৰ শ্ৰমৰ বাবে বৰ্দ্ধিষ্ণু আহোম ৰাষ্ট্ৰই সততে যুদ্ধৰ আশ্ৰয় লৈছিল। শাৰীৰিক-ভাবে বলবান হাতী ধৰাত পটু বৰাহী-মৰাণ, দক্ষ খেতিয়ক কছাৰী, নিপুণ কাৰিকৰ চুটিয়া—এই সকল লোকক দখলৈ নিবলৈ যুদ্ধযাত্ৰা কৰা হৈছিল।

আনহাতে এই ধৰণে অধিকাৰ কৰা মাটিত শোষণৰ অৰ্থে যি সকল প্ৰজাক বহুৱা হৈছিল তেওঁলোকৰ তথা তেওঁলোকৰ উৎপাদনৰ নিৰাপত্তাও আহোম ৰাজত্বৰ অন্যতম ৰাজনৈতিক লক্ষ্য আছিল। নগা-ডফলা প্ৰভৃতি

পৰ্বতীয়া জাতিব লগত সেয়ে আহোমৰ মাজেসময়ে যুদ্ধবিগ্ৰহ চলিছিল। তাৰ উদ্দেশ্য নগাভফলাৰ ৰাজ্য দখল কৰা নহয়, ভৈয়ামৰ উৎপাদন তথা শোষণ নিৰুপদ্ৰৱ কৰি ৰখা। সেয়ে নগাভফলাৰ লগত শান্তিস্থাপন কৰিয়েই আহোম ৰাষ্ট্ৰ সন্তুষ্ট আছিল।

বুৰঞ্জীত প্ৰায় প্ৰতিজন ৰজাৰ আমোলত গড় বা কোঁঠ বা বুকজ সজাৰ উল্লেখ আছে। আহোমৰ দিনত সজা প্ৰকাণ্ড আলিবোৰে এহাতে যেনেকৈ যানপানীৰ ভেটা দিছিল তেনেকৈ শত্ৰুৰ অভিযানৰ বিৰুদ্ধেও গড়ৰ কাম কৰিছিল। পিছলৈ "চাং-কং ফুকন" নামধি এই দপ্তৰটো এজন বিষয়াৰ অধীনলৈ অনা হৈছিল আৰু তেওঁৰ হাতত থকা এখন পুথিত গড় বা কোঁঠ আদি সাজিবলৈ প্ৰাথমিকভাবে প্ৰয়োজনীয় জোখমাখ আৰু কৌশল লিপিবদ্ধ হৈছিল। আহোমৰ যুদ্ধ কৌশলত এই গড় বা কোঁঠবোৰে বিশেষ গুৰুত্ব অৰ্জন কৰিছিল।

আহোম ডা-ডাঙৰীয়াৰ বাব পুৰুষানুক্ৰমিক বা জন্মগত নাছিল। মোমাই-তামুলিৰ বাহিৰেও কেইবাজনো বিচক্ষণ বিষয়া সাধাৰণ প্ৰজাৰ স্তৰৰ পৰাই যোগ্যতাৰ গুণত ওপৰলৈ উঠাই আহিছিল। তথাপি আহোম ৰাজত্বৰ শেষকালছোৱা বাদ দিলে কব পাৰি যে যুদ্ধাভিযানৰ নেতা সচৰাচৰ উচ্চবংশৰ আহোম পৰিয়ালৰ পৰাই মনোনীত হৈছিল। যুদ্ধৰ পৰিকল্পনা আৰু কাৰ্য্যকৰী নেতৃত্ব দিছিল এনে ধৰণৰ বিষয়াই।

কিন্তু এনেধৰণৰ পৰিস্থিতি সত্ত্বেও এই কথা ডাঠি কব নোৱাৰি যে যুদ্ধকৌশল ( military technique ) বা যুদ্ধ প্ৰণালী ( tactics ) আহোমৰ কিবা অভিনৱ বা অতুলনীয় অৱদান আছে। ব্যক্তিগতভাবে আহোম বণুৱা আৰু বিষয়া দুৰ্দ্ধৰ্ষ আৰু নিৰ্ভীক আছিল। তেওঁলোকে যি প্ৰশিক্ষণ পাইছিল তাৰ ফলত বহুতেই ব্যক্তিগতভাবে অস্ত্ৰচালনা বা ধনুৰ্বিদ্যাত উৎকৰ্ষ লাভ কৰিছিল। কিন্তু যুদ্ধজয় কৰিবলৈ বিশেষ বৈজ্ঞানিক উপায় উদ্ভাৱন কৰাত, বণুৱা আৰু প্ৰাকৃতিক পৰিস্থিতিৰ অৱস্থা বুজি সেই অনুযায়ী সেইবোৰক অভিনৱ উপায়ে নিয়োগ কৰি শত্ৰুক স্তম্ভিত বা বিভ্ৰান্ত কৰাত, সংঘবদ্ধ যুদ্ধৰ পৰিচালনাত আহোমে কোনো উল্লেখযোগ্য প্ৰতিভা দেখুৱাৰ পৰা নাছিল।

অৱশ্যে এই ক্ষেত্ৰত সমগ্ৰ ভাৰতৰে অভিজ্ঞতা বৰ উৎসাহজনক নহয়। আহোম ৰাজ্যতকৈ বহুগুণে বেছি শক্তিশালী আৰু সমৃদ্ধিশালী মোগল

সাম্ৰাজ্যৰ সৈন্যবাহিনীৰ অৱস্থাৰ লগত তুলনা কৰিলেই কথাটো বুজিব পাৰি। মোগল সৈন্যবাহিনীৰ সৰ্বপ্ৰধান অংগ আছিল অশ্বাৰোহী বাহিনী (cavalry)। এনে বিদ্যুৎবেগী অশ্বাৰোহী বাহিনীৰ কতুৱাই ইব্ৰাহীম লোডীৰ সৈন্যবাহিনীক পিছফালৰ পৰা অতৰ্কিতে আক্ৰমণ কৰিহে বাবৰ জয়ী হৈছিল আৰু ভাৰতত মোগল সাম্ৰাজ্য স্থাপন কৰিছিল। কিন্তু পিছলৈ এই অশ্বাৰোহী বাহিনীৰ যুদ্ধকৌশল আৰু পদ্ধতিৰ পৰিৱৰ্তন বা উন্নতি আৰু নহ'ল। সদলেবলে শত্ৰুৰ ওপৰত হামখুৰি খাই পৰাৰ বাহিৰে অশ্বাৰোহী সৈনিকদলৰ আন কোনো কায়দা নাছিল। দলবদ্ধ আৰু সুশৃঙ্খলভাৱে আক্ৰমণ নকৰি এজাক হিংস্ৰ জানোৱাৰৰ দৰে এই সৈন্যদলে ঘোঁৰা ছুটাই শত্ৰুৰ ওপৰত পৰিছিলহি। কিন্তু মুকলি আৰু সমান ঠাই নহ'লে অশ্বাৰোহী বাহিনী ব্যৱহাৰ কৰা টানেই আছিল। বিশেষকৈ অসমৰ ওখোৰা মোখোৰা হাবিতলীয়া মাটিত "তুৰুক ঘোঁৰাৰ" ব্যৱহাৰৰ সুযোগ বিৰল হৈছিল—অৱশ্যে তেনে সুযোগ ওলালে অসমীয়া সৈন্য তাৰ আগত থাকিব নোৱাৰিছিল।

মোগলৰ পদাতিকবাহিনী আছিল সংখ্যাত বিপুল কিন্তু কামত অপদাৰ্থ। তেওঁলোকৰ কোনো আছিল কাঁড়ী, কোনোবা আছিল হিলৈদাৰী। খেদামাৰি গৈ শত্ৰুৰ লগত কটাকবা কৰাৰ বাহিৰে বা দূৰৰ পৰা জাকে জাকে কাঁড় কৰা আৰু হিলৈ মৰাৰ বাহিৰে এওঁলোকৰ আন কোনো কৌশল নাছিল। যিসময়ত য়ুৰোপত ফ্ৰে'ড্‌ৰিক্ দি গ্ৰে'টে কুচকাৱাজ কৰাই এমুঠি সুশিক্ষিত আৰু শৃঙ্খলাবদ্ধ সৈন্যৰ দ্বাৰা বিৰাট সৈন্যবাহিনী পৰাস্ত কৰাৰ কৌশল উদ্ভাৱন কৰিছিল সেই সময়তো ভাৰতত দুদল সৈন্যই ওচৰৰ পৰা মৰাকটা কৰাৰ বাহিৰে আন উপায়ে যুদ্ধ কৰিবলৈ শিকা নাছিল। সচৰাচৰ যাৰ সৈন্যসংখ্যা বেছি তাৰেই জয় হৈছিল।

মোগলৰ কামান আৰু বৰটোপ আকাৰত বৃহৎ হ'লেও কামত আছিল অপেক্ষাকৃতভাৱে দুৰ্বল। যিসময়ত য়ুৰোপত একোটা কামানে মিনিটত ৫/৬ বাৰ গৰ্জন কৰিছিল, সেই সময়ত ঘণ্টাত চাৰিবাৰ গুলীবৰ্ষণ কৰাটোৱেই শ্ৰেষ্ঠ ভাৰতীয় কামানৰ লক্ষণ আছিল। শত্ৰুৰ ইটা বা শিলৰ দুৰ্গ ভাঙিবৰ সময়তেই এইবোৰ কামানে অলপ কাম দিছিল। নহলে এইবোৰ প্ৰকাণ্ড আৰু গধুৰ বৰটোপ কঢ়িয়াই নিয়াৰ কোনো সুবন্দোবস্ত তেতিয়া নাছিল। একো একোটা কামান এঠাইৰ পৰা আন ঠাইলৈ নিওঁতে ১০।১২ টাৰ পৰা

৫০০।৬০০ বন্দুকধৰ দৰকাৰ হৈছিল !! অসমৰ দৰে ঠাইৰ বোকামাটিৰ গঁড়ত এইবোৰ বৰটোপে বৰ ডাঙৰ ফাট মেলাব পৰা নাছিল।

আহোমৰ সৈন্যবাহিনীও আছিল তেনেদৰেই শৃঙ্খলাহীন, তেনেদৰেই দলবদ্ধ যুদ্ধত কেঁচা আৰু যুদ্ধজয়ৰ কৌশলত অনুন্নত। আহোমৰ যুদ্ধাস্ত্রও আছিল অনুৰূপভাৱে অনুন্নত। আক্ৰমণৰ সময়ত পোনে পোনেই আক্ৰমণ নকৰি আহোম সৈন্যদল দুই তিনি ভাগ হৈ দুই তিনি দিশৰ পৰা আক্ৰমণ কৰিছিল। ডাঙৰ যুদ্ধবোৰত "নাৱে-তৰে" ( অৰ্থাৎ নদীৰে আৰু থলেৰে ) শত্ৰুক আক্ৰমণ কৰা নিয়ম আছিল। এনেবোৰ কৌশলৰ ফলত তাকৰীয়া সৈন্যৰে শত্ৰুৰ বৃহৎসংখ্যক সৈন্যবাহিনীক পৰাস্ত কৰিবলৈ সহজ হৈছিল। আনহাতে প্ৰতিৰক্ষামূলক ( defensive ) ব্যৱস্থাত ভৌগোলিকভাৱে সুবিধাজনক ঠাইত কোঁঠ বান্ধি শত্ৰুৰ অগ্ৰগতিত বাধা দিয়া, পিছৰ পৰা বা কাষৰ পৰা ( flank ) শত্ৰুক হঠাতে আক্ৰমণ কৰা, ভুৱা আক্ৰমণেৰে শত্ৰুৰ মনত ভ্ৰম সৃষ্টি কৰা আদি কাৰ্য্যকলাপৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। নদীৰ পানী ভেটি ৰখা গড় হঠাতে কাটি দি শত্ৰুক বিপৰ্য্যস্ত কৰাৰ উদাহৰণো বুৰঞ্জীত পোৱা যায়। এনে যুদ্ধত অসমৰ প্ৰাকৃতিক পৰিবেশৰ সদ্ব্যৱহাৰ কৰি আহোমসকলে বিদেশীৰ অভিযান বাৰে বাৰে ব্যৰ্থ কৰিছিল। কিন্তু পৰৱৰ্তী যুগৰ যুদ্ধবিগ্ৰহত আহোমৰ যুদ্ধকৌশলৰ বিশেষ পৰিবৰ্তন দেখা নাযায়। পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে চাহাবৰ ফৌজৰ আৰ্হিত কাপ্তান গোহাঁইৰ নেতৃত্বত "ওঠৰ কুম্পানী" চিপাহীৰ ফৌজ গঠন কৰাটোত আহোমৰ নিজস্ব প্ৰতিভাৰ চিন নাই, আৰু মানসেনাৰ বিৰুদ্ধে তাৰ কাৰ্য্যকৰিতাও হ'ল সামান্য।

অথচ মানদেশতকৈ বহু বেছি শক্তিশালী আৰু প্ৰভাৱশালী মোগল সাম্ৰাজ্যৰ বাহকৰনীয়া সৈন্যদলক আহোমে পৰাস্ত কৰিছিল। আনকি অস্ত্ৰশস্ত্ৰৰ ফালৰ পৰা হীনবল মোৱামৰীয়া বিদ্ৰোহীয়েই আহোম সেনাৰ অৱস্থা কাহিল কৰি দিছিল। মোৱামৰীয়াৰ যুদ্ধকৌশল আহোমতকৈ উন্নত নাছিল। আনহাতে কেইবাজনো আহোম সেনাপতিয়ে যুদ্ধক্ষেত্ৰত এনেধৰণৰ ব্যক্তিগত সাহস, পৰাক্ৰম আৰু বীৰত্ব দৰ্শাইছিল যে বিদ্ৰোহী মোৱামৰীয়া প্ৰজাও মুগ্ধ হৈছিল। তেনেস্থলত আহোম সৈন্যবাহিনীৰ এই শোচনীয় ব্যৰ্থতাৰ কাৰণ কি ? আমি কব খোজোঁ যে এই কাৰণ বুজিবলৈ হলে আমি পুনৰ ৰাজনীতিৰ ওচৰ চাপিব লাগিব।

বিশ্ববিশ্ৰুত ভিয়েটনামী জেনেৰেল, ডিয়ে'ন্‌বিয়ে'ন্‌ফুৰ ঐতিহাসিক যুদ্ধৰ বিজয়ী সৈন্যাধ্যক্ষ ব'ঙুয়েন জ্যাপে (Vo Nguyen Giap) ৰচিত "To Arm the Revolutionary Massos, To Build the People's Army" ( Hanoi, 1975 ) নামৰ গ্ৰন্থত ভিয়েটনামৰ অতীত ইতিহাসৰ যুদ্ধবিগ্ৰহ সম্পৰ্কে এটা চিত্তাকৰ্ষক মন্তব্য কৰিছে।

"Ours is a small country, without a large area or population···But the aggressors usually commanded much greater forces. In circumstances when they had to **oppose a small force to greater forces**··Our people had to bring into full play the strength of the whole people, of the whole nation, and could not rely on the army alone

···The participation of the masses in the national uprisings and wars in our country, the tradition of the whole nation joining forces and of the whole people fighting the enemy, enables us to affirm that national uprisings and wars in our history have long been **people's uprisings and people's wars** ···led by the fendal class." (pr 46-48)

[ আমাৰ দেশখন হ'ল ক্ষুদ্ৰ, জনসংখ্যাও তাকৰীয়া। বিদেশী শত্ৰুৰ বৃহৎ সৈন্যবাহিনীৰ বিৰুদ্ধে আমাৰ জনগণীয়া সৈন্যই অকলে যুঁজা অসম্ভৱ। সেয়ে সমগ্ৰ জাতি এই যুদ্ধপ্ৰচেষ্টাত লিপ্ত হবলৈ বাধ্য হৈছিল। ফলত আমাৰ দেশত হোৱা বিভিন্ন যুদ্ধ আৰু সশস্ত্ৰ জাগৰণ আছিল সমগ্ৰ জাতিৰ যুদ্ধ—সামন্তশ্ৰেণীৰ নেতৃত্বত জনগণৰ যুদ্ধ : মৰ্মানুবাদ ]

জে'নেৰেল জ্যাপে আকৌ লিখিছে :

"A striking difference in the building of the armed forces of the feudal State in our country and many feudal States in Europe is the system of "**everyone a soldier**" instead of that of "mercenaries."

...The system of "everyone a soldier was set up and gradually completed through various dynasties.

In the Dinh-Le period··· the centralized feudal State just

founded began a system of census of the population to recruit soldiers. The armed forces were organized in such a way that 'men were called up when needed'··· and were sent back to farm work after their service.' That is why, with a not very large force in active service as the core, the feudal State at that time was able to form ten army corps totalling about one million men under the command of General Le Hoan. That figure must have represented all able-bodied men in the population at the time. It really was a form of arming the whole people····

There was the policy of **ngu binh u nong** ( placing the military ) i.e. military service was brought to the countryside, the farmers being soldiers, and soldiers doing both military duty and farm work. The Ly divided the male population into **hoang nam** from 18 to 20 years of age and **dai hoang nam** fram 20 to 60 years of age, all of whom had to enlist and take turns in serving the army and they were all called up when there was a war.···(pr 56-57)

[ য়ুৰোপৰ সামন্তবাদী ৰাষ্ট্ৰবোৰৰ দৰে আমাৰ দেশৰ সামন্তবাদী ৰাষ্ট্ৰই ভেৰোণীয়া সৈন্যৰ ওপৰত নির্ভৰ কৰি চলা নাছিল। আমাৰ দেশৰ নিয়ম আছিল "প্ৰজা মাত্ৰেই সৈনিক"। বহু ৰাজবংশৰ শাসনত ধীৰে ধীৰে এই প্ৰথাই গঢ় লৈছিল। প্ৰয়োজন হলেই যি কোনো প্ৰজা যুদ্ধলৈ যাবলগা হৈছিল, কিন্তু যুদ্ধ চলি নাথাকিলে প্ৰজাসমূহে গাওঁত ইত খেতিবাতিত ব্যস্ত আছিল। এনেকৈয়ে এবাৰ দেশৰ সকলো সমর্থ পুৰুষ যুদ্ধৰ প্ৰয়োজনত গোট খাই সেনাপতি লে' হোৱানৰ তলত একনিযুত সৈন্যৰ সেনাদল গঠন কৰিছিল। খেতিয়ক মাত্ৰেই আছিল সৈনিক। সৈনিকেও যুদ্ধৰ লগতে খেতিবাতিৰ কামো নিয়মিতভাৱে কৰিছিল : মর্মানুবাদ ]

জে'নেৰেল জ্যাপৰ মতে নিষ্ঠুৰ আৰু উৎপীড়ক বিদেশী শাসকশক্তিৰ বিৰুদ্ধে আত্মৰক্ষা কৰিবলৈ গৈ 'ভিয়েটনামী জাতিয়ে এনে ধৰণৰ সামৰিক ব্যৱস্থা গঢ়ি তুলিছিল। জাতিৰ এই যুদ্ধ আৰু প্ৰতিৰক্ষাত নেতৃত্ব দিছিল সামন্তশ্ৰেণীয়ে। আৰু এই সামন্তশ্ৰেণী প্ৰগতিশীল আৰু স্বদেশপ্ৰেমিক হৈ থকা কালছোৱাত

সাধাৰণ ভিয়েৎনামী প্ৰজাই সুখসমৃদ্ধিৰ মুখ দেখিছিল। কিন্তু সামন্তশ্ৰেণী যেতিয়াই ক্ষয়িষ্ণু হৈ পৰিছিল, তেতিয়াই দেশত তীব্ৰ গৃহযুদ্ধ চলিছিল, বিদেশীৰ ওচৰত আত্মসমৰ্পণ আৰু দেশৰ প্ৰতি বিশ্বাসঘাতকতা প্ৰকাশ পাইছিল, সাধাৰণ প্ৰজাৰ ওপৰত শোষণদমন বাঢ়িছিল। অৱশেষত সঙ্ঘৱদ্ধ মাৰাৰ্মি কৃষক গণৰ তুমুল বিদ্ৰোহৰ মাজেদি এটা ৰাজবংশ ওফৰাই আন ৰাজবংশ সিংহাসনত থাপিছিল। বহুসময়ত সাধাৰণ খেতিয়কেই নতুন ৰাজবংশ প্ৰতিষ্ঠা কৰিছিল।

জেনেৰেল গ্যাপৰ মন্তব্য অসমৰ ইতিহাসৰ অধ্যয়নতো প্ৰাসংগিক আৰু আলোকময়। প্ৰকৃততে মোগলৰ বিৰুদ্ধে আহোমৰ যুদ্ধপ্ৰচেষ্টাত একধৰণৰ "জাতীয় জনযুদ্ধ"ৰে পূৰ্বাভাস পোৱা যায়। আহোম শাসনৰ সামন্ততান্ত্ৰিক শোষণ সত্ত্বেও (যিটো ভিয়েৎনামতো আছিল) তাৰ এটা প্ৰগতিশীল দিশ আছিল। এই প্ৰগতিশীল দিশ নিঃশেষ হোৱাৰ লগে লগে আহোম ৰাষ্ট্ৰ দুৰ্বল হৈ পৰে, ভাড়োণ সৱত্ৰ বিয়পি পৰে, প্ৰজাৰ ৰাজবংশৰ প্ৰতি আস্থা আৰু আনুগত্য লুপ্ত হয়।

এই প্ৰগতিশীল দিশৰ অন্যতম প্ৰমাণ পোৱা যায় সাধাৰণ অসমীয়া সেনাৰ ৰণোন্মত্ততা। লাচিত বৰফুকনৰ অধীনস্থ সৈন্যদলৰ সাধাৰণ সৈনিক সকলো শতকৰা এশজনেই আহোম নাছিল। বৰাহী, মৰাণ, কছাৰী, চুটিয়া, কলিতা, কোঁচ আৰু আহোম—সকলো সম্প্ৰদায়ৰ মানুহ মিলি এই সৈন্যদল গঠিত হৈছিল। গড়গাঁৱৰ পৰা চক্ৰধ্বজ সিংহই বাছি পঠোৱা মূল সেনাদলৰ উপৰিও অন্যান্য সম্প্ৰদায়ৰ "কাঁড়ী পাইক" মিলি একলাখ বলৰ, লাচিত বৰফুকনে থিতাতে হাতৰ ওচৰত পাব পাৰিছিল। তাৰ উপৰিও জয়ন্তীয়া ৰজা আৰু অন্যান্য কৰতলীয়া মিত্ৰৰজাই লাচিত বৰফুকনক যুদ্ধায়োজনলৈ সৈন্য পঠাইছিল। আহোম শাসনতন্ত্ৰৰ অৱনতিৰ আগমুহূৰ্তলৈকে এই ঐতিহ্য ৰক্ষা পৰিছিল। ৰুদ্ৰসিংহই বংগবিজয়ৰ প্ৰস্তুতি কৰোঁতে তেওঁৰ লগত থকা আহোম ৰাজ্যৰ সৈন্য আছিল ৩৬,০০০, কিন্তু দাতিকাষৰীয়া ৰজাসকলে সৰ্বমুঠ চাৰিলাখ সৈন্য লৈ যুদ্ধযাত্ৰাত যোগ দিছিলহি। সকলো সম্প্ৰদায়ৰ সৈন্যৰ মাজত ঐক্যভাব তেতিয়াৰ সামন্ততন্ত্ৰৰ পক্ষে এটা অতুলনীয় সাফল্য আছিল। আনকি চিহাবুদ্দিন তালিচে লেখি থৈ গৈছে যে অসমীয়া মুছলমান সৈনিকসকলে স্বধৰ্মাৱলম্বী মোগলতকৈ নিজৰ ৰজাৰ মানুহকহে বেছি ভাল পাইছিল। এই ঐক্যভাব স্থাপন কৰাত এটা কথাই বিশেষ সহায় কৰিছিল। সনাতন হিন্দু ধৰ্মৰ ৰীতিনীতিয়ে গদাধৰ সিংহৰ দিনলৈকে আহোম ৰাজবংশৰ ওপৰত বিশেষ

প্ৰভাৱ বিস্তাৰ কৰা নাছিল। অসমৰ সাধাৰণ প্ৰজাও এনে ৰীতিনীতিৰ কট্‌কটিয়া বান্ধোনৰ পৰা মুকলি আছিল। ৰণলৈ যাওঁতে বিভিন্ন সম্প্ৰদায়ৰ মানুহে একেলগে টুপলীয়া ভাত খাওঁতে বা কোমল চাউল চোবাওঁতে বিশেষ আহুকাল পোৱা নাছিল। কিন্তু শিৱসিংহৰ সময়ৰ পৰা প্ৰজাৰ ওপৰত শোষণৰ মাত্ৰা যেনেকৈ চ'ৰিল তেনেকৈ প্ৰজাৰ পৰা নিজকে পৃথক কৰিবলৈ আহোম ৰজাসকলে সেৱাপূজা, নামগুণত ক্ৰমে বান্ধখাই পৰিল। বিভিন্ন ধৰ্মগুৰুসকলৰ সত্ৰবিলাকেও সবলচিতীয়া সাধাৰণ অসমীয়া প্ৰজাক জাতপাত, ধুতিবিধুতিৰ ৰহস্যত দীক্ষিত কৰি পূৰ্বৰ ঐক্যভাৱৰ ডোলডাল টুকুৰাটুকুৰ কৰিলে। সামন্ততন্ত্ৰ যিমানেই বিশেষায়ণৰ পিনে ( specialisation ) অগ্ৰসৰ হ'ল সিমানেই ধৰ্মগুৰুসকলে জন্মগত বিশেষায়ণৰ (hereditary specialisation) স্বাৰ্থত জাতিকুলৰ ৰীতিনীতিত গুৰুত্ব দিবলৈ ধৰিলে। জাতিকুলৰ ওপৰত গুৰুত্ব নিদিয়া মোৱামৰীয়া মহন্তৰ বিৰুদ্ধে ধৰ্মগুৰু সকলে একেগোট হৈ নানা কুৎসাৰচনা কৰিবলৈ ধৰিলে। এই মোৱামৰীয়া মহন্তই সামন্ততান্ত্ৰিক শোষণ তীব্ৰ কৰিবলৈ বিচৰা ৰজাঘৰৰ পৰাও নিগ্ৰহ আৰু লাঞ্ছনা ভোগ কৰিলে। অথচ এই মোৱামৰীয়া মহন্তৰ শিষ্য আছিল লাখ লাখৰবাহী-মৰাণ-কছাৰী প্ৰজা—যাৰ পূৰ্বপুৰুষে শৰাইঘাটত আহোম ৰজাৰ হকে অকুণ্ঠিত চিত্তে প্ৰাণ বিসৰ্জন দিছিল।

শৰাইঘাটত পৰাস্ত হৈ ৰজা ৰামসিংহই কেৱল অসমৰ ৰজা, প্ৰধানমন্ত্ৰী আৰু সেনাপতিকে প্ৰশংসা কৰা নাছিল। সাধাৰণ অসমীয়া সৈনিকৰ প্ৰতিও তেওঁ শ্ৰদ্ধা নিবেদন কৰি গৈছে। প্ৰতিজন অসমীয়া সৈনিকেই তেওঁৰ মতে আছিল "যন্ত্ৰাকৃতি গড"। প্ৰতিজন সৈনিকেই নাওবোৱা, কাঁড়মৰা, গড় বন্ধা আৰু হিলৈ মৰাত পাৰ্গত; এনে সৰ্ববিদ্যাবিশাৰদ সৈনিক তেওঁ ভাৰতৰ আন-প্ৰান্তত দেখা নাছিল। সামন্ততন্ত্ৰ যেতিয়া আদিম অৱস্থাত থাকে তেতিয়াই সাধাৰণ সৈনিক এনে সৰ্বঢাক কৌশলৰ অধিকাৰী হব পাৰে। বিশেষায়ন আৰম্ভ হোৱাৰ লগে লগে এনে গুণ লুপ্ত হৈ বিশেষ বিশেষ দিশত দক্ষতা আয়ত্ত হবলৈ ধৰে। কিন্তু ৰামসিংহৰ প্ৰশস্তিত সাধাৰণ সৈন্যৰ সৰ্বঢাক দক্ষতাৰ উপৰিও যি ৰণোন্মমৰ ইংগিত আছে সি সাধাৰণ মোগল সৈনিকৰ বাবে সম্ভৱ নাছিল। মোগল সৈন্যদলৰ চিপাহি আছিল ভেৰোণীয়া, যুদ্ধ আছিল তাৰ বাবে জীৱিকা। নিজৰ ঘৰমাটি, পো-পৰিয়াল, ইষ্ট-কুটুম্ব, ৰজা-গুৰু ৰক্ষা কৰাৰ প্ৰেৰণাত সি যুঁজ দিয়া নাছিল। এইখিনিতে আহোম সৈন্যই জে'নেৰেল জ্যাপৰ মন্তব্যৰ ভাহানিৰ ভিয়েটনামী সেনালৈ মনত পেলায়।

আহোম ৰজাৰ কঠোৰ দণ্ডনীতি এতিয়াৰ মানৱতাবাদী দৃষ্টিভংগীত নিষ্ঠুৰ আৰু নিৰ্মম। কিন্তু ভাবপ্ৰৱণতা বাদ দিলে আমি দেখিম যে যেতিয়া কঠোৰ শৃংখলাই এমুঠি স্বাৰ্থপৰ শাসক-শোষকৰ স্বাৰ্থপূৰণ কৰে প্ৰজাৰ তাৰ প্ৰতি বিৰাগ আৰু প্ৰতিহিংসা থকাটো স্বাভাৱিক। কিন্তু শৃংখলা আৰু দণ্ডই যেতিয়া সমূহীয়া আৰু সামাজিক স্বাৰ্থৰক্ষা কৰে তেতিয়া তাৰ সুফল ভোগী হয়। সাধাৰণ প্ৰজাই কঠোৰ দণ্ডবিধিৰ বিৰুদ্ধেও বিদ্ৰোহ আচৰণ নকৰে। আহোম শাসনতন্ত্ৰৰ প্ৰথম পৰ্বত জনজাতীয় বাজোন ভাঙি সাধাৰণ প্ৰজাক উন্নত কৃষিকাৰ্য্যত লগাবলৈ, সেই কৃষিকাৰ্য্য পৰ্বতীয়া জাতি আৰু পশ্চিমৰ প্ৰবল শত্ৰুৰ পৰা ৰক্ষা কৰিবলৈ অসমৰ নতুন সামন্ততান্ত্ৰিক সমাজত কঠোৰ দণ্ডবিধিৰ প্ৰয়োজন হৈছিল। অন্ততঃ সাধাৰণ প্ৰজাই সেই দণ্ডবিধি ভাল নেপালেও মানি লৈছিল, সহি আছিল। কাৰণ উন্নত উৎপাদন, সামাজিক নিৰাপত্তা আৰু শৃংখলাৰ পৰা সাধাৰণ প্ৰজাও লাভবান হৈছিল।

ৰজা-প্ৰজাৰ মাজত তুলনা ব্যৱধান গঢ়ি উঠা নাছিল। ৰজাক "স্বৰ্গদেউ" বোলাটো সকলো আদিম সমাজৰ ৰাজনাধৰ্মৰ (Kingship) লক্ষণ। ৰজাক ঐশ্বৰিক পুৰুষ বুলি ভবাৰ অৰ্থ এনে নাছিল—যে ৰজা সাধাৰণ প্ৰজাৰ পৰা সাতহাত দূৰত আছিল। গড়গাঁৱা ৰজাৰ আমোলত ৰাজধানীৰ কেউফালে বেটি গড় মাৰিব নোৱাৰিলে হেমনা নামৰ সাধাৰণ প্ৰজা এজনৰ মাটিৰ ওপৰেদি গড় যায় বুলি। "ৰজাকো নৰকপা মাতে। সি বোলে,—মোৰ আবাকটা মাটি কাষত ৰজা কি? এই নিমিত্তে নামফালে গড় কিছু পশু হৈ হৈ থাকিল।" দিখৌৰ হাবিবন কটাই নতুনকৈ মানুহ বহোৱাওতে ৰজাই 'নজে জ্বলাধোন লৈছিল: "ৰাজমাৰি অনাগোৰে বোলে, তইতহে মাগি খাম, এনে ভুপনন কোনে কৰে, আমাৰ খানথিতে নাই। ৰজাদেৱে চাই কুৰে। বোলে, ভুগ কৰিবলৈহে সুখ হয়। তোৰহে পো-নাতিয়ে আধিকৈ পাব।" (সাতসৰী অসম বুৰঞ্জী, পৃঃ ২০) মৃত্যুকাল কাষ চাপি অহাত স্বৰ্গনাৰায়ণে প্ৰজাক মাত লগাই মৰিবলৈ ওলাইছিল: "স্বৰ্গদেও নাৰৈবে হৈ, দিখৌৰ ডুয়োপাৰে আছি প্ৰজা প্ৰজাক গা দেখাই বোলে, মোৰ কাল হ'ল, সকলো লোকে মোক চাওক, মইয়ো চাওঁ; এই বুলি ব্ৰাহ্মণ, বুঢ়া, লৰা, তিৰতা এই সকলক দানদক্ষিণা দিলে। পাচে ৰজাদেৱলৈ প্ৰজাৰ মোহজন্মাত, স্বৰ্গদেৱৰ সলনি আমাকে এক স নৰবলি দিয়াৰ আইলৈ দিয়হক, তেওঁ স্বৰ্গদেউ কুশলে থাকক, এই বুলি চৰিধৰ্মিকে কোলাহল কৰিবলৈ ধৰিলে। পাচে স্বৰ্গদেৱে বোলে, মোৰ কাল হ'ল, কেনেকৈ

ৰাখিবিহত, এই বুলি প্ৰজাক প্ৰবোধ দি নগৰলৈ আহি ১৫৭১ শকত স্বৰ্গী হ'ল।" (**অসম বুৰঞ্জীসাৰ**, সম্পাদক ডঃ প্ৰতাপ চন্দ্ৰ চৌধুৰি, পৃঃ ২৯)। জয়ধ্বজ সিংহ মোগলৰ হাতত হাৰি নামৰূপলৈ পলাই আহোঁতে পোহাৰী এজনীয়ে কৈছিল: স্বৰ্গদেৱ, তুমি বঙ্গ-আনন্দকহে মন দিলা। এই পোহৰ বৎসৰে যদি দিবলগা হাইত পোহৰ চপৰা মাটি দিলাহতে তোমাৰ কিয় এনে অৱস্থা হব? আমাক ক'ত এৰি যোৱা?" (**সাতসৰী অসম বুৰঞ্জী**, সম্পাদক ডঃ সূৰ্য্যকুমাৰ ভূঞা, পৃঃ ৯০) এনেবোৰ ঘটনাৰ মাজেৰে ৰজাপ্ৰজাৰ যি পিতৃতান্ত্ৰিক (patriarchal) সম্পৰ্কৰ চিন ফুটি ওলাইছে, পিছলৈ সেই সম্পৰ্ক আৰু নাথাকিল। আহোম ৰজাসকলে কামেকাজে "স্বৰ্গী ৰজা" বুলৈ মন মেলি প্ৰজাৰ সমৰ্থন হেৰুৱালে।

আহোম ৰাজত্বৰ আদি কালছোৱাত কাঁড়ীপাইকে বিনাকৰে দুপুৰাকৈ ৰূপিত মাটি ভোগ কৰিবলৈ পাইছিল, তাৰোপৰি পান-তামোল শাকপাচলিৰ বাবে সামান্য কৰত বাৰী মাটি পাইছিল। ভাৰতৰ অন্যান্য প্ৰান্তৰ দৰে ভিখাৰী-মগনীয়াৰ শাৰীলৈ এচাম প্ৰজা নামি যাবলগা হোৱা নাছিল। পৰাপক্ষত জনজাতীয় অনুষ্ঠানবোৰৰ ওপৰত ৰজাই হাত নিদিছিল, ফলত আহোম ৰাজ্যৰ সাধাৰণ প্ৰজাই দেশৰ প্ৰতি বিশেষ আসক্তি বা অনুৰাগ পোষণ কৰিছিল। সমগ্ৰ ৰাজ্যৰ মাটি নামত যদিও ৰজাৰ সম্পত্তি আছিল, তথাপি খেতিকৰা মাটি আছিল খেলৰ সম্পত্তি। পাইকে সেই মাটি ভোগ কৰিলেও তাৰ ওপৰত স্বত্ব নাপাইছিল। (**স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ** ডঃ সূৰ্য্যকুমাৰ ভূঞা, পৃঃ ২৪৮) ঠিক তেনেকৈ যুদ্ধলৈ যোৱা পাইকবিলাকে তেওঁলোকৰ ওপৰৰ বিষয়াৰ ভিতৰত বৰা কেইজনক সমূহীয়াভাবে নিৰ্বাচন কৰিছিল আৰু লাগিলে পদলৈকে বিষয়াসকলৰ বিৰুদ্ধে গোচৰ দিব পাৰিছিল। এনেকৈয়ে জনজাতীয় সামূহিক জীৱন আৰু স্বাধীনতাৰ এফেৰিমান বাচি আছিল। পিছলৈ অৱশ্যে এইকণ স্বাধীনতাৰ ওপৰতো ক্ৰমবৰ্দ্ধমান ৰাষ্ট্ৰযন্ত্ৰই থাপ মাৰিছিল।

প্ৰজাৰ ৰাজ্যৰ প্ৰতি এইখিনি মৰম আৰু আকৰ্ষণ থকা বাবেই পৰাক্ৰমী বিদেশী শক্তিৰ বিৰুদ্ধে গেৰিলা পদ্ধতিৰ যুদ্ধ সম্ভৱ হৈছিল। দেশৰ সমগ্ৰ জনগণৰ যুদ্ধবিদ্যাৰ লগত পৰিচয় থাকিলেহে আৰু বিদেশী শত্ৰুৰ প্ৰতি জনগণৰ অবিমিশ্ৰ বিৰাগ আৰু ঘৃণা থাকিলেহে ঠাইতে ওলাই খিতাতে লুকাই গে'ৰিলা পদ্ধতিৰ যুদ্ধ চলাই যোৱা সম্ভৱ। জে'নেৰেল জ্যাপে লেখিছে যে ত্ৰয়োদশ শতিকাত চীনৰ পৰা অহা বিপুল মংগল বাহিনীৰ বিৰুদ্ধে যুঁজোতে ভিয়েটনামৰ

বীৰ সেনাপতি ত্ৰান কুৱ'ক্ তুৱানে ( Tran Quoc Tuan ) বহুসংখ্যক সৈন্যৰে খণ্ডযুদ্ধ কৰাৰ উপৰিও জনগণৰ পৰা সংগঠিত অতৰ্কিত গেৰিলা আক্ৰমণেৰে শত্ৰুক ব্যতিব্যস্ত কৰি ৰাখিছিল। শত্ৰুৰ হাতত পৰাত কোনো ৰসদপাতি নপৰে তাৰ বাবে এইবোৰ দলে কঠা ব্যৱস্থা লৈছিল। ( উল্লিখিত গ্ৰন্থ, পৃঃ ৬২ ) অসমতো মীৰজুমলাৰ আক্ৰমণৰ সময়ত গেৰিলাপদ্ধতিৰ আৰু কমাণ্ড' ( Commando ) পদ্ধতিৰ যুদ্ধই আক্ৰমণকাৰী বাহিনীৰ মনোবল ভাঙি দিছিল। সুপ্ৰসিদ্ধ বুৰঞ্জীবিদ ডঃ সূৰ্য্যকুমাৰ ভূঞাই লেখিছে :

"The formidable weapon in the armoury of the Assamese was surprise atacks, specially made at night. Their army, divided into batches, lay in wait at all possible points covering the paths and retreats of the invaders. At times when the Moguls remained care-free in their camps perfectly satisfied that no enemy was lurking nearby, the Ahoms would fall upon them and carry off their men--the quarters from where the Ahoms came or directed their operation could neither be guessed or spotted."

( **Atan Buragohain And His Times**, Gauhati, 1967, pr. 27

*   *   *   *

"The position of the Moguls in Assam was a very unenviable one. Mir Jumla had nominally conquered the districts round Gargaon. But he could never dream of establishing a government there. The Assamese resented the idea of foreign domination, and whenever possible, they deserted their homes situated within the Mogul enclosures. By the end of 1662, the Moguls were anxious to return, if they could do so with some semblance of honour." (pr 28-29)

[ অসমীয়াৰ হাতত থকা অস্ত্ৰৰ ভিতৰত সকলোতকৈ ভয়ানক আছিল নিশাৰ আন্ধাৰত কৰা অতৰ্কিত আক্ৰমণ। শত্ৰুৰ আহযাহৰ বাটত সকলো সুবিধাজনক ঠাইত অসমীয়া সৈন্য খাপ দি আছিল। মোগল শিবিৰৰ অসতৰ্ক মুহূৰ্তত হঠাতে আবিৰ্ভাব হৈ মোগল সৈন্য ধৰি লৈ গৈছিল। কোন-

ফালৰ পৰা যে আহোমে এই আকস্মিক আক্রমণ চলাব আগধৰি কোনেও বুজিব পৰা নাছিল। : মৰ্মানুবাদ।

*　　*　　*

অসমত মোগল ফৌজৰ অৱস্থা দুখলগা হৈ পৰিল। গড়গাঁৱৰ দাঁতিকাষৰীয়া অঞ্চলবোৰ জয় কৰিলেও তাত মীৰজুমলাই মোগল শাসন প্ৰবৰ্তন কৰিব পৰা নাছিল। অসমীয়া সকলে বিদেশী প্ৰতিপত্তি মানি লব নোৱাৰি মোগলৰ দখলত থকা ঠাই এৰি গুচি গৈছিল। ১৬৬২ চনৰ শেষফালে মোগল ফৌজ মানেমানে উভতি যাবলৈ আকুল হৈ উঠিল। : মৰ্মানুবাদ]

এনে পৰিস্থিতিয়েই সূচায় যে আধুনিক অৰ্থত জাতীয়তাবাদী নহলেও মাতৃভূমিৰ প্ৰতি অসমীয়া জনগণৰ এক প্ৰবল আকৰ্ষণ আৰু অনুৰাগ আছিল।

কিন্তু সামন্ততন্ত্ৰৰ ইতিহাসত এনে পৰিস্থিতি স্থায়ী হোৱাটো সম্ভৱ নহয়। শোষণৰ মাত্ৰা আৰু পৰিমাণ বৃদ্ধি হোৱাৰ লগে লগে ৰজা-প্ৰজাৰ মাজৰ দূৰত্ব বৃদ্ধি পালে। বিভিন্ন বৃত্তি অনুযায়ী প্ৰজাৰ মাজত বেলেগবেলেগ জাতৰ সৃষ্টি হবলৈ ধৰিলে। বৈষ্ণৱ ধৰ্মৰ মাজতো সামন্ততন্ত্ৰৰ পৰিণতিৰ ফলত ক্ষয়িষ্ণুতাৰ বীজ সোমাল। উজনিত বৈষ্ণৱধৰ্ম প্ৰচাৰ কৰা গুৰু-গোসাঁই সকলে প্ৰজাক জাতকুল, ধুতিবিধুতিৰ মাহাত্ম্য শিকালে। বিভিন্ন জনগোষ্ঠিৰ লোক একেসাঁচত গঢ়ি উঠাৰ যি সম্ভাৱনা দেখা গৈছিল তাৰ ঠাইত দেখা গ'ল অসংখ্য বিভাজন আৰু বৈষম্যৰ সীমাৰেখা। সত্ৰ-সচং, দৌলদেৱালয়ক ৰজাঘৰে দান কৰা ভূসম্পত্তিৰ আয়তন যিমানে বৃদ্ধি পালে, সাধাৰণ প্ৰজাৰ মৰ্য্যাদা সিমানেই অধোগামী হ'ল। অনুমান কৰিব পাৰি যে এইবোৰ মাটিৰ পাইকে দৌল-দেৱালয়ৰ কামত লাগি থাকোঁতে আলি বন্ধা, গড় সজা, যুদ্ধবিগ্ৰহ কৰাবলৈ মন দিব লগা নহৈছিল। নামগুণ গাই থকা ভকতসকলেও এইবোৰ বৈষয়িক কামত হেলা কৰিবলৈ ধৰিছিল। ধাৰণা হয় যে শোষণৰ হেঁচাত সমসাময়িক বৈষয়িক জগতৰ পৰা সাধাৰণ প্ৰজাই তৃপ্তি পোৱা নাছিল আৰু বৈৰাগ্যৰ প্ৰতি আকৃষ্ট হৈছিল। গাৰ বলেৰে এই নদীৰ সোঁত ওভোটাই বোৱাব খোজা গদাধৰ সিংহ স্বাভাৱিকতে সফল নহ'ল।

অৱশেষত দেখা গ'ল যে সাধাৰণ প্ৰজাৰ আনুগত্য আৰু শৌৰ্য্যবীৰ্য্যৰ ওপৰত আহোম শাসকশ্ৰেণীয়ে ভৰসা কৰিব নোৱাৰা হৈছে। "কাঢ়ী-পাইক" পদ্ধতিৰে কৃষক-সৈনিকৰ ওপৰত নিৰ্ভৰ নকৰি আহোমেও ভেৰোণীয়া সৈন্যদল সৃষ্টি কৰিলে। ৰাজেশ্বৰ সিংহৰ দিনৰ পৰাই ৰজাঘৰে বিদেশী শত্ৰুৰ দৰে

বিক্ষুব্ধ আৰু অসন্তুষ্ট প্ৰজাৰ পৰাও বিপদ আশংকা কৰিছিল। সেই বিপদৰ পৰা পৰিত্ৰাণ পাবলৈ আহোম শাসকশ্ৰেণীয়ে ভেবোণীয়া সৈন্যদল সৃষ্টি কৰিলে: "আতপাচে বুঢ়াগোহাঁই ডাঙৰীয়াই চুবাদাৰ এটা আৰু জমাদাৰ দুটা ৰাখি কিছুমান সৈন্যক চিপাহীধৰণে শিকাই-বুজাই ললে। তালৈকে তিন ধৰি যুদ্ধৰ নিয়ম শিকাই ঠাঁৰ কোম্পানী চিপাহী তৈয়াৰ কৰিলে।" (**সাতসৰি অসম বুৰঞ্জী**, পৃঃ ১৭১)। এনেধৰণৰ বেতনভোগী সৈন্যদল সৃষ্টি হোৱাৰ পিছত সৈন্য আৰু প্ৰজাৰ সহযোগিতাৰ পথ আৰু ঠেক হৈ পৰিল। সম্পৰ্কটো হৈ পৰিল শোষণ আৰু দমনৰ। আচৰিত নহয় যে মোৱামৰীয়া বিদ্ৰোহৰ সময়ত অ'ৰ ত'ৰ পৰা গোটাই অনা বজাঘৰীয়া সৈন্যই মোৱামৰীয়াবোৰ দমন কৰিবলৈ বিশেষ ইচ্ছুক নাছিল। কাৰণ বজাঘৰীয়া সৈন্য অৰ্থনৈতিক আৰু সামাজিকভাৱে মোৱামৰীয়া লোকসকলৰ দৰেই নিপীড়িত আৰু শোষিত আছিল. বজাঘৰৰ প্ৰতি তেওঁলোকৰ বিশেষ প্ৰীতি থকাৰ কোনো কাৰণ নাছিল। মানৰ আক্ৰমণৰ সময়ত অসমীয়া প্ৰজা সকলোৱে [illegible] বুৰঞ্জীত পোৱা যায়. মোগল বাহিনীক বাধা দিয়াৰ দৰে মানসেনাক জুলুম কৰাৰ কথা বুৰঞ্জীত নাই। চন্দ্ৰকান্ত সিংহই ভেবোণীয়া সৈন্যৰে মানৰ অভিযান প্ৰতিৰোধ কৰিবলৈ গৈছিল—আচৰিত নহয় যে শৰাইঘাটৰ পুনৰাবৃত্তি আৰু নহ'ল। আনহাতে ক্ষয়িষ্ণু সামন্তবাদৰ বিৰুদ্ধে নিপীড়িত কৃষক প্ৰজাৰ ভাৱধাৰাই দিলে অনুপ্ৰেৰণা, ঐক্যভাৱ আৰু সমূহৰ স্বাৰ্থত আত্মত্যাগ কৰাৰ মনোবৃত্তি প্ৰদৰ্শন কৰে. মোৱামৰীয়া বিদ্ৰোহত সেই সকলোবোৰ লক্ষণ ফুটি উঠিছিল। সেয়েহে অনুন্নত অস্ত্ৰশস্ত্ৰ সত্ত্বেও মানসিক উদ্দীপনাৰ বলত অভূতপূৰ্ব ক্ষমতাৰে এনেবোৰ গণঅভ্যুত্থান অপ্ৰতিৰোধ্য কৰি তুলিছিল।

মোৱামৰীয়া বিদ্ৰোহ সম্পৰ্কে সম্প্ৰতি আৰো গৱেষণা আৰু আলোচনা হবলৈ ধৰিছে। এই বিদ্ৰোহৰ ফলত যে আহোম ৰাজ্যৰ ভেৰা দুৰ্বল হৈছিল, সেই সম্পৰ্কে কাৰো সন্দেহ নাই। বজাঘৰীয়া তথা শাসকশ্ৰেণীৰ উৎপীড়নেই যে বিদ্ৰোহৰ টিঙিৰি-তুলা জ্বলাই দিলে সিও বিতৰ্কৰ বিষয় নহয়। প্ৰশ্ন হ'ল, মোৱামৰীয়া বিদ্ৰোহৰ সামাজিক ভিত্তি আছিল কোন শ্ৰেণী? তেওঁলোকৰ বিক্ষোভ আৰু বিদ্ৰোহৰ কেন্দ্ৰীয় দাবী কি আছিল? এজন বিদ্বানে কবলৈ বিচাৰিছে যে মোৱামৰীয়া মহন্তৰ জনজাতীয় আৰু অজনজাতীয় প্ৰজাই বিদ্ৰোহৰ সময়ত উন্নত খেতিয়কশ্ৰেণীৰ আৰু কাৰিকৰ শ্ৰেণীৰ সহযোগিতা পাইছিল। দেশত শস্যউৎপাদন বৃদ্ধি পোৱাৰ ফলত সাধাৰণ

প্ৰজাই গা-খাটি দিয়া নিয়মৰ সলনি টকাৰে খাজানা দিবলৈ বিচাৰিছিল। অৰ্থাৎ সামন্ততন্ত্ৰৰ বিৰুদ্ধে প্ৰগতিশীল শ্ৰেণী এটাই থিয় দি বিদ্ৰোহৰ গুৰি ধৰিছিল।

আমি এই মতত এতিয়াও পতিয়ন যাব নোৱাৰিলোঁ। আহোম ৰাজ্যত হাটবজাৰ বহিছিল আৰু সেইবোৰত ধনৰ বিনিময়ত প্ৰজাই প্ৰয়োজনীয় বস্তু কিনিব পাৰিছিল। তথাপি সাধাৰণ প্ৰজাই বজাৰত বেচিবলৈ প্ৰচুৰ সামগ্ৰী উৎপাদন কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে, কাৰণ প্ৰজাৰ ভাগত মাত্ৰ দুপুৰা মাটিৰ উৎপাদনহে আছিল। ডা-ডাঙৰীয়া সকলে তেওঁলোকৰ খাতৰ উৎপন্ন বিক্ৰী কৰি নিশ্চয় ধনসংগ্ৰহ কৰিছিল আৰু তাৰে বিবিধ শিল্পজাত আৰু বিলাসী সামগ্ৰী কিনিছিল। কিন্তু এনে শিল্পজাত সামগ্ৰীৰ কাৰিকৰ আৰু বিলাসী সামগ্ৰীৰ যোগনীয়াৰ আছিল সংখ্যাত এমুঠি। তেওঁলোকৰ জৰীয়তে সাধাৰণ প্ৰজাৰ মাজলৈ অজস্ৰ টকা সোমাই যোৱা নাছিল। ৰজাঘৰেও নিজৰ প্ৰয়োজনীয় বহুবিধ সামগ্ৰী বজাৰত কিনাতকৈ টোলতে সুদক্ষ শিল্পীৰ হতুৱাই গঢ়াই লৈছিল। তেনেস্থলত সাধাৰণ প্ৰজাৰ হাতত টকা জমা হোৱা, বা সেই টকাৰে সাধাৰণ প্ৰজাই দুপুৰাতকৈ বেছি মাটি কিনাটো যুক্তিসংগত ধাৰণা নহয়। সেয়ে সামন্ততন্ত্ৰৰ উৎপীড়নত ক্ষুব্ধ প্ৰগতিশীল খেতিয়ক এচামে মোৱামৰীয়া বিদ্ৰোহীসকলৰ লগত সহযোগিতা কৰাৰ প্ৰমাণ বিশেষ নাই। তেনেকৈ বৃত্তিজীৱী শিল্পী কিছুমানে মোৱামৰীয়া বিদ্ৰোহত যোগ দিলেও তেওঁলোকক বিদ্ৰোহৰ ঘাই নেতা বুলিব নোৱাৰি। শেষলৈকে দেখা গৈছে যে বিভিন্ন অভ্যুত্থান আৰু দ্ৰোহত নেতৃত্ব দিছে মোৱামৰীয়া মহন্ত বা তেওঁৰ বংশধৰ, উচ্চাভিলাষী আহোম কোঁৱৰ বা ডাঙৰীয়া ঘৰৰ সন্তান, হাউহা তাঁতীৰ দৰে কোনোবা বৃত্তিজীৱী কাৰিকৰ নাইবা মৰাণ-মটক জনগোষ্ঠীৰ কোনো কৰ্মঠ লোকে। উন্নত কৃষিজীৱী নাইবা পণ্যজীৱী কাৰিকৰে এই বিদ্ৰোহত প্ৰধান অংশ লৈছিল বা নেতৃত্বত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল বুলি ভবাৰ কোনো সকাম নাই। আনহাতে ডা-ডাঙৰীয়া শ্ৰেণীয়ে যে সাধাৰণ প্ৰজাৰ ওপৰত বেছি হেঁচা দিবলৈ ধৰিছিল তাৰ বিস্তৰ প্ৰমাণ আছে। বৃত্তিজীৱী লোক আৰু বিষয়াৰ সংখ্যা আৰু শাখা-প্ৰশাখা বাঢ়ি যোৱাৰ ফলত সাধাৰণ প্ৰজাৰ ওপৰত (কাঁড়ী-পাইক) বেছিকৈ হেঁচা পৰিছিল। নতুনকৈ খেতি কৰিবলৈ সুচল মাটিও নাছিল, কৃষি-কৌশলৰো বিশেষ উন্নতি হোৱা নাছিল। ফলত তাকৰীয়া উৎপাদনৰ ওপৰত পৰজীৱী লোকৰ হেঁচা বেছিকৈ পৰাটো

অস্বাভাৱিক নাছিল। লগেলগে প্ৰজাৰ অসন্তোষ, আৰু অসন্তোষ দমাবলৈ দণ্ডনীতিৰ অন্ধ কঠোৰতা আৰু ধৰ্মৰ আধ্যাত্মিক আত্মসমৰ্পণৰ প্ৰচাৰ বাঢ়ি গৈছিল।

মানৰ গৰাহৰ পৰা অসম মুকলি হোৱাৰ পিছত শোৱালকুচিৰ তাঁতী, সৰ্থেবাৰীৰ কহাঁৰ আৰু বৰপেটাৰ ব্যৱসায়ী শ্ৰেণী পুনৰ মূৰ দাঙি উঠিল। কাৰণ মোটামুটিভাৱে এইবোৰ শ্ৰেণী আছিল পণ্যজীৱী আৰু তেওঁলোকৰ পণ্যৰ এখন নিৰ্দিষ্ট বজাৰো তেওঁলোকে ইতিপূৰ্বে গঢ়ি লৈছিল। কিন্তু উজনি অসমৰ বৃত্তিজীৱী আৰু কাৰিকৰ শ্ৰেণীৰ লোক ব্ৰিটিছ আগমনৰ পিছত বেছি টিকি থকা নাছিল। তেওঁলোকৰ বেছিভাগেই অসম সমাজৰ ভিতৰতে খেতিবাতিত লাগি গ'ল। সম্ভৱতঃ ব্ৰিটিছ শিল্পজাত দ্ৰব্যৰ প্ৰতিযোগিতায়ো তেওঁলোকক বিপদত পেলাইছিল। কিন্তু উজনি অসমত ইতিপূৰ্বে পণ্য-অৰ্থনীতি সবল নোহোৱা বাবেও এই ঘটনা ঘটিছিল। ডা-ডাঙৰীয়াৰ অনুগ্ৰহলৈ বাট চাই থকাতকৈ স্বাধীন খেতিয়ক হিচাপে জীৱিকা নিৰ্বাহ কৰিবলৈ এওঁলোকৰ আগ্ৰহ বেছি হোৱাটো স্বাভাৱিক আছিল।

উজনি অসমত বস্তুৰ বিকিকিনা চলিছিল।—প্ৰজাই সামান্য উদ্বৃত্ত বজাৰত বেচি সেই ধনেৰে আন প্ৰয়োজনীয় বস্তু কিনিছিল। বিনিময়ৰ মাধ্যম হিচাপে মুদ্ৰাৰ ব্যৱহাৰ হৈছিল। ডা-ডাঙৰীয়া সকলৰ ঘৰত প্ৰচুৰ অৰ্থ গোট খাইছিল, তেওঁলোকে সোণ অলংকাৰ আদি বিলাসী সামগ্ৰীত সেই অৰ্থ ব্যয় কৰিছিল। মাটিৰ স্বত্ব হস্তান্তৰ কৰাৰো দুই এটা উদাহৰণ নোপোৱা নহয়। কিন্তু সমগ্ৰ অৰ্থনীতিৰ এক অতি সামান্য অংশহে পণ্যৰ প্ৰভাৱত পৰিছিল। আহোম ৰাজত্বৰ শেষতীয়া স্তৰতো বিষয়াক ধনেৰে দৰমহা দিয়া নিয়ম হোৱা নাছিল — মুদ্ৰাৰ প্ৰচলনো কিমান সীমিত আছিল তাৰ পৰাই বুজা যায়। আমি সেয়ে নাভাবো যে মোৱামৰীয়া বিদ্ৰোহে পণ্য উৎপাদন আৰু পণ্য প্ৰচলনৰ পৰা বিশেষ প্ৰেৰণা পাইছিল।

আমাৰ ধাৰণা যে "কাড়ীপাইক"ৰ শ্ৰেণীৰ অৰ্থনৈতিকভাৱে দুৰ্বল আৰু সামাজিকভাৱে নিপীড়িত প্ৰজাই মোৱামৰীয়া বিদ্ৰোহৰ ঘাই শক্তি আছিল। চক্ৰধ্বজ সিংহৰ দিনলৈকে জনজাতীয় স্বাধীনতাৰ যি অৱশেষ তেওঁলোকে ভোগ কৰি আছিল, আৰু আহোমে প্ৰবৰ্তন কৰা নতুন অৰ্থনীতিত যি সচ্ছলতাৰ মুখ দেখিছিল, তাৰ ঠাইত ক্ৰমে বিকৃত শাসনযন্ত্ৰ আৰু বিলাসিতাৰ খৰচ যোগাবলৈ আৰম্ভ হ'ল নিৰ্দয় শোষণ আৰু সন্ত্ৰাসধৰ্মী দমননীতি। একো

একোজন বিষয়াই আগৰ ৰজাতকৈ বেছি ক্ষমতা দখল কৰি প্ৰজাৰ ওপৰত তুমুল উৎপীড়ন আৰম্ভ কৰিলে। বাঘৰ মৰাণৰ প্ৰতি- কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ ব্যৱহাৰ তাৰ এটা উদাহৰণ মাত্ৰ। প্ৰজা যে তেওঁলোকৰ সকলো সম্পদৰ সৃষ্টিকৰ্তা, এই কথা বুজিবলৈ ডা-ডাঙৰীয়া সকলৰ আৰু উপায় নাছিল। প্ৰজাক তেওঁলোকে প্ৰায় গোলামৰ দৰে ব্যৱহাৰ কৰিবলৈ ধৰিছিল।

আচৰিত নহয় যে মোৱামৰীয়া বিদ্ৰোহীৰ লগত হাত মিলাইছিল বহু নিৰ্যাতিত আৰু অৱদমিত জাতিয়ে। মটকৰ লগতে কৈৱৰ্ত, হা'ৰি, কছাৰী, ডফলা, মিৰি, মিচিমিয়েও বিদ্ৰোহ আচৰণ কৰিছিল। কিন্তু মোৱামৰীয়া মহন্তৰ শিষ্য নহলে আন হিন্দু সম্প্ৰদায়ৰ প্ৰজাই বিদ্ৰোহত যোগ দিয়া নাছিল বুলিয়েই ধাৰণা হয়। সেইবোৰ সম্প্ৰদায়ৰ প্ৰজাই আধ্যাত্মিক আত্মসমৰ্পণ আৰু জাতিভেদৰ মন্ত্ৰণাত বাৰুকৈয়ে মোহগ্ৰস্ত হৈছিল যেন লাগে। এইবোৰ সম্প্ৰদায়ৰ লোকৰ ৰজাঘৰৰ প্ৰতি আনুগত্যৰ বাবেই বোধহয় মোৱামৰীয়া বিদ্ৰোহীয়ে তেওঁলোকৰ গাওঁ জ্বলাই তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰিছিল।

বিদ্ৰোহৰ প্ৰথম পৰ্যায়ত নেতৃত্ব লবলৈ প্ৰজাৰ সাহস হোৱা নাছিল। মোহনমালা বৰগোহাঁইক আগ কৰি মোৱামৰীয়া সৈন্যই ৰজাঘৰীয়া সৈন্যক ৰবাইছিল। "মাৰি যাওঁ মৰি যাওঁ গুৰুৰ ঋণ শুজি যাওঁ" বুলি গুৰুৰ নাম স্মৰি মোৱামৰীয়া প্ৰজা যুদ্ধক্ষেত্ৰত অপৰাজেয় হৈ উঠিছিল। কিন্তু পিছলৈ মোৱামৰীয়া মহন্তৰ বিদ্ৰোহীসকলৰ ওপৰত প্ৰভাৱ নোহোৱা হ'ল। বাঘৰ মৰাণৰ লগত মহন্তৰ বিবাদ লাগিল। নৱম অধিকাৰ নিহত হোৱাৰ পিছতে। চৌদ্দবছৰকাল অধিকাৰ পদ শূন্য আছিল। গৌৰীনাথ সিংহই ১৭০৬ শকত পীতাম্বৰ দেৱক মোৱামৰীয়া মহন্ত পাতে মোৱামৰীয়া গাওঁবুঢ়া দুজনৰ পৰামৰ্শ লৈ। কিন্তু আনকৃষ্ণদেৱৰ কনিষ্ঠ পুত্ৰৰ প্ৰপৌত্ৰ হোৱা সত্বেও এচাম মোৱামৰীয়াই পীতাম্বৰ দেৱক নামানি হৰিময় আৰু কাচিনলীয়া ভবানন্দকহে গুৰু মানিলে। ( দ্ৰষ্টব্য. **স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ**, পৃঃ ১৬০-১৬১ ) তাৰ পিছত ১৭০৯ চনত গৌৰীনাথ সিংহক পৰাস্ত কৰি মোৱামৰীয়া নেতা হাউহা তাতীয়ে যোগেন্দ্ৰ নাম লৈ সিংহাসনত বহে। ৰংপুৰত পীতাম্বৰ দেৱে ডেকাগোসাঁই ভৰথীক ৰজা পাতিলে। ( দ্ৰষ্টব্য, **উল্লিখিত গ্ৰন্থ**, পৃঃ ১৬৩ ) এনেকৈ দেখা যায় যে মোৱামৰীয়া প্ৰজাৰ মাজত "সম্ভ্ৰান্ত" মানুহৰ প্ৰতি ভয়ভাব গুচি আত্মবিশ্বাস জন্মিছে আৰু নিজৰ সমনীয়া মানুহকে তেওঁলোকে নেতা আৰু শাসক পাতি লৈছে। তাৰ লগেলগে অৱৰুদ্ধ তেওঁলোকৰ মাজত বিভেদ,

অনৈক্য আৰু বিচ্ছিন্নতাও বাঢ়ি আছে। ভিনভিন ঠাইত কেবাজনো ৰজা হৈ বহিছিল। কোনো কোনো বিষয়ে ভবাদৰে এটা অৰ্থনৈতিক আৰু সামাজিকভাবে উন্নত শ্ৰেণীয়ে বিদ্ৰোহৰ নেতৃত্ব লোৱা হলে এই অৱস্থা হ'বলৈ নাপালেহেঁতেন। এই বহুবিভক্ত বিদ্ৰোহী প্ৰজা দমন কৰিবলৈ দুৰ্বল আহোমসকলৰ সুবিধা হ'ল।

মোৱামৰীয়া বিদ্ৰোহ আছিল উৎপীড়ন আৰু প্ৰবল শোষণৰ বিৰুদ্ধে বিদ্ৰোহ। কিন্তু মোৱামৰীয়াসকলৰ সন্মুখত কোনো পৰিষ্কাৰ আৰু নিৰ্দিষ্ট কৰ্মসূচী নাছিল। সমাজৰ অন্যায়-অবিচাৰ সংস্কাৰ কৰি নতুনকৈ গঢ়াৰ কোনো পৰিকল্পনা তেওঁলোকৰ মাজত দেখা নাযায়। সেয়ে ইয়াক গণবিপ্লৱ বোলাতকৈ গণঅভ্যুত্থান বোলাই শ্ৰেয়। এইবাবেই মোৱামৰীয়া প্ৰজাৰ নেতৃত্ব আৰু সংগঠন ইমান শিথিল আছিল। মোৱামৰীয়া মহন্তৰ নিয়ন্ত্ৰণ থকা পৰ্যন্ত সংগঠন আৰু শৃংখলাৰ আভাস মোৱামৰীয়াৰ মাজত পোৱা গৈছিল। কিন্তু মহন্তৰ লগত বিবাদ লগাৰ পিছৰ পৰা মোৱামৰীয়া শাসনে অৰাজক অৱস্থা ললে। অন্যান্য সম্প্ৰদায়ৰ প্ৰজা আৰু অনান্য সত্ৰৰ শিষ্যসকলক কৌশল আৰু বন্ধুত্বৰে নিজৰফলীয়া কৰি লোৱা পৰিকল্পনা তথা নেতৃত্ব মোৱামৰীয়াৰ নাছিল। আহোমে ৰাজপাট পুনৰ ঘূৰাই পোৱাত সিও এক সুবিধা হ'ল।

কিন্তু ভৱিষ্যৎমুখী বিপ্লৱ নহলেও মোৱামৰীয়া বিদ্ৰোহৰ এনে কিছুমান বৈশিষ্ট্য আছে যি পৰৱৰ্তী যুগৰ প্ৰগতিশীল লোকসকলক বিস্মিত আৰু মুগ্ধ নকৰি নোৱাৰে। ভলুকাগোঁহাইৰ টোকোন আৰু কাঠৰ দা জোকাৰি মৰণলৈ ভয় নকৰি ৰণচণ্ডি ধৰা প্ৰজাৰ উদ্দীপনা, ঐক্য আৰু সাহস কোনে ক্ষুণ্ণ কৰিব! পথাৰত মহলা কৰোঁতে মোৱামৰীয়া সৈন্যক টোকোনত চেকনিৰে কোবাই নাম ধৰিছিল :

পৰজা ঐ ভৰো-বোৰা।
চেকনি ঐ চপাই ধৰা॥ ( বুঞ্জা, পৃঃ ৫৫ )

এই ধৰণৰ গীতমাতৰ অৱশেষ সংগ্ৰহ কৰিবলৈ আজিও কোনো আপত্তি নাছিল।

ৰাজসিংহাসন ঘূৰাই পোৱাৰ পিছত গৌৰীনাথ সিংহই পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ সহযোগিতাত ৰক্তাক্ত সন্ত্ৰাস চলালে। "মোৱামৰীয়াক যেয়ে য'তে পায়, তাতে ধৰি ধৰি সপুত্ৰবান্ধৱে মাৰক"—এই আজ্ঞা ৰাজাৰ কেউফালে শুনাই

দিয়া হ'ল। মায়ামৰা বংশাৱলীমতে আঠলাখ মোৱামৰীয়াক হত্যা কৰা হ'ল। এই দুৰ্যোগৰ সময়ত মোৱামৰীয়া সকলে সংঘবদ্ধভাবে মৃত্যুবৰণ কৰিছিল, এটাক ধৰিলে দহোটাই তাক ৰক্ষা কৰিবলৈ আহি প্ৰাণ দিছিল। ( ভূঞা, পৃঃ ১৬০ )

মোৱামৰীয়াৰ এই বিদ্ৰোহ যেহেতু সমাজৰ নিম্নতম আৰু নিৰ্যাতিত শ্ৰেণীৰ বিদ্ৰোহ, ইয়াত তিৰুতাই এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। পৃথিবীৰ সকলো গণতান্ত্ৰিক বিপ্লৱত নাৰীমুক্তিৰ মন্ত্ৰ প্ৰচাৰিত হয়। ৰাধা-ৰুক্মিণীৰ বাহিৰেও ডঃ ভূঞাই এঘাৰগৰাকী বীৰাংগণা মহিলাৰ নামোল্লেখ কৰিছে যিসকলে "দুষ্ট ৰজাৰ পদাতি"ক খেদি গৈ আক্ৰমণ কৰিছিল। মোৱামৰীয়া বিদ্ৰোহৰ গণতান্ত্ৰিক সম্ভাৱনাৰ ইংগিত এনেঘটনাৰ পৰাই পোৱা যায়।

মোৱামৰীয়া মহন্তই পিছলৈ বিদ্ৰোহৰ বানপানী সোঁতত বোৱাব নোৱাৰা হ'ল, সি দুকূল বাগৰি উপচি পৰিল। কিন্তু প্ৰথম অৱস্থাত মোৱামৰীয়া মহন্তই বিদ্ৰোহৰ প্ৰেৰণাদাতা আৰু অবিসম্বাদী নেতা হোৱাৰ কাৰণ আছে। মোৱামৰীয়া মহন্তৰ সা-সম্পত্তি অন্যান্য সত্ৰাধিকাৰ সকলতকৈ বহুত বেছি আছিল। কিন্তু ৰজাঘৰৰ তুলনাত সাধাৰণ প্ৰজাৰ লগত মোৱামৰীয়া মহন্তৰ ঘনিষ্ঠতা বহুত বেছি আছিল। মোৱামৰীয়া মহন্তই পতা সত্ৰৰ ওচৰে পাজৰে আছিল বৰাহী-মৰাণ প্ৰজা। আন আন মহন্ত-মহাজনে জাতকুল, শুদ্ধাচাৰৰ ওপৰত দিয়া গুৰুত্ব মোৱামৰীয়া মহন্তই নিদিছিল। অন্যান্য সত্ৰৰ মাজত কোৱাকুই চলিছিল যে মোৱামৰীয়া মহন্তই কছাৰী-মৰাণৰ দৰে শুকান মাছ খায়। শিষ্যই দিয়া চিৰা সন্দেহ গুৰুৱে নিজহাতে গুৰ-গাখীৰ সানি নিজেও খাইছিল, শিষ্য-ভকতকো দিছিল। অন্যান্য সংহতিৰ লোকে এনেকথা শুনি ভূমি চুই কৰ্ণত হাত দিছিল। কিন্তু জনজাতীয় গোষ্ঠীৰ লোকক এনে উদাৰ মনোভাৱৰ অবিহনে দীক্ষা দিয়াটো সম্ভৱ নাছিল। তেওঁলোকৰ দুই-এক আচাৰ অনুকৰণ কৰাটো আজিৰ দৃষ্টিভংগীৰ পৰা দোষনীয়তো নহয়েই, বৰং দূৰদৃষ্টিসম্পন্ন আৰু প্ৰগতিশীল পদক্ষেপহে আছিল। কিন্তু অন্যান্য বৈষ্ণৱ মহন্তসকলে এইটো কাৰণতে মোৱামৰীয়া মহন্তক আক্ৰোশৰ চকুৰে চাইছিল। কট্‌কটিয়া জাতিভেদপ্ৰথা প্ৰৱৰ্তন কৰি প্ৰজাক বিভিন্ন জন্মগত বৃত্তিত অভ্যস্ত কৰাবলৈ তেওঁলোকে অহোপুৰুষাৰ্থ কৰিছিল। এনে প্ৰচাৰত তেওঁলোকে ৰজাঘৰীয়া উৎসাহ পাইছিল। অসমৰ সাধাৰণ প্ৰজাই নিৰ্বিবাদে কঠোৰ জাতিভেদ প্ৰথা মানি পুৰুষানুক্ৰমে বিভিন্ন বৃত্তি আৰু সেই অনুযায়ী আৰ্থিক

মজুৰি গ্ৰহণ কৰা হলে প্ৰজাৰ মনৰ পৰা বিদ্ৰোহৰ ভাব লুপ্ত হ'লহেঁতেন। লগতে শোষণ আৰু নিষ্পেষণৰ ৰূপো অমানুষিক হৈ উঠিলহেঁতেন। হৰিৰাম ঢেকিয়াল ফুকনৰ বুৰঞ্জীত অসমীয়া ৰাইজৰ মাজত জাতপাতৰ অপেক্ষাকৃত শিথিলতা আৰু নানাবিধ "আদিম" অনুষ্ঠানৰ প্ৰচলনৰ পৰিচয় দিয়া হৈছে। আমাৰ মতে সেই বৈশিষ্ট্য অসমীয়া সমাজৰ গৌৰৱ। এই গৌৰৱ ৰক্ষা কৰাত মোৱামৰীয়া বিদ্ৰোহৰ অৱদান অপৰিসীম।

[ প্ৰবন্ধটো ৰচনা কৰোঁতে সময়ত উল্লিখিত গ্ৰন্থ কেইখনৰ উপৰিও অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ "অসম বুৰঞ্জী সাৰ" (সম্পাদক ড° প্ৰতাপচন্দ্ৰ চৌধুৰী), "সাতসৰী অসম বুৰঞ্জী" (সম্পাদক ড° সূৰ্য্যকুমাৰ ভূঞা), "দেওধাই অসম বুৰঞ্জী" (সম্পাদক ড° সূৰ্য্যকুমাৰ ভূঞা) আৰু Dr. S. K. Bhuyan ৰচিত **Lachit Barphukan And His Times** মনাই চাবলগীয়া হৈছিল।

মোৱামৰীয়া বিদ্ৰোহৰ সম্পৰ্কে ড° সূৰ্য্যকুমাৰ ভূঞাৰ "**স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ**" (অসম প্ৰকাশন পৰিষদ, ১৯৭৫) কিতাপখনৰ পৰিশিষ্টত বহু মূল্যবান নতুন তথ্য যোগ হৈছে। আমি তাৰ ব্যাখ্যা আগবঢ়াবলৈ চেষ্টা কৰিছোঁ।

মোগল যুদ্ধবিদ্যা আৰু মোগল সৈন্যবাহিনী সম্পৰ্কে William Irvine ৰ **Army of the Indian Moghuls** (Reprint New Delhi, 1961) কিতাপখন আজিলৈকে প্ৰামাণ্য গ্ৰন্থ বুলি স্বীকৃত হৈ আছে। ]

# "বাণীকান্ত কাকতী, নাৰী আৰু প্ৰেম"

## ( শ্ৰীযুত মণীন্দ্ৰ দাস আৰু শ্ৰীঅজয় মিশ্ৰলৈ )

অসমৰ কৃতবিদ্য বিদ্বান বাণীকান্ত কাকতীৰ ৰচনাৱলীৰ একাংশ নাৰী আৰু প্ৰেম সম্পৰ্কে। ভৱানন্দ পাঠকৰূপে অসমৰ একশৰণ নামধৰ্মৰ মাহাত্ম্য প্ৰতিষ্ঠা কৰা বাণীকান্তৰ কৌতূহল আৰু গৱেষণাৰ বহল অংশ এটা নাৰী আৰু প্ৰেম সম্পৰ্কীয় ৰচনাই অধিকাৰ কৰাটো ৰহস্যজনক কথা। অসমৰ নতুন মধ্যবিত্ত শ্ৰেণীৰ মাজত এহাতে যেনেকৈ পছিমীয়া আৰু বঙলা সাহিত্যৰ প্ৰভাৱে ৰোমান্তিক প্ৰেমৰ হাবিয়াস সৃষ্টি কৰিলে ( সামন্তবাদী আচাৰনিষ্ঠ সমাজৰ শাসনৰ পৰা আংশিক মুক্তিয়েও শিক্ষিত আৰু অৱস্থাপন্ন ঘৰৰ মানুহৰ চেতনাত নিশ্চিত পৰিবৰ্তন আনিছিল ), তেনেকৈ স্বদেশীয় সমাজৰ অৱহেলিত বা গোপন আৰু অৱদমিত ঐতিহ্যসমূহৰ প্ৰতিও মুকলি মনোভাৱ সত্ত্বৰ কৰি তুলিলে। হলিৰাম ঢেকিয়াল ফুকনৰ "অসম বুৰঞ্জী"ত বিহু আদি লৌকিক আচাৰৰ প্ৰতি মধ্যবিত্তৰ প্ৰথম পুৰুষৰ যি বিতৃষ্ণা আৰু অৱজ্ঞা দেখা যায়, যেজৰকৰাৰ যুগত তাৰ ঠাইত সহিষ্ণুতা, সহানুভূতি, আনকি সন্মানৰ ভাব ফুটি উঠে। বাণীকান্ত কাকতীৰ ক্ষেত্ৰতো এনে এটা যুগসন্ধি লক্ষ্য কৰিব লগীয়া। অসমৰ উচ্চবৰ্ণৰ হিন্দু সমাজত বৈদিক তথা উত্তৰ ভাৰতীয় চিন্তাধাৰাৰ প্ৰভাৱে যিবোৰ আচাৰ, ৰীতিনীতি বা ধ্যান-ধাৰণাক অস্পৃশ্যৰূপেহে স্বীকৃতি দিছিল, ব্ৰিটিছ শাসনৰ নতুন বাতাৱৰণে সেইবোৰৰ প্ৰতি নতুন আৰু সংস্কাৰমুক্ত মনোভাৱ জন্ম দিলে। একেদিনেই

যে এনে ঘটনা ঘটিছিল, বা ডঃ কাকতীৰ বিচাৰ যে সম্পূৰ্ণ নিৰপেক্ষ আছিল, তেনে নহয়। কিন্তু এনে এটা পৰিবৰ্তন আহিছিল। তাক বুজিবলৈ চেষ্টা কৰিলে আমি নিঃসংশয়ে অসমীয়া মধ্যবিত্তৰ চিন্তাধাৰা আৰু চৰিত্ৰ সম্পৰ্কে আৰু বহুত কথাৰ ভূ পাম।

বাণীকান্ত কাকতীৰ জীৱনৰ অন্যতম শ্ৰেষ্ঠ কীৰ্তি হ'ল তেখেতৰ ১৯৪৮ চনত প্ৰকাশিত "The Mother Goddess Kamakhya" নামৰ তিনিশ পৃষ্ঠাৰ কণমান কিতাপখন। এই অকণমান কিতাপখনতে কাকতীৰ বিস্তৃত অধ্যয়নৰ যথেষ্ট প্ৰমাণ পোৱা যায়। নানা শাস্ত্ৰ পুথি, কিংবদন্তী আৰু উপাখ্যানৰ মাজেদি ছাঁয়ামায়াকৈ ধৰা দিয়া প্ৰাচীন অসমৰ ধৰ্মীয় তথা সাংস্কৃতিক ইতিহাস তেওঁ উদ্ধাৰ কৰিছিল। তেওঁৰ এই গৱেষণাত এফালে তেখেতৰ প্ৰবল অনুসন্ধিৎসা আৰু আনফালে তেখেতৰ তীক্ষ্ণ সমালোচনামূলক ( critical ) আৰু বিশ্লেষণাত্মক ( analytical ) ক্ষমতাৰ পৰিচয় পোৱা যায়। আখ্যান-উপাখ্যানৰ কাল্পনিক আতিশয্যৰ মাজেৰে বাস্তৱ ইতিহাসৰ ক্ষীণ সূত্ৰ আৱিষ্কাৰ কৰাটো প্ৰথমশ্ৰেণীৰ প্ৰতিভাৰ লক্ষণ। তদুপৰি এনেদৰে পোৱা তথ্যবোৰৰ ব্যাখ্যাত তেওঁৰ মনৰ বলিষ্ঠ সংগঠনশক্তি বঢ়িয়াকৈ ওলাই পৰিছে।

কিতাপখনৰ প্ৰকৃত বিষয়বস্তু হ'ল "প্ৰাচীন কামৰূপৰ ধৰ্মীয় ইতিহাস।" অসমত শ্ৰীমন্ত শংকৰে একশৰণ নামধৰ্ম প্ৰতিষ্ঠা কৰাৰ পূৰ্বে অসমৰ ধৰ্মীয় পটভূমি কেনে আছিল কিতাপখনত তাৰেই ইংগিত দিয়া হৈছে। কালিকা-পুৰাণ আৰু যোগিনী তন্ত্ৰত ভেঁজা দি কাকতীয়ে কৈছে যে অতীতত অসমৰ অধিবাসী সকলৰ মাজত শিৱপূজা আছিল জনপ্ৰিয় ধৰ্মমত। মিথিলাৰ নৰকে কিৰাতসকলক জয় কৰি কামৰূপত কামাখ্যাদেৱীৰ পূজা প্ৰচলন কৰিলে। কিন্তু স্থানীয় শৈৱসকলৰ তীব্ৰ বিৰোধিতাৰ ফলত শক্তিপূজাৰ অৱনতি ঘটে। সম্ভৱতঃ বৌদ্ধ তন্ত্ৰৰ যুগত শাক্ত ধাৰাৰ পুনৰ প্ৰভাববৃদ্ধি হয়। কামাখ্যা-ত্ৰিপুৰা-পাৰ্বতী—এই তিনিৰূপত দেৱীৰ বিকাশ সাধিত হয়। তাম্ৰেশ্বৰীৰ মন্দিৰত আদিম অধিবাসী সকলৰ আৰাধ্যা দেৱীৰ অন্য এক ৰূপ প্ৰকাশ পায়। এই দেৱীয়ে নৰবলি দাবী কৰিছিল। কামাখ্যা আদিতে গাৰো বা খাছি জাতিৰ আৰু তাম্ৰেশ্বৰী চুটিয়া জাতিৰ আৰাধ্যা দেৱী আছিল। কালক্ৰমত ভাৰতৰ অন্যান্য প্ৰান্তত কামৰূপেই দেৱীপূজাৰ কেন্দ্ৰস্থল হিচাপে জনাজাত হৈছিল।

কামাখ্যা দেৱীৰ পূজাত কাকতীয়ে যিবোৰ আচাৰ বা বিধি লক্ষ্য কৰিছে সেইবোৰ আদিম কিৰাত জাতিসমূহৰ নীতিনিয়ম। উত্তৰ ভাৰতৰ পৰা অহা বৈদিক যজ্ঞ বা পৰৱৰ্ত্তী যুগৰ নাম ধৰ্মৰ লগত তাৰ পাৰ্থক্য স্পষ্ট। দেৱীৰ আগত মহ, বনৰীয়া ৰৰা, গুঁই, মানুহ—এনে বিচিত্ৰ জন্তু বলি দিব পাৰি, সনাতন হিন্দু ধাৰণাত যিবোৰ অপবিত্ৰ বা অসংগত। ( পৃঃ ৬৬ ) বামাচাৰী পূজাত নাৰীৰ সান্নিধ্য অপৰিহাৰ্য্য। ( পৃঃ ৪৭ ) যোগিনীতন্ত্ৰৰ মতে কামৰূপৰ আদিম অধিবাসী সকলৰ ধৰ্মত বৈৰাগ্য, সন্ন্যাস, ব্ৰহ্মচৰ্য্যৰ স্থান নাই। তাৰ আচাৰত মাছ-মাংস ভোজন আৰু নাৰীসকলৰ লগত নিৰ্বিচাৰ ৰমণ উল্লেখযোগ্য বৈশিষ্ট্য। ( পৃঃ ৪৭ ) দেৱীৰ প্ৰতীক হিচাবে যোনিৰ পূজাৰ ব্যাপক প্ৰচলন কামৰূপৰ প্ৰাচীন ধৰ্মৰ বৈশিষ্ট্য। ( পৃঃ ৪৩ ) ঠিক তেনেকৈ দেৱীপূজাৰ আনুষংগিক পৰ্ব হিচাবে বিচিত্ৰ যৌন আচাৰৰ প্ৰচলন তাৰ আদিম জনজাতীয় অধ্যায়ৰ অৱশেষ। ( পৃঃ ৪৪-৪৯ )

পঞ্চম অধ্যায়ৰ শেষ অংশ দুটাত ( The Break With The Mother, The New Discipline ) কাকতীয়ে এই আদিম ধৰ্মীয় পটভূমিৰ লগত অসমৰ "বিচ্ছেদ" কেনেকৈ সাধিত হ'ল আৰু নতুন ধৰ্মমত অতীতৰ ধৰ্মতকৈ কি কি বিষয়ত বেলেগ তাৰ এটা বিৱৰণ দিছে। এই কথা স্পষ্ট যে এই নতুন ধৰ্মমতক ( শংকৰদেৱৰ একশৰণ নামধৰ্মক ) কাকতীয়েও আদিম কুসংস্কাৰ আৰু ব্যভিচাৰৰ পৰা মুক্তিৰ গৌৰৱময় পথ বুলি ভাবিছিল। বিশেষকৈ প্ৰাচীন ধৰ্মৰ নাৰীঘটিত "কলেংকাৰী" বোৰ তেওঁ সহজভাবে গ্ৰহণ কৰিব পৰা নাছিল।

কিন্তু The Mother Goddess Kamakhya-ত কাকতীৰ এই গৱেষণাৰ শেষ নপৰিল। তেওঁ তাৰ উপৰিও, আৰু তাৰ পিছতো, "প্ৰেম নিবেদনত নাৰী", "ৰাসক্ৰীড়াৰ শুৰি কথা" আৰু "ৰাধাচৰিত্ৰৰ অভ্যুদয়" নামৰ প্ৰবন্ধত সমাজত নাৰীৰ অৱস্থান আৰু ভূমিকা সম্পৰ্কে নৃতাত্ত্বিক আলোচনা আগবঢ়াইছে। এইবোৰতো তেওঁ পৰম্পৰাগত বা পৌৰাণিক আখ্যানসমূহ আদিম লোকসমাজৰ বিশ্বাস আৰু ৰীতিনীতিৰ ( customs ) প্ৰতিবিম্ব হিচাবে দেখুৱাবলৈ সমৰ্থ হৈছে।

এই ধৰণৰ গৱেষণা অৱশ্যে সম্পূৰ্ণ অভিনৱ নহয়। কাকতীয়ে নিজে Briffaultৰ The Mother প্ৰভৃতি গ্ৰন্থ আহি আৰু ভিত্তি হিচাবে স্বীকাৰ কৰি লৈছিল। কিন্তু Briffaultৰ তত্ত্বসমূহ ৰক্ষণশীল বুৰ্জোৱা পণ্ডিতমহলে

সতকাই মানি লোৱা নাছিল। নানা বিধৰ বিৰোধিতা আৰু বিপত্তিৰ সন্মুখীন হৈছিল স্বয়ং ব্ৰিফল্ট্ চাহাব। তেনেস্থলত অনগ্ৰসৰ অসমত কাকতীয়ে এই সাহস গোটালে ক'ৰ পৰা ?

ইতিমধ্যে কোৱা হৈছে যে অসমীয়া সমাজ আৰু সংস্কৃতিৰ ওপৰৰ তৰপ কিটাত সনাতন হিন্দুধৰ্মৰ প্ৰভাৱ যিমানেই নপৰক তাৰ তলৰ স্তৰ বিলাকত বহু আদিম আচাৰ আৰু বিশ্বাস প্ৰবল হৈ আছে। অসমৰ জনসংখ্যাৰ এক বৃহৎ অংশ জনজাতীয়, তথাকথিত হিন্দুসকলৰ একাংশ মাত্ৰ কেইপুৰুষমান আগতে জনজাতীয় আছিল। অসমৰ বিহু উৎসৱ মূলতঃ অনাৰ্য্য জনজাতীয় অৱদান। অৰ্থনৈতিক আৰু সামাজিক ভাবেও উত্তৰ ভাৰতৰ গ্ৰাম সমাজ ( Village community ) তাৰ বৰ্ণাশ্ৰম ধৰ্ম আৰু জাতিভেদসহ অসমত পূৰ্ণ হৈ থিতাপি লব পৰা নাছিল। এনেবোৰ লক্ষণৰে এটা হ'ল উচ্চ বৰ্ণ দুইচাৰিটা বাদ দিলে অসমীয়া তিৰোতাৰ মুকলিমূৰীয়া স্বভাৱ আৰু স্বাধীন চলনফুৰণ। উইলিয়ম ৰবিনচন প্ৰমুখ্যে উনৈশ শতিকাৰ নীতিবাগীশ ইংৰাজ পৰ্য্যবেক্ষকে অসমীয়া তিৰোতাৰ "চৰিত্ৰহীনতা" আৰু "স্বৈৰিণীৰ স্বভাৱ" সম্পৰ্কে বহু গাঁজাখুৰি গল্প উলিয়াইছিল। সেইবোৰ আছিল নিজ দেশত আঁৰবেৰ দি তিৰোতাক বন্দী কৰি ৰখা ভিক্টোৰিয়ান যুগৰ অৱদমিত ব্ৰিটিছ মনৰ প্ৰতিক্ৰিয়া—তাৰ প্ৰকৃত ভিত্তি আছিল অসমীয়া তিৰোতাৰ অপেক্ষাকৃত স্বাধীন চলনফুৰণ।

এনে এখন সমাজত জন্ম লোৱা কাকতীয়ে স্বাভাৱিকতে নাৰীৰ অৱস্থান আৰু ভূমিকাৰ ইতিহাস জানিবলৈ অধিক আগ্ৰহান্বিত হৈছিল। কিন্তু এনে অনুসন্ধানত অগ্ৰসৰ হৈ কাকতীয়ে অসমীয়া সমাজৰ এটা অন্তৰ্বিৰোধত জড়িত হৈ পৰিল। সমাজত নাৰীৰ প্ৰাধান্য আৰু স্বাধীনতা প্ৰাক্‌সামন্ত যুগৰ লক্ষণ। পিতৃতান্ত্ৰিক সমাজ স্থাপিত হোৱাৰ লগেলগে ব্যক্তিগত সম্পত্তিৰো বিপুল বিকাশ ঘটে, আৰু নাৰীও ক্ৰমে পুৰুষৰ ব্যক্তিগত সম্পত্তিত পৰিণত হয়। স্বাভাৱিকতে এনে সমাজত নাৰীৰ প্ৰাধান্য আৰু স্বাধীনতাৰ সকলো চিনমোকাম নিৰ্মমহাতে মোহাৰি পেলোৱা হৈছিল। ভোগৰ সামগ্ৰী হিচাবে নাৰীক নিৰ্বিচাৰে ব্যৱহাৰ কৰা পুৰুষে নৈতিকতাৰ ক্ষেত্ৰত নাৰীৰ গাত কলংক আৰোপ কৰিলে। কোৱা হ'ল যে নাৰীয়ে আসক্তি জন্মাই পুৰুষৰ মোহ উৎপাদন কৰে। এই যুগৰ ধৰ্ম সেয়ে নাৰীৰ বিৰুদ্ধে, স্বাভাৱিক প্ৰবৃত্তি আৰু ইন্দ্ৰিয়বোধৰ বিৰুদ্ধে, বিষয়-সংসাৰৰ বিৰুদ্ধে।

মাতৃপ্ৰধান সমাজত ব্যক্তিগত সম্পত্তি বিপুল নহয়, কিন্তু তাৰ ধৰ্ম ব লোকবিশ্বাসত প্ৰকৃতিৰ বিৰুদ্ধে, প্ৰবৃত্তিৰ বিৰুদ্ধে, নাৰীৰ বিৰুদ্ধে বিৰোধাৰ নাই।

বাণীকান্ত কাকতীয়ে তেওঁৰ Mother Goddess Kamakhya গ্ৰন্থত লিখিছে: "To renounce the would for one's religion is said to be easier than to live for it in the world. Sankara Deva chose the difficult path of living up to his faith in the world, and what is still more difficult, to persuade the world to live up to it." ( p 80 ). মহাপুৰুষ মাধৱদেৱক শংকৰদেৱে যেতিয়া পৰিহাসৰ ছলেৰে কৈছিল "গঁড় বান্ধি যুঁজাটো" যুদ্ধৰ নিয়ম, কিহৰ বিৰুদ্ধে গঁড় মৰাৰ কথা কৈছিল? প্ৰবৃত্তিৰ বিৰুদ্ধে, কামৰ বিৰুদ্ধে, ৰিপুৰ বিৰুদ্ধে। অৰ্থাৎ বিবাহ কেৱল প্ৰবৃত্তি আৰু প্ৰকৃতিক শাসন কৰিবৰ বাবে। এনে ধাৰণাৰ পৰা বিশ্বপ্ৰকৃতি আৰু নাৰীৰ প্ৰতি সন্মানৰ ভাব নজন্মে। শংকৰদেৱেও কাকতীৰ ভাষাৰে যেতিয়া সংসাৰত থাকি ধৰ্ম চৰ্চা কৰিলে, তেতিয়া সেই ধৰ্ম সংসাৰৰ প্ৰতি সহানুভূতিৰ ধৰ্ম নাছিল। মহাপুৰুষীয়া মত বৈৰাগ্য বা সন্ন্যাসৰ নহলেও প্ৰবৃত্তি আৰু কামনা-বাসনাৰ ওপৰত কঠোৰ শাসনৰ পক্ষপাতী। নাৰীৰ প্ৰতিও অনুৰূপভাৱে এক বিৰূপ মনোভাৱ বা এক অৱহেলাৰ মনোভাৱে তাৰ মাজত বাঁহ ল'লে। কাকতীয়ে কৈছে: "In the **Ekas´arana** system there are **Kevaliya** monks but there are no nuns. In the religious gatherings of men, women are not allowed···It has even been said that Sankara naver gave any **nāma mantra** to women" ( pp 77—78 ) কাৰণ হিচাবে তেখেতে কৈছে উত্তৰ ভাৰতৰ কিছুমান বৈষ্ণৱমতত ভক্তবৃন্দৰ মাজত পুৰুষ-নাৰীৰ সংমিশ্ৰণ হোৱাত ব্যভিচাৰ ঘটিবলৈ পাইছিল। ( **ibid** ).

প্ৰাচীন কামৰূপৰ ধৰ্মৰ প্ৰতি কাকতীৰ মনোভাৱৰ প্ৰচ্ছন্ন দিশ এটা এনেকৈয়ে প্ৰকট হৈছে। তেওঁ বৈজ্ঞানিক অনুসন্ধানৰ পদ্ধতি বৰ্জন কৰি দ্বিধাহীনভাৱে সামৰণিত প্ৰাচীন কামৰূপৰ ধৰ্মৰ ধাৰাটোক গৰিহণা দিছে:

**"The existence of society was threatened. Moreover society itself was moth-eaten from within and without any sustaining vitality from any external source. The land was infested with**

itinerant teachers of the Vamacara Tantric schools. Amongst religious rites the most spectacular were bloody sacrifices to gods and goddesses amidst deafening noises of drums and cymbals. night vigils on virgin worship and the ɜWƈ dances of temple-women.' ( p 80 ).

এনেবোৰ আচাৰক ঘৃণ্য কুসংস্কাৰ বা অযৌক্তিক, বিকৃত ৰুচিবিৰুদ্ধ বুলি গৰিহণা দি কাকতী ঐতিহাসিক দৃষ্টিকোণৰ পৰা আঁতৰি গৈছে। আচলতে কাকতীৰ তেনে কোনো ঐতিহাসিক দৃষ্টিকোণ নাই। বিশেষকৈ মাতৃপ্ৰধান সমাজ আৰু সংস্কৃতিৰ প্ৰতি যি সহানুভূতিৰে চাইছে, অসমৰ মহাপুৰুষীয়া চিন্তাধাৰাৰ উত্তৰাধিকাৰী কাকতীৰ মনত তেনে সহানুভূতি নাছিল। ফলত "দেবীমাতৃ পূজা"ৰ অন্তৰালত থকা ঐতিহাসিক আৰু সামাজিক তথ্যসমূহৰ একাংশ তেওঁ পোহৰলৈ আনিলেও সেইবোৰৰ যথোচিত মূল্যায়ন তেওঁৰ পক্ষে সম্ভৱ হৈ নুঠিল।

আচলতে শক্তিপূজা মাতৃপ্ৰধান সমাজৰ ধৰ্মৰ অৱশেষ। মাতৃপ্ৰধান সমাজত ব্যক্তিগত সম্পত্তিৰ প্ৰতিপত্তি নাছিল। আনহাতে মানৱইতিহাসত কৃষি আৰু কৃষিকেন্দ্ৰিক জীৱন মাতৃপ্ৰধান সমাজৰ অৱদান বুলি পণ্ডিতসকলে স্বীকাৰ কৰে। এই সমাজত নাৰীৰ মৰ্য্যাদাও আছিল পুৰুষতকৈ অধিক। শক্তিপূজাৰ নানাবিধ আচাৰ আৰু বিশ্বাসে এই পৰিস্থিতিকেই প্ৰতিফলিত কৰে।

ইউনেস্কোৰ পৃষ্ঠপোষকতাত প্ৰস্তুত History of Mankind (Vol. I, 1963) গ্ৰন্থখনৰ বিশ্ববিখ্যাত পুৰাতত্ত্ববিদৰ দ্বাৰা ৰচিত—Jacquetta Hawkes আৰু Sir Leonard Woolley. শ্ৰীমতী হক্সে আদিম মানৱ সমাজৰ বিষয়ে লিখিবলৈ গৈ মন্তব্য কৰিছে যে সম্পত্তিৰ সামূহিক স্বত্ব ( Communal Ownership ) আৰু মাতৃমূলীয় ( matrilineal ) উত্তৰাধিকাৰ একেডাল সূতাৰে গঠা। নব্যপ্ৰস্তৰযুগৰ সমাজত মাতৃস্বত্ব আৰু কৃষিজীৱী জীৱনযাত্ৰা আছিল পৰস্পৰৰ লগত জড়িত। এই সমাজতে নাৰীয়ে সৰ্বশ্ৰেষ্ঠ মৰ্য্যাদা লাভ কৰিছিল। কৃষি আছিল নাৰীৰ আৱিষ্কাৰ, আৰু পশুবাহিত নাঙলৰ ব্যৱহাৰ নোহোৱালৈকে কৃষি আছিল নাৰীৰ দায়িত্ব। নৱপ্ৰস্তৰ যুগৰ উন্নত আৰু অভিনৱ খাদ্যউৎপাদন, যি এক নতুন জীৱনযাত্ৰা আৰু সভ্যতাৰ জন্ম দিছিল, সম্পূৰ্ণ নাৰীৰ কীৰ্তি। ( পৃঃ ২০৩—২০৬ )

ধৰ্মৰ ফালৰ পৰাও সমাজত নাৰীৰ কৰ্তৃত্ব আৰু প্ৰাধান্য সেইযুগত বাঢ়িছিল। প্ৰত্নপ্ৰস্তৰ যুগত মাতৃদেৱী ( Mother Goddess ) আৰু যোনি-পূজাৰ প্ৰচলন আছিল। আদিম চিকাৰী মানুহৰ মনত চিকাৰৰ জীৱজন্তু সেই মাতৃদেৱীৰ গৰ্ভৰ সন্তিসন্ততি আছিল আৰু সেয়ে চিকাৰত সিদ্ধিলাভৰ বাবে দেৱী মাতৃক সন্তুষ্ট কৰাৰ চেষ্টা চলিছিল। নব্যপ্ৰস্তৰ যুগত মাটি বা পৃথিৱীক সেই উৰ্বৰা মাতৃমূৰ্তিৰ লগত একাত্মীভূত কৰা হ'ল। কৃষিৰ ফচল দেখদেখকৈ গৰ্ভৱতী পৃথিৱীৰ সন্তিসন্ততি আছিল আদিম মানুহৰ ধাৰণাত। ঋতুমতী নাৰীৰ লগত বৃষ্টিপ্লাৱিত পৃথিৱীৰ বিজনি তেওঁলোকৰ মনত আছিল স্বাভাৱিক। ( কামাখ্যা মন্দিৰৰ "অম্বুবাচী" বা আমটি উৎসৱৰ গুৰুত্বৰ মূলো এয়ে। ) সেয়ে নানাধৰণৰ যাদু বিদ্যাৰে পৃথিৱীৰ গৰ্ভ উৰ্বৰ আৰু মাটি শস্যশালিনী কৰিবলৈ তেতিয়াৰ মানুহে চেষ্টা কৰিছিল। তেতিয়াৰ ধৰ্ম আছিল একধৰণৰ যাদুবিদ্যা। এই যাদুত দেৱীমাতৃৰ ধাৰণা আছিল কেন্দ্ৰীয়। দেৱীমাতৃৰ পূজাত বা আৰাধনাত মহিলা পুৰোহিত আছিল পুৰুষ পুৰোহিতৰ দৰেই শক্তিশালী আৰু প্ৰভাৱশালী।

( পৃঃ ৩৪০—৩৪৩ )

দেৱীপ্ৰসাদ চট্টোপাধ্যায়ে তেওঁৰ Lokayata ( 1959, First Edition ) গ্ৰন্থত ব্ৰিফল্টৰ পৰা এনে কিছুমান গুৰুত্বপূৰ্ণ উদ্ধৃতি দিছে :

"The magical or religious rites intended to secure the fertility of the fields were naturally within the special competence of the women who cultivated them.".

* * *

"The fecundity of the. earth and the fecundity of women are viewed as being one and the same quality."

* * *

"The belie that the sexual act assists the production of an abundant harvest of the earth's fruits, and is indeed indispensable to secure it, is universal in the lower phases of culture."

দেৱীপ্ৰসাদ চট্টোপাধ্যায়ে দেখুৱাইছে যে তন্ত্ৰৰ বিধান, আচাৰ, উপাসনাবিধি এই আদিম ধৰ্মৰ অৱশেষ মাত্ৰ। তন্ত্ৰৰ যৌনসংগমমূলক পূজা, তন্ত্ৰৰ নাৰীপ্ৰাধান্য, তন্ত্ৰৰ জাতিবৰ্ণহীন সাম্যভাৱ, তন্ত্ৰৰ অনাৰ্য্য

আচাৰবিচাৰ তেওঁৰ মতে এই মাতৃপ্ৰধান আৰু আদিম সাম্যবাদী সমাজৰ উত্তৰাধিকাৰ। পিতৃতান্ত্ৰিক আৰু ব্যক্তিগত সম্পত্তিৰ ওপৰত গঢ় লৈ উঠা সমাজৰ আবিৰ্ভাবে মাতৃপ্ৰধান সমাজৰ নীতিনিয়ম আৰু বিশ্বাস দূৰ কৰিলে, আৰু সেইবোৰ গোপন বা আচুতীয়া ধৰ্মীয় সম্প্ৰদায়তহে টিকি থাকিল। কামাখ্যাৰ দেৱীমাতৃৰ জন্মকথা আৰু পূজাবিধি ইয়াৰ পোহৰতে বুজা যায়।

কাকতীয়ে Mother Goddess Kamakhyaত যোগিনীতন্ত্ৰৰ পৰা উদাহৰণ দি কৈছে যে প্ৰাচীন কামৰূপৰ ধৰ্ম "কৈৰাতজ"—মূলতঃ কিৰাত জাতিৰ ধৰ্ম। (পৃঃ ৯) নৰকে কামাখ্যা দেৱীক প্ৰতিষ্ঠা কৰা আখ্যানৰ মাজত তেওঁ নিৰীক্ষণ কৰিছে কোনো স্থানীয় আদিম দেৱীৰ পূজা প্ৰচলন কৰি আৰ্যসভ্যতাৰ অগ্ৰদূত মিথিলাৰ নৰকে স্থানীয় শৈৱধৰ্মৰ প্ৰভাৱ দুৰ্বল কৰাৰ ঐতিহাসিক ঘটনা। (পৃঃ ৩৩—৩৪)। আৰু কামাখ্যাৰ বলেৰেই স্থানীয় শৈৱধৰ্মক এনে দুৰ্বল কৰা হ'ল যে অসমত একালৰ প্ৰবল শৈৱধৰ্ম আৰু মন্দিৰৰ বাহিৰত সম্প্ৰদায়ৰূপে টিকি থাকিব নোৱাৰিলে। অসমৰ ধূসৰ অতীতৰ প্ৰবল ৰাজনৈতিক সংঘৰ্ষ আৰু বিবাদ আৰু তাৰ পৰিণতি এনেদৰে উদ্ঘাটন কৰিব পৰাটো কম কৃতিত্বৰ কথা নহয়। কিন্তু কাকতীৰ দৃষ্টিত ই-হ'ল আৰ্য মত আৰু আৰ্য জীৱনযাত্ৰাৰ দ্বাৰা অনাৰ্য মত আৰু অনাৰ্যজীৱনযাত্ৰা দমন। মানুহৰ ঐতিহাসিক বিকাশৰ দুটা বিভিন্ন যুগৰ প্ৰবৰ্তন হিচাবে তেওঁ এই ঘটনাপ্ৰবাহ চাবপৰা নাই আৰু তাৰ ফলস্বৰূপেই তেওঁৰ বিচাৰত কিছু ভ্ৰমভ্ৰান্তি সোমাই পৰিছে

অসমৰ জনজাতীয় সমাজত নাৰীৰ প্ৰাধান্য আৰু স্বাধীনতা কাকতীয়ে লক্ষ্য কৰিছে। কিন্তু তেওঁ তাক অষ্ট্ৰিক জাতিৰ অৱদান বুলি ধৰিছে। (পৃঃ ৩৮—৪১) তেনেকৈ কামাখ্যাৰ পূজাত থকা বামাচাৰৰ মূলতে তেওঁ পাইছে অনাৰ্য জাতিৰ আচাৰ আৰু সংস্কাৰ। (পৃঃ ৪৬—৪৮) শক্তিৰ ভাৱেশ্বৰীত "ভীৰুকান্ত" ৰূপত দেৱীয়ে নৰবলি বিচাৰে, আৰু কাকতীৰ মতে ই চুটিয়া জাতিৰ ধৰ্ম। (পৃঃ ৬২)। কিন্তু এই নৰবলি যে একালত আৰ্য হিন্দুসকলৰ মাজতো প্ৰচলিত আছিল তাৰ প্ৰমাণ আছে। অৰ্থাৎ কেৱল অনাৰ্য কুসংস্কাৰ বুলি নৰবলিৰ ব্যাখ্যা দিব নোৱাৰি। বৰং কৃষি আৰু কৃষিজীৱী সমাজৰ আদিম স্তৰত পৃথিৱীক ঋতুমতী কৰিবলৈ, উৰ্বৰা কৰিবলৈ আন বস্তুৰ লগতে মানুহৰ তেজো অৰ্পণ কৰা হৈছিল। ই আছিল

একধৰণৰ বাহু। সেই সমাজৰ অৱশেষ হিন্দু সমাজত বাচি থাকিল দেবী মাতৃৰ ভীষণ ৰূপৰ প্ৰকাশ ৰূপে।

ঐতিহাসিক যুগত অসমত ব্যক্তিগত সম্পত্তিৰ ওপৰত নিৰ্ভৰশীল পিতৃতান্ত্ৰিক সমাজ প্ৰতিষ্ঠিত হৈছিল। আহোম সামন্ততন্ত্ৰই অস্ত্ৰবলেৰে এই সমাজ ৰক্ষা কৰিছিল আৰু তাক সামন্ততান্ত্ৰিকৰূপ দিছিল। কিন্তু সামন্ততন্ত্ৰৰ সম্পূৰ্ণ উত্তৰণ হোৱা নাছিল। তাৰ দেহত বাচি আছিল বহু আদিম জনগোষ্ঠি আৰু সিবিলাকৰ আচাৰ আৰু বিশ্বাস। মাতৃপ্ৰধান আদিম সাম্যবাদী সমাজৰ শিপাডালো তাৰ মাজত জীপ লৈ আছিল। তাৰ ওপৰত অৱশ্যে অবিচ্ছেদ আক্ৰমণ চলিছিল। পিতৃতান্ত্ৰিক সমাজ প্ৰবৰ্তনত নৱবৈষ্ণৱ ধৰ্ম আৰু আহোম সামন্ততন্ত্ৰ আছিল সমানেই উৎসাহী। শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম সেয়ে কেৱল আধ্যাত্মিক ৰস নাছিল, সি আছিল কম্বিকু মাতৃপ্ৰধান সমাজৰ ওপৰত এক প্ৰবল আঘাত। জনজাতীয় লোকসকলে নতুন শ্ৰেণীসমাজতো যি ধৰ্মমতৰ ছত্ৰছাঁয়াত তেওঁলোকৰ আদিম সাম্যবাদী সমাজৰ আচাৰ আৰু বিশ্বাস বেছিকৈ ৰক্ষা কৰিবলৈ সুযোগ পালে সেই মোৱামৰীয়া ধৰ্মমত কেৱল আহোম ৰজাঘৰৰে নহয়, আনআন নৱবৈষ্ণৱ সম্প্ৰদায়ৰো বিৰাগভাজন হৈছিল। (সূৰ্য্যকুমাৰ ভূঞা, স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ)

তন্ত্ৰৰ ওপৰত বিশেষ দখল থকা প্ৰসিদ্ধ পণ্ডিত Sir John Woodroffe-এ তেওঁৰ **Introduction to Tantra Shastra** ( ১৯১৩ চনত প্ৰথম প্ৰকাশিত, ১৯৫২ চনত মাদ্ৰাজৰ পৰা পুনৰ প্ৰকাশিত ) নামৰ গ্ৰন্থত তন্ত্ৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰিছে। প্ৰথমটো হ'ল তন্ত্ৰসাধনাত জাতিভেদৰ প্ৰতি অৱহেলা আৰু দ্বিতীয়টো হল তন্ত্ৰসাধনাত নাৰীৰ গুৰুত্ব।

"The Tantra makes no caste distinction as regards worship. All may read the Tantras, perform the Tantrik worship, and recite the Tantrik **mantra**...All Castes, and even the lowest **Chandala**, may be a member of a chakra, or Tantrik circle of worship...In the **Chakra**, all its members partake of food and drink together..." (p. 75)

* * * *

(Vāmācarā) does not mean, as vulgarly supposed, "left-hand

worship", but the worship in which woman (Vama) enters. In this achara, there is also worship of the Vama Devi" (p. 78)

তেওঁৰ Lokayata গ্ৰন্থতো দেবীপ্ৰসাদ চট্টোপাধ্যায়ে জাতিভেদৰ ক্ষেত্ৰত তন্ত্ৰৰ উদাৰতালৈ আঙুলিয়াই দিছে। শংকৰদেৱৰ মতামত জাতিভেদৰ ক্ষেত্ৰত পৰিষ্কাৰ নহয়। ৰামানন্দ প্ৰভৃতি উঃ ভাৰতৰ উদাৰ বৈষ্ণৱ গুৰুৰ দৰে তেওঁ সাধনাৰ ক্ষেত্ৰত উদাৰ আছিল কিন্তু প্ৰকৃত সমাজ সংগঠনৰ ক্ষেত্ৰত তেওঁ জাতিভেদৰ বিৰোধিতা কৰা নাছিল। তেওঁৰ উদাৰতা আছিল আধ্যাত্মিক ক্ষেত্ৰত, বৈষয়িক ক্ষেত্ৰত নহয়। তেওঁৰ ৰচনাতো অসমৰ বিভিন্ন অনাৰ্য্য জাতিসমূহৰ প্ৰতি অবহেলা নাইবা কৰুণাৰ ভাব ফুটি উঠিছে—সেইবোৰ জাতিৰ আচাৰ আৰু বিশ্বাসক তেওঁ নীচ বা হীন বুলি ভাবিছে। তেনেকৈয়ে নাৰীপ্ৰাধান্য বা স্ত্ৰীস্বাধীনতাৰ প্ৰসংগতো তেওঁৰ সিদ্ধান্ত দৃঢ় আৰু স্থিৰ। কামনা-বাসনাক শাসনত ৰাখিবলৈ গৃহস্থীধৰ্মৰ প্ৰয়োজন, কিন্তু কামনা-বাসনাক কেতিয়াও পবিত্ৰ বা নিষ্পাপ বুলি ধৰিব নোৱাৰি, নাৰীকো কেতিয়াও এক বিশেষ বিন্দুৰ ওপৰলৈ উঠিবলৈ দিব নোৱাৰি। নাৰীৰ দেহ সৌন্দৰ্য্যত উদ্ভাউল হোৱা অসমৰ আদিম জাতিসমূহৰ উপাস্যদেৱ শিৱক "হৰমোহন"ত উপহাস কৰা হৈছে। হৰৰ মোহ সৃষ্টি কৰা বিষ্ণু কিন্তু এনে প্ৰবল কামনাবেগৰ ঊৰ্ধ্বত। পিতৃতান্ত্ৰিক আৰু ব্যক্তিগত সম্পত্তিৰ ওপৰত নিৰ্ভৰশীল শ্ৰেণীবিভক্ত সমাজৰ বাবে শংকৰদেৱৰ মতেই স্বাভাৱিকতে আকৰ্ষণীয় হৈ পৰে।

আচৰিত নহয় যে নাৰীৰ প্ৰতি আৰু নাৰীপুৰুষৰ দৈহিক সম্পৰ্কৰ প্ৰতি কাকতী সহজ হব নোৱাৰিলে। তেওঁৰ চিন্তাত অবদমনমূলক নৱবৈষ্ণৱ ধ্যানধাৰণাই প্ৰবল হৈ ৰ'ল। পশ্চিমীয়া ৰোমাণ্টিকতাই তাৰ মাজলৈ সোৱাই আনিছিল এচাটি মাদকতাভৰা সজীৱ বতাহ। কিন্তু তাৰ পিছতো কাকতীৰ বাবে প্ৰত্যক্ষ জগতৰ ৰূপ সলাব নোৱাৰিলে। 'সাহিত্য আৰু প্ৰেম' নামৰ প্ৰবন্ধ সংকলনত শাৰীৰিক আৰু ঐহিক বাসনাৰ প্ৰবলতাতকৈ আধ্যাত্মিক প্ৰেমৰ মাধুৰ্য্যই বেছি আদৰ পাইছে। আবে'লাৰ, দান্তেৰ "কামগন্ধহীন" আধ্যাত্মিক প্ৰেম আৰু আমিয়ে'লৰ ক্ষমাস্পৃহাই তেওঁৰ বাবে উচ্চতৰ সম্পত্তি। ৰিনেইছাঁচৰ প্ৰভাৱতকৈ ৰামমোহনৰ প্ৰতিধ্বনিয়ে কাকতীৰ চিন্তাধাৰাৰ হৃৎস্পন্দন।

সমাপ্ত